AS-01-4.1(B)

# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
# Institute of Distance and Open Learning
# গুৱাহাটী বিশ্ববিদ্যালয়
# Gauhati University

**অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)**

**M. A. in Assamese (01)**

**পাঠ্যবিষয় ঃ ৪.১- খ (Course : 4.1-B)**

## মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ
(পালি-প্ৰাকৃত-অপভ্ৰংশৰ পাঠ)

## Middle Indo Aryan Texts
(Pali-Prakrit-Apabhramsa Text)

## বিষয়সূচী (Contents)


**পাঠ্যবিষয়ৰ পৰিচয়** (Course Introduction)

**প্ৰথম খণ্ড ঃ পালি ভাষা আৰু সাহিত্য**

প্ৰথম বিভাগ ঃ মধ্যভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় আৰু অশোকৰ অনুশাসনমালা

দ্বিতীয় বিভাগ ঃ পালি ভাষা

তৃতীয় বিভাগ ঃ ধম্মপদ

**দ্বিতীয় খণ্ড ঃ প্ৰাকৃত ভাষা আৰু সাহিত্য**

প্ৰথম বিভাগ ঃ প্ৰাকৃত ভাষা

দ্বিতীয় বিভাগ ঃ গাহাসত্তসঈ

তৃতীয় বিভাগ ঃ 'কৰ্পূৰমঞ্জৰী'ৰ সাধাৰণ পৰিচয়

চতুৰ্থ বিভাগ ঃ 'কৰ্পূৰমঞ্জৰী'ৰ পাঠগত পৰ্যালোচনা

**তৃতীয় খণ্ড ঃ অপভ্ৰংশ ভাষা আৰু সাহিত্য**

প্ৰথম বিভাগ ঃ অপভ্ৰংশ ভাষা

দ্বিতীয় বিভাগ ঃ সংনেহ ৰাসউ (সন্দেশ ৰাসক)

তৃতীয় বিভাগ ঃ কীৰ্তিলতা

## Contributor

**Block 1 :**

| | | |
|---|---|---|
| Unit 1 : | Dr. Nagen Thakur & | Retd. Prof. Dept.of Assamese, GU |
| | Dr. Snigdha Mahanta | Asstt. Prof. in Assamese, Dhing College |
| Unit 2 : | Dr. Snigdha Mahanta | Asstt. Prof. in Assamese, Dhing College |
| Unit 3 : | Dr. Nagen Thakur & | Retd. Prof. Dept.of Assamese, GU |
| | Dr. Snigdha Mahanta | Asstt. Prof. in Assamese, Dhing College |

**Block 2 :**

| | | |
|---|---|---|
| Unit 1 : | Dr. Snigdha Mahanta | Asstt. Prof. in Assamese, Dhing College |
| Unit 2 : | Dr. Nagen Thakur & | Retd. Prof. Dept.of Assamese, GU |
| | Dr. Snigdha Mahanta | Asstt. Prof. in Assamese, Dhing College |
| Unit 3 & 4 : | Rashna Das | Research Scholar, Dept. of Assamese, G.U. |

**Block 3 :**

| | | |
|---|---|---|
| Unit 1 : | Dr. Maniram Kalita | Asstt. Prof. in Assamese, Sonapur College |
| Unit 2 : | Dr. Nagen Thakur & | Retd. Prof. Dept.of Assamese, GU |
| | Dr. Snigdha Mahanta | Asstt. Prof. in Assamese, Dhing College |
| Unit 3 : | Dr. Khagesh Sen Deka | Dept.of Assamese, Pub Kamrup College |

**Content Editing**

| | |
|---|---|
| Dr. Khagesh Sen Deka | Dept. of Assamese, Pub Kamrup College, |

**Format & Copy Editing**

| | |
|---|---|
| Dr. Apurba Kr. Deka | Asstt. Professor in Assamese<br>IDOL, Gauhati University |
| Bhaskarjit Borah | Part-time counsellor<br>IDOL, Gauhati University |

**Course Coordination**

| | |
|---|---|
| Dr. Kandarpa Das | Director, IDOL, Gauhati University |
| Dr. Upen Rabha Hakacham | Department of Assamese<br>Gauhati University |
| Dr. Apurba Kr. Deka | Asstt. Professor in Assamese<br>IDOL, Gauhati University |

**Cover Page Design**

| | |
|---|---|
| Naba Kr. Choudhury | Department of Antropology<br>Gauhati University |



June, 2015



© Institute of Distance and Open Learning, Gauhati University. All rights reserved. No part of this work may be reproduced in any form, by mimeograph or any other means, without permission in writing from the Institute of Distance and Open Learning, Gauhati University. Further information about the Institute of Distance and Open Learning, Gauhati University courses may be obtained from the University's office at IDOL Building, Gauhati University, Guwahati-14.



Published on behalf of the Institute of Distance and Open Learning, Gauhati University by Dr. Kandarpa Das, Director and printed at Asom Printers, Guwahati-3. Copies printed 500.

**Acknowledgement**

The Institute of Distance and Open Learning, Gauhati University duly acknowledges the financial assistance from the Distance Education Council, IGNOU, New Delhi for preparation of this material.

## অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম চাৰিটা ষান্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষান্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষান্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। । তৃতীয় ষান্মাসিকৰ পঞ্চম পাঠ্যবিষয়টো আৰু চতুৰ্থ ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব — সাহিত্য শাখা (ক) আৰু ভাষা শাখা (খ)। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ ঃ **১৬০০**। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিবঃ **৮০**। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব - আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে —

আভ্যন্তৰীণ ঃ **১৬** (মুঠ নম্বৰৰ ২০ শতাংশ)।
মূল পৰীক্ষা ঃ ৬৪ (মুঠ নম্বৰৰ ৮০ শতাংশ)।

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা —এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্ণনাধৰ্মী প্ৰশ্ন | ঃ | **৪৮।** |
| চমু প্ৰশ্ন / চমু টোকা | ঃ | **১৬।** |

এই পাঠ্যক্ৰমৰ মূল্যায়ন **'Credit and Grading System'** ৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ **'Credit Point'** হ'ল ৮ ।

যান্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ —

**প্ৰথম ষান্মাসিক**

**পাঠ্যবিষয়** ১.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্যযুগ)
**পাঠ্যবিষয়** ১.২ অসমীয়া কবিতা
**পাঠ্যবিষয়** ১.৩ প্ৰাচ্য সাহিত্য সমালোচনা
**পাঠ্যবিষয়** ১.৪ অসমৰ সংস্কৃতি
**পাঠ্যবিষয়** ১.৫ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

**দ্বিতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ২.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ)
**পাঠ্যবিষয়** ২.২ অসমীয়া নাটক
**পাঠ্যবিষয়** ২.৩ পাশ্চাত্য সাহিত্য সমালোচনা
**পাঠ্যবিষয়** ২.৪ সাহিত্যৰ তত্ত্ব আৰু ধাৰা
**পাঠ্যবিষয়** ২.৫ সংস্কৃত সাহিত্যৰ বুৰঞ্জী

**তৃতীয় ষাণ্মাসিক**

**পাঠ্যবিষয়** ৩.১ অসমীয়া গদ্য

**পাঠ্যবিষয়** ৩.২ অসমীয়া উপন্যাস

**পাঠ্যবিষয়** ৩.৩ অসমীয়া চুটিগল্প

**পাঠ্যবিষয়** ৩.৪ লিপি আৰু পাঠ-সমীক্ষা

**পাঠ্যবিষয়** ৩.৫ (ক) তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ
৩.৫ (খ) ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

**চতুৰ্থ ষাণ্মাসিক**

**পাঠ্যবিষয়** ৪.১ (ক) ভক্তি সাহিত্য
৪.১ (খ) মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

**পাঠ্যবিষয়** ৪.২ (ক) সংস্কৃত সাহিত্য
৪.২ (খ) ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ

**পাঠ্যবিষয়** ৪.৩ (ক) পাশ্চাত্য সাহিত্য
৪.৩ (খ) অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি

**পাঠ্যবিষয়** ৪.৪ (ক) ভাৰতীয় সাহিত্য অধ্যয়ন
৪.৪ (খ) সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা

**পাঠ্যবিষয়** ৪.৫ (ক) বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা
৪.৫ (খ) অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব

---

## পাঠ্যবিষয় ৪.১ (খ)
## মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

**গোট ১ ঃ পালি ভাষা আৰু সাহিত্য**

পালি ভাষা
অশোকৰ অনুশাসনমালা (১ আৰু ২ নং গিৰ্ণাৰ)
ধম্মপদ (চিত্ত বগ্গৰ ১ম - ৮ম শ্লোক আৰু পণ্ডিত বগ্গৰ ১ম - ৮ম শ্লোক)

**গোট ২ ঃ প্ৰাকৃত ভাষা আৰু সাহিত্য**

প্ৰাকৃত ভাষা
গাহাসত্তসঈ (১, ২, ৭, ৯, ১০, ১৬, ১৯ আৰু ২০)
কৰ্পুৰমঞ্জৰী (১ম যৱনিকাৰ ২২-৩২ নং শ্লোক)

**গোট ৩ ঃ অপভ্ৰংশ ভাষা আৰু সাহিত্য**

অপভ্ৰংশ ভাষা
সন্দেশ-ৰাসক (২য় প্ৰক্ৰমৰ ১-১০ নং শ্লোক)
কীৰ্তিলতা (১-৮ নং শ্লোক)

### পাঠ্য বিষয়

## মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

ভাষা-শাখাৰ এই কাকতখন হ'ল 'মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ'। এই কাকতখনত মধ্যভাৰতীয় আৰ্যভাষাৰ তিনিটা স্তৰ -পালি, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাত ৰচিত সাহিত্যৰাজি অন্তৰ্ভুক্ত কৰা হৈছে। স্তৰ তিনিটাক প্ৰতিনিধিত্ব কৰা বিভিন্ন শাসনমালা আৰু গ্ৰন্থৰ লগতে তিনিওটা ভাষা-স্তৰৰ সাধাৰণ বৈশিষ্ট্যকো এই কাকতখনে সামৰি লৈছে। এই সমগ্ৰ বিষয়বস্তুক তিনিটা খণ্ডত খণ্ডিত কৰা হৈছে —

**প্ৰথম খণ্ড** ঃ **পালি ভাষা আৰু সাহিত্য**

**দ্বিতীয় খণ্ড** ঃ **প্ৰাকৃত ভাষা আৰু সাহিত্য**

**তৃতীয় খণ্ড** ঃ **অপভ্ৰংশ ভাষা আৰু সাহিত্য**

**প্ৰথম খণ্ড**টিত আলোচিত হৈছে মধ্যভাৰতীয় আৰ্যভাষাৰ সাধাৰণ আভাসৰ লগতে অশোকৰ অনুশাসন তথা পালি ভাষা আৰু সাহিত্যৰ বিষয়ে। পালি সাহিত্যৰ প্ৰসঙ্গত ধম্মপদ অন্তৰ্ভুক্ত কৰা হৈছে। **দ্বিতীয় খণ্ড**ৰ বিষয়বস্তু হ'ল প্ৰাকৃত ভাষা আৰু সাহিত্য। প্ৰাকৃত সাহিত্যৰ উল্লেখযোগ্য গ্ৰন্থ গাহাসত্তসঈ আৰু কৰ্পূৰমঞ্জৰী এই কাকতখনত সন্নিৱিষ্ট কৰা হৈছে। **তৃতীয় খণ্ড**টি হ'ল অপভ্ৰংশ ভাষা আৰু সাহিত্য। ইয়াত অপভ্ৰংশ ভাষাৰ সাধাৰণ আলোচনাৰ লগতে এই ভাষাত ৰচিত সন্দেশ-ৰাসক আৰু কীৰ্তিলতা গ্ৰন্থ দুখনিৰ আলোচনাই ঠাই পাইছে।

প্ৰথম খণ্ড

## পালি ভাষা আৰু সাহিত্য

এই খণ্ডটিত মধ্য ভাৰতীয় আৰ্য্যভাষাৰ প্ৰথম স্তৰ - পালি ভাষা আৰু সাহিত্যৰ বিষয়ে পৰ্যালোচনা আগবঢ়োৱা হ'ব। আলোচনা সুবিধাৰ বাবে সমগ্ৰ খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে —

**প্ৰথম বিভাগ ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় আৰু অশোকৰ অনুশাসনমালা**
**দ্বিতীয় বিভাগ ঃ পালি ভাষা**
**তৃতীয় বিভাগ ঃ ধম্মপদ**

প্ৰথম বিভাগটিত মধ্যভাৰতীয় আৰ্যভাষাৰ জন্ম আৰু ক্ৰমবিকাশৰ বিভিন্ন স্তৰসমূহ আলোচনা কৰা হৈছে। মধ্যভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট আৰু অশোকৰ অনুশাসনৰ সাধাৰণ আভাস দাঙি ধৰাৰ লগতে ১নং আৰু ২নং গিৰ্ণাৰ অনুশাসনৰ বিস্তৃত আলোচনাও ইয়াত সামৰি লোৱা হৈছে।

দ্বিতীয় বিভাগত পালি ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ বিভিন্ন স্তৰ আলোচিত হৈছে। তদুপৰি এই ভাষাৰূপৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ দাঙি ধৰি পালি ভাষাত ৰচিত বিভিন্ন ৰচনাৰাজিৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

তৃতীয় বিভাগৰ বিষয়বস্তু হ'ল বৌদ্ধধৰ্মৰ নৈতিক চিন্তাৰ মূলগ্ৰন্থ ৰূপে বিবেচিত ধম্মপদ। এই বিভাগত ধম্মপদ শব্দৰ অৰ্থ, সংকলন কাল আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা হৈছে। তাৰ লগতে পণ্ডিতবগ্‌গো আৰু চিত্তবগ্‌গোৰ বিষয়বস্তুৰ আভাস দিয়া হৈছে।

## প্ৰথম বিভাগ
## মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় আৰু অশোকৰ অনুশাসনমালা

**বিভাগৰ গঠন**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ
১.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ
১.৫ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য
১.৫.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য
১.৫.২ ৰূপতাত্ত্বিক বৈশিষ্ট্য
১.৫.৩ শব্দগত বৈশিষ্ট্য
১.৬ অশোকৰ অনুশাসনমালা
১.৬.১ অশোকৰ অনুশাসনৰ শ্ৰেণী-বিভাজন
১.৬.২ অশোকৰ অনুশাসনৰ ভাষা
১.৬.৩ ১নং আৰু ২নং (গিৰ্ণাৰ) অনুশাসনৰ পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা
১.৭ সাৰাংশ (Summing Up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ১.১ ভূমিকা (Introduction)

ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তনৰ ইতিহাসক পণ্ডিতসকলে তিনিটা প্ৰধান ভাগত ভগাইছে ঃ (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা, (খ) মধ্য ভাৰতীয় আৰ্যভাষা আৰু (গ) নব্য ভাৰতীয় আৰ্যভাষা। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় — খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা, মধ্য ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমান পৰ্যন্ত বুলি অনুমান কৰা হৈছে।

এইটো বিভাগৰ আলোচ্য বিষয় মধ্যভাৰতীয় আৰ্যভাষা মূলতঃ ভাৰতীয় আৰ্যসকলৰ বৈদিক কথিক ভাষাৰ বিৱৰ্তিত ৰূপ। এই ভাষাৰ প্ৰাথমিক পৰ্যায়ত কেইখনমান অনুশাসন পোৱা যায়। সেইবোৰৰ ভিতৰত মৌৰ্য সম্ৰাট মহামতি অশোকে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত লিখোৱা উচ্চ ভাবাদৰ্শ সম্বলিত 'ধৰ্মলিপি'সমূহ বিশেষভাৱে উল্লেখযোগ্য। এই 'ধৰ্মলিপি'সমূহক পৰৱৰ্তী কালত অশোকৰ অনুশাসনৰূপে অভিহিত কৰা হৈছে।

এইটো অধ্যায়ত আপুনি মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰায় আটাইবোৰ দিশৰ বিষয়ে খৰচি মাৰি অধ্যয়ন কৰিবলৈ পাব। তাৰ লগে লগে আপোনাৰ পাঠ্য বিষয় অশোকৰ ১নং আৰু ২নং গিৰ্ণাৰ অনুশাসন দুখনৰ পাঠ, অসমীয়া ভাঙনি আৰু ভাষাগত দিশৰ বিষয়েও জানিবলৈ পাব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব;
- মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ বিভাজন বিজ্ঞানসন্মতভাৱে ফঁহিয়াই দেখুৱাব পাৰিব;
- মধ্য ভাৰতীয় আৰ্যভাষাৰ লক্ষণসমূহ বিশ্লেষণ কৰি দেখুৱাব পাৰিব; আৰু
- মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰৰ নিদৰ্শন অশোকৰ অনুশাসনৰ ভাষিক তথা সাংস্কৃতিক তাৎপৰ্য ফঁহিয়াই দেখুৱাব পাৰিব।

## ১.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ

মধ্য ভাৰতীয় আৰ্যভাষা পৃথিৱীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠী ইণ্ডো-ইউৰোপীয়ৰ অন্যতম প্ৰশাখা ভাৰতীয় আৰ্যভাষাৰ এক বিকশিত ৰূপ। এই ভাষাৰ উদ্ভৱ আৰু বিকাশৰ সৈতে ভাৰতীয় আৰ্য-সমাজৰ বিৱৰ্তনৰ ইতিহাস জড়িত হৈ আছে।

আৰ্যসকল ভাৰতলৈ কেতিয়া আহিছিল তাক সঠিককৈ কোৱা টান। তথাপি পণ্ডিতসকলে বিভিন্ন অন্তৰঙ্গ আৰু বহিৰঙ্গ প্ৰমাণৰ ভিত্তিত এওঁলোকৰ আগমনৰ সময় খ্ৰীঃপূঃ ১৫ শতিকা বুলি অনুমান কৰিছে। এই কথা ঠিক যে আৰ্যসকলে একে সময়তে সকলোবোৰ আহি ভাৰতবৰ্ষত ভৰি দিয়া নাছিল। বৰং ভিন ভিন সময়ত ক্ষুদ্ৰ ক্ষুদ্ৰ গোট বা দল হিচাপে আহি ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত থিতাপি লৈছিল আৰু পৰৱৰ্তী সময়ত এই ভূখণ্ডৰ বিভিন্ন অঞ্চলত বিয়পি পৰিছিল।

আপুনি নিশ্চয় বুজিব পাৰিছে যে ভাৰতলৈ অহা আৰ্য জনগোষ্ঠীৰ ভাষাটোৰ নাম ভাৰতীয় আৰ্যভাষা। এই ভাষাৰ প্ৰাচীনতম ৰূপটো সংৰক্ষিত হৈছে ঋগ্বেদত। সেইবাবে এই সময়ৰ ভাষাটোক বৈদিক ভাষাৰূপে নামকৰণ কৰা হৈছে। সময়ৰ বিৱৰ্তনত মানুহৰ মুখ বাগৰি বৈদিক কথিত ভাষাত ভাঙোন ধৰে আৰু এটা সময়ত সি পূৰ্বৰ বৈশিষ্ট্য হেৰুৱাই যথেষ্ট সৰল হৈ পৰে। এই সময়তে বেদত ব্যৱহৃত ভাষা-ৰূপৰ সুসংৰক্ষণৰ চিন্তাৰে বৈদিক ভাষাৰ সংস্কাৰ সাধন কৰা হয় আৰু এই ভাষাত সাহিত্যাদি ৰচনা কৰিবলৈ লোৱা হয়। ব্যাকৰণনিৰ্দিষ্ট এই ভাষাটোৰ নাম সংস্কৃত ভাষা। বৈদিক আৰু সংস্কৃত— এই দুই ভাষাৰূপে ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীন স্তৰটোৰ প্ৰতিনিধিত্ব কৰে। সহজ কথাত প্ৰাচীন ভাৰতীয় আৰ্যভাষা মানে বৈদিক আৰু সংস্কৃত ভাষা।

ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ মধ্যৱৰ্তী স্তৰটোৰ নাম মধ্য ভাৰতীয় আৰ্যভাষা। এই স্তৰটোক প্ৰাকৃত ভাষাৰ যুগ বুলিও কোৱা হয়। এই স্তৰটোৰ পৰিব্যাপ্তিৰ কাল খ্ৰীঃ পূঃ ৬ষ্ঠ শতাব্দীৰ পৰা খ্ৰীঃ পূঃ ১০ম শতাব্দী পৰ্যন্ত। ভাৰতীয় আৰ্য-সমাজত প্ৰচলিত লৌকিক বা কথিত ৰূপটো জনসাধাৰণৰ দৈনন্দিন বাগ্ব্যৱহাৰত পৰিৱৰ্তনৰ স্বাভাৱিক গতি প্ৰৱাহেৰে অগ্ৰসৰ হ'বলৈ ধৰে। ইয়াৰ ফলত খ্ৰীঃ পূঃ ৬ষ্ঠ শতাব্দীমানত ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ এনে কেতবোৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিল যে প্ৰচলিত ভাষাৰূপটো প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা ভালেখিনি পৃথক হৈ পৰিল। ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক পৰিৱৰ্তনৰ মাজেদি প্ৰাচীন ৰূপৰ পৰা ভাৰতীয় আৰ্যভাষাই যি সুকীয়া ৰূপ পৰিগ্ৰহ কৰিলে তাকেই ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় স্তৰ অৰ্থাৎ মধ্য ভাৰতীয় আৰ্যভাষাৰূপে নামকৰণ কৰা হৈছে। এই ভাষাৰ উৎপত্তিৰ গতি-চিত্ৰ তলত দিয়া ধৰণে দেখুৱাব পাৰি ঃ

- ভাৰতীয় আৰ্যভাষা
  - প্ৰাচীন ভাৰতীয় আৰ্যভাষা
    - বৈদিক (শিষ্ট)
    - লৌকিক
      - প্ৰাকৃত (মধ্য ভাৰতীয় আৰ্যভাষা
      - সংস্কৃত

খ্ৰীঃপূঃ ৬ষ্ঠ শতাব্দীমানৰ ভিতৰত বৈদিক যুগৰ কথ্যৰূপটোৱে ভাৰতৰ বিভিন্ন অঞ্চলত, বিশেষকৈ উত্তৰ-পশ্চিম অঞ্চলৰ পৰা পূৰ্বাঞ্চল পৰ্যন্ত বিৱৰ্তনৰ গতিত পাচোঁটা আঞ্চলিক ৰূপত আত্মপ্ৰকাশ কৰিছিল বুলি অনুমান কৰা হৈছে। এই ৰূপকেইটা হ'ল ঃ (ক) উত্তৰ-পশ্চিমা বা গান্ধাৰ উদীচ্য, (খ) পশ্চিমা বা সৌৰাষ্ট্ৰ প্ৰতীচ্য, (গ) দক্ষিণী, (ঘ) মধ্যদেশীয় বা প্ৰাচ্য-মধ্যা আৰু (ঙ) প্ৰাচ্যা। এই আঞ্চলিক ৰূপকেইটাই মধ্যভাৰতীয় আৰ্যভাষা বা প্ৰাকৃত ভাষাৰ প্ৰাচীনতম ৰূপ। পৰৱৰ্তী কালত এই পাচোঁটা আঞ্চলিক ৰূপৰ পৰা পৈশাচী, শৌৰসেনী, মাহাৰাষ্ট্ৰী, অৰ্ধ-মাগধী আৰু মাগধী নামৰ সাহিত্যিক প্ৰাকৃতকেইটা গঢ় লৈ উঠে।

প্ৰাকৃত বা মধ্য-ভাৰতীয় আৰ্যভাষাৰ উৎপত্তিৰ সময় খ্ৰীঃপূঃ ৬ষ্ঠ শতাব্দী বুলি ধৰি লোৱাৰ এক ঐতিহাসিক কাৰণ আছে। আপুনি ভাৰতীয় আৰ্যসমাজৰ ইতিহাস অনুধাৱন কৰিলে বুজি পাব যে এইছোৱা সময় সন্ধিক্ষণৰ সময়। আন প্ৰকাৰে ইয়াক ভাৰতীয় সমাজ-জীৱনৰ প্ৰথম নৱজাগৰণৰ সময় বুলিবও পাৰি। ইয়াৰ পূৰ্বৱৰ্তী কালছোৱাত বৈদিক কৰ্ম-কাণ্ডই বিশেষ প্ৰাধান্য পাইছিল। ধৰ্মীয় চিন্তা-চৰ্চা আছিল মুষ্টিমেয় এচাম লোকৰ অধিকাৰৰ বস্তু। জাতিভেদ আৰু ধৰ্মীয় সংকীৰ্ণতাই সমাজ-জীৱন অসহনীয় কৰি তুলিছিল। এই সময়তে গৌতম বুদ্ধ আৰু ঋষভ-পাৰ্শ্বনাথ-মহাবীৰকে ধৰি চৌবিশজন তীৰ্থংকৰৰ নেতৃত্বত ধৰ্মৰ ক্ষেত্ৰত উদাৰ আৰু মানৱীয় চেতনাৰে এক স্বাধীন চিন্তাৰ দুৱাৰ মুকলি হৈছিল। ইয়াৰ জৰিয়তে এক সমাজ-বিপ্লৱৰ সূচনা হৈছিল। জনসাধাৰণৰ সহজ-সৰল জীৱনক আধাৰ হিচাপে লৈ সৃষ্টি হোৱা ধৰ্মীয় নীতি আৰু দৈনন্দিন কথ্য ভাষাৰ আশ্ৰয়ত গঢ় লোৱা ধৰ্মমতসমূহে চিন্তাৰ জগতত আলোড়ন সৃষ্টি কৰাৰ লগে লগে ভাষাকো মৰ্যাদাসম্পন্ন কৰি তুলিছিল। সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য হৈ পৰা বৈদিক ভাষাত ধৰ্মীয় আচাৰ-অনুষ্ঠানসমূহ সম্পন্ন হোৱাত তথা সেই ভাষাত ব্ৰাহ্মণ্য ধৰ্মৰ মতবোৰ প্ৰতিষ্ঠিত হোৱাত তৎকালীন জনসাধাৰণ দিশহাৰা হৈ পৰিছিল। এনে পৰিস্থিতিত শীল-সদাচাৰ আৰু অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত বৌদ্ধ আৰু জৈন মতবাদে সামাজিক শৃংখলা সুদৃঢ় হোৱাত সহায় কৰিছিল আৰু জনসাধাৰণৰ আধ্যাত্মিক জীৱন উন্নত কৰাত বিশেষ ভূমিকা লৈছিল। মন কৰিবলগীয়া যে বৌদ্ধ আৰু জৈনধৰ্মৰ অন্তৰ্নিহিত তাৎপৰ্য তৎকালীন কথ্যভাষাৰ মাধ্যমেৰে প্ৰচাৰ কৰা হৈছিল। নিজৰ ভাষাৰ সহায়ত উল্লিখিত দুই ধৰ্মৰ মতসমূহ আয়ত্ত কৰিবলৈ পাই সমসাময়িক জনগণে নিজক প্ৰকাশ কৰিবলৈ সৃষ্টিৰ প্ৰেৰণা বিচাৰি পাইছিল। বৌদ্ধ শ্ৰমণ আৰু জৈনাচাৰ্যসকলে ধৰ্মৰ গূঢ়তত্ত্ব নিৰহ নিপানীকৈ ব্যাখ্যা কৰাৰ পৰা অনুমান কৰিবলৈ টান নহয় যে সেই সময়ত মানুহৰ মুখ বাগৰি প্ৰৱাহিত কথ্য ভাষাটোৱে ভাব প্ৰকাশ কৰিব পৰাৰ আৱশ্যকীয় ক্ষমতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। অৱশ্যে অশোকৰ সময় পৰ্যন্ত ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত মধ্য-ভাৰতীয় আৰ্যভাষা বা প্ৰাকৃতৰ কোনো নিদৰ্শন পোৱা নাযায়। কিন্তু সেয়ে হ'লেও, তৎকালীনভাৱে প্ৰাকৃত ভাষাৰ যে বিপুল চৰ্চা হৈছিল তাৰ প্ৰমাণ অশোক আৰু খাৰবেল অনুশাসন তথা বৌদ্ধশাস্ত্ৰ ত্ৰিপিটকৰ ভাষাই দাঙি ধৰে।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তিত ৰূপ মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰতিষ্ঠা আৰু বিকাশত বৌদ্ধ আৰু জৈন মতাৱলম্বী পণ্ডিতসকলৰ বিশেষ ভূমিকা আছে। এই দুই ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সৈতে প্ৰাকৃত বা 'জনসাধাৰণৰ ভাষা' অতি নিবিড়ভাৱে জড়িত। সংস্কৃত ভাষা যদি ব্ৰাহ্মণ্য ধৰ্মৰ ধাৰক আৰু বাহক, তেন্তে প্ৰাকৃত ভাষা বৌদ্ধ আৰু জৈন ধৰ্মৰ ধাৰক আৰু বাহক।

মধ্যভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰৰ ভাষাক অপভ্ৰংশ আখ্যা দিয়া হৈছে। পণ্ডিতসকলৰ মতে তৎকালীন ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰচলিত প্ৰাকৃত ভাষাসমূহ কালক্ৰমত সৰলতৰ অৱস্থাপ্ৰাপ্ত হৈ 'অপভ্ৰংশ'ৰূপে জনাজাত হয় আৰু তাৰে পৰাই নব্য-ভাৰতীয় আৰ্যসমূহৰ জন্ম হয়।

খ্ৰীষ্টীয় ৬ষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় ১০ম শতাব্দী পৰ্যন্ত বিকশিত অপভ্ৰংশ ভাষাক দুটা ভাগত ভগোৱা হৈছে ঃ (ক) প্ৰাচীন অপভ্ৰংশ আৰু (খ) অৰ্বাচীন অপভ্ৰংশ বা অবহট্‌ঠ। ড° সুকুমাৰ সেনৰ ভাষাত "মধ্য ভাৰতীয় আৰ্যৰ যি সাৰ্বজনীন ৰূপটো অ-শিষ্ট লোক-সাহিত্যৰ বাহক হৈ উঠিছিল সিয়েই অপভ্ৰংশ বা প্ৰাচীন অপভ্ৰংশ আৰু এই প্ৰাচীন অপভ্ৰংশৰ যি অৰ্বাচীন ৰূপটো আধুনিক ভাৰতীয় আৰ্যভাষাৰ জনক অৰ্থাৎ অব্যৱহিত পূৰ্ব অৱস্থা, সিয়েই অপভ্ৰষ্ট বা অবহট্‌ঠ অৰ্থাৎ অৰ্বাচীন অপভ্ৰংশ।"

মুঠতে খ্ৰীঃপূঃ ৬ষ্ঠ শতাব্দীৰ পৰা অৰ্থাৎ গৌতম বুদ্ধৰ আৱিৰ্ভাৱৰ সময়ৰ পৰা খ্ৰীষ্টীয় ১০ম শতাব্দী পৰ্যন্ত প্ৰায় ডেৰ হাজাৰ বছৰ ব্যাপি ভাৰতবৰ্ষত আৰ্য জনগোষ্ঠীৰ ভাষাৰ যি বিকশিত ৰূপৰ প্ৰচলন ঘটিছিল সেই ভাষাই মধ্য ভাৰতীয় আৰ্যভাষা।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে চমুকৈ লিখি উলিয়াওক। (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

...........................................................................................................

...........................................................................................................

...........................................................................................................

(২) মধ্য ভাৰতীয় আৰ্যভাষাৰ বিকাশত বৌদ্ধ আৰু জৈন ধৰ্মৰ ভূমিকাৰ আভাস দিয়ক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

...........................................................................................................

...........................................................................................................

...........................................................................................................

...........................................................................................................

## ১.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ

আপুনি পূৰ্বৰ আলোচনাৰ পৰা নিশ্চয় জানিব পাৰিলে যে মধ্য ভাৰতীয় আৰ্যভাষা প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তিত ৰূপ। ভাৰতীয় আৰ্যভাষাৰ ইতিহাসক যি তিনিটা সুস্পষ্ট স্তৰত ভাগ কৰা হৈছে তাৰ ভিতৰত মধ্য ভাৰতীয় আৰ্যভাষা দ্বিতীয় স্তৰৰ অন্তৰ্গত। পণ্ডিতসকলে মধ্য ভাৰতীয় আৰ্যভাষাৰো তিনিটা প্ৰধান স্তৰ লক্ষ্য কৰিছে ঃ (ক) আদি স্তৰ

বা আদি প্ৰাকৃত, (খ) মধ্য স্তৰ বা সাহিত্যিক প্ৰাকৃত আৰু (গ) অন্ত্য স্তৰ বা অপভ্ৰংশ। আলোচনাৰ পৰৱৰ্তী অংশত আপুনি এই তিনিওটা স্তৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

**(ক) আদি স্তৰ বা আদি প্ৰাকৃত ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰটোৰ সময় ধৰা হৈছে খ্ৰীঃপূঃ ৬ষ্ঠ শতিকাৰ পৰা খ্ৰীঃ১ম শতিকালৈ। খ্ৰীষ্টীয় ১ম শতিকা এই স্তৰৰ অন্তিম সময় বুলি ধৰাৰ প্ৰধান কাৰণ হ'ল এইটো শতিকাত বৌদ্ধ হীনযানী সম্প্ৰদায়ে প্ৰচলিত প্ৰাকৃত ভাষাৰ মাধ্যমেৰে বৌদ্ধশাস্ত্ৰ প্ৰথমবাৰৰ বাবে লিপিবদ্ধ কৰিছিল। পৰৱৰ্তী কালত ইয়াৰ ভাষা 'পালি ভাষা' ৰূপে জনাজাত হয়। এইটো স্তৰৰ ভাষাৰ নিদৰ্শন নিম্নোক্ত নথিসমূহৰ মাজত পোৱা যায় -

(১) অশোকৰ শিলালিপি আৰু স্তম্ভলিপি (খ্ৰীঃ পূঃ ৩য় শতাব্দী);
(২) মধ্য ভাৰতৰ জোগীমাৰা গুহাৰ শিলালিপি (খ্ৰীঃপূঃ ২য় শতাব্দী);
(৩) উৰিষ্যাৰ হাথিগুম্ফা গুহাত খোদিত শিলালিপি (খ্ৰীঃপূঃ১ম শতাব্দী);
(৪) গোৱালিয়ৰৰ বেছ নগৰৰ গৰুড় স্তম্ভলিপি (খ্ৰীঃপূঃ ২য় শতাব্দী);
(৫) খ্ৰীঃ পূঃ ১ম শতাব্দীলৈ প্ৰাপ্ত অন্যান্য শিলালিপি;
(৬) বৌদ্ধ হীনযান সম্প্ৰদায়ৰ পালি ভাষা (খ্ৰীঃপূঃ ৩য় শতাব্দীৰ পৰা খ্ৰীঃ ১ম শতাব্দী); আৰু
(৭) মহাযানী বৌদ্ধ সম্প্ৰদায়ৰ 'বৌদ্ধ মিশ্ৰ সংস্কৃত ভাষা'।

এইখিনিতে আপুনি এটা কথা জানি থোৱা উচিত হ'ব। কথাটো হ'ল বিশিষ্ট ভাষাতত্ত্ববিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰ আৰু মধ্য স্তৰৰ মাজত 'ক্ৰান্তি স্তৰ' নামেৰে আন এটি স্তৰৰ উল্লেখ কৰিছে। তেওঁৰ মতে এই স্তৰটোৰ সময় হৈছে— খ্ৰীঃপূঃ ২য় শতাব্দীৰ পৰা খ্ৰীঃ ২য় শতাব্দীলৈ। এই 'ক্ৰান্তি স্তৰ'ৰ উল্লেখৰ মূল কাৰণ হ'ল— এই কালছোৱাত ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ কথিত প্ৰাকৃতৰ ভিত্তিত সাহিত্যৰ ধাৰা বা লিখিত প্ৰাকৃতৰ ধাৰা এটি প্ৰৱাহিত হৈছিল। এই ধাৰাটোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য মূল ভাৰতীয় ভাষাতকৈ কিছু পৃথক। ঘাইকৈ মধ্য-এছিয়াত প্ৰাপ্ত এই নিদৰ্শনসমূহ নিম্নোক্ত ধৰণৰ —

(ক) খৰোষ্ঠী লিপিত ৰচিত 'খোটানী ধম্মপদ' (খ্ৰীঃপূঃ ১ম শতিকাৰ পৰা খ্ৰীঃ ১ম শতিকা);
(খ) মধ্য-এছিয়াৰ প্ৰাচীন শ্বান্-শ্বান্ ৰাজ্যৰ নিয়া নামৰ ঠাইত পোৱা দলিল পত্ৰ, চমুকৈ নিয়া প্ৰাকৃত (খ্ৰীঃ ৩য় শতাব্দী)।

আন এগৰাকী ভাষাতাত্ত্বিক ড° সুকুমাৰ সেনে 'ক্ৰান্তি স্তৰ' হিচাপে নামকৰণ নকৰিলেও, মধ্য এছিয়াত প্ৰাপ্ত নথিসমূহৰ ভাষাগত অভিনৱত্বলৈ লক্ষ্য কৰি খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ৩য় শতিকা পৰ্যন্ত— এই সময়ছোৱাক দুটা উপস্তৰত ভাগ কৰি দেখুৱাইছে। খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ১ম শতাব্দীলৈ প্ৰথম উপস্তৰ আৰু খ্ৰীঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ৩য় শতাব্দীলৈ দ্বিতীয় উপস্তৰ। উল্লেখযোগ্য যে খৰোষ্ঠী বা 'খোটানী ধম্মপদ'ৰ সময় খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ১ম শতাব্দী আৰু 'নিয়া প্ৰাকৃত'ৰ সময় খ্ৰীঃ ৩য় শতাব্দী বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই ফালৰ পৰা ক্ৰান্তি স্তৰৰ সময় খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ৩য় শতাব্দী বুলি ধৰাহে যুগুত হয়।

ভাৰতবৰ্ষৰ বাহিৰত পোৱা হেতুকে এই নথিসমূহৰ ভাষাক 'বহিৰ্ভাৰতীয় প্ৰাকৃত' ৰূপে নামকৰণ কৰা হৈছে। কোনো কোনোৱে আকৌ ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল বা প্ৰাচীন গান্ধাৰ ৰাজ্যত প্ৰচলিত কথিত ভাষাৰ লগত উল্লিখিত নথিসমূহৰ ভাষাগত সাদৃশ্যলৈ লক্ষ্য কৰি ইবোৰক 'গান্ধাৰ প্ৰাকৃত' বুলিছে।

**(খ) মধ্য স্তৰ বা সাহিত্যিক প্ৰাকৃত ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্য স্তৰটোৰ সময়ৰ পৰিব্যাপ্তি খ্ৰীষ্টীয় ১ম শতিকাৰ পৰা খ্ৰীষ্টীয় ৬ষ্ঠ শতিকা। এই সময়ছোৱাত ৰচিত বিপুল সাহিত্যৰাজিলৈ লক্ষ্য কৰি এই স্তৰটোক সাহিত্যিক প্ৰাকৃতৰ স্তৰ বুলিও কোৱা হয়। এইটো স্তৰৰ ভাষাৰ নিদৰ্শন নিম্নোক্ত নথিসমূহৰ মাজত সংৰক্ষিত হৈছে ঃ

(১) অশ্বঘোষৰ সংস্কৃত নাটক 'সাৰিপুত্ৰ প্ৰকৰণ'-ৰ প্ৰাকৃতাংশ (খ্ৰীঃ ১ম শতাব্দী);

(২) ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ 'ধ্ৰুৱা' গীতসমূহ;

(৩) সংস্কৃত নাটকত ব্যৱহৃত প্ৰাকৃতাংশ;

(৪) 'অৰ্ধ মাগধী'-ত ৰচিত জৈন ধৰ্মশাস্ত্ৰসমূহ; আৰু

(৫) 'মাহাৰাষ্ট্ৰী' প্ৰাকৃতত ৰচিত কাব্যপুথিসমূহ।

মন কৰিবলগীয়া যে শৌৰসেনী, মাগধী আৰু পৈশাচী সেই সময়ৰ অন্যতম 'সাহিত্যিক প্ৰাকৃত' আছিল যদিও, এই প্ৰাকৃত ভাষাকেইটাৰ মাধ্যমেৰে ৰচিত কোনো পূৰ্ণাঙ্গ সাহিত্যিক নিদৰ্শন পাবলৈ নাই। সংস্কৃত নাটকত শৌৰসেনী আৰু মাগধী যথাক্ৰমে মধ্যম আৰু নিম্ন চৰিত্ৰৰ মুখৰ ভাষা হিচাপে ব্যৱহৃত হৈছিল। কিন্তু স্বতন্ত্ৰভাৱে এই দুই প্ৰাকৃতত ৰচিত কোনো ৰচনা আজিকোপতি উদ্ধাৰ হোৱা নাই। একেদৰে বৈয়াকৰণকসলৰ উক্তি আৰু উদ্ধৃতিৰ বাহিৰে পৈশাচী প্ৰাকৃতৰো কোনো স্বতন্ত্ৰ নিদৰ্শন পোৱা নাযায়। এই প্ৰাকৃতত গুণাঢ্য নামৰ এগৰাকী অমিত প্ৰতিভাধৰ কথাকাৰে 'বড্‌ডকহা' নামৰ এখন মনোৰম গ্ৰন্থ ৰচনা কৰাৰ উল্লেখ পোৱা যায় যদিও উক্ত গ্ৰন্থৰ পাণ্ডুলিপি কালৰ বুকুত হেৰাই গ'ল। পৰৱৰ্তী কালৰ সংস্কৃত গ্ৰন্থ — সোমদেৱৰ 'কথাসৰিৎসাগৰ', ক্ষেমেন্দ্ৰৰ 'বৃহৎকথামঞ্জৰী' আৰু বুধস্বামীৰ 'বৃহৎকথা শ্লোকসংগ্ৰহ'-ৰ জৰিয়তেহে বড্ডকহাৰ স্বৰূপ সম্বন্ধে জানিব পৰা যায়।

**(গ) অন্ত্য স্তৰ বা অপভ্ৰংশ/অবহট্‌ঠ ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰটোৰ সময় ধৰা হৈছে খ্ৰীষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় ১০ম শতিকালৈ। এই স্তৰৰ নিদৰ্শন তলত উল্লেখ কৰা সাহিত্য-কৃতিসমূহৰ মাজত পোৱা যায় ঃ

(১) জৈন মতাৱলম্বীসকলৰ পৃষ্ঠপোষকতাত ৰচিত বিপুল অপভ্ৰংশ সাহিত্য;

(২) জৈন, শৈৱ-নাথ আৰু বৌদ্ধ সহজযান-বজ্ৰযান পন্থাৰ সাধকসকলৰ দ্বাৰা অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা নিজ নিজ ধৰ্ম-সাধনৰ গীত-পদ;

(৩) ধৰ্মীয় আদৰ্শ বহিৰ্ভূত অন্যান্য কাব্য।

আপুনি ইতিমধ্যে জানিব পাৰিছেই যে মধ্য-ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰটো দুভাগত বিভক্ত ঃ প্ৰাচীন অপভ্ৰংশ আৰু অবহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশ। সাহিত্যিক প্ৰাকৃতৰ পৰিৱৰ্তিত ৰূপটোক প্ৰাচীন অপভ্ৰংশ আৰু আধুনিক ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ পূৰ্বৰূপটোক অৰ্বাচীন অপভ্ৰংশ আখ্যা দিয়া হৈছে। পণ্ডিতসকলে প্ৰতিবিধ প্ৰাকৃতৰে একোটাহঁত অপভ্ৰংশ স্তৰৰ কথা কল্পনা কৰি লৈ আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ আৰু বিকাশৰ বুৰঞ্জী নিৰ্ণয় কৰিছে। মন কৰিবলগীয়া যে অপভ্ৰংশত ৰচিত সাহিত্যৰ ধাৰা নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱৰ বহু কাল পাছলৈকে— প্ৰায় ১৫শ শতাব্দী পৰ্যন্ত অব্যাহত আছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) মধ্য ভাৰতীয় আৰ্যভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? (১০০টা শব্দৰ ভিতৰত লিখি উলিয়াওক।)

.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................

(২) মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ অনুসাৰে পোৱা নিদৰ্শনসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................
.....................................................................................................................

## ১.৫ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য

মধ্য ভাৰতীয় আৰ্যভাষা বা প্ৰাকৃত ভাষাৰ প্ৰায় ডেৰ হাজাৰ জোৰা পৰিক্ৰমা কালানুক্ৰমিকভাৱে সুকীয়া সুকীয়া ভাষাতাত্ত্বিক বৈশিষ্ট্যেৰে সমৃদ্ধ হৈ উঠিছিল যদিও, সমগ্ৰ সময়ছোৱাত এই ভাষাৰ কেতবোৰ সাধাৰণ বা উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। দৰাচলতে মানুহৰ মুখ বাগৰি ঘটা পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা এই ভাষাগত বৈশিষ্ট্যবোৰৰ বাবেই মধ্য ভাৰতীয় আৰ্যভাষা বৈদিক-সংস্কৃত বা প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পৃথক হৈ পৰিছে। এইটো শিতানৰ পৰৱৰ্তী অংশত আপুনি এনে বৈশিষ্ট্যবোৰৰ বিষয়ে খৰচি মাৰি অধ্যয়ন কৰিবলৈ পাব।

### ১.৫.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

**(ক) স্বৰধ্বনি**

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ চৈধ্যটা স্বৰধ্বনিৰ ঠাইত মধ্য ভাৰতীয় আৰ্যভাষাত অ, আ, ই, ঈ, উ, ঊ, এ, ও— এই আঠোটা স্বৰধ্বনিৰ প্ৰয়োগ দেখা যায়। ঋ, ঌ, ৡ-ৰ ব্যৱহাৰ নাইকিয়া হ'ল। ঋ-ৰ ঠাইত অ, ই, উ, এ, অথবা স্বৰযুক্ত ৰ-ৰ প্ৰয়োগ হ'ল, যেনে—

| | | |
|---|---|---|
| ঋ > অ | ঃ | মৃগ > মগ ; কৃত > কত, কট |
| ঋ > ই | ঃ | ঋষি > ইসি |
| ঋ > উ | ঃ | ঋষভ > উসহ |
| ঋ > এ | ঃ | গৃহ > গেহ |
| ঋ > স্বৰযুক্ত ৰ | ঃ | ঋদ্ধি > ৰিদ্ধি ; বৃক্ষ > ৰুক্‌খ, ৰুচ্ছ, ব্ৰচ্ছ |

(২) ঐ আৰু ঔ যৌগিক স্বৰ দুটা প্ৰায়ক্ষেত্ৰতে ক্ৰমে এ আৰু ও-ধ্বনিত পৰিণত হ'ল। যেনে— তৈল > তেল্ল, যৌৱন > জোব্বণ। অৱশ্যে পৰৱৰ্তী অক্ষৰত সংযুক্ত ব্যঞ্জন থাকিলে ঐ > ই, ঈ আৰু ঔ > উ, ঊ হোৱা দেখা যায়, যেনে— সৈন্ধব > সিন্ধব, মৌক্তিকম্ > মুত্তিঅং। কেতিয়াবা আকৌ যৌগিক ৰূপ গুচি সুকীয়া স্বৰ হিচাপেও ব্যৱহাৰ হয়, যেনে— কৈতব > কইঅব, যৌৱন > জউঅণ।

(৩) অয় আৰু অৱ দ্ব্যক্ষৰ দুটা স্বৰ-সংকোচনৰ ফলত ক্ৰমে এ আৰু ও-ধ্বনিলৈ ৰূপান্তৰিত হ'ল, যেনে— নয়তি > নেতি, নেদি, ণেই, অৱহসিত > ওহসিদ।

**(খ) ব্যঞ্জন ধ্বনি**

(১) মধ্য ভাৰতীয় আৰ্যভাষাত স্বৰমধ্যস্থিত স্পৰ্শবৰ্ণ ক, গ, চ, জ, ত, দ, প, ব প্ৰায়ে লোপ পালে কিংবা বৰ্গৰ প্ৰথম বৰ্ণৰ ঠাইত তৃতীয় বৰ্ণ হ'ল, যথা— লোক > লোঅ, নগৰ > ণঅৰ, লতা > লআ, লদা, মদন > মঅণ, কপি > কই, যুৱতী > জুঅই ইত্যাদি।

(২) স্বৰ মধ্যস্থিত অসংযুক্ত মহাপ্ৰাণ ধ্বনি প্ৰায়ে হ-লৈ ৰূপান্তৰিত হ'ল, যেনে— মুখ > মুহ, মেঘ > মেহ, পথিক > পহিঅ, বিধি > বিহি, শেফালিকা > সেহালিআ, লোভ > লোহ ইত্যাদি।

(৩) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ তিনিটা উষ্ম ধ্বনি ক্ৰমে শ, ষ, স-ৰ ঠাইত মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত কেৱল স-ৰ ব্যৱহাৰ থাকিল, যথা— শাখা > সাহা, শিষ্য > সিস্‌স। অৱশ্যে মাগধী প্ৰাকৃতত 'শ'-হে ব্যৱহাৰ হোৱা দেখা যায়, যেনে— দিৱস > দিঅশ, পুৰুষ > পুলিশ, সুৰা > শুলা, ৰোহিত > লোহিদ।

(৪) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ষ-ধ্বনিটো মধ্য ভাৰতীয় আৰ্যভাষাত বিভিন্ন ধৰণে পৰিৱৰ্তিত হৈছিল, যেনে—

| | | |
|---|---|---|
| ক্ষ > ক্‌খ | ঃ | ইক্ষু > ইক্‌খু, চক্ষু > চক্‌খু (শৌৰ., পালি) |
| ক্ষ > চ্ছ | ঃ | মোক্ষ > মোচ্ছ (মাহা.) |
| ক্ষ > শ্‌ক | ঃ | প্ৰেক্ষতে > পেশ্‌কদি (মাগ.) |

(৫) পদান্তৰ বিসৰ্গযুক্ত অ-কাৰ মাগধীত এ-কাৰ আৰু অন্যান্য প্ৰাকৃতত ও-কাৰ হ'ল, যেনে— পুচ্ছিতঃ > পুশ্চিদে (মাগ.) স্নেহঃ > ণেহো, সন্দেহঃ > সংদেহো ইত্যাদি। অন্য স্বৰৰ পিছৰ বিসৰ্গ লোপ পালে।

(৬) সংযুক্ত ব্যঞ্জনৰ আৰু পদান্ত অনুস্বাৰৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰ হ্ৰস্ব হ'ল, যথা— কৰ্তব্য > কত্তব্ব > কাতব্ব ; জানানাং > জণাণং।

(৭) পদান্তত ম-কাৰ থাকিলে তাৰ ঠাইত অনুস্বাৰ হ'ল, যেনে কথম্ > কহং।

(৮) অনুস্বাৰৰ বাহিৰে সকলো পদান্ত ব্যঞ্জন লুপ্ত হ'ল, যেনে— মালাং > মালং, কিন্তু, যাবৎ > জাব, তাবৎ > তাব।

(৯) ৰেফ্ ( ́)-ৰ প্ৰয়োগ নাইকিয়া হ'ল। ৰেফযুক্ত বৰ্ণৰ ৰেফ্ লুপ্ত হ'ল আৰু বৰ্ণটোৰ দ্বিত্ব হ'ল, যেনে— কৰ্ণ > কণ্ণ, কৰ্ম > কম্ম, ধৰ্ম > ধম্ম।

(১০) য, জ-ৰ ঠাইত 'জ'-ৰ ব্যৱহাৰ বৃদ্ধি পালে।

(১১) মূৰ্ধন্যীভৱন, তালব্যীভৱন আৰু নাসিক্যভৱনৰ প্ৰৱণতাৰ ফলত ব্যঞ্জন ধ্বনিৰ প্ৰায়ক্ষেত্ৰতে গুণগত পৰিৱৰ্তন ঘটিল।

(১২) শব্দৰ আদি অৱস্থানত সংযুক্ত ব্যঞ্জন থাকিলে সি একক ব্যঞ্জনলৈ ৰূপান্তৰিত হ'ল, অথবা স্বৰভক্তিৰ দ্বাৰা সৰলীকৃত হ'ল, যথা— স্নেহ > ণেহ, গ্ৰহণম্ > গহণং, ক্লেশ > কিলেস ইত্যাদি। কেতিয়াবা স্বৰৰ আগমৰ দ্বাৰাও আদিস্থিত সংযুক্ত ব্যঞ্জন সৰল হ'ল যেনে— স্ত্ৰী > ইথী।

**(গ) সন্ধি**

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য আছিল সন্ধিৰ প্ৰাচুৰ্য। ওচৰা-উচৰিকৈ থকা দুটা বৰ্ণৰ মাজত য'তেই সম্ভৱ ত'তেই সন্ধি হোৱাটো এই ভাষাৰ এক নিয়মত পৰিণত হৈছিল। ইয়াৰ ফলত সন্ধিৰ প্ৰক্ৰিয়াটো যথেষ্ট জটিল হৈ পৰিছিল। মধ্য ভাৰতীয় আৰ্যভাষাত সন্ধিৰ জটিলতা ভালেখিনি হ্ৰাস পালে। পদান্ত ব্যঞ্জনৰ লোপৰ ফলত আৰু সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণৰ ফলত ব্যঞ্জন সন্ধি আৰু বিসৰ্গ সন্ধি এই স্তৰত নাইকিয়া হ'ল। স্বৰসন্ধিয়েও সংস্কৃতৰ বাধ্যতামূলক ৰীতি এৰি আপোন বাটেৰে বাট বুলিবলৈ ল'লে।

**(ঘ) মাত্ৰামূলক ছন্দ**

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অক্ষৰৰ সংখ্যা আৰু গুৰু-লঘুৰ ভিত্তিত অক্ষৰমূলক ছন্দৰীতিৰ প্ৰৱৰ্তন হৈছিল। মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত অক্ষৰৰ উচ্চাৰণৰ কাল বা মাত্ৰা বিচাৰ কৰি ছন্দ নিৰ্ণয় কৰা হ'ল; অৰ্থাৎ, ছন্দ হৈ পৰিল মাত্ৰামূলক।

### ১.৫.২ ৰূপতাত্ত্বিক বৈশিষ্ট্য

**(ক) শব্দৰূপ**

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত অন্ত্যস্বৰ অনুসাৰে শব্দৰ ভিন ভিন ৰূপ কৰাৰ বৈশিষ্ট্য মধ্য ভাৰতীয় আৰ্যভাষাত লোপ পালে। অ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত শব্দৰ বাহিৰে অন্যান্য শব্দৰ ৰূপ অ-কাৰান্তৰ দৰে হ'ল। ই-কাৰান্ত আৰু উ-কাৰান্ত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ শব্দ অ-কাৰান্তৰ দৰেই ৰূপ হ'বলৈ ধৰিলে। ঋ-ধ্বনি অন্য স্বৰলৈ ৰূপান্তৰিত হোৱা হেতুকে ঋ-কাৰান্ত শব্দৰূপ নাইকিয়া হ'ল।

(২) পদান্ত ব্যঞ্জন লোপ হোৱাৰ ফলত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গৰ ভেদ নোহোৱা হ'ল।

(৩) বচন থাকিল মাত্ৰ দুটা— একবচন আৰু বহুবচন। দ্বিবচন সম্পূৰ্ণ লোপ পালে আৰু তাৰ ঠাইত বহুবচনৰ ব্যৱহাৰ হ'ল।

(৪) বিশেষ্য আৰু সৰ্বনামৰ শব্দৰূপৰ প্ৰভেদ কমি আহিল। পঞ্চমী আৰু সপ্তমীৰ একবচনত আৰু ষষ্ঠীৰ বহুবচনত সৰ্বনামৰ বিভক্তিয়েই বিশেষ্যৰ ৰূপতো প্ৰয়োগ হ'বলৈ ধৰিলে।

(৫) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গবাচক স্বৰান্ত শব্দৰ বহুবচনৰ প্ৰথমা আৰু দ্বিতীয়াৰ ৰূপ ভিন ভিন ধৰণে হৈছিল। পালি-প্ৰাকৃত-অপভ্ৰংশৰ স্তৰত এই ভেদ লুপ্ত হ'ল। আকৌ তৃতীয়াৰ বহুবচনৰ বিভক্তি '-হি' (< - ভিঃ) পঞ্চমী ৰূপেও ব্যৱহাৰ হ'বলৈ ল'লে। তদুপৰি, চতুৰ্থী আৰু সম্বন্ধপদৰ ষষ্ঠী একাকাৰ হৈ পৰিল।

(৬) বিভক্তিৰ ঠাইত অনুসৰ্গ বা অনুসৰ্গজাত প্ৰত্যয়ৰ দ্বাৰাও বিভিন্ন কাৰকৰ প্ৰকাশ হ'বলৈ ধৰিলে।

**(খ) ধাতুৰূপ**

(১) ধাতুৰূপৰ জটিলতা মধ্য ভাৰতীয় আৰ্যৰ স্তৰত ভালেখিনি হ্ৰাস পালে। বৈদিক সংস্কৃতৰ ধাতুৰ দহোটা গণৰ ঠাইত পালিত সাতোটা আৰু প্ৰাকৃতত তিনিটা গণহে ৰক্ষিত হ'ল। সকলো ধাতু ভ্বাদিগণীয়ৰ দৰে ৰূপ হ'বলৈ ধৰিলে।

(২) আত্মনেপদ আৰু পৰস্মৈপদ— এই দুই ক্ৰিয়াৰূপৰ ঠাইত মধ্য ভাৰতীয় স্তৰত কেৱল পৰস্মৈপদৰ ব্যৱহাৰ থাকিল।

(৩) শব্দৰূপৰ দৰে ধাতুৰূপতো দ্বিবচন লোপ পালে আৰু তাৰ ঠাইত বহুবচনৰ ব্যৱহাৰ চলিল।

(৪) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কাল আৰু ভাৱ প্ৰকাশক দহোটা ল-কাৰ (লট্, লোট্, বিধিলিঙ্, আশীৰ্লিঙ্, লঙ্, লিট্, লুঙ্, লৃঙ্, লুট্ আৰু লৃট্)-ৰ ঠাইত মধ্য ভাৰতীয় আৰ্যভাষাত মাত্ৰ লট্, লোট্, লৃট্ আৰু বিধিলিঙ্— এই চাৰিটাহে ৰক্ষিত হ'ল।

(৫) সংস্কৃতৰ নিষ্ঠান্ত (ত-প্ৰত্যয়ান্ত) পদক অতীত কালৰ সমাপিকা ক্ৰিয়া ৰূপে প্ৰয়োগ কৰাৰ ব্যাপক প্ৰচলন ঘটিল।

(৬) বৈদিক সংস্কৃতৰ অসমাপিকা ক্ৰিয়া-গঠনৰ বৈচিত্ৰ্য মধ্য ভাৰতীয় স্তৰত নাইকিয়া হ'ল।

### ১.৫.৩ শব্দগত বৈশিষ্ট্য

মধ্য ভাৰতীয় আৰ্যভাষাৰ শব্দ-ভাণ্ডাৰ মূলতঃ বৈদিক-সংস্কৃতৰ পৰা আহৰিত যদিও, এই স্তৰত ভালেমান নতুন শব্দৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। এই শব্দবোৰৰ মূল বৈদিক-সংস্কৃতত পাবলৈ নাই। সম্ভৱতঃ এইবোৰ শব্দ স্থানীয় অন্য কোনো ভাষাৰ পৰা অহা। প্ৰাকৃত ব্যাকৰণকাৰসকলে এইবোৰক 'দেশী' শব্দৰূপে অভিহিত কৰিছে। এই স্তৰৰ ভাষাৰ শব্দবোৰক এনেদৰে শ্ৰেণীবদ্ধ কৰি দেখুৱাব পাৰি ঃ—

**(১) তৎসম শব্দ ঃ যেনে,—** গঙ্গা, ইচ্ছা, জল, মালা, তৰু, সিন্ধু, দন্ত ইত্যাদি।

**(২) তদ্ভৱ শব্দ ঃ যেনে,—** অজ্জ (অদ্য), সদ্দ (শব্দ), অপ্পমত্ত (অপ্ৰমত্ত/অল্পমাত্ৰ), পসাদীকিদো (প্ৰসাদীকৃতঃ), দিট্‌ঠ (দৃষ্ট), সচ্চ্য (সত্য), কম্ম (কৰ্ম), হিঅঅ (হৃদয়), মুহ (মুখ) ইত্যাদি।

**(৩) দেশী শব্দ ঃ যেনে,—** চঙ্গ (সুন্দৰ), ছইল্ল (বিদগ্ধ), ছজ্জন্তি (দীপ্যন্তি), চক্‌খই (আস্বাদয়তি), টঙ্ক (উচ্চ), ছল্লী (বল্কলম্), মডহ (অল্প) ইত্যাদি। এনে আন কিছুমান শব্দ হ'ল— কুক্ক, কৰকৰায়, ঝসুৰ, বোলাৰিঅ, টপ্পৰ, টিল্লঅৰা, চিক্কণ, সিহণ, মহল্ল, মদ্দল, হলবোলো, হক্কাৰিঅ ইত্যাদি।

**(৪) বিদেশী শব্দ ঃ যেনে,—** হোৰা (গ্ৰীক হোৰ), সুৰঙ্গ/সুৰঙ্গ (গ্ৰীক সুৰিংকস্), দম্ম (গ্ৰীক দাক্‌মে), মুদ্দ (পাৰ্চী মুদ্ৰায়), হজাৰো (পাৰ্চী হজাৰ), মোজা (পাৰ্চী মোজাহ), নমতি (পাৰ্চী নম্‌দহ), তবেল্লা (আৰবী তব্‌ল), কিতেবা (আৰবী কিতাব), সৰাফে (আৰবী সৰ্ৰাফ), ঠক্কুৰ (তুৰ্কী তিগিৰ) ইত্যাদি।

মধ্য ভাৰতীয় আৰ্যভাষাৰ এই বৈশিষ্ট্যসমূহ জনসাধাৰণৰ মুখ বাগৰি হোৱা দীৰ্ঘকালীন পৰিৱৰ্তনৰ ফল। এইবোৰ একেদিনাই বা একে সময়তে গঢ় লৈ উঠা নাছিল। সেইবাবে প্ৰথম অৱস্থাত (অশোকৰ অনুশাসন, পালি ভাষা) এই বৈশিষ্ট্যবোৰৰ বিকল্প ৰূপো প্ৰত্যক্ষ কৰা যায়। উদাহৰণস্বৰূপে মধ্য ভাৰতীয় স্তৰত ধাতুৰূপৰ আত্মনেপদ আৰু পৰস্মৈপদৰ ভিতৰত কেৱল পৰস্মৈপদৰ ব্যৱহাৰ থকা বুলি কোৱা হৈছে যদিও, অশোকৰ অনুশাসন আৰু পালি ভাষাত আত্মনেপদ ৰূপৰ ব্যৱহাৰো কিছু পৰিমাণে লক্ষ্য কৰা যায়। এনেদৰে বিক্ষিপ্তভাৱে দেখা দিয়া পৰিৱৰ্তনসমূহে পৰৱৰ্তী সময়ত এক শৃংখলিত ৰূপ লাভ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) মধ্য ভাৰতীয় আৰ্যভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যবোৰ বাচি উলিয়াবলৈ যত্ন কৰক।

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

(২) বৈদিক সংস্কৃতৰ সংযুক্ত ব্যঞ্জনবোৰে পালি-প্ৰাকৃত-অপভ্ৰংশৰ স্তৰত কেনে পৰিণতি লাভ কৰিছিল। (৫০ টা শব্দৰ ভিতৰত লিখি উলিয়াওক।)

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

(৩) মধ্য ভাৰতীয় আৰ্যভাষাৰ শব্দ-সম্ভাৰৰ শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

## ১.৬ অশোকৰ অনুশাসনমালা

অশোকৰ অনুশাসন বুলিলে আনুমানিক ২৭৩-২৩২ খ্ৰীষ্ট পূৰ্বাব্দৰ মগধৰাজ মহামতি অশোকে নীতি-ধৰ্মৰ শাসন প্ৰৱৰ্তনৰ উদ্দেশ্যে তৎকালীন ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বৃহৎ শিলাখণ্ডত অথবা স্ফটিকৰ স্তম্ভত খোদিত কৰোৱা বাণী বা উক্তিসমূহকে বুজা যায়।

সাধাৰণতে শিলালিপি, তাম্ৰলিপি আদি প্ৰত্নলেখবোৰক সাহিত্যৰ অন্তৰ্ভুক্ত কৰা নহয় যদিও, অশোকৰ আলোচ্য অনুশাসনসমূহক এই নিয়মৰ ব্যতিক্ৰম বুলি গণ্য কৰা হয়। কাৰণ এই অনুশাসনসমূহৰ মাজত বিধৃত হৈছে মানৱতা তথা সমস্ত জীৱৰ কল্যাণৰ চিন্তা। আফগানিস্তানৰ পৰা দাক্ষিণাত্য পৰ্যন্ত এক বিশাল সাম্ৰাজ্যৰ অপ্ৰতিদ্বন্দ্বী সম্ৰাট হৈও এগৰাকী সাধাৰণ ধৰ্ম প্ৰচাৰকৰ দৰে অশোকে এতিয়াৰ পৰা প্ৰায় দুহেজাৰ বছৰৰ পূৰ্বে ডেৰকুৰিৰো অধিক শিলালিপি আৰু স্তম্ভলিপিৰে জনসাধাৰণক নৈতিক ভাৱে শক্তিশালী কৰি তুলিবলৈ তথা সমাজৰ সকলো সম্প্ৰদায়ৰ মাজত সদ্ভাৱ, সম্প্ৰীতি আৰু ভাতৃত্ববোধ জগাই তুলিবলৈ যি অহোপুৰুষাৰ্থ কৰিছিল, সেয়া অকল ভাৰতবৰ্ষৰ ইতিহাসৰে এক বিস্ময়কৰ ঘটনা নহয়, বৰং বিশ্ব-ইতিহাসৰো ই এক বিৰল দৃষ্টান্ত। অশোকৰ লক্ষ্য আছিল সাৰ্বজনীন মানৱীয় মূল্যবোধেৰে জীৱন উন্নত কৰা। দুখনমান অনুশাসনত বৌদ্ধসংঘৰ প্ৰতি তেওঁৰ আনুগত্য প্ৰকাশ পাইছে যদিও, এইবোৰত সঘনে ব্যৱহৃত 'ধৰ্ম' বা 'ধৰ্মলিপি' শব্দই বৌদ্ধধৰ্মক স্পষ্টভাৱে নিৰ্দেশ কৰিছে বুলি ক'বলৈ টান। দৰাচলতে 'ধৰ্ম'ক তেওঁ বহল দৃষ্টিৰে মানৱীয় আচৰণ হিচাপেহে প্ৰতিপন্ন কৰিবলৈ বিচৰা যেন লাগে। অৱশ্যে কোনো কোনো ইতিহাসবিদে অশোকৰ এনে কাৰ্য তেওঁৰ সাম্ৰাজ্য সুদৃঢ় আৰু পুনৰ্গঠন কৰাৰ অন্যতম প্ৰধান আহিলা বুলিহে মত পোষণ কৰিছে। সি যি কি নহওক, অশোকৰ অনুশাসনমালা যে ভাৰতীয় সংস্কৃতি তথা ইতিহাসৰ এক গুৰুত্বপূৰ্ণ সমল তাত কাৰো দ্বিমত নাই।

অশোকৰ অনুশাসনসমূহৰ সৃষ্টিৰ অন্তৰালত এক গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনা জড়িত হৈ আছে। ৰাজপাটত আৰোহণৰ এটা দশকৰ পাছত খ্ৰীঃপূঃ ২৬৩ ত অশোকে কলিঙ্গ দেশ আক্ৰমণ কৰে। এই যুদ্ধত লক্ষাধিক লোকৰ অকাল মৃত্যু ঘটে আৰু ভালেমান লোক আঘাতপ্ৰাপ্ত হয়। যুদ্ধৰ এনে কৰুণ পৰিণতি দেখি অশোকৰ মন ভাৰাক্ৰান্ত হৈ পৰে। অৱশেষত ৰক্তক্ষয়ৰ এই গ্লানিকৰ ঘটনাই আনি দিয়া মানসিক যন্ত্ৰণাৰ পৰা মুক্তি বিচাৰি অশোকে বৌদ্ধগুৰু উপগুপ্তৰ ওচৰত দীক্ষা লয় আৰু প্ৰেম, মৈত্ৰী, অহিংসাৰ বাণীৰে আত্মশুদ্ধিৰ বাট বিচাৰি লয়। ইয়াৰ পাছৰে পৰা তেওঁ সকলো প্ৰাণীৰ কল্যাণৰ হকে নিজকে নিয়োগ কৰিবলৈ বদ্ধপৰিকৰ হয়। নিজ সাম্ৰাজ্যৰ প্ৰজাবৃন্দৰ উপৰিও দাঁতিকাষৰীয়া ৰাজ্যসমূহৰ জনসাধাৰণকো এক সৎ, শুদ্ধ আৰু পৰিশীলিত জীৱন-যাপনৰ বাবে উদ্বুদ্ধ কৰিবলৈ নেপালকে ধৰি ভাৰতৰ পূৰ্বাঞ্চলৰ বিহাৰ-উৰিষ্যাৰ পৰা উত্তৰ-পশ্চিম সীমান্ত পৰ্যন্ত, পশ্চিমৰ গুজৰাটৰ পৰা দক্ষিণৰ অন্ধ্ৰ-কৰ্ণাটক পৰ্যন্ত বিশাল ভূখণ্ডৰ প্ৰান্তৱৰ্তী স্থানসমূহত পাহাৰৰ বৃহৎ শিলৰ বুকুত, সাম্ৰাজ্যৰ মধ্যৱৰ্তী প্ৰধান পথ আৰু বাণিজ্যিক স্থানসমূহত সৰু সৰু শিলাখণ্ড তথা স্তম্ভৰ বুকুত সৰ্বসাধাৰণৰ কৰণীয় আৰু পালনীয় নীতি আৰু আদৰ্শৰ বাণী খোদিত কৰাই দিয়ে। নীতি-ধৰ্মৰ শাসন প্ৰৱৰ্তনৰ অনুপ্ৰেৰণাৰে খোদিত অশোকৰ এই অনুশাসনমালা মধ্য ভাৰতীয় আৰ্যভাষাৰ সৰ্বপ্ৰাচীন নিদৰ্শনৰূপে স্বীকৃত। তৎকালীন ভাৰতবৰ্ষৰ বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত প্ৰত্নতাত্ত্বিক সমল হিচাপে এই অনুশাসনবোৰৰ গুৰুত্ব অপৰিসীম। তদুপৰি, ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ বুৰঞ্জী নিৰূপণতো এইবোৰে বিশেষ ভূমিকা পালন কৰিছে। মন কৰিবলগীয়া যে অশোকে তেওঁৰ নীতি আৰু আদৰ্শৰ বাণী প্ৰচাৰ কৰিবলৈ সংস্কৃত ভাষাৰ আশ্ৰয় লোৱা নাই। তেওঁ জনসাধাৰণৰ মাজত প্ৰচলিত তৎকালীন ভাষাটোকে ইয়াৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। কেৱল সেয়ে নহয়, এইবোৰৰ মাজত সেই সময়ৰ ভাষাটোৰ আঞ্চলিক ৰূপবোৰৰো সুন্দৰ প্ৰতিফলন ঘটিছে। এনেদৰে বিবিধ উপভাষাৰ সমাহাৰ ঘটা বাবেই ভাষাতত্ত্বৰ দৃষ্টিকোণৰ পৰাও এই অনুশাসনবোৰ অতিশয় মূল্যবান সম্পদ

ৰূপে পৰিগণিত হৈছে। ইয়াৰ লগে লগে সমসাময়িক কালৰ ভাৰতবৰ্ষৰ সমাজ আৰু ধৰ্মীয় চেতনা, ৰাজনৈতিক ধাৰণা, বৈদেশিক নীতি, ভাস্কৰ্য, লিপি বৈচিত্ৰ্যও এইবোৰৰ মাজত বিধৃত হৈছে।

ওপৰৰ আলোচনাৰ পৰা আপুনি অশোকৰ অনুশাসনমালাৰ গুৰুত্ব আৰু মহত্ত্ব নিশ্চয় অনুধাৱন কৰিব পাৰিছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে অশোকৰ মৃত্যুৰ পাছত বা আন কথাত মৌৰ্যবংশৰ বিলুপ্তিৰ পাছত নীতি-ধৰ্ম বহনকাৰী এই অনুশাসনবোৰ অৱহেলিত হৈ পৰে। গুপ্তৰাজবংশৰ শাসনকালত ব্ৰাহ্মণ্য ধৰ্মৰ পুনৰুত্থানেই সম্ভৱতঃ ইয়াৰ প্ৰধান কাৰণ। খ্ৰীষ্টীয় ৫ম শতাব্দীত ভাৰত ভ্ৰমণ কৰা চীনা পৰিব্ৰাজক ফা-হিয়েন আৰু খ্ৰীষ্টীয় ৭ম শতাব্দীৰ একে দেশীয় পৰিভ্ৰমণকাৰী হিউৱেন চাঙৰ ভ্ৰমণ বৃত্তান্তত অশোকৰ অনুশাসনৰ উল্লেখ নোহোৱাটোৱে তেনে ইঙ্গিতকে বহন কৰে। অৱশেষত বৃটিছ-ৰাজত্বকালত এইবোৰৰ পুনৰুদ্ধাৰ হয়। ১৮৩৭ খ্ৰীঃত জেমছ্ প্ৰিনছেপ নামৰ পাশ্চাত্য মনীষী এগৰাকীয়ে আলোচ্য অনুশাসনৰ প্ৰথম পাঠোদ্ধাৰ কৰে আৰু তেতিয়া মৌৰ্যবংশীয় 'দেবানংপিয় পিয়দসি  ৰাজা' অশোকৰ মহানুভৱতাৰ কথা পোহৰলৈ আহে। অশোকৰ জন-কল্যাণকামী দৃষ্টিভঙ্গীৰ বাবেই তেওঁ প্ৰৱৰ্তন কৰা ধৰ্মচক্ৰই (অশোক চক্ৰ) ধৰ্ম-নিৰপেক্ষতা, উদাৰতা, ত্যাগ আৰু সম-অধিকাৰৰ আদৰ্শ স্বৰূপে আধুনিক ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰতীক হোৱাৰ গৌৰৱ অৰ্জন কৰিব পাৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) অশোকে বৌদ্ধধৰ্ম গ্ৰহণ কৰাৰ কাৰণ কি? (৩০ টা শব্দৰ ভিতৰত ব্যাখ্যা কৰক।)

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

(২) অশোকৰ অনুশাসনমালাৰ ভাষাতাত্ত্বিক তাৎপৰ্য বিশ্লেষণ কৰি দেখুৱাওক। (৪০ টা শব্দৰ ভিতৰত।)

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

### ১.৬.১ অশোকৰ অনুশাসনৰ শ্ৰেণী-বিভাজন

অৱস্থান আৰু পৰিৱেশনলৈ লক্ষ্য কৰি অশোকৰ অনুশাসনমালাক মুখ্যতঃ চাৰিটা ভাগত ভগোৱা হৈছে ঃ (ক) বৃহৎ শিলানুশাসন, (খ) ক্ষুদ্ৰ শিলানুশাসন, (গ) স্তম্ভানুশাসন আৰু (ঘ) গুহানুশাসন। তলৰ তালিকাখনে আপোনাক অনুশাসনসমূহ বুজাত সহায় কৰিব ঃ

**অশোকৰ অনুশাসনমালা**

- বৃহৎ শিলানুশাসন
  - মানছেহৰা আৰু শাহবাজগঢ়ী
  - গিৰ্ণাৰ আৰু সোপৰ
  - কালছী
  - য়েৰ্ৰাগুৰি
  - ধৌলি আৰু জৌগড়
  - পৃথক কলিঙ্গ অনুশাসন
- ক্ষুদ্ৰ শিলানুশাসন
  - বৈৰাট
  - গুজৰ্ৰা
  - ৰূপনাথ
  - ছাছাৰাম
  - ব্ৰহ্মগিৰি
  - জটিংগ-ৰামেশ্বৰ
  - সিদ্ধপুৰ বা শিদ্দাপুৰ
  - গবীমঠ
  - মস্কী
  - পাল্কীগুণ্ডু
  - য়েৰ্ৰাগুৰি ৰাজুল-মণ্ডগিৰি
- স্তম্ভানুশাসন
  - সাতখন স্তম্ভানুশাসন
  - সংঘভেদ স্তম্ভানুশাসন
  - সাম্ৰাজ্ঞীৰ স্তম্ভানুশাসন
  - লুম্বিনী স্তম্ভলিপি
  - নিগালীসাগৰ স্তম্ভলিপি
- গুহানুশাসন
  - তিনিখন গুহানুশাসন (বিহাৰৰ বৰাবৰ পাহাৰৰ গুহাত প্ৰাপ্ত)

এইখিনিতে এটা কথা উল্লেখ কৰি থওঁ যে অনুশাসনসমূহৰ নামবোৰ উদ্ধাৰ হোৱা ঠাইৰ ভিত্তিত দিয়া হৈছে। এতিয়া আমি তলত প্ৰতিবিধ অনুশাসনৰ পৰিচিতি চমুকৈ উল্লেখ কৰিম।

### (ক) বৃহৎ শিলানুশাসন

মহামতি অশোকে লিখোৱা বৃহৎ শিলানুশাসনসমূহ স্থাপন কৰা হৈছিল উত্তৰ-পশ্চিম সীমান্ত অঞ্চলৰ মানছেহ্ৰা আৰু শাহ্‌বাজ্‌গঢ়ীত; পশ্চিম সীমান্তৰ মহাৰাষ্ট্ৰৰ সোপৰ আৰু গুজৰাটৰ জুনাগড় অঞ্চলৰ গিৰ্ণাৰত; উত্তৰ প্ৰদেশৰ মৌছুৰীৰ ওচৰৰ কাল্‌ছীত; দক্ষিণৰ অন্ধ্ৰপ্ৰদেশৰ য়েৰ্ৰাগুৰিত আৰু উৰিষ্যাৰ পুৰী জিলাৰ ধৌলি আৰু গঞ্জাম জিলাৰ জৌগড়ত।

বৃহৎ শিলানুশাসনসমূহ মূলতঃ চৈধ্যখন সৰু-বৰ লিপিৰ সমষ্টি। ধৌলি আৰু জৌগড়ত এই চৈধ্যখনৰ উপৰি আন দুখন সুকীয়া অনুশাসনো পোৱা গৈছে। এই দুখনক 'পৃথক কলিঙ্গ অনুশাসন' আখ্যা দিয়া হৈছে। এই দুখনক ধৰি শিলানুশাসনৰ সংখ্যা মুঠ যোল্লখন।

উল্লিখিত অনুশাসনকেইখনত জীৱহত্যা নিবাৰণ, সামাজিক উৎসৱাদিৰ বৰ্জন, অন্য ধৰ্মৰ প্ৰতি সহিষ্ণুতা, জনহিতকৰ কাৰ্যৰ ব্যৱস্থাপনা, সাধু ব্যৱহাৰ আৰু সদাচাৰেৰে নিজৰ উৎকৰ্ষ সাধন, শান্তিপূৰ্ণ সহাৱস্থানেৰে সকলোৰে মাজত সহৃদয়তা স্থাপন, নীতি-ধৰ্মৰ পালন ইত্যাদি বিভিন্ন জনহিতকৰ কথা লিপিবদ্ধ হৈছে। ভাষাগত তথ্য, ঐতিহাসিক সমল আৰু জনকল্যাণকামী ধৰ্মীয় মনোভঙ্গীৰ বিশ্লেষণৰ বাবে এই বৃহৎ শিলানুশাসন কেইখন বিশেষভাৱে উপাদেয় বুলি পৰিগণিত হৈছে।

### (খ) ক্ষুদ্ৰ শিলানুশাসন

ক্ষুদ্ৰ শিলানুশাসনসমূহ ঘাইকৈ ভাৰতৰ মধ্যভাগ আৰু দক্ষিণাংশত পোৱা গৈছে। মানুহৰ সহজে দৃষ্টিগোচৰ হোৱাকৈ এইবোৰ তীৰ্থস্থান, উদ্যান আদি জনসমাগম ঘটা ঠাইত নিৰ্বাচিত একোখণ্ড শিলত খোদিত কৰা হৈছিল। আকাৰত সৰু বাবেই এইবোৰক ক্ষুদ্ৰ শিলানুশাসন বোলা হৈছে।

অধুনা পৰ্যন্ত প্ৰাপ্ত ক্ষুদ্ৰ শিলানুশাসনকেইখন হৈছে— ৰাজস্থানৰ বৈৰাট; বিন্ধ্যাপ্ৰদেশৰ গুজৰ্ৰা; মধ্যপ্ৰদেশৰ ৰূপনাথ, বিহাৰৰ ছাছাৰাম; কৰ্ণাটকৰ ব্ৰহ্মগিৰি, জটিংগ-ৰামেশ্বৰ, সিদ্ধপুৰ;

অন্ধ্রপ্রদেশৰ গবীমঠ, মস্‌কী, পাল্কীগুণ্ড, য়েৰ্ৰাগুৰি আৰু ৰাজুল-মণ্ডগিৰি। এই শিলানুশাসন সংখ্যাত তিনিখন। এইবোৰৰ মাজত পিতৃ-মাতৃৰ প্ৰতি সন্মান প্ৰদৰ্শন, প্ৰাণীজগতৰ সংৰক্ষণৰ সংকল্প, সত্যৰ প্ৰতি শ্ৰদ্ধা ইত্যাদি সদা আচৰণীয় গুণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে।

ক্ষুদ্ৰ অনুশাসনবোৰৰ ভিতৰত ৰাজস্থানৰ বৈৰাটৰ নিকটৱৰ্তী ভাব্ৰূত প্ৰাপ্ত 'বৈৰাট-ভাব্ৰূ' বা 'ভাব্ৰূ অনুশাসন'খনি বিশেষভাৱে উল্লেখযোগ্য। এই অনুশাসনখনিত বৌদ্ধ-সংঘৰ প্ৰতি ৰাজৰ্ষি অশোকৰ শ্ৰদ্ধা প্ৰকাশ পোৱাৰ লগে লগে তেওঁৰ বক্তব্যৰো উল্লেখ ঘটিছে। তদুপৰি সাতখন প্ৰাচীন বৌদ্ধশাস্ত্ৰ অধ্যয়নৰ বাবে তেওঁ এই অনুশাসনৰ জৰিয়তে উপদেশো দিছে।

### (গ) স্তম্ভানুশাসন

বিষয়বস্তু অনুসাৰে স্তম্ভানুশাসনসমূহক নিম্নোক্ত ধৰণে ভাগ কৰা হৈছেঃ (১) সাতখন স্তম্ভানুশাসন, (২) সংঘভেদ স্তম্ভানুশাসন, (৩) সাম্ৰাজ্ঞীৰ স্তম্ভানুশাসন, (৪) লুম্বিনী স্তম্ভলিপি আৰু (৫) নিগালীসাগৰৰ স্তম্ভলিপি। এইবোৰৰ প্ৰাপ্তিস্থানসমূহ হ'ল ঃ উত্তৰ প্ৰদেশৰ মীৰাট আৰু কৌশাম্বী; বিহাৰৰ লৌড়িয়া-আৰ্ৰাজ, লৌড়িয়া-নন্দনগড় আৰু ৰামপূৰ্বা; পাঞ্জাবৰ তোপ্‌ৰা; মধ্যপ্ৰদেশৰ সাঁচী; বাৰাণসীৰ ওচৰৰ সাৰনাথ; নেপালৰ লুম্বিনী বা ৰুম্মিন-দেই আৰু নিগালীসাগৰ। লুম্বিনী আৰু নিগালীসাগৰত প্ৰাপ্ত প্ৰত্নলেখ দুখনক অনুশাসন বুলি নধৰি লিপি আখ্যা দিয়া হয়। কাৰণ এই দুই স্তম্ভলিপিত জনসাধাৰণৰ আচৰণীয় কৰ্মৰ প্ৰতি কোনো উপদেশ পাবলৈ নাই। লুম্বিনী-গাঁৱক ৰাজহ ৰেহাই দিয়া আৰু নিগালীসাগৰত বুদ্ধৰ পূৰ্বৱৰ্তী এক অৱতাৰ কনকমুনিৰ সমাধিস্তূপত মহাৰাজ অশোকে পূজা দিবলৈ যোৱা আৰু স্তম্ভ নিৰ্মাণ কৰাৰ কথাহে লিপি দুখনত খোদিত কৰা আছে। আনকেইখন স্তম্ভানুশাসনত বৃহৎ শিলানুশাসনত থকা কথাবোৰৰে পুনৰাবৃত্তি ঘটিছে। অৱশ্যে সম্ৰাটৰ বহুবিধ প্ৰজাহিতকৰ কাৰ্যৰ উল্লেখে আৰু সমাজত ধৰ্মচিন্তাৰ উৎকৰ্ষ সাধনৰ অৰ্থে বিভিন্ন শ্ৰেণীৰ ৰাজকৰ্মচাৰীৰ নিয়োগৰ উল্লেখে এইবোৰক আন এক মাত্ৰা প্ৰদান কৰিছে।

### (ঘ) গুহানুশাসন

গুহানুশাসনৰ সংখ্যা মাত্ৰ তিনিখন। এইবোৰ আকাৰত তেনেই সৰু। এইকেইখন বিহাৰৰ গয়া জিলাৰ বৰাবৰ পাহাৰৰ ছটা গুহাৰ তিনিটাত পোৱা গৈছে। তিনিওখন লিপিতে 'আজীৱক' নামৰ ধৰ্ম-সম্প্ৰদায়ৰ সন্যাসীসকলৰ বসবাসৰ বাবে গুহাকেইটা উৎসৰ্গা কৰাৰ বিৱৰণ পোৱা যায়। দেখাত তাৎপৰ্যহীন যেন লাগিলেও এই লিপিকেইখনে অশোকৰ অন্য ধৰ্ম-সম্প্ৰদায়ৰ প্ৰতি থকা উদাৰ মনোভাৱ প্ৰতিফলিত কৰাটো মন কৰিবলগীয়া।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) অশোকৰ অনুশাসনমালাৰ শ্ৰেণী-বিভাজন দেখুৱাই এখন তালিকা প্ৰস্তুত কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

(২) বৃহৎ আৰু ক্ষুদ্ৰ শিলানুশাসনৰ পাৰ্থক্য কিহৰ ভিত্তিত নিৰ্ণিত হৈছে (২০ টা শব্দৰ ভিতৰত ফঁহিয়াই দেখুৱাওক।)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ১.৬.২ অশোকৰ অনুশাসনৰ ভাষা

আপুনি আগৰ আলোচনাৰ পৰা নিশ্চয় বুজিব পাৰিছে যে মগধৰাজ অশোকে তেওঁৰ অনুশাসনসমূহ তৎকালীনভাৱে প্ৰচলিত ভাৰতীয় আৰ্যভাষাৰ পৰিৱৰ্তিত ৰূপটোৰ মাধ্যমেৰে লিখোৱাইছিল। অনুশাসনবোৰৰ বক্তব্য বিষয় সাধাৰণজনৰ বাবে সহজবোধ্য কৰি তোলাটোৱে আছিল সম্ৰাটৰ প্ৰধান উদ্দেশ্য। সেইবাবে তেওঁ সংস্কৃতৰ ওচৰ নাচাপি তৎকালীন কথিত ভাষাটোকে অনুশাসনৰ মাধ্যমৰূপে নিৰ্বাচন কৰি লৈছিল। কেৱল সেয়ে নহয়; এই অনুশাসনসমূহ যি যি অঞ্চলত সংস্থাপিত হৈছিল, সেই সেই অঞ্চলত প্ৰচলিত ভাষাৰে লিখোৱা হৈছিল। সেইবাবে অশোকৰ অনুশাসনসমূহ ভাৰতীয় আৰ্যভাষাৰ কালগত পৰিৱৰ্তন আৰু তাৰ লগে লগে সৃষ্টি হোৱা আঞ্চলিক বা ঔপভাষিক ৰূপবোৰৰ অধ্যয়নৰ বাবে এক গুৰুত্বপূৰ্ণ নথি হিচাপে বিবেচিত হৈছে।

ভাৰতীয় আৰ্যভাষাৰ তৎকালীন কথ্যৰূপৰ বা আন কথাত আঞ্চলিক প্ৰভেদৰ সাৰ্থক প্ৰতিনিধি হৈছে বৃহৎ শিলানুশাসনসমূহ। সীমান্তৱৰ্তী অঞ্চলসমূহত প্ৰতিষ্ঠাপিত এই অনুশাসনসমূহৰ মাজত সেই সেই অঞ্চলৰ বিশেষ বিশেষ ভাষা-ৰূপৰ প্ৰতিফলন লক্ষ্য কৰিব পাৰি। সেই বাবে অশোকৰ অনুশাসনমালাৰ ভাষাতাত্ত্বিক অধ্যয়নৰ বাবে বৃহৎ অনুশাসনকেইখনকে মূল আধাৰ হিচাপে লোৱা হয়।

ঔপভাষিক দৃষ্টিৰে বিচাৰ কৰিলে অশোকৰ অনুশাসনসমূহত মুঠ চাৰিটা আঞ্চলিক ৰূপ পোৱা যায় ঃ উত্তৰ-পশ্চিমা, পশ্চিমা, প্ৰাচ্য-মধ্যা আৰু প্ৰাচ্যা। উত্তৰ-পশ্চিম সীমান্তৰ শাহবাজগঢ়ী আৰু মানছেহ্ৰা অনুশাসনত উত্তৰ-পশ্চিমা, পশ্চিম সীমান্তৰ গুজৰাটৰ গিৰ্ণাৰ অনুশাসনত প্ৰাচ্য-মধ্যা আৰু পূব অঞ্চলৰ উৰিষ্যাৰ ধৌলী আৰু জৌগড় অনুশাসনত প্ৰাচ্যা উপভাষাৰ প্ৰতিফলন ঘটিছে।

মন কৰিবলগীয়া বিষয় যে উত্তৰ-পশ্চিম অঞ্চলৰ শাহবাজগঢ়ী আৰু মানছেহ্ৰাত প্ৰাপ্ত অনুশাসনকেইখন খৰোষ্ঠী লিপিৰে খোদিত আৰু বাকী আটাইবোৰ অনুশাসনত ব্ৰাহ্মী লিপি ব্যৱহাৰ কৰা হৈছে। সম্ভৱতঃ তৎকালীন ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল পাৰস্যৰ সভ্যতা-সংস্কৃতিৰ সৈতে ঘনিষ্ঠ সম্পৰ্কেৰে ভাৰতবৰ্ষৰ বাকী অংশৰ পৰা বিচ্ছিন্নপ্ৰায় হৈ পৰা হেতুকে আৰু সেই সময়ত সেই অঞ্চলত পাৰস্যৰ আৰামাইক লিপিৰ পৰা উদ্ভৱ হোৱা খৰোষ্ঠী লিপিৰ বহুল প্ৰচলন থকা হেতুকে সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ সেই অঞ্চলত স্থাপিত অনুশাসনত খৰোষ্ঠী লিপি ব্যৱহাৰ কৰা হৈছিল।

অশোকৰ অনুশাসনমালাৰ ভাষা-বৈচিত্ৰ্যলৈ লক্ষ্য কৰিলে দেখা যায় যে উত্তৰ-পশ্চিমা (শাহবাজগঢ়ী আৰু মান্‌ছেহৰা অনুশাসন) আৰু পশ্চিমা (গিৰ্ণাৰ আৰু সোপাৰ অনুশাসন) বাকী দুটা আঞ্চলিক ৰূপৰ তুলনাত অধিক প্ৰাচীনধৰ্মী আৰু মূল ভাষাটোৰ ওচৰ চপা। অন্য

দুটা আঞ্চলিক ৰূপত নোপোৱা ভালেমান বৈশিষ্ট্য এই দুই উপভাষাত সংৰক্ষিত হৈছে। অসমীভূত সংযুক্ত ব্যঞ্জনৰ সংৰক্ষণ, মূৰ্ধন্যীকৰণৰ লক্ষণ আৰু উষ্মধ্বনিৰ প্ৰভেদৰ সংৰক্ষণ উত্তৰ-পশ্চিমা উপভাষাৰ অন্যতম প্ৰধান বিশেষত্ব। আকৌ ৰূপতত্ত্ব আৰু শব্দ সম্ভাৰৰ দিশত পশ্চিমা উপভাষা বৈদিক ভাষাৰ বেছি ওচৰ চপা। ব্ৰাহ্মণ্য-সংস্কৃতিৰ কেন্দ্ৰভূমিৰ দাঁতিকাষৰীয়া অঞ্চল হোৱাটোৱেই প্ৰাচীন বৈশিষ্ট্যৰ সংৰক্ষণৰ কাৰণ হ'ব পাৰে।

প্ৰাচ্য-মধ্যা (কালছী অনুশাসন) আৰু প্ৰাচ্য উপভাষা (ধৌলী আৰু জৌগড়) উত্তৰ-পশ্চিমা আৰু পশ্চিমাৰ তুলনাত বহুলাংশে পৰিৱৰ্তনমুখী। দুয়োটা উপভাষাতে সংযুক্ত ব্যঞ্জনৰ সমীভূত ৰূপ লক্ষ্য কৰিব পাৰি। তদুপৰি, একক ব্যঞ্জনো পৰিমিত ৰূপত কিংবা পৰিৱৰ্তিত ৰূপত ব্যৱহাৰ হৈছে; যেনে — ন, ণ- ৰ ঠাইত কেৱল ন, ৰ- ৰ ঠাইত ল আৰু ভ-ৰ ঠাইত হ হৈছে। মধ্য-পূব তথা পূব অঞ্চল ব্ৰাহ্মণ্য-সংস্কৃতিৰ পৰিৱৰ্তে বৌদ্ধ আৰু জৈনধৰ্মৰ প্ৰধান কেন্দ্ৰস্থল হোৱা বাবে আৰু সেই অঞ্চলৰ আৰ্যভিন্ন জনগোষ্ঠীৰ আৰ্যভাষা গ্ৰহণৰ জৰিয়তে ধ্বনি-সংস্থানত ঘটা ব্যাপক পৰিৱৰ্তনৰ হেতুকে এনে বৈশিষ্ট্যৰ পয়োভৰ ঘটা বুলি পতিয়ন যাব পাৰি।

সি যি কি নহওক, বিভিন্ন কাৰণত আঞ্চলিক বিশেষত্বই দেখা দিলেও, সামগ্ৰিকভাৱে অশোক-অনুশাসনৰ মাজেৰে ভাৰতীয় আৰ্যভাষাৰ সৰলীকৃত বৈশিষ্ট্য সংৰক্ষিত হৈছে আৰু ইয়ে মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰতিষ্ঠা সম্ভৱ কৰি তুলিছে। উল্লিখিত উপভাষাকেইটাৰ সাধাৰণ বৈশিষ্ট্য কিছুমান তলত উল্লেখ কৰা হ'ল। আলোচনা চমু কৰিবৰ বাবে অনুশাসনসমূহৰ প্ৰথম অক্ষৰটোহে মাত্ৰ ব্যৱহাৰ কৰা হৈছে ঃ যেনে শা = শাহবাজগঢ়ী, মা = মানছেহৰা ইত্যাদি।

(১) ঋ, ৯,৯৯-ৰ প্ৰয়োগহীনতা। ঋ-ধ্বনিৰ বিভিন্ন স্বৰধ্বনিলৈ ৰূপান্তৰ, যেনে— মৃগঃ > ম্ৰগো (শা), ম্ৰিগে (মা), মগো (গি), মিগে (কা, ধৌ, জৌ)।

(২) ঐ আৰু ঔ-ৰ যথাক্ৰমে এ আৰু ও-লৈ পৰিৱৰ্তন; যেনে— কৰ্মৈয়ে > ক্ৰংময়ে (শা), ক্ৰমণে (মা), কংমায়ে (কা), কংমণে (ধৌ, জৌ)। ঔ-ৰ ঠাইত কেতিয়াবা ই অথবা এ-ৰ প্ৰয়োগো লক্ষ্য কৰা যয়ে, যেনে— দ্বৌ > দুৱি (শা), দুৱে (মা, কা, ধৌ, জৌ)।

(৩) 'অয়' আৰু 'অৱ' দ্ব্যক্ষৰ ধ্বনি কোনো উপভাষাত থাকি গৈছে আৰু আনহাতে কোনো উপভাষাত ক্ৰমে এ আৰু ও হৈছে, যেনে— আক্ষাপয় > অণপয় (শা, মা), আনপয় (ধৌ, জৌ), আঞপয় (গি); ভৱতি > ভৱতি, হোতি (গি), হোতি (শা, মা, কা, ধৌ, জৌ)।

(৪) পদৰ শেষত বিসৰ্গযুক্ত অ (অঃ) পশ্চিমাত ও, প্ৰাচ্য-মধ্যাত এ আৰু উত্তৰ-পশ্চিমাত ও আৰু এ দুয়োটাই হোৱা দেখা যায়, যেনে— সঃ > সো (গি), সো, সে (শা, মা), সে (কা, ধৌ, জৌ)।

(৫) সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰৰ হ্ৰস্বীভৱন। অৱশ্যে পশ্চিমাত হ্ৰস্ব, দীৰ্ঘ দুয়োটা লক্ষণেই ৰক্ষিত হৈছে, যেনে— কীৰ্তি > কিট্ৰি (শা), কিতী (মা, ধৌ, জৌ), কিতি (কা)। পশ্চিমাত 'কীতি' আৰু 'কিতি' দুয়োটা ৰূপেই পোৱা যায়।

(৬) ক্ষ-ধ্বনিৰ খ আৰু ছ— দুই ধৰণৰ পৰিৱৰ্তন দেখা যায়; যেনে— ক্ষুদ্ৰ > খুদ, খুদ্ৰ (শা, মা), ছুদ (গি), খুদ (কা, ধৌ, জৌ)।

(৭) স্বৰমধ্যস্থিত অঘোষ ব্যঞ্জনৰ সঘোষ ধ্বনিলৈ ৰূপান্তৰ হোৱাৰ প্ৰৱণতা; যেনে— হিত > হিদ (শা, মা, কা), লোক > লোগ (জৌ)।

(৮) ঋ বা ৰ-ৰ প্ৰভাৱত দন্ত্যধ্বনিৰ মূৰ্ধন্য ধ্বনিলৈ পৰিৱৰ্তন; যথা— কৰ্তব্য >

কটব (শা), কটৰিয় (মা, কা, জৌ)। পশ্চিমা উপভাষাত অৱশ্যে এই লক্ষণ আপেক্ষিকভাৱে কিছু কম।

(৯) পদান্ত ব্যঞ্জনৰ লোপ পোৱাৰ প্ৰৱণতা; যেনে— সাৎ > সিয় (শা, মা), সিয়া (কা) ইত্যাদি।

(১০) ই , য়-ৰ প্ৰভাৱত দন্ত্যধ্বনিৰ তালব্য ধ্বনিলৈ পৰিৱৰ্তিত হোৱাৰ প্ৰৱণতা, যথা— তিষ্ঠ > চিঠ (মা, কা, ধৌ)।

(১১) ৰূপতত্ত্বৰ ক্ষেত্ৰত শব্দৰূপ আৰু ধাতুৰূপ পূৰ্বতকৈ যথেষ্ট সৰল হ'ল। দ্বিবচন লোপ পালে। ব্যঞ্জনান্ত শব্দৰ ব্যৱহাৰ হ্ৰাস হ'ল। পুংলিঙ্গ আৰু ক্লীৱলিঙ্গৰ ৰূপ একে ধৰণৰ হ'বলৈ আৰম্ভ কৰিলে। পশ্চিমাৰ বাহিৰে অন্য উপভাষাত আত্মনেপদীৰ ব্যৱহাৰ লুপ্ত হ'ল। 'লিট্'-ৰ প্ৰয়োগ নাইকিয়া হ'ল। লঙ্-লুঙ্ আৰু বিধিলিঙ একাকাৰ হোৱাৰ লক্ষণে দেখা দিলে।

অশোকৰ অনুশাসনত পোৱা উপভাষাকেইটাৰ উমৈহতীয়া বৈশিষ্ট্য এইবোৰেই। অৱশ্যে প্ৰতিটো উপভাষাৰে কেতবোৰ নিজস্ব বৈশিষ্ট্যও লক্ষ্য কৰা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) অশোকৰ অনুশাসনসমূহত কি কি উপভাষা পোৱা গৈছে এখন তালিকা কৰি উলিয়াওক।

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

(২) অশোকৰ অনুশাসনত প্ৰাপ্ত উপভাষাসমূহৰ স্বকীয় বৈশিষ্ট্যসমূহ বাচি উলিয়াওক।

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

### ১.৬.৩ ১ আৰু ২ নং (গিৰ্ণাৰ) অনুশাসনৰ পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা

#### ১নং গিৰ্ণাৰ অনুশাসনৰ মূল পাঠ

ইয়ং ধংম-লিপী দেৱানংপ্ৰিয়েন প্ৰিয়দসিনা ৰাঞা লেখাপিতা। ইধ ন কিংচি জীৱং আৰভিত্‌পা প্ৰজূহিতব্যং। ন চ সমাজো কতব্যো। বহুকং হি দোসং সমাজম্হি পসতি দেৱানং প্ৰিয়ো প্ৰিয়দসি ৰাজা। অস্তি পি তু একসা সমাজা সাধুমতা দেৱানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো। পুৰা মহানসম্হি দেৱানং প্ৰিয়স প্ৰিয়দসিনো ৰাঞো অনুদিৱসং বহুনি প্ৰাণ সত-সহস্ৰানি আৰভিসু সূপাথায়। সে অজ যদা অয়ং ধংম-লিপী লিখিতা, তী এৱ প্ৰাণা আৰভৰে সূপাথায়— দ্বো মোৰা, একো মগো, সো পি মগো ন ধ্ৰুৱো। এতে পি ত্ৰী প্ৰাণা পছা ন আৰভিসৰে।

**অসমীয়া ভাঙনি**

এই ধৰ্মলিপি দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাৰ দ্বাৰা লিখোৱা হৈছে। ইয়াত কোনো জীৱ হত্যা কৰি আহুতি দিয়া নচলিব। কোনো ধৰণৰ মেলা-উৎসৱাদিও অনুষ্ঠিত কৰিবলৈ দিয়া নহ'ব। দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাই মেলা-উৎসৱাদিৰ বহু দোষ দেখিবলৈ পাইছে। অৱশ্যে একোবিধ মেলা বা উৎসৱ আছে, যাক দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাই সাধু বুলি গণ্য কৰে। আগতে দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাৰ ৰন্ধনশালত ব্যঞ্জনৰ বাবে প্ৰতিদিন বহু শত-সহস্ৰ প্ৰাণী বধ কৰা হৈছিল। এতিয়া, এই ধৰ্মলিপি লিখোৱাৰ সময়ত মাত্ৰ তিনিটা প্ৰাণীহে ব্যঞ্জনৰ বাবে বধ কৰা হয়— দুটা ম'ৰা আৰু এটা পশু। তাকো আকৌ পশুটো সদায়ে বধ কৰা নহয়। পাছলৈ এই তিনিটা প্ৰাণীও বধ কৰা নহ'ব।

**শব্দগত টোকা**

ইয়ং < ইদম্/ইয়ং ; এই।

ধংম-লিপী < ধৰ্মলিপিঃ = ধৰ্মলিপি।

[ *অশোকে লিখোৱা অনুশাসনসমূহত নীতিমূলক উপদেশ-বাণী বা আন কথাত ধৰ্মাদৰ্শৰ উল্লেখ থকা বাবে এইবোৰক ধৰ্মলিপি আখ্যা দিয়া হৈছে।* ]

দেৱানংপ্ৰিয়েন < দেৱানংপ্ৰিয়েন = দেৱতাসকলৰ প্ৰিয়

প্ৰিয়দসি < প্ৰিয়দৰ্শী = অশোকৰ নাম বা উপাধি (ৰেফৰ লোপ, শ > স)।

ৰাঞা < ৰাজ্ঞা = ৰজাৰ দ্বাৰা (জ্ঞ > ঞ)

লেখাপিতা < লেখিতা = লিখোৱা হ'ল, লিখোৱাইছে।

কিংচি < কশ্চিৎ = কদাচিত, কোনো।

আৰভিত্পা < আ-ৰভ + তপা = আৰভিত্পা; আহুতি দি, বলি দি।

প্ৰজুহিত্ব্যং < প্ৰহোতব্যঃ = বধ কৰি।।

সমাজো < সমাজঃ = সমাজ, জন-সমাৱেশ, উৎসৱাদিত বহুলোক একলগ হোৱা (অঃ > ও)।

সমাজম্হি < সমাজস্মি = জন-সমাৱেশত, উৎসৱাদিত (ধ্বনি বিপৰ্যয়ৰ ফলত স্মিন্ > হ্মি > ম্হি)।

পসতি < পশ্যতি = দেখিছে (য-কাৰৰ লোপ, শ > স)।

আৰভিসু < আলভ্যন্ত = বধ কৰা।

সুপাথায় < সুৰ্পাথায় = ব্যঞ্জনৰ বাবে (ৰেফৰ লোপ)।

অজ < অদ্য = আজি, এতিয়া (দ্য > জজ্ > জ)।

আৰ ভৰে < অলভ্যন্তে = বধ কৰা হয় (আত্মনেপদ ৰূপৰ স্থিতি)।

দ্বো < দ্বৌ = দুই, দুটা (ঔ > ও)।

তি < ত্ৰয়ঃ = তিনি, তিনিটা।

মোৰা < ময়ূৰৌ = ম'ৰা চৰাই (ঔ > ও)।

একো < একঃ = এক, এটা (অঃ > ও)।

মগো < মৃগঃ; পশু (ঋ > অ, অঃ > ও)।

পি < অপি = আৰু

পছা < পশ্চাৎ = পাছত (অন্ত্য ব্যঞ্জনৰ লোপ)।
ন আৰভিসৰে < ন আলপ্স্যন্তে ; বধ কৰা নহ'ব, পোৰা নাযাব।
ধ্রুৱো < ধ্রুৱঃ = নিশ্চিত (অন্ত্যাৰস্থানৰ অঃ > ও)।

**২ নং গিৰ্ণাৰ অনুশাসনৰ মূল পাঠ**

সৰ্বত ৱিজিতম্হি দেৱানংপ্রিয়স প্রিয়দসিনো ৰাঞো এৱমপি প্রচংতেসু যথা চোডা পাডা সতিয়পুতো কেতলপুতো আ তংবপংণী অংতিয়কো যোন ৰাজা, যে ৰা পি তস অংতিয়কস সামীপ ৰাজানো সৰত্র দেৱানং প্রিয়স প্রিয়দসিনো ৰাঞো দ্বে চিকীছা কতা— মনুস-চিকীছা, চ পসু চিকীছা চ। ওসুঢানি চ মনুসোপগানি চ পসুপগানি চ যত যত নাস্তি সৰ্বত্র হাৰাপিতানি চ ৰোপাপিতানি চ। মূলানি চ ফলানি চ যত যত নাস্তি সৰ্বত্র হাৰাপিতানি চ ৰোপাপিতানি চ। পংথেসু কূপা চ খানাপিতা, ব্রছা চ ৰোপাপিতা পৰিভোগায় পসু-মনুসানং।

**অসমীয়া ভাঙনি**

দেৱতাসকলৰ প্রিয় প্রিয়দৰ্শী ৰজাৰ দ্বাৰা বিজিত ৰাজ্যৰ সকলোতে আৰু সীমান্তৱৰ্তী চোল, পাণ্ড্য, সতিয়পুত্র, কেৰলপুত্র ৰাজ্যৰ পৰা তাম্রপৰ্ণী ৰাজ্য পৰ্যন্ত, যৱনৰাজ অন্তিয়কৰ ৰাজ্য আৰু অন্তিয়কৰ ৰাজ্যৰ সমীপৱৰ্তী আন ৰাজ্যবোৰৰো সকলোতে দেৱতাসকলৰ প্রিয় প্রিয়দৰ্শী ৰজাই দুই ধৰণৰ চিকিৎসাৰ ব্যৱস্থা কৰোৱাইছে— মানুহৰ চিকিৎসা আৰু পশুৰ চিকিৎসা। মানুহ আৰু পশুৰ উপযোগী ঔষধীয় য'ত য'ত নাই সেই আটাইবোৰ ঠাইলৈ অনোৱা হৈছে আৰু ৰোপণ কৰোৱা হৈছে। মূল আৰু ফল (ঔষধীয় গছৰ শিপা আৰু গুটি) যি যি ঠাইত নাই সেই সকলো ঠাইলৈ অনোৱা হৈছে আৰু ৰোপণ কৰোৱা হৈছে। পশু আৰু মানুহৰ উপভোগৰ কাৰণে আলিবাটবোৰত কুঁৱা খন্দোৱা হৈছে আৰু গছ ৰোপণ কৰোৱা হৈছে।

**শব্দগত টোকা**

ৱিজিতম্হি < বিজিতাস্মি = জয় কৰা বা বিজিত ৰাজ্যত (স্মি > ম্হি)।
প্রচংতেসু < প্রত্যন্তেষু = সীমান্তৱৰ্তী ৰাজ্যসমূহত (ত্য > চ, ন্তে > ংতে, ষ > স)।
তস < তস্য = তেওঁৰ (স্য > স, য-কাৰৰ লোপ)।
দ্বে < দ্বে = দুটা।
চিকীছা < চিকিৎসে = চিকিৎসা।
কতা < কৃতে = কৰা হ'ল।
ওসুঢানি < ঔষধানি = ঔষধবোৰ, ঔষধীয় গছবোৰ ( ঔ > ও, ষ > স, ধ > ঢ)।
মনুসোপগানি < মনুষ্যোপগানি = মানুহৰ উপযোগী (ষ্য > স)।
নাস্তি < ন-সন্তি = নাই।
হাৰাপিতানি < হাৰিতানি = আহৰণ কৰা, অনোৱা।
ৰোপাপিতানি < ৰোপিতানি = ৰোপণ কৰোৱা।
পংথেসু < পথিষু = আলিবাটবোৰত, পথবোৰত।
কূপা < কূপাঃ = কুঁৱা বা নাদবোৰ।
যোন < যৱন = গ্রীক, পশ্চিম এচিয়াৰ লোক (অৱ > ও)।
খানাপিতা < খানিতাঃ = খন্দোৱা হৈছে।
ব্রছা < বৃক্ষাঃ = গছবোৰ (ক্ষ > ছ, বিসৰ্গৰ লোপ)।
ৰোপাপিতা < ৰোপিতাঃ = ৰোওৱা হৈছে, ৰোপণ কৰোৱা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) অশোকৰ ১নং আৰু ২নং গিৰ্ণাৰ অনুশাসন দুখন আপোনাৰ নিজৰ ভাষাৰে সৰল অসমীয়ালৈ অনুবাদ কৰক।

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

(২) তলত উল্লেখ কৰা শব্দবোৰৰ সংস্কৃত মূল উল্লেখ কৰি সিবোৰৰ ধ্বনিগত পৰিৱৰ্তনবোৰ বিচাৰি উলিয়াবলৈ যত্ন কৰক ঃ

*লেখাপিতা, কিংচি, সমাজো, পসতি, সুপাথায়, দ্বো, মোৰা, মগ, পছা, বিজিতম্হি, প্ৰচংতেসু, চিকীছা, ওসুঢানি, মনুসোপগানি, পংথেসু, ব্ৰছা।*

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

## ১.৭ সাৰাংশ (Summing Up)

আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে এই বিভাগটোত দুই ধৰণৰ বিষয়বস্তুৰ আলোচনা কৰা হৈছে। অৱশ্যে দুয়োটা বিষয় পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। প্ৰথম পৰ্যায়ত মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ, বিকাশ আৰু স্তৰ বিভাজন সম্পৰ্কে আলোচনা কৰাৰ লগে লগে এই ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দসম্ভাৰগত সাধাৰণ বা উমৈহতীয়া বৈশিষ্ট্যবোৰ উল্লেখ কৰা হৈছে। আনহাতে দ্বিতীয় পৰ্যায়ত মধ্য ভাৰতীয় আৰ্যভাষাৰ সৰ্বপ্ৰাচীন নিদৰ্শন অশোকৰ অনুশাসনমালাৰ সাধাৰণ পৰিচয় আৰু শ্ৰেণীবিভাজনসহ আপোনাৰ অধ্যয়নৰ বাবে নিৰ্দিষ্ট কৰি দিয়া ১নং আৰু ২নং গিৰ্ণাৰ অনুশাসনৰ মূল পাঠ, অসমীয়া ভাঙনি আৰু পাঠভিত্তিক শব্দৰ টোকা বিতংভাৱে আলোচনা কৰা হৈছে। এইটো বিভাগ খৰচি মাৰি অধ্যয়ন কৰি উঠাৰ পাছত আপুনি মধ্য ভাৰতীয় আৰ্যভাষা সম্বন্ধীয় পৰৱৰ্তী বিভাগবোৰ কম আয়াসতে আয়ত্ত কৰিব পাৰিব।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশৰ বুৰঞ্জী দেখুৱাই এটি আলচ যুগুত কৰক।

২। মধ্য ভাৰতীয় আৰ্যভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰ একোটা পৰিচয় দাঙি ধৰক।

৩। সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজায়? সাহিত্যিক প্ৰাকৃত কেই প্ৰকাৰৰ? প্ৰতিবিধৰ পৰিচয় দিয়ক।

৪। মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ একাদিক্ৰমে উল্লেখ কৰক।

৫। অশোকৰ অনুশাসনত কি বিষয় সন্নিৱিষ্ট কৰা আছে। এই অনুশাসনবোৰৰ এটি পৰিচয় দাঙি ধৰক।

৬। অশোকৰ অনুশাসনমালাক কেইটা আৰু কি কি শ্ৰেণীত ভাগ কৰা হৈছে। প্ৰতিটো ভাগৰ বিষয়ে আলোচনা কৰক।

৭। অশোক-অনুশাসনৰ ভাষাগত বৈচিত্ৰ্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

৮। তলত উল্লেখ কৰা পাঠাংশ সৰল অসমীয়ালৈ অনুবাদ কৰক আৰু আঁচটনা শব্দবোৰৰ সংস্কৃত ৰূপ নিৰ্ণয় কৰি অসমীয়া অৰ্থ লিখক ঃ

(ক) ইয়ং ধংম-লিপী দেৱানংপ্ৰিয়েন প্ৰিয়দসিনা ৰাঞো লেখাপিতা। ইধ ন কিংচি জীৱং আৰভিত্পা পজূহিতৱ্যং। ন চ সমাজো কতৱ্যো।

(খ) পুৰা মহানসম্হি দেৱানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো অনুদিৱসং বহূনি প্ৰাণ সত-সহস্ৰানি আৰভিসু সূপাথায়।

(গ) দ্বো মোৰা, এক মগো, সো পি মগো ন ধ্ৰুৱো। এতে পি ত্ৰী প্ৰাণা পছা ন আৰভিসৰে।

(ঘ) সৰ্ৱত ৱিজিতম্হি দেৱানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো এৱমপি প্ৰচংতেসু যথা চোডা, পাডা, সতিয়পুতো, কেতলপুতো আ তংবপংশী অংতিয়কো যোন ৰাজ, যে ৱা পি তস অংতিয়কস সামীপ ৰাজানো সৱত্ৰ দেৱানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো দ্বে চিকীছা কতা— মনুস-চিকীছা চ, পসু-চিকীছা চ।

(ঙ) পংথেসু কূপা চ খানাপিতা, ৱ্ৰছা চ ৰোপাপিতা পৰিভোগায় পসু-মনুসানং।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


**অসমীয়া ঃ—**

| | | |
|---|---|---|
| অমূল্যচৰণ সেন | ঃ | *অশোকৰ অনুশাসনাৱলী* |
| দেবিদাস ভট্টাচাৰ্য | ঃ | *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা* |
| | ঃ | *অশোকৰ অনুশাসনমালা* |
| নগেন ঠাকুৰ | ঃ | *প্ৰাকৃত সাহিত্য চয়ন* |
| (——) | ঃ | *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন* |
| (——) | ঃ | *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য* |
| লীলাৱতী শইকীয়া | ঃ | *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ* |

**ইংৰাজী ঃ—**

| | | |
|---|---|---|
| R. Thapar | : | *A History of India* |
| A. Sen | : | *Asoka's Edicts* |
| D.C. Sirkar | : | *Inscriptions of Asoka* |
| *M. Winternitz* | : | *History of Indian Literature* |


* * *

## দ্বিতীয় বিভাগ
## পালি ভাষা

**বিভাগৰ গঠন**


২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ পালি শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু নামকৰণৰ তাৎপৰ্য
২.৪ পালি ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশ
২.৫ পালি ভাষাৰ জন্মস্থান
২.৬ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য
২.৬.১ ধ্বনিতত্ত্ব
২.৬.২ ৰূপতত্ত্ব
২.৭ পালি সাহিত্যৰ সাধাৰণ পৰিচয়
২.৮ সাৰাংশ (Summing Up)
২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

এইটো খণ্ডৰ প্ৰথম বিভাগটোত আপুনি মধ্যভাৰতীয় আৰ্যভাষাৰ যি স্তৰ বিভাজনৰ বিষয়ে অধ্যয়ন কৰিলে, সেই স্তৰ বিভাজনৰ অন্তৰ্গত আদি স্তৰৰ প্ৰথম সাহিত্যিক নিদৰ্শন হৈছে পালি ভাষা। অশোকৰ অনুশাসনমালাত ভাৰতীয় আৰ্যভাষাৰ পৰিৱৰ্তিত ৰূপটোৰ যথাৰ্থ প্ৰতিফলন ঘটিলেও, অনুশাসনসমূহক সাহিত্যৰ মৰ্যাদা দিয়া হোৱা নাই। এই ফালৰ পৰা মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ বুৰঞ্জীত পালি ভাষাকহে প্ৰথম সাহিত্যিক ভাষা হিচাপে স্বীকাৰ কৰা হয়।

মানুহৰ মানসিক উৎকৰ্ষ সাধন আৰৰু সামাজিক মুক্তিৰ লক্ষ্য আগত লৈ গৌতম বুদ্ধই তৎকালীন ভাষাৰে জনসাধাৰণৰ মাজত তেওঁৰ আধ্যাত্মিক আৰু নৈতিক ধ্যান-ধাৰণা প্ৰচাৰ কৰিছিল। এইগৰাকী মনীষীৰ মহাপৰিনিৰ্বাণৰ (খ্ৰীঃ পূঃ ৪৮৪) অব্যৱহিত পৰৱৰ্তী কালত তেওঁৰ বাণীসমূহ অবিকৃত ৰূপত ধৰি ৰখাৰ প্ৰচেষ্টা আৰম্ভ হয়। অৱশেষত কেইবাশ বছৰ জোৰা চেষ্টাৰ অন্তত তিনিখনকৈ বৌদ্ধ মহাসংগীতি বা মহামেলৰ জৰিয়তে তেওঁৰ মৌখিকভাৱে প্ৰৱাহিত বচনসমূহ তৎকালীনভাৱে প্ৰচলিত ভাষাটোৰ পৰিমাৰ্জিত ৰূপৰ মাধ্যমেৰে একত্ৰ সংকলিত হয়। সময়ত বুদ্ধ-বচন বহন কৰা বৌদ্ধশাস্ত্ৰসমূহৰ ভাষাটো জনসাধাৰণৰ মাজত পালি ভাষাৰূপে জনাজাত হয়। গতিকে পালি ভাষাক মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ একমাত্ৰ সাহিত্যিক ভাষা বুলিব পাৰি। বৌদ্ধধৰ্ম শাস্ত্ৰৰ ভাষা হোৱা হেতুকে কোনো কোনোৱে ইয়াক 'বৌদ্ধ-প্ৰাকৃত' ৰূপেও নামকৰণ কৰিব খোজে।

এইটো বিভাগত আপুনি উল্লিখিত পালি ভাষাৰ আটাইবোৰ দিশ; যথা — পালি শব্দৰ ব্যুৎপত্তিগত দিশ, নামকৰণৰ তাৎপৰ্য, ঐতিহাসিক ক্ৰমবিকাশ, বৈশিষ্ট্য, সাহিত্যৰ পৰিচয় ইত্যাদি সম্পৰ্কে খৰচি মাৰি অধ্যয়ন কৰিবলৈ পাব।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- মধ্যভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ প্ৰথম সাহিত্যিক নিদৰ্শন হিচাপে পালি ভাষাৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰি;
- বৌদ্ধশাস্ত্ৰৰ ভাষা হিচাপে পালি ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশ বিশ্লেষণ কৰি দেখুৱাব পাৰিব;
- পালি ভাষাৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাব পাৰিব; আৰু
- পালি ভাষাত ৰচিত সাহিত্যৰ বিষয়ে যথাৰ্থ আলোচনা আগবঢ়াব পাৰিব।

## ২.৩ পালি শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু নামকৰণৰ তাৎপৰ্য

'পালি ভাষা' শব্দগুচ্ছই মুলতঃ হীনযান পন্থী বৌদ্ধসকলৰ দ্বাৰা চৰ্চিত আৰু বৌদ্ধ-ধৰ্মশাস্ত্ৰ ৰচনাৰ বাবে ব্যৱহৃত মধ্যভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ ভাষাটোক বুজায়। অৱশ্যে সেই ভাষাটোক কিয় 'পালি' আখ্যা দিয়া হ'ল, সেই সম্পৰ্কে নিশ্চিতভাৱে একো ক'ব নোৱাৰি। বৌদ্ধ-ধৰ্মশাস্ত্ৰ ত্ৰিপিটক তথা অন্যান্য 'পালি' সাহিত্যত এই শব্দটোৰ ব্যুৎপত্তি সম্বন্ধে কোনো ব্যাখ্যা পোৱা নাযায়। পণ্ডিতসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি পালি শব্দৰ ব্যুৎপত্তি তথা নামকৰণ সম্বন্ধে বিভিন্ন মত উত্থাপন কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য বুলি বিবেচিত মতকেইটি তলত উল্লেখ কৰা হ'ল ঃ

(ক) কাৰো কাৰো মতে 'পল্লী'ৰ ভাষা পালি ভাষা। 'পল্লী' শব্দৰ অৰ্থ হৈছে 'চুবুৰি'। পালি যিহেতু তৎকালীন জনসাধাৰণৰ মুখৰ ভাষাৰ পৰিশীলিত ৰূপ, এতেকে 'পল্লী'ৰ পৰা ইয়াৰ ব্যুৎপত্তি মানি ল'বলৈ টান।

(খ) আন কিছুমানৰ মতে 'পালি' পাটলি শব্দৰ পৰিৱৰ্তিত ৰূপ। বৌদ্ধধৰ্মৰ পৰিব্যাপ্তিৰ কালত ইয়াৰ মূল কেন্দ্ৰস্থল আছিল পাটলিপুত্ৰ নগৰ। এতেকে 'পাটলি' শব্দ সময়ৰ বিৱৰ্তনত 'পালি' হৈছে। কিন্তু এই ক্ষেত্ৰতো পণ্ডিতসকল দ্বিধাগ্ৰস্ত। কাৰণ এখন নগৰৰ নামেৰে বৃহৎ জনগোষ্ঠী এটাৰ ভাষাৰ নামকৰণ সম্ভৱ নহয়।

(গ) কিছুমানে আকৌ 'পাঠ'ৰ পৰা 'পালি'ৰ উৎপত্তি হৈছে বুলি কৈছে। মন কৰিবলগীয়া বিষয় যে খ্ৰীষ্টীয় পঞ্চম শতাব্দীত 'বুদ্ধবাণী' বুজাবলৈ প্ৰথমবাৰৰ বাবে আচাৰ্য বুদ্ধঘোষৰ 'অট্ঠকথাত' ত 'পালি' শব্দৰ উল্লেখ পোৱা যায়, যথা — 'পালিমত্তংইধানীতং নত্থি অট্ঠকথাইধ' (পালি মাত্ৰ ইয়ালৈ অনা হৈছে, অৰ্থ কথা (ভাষ্য) অনা হোৱা নাই)। বুদ্ধঘোষে 'পালি' শব্দৰ দ্বাৰা নিঃসন্দেহে মূল 'পাঠ'(text ) বুজাইছে। ইয়াৰ আধাৰত পণ্ডিত Geiger এ মন্তব্য কৰিছে ঃ "The word Pali signifies only text" গতিকে পাঠ> পাল > পালি এনেদৰে শব্দটোৰ উৎপত্তি হৈছে। অৱশ্যে ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা এনে পৰিৱৰ্তনৰ ব্যাখ্যা দিয়া কঠিন।

(ঘ) এচাম পণ্ডিতৰ মতে পংক্তি শব্দৰ পৰা 'পালি' হৈছে। 'পংক্তি' শব্দৰ অৰ্থ আছিল 'বুদ্ধবচনৰ পংক্তি বিশেষ'। পাছলৈ অৰ্থবিস্তাৰ ঘটি 'বুদ্ধবচন' সংৰক্ষণ কৰা ভাষাটোক বুজাবলৈ ল'লে। এই মতৰ ঘাই প্ৰৱক্তা হৈছে আচাৰ্য বিধুশেখৰ শাস্ত্ৰী। তেওঁ 'পালি প্ৰকাশ' নামৰ গ্ৰন্থত 'পংক্তি'ৰ পৰা 'পালি' ৰ উৎপত্তি হোৱা বুলি দৃঢ়মত পোষণ কৰিছে। প্ৰথম অৱস্থাত 'পালি' শব্দই বৌদ্ধশাস্ত্ৰৰ পংক্তি বা মূল শাস্ত্ৰ ত্ৰিপিটকক বুজাইছিল। পৰৱৰ্তী সময়ত ই বৌদ্ধশাস্ত্ৰৰ ভাষাক বুজাবলৈ ল'লে। অৱশ্যে এই ক্ষেত্ৰটো 'পংক্তি'ৰ পৰা 'পালি' হোৱাৰ ধ্বনিতাত্ত্বিক ব্যাখ্যা বিচাৰি পোৱা নাযায়।

(ঙ) কোনো কোনোৱে 'পালন কৰা' অৰ্থত 'পাল্' ধাতুৰ পৰা 'পালি' হোৱা বুলি অভিমত দিছে। পণ্ডিত ধৰ্মানন্দ কৌশাম্বীৰ মতে পালি হ'ল বুদ্ধবাণীৰ সংৰক্ষক এটি ভাষা। Childers ৰ Pali Dictionary ত 'সদ্দত্থং পালেতীতি পালি', অৰ্থাৎ শব্দ আৰু অৰ্থ পালন কৰা ভাষাই পালি বুলি উল্লেখ কৰা হৈছে। 'পাল' ধাতুৰ লগত 'ই' প্ৰত্যয়ৰ সংযোগত 'পালি'ৰ উৎপত্তি হৈছে। অধ্যাপক নগেন ঠাকুৰে অৱশ্যে পাল্ + ই > পালিৰ ব্যুৎপত্তিত 'ই' প্ৰত্যয়টোৰ কোনো ব্যাখ্যা বিচাৰি পোৱা নাযায় বুলি উল্লেখ কৰিছে। সেয়ে হ'লেও, "বুদ্ধৰ উপদেশ য'ত ৰক্ষিত বা পালিত, সিয়েই 'পালি' বুলি বুজিব পাৰি" বুলি তেওঁ মন্তব্য কৰিছে।

(চ) কোনো কোনোৱে 'পৰ্যায়' শব্দৰ পৰা 'পালি'ৰ উৎপত্তিৰ সম্ভাৱনা দেখুৱাইছে। তেওঁলোকৰ মতে পৰ্যায় = পৰিযায় > পলিয়ায় > পালি — এনেদৰে 'পালি'ৰ উদ্ভৱ হৈছে।

(ছ) ভাষাতত্ত্ববিদ সুকুমাৰ সেন মহাশয়ে সংস্কৃত 'পৰিভাষা'ৰ পৰা 'পালি'ৰ উৎপত্তি হ'ব পাৰে বুলি অনুমান কৰিছে। তেওঁৰ মতে, পৰিভাষা >* পাৰিভাষা > পালিভাষা > পালি হোৱাটো অস্বীকাৰ কৰিবলৈ টান।

(জ) কোনো কোনো পণ্ডিতে 'পেলেষ্টাইন' পাৰস্যৰ ৰাজবংশ আৰু ভাষা দুয়োটা বুজোৱা 'পহ্লবী' শব্দৰ পৰাও 'পালি'ৰ উৎপত্তিৰ সম্ভাৱনা দেখুৱাইছে। অৱশ্যে এই মতৰ ভিত্তি অতিশয় দুৰ্বল।

সি যি কি নহওক, 'পালি' শব্দৰ ব্যুৎপত্তি আৰু নামকৰণ সম্বন্ধে এনেদৰে নানা মুনিৰ নানা মত পোৱা যায় যদিও, এইবোৰৰ কোনো এটা বিশেষ মত সকলোৰে গ্ৰহণযোগ্য হৈ উঠা বুলি ক'ব নোৱাৰি। তথাপি পণ্ডিতসকলৰ মতসমূহ বিচাৰ-বিশ্লেষণ কৰি ইয়াৰ উৎস 'পাঠ' অথবা 'পাল' (পালন কৰা) অথবা 'পংক্তি'ৰ সৈতে জড়িত বুলি অনুমান কৰিব পাৰি। অৰ্থাৎ "য'ত বুদ্ধ-বচনৰ পাঠ বা পংক্তি পালিত বা ৰক্ষিত সিয়েই 'পালি'।"

**আত্মমুল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ নামকৰণৰ তাৎপৰ্য ৩০ টা শব্দৰ ভিতৰত বিশ্লেষণ কৰক।

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ২.৪ পালি ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশ

পণ্ডিতসকলে সুসংবদ্ধ পালি ভাষাৰ উদ্ভৱৰ সময় খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰ পৰা খ্ৰীঃ দ্বিতীয় শতিকা বুলি অনুমান কৰিছে। কিন্তু, সেয়ে হ'লেও, খ্ৰীঃ পূঃ ষষ্ঠ শতাব্দীৰ পৰাই অসংবদ্ধভাৱে তৎকালীন কথিত প্ৰাকৃত ভাষাৰ মাধ্যমেৰে শিথিলধৰ্মী গাথা সাহিত্যৰ ৰচনাৰ প্ৰয়াস চলিছিল বুলি অনুমান কৰিব পাৰি। এনে শিথিলধৰ্মী মিশ্ৰ ভাষাৰ জৰিয়তে 'বুদ্ধ-বচন'ৰ মৌখিক সংকলন কাৰ্যও যে সেই কালত চলিছিল, সেই কথা 'বিনয়পিটক'-ত বুদ্ধঘোষে উদ্ধৃত কৰা এটি কাহিনীৰ পৰা জানিব পৰা যায়। কাহিনীটোৰ মতে, নতুনকৈ দীক্ষিত দুগৰাকী ব্ৰাহ্মণ শিষ্যই বুদ্ধদেৱৰ ওচৰত নিবেদন কৰিলে, 'প্ৰব্ৰজিত ভিক্ষুসকলে নিজ নিজ ভাষাত বুদ্ধবচনসমূহ আওৰাই সেইবোৰ দূষিত কৰিছে। অনুমতি দিলে আমি সেইবোৰক সংস্কৃত ৰূপ দিব পাৰোঁ।'

ইয়াৰ উত্তৰত বুদ্ধই ক'লে, 'মোৰ বচন ছন্দত আৰোপিত নকৰিবা (সংস্কৃত ৰূপ নিদিবা); কৰিলে দুষ্কৃত নামৰ পাপ হ'ব। তেওঁলোকে নিজৰ ভাষাতে মোৰ বাণী গ্ৰহণ কৰক।' বুদ্ধদেৱে উল্লেখ কৰা এই 'নিজ ভাষা' 'সকায় নিৰুত্তিয়া' নামেৰে জনাজাত আছিল। বুদ্ধঘোষে 'সকায় নিৰুত্তিয়া'-ক মাগধী ভাষা বুলিছে যদিও ইয়াক পালি ভাষাৰ আদি ৰূপ আখ্যা দিয়াহে উচিত।

পালি ভাষা কাপ-মৈলামত কেতিয়াৰ পৰা আবদ্ধ হ'ল সেই কথা সঠিককৈ জনাৰ উপায় নাই। সেয়ে হ'লেও, এই কথা ঠিক যে বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ (খ্ৰীঃ পূঃ ৪৮৪) পূৰ্বে এই কামত কোনেও হাত দিয়া নাছিল। প্ৰথম অৱস্থাত 'বুদ্ধবাণী'সমূহ 'গুৰু-শিষ্য-পৰম্পৰা'-ৰে মৌখিকভাৱে প্ৰৱাহিত হৈছিল। অৱশ্যে ভাষাৰ যথাযথ প্ৰয়োগৰ দিশত দুয়োপক্ষ অতিশয় কঠোৰ আৰু সতৰ্ক আছিল। সেইবাবেই এইবোৰ অবিকৃতভাৱে এক পুৰুষৰ পৰা আন এক পুৰুষলৈ চলি অহাটো সম্ভৱ হৈছিল।

সি যি কি নহওক, বুদ্ধ-বচনৰ 'মুখপাঠ'ৰ সূচনা হয় আনুমানিক ৪৪৭ খৃষ্ট-পূৰ্বাব্দত ৰাজগীৰ বা ৰাজগৃহত অনুষ্ঠিত প্ৰথম বৌদ্ধ-মহাসংগীতিত। ইয়াৰ এশ বছৰৰ পাছত বৈশালীত অনুষ্ঠিত দ্বিতীয় বৌদ্ধ-মহাসংগীতিত 'বুদ্ধ-বচন'ৰ আবৃত্তি কৰা হয় আৰু 'বিনয়' অংশ সংশোধিত কৰা হয়। তৃতীয় বৌদ্ধ-মহাসংগীতি অনুষ্ঠিত হয় অশোকৰ ৰাজত্বকালত — পাটলিপুত্ৰত, ২৪৭ খৃষ্ট পূৰ্বাব্দত। এই বৌদ্ধ মহামেলতে 'কথাবত্থু' নামৰ 'অভিধৰ্ম' অংশ সংকলিত হয় আৰু লিখিত ভাষা হিচাপে পালি ভাষাই আত্মপ্ৰকাশ কৰে। মন কৰিবলগীয়া যে অশোকে ভাব্ৰু বৈৰাট অনুশাসনত ভিক্ষুসকলক সাতখন বৌদ্ধধৰ্ম সম্পৰ্কীয় অধ্যয়ন কৰিবলৈ উপদেশ দিছে। এনে উপদেশ নিশ্চয় লিখিত শাস্ত্ৰ সম্পৰ্কে দিয়াটোহে সম্ভৱ।

অশোকৰ সময়তে সম্ভৱতঃ 'ত্ৰিপিটক'ৰ তিনিওটা অংশৰ সংকলন সমাপ্ত হৈছিল। এই ত্ৰিপিটককে অশোকৰ পুত্ৰ বা ভাতৃ মহেন্দ্ৰই সিংহললৈ লৈ গৈছিল। অৱশ্যে Oldenberg, E. Muller আদি পণ্ডিতে সমুদ্ৰগামী বণিকসকলৰ জৰিয়তে মহেন্দ্ৰৰ যাত্ৰাৰ বহুপূৰ্বেই সিংহলত বৌদ্ধধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছিল বুলি মত প্ৰকাশ কৰিছে। সিংহলৰ বট্টগামিনৰ ৰাজত্বকালত (খ্ৰীঃ পূঃ ৮৮-৭৬) সিংহলী বৰ্ণমালাত ত্ৰিপিটক লিপিবদ্ধ হয়। বৰ্তমান ভাৰতীয় লিপিত যি 'ত্ৰিপিটক'ৰ প্ৰচলন হৈ আছে, সেয়া সিংহলী ত্ৰিপিটকৰ প্ৰতিৰূপ মাথোন।

মুঠতে পৰৱৰ্তী সময়ত বৌদ্ধধৰ্ম-শাস্ত্ৰৰ ভাষা পালি ভাষা ৰূপে জনাজাত হয়। প্ৰথমে মৌখিকভাৱে সংৰক্ষিত 'বুদ্ধ-বচন' পৰৱৰ্তী সময়ত লিখিত সাহিত্যলৈ পৰিৱৰ্তিত হয়। বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ পাছৰে পৰা খ্ৰীষ্টীয় পঞ্চদশ শতাব্দী পৰ্যন্ত বৌদ্ধধৰ্মৰ মূলতত্ত্ব আৰু তজ্জনিত আখ্যানৰ আধাৰত পালি ভাষাৰ মাধ্যমেৰে নানাবিধ সাহিত্য-ৰচনাৰ প্ৰয়াস চলে। পালি ভাষাৰ দুহেজাৰ বছৰীয়া সুদীৰ্ঘ পৰিক্ৰমাক পণ্ডিতসকলে মুঠ পাঁচটা স্তৰত ভাগ কৰিছে ঃ (ক) প্ৰথম স্তৰ — গাথা-সাহিত্যৰ যুগ, (খ) দ্বিতীয় স্তৰ-গদ্য-মিশ্ৰিত গাথা-কাব্যৰ যুগ, (গ) তৃতীয় স্তৰ— ত্ৰিপিটক যুগ, (ঘ) চতুৰ্থ স্তৰ — সংস্কৃত প্ৰভাৱিত গদ্য-সাহিত্যৰ যুগ আৰু (ঙ) পঞ্চম স্তৰ — টীকা- ভাষ্যৰ যুগ। তলত আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে প্ৰতিটো স্তৰৰ একোটাহঁত চমু বিৱৰণ দিয়া হ'ল।

### (ক) প্ৰথম স্তৰগাথা-সাহিত্যৰ যুগ

বুদ্ধদেৱৰ জীৱদ্দশাত তেওঁৰ দ্বাৰা প্ৰচাৰিত শীল বা সজ-আচৰণৰ শিক্ষা আৰু ধৰ্মতত্ত্বৰ অন্যান্য বিষয়সমূহ প্ৰধানকৈ গাথাৰ মাধ্যমেৰে কাব্যভংগীৰে আলোচিত হৈছিল। সেইবাবে এই সময়ৰ পালি ভাষাক গাথা-সাহিত্যৰ যুগ বোলা হৈছে। ব্যাকৰণদুষ্ট প্ৰয়োগ আৰু অপ্ৰচলিত

শব্দৰ বহুল ব্যৱহাৰ এই স্তৰৰ ভাষাৰ অন্যতম বিশেষত্ব। কেতবোৰ শব্দৰ অৰ্থ-উদ্‌ঘাটন অতিশয় দুৰূহ। প্ৰকাশভঙ্গীৰ কৃত্ৰিমতা এই স্তৰৰ ভাষাৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য।

**(খ) দ্বিতীয় স্তৰ — গদ্য-মিশ্ৰিত গাথা-কাব্যৰ যুগ**

ৰাজগৃহত অনুষ্ঠিত প্ৰথম বৌদ্ধ মহামেলৰ পৰা বৈশালীত অনুষ্ঠিত দ্বিতীয় বৌদ্ধ মহামেল পৰ্যন্ত — এই এশ বছৰ কালক পালি ভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় স্তৰ বুলি ধৰা হয়। এই স্তৰত ভাষাৰ তেনে কোনো বিশেষ অগ্ৰগতি দেখিবলৈ পোৱা নাযায়। পূৰ্বৱৰ্তী স্তৰৰ গাথাবোৰৰ ব্যাখ্যাৰ বাবে আৰু সিবোৰৰ প্ৰসঙ্গ নিৰ্দেশৰ বাবে গাথাবোৰৰ লগত গদ্য সংযুক্ত হোৱাটোৱেই এইটো স্তৰৰ প্ৰধান বিশেষত্ব। সেইবাবে এইটো স্তৰক গদ্য-মিশ্ৰিত গাথা-সাহিত্যৰ যুগ বুলি কোৱা হৈছে।

**(গ) তৃতীয় স্তৰ — ত্ৰিপিটক যুগ**

দ্বিতীয় বৌদ্ধ মহাসংগীতিৰ পৰা অশোকৰ পাছলৈকে, অৰ্থাৎ খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ আগলৈকে — এইছোৱা সময়ক পালি ভাষাৰ ক্ৰমবিৱৰ্তনৰ তৃতীয় স্তৰ বুলি ধৰা হয়। দৰাচলতে সম্ৰাট অশোকৰ শাসনকালতে পালি ভাষাৰ পৰিশীলিত সাহিত্যিক ৰূপটো গঢ় লৈ উঠে। গদ্য-পদ্য উভয় দিশতে এইটো স্তৰৰ ভাষাই সমৃদ্ধি লাভ কৰে। বৌদ্ধশাস্ত্ৰ ত্ৰিপিটক এইটো স্তৰৰে ৰচনা। সবল প্ৰকাশভঙ্গী, সৰলতা আৰু স্বচ্ছতা, ব্যাকৰণদুষ্ট প্ৰয়োগৰ স্বল্পতা আদি এই স্তৰৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। পাশ্চাত্য পণ্ডিত Geiger -এ এই স্তৰৰ ভাষাৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি এনেদৰে মন্তব্য কৰিছেঃ "It is homogeneous, and uniform than the language of the Gathas. The archaic forms diminish more and more in number and partly disappear altogether. "

**(ঘ) চতুৰ্থ স্তৰ — সংস্কৃত প্ৰভাৱিত গদ্য-সাহিত্যৰ যুগ**

খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা তৃতীয় শতিকা পৰ্যন্ত পালি ভাষা-সাহিত্যৰ ক্ৰমবিকাশৰ চতুৰ্থ স্তৰ। সম্ৰাট কনিষ্কৰ ৰাজত্বকাল (খ্ৰীঃ প্ৰথম শতাব্দী) এইটো স্তৰৰ অন্তৰ্ভুক্ত। বৌদ্ধ মহাযানীসকলৰ মাজত প্ৰচলিত সংস্কৃত ভাষাৰ প্ৰভাৱত এই স্তৰৰ পালি গদ্য-সাহিত্য সম্পূৰ্ণকৈ বিকশিত হয়। সংস্কৃতৰ দৰে দীৰ্ঘ সমাসবদ্ধ পদৰ ব্যৱহাৰ সংস্কৃত-আশ্ৰিত শব্দৰ প্ৰয়োগ এই স্তৰৰ ভাষাৰ অন্যতম বিশেষত্ব। মিলিন্দ-পঞ্‌হ (মিলিন্দ প্ৰশ্ন) এই সময়ৰ সৰ্বোৎকৃষ্ট ৰচনা। মহাযান পন্থাৰ মাধ্যমিক শাখাৰ প্ৰৱৰ্তক নাগাৰ্জুনৰ মতৰ ভিত্তিত বৌদ্ধভিক্ষু নাগসেনে এই গ্ৰন্থখনি ৰচনা কৰে। ইয়াৰ ভাষা সাৱলীল আৰু অভিজাত। 'বৌদ্ধ-মিশ্ৰ-সংস্কৃত' ভাষা এইটো যুগৰ অন্যতম অৱদান।

**(ঙ) পঞ্চম স্তৰ — টীকা-ভাষ্যৰ যুগ**

খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ পৰা পঞ্চদশ শতাব্দী পৰ্যন্ত — এই সময়ছোৱাক পালি ভাষাৰ ক্ৰমবিকাশৰ পঞ্চম স্তৰ বুলি ধৰা হৈছে। কোনো কোনোৱে এইটো যুগক পালি ভাষাৰ সোণালী যুগ বুলি অভিহিত কৰিছে। বুদ্ধঘোষ, বুদ্ধদত্ত আৰু ধৰ্মপাল— এই তিনিগৰাকী প্ৰসিদ্ধ বৌদ্ধ পণ্ডিতে ৰচনা কৰা বিপুল পৰিমাণৰ টীকা-টিপ্পনী আৰু অন্য ব্যক্তিৰ দ্বাৰা ৰচিত আখ্যান, কাব্যগ্ৰন্থ আদি মেটমৰা সাহিত্য-সম্ভাৰেৰে এইটো যুগ সমৃদ্ধিশালী হোৱাটোৱে তাৰ মূল কাৰণ। ইয়াৰ আগলৈকে পালি ভাষা বৌদ্ধধৰ্ম সম্পৰ্কীয় বিষয়বস্তুৰ মাজত সীমাবদ্ধ আছিল। এইটো

যুগত সেই সীমা অতিক্ৰম কৰি মানুহৰ ভাৱ, ভাৱনা বিজড়িত বৰ্ণনাত্মক কাহিনীলৈ ভাষাৰ প্ৰসাৰ ঘটে। বিষয়োপযোগী ৰচনাশৈলী আৰু সাৱলীল তথা মৰ্যাদাসম্পন্ন ভাষাৰ প্ৰয়োগ এই স্তৰৰ সাহিত্যৰ এক উল্লেখযোগ্য বিশেষত্ব।

গাথা-সাহিত্যৰ পৰা টীকা-ভাষ্যৰ স্তৰলৈকে ক্ৰমশঃ উন্নতিৰ জখলাৰে বগুৰাবাই অহা পালি ভাষাৰ লাহে লাহে অৱক্ষয় আৰম্ভ হয়। প্ৰচলিত পালি ভাষাৰ সাহিত্যিক মৰ্যাদাপ্ৰাপ্তিয়েই বোধহয় ইয়াৰ প্ৰধান কাৰণ। অৱশেষত নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ আৰু উন্নতিৰ লগে লগে পালি ভাষাৰ বিলুপ্তি ঘটে।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ ক্ৰমবিকাশৰ প্ৰধান স্তৰ কেইটিৰ বিশেষত্ব কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ২.৫ পালি ভাষাৰ জন্মস্থান

ভাৰতবৰ্ষত বৌদ্ধাচাৰ্যসকলে বৌদ্ধধৰ্মম আৰু এই ধৰ্মৰ দাৰ্শনিক তাৎপৰ্যৰ প্ৰায় আটাইবোৰ কথা মুখ্যতঃ পালি ভাষাৰ মাধ্যমেৰে লিপিবদ্ধ কৰি থৈ গৈছে। সংস্কৃত আৰু সংস্কৃত-প্ৰাকৃত মিশ্ৰিত বৌদ্ধ-মিশ্ৰ সংস্কৃত ব্যৱহাৰ কৰিলেও তেনে শাস্ত্ৰৰ সংখ্যা নগণ্য। সেই হেতুকে বৌদ্ধ যুগৰ যথাৰ্থ ইতিহাস অধ্যয়নৰ বাবে পালি ভাষা-সাহিত্যৰ ওচৰ চাপিবলগীয়া হয়। বৌদ্ধ যুগত পালি ভাষা যে বহুল প্ৰচাৰিত জনপ্ৰিয় ভাষা আছিল তাক বিপুল পৰিমাণৰ পালি সাহিত্য কৃতিয়ে প্ৰমাণ কৰে। কিন্তু এই জনপ্ৰিয় সাহিত্যিক ভাষাটো কোন ঠাইৰ উপভাষাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল, আন কথাত এই ভাষাৰ জন্মস্থান কি সেই সম্পৰ্কে আজিকোপতি কোনো স্থিৰ সিদ্ধান্ত হোৱা নাই। প্ৰাচ্য-পাশ্চাত্য উভয় দেশৰ বিভিন্ন পণ্ডিতে এই সন্দৰ্ভত বিভিন্ন মতামত ব্যক্ত কৰাহে বৰং পৰিলক্ষিত হয়। কাৰোবাৰ মতে, ভাৰতবৰ্ষৰ পূব অঞ্চলত প্ৰচলিত কোনো এটি কথ্য প্ৰাকৃতৰ পৰা পালিৰ উৎপত্তি হৈছে। আন কাৰোবাৰ মতে মধ্য ভাৰতৰ কোনো প্ৰাকৃতৰ ভিত্তিত পালি ভাষা গঢ় লৈ উঠিছে। আন কোনোৱে আকৌ পশ্চিম বা উত্তৰ-পশ্চিম ভাৰতৰ কথিত প্ৰাকৃতৰ পৰা পালিৰ উদ্ভৱ হোৱা বুলি কৈছে। আপোনাৰ সুবিধাৰ বাবে তলত এই মতামতবোৰ চমুকৈ উল্লেখ কৰা হ'ল ঃ

(ক) E. Khun, Westerguard, R.O. Franke আদি ইউৰোপীয় পণ্ডিতে উজ্জয়িনীৰ উপভাষাৰ পৰাই পালিৰ জন্ম হোৱা বুলি অভিমত ব্যক্ত কৰিছে। এওঁলোকৰ মতে এই উপভাষাই আছিল অশোক-পুত্ৰ বা ভাতৃ মহেন্দ্ৰৰ মাতৃভাষা আৰু ইয়াৰ পৰাই তেওঁ সিংহল (বৰ্তমানৰ শ্ৰীলংকা) দেশলৈ বৌদ্ধধৰ্ম প্ৰচাৰ কৰিবলৈ গৈছিল। পণ্ডিত কেইজনাৰ এনে অভিমতৰ মূল ভিত্তি হ'ল— পালিৰ সৈতে অশোকৰ গিৰ্ণাৰ অনুশাসনৰ ভাষাগত মিল।

(খ) খ্ৰীঃ পূঃ প্ৰথম শতাব্দীত উৰিষ্যাৰ হাথিগুম্ফাৰ ৰজা খাৰবেলৰ অনুশাসনৰ ভাষাৰ লগত পালি ভাষাৰ সাদৃশ্যলৈ লক্ষ্য কৰি Oldenberg আৰু E. Muller-এ উৰিষ্যা অঞ্চলত

প্ৰচলিত ভাষাৰ পৰাই পালি ভাষাৰ উদ্ভৱ হোৱা বুলি মত পোষণ কৰিছে। দুয়োগৰাকী পণ্ডিতে মহেন্দ্ৰৰ সিংহল যাত্ৰাৰ বহু পূৰ্বেই এই অঞ্চলত বৌদ্ধধৰ্মৰ প্ৰচাৰ হৈছিল আৰু তাৰ অনুষংগ হিচাপে পালি ভাষা প্ৰতিষ্ঠিত বুলি ভাবে।

(গ) পালি আৰু পৈশাচী প্ৰাকৃতৰ সাদৃশ্যলৈ লক্ষ্য কৰি জাৰ্মান পণ্ডিত Sten Konow-এ বিন্ধ্য অঞ্চলক পালি ভাষাৰ জন্মস্থান হিচাপে চিহ্নিত কৰিছে। কাৰণ বিন্ধ্যৰ উত্তৰাঞ্চলত পৈশাচী প্ৰাকৃত কথিত ভাষা হিচাপে তৎকালীনভাৱে প্ৰচলিত আছিল।

(ঘ) ভাষাতত্ত্ববিদ পণ্ডিত G.A. Grierson -ৰ মতে পালি এক মিশ্ৰ ভাষা। ই তক্ষশীলা অঞ্চলত বিকশিত হৈছিল।

(ঙ) Windische - ৰ মতে পালি অৰ্ধ-মাগধীৰ এটি বিশেষ প্ৰকাৰ মাত্ৰ আৰু ইয়াৰ উদ্ভৱ স্থল হ'ল কোশল। Luders-ৰ মতেও অৰ্ধ-মাগধীৰ প্ৰাচীন ৰূপৰ পৰা পালি ভাষাৰ উদ্ভৱ হৈছে।

(চ) B. C. Law -ই ভাৰতবৰ্ষৰ পশ্চিম অঞ্চলৰ প্ৰাকৃত ভাষাৰ পৰা পালিৰ জন্ম হোৱা বুলি অনুমান কৰিছে। অশোকৰ গিৰ্ণাৰ অনুশাসনৰ ভাষা আৰু শৌৰসেনী প্ৰাকৃতৰ লগত সম্পৰ্ক থকা কোনো বিশেষ প্ৰাকৃতৰ পৰা পালিৰ উৎপত্তি হোৱা বুলি তেওঁ ধাৰণা কৰে।

(ছ) ভাষাচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায়েও পালি ভাষাক শৌৰসেনীৰ লগত অধিক সম্পৰ্ক থকা বুলি ধাৰণা কৰিছে। তেওঁৰ মতে শৌৰসেনী আৰু মাগধীৰ প্ৰভাৱতে পালিৰ উৎপত্তি হৈছে।

(জ) Rhys Davids -এ পালি ভাষা কোশল অঞ্চলৰ কথিত ভাষাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা বুলি মন্তব্য কৰিছে। তেওঁৰ মতে পালি এক সাহিত্যৰ প্ৰয়োজনত সৃষ্টি হোৱা ভাষাহে।

(ঝ) Winternitz, Geiger, Childers, James Alwis, বেণী মাধৱ বৰুৱা আদি পালি বিশেষজ্ঞসকলৰ মতে পালিৰ জন্মসূত্ৰ মাগধীৰ মাজতে নিহিত আছে। অৱশ্যে এই মাগধী প্ৰাকৃত ব্যাকৰণকাৰসকলে উল্লেখ কৰা, কিংবা সংস্কৃত নাট্যকাৰসকলে নিম্ন শ্ৰেণীৰ চৰিত্ৰত মুখত দিয়া সাহিত্যিক মাগধী প্ৰাকৃত নহয়; বৰং ই হৈছে তৎকালীন মগধ ৰাজ্য তথা সমগ্ৰ উত্তৰ ভাৰতত প্ৰচলিত সৰ্বসাধাৰণৰ দৈনন্দিন যোগাযোগৰ মাধ্যম— Lingua franca। মন কৰিবলগীয়া যে বৌদ্ধধৰ্মৰ ব্যাপক প্ৰচাৰৰ কালত মালবৰ ৰাজধানী উজ্জয়িনী আছিল সমগ্ৰ ভাৰতবৰ্ষৰ বাণিজ্যিক আৰু সাংস্কৃতিক কেন্দ্ৰভূমি। ইয়াত বিভিন্ন ভাষাৰ মানুহৰ সমাগম ঘটিছিল। উজ্জয়িনী অঞ্চলৰ উপভাষাৰ ভিত্তিত সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ এটি সংযোগী ভাষাৰ জন্ম হ'ল। ভাষাতত্ত্ববিদ সুকুমাৰ সেনে সেইবাবেই মন্তব্য কৰিছে যে দক্ষিণ ভাৰতৰ বৌদ্ধ-সম্প্ৰদায়সমূহে এই সংযোগী ভাষাটোকে ঘঁহি-মাজি পৰিশীলিত কৰি শাস্ত্ৰ-ৰচনাৰ উপযোগী কৰি তুলিছিল। পৰৱৰ্তী সময়ত এই ভাষা পালি ভাষা ৰূপে জনাজাত হ'ল।

ওপৰৰ আলোচনাৰ পৰা আপুনি এটা কথা স্পষ্টভাৱে বুজিলে যে পালি ভাষাৰ উদ্ভৱ তথা জন্মস্থান সম্বন্ধে যথেষ্ট মতভেদ আছে। তদুপৰি প্ৰায়ভাগ পণ্ডিতে ভাষাতত্ত্বৰ আধাৰত নিজ নিজ মতামত আগবঢ়াইছে। কিন্তু ভাষা এটাৰ উৎপত্তিৰ বিচাৰত অকল ভাষাতাত্ত্বিক আধাৰেই পৰ্যাপ্ত নহয়। তাৰ লগে লগে সামাজিক পটভূমি আৰু পাৰিপাৰ্শ্বিক দিশবোৰো বিচাৰ কৰি চোৱাৰ প্ৰয়োজন।

সমগ্ৰ উত্তৰ ভাৰত জুৰি বৌদ্ধধৰ্মই প্ৰসাৰ লাভ কৰাত সমকালীনভাৱে বাণিজ্যিক আৰু ৰাজনৈতিক কাৰণত ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত প্ৰাকৃত উপভাষাবোৰৰ উপাদানৰ আধাৰত সৰ্বজনবোধ্য সৰ্বভাৰতীয় সংযোগী ভাষা এটাৰ সৃষ্টি হৈছিল। বৌদ্ধধৰ্মক অশোকে ৰাজধৰ্মৰ মৰ্যাদা দিয়া আৰু অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত বৌদ্ধমতে বণিজাৰু বৈশ্যসকলক বাণিজ্যৰ সুবিধা দিয়াটো এই প্ৰসঙ্গত মন কৰিবলগীয়া। সেই সময়ৰ বাণিজ্যিক পথসমূহত বৌদ্ধবিহাৰ স্থাপিত হৈছিল আৰু এইবোৰলৈ বিভিন্ন ঠাইৰ ভিক্ষু অহা-যোৱা কৰিছিল। বিহাৰবোৰত যি ধৰ্মালোচনা হৈছিল তাত সৰ্বজনবোধ্য ভাষা এটাৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। প্ৰথমে নিজ ভাষাৰ মাধ্যমেৰে যোগাযোগ সাধন কৰিলেও, প্ৰয়োজনত সকলোৰে গ্ৰহণযোগ্য ভাষা এটাৰ সৃষ্টি পৰৱৰ্তী সময়ত নিশ্চয় হৈছিল। পালি ভাষা এনে প্ৰয়োজনতে সৃষ্টি হোৱা ভাষা বুলি ক'লে বোধহয় ভুল কোৱা নহ'ব। এই ফালৰ পৰা পালিৰ উদ্ভৱস্থল ভাৰতবৰ্ষৰ কোনো বিশেষ অঞ্চল নহৈ বৌদ্ধবিহাৰসমূহ ইয়াৰ জন্মস্থান হোৱাটোক অসম্ভৱ বুলিব নোৱাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ জন্মস্থান সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা অভিমতবোৰৰ কোনটো অধিক গ্ৰহণযোগ্য ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

...........................................................

...........................................................

...........................................................

## ২.৬ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

এইটো খণ্ডৰ ১নং বিভাগত মধ্যভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আপুনি যিখিনি অধ্যয়ন কৰিলে সেইবোৰেই পালি ভাষাৰো সাধাৰণ বিশেষত্ব। অৱশ্যে সাহিত্যিক প্ৰাকৃতসমূহৰ তুলনাত পালি কিছু পুৰণি স্তৰৰ ভাষা হোৱা হেতুকে ইয়াত ভালেমান পুৰণি বৈশিষ্ট্যৰ সংৰক্ষণ লক্ষ্য কৰা যায়। আনকথাত পালি ভাষা সাহিত্যিক প্ৰাকৃতৰ ভাষাতকৈ বহু পৰিমাণে বৈদিক সংস্কৃতৰ ওচৰ-চপা। তলত ভাষাটোৰ সাধাৰণ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱা হ'ল।

### ২.৬.১ ধ্বনিতত্ত্ব

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা — বৈদিক-সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা আছিল চৈধ্যটা। পালিত কিন্তু অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও— এই আঠোটা স্বৰধ্বনিৰ প্ৰয়োগহে পোৱা যায়; ঋ, ৠ, ঌ, ৡ, ঐ ঐ আৰু ঔ— এই স্বৰকেইটাৰ ব্যৱহাৰ পালিত পাবলৈ নাই। ৠ আৰু ঌ আৰু ৡ-ৰ প্ৰয়োগ সম্পূৰ্ণ লোপ পালে; আনহাতে ঋ, ঐ, আৰু ঔ ভিন্ন ধ্বনিলৈ ৰূপান্তৰিত হ'ল ঃ

(ক) ঋ-কাৰ অ, ই, উ, এ, ৰু আৰু ৰি-লৈ পৰিৱৰ্তিত হ'ল যেনে —

ঋ>অ ঃ ঘৃতম, ঘতং, কৃত > কত

ঋ>ই ঃ ঋষিঃ > ইসি, তৃণ >তিন

ঋ >উ ঃ ঋজু > উজু , বৃদ্ধঃ>বুড্‌ঢো, ঋতু >উতু

ঋ>এ ঃ গৃহ >গেহ, বৃহৎফলঃ>বেহপ্‌ফলো

ঋ>ৰি ঃ ঋদ্ধিঃ >ৰিদ্ধি, ঋণ >ৰিণ

ঋ>ৰু ঃ বৃক্ষ > ৰুক্খ।

(খ) ঐ- কাৰৰ ঠাইত সাধাৰণতে এ- কাৰ আৰু কেতিয়াবা ই বা ঈ-কাৰৰ প্ৰয়োগ হ'বলৈ ধৰিলে, যেনে—

ঐ > এ ঃ শৈলঃ >সেলো, শৈক্ষ্যঃ > সেখো, বৈৰম্ > বেৰং

ঐ > ই ঃ অনৈক্যস্ৰাৱঃ > অনিক্কসাবো, সৈন্ধৱঃ > সিন্ধৱো

ঐ > ঈ ঃ গ্ৰৈৱেয়ং > গীৱেয্যং।

(গ) ঔ- কাৰ সাধাৰণতে ও- কাৰলৈ পৰিৱৰ্তিত হ'ল। কেতিয়াবা উ- কাৰো হোৱা দেখা যায়, যেনে —

ঔ>ও ঃ ঔদৰিকঃ > ওদৰিকো, উদকৌকতঃ > ওকমোকতো, মহৌঘঃ এৱ > মহাঘো'ৱ

ঔ>উ ঃ মৌক্তিকম্ > মুত্তিকং, উৎসৌক্য > উস্‌সুক্ক

ঔ>অ ঃ সৌম্য > সম্ম

ঔ > আ ঃ গৌৰৱম্ > গাৰৱং।

(২) 'অয়' আৰু 'অৱ' দ্ব্যক্ষৰ ধ্বনি দুটাৰ দুই ধৰণৰ পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি ঃ কেতিয়াবা দুয়োটা যথাযথভাৱে সংৰক্ষিত হৈছে আৰু কেতিয়াবা ক্ৰমে এ আৰু ও - লৈ ৰূপান্তৰ ঘটিছে, যথা —

অয় ঃ নয়তি >নেতি, জয়তি>জেতি/জয়তি

অৱ ঃ ভৱতি>ভোতি, হোতি/ ভৱতি; লৱণম্ > লোণং।

(৩) পালি ভাষাত সমীভূত দ্বিত্ব ব্যঞ্জন অথবা একে বৰ্গৰ নাসিক্য আৰু স্পৰ্শ ব্যঞ্জন হ'লে তাৰ পূৰ্বৱৰ্তী দীৰ্ঘ স্বৰ হ্ৰস্ব হয়, যেনে — নাস্তি>নত্থি, মাৰ্গ >মগ্‌গ, কান্তাং > কন্তং।
কিন্তু সমীভূত যুগ্ম ব্যঞ্জন একক ব্যঞ্জনলৈ পৰিৱৰ্তিত হ'লে যুগ্ম ব্যঞ্জনৰ পূৰ্বৱৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ হয়, যথা— স্পৰ্শ>ফাস, সিংহ> সীহ।

(৪) বৈদিক-সংস্কৃতৰ শ, ষ, স - এই উষ্ম ধ্বনিকেইটাৰ ঠাইত পালিত মাত্ৰ 'স'-ৰ প্ৰয়োগ পোৱা যায়, যেনে — শিষ্যঃ >সিস্‌সো, বৰ্ষ > বস্‌স, শব্দ > সদ্দ।

(৫) পদান্ত ম অনুস্বাৰলৈ ৰূপান্তৰিত হয়, যেনে — বুদ্ধম্ > বুদ্ধং, চিত্তম্ > চিত্তং।

(৬) পালিত অনুস্বাৰৰ বাহিৰে অন্য পদান্ত ব্যঞ্জন লোপ পায়, যেনে—

যাবৎ > যাব, সম্মক > সম্মা

(৭) ন-কাৰ কেতিয়াবা ণ-কাৰলৈ পৰিৱৰ্তিত হয়, যথা— নৰ > ণৰ

(৮) পালিত বিসৰ্গৰ প্ৰয়োগ নাই। সংস্কৃতৰ অন্ত্য অৱস্থানৰ বিসৰ্গযুক্ত অ-কাৰ (অঃ) পালিত ও-কাৰ হয় আৰু অন্য স্বৰৰ পাছত থাকিলে বিসৰ্গ লুপ্ত হয়, যেনে —

নৰঃ>নৰো, দেবঃ >দেবো; কিন্তু ভিক্ষুঃ> ভিক্‌খু।

অৱশ্যে দুই এঠাইত অঃ > এ হোৱাৰ উদাহৰণো পোৱা যায়, যেনে — জনঃ জনে।

(৯) পালিত 'ৰেফ' (র্) -ৰ ব্যৱহাৰ পাবলৈ নাই। সংস্কৃতৰ ৰেফযুক্ত বৰ্ণৰ ৰেফ লোপ পায় আৰু বৰ্ণটোৰ দ্বিত্ব হয়, যেনে — ধৰ্ম>ধম্ম, সৰ্বঃ>সব্বো।

(১০) সংস্কৃতৰ ক্ষ পালিত আদি অৱস্থানত খ বা ছ হয়, যেনে — ক্ষেমঃ>খেমো। মধ্যস্থানত ক্‌খ বা চ্ছ হয় যেনে — চক্ষু>চক্‌খু, অক্ষি> অচ্ছি।

(১১) পালিত পদৰ আদিত সংযুক্ত ব্যঞ্জনৰ ৰ-ফলা লোপ পায়, যথা — গ্রহণম্>গহণং। মাজত থাকিলে ৰ যুক্ত বর্ণটোৰ দ্বিত্ব হয়, যেনে — নিদ্রা>নিদ্দা। কিন্তু একাধিক বর্ণৰ সৈতে ৰ- ফলা যুক্ত হ'লে কেৱল ৰ-ফলা লোপ পায়, যেনে ইন্দ্রঃ>ইন্দো।

(১২) পদৰ আদি অৱস্থানত প্রয়োগ হোৱা ব-কাৰ যুক্ত সংযুক্ত ব্যঞ্জনৰ ব-কাৰ লোপ পায়, যেনে — জ্বলতি > জলতি। পদৰ মাজত থাকিলে ব-কাৰ লোপ পায় আৰু ব-যুক্ত বর্ণটোৰ দ্বিত্ব হয়, যেনে — একত্বম্ > একত্তং। অৱশ্যে সন্ধিজাত ব-কাৰৰ লোপ নহয়।

(১৩) জ্ঞ, ন্য, ণ্য>ঞ্ঞ, যেনে — প্রজ্ঞা>পঞ্ঞা, অন্য>অঞ্ঞ, পুণ্য>পুঞ্ঞ।

(১৪) পালিত মধ্যস্থিত ব্যঞ্জনবোৰ প্রায়ে সমীভৱনৰ দ্বাৰা সৰলীকৃত হৈছিল। তদুপৰি ধ্বনি বিপর্যয়, স্বৰভক্তি আদিৰ ফলতো সংযুক্ত ধ্বনিৰ সৰলীকৰণ প্রত্যক্ষ কৰিব পাৰি ঃ

**সমীভৱন ঃ** সপ্ত > সত্ত, অল্প>অপ্প, মৃত্যু>মচ্চু, মধ্য>মজ্ঝ।

**ধ্বনি-বিপর্যয় ঃ** তৃষ্ণা>তণ্হা, প্রশ্ন>পণ্হ, পঞ্হ।

**স্বৰভক্তি ঃ** স্নেহ >সিনেহ, আর্য >অৰিয়, শ্লাঘা >সিলাঘা।

### ২.৬.২ ৰূপতত্ত্ব

(১৫) ধ্বনিগত পৰিৱর্তনৰ ফলত সংস্কৃত শব্দৰূপৰ জটিলতা পালিত কিছু হ্রাস পাইছে। শব্দৰ অন্ত্যস্থিত ব্যঞ্জন লোপ পোৱাৰ কাৰণে পালিত ব্যঞ্জনান্ত শব্দৰূপৰ প্রয়োগ পাবলৈ নাই। অন্য স্বৰান্ত শব্দবোৰো অ-কাৰান্ত শব্দৰ দৰে ৰূপ হোৱাৰ প্ৰৱণতাই দেখা দিলে।

(১৬) পালিত দ্বিবচন নাই। তাৰ ঠাইত বহুবচনৰ প্রয়োগ হ'ল।

(১৭) এক বিভক্তিৰ ঠাইত আন এক বিভক্তিৰ প্রয়োগ সহজলভ্য হৈ পৰিল। উদাহৰণ স্বৰূপে — চতুর্থী আৰু ষষ্ঠীৰ বহুবচনৰ প্ৰভেদ লোপ পালে। সেইদৰে, পঞ্চমী আৰু তৃতীয়াৰ বহুবচনৰ ৰূপৰ ভিন্নতা লোপ পালে।

(১৮) লিঙ্গ তিনিটা পোৱা গ'লেও, কোনো কোনো শব্দৰ একাধিক লিঙ্গৰূপো দেখা যায়।

(১৯) পালিৰ ধাতুৰূপ অনেক পৰিমাণে সংস্কৃতৰ অনুগামী। সংস্কৃত ধাতুৰ দহোটা 'গণ' পালিত সাতোটা হৈছে। পৰস্মৈপদ আৰু আত্মনেপদ দুয়োবিধ ধাতুৰূপ পোৱা গ'লেও, আত্মনেপদৰ ব্যৱহাৰ আপেক্ষিকভাৱে কম।

(২০) কাল আৰু ভাৱ প্রকাশক সংস্কৃতৰ দহোটা 'ল'-কাৰ'-ৰ আঠোটা পালিত সংৰক্ষিত হৈছে ঃ বত্তমান (লট্), পঞ্চমী (লোট্), সত্তমী (বিধিলিঙ্); পৰোক্‌খ (লিট্), হিয্যতনী (লঙ্), অয্যতনী (লুঙ্), ভবিস্সন্তি (লৃট্) আৰু কালাতিপত্তি (লৃঙ্)।

(২১) সংস্কৃতৰ কর্মবাচ্যত কেৱল আত্মনেপদী বিভক্তিৰ প্রয়োগ হৈছিল। পালিত এই ক্ষেত্রত আত্মনেপদী আৰু পৰস্মৈপদী দুয়োবিধ বিভক্তিৰ সংযোগেই লক্ষ্য কৰা যায়।

পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য এইবোৰেই। ইয়াৰ উপৰি স্বতঃমূর্ধণ্যীভৱন, ঘোষীভৱন, অঘোষীভৱন, স্বতঃ নাসিক্যীভৱন ইত্যাদি ধ্বনিগত বৈশিষ্ট্যও ভাষাটোত বিদ্যমান। তদুপৰি পালি সন্ধিৰ প্রকৃতিও সংস্কৃততকৈ ভিন্ন।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ প্ৰধান ধ্বনিতাত্ত্বিক বৈশিষ্ট্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ২.৭ পালি সাহিত্যৰ সাধাৰণ পৰিচয়

বুদ্ধদেৱৰ মহাপ্ৰয়াণৰ অব্যৱহিত পৰৱৰ্তী কালত ৰাজগীৰ বা ৰাজগৃহৰ বৈভাৰ পৰ্বতৰ সপ্তপৰ্ণী গুহাত থেৰ মহাকস্সপ (স্থবিৰ মহাকাশ্যপ)-ৰ পৌৰোহিত্যত অনুষ্ঠিত প্ৰথম বৌদ্ধ মহাসভা (আনুমানিক ৪৪৭ খ্ৰীষ্ট পূৰ্বাব্দ)-ৰ পৰা খ্ৰীষ্টীয় পঞ্চদশ শতিকামানলৈকে যি বিপুল পৰিমাণৰ বৌদ্ধ-সাহিত্য ৰচিত হৈছিল, সেইবোৰকে সাধাৰণভাৱে পালি সাহিত্য আখ্যা দিয়া হয়। অৱশ্যে ৰাজগৃহৰ প্ৰথম বৌদ্ধ মহামেলৰ পৰা অশোকৰ ৰাজত্বকালত পাটলিপুত্ৰত অনুষ্ঠিত তৃতীয় বৌদ্ধ মহামেল পৰ্যন্ত সংকলিত বৌদ্ধশাস্ত্ৰৰ ভাষা পালি আছিল নে আন কিবা আছিল সেই কথা জনা নাযায়। বুদ্ধদেৱে নিজে কোনো শাস্ত্ৰ লিখি থৈ যোৱা নাই। তেওঁৰ মুখৰ বচনসমূহক শিষ্য-প্ৰশিষ্যসকলে যথাযথভাৱে লিপিবদ্ধ কৰাৰ প্ৰয়াসতে বিশাল বৌদ্ধশাস্ত্ৰৰ সৃষ্টি হৈছে। সম্ভৱতঃ এই সংকলন কাৰ্য তৎকালীনভাৱে কোশল-মগধ অঞ্চলত প্ৰচলিত ভাষাৰ মাধ্যমেৰে কৰা হৈছিল। বৌদ্ধধৰ্মৰ পৰিব্যাপ্তিৰ কালত বৌদ্ধবিহাৰ আৰু সংঘসমূহত নিয়মিতভাৱে চলা ধৰ্ম-ব্যাখ্যাৰ জৰিয়তে সম্ভৱতঃ এক সৰ্বজনবোধ্য ভাষাৰ সৃষ্টি হৈছিল আৰু বৌদ্ধশাস্ত্ৰই সেই ভাষাকে যুগৰ পাছত যুগ ধৰি পৰিবহন কৰি আহিছে। অশোক পুত্ৰ মহিন্দ্ৰ (মহেন্দ্ৰ)- ই এই শাস্ত্ৰকে বোধহয় সিংহললৈ লৈ গৈছিল। ভাৰতত অনুষ্ঠিত তিনিখন বৌদ্ধ মহামেলৰ জৰিয়তে সংকলিত আৰু পৰিশোধিত বুদ্ধবচনসমূহে অৱশেষত সিংহলৰাজ বট্টগামনিৰ ৰাজত্ব কালত (খ্ৰীষ্টপূৰ্ব প্ৰথম শতাব্দী) অৱশেষত স্থায়ী ৰূপ লাভ কৰে। মন কৰিবলগীয়া কথা যে পালি-সাহিত্যৰ কোনো পুথি ভাৰতবৰ্ষত উদ্ধাৰ হোৱা নাই। বৰ্তমান পালি ভাষাত ৰচিত যি বৌদ্ধশাস্ত্ৰ ভাৰতত প্ৰচলিত সেয়া সিংহলত সিংহলী লিপিৰে ৰচিত শাস্ত্ৰৰে লিখিত প্ৰতিৰূপ মাথোন।

সি যি কি নহওক, পালি ভাষাত বৌদ্ধধৰ্মক আশ্ৰয় কৰি যি বিপুল সাহিত্যৰাজিৰ উদ্ভৱ হৈছিল সেই আটাইবোৰকে বিষয়বস্তু, পৰিৱেশন আৰু ৰূপৰ ভিত্তিত অধ্যাপক নগেন ঠাকুৰে প্ৰধানকৈ দুটা ভাগত ভগাইছেঃ (১ ) ত্ৰিপিটক আৰু (২) ত্ৰিপিটক বহিৰ্ভূত। আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে তলত এই দুয়ো প্ৰকাৰৰ সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

(১) **ত্ৰিপিটক ঃ** 'ত্ৰি' আৰু 'পিটক' এই দুই শব্দৰ সংযোগত 'ত্ৰিপিটক' নামটোৰ সৃষ্টি হৈছে আৰু ই বৌদ্ধসকলৰ মূল শাস্ত্ৰক বুজায়। 'ত্ৰি' মানে তিনি আৰু 'পিটক' মানে আধাৰ, পাত্ৰ বা পেৰা। শাস্ত্ৰখন (ক) সুত্ত, (খ) বিনয় আৰু (গ) অভিধম্ম -এই তিনিটা খণ্ডৰ সমষ্টি হোৱা বাবে ই 'ত্ৰিপিটক'ৰূপে জনাজাত হৈছে। পালিত অৱশ্যে শাস্ত্ৰখনি 'তিপিটক' হিচাপেহে পোৱা যায়। বুদ্ধ-প্ৰৱৰ্তিত ধৰ্মত, ভিক্ষু-ভিক্ষুণীৰ জীৱন-যাত্ৰাৰ প্ৰণালী আৰু বৌদ্ধ-দৰ্শনৰ প্ৰজ্ঞা সম্পৰ্কীয় শিক্ষা — এই তিনি প্ৰকাৰৰ বুদ্ধ-বচনৰ প্ৰতিটোকে একোটা আধাৰ বা 'পিটক' বুলি ধৰি লোৱা হৈছিল বাবেই শাস্ত্ৰখনিৰ নাম ত্ৰিপিটক বা তিপিটক হ'ল।

**ক) সুত্ত-পিটক ঃ** 'সুত্ত' (সংস্কৃত সূত্র) শব্দৰ অৰ্থ বুদ্ধ-বাণী বা উক্তি। এইটো খণ্ডত বৌদ্ধধৰ্মৰ মূল সূত্ৰ বা তত্ত্বসমূহৰ ব্যাখ্যা সন্নিৱিষ্ট হোৱা বাবে ইয়াক 'সুত্ত পিটক' বোলা হৈছে। আন দুখন পিটকৰ তুলনাত এই পিটকখনৰ সাহিত্যিক মূল্যও কিছু বেছি।

সুত্ত-পিটক সৰ্বমুঠ পাঁচোটা 'নিকায়' বা সংকলনৰ সমষ্টি ঃ দীঘ-নিকায়, মজ্‌ঝিম-নিকায়, সংযুত্ত-নিকায়, অংগুত্তৰ-নিকায় আৰু খুদ্দক-নিকায়। ইয়াৰে প্ৰথম চাৰিখনত বুদ্ধদেৱৰ ধৰ্মবাণী আৰু তেওঁৰ জীৱনৰ বিভিন্ন পৰিঘটনা সংকলিত হৈছে। আনহাতে শেষৰখন হৈছে কেইখনমান মূল্যৱান গ্ৰন্থৰ একত্ৰ সংকলন। 'নিকায়', শব্দই ইয়াত বুদ্ধ-বচনৰ সংকলনকে বুজাইছে।

**দীঘ-নিকায়** ৩৪ টা দীৰ্ঘ আকাৰৰ 'সুত্ত' - ৰ সমষ্টি। ইয়াত বৌদ্ধ-ধৰ্মৰ মূল তত্ত্বসমূহৰ প্ৰাঞ্জল বিৱৰণ পোৱা যায়। মুঠ তিনিটা ভাগত বিভক্ত এই সংকলনটি সমসাময়িক ভাৰতবৰ্ষৰ সমাজ-জীৱনৰ এক প্ৰামাণ্য দলিল হিচাপে বিবেচিত।

**মজ্‌ঝিম নিকায়** ১৫২ টা মধ্যমীয়া আকাৰৰ স্বয়ংসম্পূৰ্ণ সূত্ৰ সন্নিবিষ্ট হৈছে। এইবোৰৰ মাজত বৌদ্ধধৰ্মৰ চতুৰাৰ্য সত্য, অনাত্মবাদ, কৰ্মবাদ আদিৰ উপৰি গৃহী-ভিক্ষুৰ সম্পৰ্ক, বৌদ্ধ-জৈনৰ সম্পৰ্ক, ব্ৰাহ্মণ্য ধৰ্মৰ যাগ-যজ্ঞ আদিৰ আলোচনা পোৱা যায়।

**সংযুত্ত নিকায়** ৫৬ টা সূত্ৰৰ সংকলন। বিষয় অনুযায়ী ১০/১২ টা 'সুত্ত' একত্ৰ কৰি পাঁচোটা বৰ্গত ভগাই ইয়াত আধ্যাত্মিক আৰু নৈতিক প্ৰমূল্যৰ শিক্ষা দিয়া হৈছে। এইখিনি নিকায়ৰ সাহিত্যিক মূল্য অপৰিসীম।

**অংগুত্তৰ নিকায়** শীল, সমাধি, প্ৰজ্ঞা, আদি নীতিমূলক কথাৰ বিৱৰণ দিয়া হৈছে। ইয়াত প্ৰায় দুহেজাৰ সৰু সৰু সুত্ত আছে আৰু সিবোৰ ১১টা 'নিপাত'- ত শ্ৰেণীবদ্ধ কৰা হৈছে।

**খুদ্দক নিকায়** সুত্ত পিটকৰ পঞ্চম তথা অন্তিম গ্ৰন্থ। দৰাচলতে ই ১৬ খন স্বয়ং সম্পূৰ্ণ গ্ৰন্থৰ একত্ৰ সংগ্ৰহ। এই গ্ৰন্থকেইখন হ'ল ঃ খুদ্দক পাঠ, ধম্মপদ, উদান, ইতিবুত্তক, সুত্ত নিপাত, বিমানবত্থু, পেতবত্থু, থেৰগাথা, থেৰীগাথা, জাতক, মহানিদ্দেস, চুল্ল নিদ্দেস, পটিসম্বিধানমগ্‌গ, অবদান, বুদ্ধবংশ আৰু চৰিয়াপিটক। এইবোৰৰ ভিতৰত দ্বিতীয়খন গ্ৰন্থ ২৬ টা বৰ্গৰ সমষ্টি **ধম্মপদ**-এ উচ্চ দাৰ্শনিক গ্ৰন্থ হিচাপে বিশ্বজোৰা খ্যাতি অৰ্জন কৰিছে। **খুদ্দক পাঠ** প্ৰাথমিক শিক্ষাৰ্থীৰ বাবে ৰচিত। ইয়াত মুঠ ৯ টা পাঠ আছে। বৌদ্ধধৰ্মৰ ত্ৰিশৰণ ইয়াৰেই অন্তৰ্গত। আঠোটা বৰ্গত বিভক্ত **উদানত** বুদ্ধদেৱৰ জীৱনৰ বিশিষ্ট ঘটনা আৰু তেওঁৰ উপদেশাৱলীৰ সংকলন। সহজ-সৰল ভাষাৰে গদ্য-পদ্য উভয় ৰীতিৰে ৰচিত **ইতিবুত্তক** এশ বাৰটা অনুচ্ছেদত বিভক্ত। **সুত্তনিপাত** পাঁচটা ভাগত বিভক্ত। বৌদ্ধধৰ্মৰ দৰ্শনতত্ত্ব বুজিবৰ বাবে আৰু সেই সময়ৰ ভাৰতবৰ্ষৰ সামাজিক আৰৰু ধৰ্মীয় ব্যৱস্থাপনাৰ সম্যক জ্ঞান আহৰণৰ বাবে ই অতি উপাদেয় গ্ৰন্থ। **বিমানবত্থু** আৰু **পেতবত্থু** যথাক্ৰমে সুকৃতিৰ পৰিণাম আৰু দুষ্কৃতিৰ ভয়াবহতা দেৱলোকে আৰু প্ৰেতলোকৰ বিৱৰণেৰে সাব্যস্ত কৰা হৈছে। **থেৰগাথা** আৰু **থেৰীগাথা** ক্ৰমে ভিক্ষু আৰু ভিক্ষুণীসকলৰ জীৱন-যাত্ৰাৰ বিৱৰণ। ভাৰতীয় পৰম্পৰাত প্ৰাচীন কালৰে পৰা প্ৰৱাহিত গীতি-কবিতাৰ উজ্জ্বল স্বাক্ষৰ ইয়াৰ গাথাসমূহে বহন কৰিছে। **জাতক** লোক-কথা বা সাধুকথা পৰ্যায়ৰ গ্ৰন্থ। ইয়াৰ সংখ্যা ৫৪৭ টা। ইয়াৰ কাহিনীৰ নায়ক পশু-পক্ষী মানুহ যিয়েই নহওক, বিগত কোনো জন্মত সি ভৱিষ্যৎ বুদ্ধৰ অৱতাৰ। **মহানিদ্দেশ** আৰু **চুল্লনিদ্দেশ** ব্যাখ্যা বা টীকা গ্ৰন্থ। **পটিসম্বিধানমগ্‌গত** আছে বৌদ্ধধৰ্মৰ আলোচনা। **অৱদানত** বুদ্ধ আৰু তেওঁৰ শিষ্যবৰ্গৰ মহৎ কীৰ্তিৰ বিৱৰণ কাহিনীৰ মাধ্যমেৰে প্ৰকাশিত হৈছে। **বুদ্ধবংসত** বুদ্ধ আৰু তেওঁৰ পূৰ্বৰ ২৪ জন বুদ্ধ-অৱতাৰৰ বৰ্ণনা

আছে। অন্তিম গ্ৰন্থ **চৰিয়াপিটকত** ৩৫ টা জাতকৰ কাহিনী গাঁথা বা পদ্যৰ ৰূপত পৰিৱেশিত হৈছে।

**খ) বিনয় পিটকঃ বিনয় পিটকত** বৌদ্ধ শ্ৰমণসকলৰ আচৰণ-বিধি, নিয়মানুৱৰ্তিতা আদিৰ বিষয়ে উল্লেখ আছে। ইয়াৰ ভাগ তিনিটা ঃ **সুত্ত বিভংগ, খন্ধক** আৰু **পৰিবাৰ পাঠ**।

বৌদ্ধসকলৰ আচাৰ-ব্যৱহাৰ আৰু জীৱন-প্ৰণালীৰ অৱশ্য পালনীয় নীতিসমূহ 'পাটিমোক্খ' (প্ৰতিমোক্ষ) হিচাপে জনাজাত। বিনয় পিটকৰ সাৰমৰ্ম হৈছে এই 'পাটিমোক্খ'। **সুত্ত-বিভংগত** তাৰেই বিৱৰণ আছে। **সুত্ত বিভংগৰ** ভাগ দুটা ঃ 'মহাবিভংগ' আৰু 'ভিক্খুনী বিভংগ'। একেদৰে খন্ধকৰো দুটা ভাগঃ 'মহাবগ্গ' আৰু 'চুল্লবগ্গ'। **খন্ধকক সুত্ত বিভংগৰ** বিস্তৃত ব্যাখ্যা বুলিব পাৰি। ইয়াত বৌদ্ধ শ্ৰমণসকলৰ দৈনন্দিন জীৱন-পদ্ধতি আৰু সংঘ পৰিচালনাৰ নিয়ম-নীতিৰ বিস্তৃত বিৱৰণ সন্নিৱিষ্ট হৈছে। **বিনয় পিটকৰ** অন্তিম ভাগ — **পৰিবাৰ পাঠক** সুত্ত বিভংগ আৰু খন্ধকৰ পৰিশিষ্ট বুলিব পাৰি। বহুতৰ মতে পৰিবাৰ পাঠ পৰৱৰ্তী কালৰ সংযোজন মাত্ৰ।

**গ) অভিধম্ম পিটক ঃ** ত্ৰিপিটকৰ অন্তিম ভাগ **অভিধম্ম পিটকত** বৌদ্ধ দৰ্শনৰ তাত্ত্বিক কথাবোৰৰ বিৱৰণ সন্নিৱিষ্ট হৈছে। পূৰ্বৱৰ্তী গ্ৰন্থসমূহত আলোচিত তাত্ত্বিক ব্যাখ্যাই এইটো খণ্ডত এক শৃঙ্খলাবদ্ধ ৰূপ পৰিগ্ৰহ কৰিছে। ইয়াত মুঠ সাতখন গ্ৰন্থ সংকলিত হৈছে। সেইকেইখন হ'ল — ধম্মসংগণি, বিভংগ, ধাতু কথা, পুগ্গলপঞ্ঞত্তি, কথাবত্থু, যমক আৰু পট্ঠানপকৰণ বা মহাপকৰণ। প্ৰশ্নোত্তৰৰ মাধ্যমেৰে বিষয়বস্তুৰ উপস্থাপন অভিধম্ম পিটকৰ অন্যতম বৈশিষ্ট্য। ধম্মসংগণিত প্ৰধানকৈ চিত্ত, অৰ্থাৎ অন্তৰ্জগত আৰু পৰিৱৰ্তনশীল বাহ্যিক জগতৰ পদাৰ্থসমূহৰ বিষয়বোৰ শ্ৰেণীবিভক্ত কৰি সিবোৰৰ মাজৰ সম্বন্ধ বিচাৰ কৰা হৈছে। ধৰ্মৰ সংজ্ঞা-নিৰ্ণয় গ্ৰন্থখনিৰ মূল বক্তব্য বিষয়। **বিভংগক ধম্ম সংগণিৰ** বিস্তৃতি বুলিব পাৰি। কাৰণ ধম্মসংগণিত উত্থাপিত ধৰ্মতত্ত্ব ইয়াত বিশদভাৱে ব্যাখ্যা কৰা হৈছে। ধাতুকথাত ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম আৰু বিজ্ঞান এই ধাতুৰ জ্ঞানৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। এই গ্ৰন্থও **ধম্মসংগণিৰ** লগত সম্পৰ্কিত। পুগ্গলপঞ্ঞত্তি হৈছে বৌদ্ধমাৰ্গৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ চৰ্য আৰু অচৰ্য বিষয়ক আলোচনা। মোগ্গলিপুতত্ত তিসস্-ৰ নামত প্ৰচলিত **কথাবত্থু** থেৰবাদী বৌদ্ধমতৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্নৰ প্ৰয়াসেৰে ৰচিত। **যমকত ধম্মসংগণিৰ** দৰে চিত্তবিষয়ক তত্ত্বৰ সমাৱেশ ঘটিছে। অভিধম্ম পিটকৰ শেষ গ্ৰন্থ **পট্ঠাণপকৰণ** বা **মহাপকৰণত** বিভিন্ন বস্তুৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় বা আন কথাত বৌদ্ধ দৰ্শন অনুসাৰে কাৰ্য কাৰণ নিৰ্ণয় কৰাৰ চেষ্টা কৰা হৈছে।

ওপৰত উল্লেখ কৰি অহা **ত্ৰিপিটকৰ** অন্তৰ্গত গ্ৰন্থসমূহ কেতিয়া, কি প্ৰসঙ্গত, কেনে ক্ৰমত লেখা হৈছিল, তাক জানিবৰ উপায় নাই। এইবোৰ গদ্য, পদ্য আৰু গদ্য-পদ্য মিশ্ৰিত ৰূপত পোৱা যায়।

**(২) ত্ৰিপিটক-বহিৰ্ভূত সাহিত্য ঃ** পালি ভাষাত ত্ৰিপিটক-ৰ বাহিৰেও অনেক গ্ৰন্থ ৰচিত হৈছিল। বৌদ্ধ-দৰ্শনৰ ঐতিহাসিক পৰিক্ৰমাত এইবোৰৰ মূল্য অপৰিসীম। এই গ্ৰন্থসমূহক নিম্নোক্ত ধৰণে শ্ৰেণীবিভাগ কৰা হৈছে ঃ ক) মৌলিক গ্ৰন্থ, খ) টীকা-ভাষ্য, গ) বংশ সাহিত্য, ঘ) সংক্ষিপ্ত গ্ৰন্থ, ঙ) কাব্য গ্ৰন্থ আৰু চ) অন্যান্য গ্ৰন্থ। তলত প্ৰতিবিধৰে চমু আলোচনা দাঙি ধৰা হৈছেঃ

**ক) মৌলিক গ্ৰন্থ ঃ** ত্ৰিপিটক-বহিৰ্ভূত মৌলিক গ্ৰন্থৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল — **মিলিন্দ পঞ্হ, নিদানকথা, নেত্তিপকৰণ** আৰু **পেটকোপদেস**।

**মিলিন্দ পঞ্হ** (মিলিন্দ প্রশ্ন) পালি-সাহিত্যৰ এক উৎকৃষ্ট সম্পদ। বৌদ্ধ মহাযান মতৰ মাধ্যমিক শাখাৰ প্ৰৱৰ্তক নাগাৰ্জুনৰ মত অৱলম্বন কৰি বৌদ্ধভিক্ষু নাগসেনে এই গ্ৰন্থখনি ৰচনা কৰা বুলি প্ৰসিদ্ধি আছে। গ্ৰন্থখনি প্ৰশ্নোত্তৰ ৰীতিৰে ৰচিত। ইয়াত প্ৰশ্নকৰ্তা হৈছে খ্ৰীঃ প্ৰথম শতিকাৰ উত্তৰ-পশ্চিম ভাৰতৰ সাকল ৰাজ্যৰ গ্ৰীক ৰজা মিনাণ্ডাৰ বা মিনাণড্ৰোছ আৰু উত্তৰ দিওঁতা হৈছে নাগসেন। ইয়াত বৌদ্ধধৰ্মৰ বিবিধ জটিল তত্ত্ব চৌপাশৰ পৰিৱেশৰ পৰা আহৰিত উপমা-ৰূপকৰ সহায়ত অতি সহজভাৱে ব্যাখ্যা কৰা হৈছে। ইয়াৰ ভাষা অতিশয় মাৰ্জিত, সাৱলীল আৰু অভিজাতধৰ্মী।

**মিলিন্দ পঞ্হৰ** সমসাময়িকভাৱে (খ্ৰীঃ প্ৰথম শতাব্দী) ৰচিত অন্য দুখন মৌলিক গ্ৰন্থ হ'ল মহাকচ্চায়ন (মহাকাত্যায়ন) বিৰচিত **নেত্তিপকৰণ** আৰু **পেটকোপদেস**। গ্ৰন্থ দুখনিত যথাক্ৰমে বুদ্ধৰ উপদেশ আৰু পিটকৰ নিৰ্দেশসমূহ আলোচনা কৰা হৈছে।

গদ্য-পদ্য উভয় ৰীতিৰে ৰচিত **নিদান কথাত** বুদ্ধদেৱৰ জীৱন-কাহিনীৰ ধাৰাবাহিক বিৱৰণ পোৱা যায়। ইয়াৰ অংশ বিশেষ খুদ্দক-নিকায়তো পোৱা যায়।

**খ) টীকা-ভাষ্য ঃ** বৌদ্ধধৰ্মৰ মূল শাস্ত্ৰ **ত্ৰিপিটকৰ** ব্যাখ্যা সম্বলিত গ্ৰন্থসমূহক এইটো শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। বৌদ্ধ পৰম্পৰাত এইবোৰ অটঠ্‌কথাৰূপে জনাজাত। এই শ্ৰেণীৰ গ্ৰন্থৰ ৰচয়িতাসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল বুদ্ধঘোষ, বুদ্ধদত্ত, ধৰ্মপাল, মহানাম আৰু উপসেন। এইসকলৰ ভিতৰত আচাৰ্য বুদ্ধঘোষৰ ৰচনাই সৰহ। তেওঁৰ ৰচনাসমূহ হ'ল — **বিসুদ্ধিমগ্‌গ, সমন্তপাসাদিকা, কংখাবিতৰণী, সুমংগল বিলাসিনী, পপঞ্চসূদনী, সাৰত্থপকাসিনী, মনোৰথপুৰণী, ধম্মপদত্থকথা, সুত্তনিপাতত্থ কথা, পৰমত্থজ্যোতিক, জাতকত্থৱন্ননা, অত্থসালিনী, সম্মোহ বিনোদিনী, ধাতু কথাপকৰণ-অট্‌ঠকথা, পুগ্‌গলপঞ্‌ঞত্তি- অট্‌ঠকথা, কথাবত্থু-অট্‌ঠকথা, যমকপকৰণ-অট্‌ঠকথা আৰু পট্‌ঠানপকৰণ- অট্‌ঠকথা।**

বৌদ্ধশাস্ত্ৰৰ আন এজন ভাষ্যকাৰ বুদ্ধদত্তৰ ৰচনাসমূহ হ'ল **উত্তৰবিনিচ্ছয়, বিনয়বিনিচ্ছয়, অভিধম্মাৱতাৰ, ৰূপাৰূপ বিভাগ** আৰু **মধুৰত্থবিলাসিনী**। আচাৰ্য ধৰ্মপালে **পৰমত্থাপদীপনী** আৰু **নেত্তি প্ৰকৰণৰ** এখনি ভাষ্য ৰচনা কৰে। আচাৰ্য মহানাম আৰু উপসেনৰ নামত প্ৰচলিত টীকাগ্ৰন্থ দুখন হ'ল যথাক্ৰমে **সদ্ধম্মপকাসিনী** আৰু **সদ্ধম্মপজ্জোতিকা**।

**গ) বংশ সাহিত্য ঃ** বুদ্ধদেৱৰ জীৱন, সংঘ আৰু সংগীতিৰ ইতিহাস তথা সিংহল ৰাজবংশৰ ইতিহাস সম্বলিত পালি-সাহিত্যসমূহক 'বংস' নামেৰে অভিহিত কৰা হৈছে। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ পৰা ঊনবিংশ শতাব্দী পৰ্যন্ত সুদীৰ্ঘ কাল জুৰি ৰচিত এই শ্ৰেণীৰ সাহিত্যৰ ভিতৰত অজ্ঞাত লেখকৰ **দীপবংস** প্ৰাচীন আৰু ব্ৰহ্মদেশৰ **সাসনবংস** সবাতোকৈ অৰ্বাচীন। এই দুখনৰ উপৰি অন্যান্য বংশ সাহিত্য হ'ল — **মহাবংস, বোধিবংস, দাঠাবংস, থুপবংস, হত্থবনগল্লবিহাৰবংস, অনাগত বংস, চুলবংস, গন্ধবংস** ইত্যাদি।

**ঘ) সংক্ষিপ্ত গ্ৰন্থ ঃ** বৌদ্ধদৰ্শনৰ মূল তত্ত্বসমূহ সংক্ষেপে আয়ত্ত কৰাৰ বা ব্যৱহাৰ কৰাৰ উদ্দেশ্যেৰে ৰচিত গ্ৰন্থকেইখনক এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে। এইবোৰৰ ভিতৰত ধম্মপালৰ **সচ্চসংখেপ**, অনিৰুদ্ধৰ **অভিধম্মত্থ সংগ্ৰহ, নামৰূপ পৰিচ্ছেদ,** ক্ষেমাচাৰ্যৰ **নামৰূপ পসংসা**, ধম্মসিৰিৰ **মূলসিক্‌খা**, মহাসামিৰ **খুদ্দক সিক্‌খা** আদিৰ নাম উল্লেখযোগ্য। **কম্মবাচ্য, মহাপৰিও, সুত্ত-সংগ্ৰহ** আদিকো এই শ্ৰেণীত ধৰিব পাৰি।

**ঙ) কাব্য গ্ৰন্থ ঃ** খ্ৰীষ্টীয় দ্বাদশ শতাব্দীৰ পৰা পঞ্চদশ শতাব্দী পৰ্যন্ত — এই কালছোৱাত বুদ্ধদেৱৰ জীৱন আৰু তেওঁৰ মতবাদৰ আধাৰত কেইবাখনো কাব্যপুথি ৰচিত হৈছিল। এনে

কাব্যৰ ভিতৰত উল্লেখযোগ্য হ'ল — বুদ্ধৰক্খিতৰ **জিনালংকাৰ**, কল্যাণিয় থেৰৰ **তেলকটাহগাথা**, বুদ্ধপ্পিয়ৰ **পজ্জমধু**, মেধংকৰৰ **জিনচৰিত** আৰু **লোকদীপসাৰ**, ধম্মকিত্তিৰ **পাৰমি মহাসতক** আৰু **সীলবংসৰ বুদ্ধালংকাৰ**।

**চ) অন্যান্য গ্ৰন্থ ঃ** পালি ভাষাত ব্যাকৰণ, অভিধান আৰু ছন্দ-অলঙ্কাৰ বিষয়ক যিকেইখন গ্ৰন্থ পোৱা যায়, সেইখিনিক এইটো শিতানৰ অন্তৰ্ভুক্ত কৰা হৈছে। এনে গ্ৰন্থসমূহে নিম্নোক্ত ধৰণে শ্ৰেণীভুক্ত কৰি দেখুৱাব পাৰি।

**ব্যাকৰণ ঃ** কাত্যায়ন বিৰচিত **কচ্চায়ন**, মোগ্গল্লায়নৰ **সদ্দলক্খন** আৰু অগগ্‌বংসৰ **সদ্দনীতি** পালি ভাষাৰ প্ৰধান ব্যাকৰণ পুথি। ইয়াৰ বাহিৰে অন্যান্য ব্যাকৰণ হ'ল — **ৰূপসিদ্ধি**, **বালাৰতাৰ**, **সদ্দবিন্দু**, **সদ্দমালা**, **সদ্দত্থভেদচিন্তা**, **কচ্চায়নভেদ**, **পদসাধনী**, **প্ৰয়োগসিদ্ধি**, **সুসদ্দসিদ্ধি**, **মহাসদ্দনীতি**, **চুল্লসদ্দনীতি** ইত্যাদি।

**অভিধান ঃ** মোগ্গল্লানৰ **অভিধানপ্পদীপিকা** আৰু সদ্ধম্মকিত্তিৰ **একক্খৰকোস** পালি ভাষাৰ প্ৰধান অভিধান।

**ছন্দ-অলংকাৰ ঃ** পালি ভাষাত এইবিধ ৰচনাৰ সংখ্যা নিচেই তাকৰ। ছন্দ বিষয়ক **বুত্তোদয়** আৰু অলংকাৰ বিষয়ক **সুবোধালংকাৰ** এই বিষয়ৰ দুখন প্ৰসিদ্ধ গ্ৰন্থ।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) পালি ভাষাত কি কি বিষয়ক কি কি গ্ৰন্থ ৰচিত হৈছিল? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ২.৮ সাৰাংশ (Summing Up)

এইটো বিভাগত আপোনাৰ অধ্যয়নৰ বিস্তৃতিৰ বাবে পালি ভাষাৰ প্ৰায় আটাইবোৰ দিশৰ আলোচনা কৰা হৈছে। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰৰূপে চিহ্নিত বৌদ্ধশাস্ত্ৰ ৰচনাৰ বাবে উদ্ভৱ হোৱা এই ভাষাটোৰ নাম পালি কিয় হ'ল আৰু শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি সেই কথা বিভাগটোৰ ১.৩ নং ছেদত আলোচনা কৰা হৈছে। ১.৪ নং ছেদত ভাষাটোৰ ক্ৰমবিকাশৰ দিশবোৰ বিচাৰ-বিশ্লেষণ কৰা হৈছে। ১.৫ নং ছেদত আছে পালি ভাষাৰ জন্মস্থান সম্পৰ্কীয় আলোচনা। দৰাচলতে পালি তৎকালীনভাৱে কথিত কোনো স্থানীয় ভাষাৰ পৰিশীলিত ৰূপ নে ই বাহিৰৰ পৰা অহা ভাষা সেই কথাকে এইটো ছেদত বিচাৰ কৰা হৈছে। ১.৬ ছেদত বৈদিক-সংস্কৃতৰ পৰা পালি ভাষাৰ কেনেদৰে ৰূপান্তৰ ঘটিছে তাক একাধিক উদাহৰণেৰে দেখুওৱা হৈছে। পৰিশেষত ১.৭ নং ছেদত পালি-সাহিত্যৰ চমু পৰিচয় দিয়া হৈছে।

আমি আশাকৰোঁ এই বিভাগটো অধ্যয়ন কৰি আপুনি পালি ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশৰ জ্ঞান আহৰণ কৰিবলৈ সমৰ্থ হ'ব।

## ২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) পালি ভাষাৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা মতবোৰ বিচাৰ কৰি এটি আলচ যুগুত কৰক।

(২) সংস্কৃতৰ ঋ, ঐ আৰু ঔ — এই তিনিটা স্বৰৰ পালি ভাষাত কেনে ধৰণৰ পৰিৱৰ্তন ঘটিছে উদাহৰণ সহ ফঁহিয়াই দেখুৱাওক।

(৩) সংস্কৃতৰ সংযুক্ত ব্যঞ্জনসমূহ পালি ভাষাত কেনে ৰূপ লাভ কৰিছে বহলাই আলোচনা কৰক।

(৪) সংস্কৃত আৰু পালি ভাষাৰ স্বৰ আৰু ব্যঞ্জনসমূহৰ দুখন তালিকা প্ৰস্তুত কৰক।

(৫) ৰূপতাত্ত্বিক দিশত পালি ভাষা সংস্কৃতৰ পৰা কেনেদৰে আঁতৰি আহিছে বিশ্লেষণ কৰি দেখুৱাওক।

(৬) তলত উল্লেখ কৰা গ্ৰন্থকেইখনৰ পৰিচয় দাঙি ধৰক ঃ
(ক) ত্ৰিপিটক, (খ) ধম্মপদ, (গ) জাতক, (ঘ) কথাবত্থু, (ঙ) মিলিন্দ পঞ্হ, (চ) থেৰগাথা (ছ) ধাতুকথা, (জ) দীঘ নিকায়, (ঝ) মহাবংস।

## ২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দেবিদাস ভট্টাচাৰ্য ও
উষাৰঞ্জন ভট্টাচাৰ্য ঃ *ধম্মপদ*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

ঃ *প্ৰাকৃত সাহিত্য চয়ন*

ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন*

বিধুশেখৰ (শাস্ত্ৰী) ভট্টাচাৰ্য ঃ *পালি-প্ৰকাশ*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*

Geiger : *History of Pali Language and Literature*

M. Winternitz : *History of Indian Literature*


* * *

## তৃতীয় বিভাগ
## ধম্মপদ

**বিভাগৰ গঠন**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ 'ধম্মপদ' শব্দৰ অৰ্থ
৩.৪ ধম্মপদৰ পৰিচয় আৰু সংকলন কাল
৩.৫ বিভিন্ন ভাষাত ধম্মপদ
৩.৬ ধম্মপদৰ বিষয়বস্তু আৰু দৰ্শন-তত্ত্ব
৩.৭ চিত্তবগ্গো
৩.৭.১ বিষয়বস্তু
৩.৭.২ মূলপাঠ (১ ৰ পৰা ৮ নং গাথা), অসমীয়া ভাঙনি আৰু শব্দগত টোকা
৩.৮ পণ্ডিতবগ্গো
৩.৮.১ বিষয়বস্তু
৩.৮.২ মূলপাঠ (১ ৰ পৰা ৮ নং গাথা) ৰ অনুবাদ আৰু শব্দগত টোকা
৩.৯ সাৰাংশ (Summing Up)
৩.১০ আৰ্হি প্ৰশ্ন (Sample Question)
৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

এইটো বিভাগত আপুনি বৌদ্ধশাস্ত্ৰ 'ত্ৰিপিটক'-ৰ অন্তৰ্গত 'খুদ্দক নিকায়'-ৰ দ্বিতীয় গ্ৰন্থ ধম্মপদৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। এই খণ্ডৰ দ্বিতীয় বিভাগত এই গ্ৰন্থখনিৰ সম্পৰ্কে কিছু কথা আপুনি ইতিপূৰ্বে জানিবলৈ পাইছে। ইয়াত আগৰ কথাখিনিৰ সৈতে সংগতি ৰাখি আলোচ্য গ্ৰন্থখনিৰ প্ৰায় আটাইবোৰ দিশৰ আলোচনা কৰা হৈছে। তদুপৰি গ্ৰন্থখনিৰ যি দুটা বৰ্গ (বগ্গ) পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে, সেই দুটাৰ মূল পাঠৰ সৈতে অসমীয়া ভাঙনি আৰু কঠিন শব্দবোৰৰ টোকা এইটো বিভাগতে সামৰি লোৱা হৈছে।

ধম্মপদ অকল বৌদ্ধসকলৰে নহয়, সকলো ধৰ্ম, সকলো সম্প্ৰদায়ৰ বাবে অৱশ্য পঠনীয় এক শাস্ত্ৰৰূপে পৰিগণিত হৈছে। অকল ভাৰতবৰ্ষতে নহয়, সমগ্ৰ বিশ্বজুৰি এই গ্ৰন্থৰ আদৰ আছে। ভাৰতীয় পৰম্পৰাত দাৰ্শনিক গ্ৰন্থৰূপে ভগৱদ্‌গীতাৰ যি সমাদৰ, ধম্মপদৰো একেই সমাদৰ। আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে সমগ্ৰ বিষয়টোক কেইবাটাও শিতানত ভগাই আলোচনা কৰা হৈছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- 'ধম্মপদ' শব্দৰ প্ৰকৃত অৰ্থ বিশ্লেষণ কৰি দেখুৱাব পাৰিব;
- ধম্মপদৰ অন্তৰ্গত বিষয়বস্তু ফঁহিয়াই দেখুৱাব পাৰিব;
- ধম্মপদে বহন কৰা দৰ্শনতত্ত্ব ব্যাখ্যা কৰিব পাৰিব;
- ধম্মপদত বৰ্ণিত নৈতিক প্ৰমূল্যৰ শিক্ষা দিব পাৰিব আৰু
- পালি ভাষাৰ বিভিন্ন দিশ ফঁহিয়াই দেখুৱাব পাৰিব।

### ৩.৩ ‘ধম্মপদ’ শব্দৰ অৰ্থ

সমগ্ৰ বৌদ্ধশাস্ত্ৰৰ ভিতৰত নৈতিক চিন্তাৰ দিশত আটাইতকৈ শক্তিশালী গ্ৰন্থৰূপে বিবেচিত ধম্মপদৰ পৰিচয় তথা অন্যান্য দিশৰ আলোচনালৈ যোৱাৰ পূৰ্বে আহকচোন আমি গ্ৰন্থখনৰ নামকৰণৰ অৰ্থগত দিশটো অনুধাৱন কৰি লওঁ! আপুনি নিশ্চয় বুজিব পাৰিছে যে দুটা বিশেষ পদ ‘ধম্ম’ (ধৰ্ম) আৰু ‘পদ’-ৰ সংযোগত ‘ধম্মপদ’ শব্দটি নিষ্পন্ন হৈছে। উপৰুৱাকৈ চালে য’ত ধৰ্মৰ কথা ব্যাখ্যা কৰা আছে, সেয়ে ধম্মপদ বা ধৰ্মপদ — এনে এক ধাৰণা জন্মে। কিন্তু আনুষ্ঠানিক ধৰ্মৰ প্ৰসঙ্গত নেতিবাচক দৃষ্টিভঙ্গী পোষণ কৰা বেদ-বিৰোধী বুদ্ধৰ মুখনিসৃত বাণী বুলি আন্তৰিকতাৰে বিশ্বাস কৰা এই শাস্ত্ৰখনিৰ সৈতে ‘ধম্ম’ শব্দটো কিয় জড়িত হ’ল তাৰ নিশ্চয় বিশেষ তাৎপৰ্য আছে।

‘ধম্মপদ’-ৰ ‘ধম্ম’ আৰু ‘পদ’ শব্দৰ অৰ্থ সম্বন্ধে বিভিন্ন মত প্ৰচলিত। বৌদ্ধ শাস্ত্ৰসমূহত ‘ধম্ম’ শব্দটো প্ৰকৃতি, গুণ, পদাৰ্থ, প্ৰাকৃতিক ৰীতি, ধৰ্মমত, ন্যায় আৰু সত্যৰ সাৰ্বজনীন নিয়ম ইত্যাদি বিভিন্ন অৰ্থত ব্যৱহাৰ হোৱা দেখা যায়। কোনো কোনোৱে আকৌ বুদ্ধৰ উপদেশাৱলী, নিৰ্বাণ, নিৰ্বাণ প্ৰত্যক্ষকৰণ এনে অৰ্থতো ‘ধম্ম’ শব্দৰ সংযোগ বিচাৰি পাইছে। মন কৰিবলগীয়া যে ‘ধম্মপদ’ গ্ৰন্থৰ বিভিন্ন গাথাৰ মাজেদি ধম্ম শব্দই এহাতে বুদ্ধ প্ৰচাৰিত ধৰ্মমত বা বিশেষ ধৰ্মীয় আচৰণৰ অৰ্থ প্ৰকাশ কৰিছে, আনহাতে সৎ, সংযত আৰু সজ আচৰণৰ দ্বাৰা পৰিশীলিত জীৱন-যাপনৰ অৰ্থও প্ৰকাশ কৰিছে। উদাহৰণ স্বৰূপে ‘যমক বগ্‌গো’-ৰ ৫নং গাথাত আছে — ‘এস ধম্মো সনন্তনো’ — ইয়ে সনাতন ধৰ্ম, অৰ্থাৎ বুদ্ধ-প্ৰচাৰিত ধৰ্ম। সেইদৰে ‘ভিক্‌খু বগ্‌গো’-ৰ ৫ নং গাথাত ‘যি ধৰ্মত আনন্দিত, ধৰ্মৰত, ধৰ্মচিন্তা আৰু ধৰ্মানুস্মৰণত তৎপৰ, তেনে ভিক্ষু সদ্ধৰ্মৰ পৰা বিচ্যুত হ’ব নোৱাৰে’ বুলি বুদ্ধদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ কথা কোৱা হৈছে। আকৌ ‘বুদ্ধবগ্‌গো’-ৰ ১২, ১৩ আৰু ১৪ নং গাথাত বৌদ্ধধৰ্মৰ সাধনা আৰু দৰ্শনৰ কথা সুন্দৰকৈ প্ৰকাশ কৰা হৈছে। উল্লিখিত গাথাবোৰৰ মাজেৰে স্বাভাৱিকতে বৌদ্ধমত তথা ধৰ্মীয় আচৰণৰ কথাই প্ৰকাশিত হৈছে।

‘ধম্ম’ শব্দই বহন কৰা দ্বিতীয় প্ৰকাৰৰ অৰ্থ — সৎ, শুদ্ধ, পৰিশীলিত জীৱন-যাপনৰ কথা ধম্মপদৰ বিভিন্ন বৰ্গৰ বিভিন্ন গাথাৰ মাজত পোৱা যায়। উদাহৰণস্বৰূপে ‘লোক বগ্‌গো’-ৰ প্ৰথমটো গাথাত আছে — ‘হীনং ধম্মং ন সেৱেয্য’, অৰ্থাৎ হীন ধৰ্ম সেৱাত ৰত হ’ব নালাগে। বৌদ্ধমতত ইন্দ্ৰিয়পৰায়ণতাক অতিশয় হীন আচৰণ বা হীন ধৰ্ম আখ্যা দিয়া হৈছে। ইন্দ্ৰিয়সেৱাই শৰীৰ-মন প্ৰমাদৰ বশৱৰ্তী কৰে। ফলত সৎ পথৰ সন্ধান অসম্ভৱ হৈ পৰে। সেই বাবে এনে হীন কাৰ্যৰ পৰা নিজক আঁতৰাই ৰাখিব লাগে।

ধম্মপদৰ ‘মগ্‌গবগ্‌গো’-ৰ ৭ নং গাথাত ‘সব্বেধম্মা অনত্তা’তি’ বুলি ‘ধম্ম’ শব্দৰ অৰ্থ ৰূপ বা বস্তু বুজোৱা হৈছে।

‘ধম্ম’ শব্দৰ আন এক অৰ্থ মানসিক বৃত্তি। নিজৰ মনটোক দৃঢ় আৰু সংযত কৰিব নোৱাৰিলে মানুহ বিপুল সুখ প্ৰাপ্তিৰ পৰা বঞ্চিত হয়। ‘যমক্‌বগ্‌গো’-ৰ প্ৰথম গাঁথাটোতে ‘ধম্ম’ শব্দৰ এনে অৰ্থ লক্ষ্য কৰা যায় —

*মনোপুব্বঙ্গমা ধম্মা মনোসেট্‌ঠা মনোময়া,*
*মনসা চে পদুট্‌ঠেন ভাসতি বা কৰোতি বা,*
*ততো নং দুক্‌খমন্বেতি চক্ক’ংব বহতো পদং।*

অৰ্থাৎ মন ধৰ্মসমূহৰ পূৰ্বত গমন কৰে; মন ধৰ্মসমূহৰ অধিনায়ক; ধৰ্মসমূহ মনতে উৎপন্ন হয় .......... ।

ধম্মপদৰ বিভিন্ন গাথাত 'পদ' শব্দটো বচন, উক্তি, পদ, গাথা, নির্বাণ, কাৰণ, পদ, স্থান ইত্যাদি বিভিন্ন অৰ্থত প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। 'অপ্‌পমাদ বগ্‌গো'-ৰ প্ৰথম গাথাতে আছে — 'অপ্‌পমাদো অমতপদং পমাদো মচ্চুনো পদং'; অৰ্থাৎ অপ্ৰমাদ অমৃতৰ (নিৰ্বাণৰ) পথ, প্ৰমাদ মৃত্যুৰ পথ। সেইদৰে 'মলবগ্‌গো' -ৰ ২০নং গাথাত আছে— 'আকাসে ৱা পদং নত্থি'; অৰ্থাৎ আকাশত পদ (পথ) নাই। এনে উল্লেখত 'পদ' শব্দই 'পথ' অৰ্থ বহন কৰা বুলি ক'ব পাৰি। আকৌ 'সহস্‌সবগ্‌গো'-ত আছে 'একং ধম্মপদং সেয্যো যং সুত্বা উপসম্মতি', 'এটা ধৰ্মপদেই (গাথাই) শ্ৰেয় যাক শুনিলে শান্তি পোৱা যায়', কিংবা 'সহস্‌সম'পি চে বাচা অনত্থপদ সংহিতা, একং অত্থপদং সেয্যো যং সুত্বা উপসম্মতি' 'অৰ্থহীন হেজাৰটা বাক্যতকৈ (বচন) অৰ্থযুক্ত শান্তিদায়িনী এটা বাক্যই শ্ৰেয়'। সেইদৰে 'পুপ্‌ফবগ'গো'-ত আছে— 'কো ধম্মপদং সুদেসিতং কুসলো পুপ্‌ফমি'ৱ পচেস্‌সতি' — নিপুণ মালাকাৰে কৰা পুষ্পচয়নৰ দৰে কোনে এই সুদেশিত (সুব্যাখ্যাত) ধৰ্মপদ চয়ন কৰিব? এনেদৰে উল্লিখিত গাথাবোৰত পোৱা 'পদ' শব্দই বচন, উক্তি, গাথা আদি অৰ্থ প্ৰকাশ কৰা বুলি বুজিব পাৰি। এই ফালৰ পৰা ধম্মপদ শব্দগুচ্ছৰ অৰ্থ হয় — ধৰ্ম সম্বন্ধীয় বচন বা উক্তি।

বৌদ্ধাচাৰ্য বুদ্ধঘোষে 'ধম্মপদ'ৰ অৰ্থ কৰিছে — 'সম্পত্তসদ্ধম্মপদো সথা ধম্মপদং সুভং দেসেসি'; অৰ্থাৎ 'মঙ্গলময় ধৰ্ম বা নিৰ্বাণ উপলব্ধিৰ পন্থা'। বৌদ্ধশাস্ত্ৰ 'মহাবস্তু'ত আকৌ 'ধম্মপদ' হৈছে ভগৱান বুদ্ধৰ বাণী — 'যথোক্তং ভগবতা ধৰ্মপদেষু'।

আধুনিক কালৰ ইউৰোপীয় আৰু ভাৰতীয় পণ্ডিতসকলেও নিজ নিজ দৃষ্টিভঙ্গীৰে 'ধম্মপদ' শব্দগুচ্ছৰ অৰ্থ দিবৰ প্ৰয়াস কৰিছে। পণ্ডিত গগাৰ্লিৰ মতে 'ধম্মপদ'ৰ অৰ্থ 'ধৰ্মৰ সোপান'; স্পেন্স হাৰ্ডি মেক্সমূলাৰ, ৰাধাকৃষ্ণণ আদি পণ্ডিতৰ মতে 'ধৰ্মৰ পথ'; ফিয়াৰৰ মতে 'ধৰ্মৰ ভিত্তি'; ফৌজবলৰ মতে 'ধৰ্মকথা-সংগ্ৰহ'; ৰীলেৰ মতে 'ধৰ্মগ্ৰন্থ'। এই মতবোৰৰ আধাৰত বিচাৰ কৰিলে 'ধম্মপদ'ৰ অৰ্থ হয়গৈ সজ আচৰণ আৰু নৈতিকতাৰ জৰিয়তে মানৱ-জীৱনৰ উৎকৰ্ষ সাধন কৰাৰ আৰু বুদ্ধ-প্ৰচাৰিত চতুৰাৰ্য সত্য উপলব্ধি কৰি ভৱতৃষ্ণাৰ বিলুপ্তিৰ দ্বাৰা নিৰ্বাণ উপলব্ধি কৰাৰ পথ বা উপায়। এই প্ৰসঙ্গত নলিনাক্ষ দত্তৰ নিম্নোক্ত উক্তিটো প্ৰণিধানযোগ্যঃ *'ধম্মপদৰ মুখ্য উদ্দেশ্য গৃহস্থ বা জনসাধাৰণক নৈতিক শিক্ষা দিয়া, অৰ্থাৎ যি উপায়েৰে তেওঁলোকে জীৱন-যাপন কৰি নৈতিক উন্নতি সাধন কৰিব পাৰিব সেই কথা কোৱা।'*

**আত্মমূল্যায়ন প্ৰশ্ন**

ধম্ম শব্দটিয়ে প্ৰকৃতাৰ্থত কি সূচায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৩.৪ ধম্মপদৰ পৰিচয় আৰু সংকলন কাল

**পৰিচয় ঃ**

'ধম্মপদ' বৌদ্ধশাস্ত্ৰ ত্ৰিপিটকৰ সুত্তপিটকৰ অন্তৰ্গত খুদ্দক নিকায় পাঠৰ দ্বিতীয় গ্ৰন্থ। মুঠ চাব্বিশটা বগ্‌গ (বৰ্গ)-ত বিভক্ত এই গ্ৰন্থখনিত ৪২৩ টা গাথাৰ জৰিয়তে সৰ্বকালৰ সৰ্বদেশৰ সমগ্ৰ মনুষ্য সমাজৰ বাবে মঙ্গলময় বাণী বৰ্ষিত হৈছে। মূলতঃ বৌদ্ধমতাৱলম্বীসকলৰ উদ্দেশ্যে

ইয়াৰ সদুক্তিসমূহ ব্যক্ত হ'লেও, ভিন্নধৰ্মী লোক আৰু গৃহীসকলৰ নৈতিক উৎকৰ্ষ সাধনৰ বাবেও এইখন অৱশ্য পঠনীয় গ্ৰন্থৰূপে স্বীকৃত। নৈতিক প্ৰমূল্য আৰু সাহিত্যিক মূল্য — এই দুয়োটাৰে মণি-কাঞ্চন সংযোগৰ হেতু গ্ৰন্থখনিয়ে ভাৰতীয় পৰম্পৰাত এক উচ্চ আসন লাভ কৰিবলৈ সমৰ্থ হৈছে।

বৌদ্ধধৰ্ম মূলতঃ সৰ্বকল্যানকামী মনোবৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত। মানৱ-জীৱনত থকা সকলো প্ৰকাৰৰ দুখৰ অৱসান এই ধৰ্মৰ মূল লক্ষ্য। এই দুখৰ অৱসান সম্ভৱ হয় সৎ আৰু পৰিশীলিত জীৱন-যাপনৰ দ্বাৰা। ধম্মপদৰ মাজেদি এই কল্যাণকৰ বাণীয়েই প্ৰাঞ্জল আৰু সাৱলীল ভাৱে গাথাৰ ৰূপত প্ৰকাশিত হৈছে। এনে উচ্চ আদৰ্শৰ বাবেই আজিৰ পৰা দুহেজাৰ বছৰৰো আগতে বৌদ্ধ মতালম্বীসকলৰ বিভিন্ন শাখাৰ জৰিয়তে পালি, প্ৰাকৃত, সংস্কৃত আৰু মিশ্ৰ-সংস্কৃত ৰচনাৰ মাধ্যমেৰে এই গ্ৰন্থই দেশ-বিদেশত সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। পৃথিৱীৰ বিভিন্ন ভাষালৈ এই গ্ৰন্থ অনূদিত হোৱাটোৱেই গ্ৰন্থখনিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে।

ধম্মপদক ভগৱদ্‌গীতাৰ সমমৰ্যাদাৰ গ্ৰন্থৰূপে স্বীকাৰ কৰা হৈছে। গীতাৰ মাজেদি যিদৰে দেশ-কাল-ধৰ্ম-সম্প্ৰদায়ে সীমাবদ্ধ কৰিব নোৱাৰা এক উদ্দীপিত মানৱাত্মাৰ আদৰ্শ প্ৰতিষ্ঠাৰ আকাংক্ষা মূৰ্ত হৈ উঠিছে, তেনেদৰে ধম্মপদৰ বিভিন্ন নীতিমূলক গাথাৰ মাজেদি উচ্চ-নৈতিক আদৰ্শ সম্বলিত পৰিপূৰ্ণ বিশ্ব-মানৱ গঢ়ি তোলাৰ দৃঢ় আকাংক্ষাও প্ৰতিভাত হৈছে। প্ৰেম আৰু ক্ষমাৰে, ত্যাগ আৰু উদাৰতাৰে, অহিংসা আৰু কৰুণাৰে, ক্ৰোধত্যাগ আৰু পৰোপকাৰেৰে প্ৰকৃত মানুহ হ'ব পৰাৰ যি আদৰ্শ, সেই আদৰ্শই ধম্মপদৰ প্ৰতিটো গাথাৰ মাজেৰে ব্যঞ্জিত হৈছে। বিশিষ্ট পণ্ডিত প্ৰবোধ চন্দ্ৰ বাগচীয়ে সেইবাবেই মন্তব্য কৰিছে যে ধম্মপদ বৌদ্ধগ্ৰন্থ নোহোৱা হ'লে এই দেশত গীতাতকৈ কম আদৰ নাপালেহেঁতেন। ধম্মপদৰ মাজেৰে প্ৰকাশিত সুউচ্চ মানৱতাবোধ আৰু কল্যাণকামী মনোবৃত্তিলৈ লক্ষ্য কৰি বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ 'প্ৰাচীন সাহিত্য' গ্ৰন্থত এনেদৰে মন্তব্য কৰিছেঃ "ভগবদ্‌গীতায় ভাৰতবৰ্ষ যেমন আপনাকে প্ৰকাশ কৰিয়াছে, গীতাৰ উপদেষ্টা ভাৰতেৰ চিন্তাকে যেমন একেস্থানে একটি সংহত মূৰ্তি দান কৰিয়াছেন, ধম্মপদং গ্ৰন্থেও ভাৰতবৰ্ষেৰ চিত্তেৰ একটি পৰিচয় তেমনি ব্যক্ত হইয়াছে।"

বৌদ্ধসকলে বিশ্বাস কৰে যে ধম্মপদৰ গাথাসমূহ স্বয়ং ভগৱান বুদ্ধৰ মুখনিসৃত বাণী। এই কথাৰ সত্যতা প্ৰমাণ কৰা কঠিন হ'লেও, এই গাথাবোৰৰ মাজেৰে যে নৈতিক আৰু সৎ জীৱন-যাপনৰ আদৰ্শ প্ৰতিফলিত হৈছে সেই কথা স্বীকাৰ্য। সাধাৰণতে সকলো শ্ৰেণীৰ ধৰ্মীয় সাহিত্যতে নীতি-নৈতিকতামূলক উপদেশ দিয়া থাকে। ধম্মপদো নিঃসন্দেহে ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু সেয়ে হ'লেও, ইয়াৰ গাথাসমূহ ইমান কবিত্বপূৰ্ণ, সুমধুৰ অৰ্থবহ যে ইয়াৰ সমকক্ষ সাহিত্য অন্য ধৰ্মৰ সাহিত্যৰ মাজত বিচাৰি পাবলৈ টান। ধম্মপদৰ এনে গুণৰ প্ৰতি লক্ষ্য কৰি প্ৰাচ্যতত্ত্ববিদ আৰ্থাৰ এ. মেকড'নেলে A History of Sanskrit Literature গ্ৰন্থত মন্তব্য কৰিছেঃ " It is a collection of aphorisms representing the most beautiful, profound and poetical thought in Buddhist literature."

গ্ৰন্থখনিৰ বিভিন্ন গাথাৰ মাজত উপমা, ৰূপক, দৃষ্টান্ত আদি বিভিন্ন অলঙ্কাৰৰ সমাৱেশ লক্ষ্য কৰা যায়। এইবোৰৰ স্বতঃস্ফূৰ্ত আৰু যথাৰ্থ ব্যৱহাৰে গ্ৰন্থখনিৰ সাহিত্যিক মৰ্যাদা বৃদ্ধি কৰাৰ লগে লগে বক্তব্য বিষয়কো প্ৰয়োজনীয় গাম্ভীৰ্য প্ৰদান কৰিছে।

এই শিতানৰ আৰম্ভণিতে আপোনাক জনোৱা হৈছে যে ধম্মপদৰ বগ্‌গ সংখ্যা চাব্বিশটা। অৱশ্যে ই পালি ভাষাত ৰচিত ধম্মপদৰ ক্ষেত্ৰ তহে প্ৰযোজ্য। অন্যান্য ভাষাত ধম্মপদ ৰচিত হ'লেও পালি ধম্মপদকে আদি আৰু মৌলিক গ্ৰন্থৰূপে স্বীকাৰ কৰা হয়। বুদ্ধঘোষে ধম্মপদৰ 'বগ্‌গ' সংখ্যাৰ বিষয়ে এনেদৰে বৰ্ণনা কৰিছেঃ

*যমকং অপ্পমাদং চিত্তং পুপ্ফং বালেন পণ্ডিতং।*
*অৰহন্তং সহস্সেন পাপং দণ্ডেন তে দশ।।*
*জৰা অত্তা চ লোকা চ বুদ্ধং সুখং পিয়েন চ।*
*পকিণ্ণং নিৰয়ং নাগো তণ্হং ভিক্খু চ ব্ৰাহ্মণো।*
*এতে ছব্বিসতি বগ্গা দেসিতাদিচ্চবন্ধুনা।।*

অৰ্থাৎ যমক, অপ্পমাদ, চিত্ত, পুপ্ফ, বাল, পণ্ডিত, অৰহন্ত, সহস্স, পাপ, দণ্ড, জৰা, অত্তা, লোক, বুদ্ধ, সুখ, পিয়, কোধ, মল, ধম্মট্ঠ, মগ্গ, পকিণ্ণ, নিৰয়, নাগ, তণ্হ, ভিক্খু আৰু ব্ৰাহ্মণ — এই চাব্বিশটা বৰ্গৰ জৰিয়তে বুদ্ধই শিক্ষা প্ৰদান কৰিছে।

সেইদৰে বুদ্ধঘোষে গাথাসংখ্যাৰ কথাও উল্লেখ কৰিছে ঃ

*গাথাসতানি চত্তাৰি তেবীসা চ পুনাপৰে।*
*ধম্মপদে নিপাতম্হি দেসিতাদিচ্চবন্ধুনা।।*

অৰ্থাৎ ধম্মপদত থকা বুদ্ধ প্ৰচাৰিত সৰ্বমুঠ গাথাসংখ্যা ৪২৩ টা।

**সংকলন কাল ঃ**

ধম্মপদ কেতিয়া ৰচিত বা সংকলিত হৈছিল তাৰ উত্তৰ একে আষাৰে দিয়াটো সম্ভৱ নহয়। কাৰণ এই বিষয়ে নিৰ্ভৰযোগ্যভাৱে বিশেষ একো জানিবলৈ পোৱা নাযায়। বৌদ্ধমতাৱলম্বীসকলৰ বিশ্বাস যে ধম্মপদৰ গাথাসমূহ স্বয়ং বুদ্ধদেৱৰ মুখনিসৃত বাণী। বিভিন্ন উপলক্ষ্যত বুদ্ধদেৱে এই বাণীসমূহ ব্যক্ত কৰিছিল। আচাৰ্য বুদ্ধঘোষৰ ৰচনা বুলি জনাজাত 'ধম্মপদট্ঠকথা' নামৰ ভাষ্যখনিত ধম্মপদৰ প্ৰতিটো গাথাৰ লগত একোটাকৈ কাহিনী সংযুক্ত হোৱাটো এনে বিশ্বাসৰে পৰিণতি। বুদ্ধদেৱে ধৰ্ম প্ৰচাৰৰ অৰ্থে শ্ৰাৱস্তী, কোশল, ৰাজগীৰ, কৌশাম্বী, বাৰাণসী, বৈশালী, কপিলাবস্তু, অৱন্তী, তেজবন, আলবীৰ, সেতব্য আদি বিভিন্ন ঠাই পৰিভ্ৰমণ কৰোঁতে বিবিধ ঘটনা আৰু পৰিস্থিতিৰ সম্মুখীন হ'বলগীয়া হৈছিল। গতিকে ঘটনা তথা পৰিস্থিতি অনুসাৰে তেওঁ শিষ্যসকলক গাথাৰ আকাৰে উপদেশবাণী প্ৰদান কৰিছিল। পাছৰ কালত সেইবোৰেই সংগৃহীত হৈ ধম্মপদ নামেৰে জনাজাত হয়। বৌদ্ধসকলৰ মাজত এনে বিশ্বাস দৃঢ়ভাৱে ৰক্ষিত হ'লেও ধম্মপদৰ গাথাসমূহ যে বিভিন্ন মূলৰ পৰা সংগৃহীত আৰু ত্ৰিপিটকৰ ৰচনাকালৰ লগতহে যে এইবোৰ জড়িত তাত সন্দেহৰ অৱকাশ নাই। কাৰণ ধম্মপদৰ ভালেমান গাথা ত্ৰিপিটকৰ বিভিন্ন স্থানত পোৱা যায় আৰু সংস্কৃত গ্ৰন্থৰ মাজতো এইবোৰৰ অস্তিত্ব বিচাৰি পোৱা যায়। দাৰ্শনিক পণ্ডিত এছ. ৰাধাকৃষ্ণণে বিভিন্ন গাথাৰ সৈতে মহাভাৰত, ভগবদ্গীতা, উপনিষদ আদিৰ শ্লোকৰ মিল আছে বুলি তেওঁৰ দ্বাৰা সম্পাদিত ধম্মপদ গ্ৰন্থত উল্লেখ কৰাটো মন কৰিবলগীয়া। প্ৰাচ্যতত্ত্ববিদ এম. উইন্টাৰনিজেও এই ক্ষেত্ৰত অনুৰূপ মন্তব্যকে দিছে।

বুদ্ধদেৱৰ জীৱদ্দশাত তেওঁ যি উপদেশ বাণী মানুহক দিছিল, সেয়া মুখে মুখে প্ৰচলিত আছিল। এইবোৰ তেওঁৰ মহাপৰিনিৰ্বাণৰ প্ৰায় চাৰে চাৰিশ বছৰ ধৰি 'এবং মে সুতং' (এবং ময়া শ্ৰুতম্) এই বাক্যৰ জৰিয়তে বিবৃত কৰা হৈছিল আৰু মৌখিক পৰম্পৰাৰে ভিক্ষুসংঘৰ মাজত প্ৰচাৰিত হৈছিল। ধম্মপদ যিহেতু ত্ৰিপিটকৰ অন্তৰ্গত; গতিকে ত্ৰিপিটকৰ সংকলন কালেই ধম্মপদৰো সংকলন কাল — এনে এক সাধাৰণ সিদ্ধান্তলৈ আহিব পাৰি।

বুদ্ধদেৱৰ তিৰোধানৰ পাছত আনুমানিক ৪৭৭ খ্ৰীঃ পূৰ্বাব্দত ৰাজগীৰ বা ৰাজগৃহত প্ৰথম বৌদ্ধ মহামেল অনুষ্ঠিত হৈছিল। দ্বিতীয় মহাসংগীতি অনুষ্ঠিত হৈছিল ইয়াৰ এশ বছৰ

পাছত — বৈশালীত আৰু তৃতীয় মহাসংগীতি আয়োজিত হৈছিল প্ৰিয়দৰ্শী অশোকৰ ৰাজত্ব কালত, ২৪৭ খৃষ্টাব্দত, মগধৰ ৰাজধানী পাটলিপুত্ৰত। এই তিনিওখন মহামেলত বুদ্ধবচনসমূহ আবৃত্তি কৰা হৈছিল আৰু তৎকালীন বৌদ্ধ পণ্ডিতবৰ্গৰ অনুমোদনক্ৰমে এইবিলাক সংশোধন আৰু পৰিমাৰ্জনৰ দ্বাৰা শৃঙ্খলাবদ্ধ ৰূপত সজাই লোৱা হৈছিল। সম্ভৱতঃ তৃতীয় মহাসংগীতিৰ সময়ত বুদ্ধ-বচনৰ সংকলন কাৰ্য সমাপ্ত হৈছিল আৰু সেই শাস্ত্ৰকে অশোক পুত্ৰ মহেন্দ্ৰই সিংহললৈ লৈ গৈছিল। অৱশেষত সিংহলৰাজ বট্টগামনিৰ ৰাজত্বকালত (৮৮-৭৬ খ্ৰীঃ পূঃ) এইবোৰ স্থায়ীভাৱে লিপিবদ্ধ হয়। মন কৰিবলগীয়া যে অশোকৰ ৰাজত্বৰ এশ বছৰৰ পাছতো ত্ৰিপিটকৰ কোনো উল্লেখ পোৱা নাযায়। অশোকৰ অনুশাসনসমূহতো ইয়াৰ কোনো তথ্য পাবলৈ নাই। 'ভাব্ৰূ-বৈৰাট' অনুশাসনত অশোকে বৌদ্ধ ভিক্ষু-ভিক্ষুণীসকলক বুদ্ধবাণী হিচাপে যি সাতখন সূত্ৰ শ্ৰৱণ আৰু ধাৰণ কৰিবলৈ উপদেশ দিছে তাতো 'ধম্মপদ'ৰ কোনো উল্লেখ নাই। সেই সময়ত এইখন শাস্ত্ৰ থকা হ'লে জনকল্যাণ আৰু বৌদ্ধ-নীতিৰ প্ৰচাৰত আত্মনিয়োগ কৰা অশোকে তাৰ উল্লেখ নিশ্চয় কৰিলেহেঁতেন।

ধম্মপদৰ প্ৰথম উল্লেখ পোৱা যায় — অনুমানিক খ্ৰীঃ প্ৰথম শতাব্দীত ৰচিত 'মিলিন্দ পঞ্হ' নামৰ গ্ৰন্থখনিত। সেই হেতুকে তৃতীয় বৌদ্ধ-মহামেলৰ পৰা ত্ৰিপিটক স্থায়ীভাৱে লিপিবদ্ধ হোৱালৈকে অৰ্থাৎ খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰ পৰা খ্ৰীঃ পূঃ প্ৰথম শতাব্দী পৰ্যন্ত — এই সময়ছোৱাৰ ভিতৰত ধম্মপদ সংকলিত হৈছিল বুলি পতিয়ন যাব পাৰি।

বুদ্ধদেৱৰ তিৰোধানৰ পাছত সংঘৰ পালনীয় আচাৰ-অনুষ্ঠানক লৈ ভিক্ষুসকলৰ মাজত মতভেদৰ সৃষ্টি হৈছিল আৰু ইয়াৰ ফলত বৌদ্ধধৰ্ম বিভিন্ন শাখাত বিভক্ত হৈ পৰিছিল। তদুপৰি ব্ৰাহ্মণ্যবাদৰ প্ৰভাৱত বৌদ্ধধৰ্মত দেৱবাদ, ভক্তিবাদ, পূজা-পাতল আদিৰ প্ৰচলন হ'বলৈ আৰম্ভ কৰিছিল। ফলত বিভিন্ন বৌদ্ধ-সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক অসূয়া বৃদ্ধি পাইছিল। এনে অৱস্থাৰ নিৰ্মূলৰ কাৰণে ভিক্ষুসকলৰ মাজত শান্তি-সম্প্ৰীতি আৰু সংযম ৰক্ষা কৰাটো অপৰিহাৰ্য হৈ উঠিছিল। সেই হেতুকে ভাৰতীয় নীতি-জ্ঞানৰ বিশাল সাহিত্যৰাজিৰ পৰা জৈনসকলৰ অহিংসা-অক্ৰোধাদি মতবাদৰ পৰা আৰু প্ৰচলিত লোককথাৰ পৰা নীতিমূলক বিষয়সমূহ বুটলি আনি গাথাৰ মাধ্যমেৰে সজাই-পৰাই সুপৰিকল্পিত বৰ্গ বিভাজনেৰে ধম্মপদ ৰচনা কৰা হৈছিল যেন অনুমান হয়। অৱশ্যে এই কামৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। মগধৰাজ প্ৰিয়দৰ্শী অশোকৰ ওচৰত ধম্মপদৰ 'অপ্পমাদ বগ্গো' আবৃত্তি কৰা হৈছিল বুলি উল্লেখ পোৱা যায়। সম্ভৱতঃ অশোকৰ সময়ৰ পৰা বা পূৰ্বৰে পৰা ধম্মপদৰ নীতিমূলক গাথাৰ সূচনা হৈ পৰৱৰ্তী সময়ত খ্ৰীষ্টীয় শতাব্দী আৰম্ভ হোৱাৰ প্ৰাক্কালত ই এক সুবিন্যস্ত ৰূপ লাভ কৰে; বিশেষকৈ পালি ধম্মপদৰ ক্ষেত্ৰত এই কথাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। সংস্কৃত আৰু প্ৰাকৃত ধম্মপদ খ্ৰীষ্টীয় প্ৰথম শতাব্দীত ৰচিত বুলি ইয়াৰ অভ্যন্তৰীণ প্ৰমাণৰ জৰিয়তে সিদ্ধান্ত কৰা হৈছে।

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে ত্ৰিপিটক তথা আমাৰ আলোচ্য ধম্মপদ বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ এশ বছৰৰ পাছৰ পৰা অশোকৰ ৰাজত্বকালৰ ভিতৰত সংকলিত হৈছিল আৰু খ্ৰীষ্টীয় শতিকাৰ আৰম্ভণৰ পূৰ্বে ই এক সুবিন্যস্ত আৰু সুশৃংখলিত ৰূপ লাভ কৰিছিল। অৱশ্যে কোনো গাথাৰ মূল তাতোকৈও আগৰ বা বুদ্ধৰ সমসাময়িক কালৰ হোৱাও অসম্ভৱ নহয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

ধম্মপদ কেতিয়া সংকলিত হৈছিল? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

...........................................................................

...........................................................................

...........................................................................

## ৩.৫ বিভিন্ন ভাষাত ধম্মপদ

ধম্মপদ সৰ্বসাধাৰণৰ উপযোগীকৈ ৰচিত নীতিমূলক বিষয়বস্তু সম্বলিত এক উপাদেয় গ্ৰন্থ। ইয়াৰ ৰচনাভঙ্গী সহজ-সৰল আৰু সুবোধ্য। সকলোৰে পৰিচিত বাস্তৱ জগতখনৰ পৰা আহৰিত উপমা, ৰূপক আদিৰ স্বতঃস্ফূৰ্ত ব্যৱহাৰৰ হেতু গ্ৰন্থখনিৰ প্ৰতিটো গাথা সৰল আৰু জনপ্ৰিয় হৈ উঠিছিল। ফলত বৌদ্ধমতাৱলম্বী বিভিন্ন শাখাৰ জৰিয়তে এই গ্ৰন্থই সমসাময়িক এছিয়া মহাদেশজুৰি প্ৰচাৰিত হৈছিল। সেই কাৰণে এই গ্ৰন্থখন পালি, প্ৰাকৃত, সংস্কৃত, বৌদ্ধ-সংস্কৃত আদি বিভিন্ন ভাষাত ৰচিত হোৱা দেখা যায়। তদুপৰি সংস্কৃত বা বৌদ্ধ-সংস্কৃতৰ আধাৰত চীনা, তিব্বতী আদি ভাষাতো অতি প্ৰাচীন কালতে এই গ্ৰন্থ অনূদিত হৈছিল।

ধম্মপদ ত্ৰিপিটকৰ ভিতৰুৱা শাস্ত্ৰ। গতিকে ত্ৰিপিটকৰ দৰে এই গ্ৰন্থও পালি, প্ৰাকৃত, সংস্কৃত আৰু বৌদ্ধ সংস্কৃত — এই চাৰিটা ভাষাত পোৱা যায়। তলত আপোনাৰ অধ্যয়নৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটোৰে চমু পৰিচয় দাঙি ধৰা হৈছে।

**(ক) পালি ধম্মপদ ঃ** বিভিন্ন ভাষাত সংকলিত ধম্মপদৰ ভিতৰত পালি ধম্মপদ সবাতোকৈ প্ৰাচীন বুলি অনুমান কৰা হৈছে। পালি ভাষাৰ মাধ্যমেৰে বৌদ্ধশাস্ত্ৰৰ চৰ্চা খ্ৰীঃ পূঃ তৃতীয় শতিকাৰ পৰাই হৈছিল যদিও, ইয়াৰ লিপিবদ্ধ ৰূপ খ্ৰীঃ পূঃ প্ৰথম শতাব্দীতহে হয়। সংস্কৃত, প্ৰাকৃত, বৌদ্ধ সংস্কৃতত বৌদ্ধশাস্ত্ৰৰ প্ৰণয়ন পালিৰ পাছতহে আৰম্ভ হয়। আন ভাষাত ৰচিত ধম্মপদ ভাৰতৰ বাহিৰত খণ্ডিত আকাৰত পোৱা গৈছে। আকৌ চীনা আৰু তিব্বতী ধম্মপদ সংস্কৃত ধম্মপদৰ অনূদিত ৰূপহে।

আপুনি পূৰ্বৰ শিতানত পাই আহিছে যে পালি ধম্মপদত সৰ্বমুঠ ৪২৩ টা গাথা আছে আৰু এইবোৰক বিষয়বস্তু অনুসাৰে ২৬ টা বৰ্গত বিভক্ত কৰা হৈছে। অৱশ্যে দুটামান বৰ্গত এনে নিয়মৰ ব্যতিক্ৰমো লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে কোনো বৰ্গৰ ভিতৰুৱা কৰিব নোৱাৰা গাথাসমূহক 'পকিণ্ণবগ্গো'ত স্থান দিয়া হৈছে। নৈতিকতা আৰু উচ্চ জীৱন-বোধ সম্বলিত এই গ্ৰন্থখনিৰ মাজেৰে মানৱ-জীৱনৰ উৎকৰ্ষ সাধন আৰু চতুৰাৰ্য সত্যৰ উপলব্ধিৰে আৰ্য অষ্টাঙ্গিক মাৰ্গ অনুশীলনৰ জৰিয়তে নিৰ্বাণ বা অৰ্হৎপ্ৰাপ্তিৰ কথা সহজ-সৰলভাৱে বৰ্ণনা কৰা হৈছে।

**(খ) প্ৰাকৃত ধম্মপদ ঃ** মধ্য এছিয়াৰ খোটানৰ ওচৰৰ গোশৃংগ বিহাৰৰ ধ্বংসাৱশেষৰ পৰা প্ৰাকৃতত ৰচিত এখন ধম্মপদ খণ্ডিত ৰূপত উদ্ধাৰ হৈছে। ইয়াৰ বৰ্গ আৰু গাথা সংখ্যা সঠিককৈ জনা নাযায়। প্ৰাচীন বৌদ্ধসংঘৰ অন্যতম শাখা ধৰ্মগুপ্ত সম্প্ৰদায়ে এই ধম্মপদ খ্ৰীষ্টীয় প্ৰথম শতাব্দীত ৰচনা কৰা বুলি অনুমান কৰা হৈছে। খৰোষ্ঠী লিপিৰে ৰচিত এই গ্ৰন্থৰ ভাষা অশোক-অনুশাসনৰ উত্তৰ-পশ্চিমা বা গান্ধাৰী উপভাষাৰ ওচৰ চপা। খোটানত উদ্ধাৰ হোৱা বাবে এই গ্ৰন্থ 'খোটানী ধম্মপদ' -ৰূপেও জনাজাত। সম্ভৱতঃ বৌদ্ধসংঘৰ মতভেদৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ হেতুকে, অথবা ব্ৰাহ্মণ্যবাদীসকলৰ বৌদ্ধ-বিদ্বেষৰ কাৰণে ধৰ্মগুপ্ত সম্প্ৰদায়কে

ধৰি কিছুসংখ্যক বৌদ্ধ উত্তৰ-পশ্চিম ভাৰতত বসবাস কৰিবলৈ লৈছিল। তাৰে পৰা কিছুলোক খ্ৰীষ্টীয় শতিকাৰ আৰম্ভণিতে খোটানত উপস্থিত হৈছিল। খোটান আছিল ভাৰত আৰু চীনালোকৰ দ্বাৰা যুগ্মভাৱে প্ৰতিষ্ঠিত ৰাজ্য আৰু ই আছিল বৌদ্ধ-ধৰ্মচৰ্চাৰ অন্যতম প্ৰধান কেন্দ্ৰস্থল। গতিকে অনুমান কৰিবলৈ টান নহয় যে প্ৰাকৃত ভাষাৰ মাধ্যমেৰে ত্ৰিপিটক চৰ্চা কৰা বৌদ্ধ ধৰ্মগুপ্ত সম্প্ৰদায়েই উত্তৰ-পশ্চিমা প্ৰাকৃত উপভাষাৰ আধাৰত প্ৰাকৃত ধম্মপদ বা খোটান ধম্মপদ ৰচনা কৰিছিল।

খণ্ডিত ৰূপত পোৱা প্ৰাকৃত ধম্মপদ পালি ধম্মপদৰ সৈতে হুবহু একে নহয়। কিছুমান গাথাৰ উপৰি বৰ্গ বিভাজনতো দুয়োখন গ্ৰন্থৰ পাৰ্থক্য লক্ষ্য কৰিব পাৰি।

**(গ) সংস্কৃত ধম্মপদ ঃ** মধ্য-এছিয়াৰ তুৰফান অঞ্চলৰ বৌদ্ধ প্ৰতিষ্ঠানসমূহৰ ধ্বংসাৱশেষৰ মাজত সংস্কৃতত ৰচিত ধম্মপদ আৱিষ্কাৰ হৈছে। এই ধম্মপদক 'উদানবৰ্গ' বুলি নামাঙ্কিত কৰা হৈছে। সম্ভৱতঃ ত্ৰিপিটকৰ অন্তৰ্গত সুত্ত পিটকৰ তৃতীয় গ্ৰন্থ বুদ্ধদেৱৰ ভাবগম্ভীৰ উপদেশ বাণী সম্বলিত 'উদান'ৰ সৈতে ধম্মপদৰ গুৰুগম্ভীৰ নৈতিক চিন্তাৰ মিললৈ লক্ষ্য কৰিয়েই সংস্কৃতত ৰচিত ধম্মপদখনিক 'উদান বৰ্গ' আখ্যা দিয়া হৈছে। খ্ৰীষ্টীয় প্ৰথম শতাব্দীত সম্ৰাট কনিষ্কৰ ৰাজত্বকালত ধৰ্মত্ৰাত নামৰ জনৈক বৌদ্ধ পণ্ডিতে এই গ্ৰন্থ সংকলন কৰে বুলি প্ৰসিদ্ধি আছে। পালি ধম্মপদতকৈ প্ৰাকৃত ধম্মপদৰ লগত ইয়াৰ ঘনিষ্ঠ সাদৃশ্য লক্ষ্য কৰিব পাৰি। বৰ্গ বিভাজনৰ ক্ষেত্ৰত ই পালি ধম্মপদৰ ওচৰ চপা যদিও, সিবোৰৰ নামকৰণত যথেষ্ট পাৰ্থক্য আছে। তিব্বতী আৰু চীনা ধম্মপদ সংস্কৃত ধম্মপদৰ আধাৰত ৰচিত হৈছিল। অনুমানিক ৪১০ খ্ৰীষ্টাব্দত বুদ্ধস্মৃতি নামৰ বৌদ্ধ ভিক্ষু এগৰাকীয়ে 'চ-ইয়-কিঙ্গ' নামেৰে সংস্কৃতত ৰচিত আলোচ্য ধম্মপদখনিৰ পৰা চীনা ভাষাত টীকা-ভাষ্য সহকাৰে চীনা ধম্মপদ ৰচনা কৰে। কুৰিটা খণ্ডত বিভক্ত এই ধম্মপদৰ বৰ্গ সংখ্যা তেত্ৰিশটা।

**(ঘ) বৌদ্ধ-সংস্কৃত বা মিশ্ৰ-সংস্কৃত ধম্মপদ ঃ** বৌদ্ধ বা মিশ্ৰ-সংস্কৃতত ৰচিত ধম্মপদৰ অস্তিত্ব বৰ্তমানে পাবলৈ নাই। কিন্তু 'ফা-খিউ-কিঙ্গ' নামৰ ঊনচল্লিশটা বৰ্গত বিভক্ত আৰু সাতশ বাৰন্নটা গাথা সম্বলিত যিখন সুবৃহৎ ধম্মপদ চীনা ভাষাত পোৱা যায়, সেইখনৰ মূল বৌদ্ধ-মিশ্ৰ-সংস্কৃত ধম্মপদ আছিল বুলি পণ্ডিতসকলে অনুমান কৰিছে। বৌদ্ধসকলৰ মহাসাংঘিক সম্প্ৰদায়ে বৌদ্ধ-মিশ্ৰ-সংস্কৃতৰ মাধ্যমেৰে ধৰ্মশাস্ত্ৰৰ চৰ্চা কৰিছিল। সম্ভৱতঃ এওঁলোকে ৰচনা কৰা ধম্মপদৰ পৰাই উল্লিখিত চীনা ধম্মপদখনি অনুবাদ কৰি লোৱা হৈছিল। বৌদ্ধ-মিশ্ৰ-সংস্কৃতত ৰচিত ধম্মপদখনিৰ বৰ্গৰ সংখ্যা বাইশটা আৰু গাথাৰ সংখ্যা মুঠ পাঁচশ আছিল বুলি 'ফা-খিউ-কিঙ্গ'ৰ ভূমিকাৰ পৰা জানিব পৰা যায়। মূল গ্ৰন্থখনি ওৱাই-চি-লান নামৰ বৌদ্ধ ভিক্ষু এগৰাকীয়ে ২২৩ খ্ৰীষ্টাব্দত চীন দেশলৈ নিয়ে আৰু তাতে বিঘ্ন আৰু লুহ-বেন নামৰ দুজন শ্ৰমণে তাক চীনা ভাষালৈ অনুবাদ কৰে। চীনা ভাষাত ধম্মপদৰ প্ৰথম অনুবাদ এইখনেই।

### ৩.৬ ধম্মপদৰ বিষয়বস্তু আৰু দৰ্শনতত্ত্ব

ধম্মপদৰ মাজেদি বৌদ্ধধৰ্মৰ মূল নীতি, আদৰ্শ আৰু পালনীয় কৰ্তব্য সৰ্বসাধাৰণৰ উপযোগীকৈ প্ৰকাশিত হৈছে। ইয়াত কোনো বিশেষ জটিল তত্ত্বৰ উল্লেখ পাবলৈ নাই; বৰং মানৱ-সমাজে কি উপায়েৰে নৈতিক উৎকৰ্ষ সাধন কৰি বুদ্ধদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্ম আৰু নীতিৰ মৰ্মাৰ্থ উপলব্ধি কৰিব পাৰিব তাকেই বিভিন্ন উপমাৰ সহায়ত সহজ-সৰলভাৱে ইয়াৰ মাজেৰে ব্যক্ত কৰা হৈছে। গ্ৰন্থখনিৰ প্ৰধান উদ্দেশ্য গৃহীসকলক নৈতিকভাৱে সবল আৰু শিক্ষিত কৰি তোলা। শীলাদি পালন, ত্ৰিশৰণৰ প্ৰতি শ্ৰদ্ধা, চতুৰাৰ্য সত্যৰ উপলব্ধি, ইন্দ্ৰিয় সংযম,

অপ্ৰমাদৰ অনুসৰণ, তৃষ্ণা ক্ষয়, ক্ৰোধ-বিদ্বেষ পৰিহাৰ ইত্যাদিৰ জৰিয়তে পৰিশীলিত জীৱন-যাপনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ চিন্তা গ্ৰন্থখনিত সততে লক্ষ্য কৰা যায়।

বৌদ্ধ সাধন-মাৰ্গত আগবঢ়াৰ প্ৰথমটো সোপান হৈছে শীলাদি পালনৰ জৰিয়তে ব্ৰহ্মাচৰ্যৰ অৱলম্বন। 'শীল' শব্দৰ অৰ্থ সজ আচৰণ। মুঠ দশশীলৰ ভিতৰত গৃহী বৌদ্ধই পঞ্চশীল (জীৱ-হত্যা, চুৰি, পৰদাৰ-লঙ্ঘন, মিছাকথা আৰু মাদক দ্ৰব্য সেৱনৰ পৰা আঁতৰি থকা) অৱশ্যেই পালন কৰিব লাগে। দ্বিতীয় স্তৰত চিত্ত সংযত কৰিব লাগে। চিত্ত সকলো দুখৰ উৎস ভূমি। সেই হেতু ধম্মপদৰ ভালেমান গাথাত দুৰ্নিবাৰ আৰু যথেচ্ছ বিচৰণশীল চিত্তক দমন কৰাৰ উপদেশ দিয়া হৈছে। চঞ্চল চিত্তক দমন কৰাৰ একমাত্ৰ উপায় ধ্যানানুশীলন আৰু অষ্টাঙ্গিক মাৰ্গৰ সাধনা। চিত্ত-সংযম, একাগ্ৰতা, সৰ্বপ্ৰকাৰৰ অকুশল চিন্তা-ত্যাগ আৰু কুশল চিন্তাৰ প্ৰয়াস আদিৰ বাবে ধ্যানানুশীলন অতীব প্ৰয়োজনীয়।

দুখৰ পৰা নিবৃত্তিয়েই বৌদ্ধ দৰ্শনৰ প্ৰধান লক্ষ্য। জৰা, ব্যাধি, মৃত্যুৰ বিভীষিকাৰ পৰা পৰিত্ৰাণ বিচাৰিয়েই কপিলাবস্তুৰ ৰাজপুত্ৰ সিদ্ধাৰ্থ বা গৌতমে বুদ্ধত্ব লাভ কৰিছিল। কঠোৰ সাধনাৰ অন্তত তেওঁ যি জ্ঞান লাভ কৰিছিল তাৰ জৰিয়তে তেওঁ আৱিষ্কাৰ কৰিছিল যে জগত দুখময়; জগতত দুখ আছে, দুখৰ কাৰণ আছে, এই দুখ নিৰোধ কৰিব পাৰি আৰু দুখ নিৰোধৰ উপায় আছে। বৌদ্ধধৰ্মত এই কেইটাক চতুৰাৰ্য সত্য বোলা হয়। এই চাৰি আৰ্যসত্যৰ উপলব্ধিৰ অভাৱৰ হেতুকে জীৱই মায়া-মোহযুক্ত সংসাৰ বন্ধনত বা 'ভৱচক্ৰ'ত আবদ্ধ হ'ব লগা হয় আৰু বাৰে বাৰে সংসাৰলৈ অহা-যোৱা কৰি দুখ ভোগ কৰিবলগীয়া হয়। প্ৰত্যেক জীৱই জন্ম, ব্যাধি, জৰা মৃত্যু, প্ৰিয়-বিপ্ৰয়োগ, অপ্ৰিয় সম্প্ৰয়োগ, ইপ্সিত বস্তুৰ অলাভ আৰু পঞ্চেন্দ্ৰিয়ৰ গ্ৰাহ্য বস্তু — এই আঠ প্ৰকাৰৰ দুখ ভোগ কৰিবলগীয়া হয়।

ভৱচক্ৰ দ্বাদশ নিদানৰ আৱৰ্তন মাত্ৰ আৰু সেয়েহে দুখৰ মূল হৈছে দ্বাদশ নিদান। এই দ্বাদশ নিদান হ'ল ঃ অবিদ্যা, সংস্কাৰ, বিজ্ঞান, নামৰূপ, ষড়ায়তন, স্পৰ্শ, বেদনা, তৃষ্ণা, উপাদান, ভৱ, জাতি আৰু জৰা-মৰণ। দুখৰ উৎপত্তিৰ মূলতে হ'ল কিছুমান কাৰ্য-কাৰণৰ পৰম্পৰা। এই পৰম্পৰাৰ নাম 'প্ৰতীত্যসমুৎপাদ'। এটাৰ উৎপত্তি হ'লে আন এটাৰ উৎপত্তি হোৱাটোৱেই প্ৰতীত্যসমুৎপাদ। অবিদ্যা বা অজ্ঞানতা প্ৰতীত্যসমুৎপাদৰ মূল কাৰণ। অবিদ্যাৰ পৰা সংস্কাৰ, সংস্কাৰৰ পৰা বিজ্ঞান, বিজ্ঞানৰ পৰা নামৰূপ, নামৰূপৰ পৰা ষড়ায়তন, ষড়ায়তনৰ পৰা স্পৰ্শ, স্পৰ্শৰ পৰা বেদনা, বেদনাৰ পৰা তৃষ্ণা, তৃষ্ণাৰ পৰা উপাদান, উপাদানৰ পৰা ভৱ, ভৱৰ পৰা জাতি, জাতিৰ পৰা জৰা-ব্যাধি-মৃত্যুৰ দুখ উৎপন্ন হয়।

যাৰ উৎপত্তি আছে তাৰ বিনাশ অৱশ্যম্ভাৱী। সেয়েহে কাৰ্য-কাৰণৰ সূত্ৰে উৎপত্তি হোৱা দুখ নিৰোধ কৰিব পাৰি। দুখ নিৰোধৰ উপায় আছে আৰু উপায় হৈছে 'আৰ্য অষ্টাঙ্গিক মাৰ্গ'ৰ অনুসৰন। এইকেইটা হৈছে — সম্যক বাক্য, সম্যক দৃষ্টি, সম্যক সংকল্প, সম্যক কৰ্মান্ত, সম্যক জীৱিকা, সম্যক ব্যায়াম, সম্যক স্মৃতি আৰু সম্যক সমাধি। এই অষ্টাঙ্গিক মাৰ্গৰ অনুশীলনৰ জৰিয়তে দুখৰ প্ৰকৃত স্বৰূপ অনুভূত হয় আৰু চতুৰাৰ্য সত্যৰ উপলব্ধিৰ দ্বাৰা নিৰ্বাণ প্ৰাপ্তি সম্ভৱ হৈ উঠে। অষ্টাঙ্গিক মাৰ্গ কায়-বাক্য আৰু চিত্তৰ সংযমৰ ওপৰত প্ৰতিষ্ঠিত। কায়-বাক্য আৰু চিত্ত সংযত হ'লে দুখৰ প্ৰকৃত স্বৰূপ উপলব্ধ হয় আৰু দুখৰ স্বৰূপ বুজিব পাৰিলেই তাৰ পৰা মুক্তি লাভৰ আকাংক্ষা জন্মে। এনেদৰে সংযমিত জীৱন-যাপনত গুৰুত্ব আৰোপ কৰি মানুহৰ নৈতিক উৎকৰ্ষ ঘটাই পৰিপূৰ্ণ মনুষ্যত্বৰ বিকাশ ঘটোৱাই আছিল বুদ্ধ-প্ৰচাৰিত ধৰ্মৰ প্ৰধান লক্ষ্য। ধম্মপদৰ বিভিন্ন গাথাৰ মাজেদি বৌদ্ধধৰ্মাদৰ্শৰ সৈতে সম্পৃক্ত আদৰ্শ মানৱ-জীৱনৰ প্ৰতিচ্ছবি পৰিস্ফুট হৈছে।

ধম্মপদৰ মতে প্ৰত্যেক ব্যক্তি 'ত্ৰিশৰণ' অৰ্থাৎ বুদ্ধ, সংঘ আৰু ধৰ্ম (বৌদ্ধ মত)-ৰ প্ৰতি অবিচলিত শ্ৰদ্ধা থকা একান্ত আৱশ্যক। ইয়াৰ জৰিয়তে চতুৰাৰ্য সত্যৰ উপলব্ধি আৰু অষ্টাঙ্গিক মাৰ্গৰ সাধন সম্ভৱ হৈ উঠে। ধম্মপদত 'মগ্‌গানট্‌ঠঙ্গিকো সেট্‌ঠো' বুলি অষ্টাঙ্গিক মাৰ্গৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰা হৈছে।

নিৰ্বাণ প্ৰাপ্তি ঘটিলে সৰ্ব দুখৰ পৰা নিষ্কৃতি পোৱা যায়। নিৰ্বাণৰ অৰ্থ নুমোৱা, নিবৃত্তি বা বিনাশ। অৱশ্যে ই শৰীৰৰ বিনাশক বুজোৱা নাই বৰং প্ৰবৃত্তিৰ বিনাশক হে বুজাইছে। গতিকে মানুহে সাধন-পথত অবিচলিতচিত্তে অগ্ৰসৰ হৈ জীৱদ্দশাতে এই 'পৰমং সুখং' বা 'যোগক্‌খেমং অনুত্তৰং' স্বৰূপ নিৰ্বাণ লাভ কৰিব পাৰে। তাৰ বাবে সাধক আত্মশক্তিৰে বলীয়ান হোৱা প্ৰয়োজন। কাৰণ 'অত্তাহি অত্তনো নাথো', অৰ্থাৎ মানুহ নিজেই নিজৰ গৰাকী; গতিকে 'অত্তানা হি সুদন্তেন নাথং লভতি দুল্লভং' — নিজক সংযত কৰিলে দুৰ্লভ প্ৰাপ্তি লাভ হয়।

জগত অনিত্য, অনাত্ম আৰু দুখময়। যিয়ে প্ৰজ্ঞা বা বোধৰ দ্বাৰা এই কথা অনুভৱ কৰিব পাৰে তেওঁ দুখ ভোগৰ পৰা পৰিত্ৰাণ পায়। ধম্মপদৰ বিভিন্ন গাথাত জগতক জলবুদ্‌বুদ্ তথা মৰীচিকাৰ সৈতে তুলনা কৰা হৈছে। সেইদৰে কায়া বা শৰীৰক ফেনৰ সৈতে ৰিজোৱা হৈছে। জীৱ আৰু জগতৰ অনিত্য বা ভঙ্গুৰ চৰিত্ৰ যিয়ে উপলব্ধি কৰিছে তেওঁ মোহমুক্ত হৈছে। এনে ব্যক্তিয়ে প্ৰজ্ঞাৰূপী আয়ুধৰ দ্বাৰা মাৰৰ বন্ধন ছিন্ন কৰি 'অমত পদং' স্বৰূপ নিৰ্বাণ লাভ কৰিব পাৰে। বৌদ্ধধৰ্মৰ মতে নিৰ্বাণ এক পৰম প্ৰশান্তিময়, আনন্দময় অৱস্থা। ধম্মপদত নিৰ্বাণৰ শ্ৰেষ্ঠত্ব ঘোষিত হ'লেও, ইয়াৰ স্বৰূপ সম্বন্ধে কোনো তাত্ত্বিক বা দাৰ্শনিক ব্যাখ্যাৰ অৱতাৰণা কৰা হোৱা নাই। দৰাচলতে জাগতিক সুখ-বৈভৱৰ প্ৰতি আসক্তিশূন্য হৈ শান্ত চিত্তেৰে আনন্দৰ স্বৰূপ উপলব্ধি কৰিব পৰা অৱস্থাটোৱেই নিৰ্বাণ। এই অৱস্থা প্ৰাপ্তিৰ বাবে ধম্মপদৰ বিভিন্ন গাথাত সঁকীয়াই দিয়া হৈছে।

বুদ্ধদেৱে যি উপদেশ প্ৰদান কৰিছিল সেয়া সৰ্বমানৱৰ মঙ্গলৰ চিন্তাৰে উজ্জীৱিত। ধম্মপদত মূলতঃ এই চিন্তাৰে সুপ্ৰকাশ ঘটিছে। সেইবাবে ইয়াত তত্ত্বৰ অৱতাৰণা কৰাতকৈ শীল-সদাচাৰ পালন, কুশল-চিন্তাৰ প্ৰয়াস, অহিংসা, মৈত্ৰী, সাম্য, দয়া, পৰোপকাৰ ইত্যাদি দৈনন্দিন জীৱনৰ লাগতিয়াল দিশসমূহৰ প্ৰতিহে অধিক গুৰুত্ব দিয়া হৈছে। মাজে মাজে দুই এটা এনে গাথাও সন্নিৱিষ্ট হৈছে, য'ত বৌদ্ধধৰ্মৰ সামান্যতম কথাৰ উল্লেখো পাবলৈ নাই। নিম্নোক্ত গাথাটিয়ে তাৰেই প্ৰমাণ দাঙি ধৰে ঃ

*ন পৰেসং বিলোমানি ন পৰেসং কতাকতং।*
*অত্তনো'ৱ অৱেক্‌খেয্য কতানি অকতানি চ।*

[আনৰ দোষ-ত্ৰুটি বা আনৰ কৃত-অকৃত কৰ্মৰ বিচাৰ কৰাতকৈ নিজৰ দোষ, ত্ৰুটি আৰু কৃত-অকৃত কৰ্মৰ প্ৰতি লক্ষ্য ৰখা উচিত]।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালিৰ বাহিৰেও আৰু কিবা ভাষাত ৰচিত ধম্মপদৰ পাঠ পোৱা যায় নেকি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................

.......................................................

.......................................................

## ৩.৭ চিত্তবগ্‌গো

### ৩.৭.১ বিষয়বস্তু

চিত্তবগ্‌গো ধম্মপদৰ সৰ্বমুঠ চাৰিশটা বৰ্গৰ অন্যতম আকৰ্ষণীয় বৰ্গ। প্ৰসঙ্গ ক্ৰমে উল্লেখযোগ্য যে দুই এটা বৰ্গ বাদ দি ধম্মপদৰ প্ৰায়ভাগ বৰ্গ বিষয় অনুসাৰে সজোৱা হৈছে। আমাৰ আলোচ্য চিত্তবগ্‌গোৰ নামকৰণতে নিহিত আছে ইয়াৰ অন্তৰ্গত বিষয়বস্তুৰ তাৎপৰ্য। পৰিচিত উপমা, ৰূপকাদিৰ সহায়ত মানুহৰ অনিয়ন্ত্ৰিত চিত্তক সংযত কৰাৰ সদুপদেশ সন্নিৱিষ্ট হোৱা বাবেই এই বৰ্গটোৰ নাম চিত্তবগ্‌গো ৰখা হৈছে।

বৌদ্ধধৰ্মত অষ্টাঙ্গিক মাৰ্গ সাধনৰ প্ৰথম স্তৰ হৈছে ব্ৰহ্মচৰ্যৰ অৱলম্বন। শৰীৰ আৰু বচনৰ সংযমৰ জৰিয়তে সাধক ব্ৰহ্মচাৰী হয়। ইয়াৰ পৰৱৰ্তী স্তৰটো হৈছে চিত্তৰ সংযম। ধম্মপদৰ চিত্তবগ্‌গোত চিত্ত-সংযমৰ নানান উপদেশ বৰ্ণিত হৈছে।

মানুহৰ দৃষ্টি আৰু স্পৰ্শ বহিৰ্ভূত ৰূপ-বৰ্ণ বিহীন চিত্ত অতিশয় চঞ্চল আৰু দুৰ্নিবাৰ। ইয়াক নিয়ন্ত্ৰণ কৰা অত্যন্ত  কঠিন কাম। বহু সময়ত সৎ পথ আৰু সজ আচৰণ মানি চলাৰ পিছতো চিত্তৰ চঞ্চল চৰিত্ৰৰ হেতু সাধক নিজৰ অজ্ঞাতসাৰে বিপথগামী হয়। গতিকে মানুহৰ হৃদয়ৰূপী গুহাৰ অভ্যন্তৰত অৱস্থিত 'দূৰংগমং একচৰং অসৰীৰং গুহাশয়ং' চিত্তক সংযত কৰা প্ৰয়োজন।

দুৰ্ণিগ্ৰহ, লঘু আৰু যথেচ্ছ বিচৰণশীল চিত্তই ভাল-বেয়া, ন্যায়-অন্যায়, কুশল-অকুশল সকলোতে সমানে বিচৰণ কৰে। এক হিংসাকাৰীয়ে আন হিংসাকাৰীৰ বা এক শত্ৰুৱে আন শত্ৰুৰ যিমান অনিষ্ট সাধন কৰিব পাৰে, আওবাটে পৰিচালিত চিত্তই তাতোকৈ বহু বেছি অনিষ্ট কৰিব পাৰে। পিতৃ-মাতৃ তথা আত্মীয় স্বজনে মানুহক জাগতিক বা বৈষয়িক সুখৰ বাহিৰে অন্য সুখ দিব নোৱাৰে ইয়াৰ বিপৰীতে সত্যনিষ্ঠ চিত্তই মানুহক জাগতিক সুখৰ ঊৰ্ধৰ এক অনিৰ্বচনীয় আনন্দ দিব পাৰে। সেইবাবে জ্ঞানীলোকে প্ৰতিটো মুহূৰ্ততে চিত্তৰ চঞ্চলতা পৰ্যবেক্ষণ কৰি তাক সংযত কৰি ৰাখে। এনে কৰিলেহে সাধকে মাৰৰ ৰাজ্য বা আন কথাত মৃত্যুৰ ৰাজ্য অতিক্ৰম কৰি নিৰ্বাণৰ প্ৰতি ধাবিত হ'ব পাৰে। ধম্মপদত সেইবাবে কোৱা হৈছে—'দুন্নিগহস্‌স লহুনো যত্‌থকামনিপাতিনো। চিত্তস্‌স দমথো সাধু চিত্তং দন্তং সুখাবহং' অৰ্থাৎ দুৰ্ণিগ্ৰহ, লঘু আৰু যথেচ্ছ বিচৰণশীল চিত্তক দমন কৰা মঙ্গলপ্ৰদ, সংযত চিত্তই সুখ প্ৰদান কৰে।

### ৩.৭.২ মূলপাঠ (১ ৰ পৰা ৮ নং গাথা) অসমীয়া ভাঙনি আৰু শব্দগত টোকা

*(১) ফন্দনং চপলং চিত্তং দূৰক্‌খং দুন্নিবাৰয়ং।*
*উজুং কৰোতি মেধাৱী উসুকাৰো'ৱ তেজনং।।*

শৰ নিৰ্মাতাই পোনকৈ শৰ প্ৰস্তুত কৰাৰ দৰে জ্ঞানী লোকেও স্পন্দনশীল, চঞ্চল, দূৰক্ষ্য আৰু দুৰ্নিবাৰ চিত্তক পোন কৰে (অৰ্থাৎ কুপথৰ পৰা সুপথলৈ আনে)।

ফন্দনং < স্পন্দনং = স্পন্দনশীল। স্প>ফ।

দূৰক্‌খং < দূৰক্ষ্যম্ = যাক ৰক্ষা কৰা কঠিন। ক্ষ > ক্‌খ, যকাৰৰ লোপ।

দুন্নিবাৰয়ং < দুৰ্নিবাৰ্য = দুৰ্নিবাৰ। ৰ্ন >ন্ন, য্য >ইয় > অয়।

উজুং <ঋজুং =পোন বা সৰল। ঋ> উ।

উসুকাৰো'ৱ < ইষুকাৰঃ + ইব = শৰ নিৰ্মাতা।

স্বৰসমীভৱনৰ ফলত ইষু > উসু, অঃ > ও।

তেজনং <তেজনম্ = শৰ বা বাণ। অন্ত্য অৱস্থাৰ ম্ >ং।

*(২) বাৰিজো'ৰ থলে খিত্তো ওকমোকতো উব্‌ভতো।*
*পৰিফন্দতি'দং চিত্তং মাৰধ্যেয়ং পহাতৱে।।*

পানীৰ পৰা পাৰলৈ (থললৈ) তোলা মাছে পুনৰাই পানীলৈ যাবলৈ ছট্‌ফটোৱাৰ জ্ঞানীলোকৰ চিত্তয়ো মাৰৰ ৰাজ্য পৰিত্যাগ কৰিবলৈ ছটফটায়।

বাৰিজো'ৰ < বাৰিজঃ ইব = জলজ, অৰ্থাৎ মাছ।
থলে < স্থলে = মাটিত, থলত। আদি অৱস্থানৰ সংযুক্ত ব্যঞ্জন স্থ > থ।
খত্তো < ক্ষিপ্তঃ। নিক্ষিপ্ত কৰা। ক্ষ > খ, প্ত > ত্ত
ওকমোকতো < উদকৌকতঃ = পানীৰ পৰা তোলা।
উব্‌ভতো < উদ্ভূতঃ = ওপৰলৈ উঠা।
পৰিফন্দতি < পৰিস্পন্দতি = ছটফট কৰা বা স্পন্দিত হোৱা। স্প > ফ।
পহাতৱে < প্ৰহাতুম্ = ত্যাগ কৰিবলৈ।
মাৰধেয্যং < মাৰধেয়ং = মাৰ বা কামনা-বাসনাৰ দেৱতাৰ ৰাজ্য।

*(৩) দুন্নিগ্‌গহস্‌স লহুনো যত্থকামনিপাতিনো।*
*চিত্তস্‌স দমথো সাধু চিত্তং দন্তং সুখাবহং।।*

দুৰ্নিগ্ৰহ, লঘু, যথেচ্ছ বিচৰণশীল চিত্তক দমন কৰা মঙ্গলপ্ৰদ; সংযত চিত্তই সুখ প্ৰদান কৰে।

দুন্নিগ্‌গদহস্‌স < দুৰ্নিগ্ৰহস্য = যাক বশ কৰা কঠিন।
সমীভৱনৰ ফলত ৰ্নি >ন্নি, গ্ৰ>গ্‌গ, স্য >স্‌স হৈছে।
লহুনো < *লঘুনঃ, লঘো = লঘু, চঞ্চল। মহাপ্ৰাণ ধ্বনি ঘ >হ।
যত্থকামনিপাতিনো < যত্ৰকামনিপাতিনঃ = যথেচ্ছ বিচৰণশীল।
দমথো < দময়তঃ = দমন কৰা
দন্তং < দান্তম্ = দমিত, সংযমিত।

*(৪) সুদুদ্দসং সুনিপুণং যত্থকামনিপাতিনং।*
*চিত্তং ৰকখেয্য মেধাবী চিত্তং গুত্তং সুখাবহং।।*

অতিশয় দুৰ্বোধ্য, অতিশয় সূক্ষ্ম আৰু যথেচ্ছ বিচৰণশীল চিত্তক জ্ঞানীজনে ৰক্ষা কৰে (সংযত কৰে); সুৰক্ষিত চিত্তই সুখ প্ৰদান কৰে।

সুদুদ্দসং < সুদুৰ্দৰ্শম = অতিশয় কষ্টদায়ক, যাক দেখা পোৱা বা বুজি পোৱা অতিশয় কঠিন।
ৰক্‌খেয্য < ৰক্ষেৎ = ৰক্ষা কৰে।
গুত্তং < গুপ্তম = সুৰক্ষিতভাৱে।

*(৫) দুৰংগমং একচৰং অসৰীৰং গুহাসয়ং।*
*যে চিত্তং সঞ্‌ঞমেস্‌সন্তি মোক্‌খন্তি মাৰ বন্ধনা।।*

দূৰগামী, একাকী বিচৰণশীল, অশৰীৰী, গুহাশায়ী (হৃদয়স্থিত) চিত্তক যিয়ে সংযত কৰে তেওঁ মাৰৰ বন্ধনৰ পৰা মুক্তি পায়।

দূৰঙ্গমং = দুৰ্বাৰ গতিযুক্ত (চিত্ত)।
একাচৰং = একাকী চিত্ত।
অসৰীৰং < অশৰীৰম = অশৰীৰী। চিত্ত আকৃতি তথা বৰ্ণবিহীন।
সেইবাবেই অশৰীৰী।

গুহাসয়ং < গুহাশয়ম্ = গুহাশ্ৰয়ী, অৰ্থাৎ হৃদয়ৰূপী গুহাত অৱস্থান কৰোঁতা।

সঞ্ঞমেস্সন্তি < সংযমেষ্যন্তি = সংযত কৰে। ংয >ঞ্ঞ ঞ্, ষ্য > স্স।

মোক্খন্তি < মোক্ষ্যন্তি = মুক্তি লাভ কৰে। ক্ষ > ক্খ।

মাৰবন্ধনা < মাৰবন্ধনাৎ = মাৰৰ বন্ধনৰ পৰা। অন্ত্য ব্যঞ্জনৰ লোপ।

(৬) *অনবট্ঠিত চিত্তস্স সদ্ধম্মং অবিজানতো।*
*পৰিপ্লৱপসাদস্স পঞ্ঞা ন পৰিপূৰতি।।*

যাৰ চিত্ত চঞ্চল, সত্যধৰ্ম যাৰ অজ্ঞাত, যাৰ চিত্ত শান্তিবিহীন তেওঁৰ জ্ঞানে পূৰ্ণতা লাভ নকৰে।

অনবট্ঠিত < অনবস্থিত = চঞ্চল অস্থিৰ। স্থ >ট্ঠ (মূৰ্ধণ্যীভৱন)।

সদ্ধম্মং <সদ্ধধৰ্মম্ = সত্যধৰ্ম, বুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ধৰ্মৰ যথাৰ্থ মৰ্ম। ৰ্ম >ম্ম।

অৱিজানতো < অৱিজানতঃ অজ্ঞ, নজনা।

পৰি প্লৱপসাদস্স < পৰিপ্লৱপ্ৰসাদস্য = শান্তিবিহীন। প্ৰ>প, স্য>স্স

পঞ্ঞা < প্ৰজ্ঞা = জ্ঞান। জ্ঞ>ঞ্ঞ।

পৰিপূৰতি < পৰিপূৰ্যতে = পূৰ্ণতাপ্ৰাপ্ত হয়। আত্মনেপদ বিভক্তি ‘তে’ -ৰ
সলনি পৰস্মৈপদ ‘তি’ -ৰ প্ৰয়োগ।

(৭) *অনৱস্সুত চিত্তস্স অনন্বাহতোচেতসো।*
*পুঞ্ঞপাপপহীনস্স নত্থি জাগৰতো ভয়ং।।*

যাৰ চিত্ত কামনা-বাসনাহীন, কাম আদি ৰিপুৰ দ্বাৰা অনাক্ৰান্ত, যি পাপ-পুণ্যৰ অতীত, তেওঁৰ জাগৰণত (কামনা-বাসনাৰ উৎপত্তিত) ভয় নাই।

অনৱস্সুতচিত্তস্স<অনৱস্ৰুতচিত্তস্য = কামনা বাসনাত নিমজ্জিত নোহোৱা চিত্ত।

অনন্বাহতচেতসো < অনন্বাহতচেতসঃ = কামনাত বিক্ষত হোৱা

পুঞ্ঞপাপপহীনস্স < পুণ্যপাপপ্ৰহীনস্য = পাপ-পুণ্যৰ অতীত।

ণ্য >ঞ্ঞ, প্ৰ>প, স্য > স্স।

নত্থি < নাস্তি (ন অস্তি) = নাই। স্ত > ত্থ (সমীভৱন)।

জাগৰতো < জাগ্ৰতঃ = যি জাগি থাকে বা সাৰে থাকে,
অৰ্থাৎ যাৰ কামনা-বাসনা নাথাকে।

(৮) *কুম্ভূপমং কায়মিমং বিদিত্বা নগৰূপমং চিত্তমিদং ঠপেত্বা।*
*যোধেথ মাৰং পঞ্ঞায়ুধেন জিতং চ ৰক্খে অনিবেসনো সিয়া।।*

এই শৰীৰটোক কলহৰ দৰে (নশ্বৰ) জ্ঞান কৰি, চিত্তক নগৰৰ দৰে সুৰক্ষিত কৰি প্ৰজ্ঞাৰূপ অস্ত্ৰেৰে মাৰৰ লগত যুদ্ধ কৰা; জয় কৰাখিনি ৰক্ষা কৰি অনাসক্ত হোৱা (বিষয়-বাসনাৰ প্ৰতি আসক্তিহীন হোৱা)।

কুম্ভূপমং < কুম্ভ + উপমং = কুম্ভোপমং = কুম্ভ  বা কলহৰ দৰে অৰ্থাৎ ক্ষণভঙ্গুৰ।

সন্ধিৰ ফলত পূৰ্ববৰ্তী স্বৰৰ লোপ আৰু পৰৱৰ্তী স্বৰৰ দীৰ্ঘত্ব।

নগৰূপমং < নগৰ + উপমং + নগৰূপমং = নগৰৰ দৰে।

কায়মিমং < কায়ম্ + ইমম্ > কায়মিমম্ = এই শৰীৰক।

বিদিত্বা < বিদ্ + ত্বাচ্ =  জানি

ঠপেত্বা < স্থাপয়িত্বা = স্থাপন কৰি বা ৰক্ষা কৰি। স্থা>ঠা > ঠ।

যোধেথ < যুধ্যেত = যুদ্ধ কৰা। ধ্য > ধ।
পঞ্ঞায়ুধেন < প্রজ্ঞায়ুধেন = প্রজ্ঞারূপ অস্ত্রেৰে। জ্ঞ >ঞ্ঞ।
অনিবেসনো < অনিবেশনঃ = অনাসক্ত।
ৰক্‌খে < ৰক্ষেৎ = ৰক্ষা কৰা। ক্ষ > ক্‌খ। অন্ত্য ব্যঞ্জনৰ লোপ।
সিয়া < স্যাৎ = স্যা > স্বৰভক্তিৰ ফলত সিয়া। অন্ত্য ব্যঞ্জনৰ লোপ।

**আত্মমূল্যায়ন প্ৰশ্ন**

চিত্তবগ্‌গোৰ উল্লিখিত গাঁথাকেইটাৰ সৰল আৰু ঘৰুৱা অসমীয়ালৈ ভাঙনি কৰি উলিয়াওক।

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৩.৮ পণ্ডিতবগ্‌গো

### ৩.৮.১ বিষয়বস্তু

বৌদ্ধশাস্ত্ৰ ধম্মপদৰ অন্তৰ্গত ‘পণ্ডিতবগ্‌গো’ -ত পণ্ডিত কোন, তেওঁৰ স্বভাৱ বা প্ৰকৃতি কেনেকুৱা ইত্যাদি কথা বিভিন্ন উপমাৰ সহায়েৰে মনোগ্ৰাহীকৈ দাঙি ধৰা হৈছে।

যি মেধাবী ব্যক্তিয়ে গুপ্তধনৰ সম্ভেদ দিয়াৰ দৰে দোষ-ত্ৰুটি আঙুলিয়াই দিয়ে তেনে পণ্ডিতক সম্মান জনালে সকলোৰে মঙ্গল হয়। অৱশ্যে এনে উপদেশ প্ৰদান কৰোঁতা, নিন্দনীয় আচৰণ নিবাৰণ কৰোঁতা পণ্ডিতসকল কেৱল সৎলোকৰ প্ৰিয় হয়। অসৎলোকে এওঁলোকক সদায় নিন্দাৰ দৃষ্টিৰে চায়। পণ্ডিত ব্যক্তিয়ে আৰ্যধৰ্মত ৰত হৈ বিপুল আনন্দ লাভ কৰে। এনে ব্যক্তিয়ে বুদ্ধ-প্ৰচাৰিত চতুৰাৰ্য সত্য গভীৰ অন্তৰ্দৃষ্টিৰে উপলব্ধি কৰিব পাৰে। আত্মদমন পণ্ডিত ব্যক্তিৰ অন্যতম গুণ। বৃহৎ শিলাখণ্ড ধুমুহাত লৰচৰ নোহোৱাৰ দৰে এনে ব্যক্তিও নিন্দা অথবা প্ৰশংসা একোৰে দ্বাৰা বিচলিত নহয়। এনে লোকে সুখ আৰু দুখ দুয়োটাকে সমান দৃষ্টিৰে চাব পাৰে। কামনা-বাসনাই এওঁলোকক ঢুকি নাপায়।

পণ্ডিতসকলে কাৰো কাৰণে ৰাজ্যভোগ কামনা নকৰে, কিংবা অধৰ্মৰ জৰিয়তে নিজৰ সমৃদ্ধি নিবিচাৰে। তেওঁলোক শীলবান, প্ৰজ্ঞাবান আৰু ধাৰ্মিক। সাধাৰণ মানুহে ভৱতৃষ্ণাৰ দুস্তৰ নৈ পাৰ হ’ব নোৱাৰি ইপাৰতে ঘূৰি পকি থাকিবলগীয়া হয়, অৰ্থাৎ পুনৰ্জন্মৰ দ্বাৰা সংসাৰৰ দুখ-চক্ৰত আবদ্ধ হয়। কিন্তু পণ্ডিতসকলে ইন্দ্ৰিয় সংযমৰ দ্বাৰা চিত্তক সকলো প্ৰকাৰৰ কালিমাৰ পৰা মুক্ত কৰি, কুশল ধৰ্ম আচৰণৰ দ্বাৰা ভৱতৃষ্ণাৰ বন্ধন ছিন্ন কৰে, অৰ্থাৎ জন্ম-জৰা-মৃত্যুৰ কবলৰ পৰা মুক্ত হৈ নিৰ্বাণ লাভ কৰিব পাৰে।

### ৩.৮.২ মূলপাঠ (১ ৰ পৰা ৮ নং গাথা), অসমীয়া ভাঙনি আৰু শব্দগত টোকা

(১) *নিধীনংৱ পবত্তাৰং যং পস্‌সে বজ্‌জদস্‌সিনং।*
*নিগ্‌গহ্যবাদিং মেধাবীং তাদিসং পণ্ডিতং ভজে।*
*তাদিসং ভজমানস্‌স সেয়্যো হোতি ন পাপিয়ো।।*

গুপ্তধন দেখুৱাই দিওঁতাজনৰ দৰে যিয়ে দোষ-ত্ৰুটি আঙুলিয়াই দিয়ে, দোষ ধৰোঁতা তেনে মেধাবী পণ্ডিতক ভজনা কৰিব লাগে; তেনেজনৰ ভজনাত মঙ্গল হয়, অমঙ্গল নহয়।

নিধীনং’ৰ < নিধীনাম্ ইৰ = গুপ্তধনৰ দৰে। অন্ত্য ‘ম’-কাৰৰ ঠাইত অনুস্বাৰ। পালি সন্ধিৰ ফলত ইৰ > ’ৰ হৈছে।

পবত্তাৰং < প্ৰৱক্তাৰং = ব্যাখ্যা কৰোঁতা, দেখুৱাই দিওঁতা। আদি অৱস্থানৰ সংযুক্ত বৰ্ণৰ ‘ৰ’-কাৰ লোপ, প্ৰ >প। ক্ত >ত্ত (সমীভৱন)।

বজ্জদস্সিনং < বৰ্জ্যদৰ্শিনং = বৰ্জনীয় বিষয় দেখুৱা বা দোষ-ত্ৰুটি দেখুৱাই দিয়া। ৰ্জ্য >জ্জ (সমীভৱন), ৰ্শ >স্স (সমীভৱন)।

নিগ্গহ্যবাদিং < নিগৃহ্যবাদিনং = তিৰস্কাৰকাৰীজনক বা ভৰ্ৎসনাকাৰীজনক। গৃ >গ্গ।

তাদিসং < তাদৃশং = তেনেকুৱা ঋ > অ, শ > স।

ভজমানস্স < ভজমানশ্চ = ভজনা কৰিব লাগে। শ্চ > স্স (সমীভৱন)।

সেয্যো < শ্ৰেয়সঃ = মঙ্গলজনক, উত্তম। শ্ৰ>স (আদি অৱস্থানৰ সংযুক্ত) ৰ-কাৰৰ লোপ), অঃ >ও।

(২) *ওবদেয্যানুসাসেয্য অসব্ভা চ নিবাৰয়ে।*
*সতং হি পিয়ো হোতি অসতং হোতি অপ্পিয়ো।।*

যিয়ে উপদেশ প্ৰদানৰ জৰিয়তে শাসন কৰে আৰু নিন্দনীয় আচৰণ নিবাৰণ কৰে তেওঁ সৎলোকৰ প্ৰিয় হ’ব, অসৎ লোকৰ অপ্ৰিয় হ’ব।

ওবদেয্যানুসাসেয্য < উপদেশানুশিষ্য = উপদেশ প্ৰদানেৰে শাসন কৰে। উপ > ওব। শ, ষ >স।

অসব্ভা < অসভ্যাৎ = অসভ্য আচৰণ, নিন্দনীয় ব্যৱহাৰ। ভ্য > ব্ভ (সমীভৱন)। অন্ত্য ৎ-ৰ লোপ।

নিবাৰয়ে < নিবাৰয়েৎ = নিবাৰণ কৰে।

সতং < সতাং = সৎলোকৰ।

হোতি < ভৱতি = হয়। মহাপ্ৰাণ ভ > হ, অৱ > ও।

পিয়ো < প্ৰিয়ঃ = প্ৰিয়। আদি অৱস্থানৰ সংযুক্ত প্ৰ > প। অন্ত্য অৱস্থানৰ অঃ>ও।

(৩) *ন ভজে পাপকে মিত্তে ন ভজে পুৰিসাধমে।*
*ভজেথ মিত্তে কল্যাণে ভজেথ পুৰিসুত্তমে।।*

মিত্ৰৰূপে পাপীৰ সঙ্গ ল’ব নালাগে; অধম পুৰুষৰ সঙ্গ ল’ব নালাগে; কল্যাণ-মিত্ৰ আৰু উত্তম পুৰুষৰ সঙ্গ ল’ব লাগে।

পুৰিসাধমে < পুৰুষাধমং = অধম পুৰুষক। পুৰুষ > পুৰিস, উ > ই।

পুৰিসুত্তমে < পুৰুষোত্তমং = উত্তম পুৰুষক।

ভজেথ < ভজেত = ভজনা বা অনুসৰণ কৰিব লাগে।

(৪) *ধম্মপীতী সুখং সেতি বিপ্পসন্নেন চেতসা।*
*অৰিয়প্পবেদিতে ধম্মে সদা ৰমতি পণ্ডিতো।।*

ধৰ্মৰস পান কৰোঁতাজনে সুখেৰে আৰু প্ৰসন্ন চিত্তেৰে বাস কৰে; পণ্ডিত ব্যক্তিয়ে সদায় আৰ্যধৰ্মত ৰত হৈ আনন্দ লাভ কৰে।

ধম্মপীতি < ধৰ্মপীতি = ধৰ্মৰস পান কৰোঁতা (চতুৰাৰ্য সত্য অন্তৰ্দৃষ্টিৰে উপলব্ধি কৰোঁতা)। ৰ্ম > ম্ম (সমীভৱন)।

সেতি < স্যতি = থাকে, বাস কৰে।

বিপ্পসন্নেন < বিপ্ৰসন্নেন = প্ৰসন্নতাৰে, সন্তুষ্টিৰে। প্ৰ>প্প (সমীভৱন)

চেতসা = মনেৰে, চিত্তেৰে।

অৰিয়প্পবেদিতে < আৰ্য্যপ্ৰৱৰ্তিতে = আৰ্য্যপ্ৰৱৰ্তিত।

সংযুক্ত বৰ্ণৰ পূৰ্ববৰ্তী দীৰ্ঘস্বৰৰ হ্ৰস্বীভৱনৰ ফলত আ > অ হৈছে।

ৰ্য্য > ৰিয়, প্ৰ>প্প (সমীভৱন)।

ৰমতি < ৰমতে = আনন্দ লাভ কৰে। আত্মনেপদ বিভক্তিৰ ঠাইত পৰস্মৈপদীৰ ব্যৱহাৰ।

(৫) *উদকং হি নয়ন্তি নেত্তিকা উসুকাৰা নময়ন্তি তেজনং।*
*দাৰুং নময়ন্তি তচ্ছকা অত্তানং দময়ন্তি পণ্ডিতা।।*

পানী সিচোঁতাই পানী বোৱাই নিয়ে, শৰ নিৰ্মাতাই পোনকৈ শৰ প্ৰস্তুত কৰে, কাঠমিস্ত্ৰীয়ে কাঠত ভাজ দিয়ে, পণ্ডিতে আত্মদমন কৰে।

উদকং < উদকম্ = পানী। অন্ত্য 'ম'- কাৰৰ ঠাইত 'ং'

নয়ন্তি = নিয়া বা প্ৰৱাহিত কৰা।

নেত্তিকা < নেতাৰঃ = নিওঁতা বা সিচোঁতা।

উসুকাৰা< ইযুকাৰাঃ = শৰ বা কাঁড় প্ৰস্তুত কৰোঁতা। ষ> স, ই >উ (স্বৰ সমীভৱনৰ ফলত)।

নময়ন্তি =পোন কৰা।

দাৰুং < দাৰুম্ = কাঠ।

তচ্ছকা < তক্ষকা = কাঠমিস্ত্ৰী, বাঢ়ৈ। ক্ষ > চ্ছ।

অত্তানং < আত্মানম্ = নিজক। ত্ম > ত্ত (সমীভৱন)।

সংযুক্ত বৰ্ণৰ পূৰ্ববৰ্তী দীৰ্ঘ আ > হ্ৰস্ব অ।

দময়ন্তি = দমন কৰা।

তেজনং < তেজনম্ = শৰ বা কাঁড়।

(৬) *সেলো যথা একঘনো বাতেন ন সমীৰতি।*
*এবং নিন্দাপসংসাসু ন সমিঞ্জন্তি পণ্ডিতা।।*

সুগঠিত শিলাখণ্ড বতাহত যিদৰে লৰচৰ নহয়, তেনেদৰে নিন্দা-প্ৰশংসাৰ দ্বাৰা পণ্ডিতলোক বিচলিত নহয়।

সেলো < শৈলঃ = পৰ্বত, শিলাখণ্ড। ঐ >এ, শ>স, অন্ত্য অৱস্থানৰ অঃ>ও।

একঘনো < একঘনঃ = সুগঠিত বা দৃঢ়বদ্ধ।

সমীৰতি = বিচলিত হোৱা বা লৰচৰ হোৱা।

সমীঞ্জন্তি < সমীৰ্য্যন্তে = চঞ্চল হোৱা বা বিচলিত হোৱা।

পৰৱৰ্তী আৰু পূৰ্ববৰ্তী অক্ষৰৰ নাসিক্য ব্যঞ্জন থকা বাবে ৰ্য্য >ঞ্জ হৈছে।

(৭) *যথাপি ৰহদো গম্ভীৰো বিপ্পসন্নো অনাবিলো।*
*এবং ধম্মানি সুত্বান বিপপ্সীদন্তি পণ্ডিতা।।*

গভীৰ হ্ৰদ যিদৰে শান্ত আৰু নিৰ্মল হয়, তেনেদৰে পণ্ডিতসকলো ধৰ্মশ্ৰৱণ কৰি সুপ্ৰসন্ন হয়।

যথাপি < যথা + অপি = যিদৰে।

ৰহদো < হ্ৰদঃ = হ্ৰদ, সৰোবৰ। 'হ্ৰ' ধ্বনি বিপৰ্য্যয়ৰ ফলত 'ৰহ', অন্ত্য ঃ >ও।

বিপ্‌পসন্নো < বিপ্রসন্নঃ =শান্ত। প্র > প্‌প (সমীভৱন)।
সুত্বান < শ্ৰুত্বা = শুনি। শ্ৰু > সু (আদি সংযুক্ত ব্যঞ্জনৰ ‘ৰ’ কাৰৰ লোপ), শ > স।
বিপ্‌পসীদন্তি < বিপ্রসীদন্তি = প্ৰসন্ন বা শান্ত হয়। প্ৰ > প্‌প (সমীভৱন)।

(৮) *সব্বথ ৱে সপ্‌পুৰিসা চজন্তি*
*ন কামকামা লপয়ন্তি সন্তো।*
*সুখেন ফুট্‌ঠা অথবা দুখেন*
*ন উচ্চাবচং পণ্ডিতা দস্‌সয়ন্তি।।*

সৎপুৰুষসকল সকলো ক্ষেত্ৰতে ত্যাগপৰায়ণ; তেওঁলোকে কামনা-বাসনাৰ প্ৰতি আসক্ত হৈ অযথা বাক্য-ব্যয় নকৰে; তেনে পণ্ডিতলোক সুখ বা দুখত উৎফুল্লিত অথবা অধীৰ নহয়।

সব্বথ < সৰ্বত্ৰ = সকলোতে। ৰ্ব > ব্‌ব, ত্ৰ > থ (সমীভৱন)।
সপ্‌পুৰিসা < সৎপুৰুষাঃ = সৎপুৰুষসকল। পৰৱৰ্তী অক্ষৰৰ ‘প’ৰ প্ৰভাৱত
‘ৎ’ সমীভূত হৈ ‘প’ হৈছে।
চজন্তি < ত্যজন্তি = পৰিত্যাগ কৰে। ত্য > চ্চ >চ
লপয়ন্তি < লপন্তি = অযথা বাক্য ব্যয় কৰা। অ > অয়।
সন্তো < সন্তঃ = সাধু বা পণ্ডিতলোক। অন্ত্য অঃ > ও।
ফুট্‌ঠা < স্পষ্ট্বা = পৰিস্ফুট হৈ। স্প > ফ্‌ফ >ফ, ষ্ট্ব >ট্‌ঠ (সমীভৱন)
দস্‌সয়ন্তি < দৰ্শয়ন্তি = দেখুৱাই। ৰ্শ >স্‌স (সমীভৱন)।

**আত্মমূল্যায়ন প্ৰশ্ন**

পণ্ডিতবগ্‌গোৰ উল্লিখিত গাঁথাকেইটাৰ সৰল আৰু ঘৰুৱা অসমীয়ালৈ ভাঙনি কৰি উলিয়াওক।

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৩.৯ সাৰাংশ (Summing Up)

এই বিভাগটোত আপুনি ধম্মপদৰ বিষয়ে অধ্যয়ন কৰিলে। ‘ধম্মপদ’ বৌদ্ধশাস্ত্ৰ ত্ৰিপিটকৰ অন্যতম ভাগ সুত্ত পিটকৰ অন্তৰ্গত খুদ্দক পাঠৰ দ্বিতীয় গ্ৰন্থ। ভাৰতীয় পৰম্পৰাত শ্ৰীমদ্ভগৱদ্‌গীতাৰ যি আদৰ, ‘ধম্মপদ’-ৰো সিমানেই আদৰ। ইয়াৰ অন্তৰ্গত সৰ্বমুঠ চাব্বিশটা বৰ্গৰ জৰিয়তে মানৱ জীৱনৰ নৈতিক উৎকৰ্ষ সাধনৰ শিক্ষা দিয়া হৈছে। গ্ৰন্থখনিৰ চাৰিশ তেইশটা গাথাৰ প্ৰতিটোৰেই যে বৌদ্ধধৰ্মৰ সৈতে পোনপটীয়াভাৱে জড়িত, সেই কথা ক’বলৈ টান। কাৰণ গ্ৰন্থখনিত এনে কিছুমান গাথা সন্নিৱিষ্ট আছে, যিবোৰৰ মাজত বৌদ্ধ-দৰ্শন-তত্ত্বৰ সামান্য ইঙ্গিতো পোৱা নাযায়। ধৰ্ম নিৰপেক্ষ দৃষ্টিৰে ৰচিত এনে গাথাবোৰৰ সৈতে মানুহৰ ব্যক্তিগত তথা সামাজিক জীৱনৰ নৈতিক দিশটোহে প্ৰধানভাৱে জড়িত। গ্ৰন্থখনিৰ এনে বৈশিষ্ট্যৰ বাবেই ই বিশ্বজুৰি বন্দিত হ’ব পাৰিছে।

গ্ৰন্থখনিৰ দুটা বৰ্গ — ‘চিত্তবগ্‌গো’ আৰু ‘পণ্ডিতবগ্‌গো’-ৰ প্ৰতিটোৰে একাদিক্ৰমে আঠোটাকৈ মুঠ যোল্লটা গাথা আপোনাৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট হৈছে। এই বিভাগটোত গ্ৰন্থখনিৰ

নামকৰণ, সংকলন কাল, দৰ্শনতত্ত্ব ইত্যাদি দিশবোৰ আলোচিত হোৱাৰ উপৰি আপোনাৰ সুবিধাৰ বাবে উল্লিখিত গাথাকেইটিৰ মূল পাঠ, অনুবাদ আৰু কঠিন শব্দবোৰৰ টোকা সন্নিৱিষ্ট কৰা হৈছে। সামগ্রিকভাৱে পালি-ভাষা আৰু সাহিত্যৰ অধ্যয়নৰ বাবে বিভাগটোৱে আপোনাক উদ্বুদ্ধ কৰিব।

## ৩.১০ আৰ্হি প্ৰশ্ন (Sample Question)

(১) 'ধম্মপদ' শব্দৰ ব্যুৎপত্তিগত অৰ্থৰ বিষয়ে খৰচি মাৰি আলোচনা কৰক।

(২) 'ধম্মপদ'-ৰ পৰিচয় দাঙি ধৰি বৌদ্ধ-সাহিত্যত ইয়াৰ স্থান নিৰূপণ কৰক।

(৩) ধম্মপদৰ সংকলন কাল সম্বন্ধে এটি টোকা লিখক।

(৪) 'ধম্মপদ' কি কি ভাষাত পোৱা যায়? প্রতিটোৰে পৰিচয় দাঙি ধৰক।

(৫) 'ধম্মপদ'-ৰ 'চিত্তবগ্‌গো' আৰু 'পণ্ডিতবগ্‌গো'-ৰ বিষয়বস্তু সম্বন্ধে বহলাই বিশ্লেষণ কৰক।

(৬) 'চিত্তবগ্‌গো' আৰু 'পণ্ডিতবগ্‌গো' -ৰ (পাঠ্যক্ৰম অনুসাৰে) গাথাকেইটি সৰল আৰু ঘৰুৱা অসমীয়ালৈ অনুবাদ কৰক।

## ৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| নগেন ঠাকুৰ | ঃ | *প্ৰাকৃত সাহিত্য চয়ন* |
| | ঃ | *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন* |
| সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী | ঃ | *ধম্মপদ* |
| দেৱীদাস ভট্টাচাৰ্য আৰু ঊষাৰঞ্জন ভট্টাচাৰ্য | ঃ | *ধম্মপদ* |
| S. Radhakrichnan | : | *The Dhammapada* |
| A.A. Macdonell | : | *A History of Sanskrit Literature* |
| M. Winternitz | : | *History of Indian Literature* |


* * *

## দ্বিতীয় খণ্ড
# প্ৰাকৃত ভাষা আৰু সাহিত্য

আগৰ খণ্ডটিত মধ্যভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰ — পালি ভাষা আৰু সাহিত্যৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই খণ্ডটিত মধ্যভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰ, অৰ্থাৎ প্ৰাকৃত ভাষা আৰু এই ভাষাত ৰচিত সাহিত্যৰাজিৰ বিষয়ে পৰ্যালোচনা আগবঢ়োৱা হৈছে। এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰা হৈছে —

| | | |
|---|---|---|
| **প্ৰথম বিভাগ** | ঃ | **প্ৰাকৃত ভাষা** |
| **দ্বিতীয় বিভাগ** | ঃ | **গাহাসত্তসঈ** |
| **তৃতীয় বিভাগ** | ঃ | **'কৰ্পূৰমঞ্জৰী'ৰ সাধাৰণ পৰিচয়** |
| **চতুৰ্থ বিভাগ** | ঃ | **'কৰ্পূৰমঞ্জৰী'ৰ পাঠগত পৰ্যালোচনা** |

**প্ৰথম বিভাগ**টিত প্ৰাকৃত ভাষাস্তৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা দাঙি ধৰা হৈছে। প্ৰাকৃতৰ ধাৰণা, প্ৰাকৃত নামৰ তাৎপৰ্য, প্ৰাকৃতৰ উদ্ভৱ আৰু বিকাশ, প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্য আদি দিশবোৰৰ বিস্তৃত বিশ্লেষণ আগবঢ়োৱাৰ লগতে এই ভাষাস্তৰৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যবোৰো এই বিভাগটিত আলোচিত হৈছে।

**দ্বিতীয় বিভাগ**ৰ বিষয়বস্তু হ'ল প্ৰাকৃত ভাষাৰ মনোৰম গীতিকাব্য ৰজা হালৰ দ্বাৰা সংকলিত *গাহাসত্তসঈ* । কাব্যখনৰ সংকলকৰ লগতে গাথা-ৰচকসকলৰ পৰিচয়, কাব্যখনৰ ৰচনাকাল, বিষয়বস্তু আদি দিশসমূহ এই বিভাগটিত আলোচনা কৰা হৈছে। বিভাগটিৰ শেষত মূল পাঠৰ লগতে অসমীয়া ভাঙনি আৰু কঠিন শব্দৰ শব্দগত টোকাও সন্নিৱিষ্ট কৰা হৈছে।

**তৃতীয় বিভাগ**টিৰ আলোচনাত প্ৰাকৃত ভাষাত ৰচিত এখন উল্লেখযোগ্য সট্টক *'কৰ্পূৰমঞ্জৰী'*-এ স্থান পাইছে। বিভাগটিৰ আৰম্ভণিতে নাট্যকাৰৰ পৰিচয় আৰু সাহিত্যকৃতিৰ আভাস দাঙি ধৰা হৈছে। সট্টকখনৰ কাহিনীভাগৰ মূল উৎস, প্ৰাকৃতত ৰচনাৰ কাৰণ, সট্টক হিচাপে *কৰ্পূৰমঞ্জৰী* , প্ৰাকৃতত ৰচিত প্ৰথম পূৰ্ণাঙ্গ নাট হিচাপে *কৰ্পূৰমঞ্জৰী* আদি দিশসমূহ এই বিভাগটিত অন্তৰ্ভুক্ত হৈছে।

**চতুৰ্থ বিভাগ**টিত *'কৰ্পূৰমঞ্জৰী'*-ৰ চৰিত্ৰ-চিত্ৰণ, ভাষাগত বৈশিষ্ট্য, সামাজিক স্থান আদি দিশসমূহৰ লগতে মূল পাঠ, অসমীয়া ভাঙনি আৰু কঠিন শব্দৰ শব্দগত টোকাও এই বিভাগটিত অন্তৰ্ভুক্ত হৈছে।

## প্ৰথম বিভাগ
# প্ৰাকৃত ভাষা

**বিভাগৰ গঠন**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ প্ৰাকৃত শব্দৰ ব্যুৎপত্তি আৰু প্ৰাকৃত নামৰ তাৎপৰ্য
১.৪ প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ
১.৫ প্ৰাকৃত ভাষাৰ বৈশিষ্ট্য
  ১.৫.১ ধ্বনিগত বৈশিষ্ট্য
  ১.৫.২ ৰূপগত বৈশিষ্ট্য
  ১.৫.৩ শব্দ-সম্ভাৰগত বৈশিষ্ট্য
১.৬ সাহিত্যিক প্ৰাকৃত
  ১.৬.১ মাহাৰাষ্ট্ৰী
  ১.৬.২ শৌৰসেনী
  ১.৬.৩ মাগধী
  ১.৬.৪ অৰ্ধমাগধী
  ১.৬.৫ পৈশাচী
১.৭ প্ৰাকৃত সাহিত্য (শ্ৰেণী-বিভাগ আৰু পৰিচয়)
১.৮ সাৰাংশ (Summing Up)
১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ১.১ ভূমিকা (Introduction)

এইটো বিভাগত আমি মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত প্ৰাকৃত ভাষা আৰু সেই ভাষাত ৰচিত সাহিত্যৰাজিৰ বিষয়ে অধ্যয়ন কৰিম। মধ্যভাৰতীয় আৰ্যভাষাৰ যি তিনিটা স্তৰ বিভাজন আমি প্ৰথম খণ্ডৰ প্ৰথম বিভাগৰ ১.৪ ছেদত পাই আহিছোঁ, তাৰে মধ্যৱৰ্তী স্তৰটোৰ ভাষাই হৈছে প্ৰাকৃত ভাষা আচলতে প্ৰাচীন ভাৰতীয় আৰ্যভাষাই। জনসাধাৰণৰ মুখ বাগৰি পৰিৱৰ্তিত হৈ যি ৰূপ লাভ কৰিছিল সেই ভাষাটোকে সামগ্ৰিকভাৱে প্ৰাকৃত ভাষাৰূপে অভিহিত কৰা হয় যদিও, আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে মধ্যস্তৰৰ ভাষাটোক প্ৰাকৃত ভাষাৰূপে দেখুৱাব বিচৰা হৈছে। ইয়াৰ পূৰ্বৱৰ্তী স্তৰত আমি অশোক অনুশাসনৰ প্ৰাকৃত আৰু বৌদ্ধ সাহিত্যৰ বাহক পালি ভাষা পাওঁ। আনহাতে আলোচ্য স্তৰটোৰ অব্যৱহিত পৰৱৰ্তী স্তৰত আছে অপভ্ৰংশ ভাষা।

সি যি কি নহওক, এইটো বিভাগত আমি প্ৰাকৃত শব্দৰ ব্যুৎপত্তিগত অৰ্থ, এই ভাষাৰ ধ্বনিগত, ৰূপগত আৰু শব্দসম্ভাৰগত বৈশিষ্ট্য, বিভিন্ন প্ৰকাৰৰ সাহিত্যিক প্ৰাকৃত আৰু প্ৰাকৃত সাহিত্যৰাজিৰ পৰিচয় —এই আটাইবোৰ দিশৰ আলোচনা পাম।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- প্ৰাকৃত শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰিব;
- প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু বিকাশৰ বুৰঞ্জী ফঁহিয়াই দেখুৱাব পাৰিব;
- প্ৰাকৃত ভাষাৰ বৈশিষ্ট্যবোৰ বিশ্লেষণ কৰি দেখুৱাব পাৰিব;
- বিভিন্ন সাহিত্যিক প্ৰাকৃত ভাষাৰ স্বকীয়ত্ব নিৰূপণ কৰিব পাৰিব; আৰু
- প্ৰাকৃত সাহিত্যৰাজিৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হ'ব।

## ১.৩ প্ৰাকৃত শব্দৰ ব্যুৎপত্তি আৰু প্ৰাকৃত নামৰ তাৎপৰ্য

ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ বুৰঞ্জীক পণ্ডিতসকলে যি তিনিটা স্তৰত ভাগ কৰিছে তাৰে দ্বিতীয় স্তৰটো সামগ্ৰিকভাৱে প্ৰাকৃত ভাষাৰ যুগ হিচাপে জনাজাত। এই যুগটো খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা পৰ্যন্ত পৰিব্যাপ্ত। এইটো স্তৰো আকৌ তিনিটা উপবিভাগত বিভক্ত ঃ আদি স্তৰ (পালি আৰু অশোকৰ অনুশাসনৰ ভাষা), মধ্য স্তৰ (সাহিত্যিক প্ৰাকৃত) আৰু অন্ত্য স্তৰ (অপভ্ৰংশ)। এইটো শিতানত আমি খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা ষষ্ঠ শতিকালৈ ছশ বছৰ জুৰি তৎকালীন সাহিত্যত ব্যৱহৃত মধ্য স্তৰটোৰ ভাষাৰ বা থোৰতে প্ৰাকৃত ভাষাৰ বিষয়ে অধ্যয়ন কৰিম।

মধ্য ভাৰতীয় আৰ্যভাষা প্ৰাকৃত নামেৰে কিয় জনাজাত হ'ল সি এক মৌলিক প্ৰশ্ন। এই নামৰ তাৎপৰ্য তথা প্ৰাকৃত শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ অন্বেষণৰ বাবে আমি প্ৰাচীন কালৰে পৰা বৰ্তমানলৈ বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতবোৰৰ ওচৰ চাপিব লাগিব। এই ক্ষেত্ৰত আমি প্ৰধানতঃ চাৰিটা মত পাওঁ ঃ (ক) 'প্ৰকৃতি' বা মূলৰ পৰা, অৰ্থাৎ সংস্কৃত ভাষাৰ পৰা যি ভাষাৰ সৃষ্টি হৈছে সেয়ে প্ৰাকৃত; (খ) প্ৰাকৃতিক বা স্বাভাৱিকভাৱে আহৰিত জনসাধাৰণৰ দৈনন্দিন জীৱনত প্ৰচলিত ভাষাই প্ৰাকৃত ভাষা; (গ) 'প্ৰাকৃত' অৰ্থাৎ সাধাৰণ লোকৰ যি বাগ্-ব্যৱহাৰ সেয়াই প্ৰাকৃত ভাষা; আৰু (ঘ) 'প্ৰাক্-কৃত' অৰ্থাৎ পূৰ্বৰ বা আন কথাত সংস্কৃততকৈ আগৰ যি ভাষা সি প্ৰাকৃত ভাষা।

ওপৰত উল্লিখিত মতকেইটাৰ ভিতৰত প্ৰথমটো মত, অৰ্থাৎ সংস্কৃতৰ পৰা প্ৰাকৃত ভাষাৰ উদ্ভৱ হোৱা কথাটো প্ৰাচীন ভাৰতীয় আলংকাৰিক আৰু বৈয়াকৰণসকলৰ দ্বাৰা সমৰ্থিত। কোনো কোনো পাশ্চাত্য পণ্ডিতেও এই মতকে সমৰ্থন কৰিছে। প্ৰাকৃত বৈয়াকৰণ হেমচন্দ্ৰৰ (*সিদ্ধহৈমশব্দানুশাসনম্*) মতে, "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভবং বা তত আগতং প্ৰাকৃতম্", অৰ্থাৎ প্ৰকৃতি বা মূল সংস্কৃতৰ পৰা যি আহিছে বা যাৰ উদ্ভৱ হৈছে, সেয়ে প্ৰাকৃত। মাৰ্কণ্ডেয় কবীন্দ্ৰই *'প্ৰাকৃত সৰ্বস্ব'* নামৰ ব্যাকৰণখনত একে মন্তব্যকে কৰিছে যে "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভবং প্ৰাকৃতমুচ্যতে"। আকৌ কৃষ্ণ পণ্ডিতৰ *'প্ৰাকৃত চন্দ্ৰিকা'* অনুসাৰে "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভৱত্বাৎ প্ৰাকৃতং স্মৃতম্"। *'প্ৰাকৃত-সঞ্জীৱনী'* নামৰ গ্ৰন্থখনিৰ মতেও "প্ৰাকৃতস্য তু সৰ্বমেব সংস্কৃতং যোনিঃ"। বৈয়াকৰণসকলৰ উপৰি প্ৰসিদ্ধ ভাৰতীয় আলংকাৰিক আচাৰ্য দণ্ডীয়েও একে মতকে পোষণ কৰিছে। এনেদৰে বিচাৰ কৰিলে দেখা যায়, সংস্কৃতৰ পৰাই যে প্ৰাকৃত ভাষাৰ উদ্ভৱ হৈছে সেই সম্পৰ্কে প্ৰাচীন ভাৰতীয় পণ্ডিতসকল প্ৰায় একমত। অৱশ্যে এই সংস্কৃত পাণিনিৰ দ্বাৰা ব্যাকৰণৰ সূত্ৰত আবদ্ধ ধ্ৰুপদী সংস্কৃত ভাষা নহয়; বৰং ই বৈদিক ভাষা তথা সেই সময়ত প্ৰচলিত ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত সকলো উপভাষাৰ এক সামগ্ৰিক ৰূপ। আলংকাৰিক ৰুদ্ৰটৰ *'কাব্যালংকাৰ'*ৰ টীকাকাৰ নমিসাধুৱে এনে অৰ্থতে প্ৰাকৃত ভাষাৰ

উদ্ভৱ আৰু তাৎপৰ্যৰ বিচাৰ কৰিছে। তেওঁৰ মতে "সকল জগজন্তুনাং ব্যাকৰণাদিভিৰং নাহিত সংস্কাৰ সহজ বচন ব্যাপাৰ প্ৰকৃতিঃ। তত্ৰ ভৱ সৈৱ বা প্ৰাকৃতম্"।

ইউৰোপীয় পণ্ডিতসকলে 'প্ৰাকৃত' ভাষাৰ বিষয়ে কৰা মন্তব্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি— (ক) সংস্কৃত নাটকাদিত ব্যৱহৃত সংস্কৃত ভিন্ন অন্য ভাষাৰ নাম প্ৰাকৃত; (খ) ভাৰতীয় আৰ্যভাষাৰ ইতিহাসৰ মধ্য যুগত প্ৰচলিত ভাষা; (গ) সাহিত্যিক ভাষাৰ পৰা পৃথক, জনসাধাৰণৰ মাজত প্ৰচলিত কথিত ভাষা।

উল্লিখিত মতকেইটাৰ প্ৰথম দুটাৰ ক্ষেত্ৰত মতদ্বৈধ নাথাকিলেও শেষৰ মন্তব্যটো মানি ল'বলৈ টান। বৰং ক'ব পাৰি জনসাধাৰণৰ মাজত প্ৰচলিত বৈদিক ভাষাৰ পৰিৱৰ্তিত ৰূপটোৰ নামেই 'প্ৰাকৃত'। এই প্ৰাকৃত ভাষাৰ পৰিমাৰ্জিত ৰূপটোকে সমসাময়িক কবি সাহিত্যিকসকলে সাহিত্যৰ বাহন হিচাপে ব্যৱহাৰ কৰিছিল। *'গৌড়বহো'* মহাকাব্যৰ ৰচক বাকপতিৰাজে 'সকলো ভাষা প্ৰাকৃতৰ অন্তৰ্গত আৰু প্ৰাকৃতৰ পৰাই সকলো ভাষা নিৰ্গত' বুলি কৰা মন্তব্যটো এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ। ওপৰত উল্লিখিত নমিসাধুৱে কোৱাৰ দৰে ব্যাকৰণ আদিৰ সূত্ৰৰ জৰিয়তে সংস্কাৰপ্ৰাপ্ত নোহোৱা সাধাৰণ মানুহৰ সহজ-সৰল বাগভঙ্গীয়েই 'প্ৰকৃতি' আৰু তাৰ পৰা উদ্ভৱ হোৱা ভাষাৰ নাম প্ৰাকৃত। অৰ্থাৎ প্ৰাকৃত ভাষা হ'ল জনসাধাৰণৰ স্বাভাৱিক কথিত ভাষা।

'প্ৰাকৃত' শব্দটো সম্ভৱতঃ 'সংস্কৃত'ৰ পৰা পৃথক ভাষাক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। অৰ্থাৎ, মহামুনি পাণিনিয়ে সংস্কাৰ আৰু পৰিমাৰ্জন কৰা শিষ্টজনৰ সাহিত্যিক ভাষাৰ নাম সংস্কৃত আৰু তাৰ বিপৰীতে সাধাৰণজনৰ দৈনন্দিন জীৱনত প্ৰচলিত কথিত ভাষাৰ নাম প্ৰাকৃত — এনে তুলনাৰ আধাৰত 'প্ৰাকৃত' শব্দটোৰ সৃষ্টি হৈছে। ভাষাতত্ত্ববিদ ডঃ সুকুমাৰ সেনে *ভাষাৰ ইতিবৃত্ত* গ্ৰন্থত 'প্ৰাকৃত' নামটিৰ তাৎপৰ্য বিশ্লেষণৰ প্ৰসঙ্গত কৈছে, "প্ৰাকৃত বা প্ৰাকৃত ভাষাৰ প্ৰকৃত তাৎপৰ্য হৈছে 'প্ৰকৃতি' অৰ্থাৎ জনসাধাৰণে ব্যৱহাৰ কৰা ভাষা। শিষ্ট ব্ৰাহ্মণ্য সমাজৰ 'শুদ্ধ' ভাষা সংস্কৃত —এই নামৰ প্ৰতিৰূপ হিচাপে প্ৰাকৃত নামটি কল্পনা কৰি লোৱা হৈছে"। মন কৰিবলগীয়া যে সংস্কৃত নাটকত উচ্চ শ্ৰেণীৰ চৰিত্ৰ; যেনে— ৰজা, ব্ৰাহ্মণ আদিৰ সংলাপত কেতিয়াও প্ৰাকৃত ভাষা প্ৰয়োগ কৰা নাই। বৰং মধ্যম আৰু নিম্নখাপৰ চৰিত্ৰৰ মুখতহে এই ভাষা প্ৰয়োগ কৰা হৈছে। এনে ঘটনাই 'প্ৰাকৃত' শব্দটি সাধাৰণজনৰ কথিত ভাষা বুজাবলৈ ব্যৱহাৰ হোৱাৰ দিশলৈকে আঙুলিয়ায়।

এইখিনিতে প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰি থোৱা সমীচীন হ'ব যে সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ উদ্ভৱ একে সময়তে হোৱা নাই। ভাৰতীয় আৰ্যভাষাৰ কথিত ৰূপটো আৰম্ভণিৰে পৰাই আছিল আৰু তাৰ পৰিমাৰ্জিত ৰূপটোত বেদ ৰচনা কৰা হৈছিল। পৰৱৰ্তী কালত মানুহৰ মুখ বাগৰি ই পৰিৱৰ্তিত হোৱাত বেদৰ ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ্থে সংস্কৃত ভাষাৰ সৃষ্টি কৰা হয়। গতিকে সংস্কৃত হ'ল ব্যাকৰণ— নিৰ্দিষ্ট ভাষা তথা নিয়মানুশাসিত ভাষা। আনহাতে, প্ৰাকৃত ভাষা কিন্তু স্বচ্ছন্দ তথা স্বাভাৱিক। অৱশ্যে জনসাধাৰণৰ মাজত প্ৰচলিত এই কথিত ৰূপটোৰ আধাৰত সৃষ্ট কৃত্ৰিম সাহিত্যিক ভাষাৰ জৰিয়তে তৎকালীনভাৱে সাহিত্যাদি ৰচনা কৰা হৈছিল। এই ভাষা 'সাহিত্যিক প্ৰাকৃত' নামেৰে জনাজাত।

ভাৰতীয় পৰম্পৰাত 'প্ৰাকৃত' নামটিৰ প্ৰথম উল্লেখ পোৱা যায় আনুমানিক খ্ৰীষ্টীয় দ্বিতীয় শতিকাত ৰচিত ভৰত মুনিৰ *'নাট্যশাস্ত্ৰ'*ত। ইয়াৰ পাছত খ্ৰীষ্টীয় সপ্তম শতিকাত আচাৰ্য দণ্ডীয়ে সাহিত্যিক ভাষা হিচাপে প্ৰাকৃতক এক স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি দিয়ে। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ মহামুনি পতঞ্জলিকৃত *'মহাভাষ্য'*ত সংস্কৃতৰ বিকৃত ৰূপক 'অপভ্ৰংশ' আখ্যা দিয়া হৈছিল। এই 'অপভ্ৰংশ' শব্দয়ো প্ৰকৃতপক্ষে লৌকিক বাগ্‌ভঙ্গী অৰ্থাৎ প্ৰাকৃতকে বুজায়।

মুঠতে ভাৰতীয় পৰম্পৰাত সংস্কৃততকৈ পৃথক যি লৌকিক ভাষা ৰূপ তাৰ নামেই প্ৰাকৃত।

**আত্মমূল্যায়ন প্ৰশ্ন**

এশমান শব্দৰ ভিতৰত প্ৰাকৃত শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু প্ৰাকৃত নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

## ১.৪ প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ

ভাৰতীয় আৰ্যভাষাৰ ইতিহাসৰ আলোচনাত খ্ৰীষ্ট পূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈ প্ৰচলিত স্তৰটোক মধ্য ভাৰতীয় আৰ্যভাষা আখ্যা দিয়া হৈছে। এই স্তৰটোক সামগ্ৰিকভাৱে প্ৰাকৃত ভাষাৰ যুগ বুলি কোৱা হয়। আমি ইতিমধ্যে খণ্ড -১-ত এই বিষয়ে অধ্যয়ন কৰি আহিছোঁ। ইয়াত মাথো মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰৰ অন্তৰ্গত প্ৰাকৃত ভাষাৰ বিষয়েহে অধ্যয়ন কৰিম। অৰ্থাৎ, এইটো শিতানত পালি, অনুশাসনৰ ভাষা বা প্ৰাচীন প্ৰাকৃত আৰু অপভ্ৰংশৰ আলোচনা পৰিহাৰ কৰা হ'ব।

আমি যিটো স্তৰৰ প্ৰাকৃত ভাষাৰ কথা এই আলোচনাত পাম সেইটো হৈছে মূলতঃ সাহিত্যাদি ৰচনাত ব্যৱহৃত প্ৰাকৃত ভাষা। এইটো স্তৰৰ ভাষা খ্ৰীষ্টীয় প্ৰথম শতিকাৰ আৰম্ভণিৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈ বিস্তৃত। এই স্তৰৰ ভাষাৰ নিদৰ্শন নিম্নোক্ত ৰচনা-ৰাজিত পোৱা যায়—

(ক) খ্ৰীঃ প্ৰথম শতিকাত ৰচিত অশ্বঘোষৰ *'সাৰিপুত্ৰ প্ৰকৰণ'* ৰ প্ৰাকৃতাংশত;

(খ) খ্ৰীঃ দ্বিতীয় শতিকাৰ ভৰতৰ *নাট্যশাস্ত্ৰ* ত প্ৰাপ্ত ধ্ৰুৱা গীতবোৰৰ মাজত;

(গ) সংস্কৃত নাটকত ব্যৱহৃত সংলাপ, গাথা আৰু গীতবোৰৰ মাজত;

(ঘ) জৈন ধৰ্মশাস্ত্ৰকেইখনমানত;

(ঙ) তৎকালীন ভাষাত ৰচিত কাব্যসমূহৰ মাজত; আৰু

(ঘ) বৈয়াকৰণসকলে উল্লেখ কৰা উক্তি বা উদ্ধৃতিৰ মাজত।

বৈদিক যুগৰ কথিত ভাষাৰ পৰাই যে কালক্ৰমত প্ৰাকৃত ভাষাৰ উদ্ভৱ হৈছে সেই বিষয়ে কোনো দ্বিমত নাই। জনসাধাৰণৰ মুখ বাগৰি বৈদিক ভাষা এটা সময়ত এনে এটা স্তৰত উপনীত হ'ল যি স্তৰৰ ভাষাৰ সৈতে প্ৰাচীন ভাষাটোৰ যোগসূত্ৰ ক্ষীণ হৈ পৰিল। এই নতুন স্তৰটোৰ আৰম্ভণিতে আমি কেতবোৰ অনুশাসন পাওঁ য'ত পৰিৱৰ্তিত ভাষা-ৰূপটোৰ নিদৰ্শন স্পষ্টভাৱে সংৰক্ষিত হৈছে। সেইবোৰৰ অনুসন্ধান কৰি পণ্ডিতসকলে তৎকালীনভাৱে প্ৰচলিত চাৰিটা ঔপভাষিক ৰূপ উদ্ধাৰ কৰিছে— (১) উত্তৰ-পশ্চিমা বা গান্ধাৰ-উদীচ্যা, (২) দক্ষিণ-পশ্চিমা বা পশ্চিমা বা সৌৰাষ্ট্ৰ-প্ৰতীচ্যা, (৩) প্ৰাচ্য-মধ্যা, আৰু (৪) প্ৰাচ্যা। বিশেষকৈ সম্ৰাট অশোকে লিখোৱা অনুশাসনসমূহৰ মাজত এই চাৰিটা ঔপভাষিক ৰূপৰ স্পষ্ট পৰিচয় পোৱা যায়। ইয়াৰ সমসাময়িকভাৱে বৌদ্ধ মতাৱলম্বীসকলে তেওঁলোকৰ শাস্ত্ৰ-ৰচনাতো তৎকালীন কথিত ভাষাৰ পৰিমাৰ্জিত ৰূপটোকে ব্যৱহাৰ কৰিছে। এই ভাষা পালি ভাষাৰূপে জনাজাত। অনুশাসন তথা বৌদ্ধশাস্ত্ৰৰ ভাষাই কিন্তু তেতিয়াও প্ৰাচীন ভাষাৰ ভালেমান বৈশিষ্ট্য বহন

কৰিছিল। উদাহৰণস্বৰূপে মধ্যভাৰতীয় আৰ্যভাষাত প্ৰাচীন ভাষাৰ আত্মনেপদ ৰূপৰ প্ৰয়োগ নাই বুলি যদিও কোৱা হয়, অনুশাসনৰ ভাষা আৰু পালিভাষাত কিন্তু আত্মনেপদৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। সেইদৰে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ধাতুৰ দহোটা গণৰ পালিত সাতোটাৰ ব্যৱহাৰ আছে। কিন্তু পৰৱৰ্তী কালৰ ভাষাত ইয়াৰ সংখ্যা তিনিটা হৈছেগৈ।

সি যি কি নহওক, 'প্ৰাকৃত' বুলিলে সামগ্ৰিকভাৱে সমগ্ৰ মধ্য ভাৰতীয় আৰ্যভাষাক বুজালেও ই যে খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী পৰ্যন্ত সাহিত্যাদিত ব্যৱহৃত মধ্যস্তৰৰ ভাষাটোকহে বুজায় তাত সন্দেহৰ অৱকাশ নাই। ভালেমান ইউৰোপীয় পণ্ডিতে উল্লিখিত ভাষাটোক বুজাবলৈকে 'প্ৰাকৃত' শব্দটো ব্যৱহাৰ কৰিছে। মধ্যভাৰতীয় আৰ্যভাষাৰ এগৰাকী বিশিষ্ট পণ্ডিত আৰ. পিশ্চেলে সেই বাবেই মন্তব্য কৰিছে, "By the term Prakrit, the Indian grammarians and rhetoricians comprehended a mulitude of literary languages." ইয়াৰ পৰা বুজিবলৈ অসুবিধা নহয় যে প্ৰাকৃত ভাষা মানে সাহিত্যত ব্যৱহৃত তৎকালীন ভাষা ৰূপ। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা এই ভাষাই সংস্কৃত নাট্য-সাহিত্যত মধ্যম আৰু নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ সংলাপ, নাটকৰ গীত আৰু কবিতাৰ মাজত স্থান লাভ কৰে। ইয়াৰ লগে লগে তৎকালীনভাৱে ৰচিত অন্যান্য সাহিত্যৰাজিতো এই ভাষাৰ ব্যাপক প্ৰয়োগ হ'বলৈ লয়।

খ্ৰীষ্টীয় প্ৰথম শতিকাৰ বৌদ্ধ পণ্ডিত অশ্বঘোষৰ দ্বাৰা ৰচিত *'সাৰিপুত্ৰ প্ৰকৰণ'*- ৰ জাৰ্মান পণ্ডিত লুডাৰ্ছে যি পাঠ চীনীয়-তুৰ্কীস্তানৰ পৰা উদ্ধাৰ কৰিছিল তাৰ সংলাপত সংস্কৃত আৰু প্ৰাকৃত দুয়োবিধ ভাষাৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। পৰৱৰ্তী কালৰ সাহিত্যিক প্ৰাকৃতসমূহৰ অব্যৱহিত পূৰ্বৰূপ এই নাটৰ সংলাপত ব্যৱহৃত হৈছে বুলি বিভিন্ন পণ্ডিতে উল্লেখ কৰাটো এই প্ৰসঙ্গত মন কৰিবলগীয়া।

অশ্বঘোষৰ পাছত খ্ৰীষ্টীয় দ্বিতীয় শতিকামানত ৰচিত ভৰতমুনিৰ *'নাট্যশাস্ত্ৰ'*ৰ অন্তৰ্গত ধ্ৰুৱাগীতসমূহত প্ৰাকৃত ভাষাৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে ভৰতমুনিয়ে নাটকত প্ৰাকৃত ভাষাৰ প্ৰয়োগ-বিধিৰ বিষয়েও শাস্ত্ৰখনিত উল্লেখ কৰিছে। পৰৱৰ্তী সংস্কৃত নাট্যকাৰসকলে সম্ভৱতঃ ভৰতমুনিৰ এনে ইঙ্গিতৰ আঁত ধৰিয়েই তেওঁলোকৰ নাটসমূহত বিভিন্ন প্ৰাকৃত ভাষা প্ৰয়োগ কৰিছে।

মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰাথমিক স্তৰত পোৱা উপভাষাকেইটাৰ কথা এই শিতানৰ আৰম্ভণিতে উল্লেখ কৰা হৈছে। পৰৱৰ্তী সময়ত আৰ্য অধ্যুষিত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত কেইটিমান আঞ্চলিক উপভাষা নিজস্ব বৈশিষ্ট্য সহকাৰে গঢ় লৈ উঠে। জনসাধাৰণৰ মুখে মুখে প্ৰচলিত এই প্ৰাকৃত উপভাষাবোৰৰ একোটাকৈ শিষ্ট ৰূপ সাহিত্যাদি ৰচনাতো ব্যৱহাৰ হ'বলৈ ধৰে। সংস্কৃত নাটকত ব্যৱহৃত এনে প্ৰাকৃতৰ কথা আমি ইতিমধ্যে পায়ে আহিছোঁ। সংস্কৃত ভাষাৰ আদৰ্শত সৃষ্টি হোৱা এনে প্ৰাকৃত উপভাষাবোৰৰ বিষয়ে তৎকালীন বৈয়াকৰণ বৰৰুচি, হেমচন্দ্ৰ, মাৰ্কণ্ডেয় আদিয়ে সবিশেষ আলোচনা কৰিছে। এই প্ৰাকৃত উপভাষাবোৰকে 'সাহিত্যিক প্ৰাকৃত' আখ্যা দিয়া হৈছে। সাহিত্য ৰচনাত ব্যৱহাৰ হোৱা এনে প্ৰাকৃতৰ সংখ্যা মূলতঃ পাঁচোটা ঃ মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধমাগধী আৰু পৈশাচী। অৱশ্যে বৈয়াকৰণ ভেদে আলোচ্য প্ৰাকৃত ভাষাৰ সংখ্যা ভিন ভিন হোৱাটো মন কৰিবলগীয়া।

সি যি কি নহওক, ওপৰত উল্লেখ কৰি অহা পাঁচোটা প্ৰাকৃতকে মূলতঃ 'সাহিত্যিক প্ৰাকৃত' বোলা হয় আৰু এই প্ৰাকৃত ভাষাকেইটাই একোটাহঁত নিৰ্দিষ্ট অঞ্চলৰ ভাষা-ৰূপ হিচাপে

প্ৰতিষ্ঠা লাভ কৰে। উদাহৰণ স্বৰূপে উত্তৰ-পশ্চিম ভাৰতত 'পৈশাচী', দক্ষিণ-পশ্চিম বা পশ্চিমত 'মাহাৰাষ্ট্ৰী', মধ্য ভাৰতত 'শৌৰসেনী' আৰু পূব ভাৰতত 'অৰ্ধমাগধী' আৰু 'মাগধী'য়ে বিকাশ লাভ কৰে। এই প্ৰাকৃত ভাষাবোৰৰ ভিতৰত 'মাহাৰাষ্ট্ৰী'ক শ্ৰেষ্ঠ বা মূল প্ৰাকৃত হিচাপে ধৰি লৈ প্ৰাকৃত ব্যাকৰণকাৰসকলে অন্যান্য প্ৰাকৃতৰ বিষয়ে আলোচনা কৰিছে। উল্লেখযোগ্য যে মাহাৰাষ্ট্ৰী প্ৰাকৃতত ভালেকেইখন উৎকৃষ্ট কাব্য ৰচিত হৈছে। সেইবোৰৰ ভিতৰত বাক্‌পতিৰাজৰ *'গউড়বহো'*, প্ৰবৰসেনৰ *'সেতুবন্ধ'*, নৃপতি হাল সংকলিত *গাহাসত্তসঈ* আদিৰ নাম ল'ব পাৰি। অৰ্ধমাগধী জৈনসকলৰ সাহিত্যত ব্যৱহাৰ হৈছিল। শৌৰসেনী আৰু মাগধীত ৰচিত কোনো স্বকীয় সাহিত্য কৰ্ম পোৱা নাযায় যদিও, সংস্কৃত নাটকৰ অধিকাংশ সংলাপ এই দুই প্ৰাকৃতত ৰচিত। শৌৰসেনীত প্ৰাচীন স্তৰৰ ভাষাৰ কিছু বৈশিষ্ট্য সংৰক্ষিত হোৱা বাবে ইয়াক নাৰী আৰু মধ্যম শ্ৰেণীৰ মুখত দিয়া হৈছে। আনহাতে মাগধীক প্ৰাকৃত ভাষাবোৰৰ ভিতৰত আটাইতকৈ বিকৃতি প্ৰাপ্ত ভাষা বুলি ধৰি লৈ নিম্ন শ্ৰেণীৰ চৰিত্ৰ, যেনে— ধীৱৰ, চমাৰ, চোৰ, জুৱাৰী আদিৰ মুখত দিয়া হৈছে। মন কৰিবলগীয়া যে সংস্কৃত নাটকত চৰিত্ৰই যি ভাষাতেই কথা নাপাতক গীত আৰু কবিতা গাব লাগিলে সদায় মাহাৰাষ্ট্ৰী প্ৰাকৃতত গাব লাগিছিল।

'সাহিত্যিক প্ৰাকৃত' ভাষাকেইটাৰ ভিতৰত 'পৈশাচী'কো ধৰা হৈছে যদিও, এই ভাষাৰ কোনো সাহিত্যিক নিদৰ্শন পোৱা নাযায়। প্ৰাকৃত ব্যাকৰণকাৰসকলৰ সূত্ৰ আৰু প্ৰাসঙ্গিক নিদৰ্শনবোৰেই ইয়াৰ একমাত্ৰ ভিত্তি। এই প্ৰাকৃতত গুণাঢ্য নামৰ জনৈক কথা-শিল্পীয়ে *'বড়ডকহা'* নামৰ এখন গ্ৰন্থ ৰচনা কৰা বুলি পৰৱৰ্তী ৰচনাৰ পৰা জানিব পৰা যায়।

প্ৰধানকৈ সাহিত্য ৰচনাত ব্যৱহাৰ হ'লেও, এই প্ৰাকৃত ভাষাসমূহ যে তৎকালীন জনসাধাৰণৰ দৈনন্দিন জীৱনৰ যোগাযোগৰ মাধ্যম আছিল, তাক নক'লেও চলে। মহাৰাষ্ট্ৰ অঞ্চলৰ বাবে মাহাৰাষ্ট্ৰী, মগধ অঞ্চলত প্ৰচলিত বাবে মাগধী ইত্যাদি ভৌগোলিক নামকৰণ আৰু ভাষাৰূপবোৰত পোৱা অনেক বৈশিষ্ট্যই সেই কথাৰ প্ৰমাণ দাঙি ধৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু বিকাশ ক'ত, কেতিয়া, কেনেদৰে হৈছিল? (৬০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

...........................................................................................................
...........................................................................................................
...........................................................................................................

২। সংস্কৃত নাটকত কি কি প্ৰাকৃত ভাষাৰ ব্যৱহাৰ পোৱা যায় উল্লেখ কৰক। (২০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

...........................................................................................................
...........................................................................................................
...........................................................................................................

## ১.৫ প্ৰাকৃত ভাষাৰ বৈশিষ্ট্য

### ১.৫.১ ধ্বনিগত বৈশিষ্ট্য

(১) বৈদিক-সংস্কৃতৰ চৈধ্যটা মূল স্বৰধ্বনিৰ ঠাইত প্ৰাকৃতত মাত্ৰ আঠোটাৰ প্ৰয়োগ লক্ষ্য কৰা যায়। সেইকেইটা হৈছে— অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও। ঋ, ৯,৯ৢ-ৰ প্ৰয়োগ

প্ৰাকৃতত সমূলি লোপ পালে। ঋ-কাৰ অ, ই, উ, এ, ৰ, ৰি, ৰু -লৈ পৰিৱৰ্তিত হ'ল। ঐ আৰু ঔৰ ঠাইত ক্ৰমে এ, অই, ই, আৰু ও, অউ আৰু উ -ৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। তলত ঋ, ঐ, ঔ আৰু অন্য স্বৰৰ পৰিৱৰ্তনবোৰ একাদিক্ৰমে উল্লেখ কৰা হ'ল—

**(ক) ঋ-কাৰৰ পৰিৱৰ্তন ঃ**

| | | |
|---|---|---|
| ঋ > অ | ঃ | কৃত > কট,কঅ, কদ। |
| ঋ > ই | ঃ | ঋষি > ইসি, শৃগাল > সিআল। |
| ঋ > উ | ঃ | ঋষভ > উসহ, মৃণাল > মুণাল। |
| ঋ > এ | ঃ | গৃহ > গেহ। |
| ঋ > ৰ | ঃ | বৃক্ষ > ব্ৰচ্ছ। |
| ঋ > ৰি | ঃ | ঋদ্ধি > ৰিদ্ধি। |
| ঋ > ৰু | ঃ | বৃক্ষ > ৰুচ্ছ। |

**(খ) ঐ-কাৰৰ পৰিৱৰ্তন ঃ**

| | | |
|---|---|---|
| ঐ > এ | ঃ | শৈল > সেল, বৈৰ > বেৰ। |
| ঐ > অই | ঃ | কৈতৱ > কইঅৱ। |
| ঐ > ই, ঈ | ঃ | সৈন্ধৱ > সিন্ধৱ, ধৈৰ্য > ধীৰ। ঐ -কাৰৰ পিছত সংযুক্ত ব্যঞ্জন থাকিলে এনে পৰিৱৰ্তন হোৱা দেখা যায়। |

**(গ) ঔ-কাৰৰ পৰিৱৰ্তন ঃ**

| | | |
|---|---|---|
| ঔ > ও | ঃ | যৌৱন > জোব্বণ। |
| ঔ > অউ | ঃ | যৌৱন > জউঅণ, মৌলি > মউলি। |
| ঔ > উ | ঃ | মৌক্তিকম্ > মুত্তিঅং, সৌন্দৰ্য > সুন্দেৰং। ঔ -কাৰৰ পিছত সংযুক্ত ব্যঞ্জন ব্যৱহৃত হ'লে ঔ > উ লৈ পৰিৱৰ্তত হয়। |

**(ঘ) দ্ব্যক্ষৰ ধ্বনিৰ পৰিৱৰ্তন ঃ**

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দ্ব্যক্ষৰ স্বৰ 'অয়' আৰু 'অৱ' প্ৰাকৃতত যথাক্ৰমে 'এ' আৰু 'ও' -লৈ পৰিৱৰ্তিত হ'ল। যেনে—

| | | |
|---|---|---|
| অয় > এ | ঃ | নয়তি > ণেদি, ণেই, পূজয়তি > পূজেই, পূজেদি; |
| অৱ > ও | ঃ | অৱহসিত > ওহসিদ, অৱনত > ওণত |

**(ঙ) স্বৰ ধ্বনিৰ অন্যান্য পৰিৱৰ্তন ঃ**

(অ) অনুস্বাৰ আৰু সংযুক্ত ব্যঞ্জনৰ পূৰ্ববৰ্তী দীৰ্ঘ স্বৰ হ্ৰস্ব হয়; যেনে— মালাং > মালং, কাব্য > কব্ব ইত্যাদি।

(আ) সংযুক্ত ব্যঞ্জনৰ ঠাইত একক ব্যঞ্জন হ'লে পূৰ্ববৰ্তী দীৰ্ঘ স্বৰ হ্ৰস্ব হয়; যেনে— কৰ্তব্য > কাতব্ব, বিশ্বাস > বীসাস ইত্যাদি।

(ই) অনুস্বাৰৰ লোপত পূৰ্ববৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ হয়; যেনে— বিংশত্ > বীসা, ত্ৰিংশত > তীসা ইত্যাদি।

(ঈ) এক স্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ প্ৰাকৃতত প্ৰায়ে লক্ষ্য কৰা যায়; যেনে— পক্ক > পিক্ক, প্ৰাকৃত > পউঅ, সদা > সই, পৃথিৱী > পুহৱী, ইক্ষু > উচ্ছু, নীড় > ণেড, মুকুল > মউল, নূপুৰ > নেউৰ, প্ৰকোষ্ঠ > পঅট্‌ঠ, বেদনা > বিঅণা ইত্যাদি।

(২) প্ৰাকৃতত 'ন'-ৰ ঠাইত 'ণ' হয়; যেনে— অৱনত > ওণত, নয়তি > ণেই। অৱশ্যে অৰ্ধমাগধীত আৰু পৈশাচীত 'ন' ৰ কোনো পৰিৱৰ্তন নহয়। পৈশাচীত ওলোটাকৈ 'ণ' ৰ ঠাইত 'ন' হোৱাহে দেখা যায়; যেনে- তৰুণী > তলুনী।

(৩) প্ৰাকৃতত 'য' > জ হয়; যেনে- যোগ্য > জোগ্‌গ। মাগধীত কিন্তু 'য' ৰক্ষিত হয়; যেনে- যাবৎ > যাব।

(৪) মাগধীৰ বাহিৰে আন প্ৰাকৃতত 'শ', 'ষ', 'স' > স হয়; যেনে- শিষ্য > সিস্‌স। মাগধীত কিন্তু শ, ষ, স > শ হয়। যেনে- প্ৰসীদন্তু > পশীদন্তু।

(৫) শব্দৰ আদিস্থিত অল্পপ্ৰাণ ব্যঞ্জন প্ৰাকৃতত কেতিয়াবা মহাপ্ৰাণ হয়; যেনে- কুব্জ > খুজ্জ, পনস > ফণস (মাগধীত পণস)।

(৬) আদিস্থিত দন্ত্য ধ্বনি কেতিয়াবা মূৰ্ধন্য আৰু তালব্য ধ্বনিলৈ পৰিৱৰ্তিত হয়; যেনে- দ্বাদশ > ডুৱাডস, তিষ্ঠ > চ্‌টিঠ ইত্যাদি।

(৭) পদাদিস্থিত ভ > হ; যেনে- ভৱতি > হোই, ভৱিতব্য > হোদব্ব।

(৮) শৌৰসেনী আৰু মাগধীত 'তাৱৎ' আৰু 'তে'-ৰ 'ত' 'দ'-লৈ পৰিৱৰ্তিত হয়; যেনে- তাৱৎ > দাৱ, তে > দে।

(৯) স্বৰ মধ্যস্থিত ক, গ, চ, জ, ত, দ, প, ব প্ৰাকৃতত, বিশেষকৈ মাহাৰাষ্ট্ৰী প্ৰাকৃতত প্ৰায়ে লোপ হয়; যেনে- লোক > লোঅ, যুগল > জুঅল, প্ৰচুৰ > পউৰ, ৰাজা > ৰাআ, গচ্ছতি > গচ্ছই, তদা > তআ, ৰূপ > ৰূঅ, দেবৰ > দিঅৰ ইত্যাদি। শৌৰসেনীত অৱশ্যে ত > দ হয়; যেনে- কৃত > কদ।

(১০) স্বৰ মধ্যৱৰ্তী মহাপ্ৰাণ ব্যঞ্জন খ, ঘ, থ, ধ, ফ, ভ সাধাৰণতে 'হ' -লৈ পৰিৱৰ্তিত হয়; যেনে- মুখ > মুহ, মেঘ > মেহ, কথম্ > কহং, বধিৰ > বহিৰ, কফ > কহ, অভিনৱ > অহিণৱ ইত্যাদি। শৌৰসেনীত থ > ধ হয়; যেনে- কথয়তি > কধেদি।

(১১) স্বৰমধ্যস্থিত শ, ষ, স প্ৰায়ে 'হ' হয়; যেনে- একাদশ > এগাৰহ, পাষাণ > পাহাণ, দিৱস > দিঅহ।

(১২) পদান্তস্থিত 'ৱ' আৰু 'য়' প্ৰায়ে লুপ্ত হয়; যেনে- জীৱ > জীঅ, বায়ু > বাউ ইত্যাদি।

(১৩) পদান্তস্থিত সকলো স্পৰ্শ ব্যঞ্জন প্ৰাকৃতত লোপ পায়; যেনে- তাৱৎ > তাৱ, দাৱ; পশ্চাৎ > পচ্ছা ইত্যাদি। কেতিয়াবা লুপ্ত ব্যঞ্জনৰ ঠাইত অনুস্বাৰ বা অন্ত্যস্বৰৰ দীৰ্ঘীকৰণ হয়; যেনে- মনস্ > মনং, তৎ > তা ইত্যাদি।

(১৪) অন্ত্য অৱস্থানত থকা নাসিক্য ধ্বনিৰ অনুস্বাৰলৈ (ং) পৰিৱৰ্তন; যেনে- গতম্ > গঅং, গৃহম্ > গেহং, কথম্ > কহং, কধং ইত্যাদি।

(১৫) পদান্তত থকা বিসৰ্গ (ঃ) যুক্ত 'অ' (অঃ) প্ৰাকৃতত ও-কাৰলৈ পৰিৱৰ্তিত হয়; যেনে- এষঃ > এসো, পুত্ৰঃ > পুত্তো। মাগধীত কিন্তু এনে ক্ষেত্ৰত এ-কাৰৰ প্ৰয়োগ হয়; যেনে- ৰাজকীয়ঃ > লাঅকীএ, ভাসুৰঃ > ভাশুলে। অন্য স্বৰান্ত বিসৰ্গ মাথোন লোপ পায়; যেনে- পুত্ৰাঃ > পুত্তা, দেৱেভিঃ > দেৱেহি।

(১৬) প্ৰাকৃতত পদাদিস্থিত সংযুক্ত ব্যঞ্জনৰ এটা লোপ পায়; যেনে- স্নেহ > ণেহ, স্থিত > থিদ। কেতিয়াবা স্বৰভক্তিৰ দ্বাৰা ব্যঞ্জন দুটা পৃথক কৰা হয়; যেনে- ক্লেশ > কিলেস। কেতিয়াবা আকৌ আদি অৱস্থানলৈ স্বৰৰ আগম হয়; যেনে- স্ত্ৰী > ইত্থি।

(১৭) পদমধ্যৱৰ্তী সংযুক্ত ব্যঞ্জন প্ৰায়ে সমীভৱন প্ৰক্ৰিয়াৰে সৰল হয়, যেনে- কৰ্ম > কম্ম, লগ্ন > লগ্‌গ। কেতিয়াবা স্বৰভক্তিৰে সৰলীভূত হয়; যেনে- ৰত্ন > ৰঅণ, লদণ; হৰ্ষ > হৰিস; স্মৰতি > সুমৰই ইত্যাদি। কেতিয়াবা অপিনিহিতিৰ জৰিয়তেও সৰল হয়; যথা— আৰ্য > অৰিঅ। তদুপৰি ধ্বনি বিপৰ্যয় ঘটিও তেনে ব্যঞ্জন সৰলীকৃত হোৱা দেখা যায়; যেনে- কৃষ্ণ > কণ্‌হ, তৃষ্ণা > তণ্‌হা, জোৎস্না > জোণ্‌হা ইত্যাদি।

(১৮) 'ক্ষ' সংযুক্ত ধ্বনিৰ পৰিৱৰ্তন ভিন ভিন প্ৰাকৃতত ভিন ভিন হোৱা দেখা যায়; যেনে—

| | | |
|---|---|---|
| ক্ষ > ক্‌খ | ঃ | ইক্ষু > ইক্‌খু (শৌৰসেনী) |
| ক্ষ > শ্‌ক | ঃ | মোক্ষ > মোশ্‌ক (মাগধী) |
| ক্ষ > চ্ছ, ছ | ঃ | অক্ষি > অচ্ছি (মাহাৰাষ্ট্ৰী) |
| | | ক্ষণ > ছণ (,,) ইত্যাদি। |

### ১.৫.২ ৰূপগত বৈশিষ্ট্য

(১) বৈদিক সংস্কৃতৰ শব্দৰূপৰ আৰু ধাতুৰূপৰ জটিলতা প্ৰাকৃতত হ্ৰাস পালে। পদান্ত ব্যঞ্জনৰ লোপৰ ফলত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গৰ ভেদ নাইকিয়া হ'ল।

(২) পুংলিঙ্গ শব্দবোৰ আকৃতি নিৰ্বিশেষে অ-কাৰান্ত শব্দৰ দৰে ৰূপ হ'বলৈ ধৰিলে।

(৩) দ্বিবচন নাইকিয়া হ'ল আৰু দ্বিবচনৰ ঠাইত বহুবচন হ'ল।

(৪) শব্দৰূপৰ ক্ষেত্ৰত বিভক্তিৰ চিনবিলাক প্ৰায় একাকাৰ হ'ল। চতুৰ্থী আৰু পঞ্চমী বিভক্তিৰ ব্যৱহাৰ প্ৰায় নোহোৱা হ'ল। দ্বিতীয় আৰু ষষ্ঠী বিভক্তিয়ে চতুৰ্থীৰ আৰু তৃতীয় আৰু সপ্তমী বিভক্তিয়ে পঞ্চমী বিভক্তিৰ অৰ্থ বুজাবলৈ ল'লে।

(৫) সংস্কৃতত ধাতুসমূহক দহোটা গণত বিভক্ত কৰি ৰূপ কৰা হৈছিল। প্ৰাকৃতত এনে গণ বিভাজন লোপ পালে আৰু সকলো ধাতুক একগণীয় কৰাৰ, বিশেষকৈ ভূ-ধাতুৰ দৰে ৰূপ কৰাৰ, অৰ্থাৎ ভ্বাদিগণীয় কৰাৰ প্ৰৱণতা বৃদ্ধি পালে। ফলত ধাতুৰূপৰ বৈচিত্ৰ্য নোহোৱা হৈ পৰিল। শব্দৰূপৰ দৰে ধাতুৰূপতো দ্বিবচন নোহোৱা হ'ল।

(৬) সংস্কৃতৰ কাল আৰু ভাব প্ৰকাশক দহোটা ল-কাৰৰ ঠাইত প্ৰাকৃতত মাত্ৰ চাৰিটা ল-কাৰ থাকিলে— লট্-বৰ্তমান, লোট্-অনুজ্ঞা, লৃট্-ভৱিষ্যত আৰু বিধিলিঙ্।

(৭) সংস্কৃতত দুই প্ৰকাৰৰ ধাতুৰূপ— পৰস্মৈপদ আৰু আত্মনেপদৰ ব্যৱহাৰ আছিল। প্ৰাকৃতত আত্মনেপদৰ ব্যৱহাৰ প্ৰায় লোপ পালে। সকলো ধাতু পৰস্মৈপদী হিচাপে ৰূপ হ'বলৈ ধৰিলে।

### ১.৫.৩ শব্দ-সম্ভাৰগত বৈশিষ্ট্য

প্ৰাকৃত ভাষাত চাৰি প্ৰকাৰৰ শব্দৰ ব্যৱহাৰ লক্ষ্য কৰা যায়— তৎসম, তদ্ভৱ, দেশী আৰু বিদেশী।

**তৎসম শব্দ ঃ** বৈদিক-সংস্কৃতৰ পৰা অবিকৃতভাৱে আহি প্ৰাকৃতত ব্যৱহাৰ হোৱা শব্দবোৰক তৎসম শব্দ আখ্যা দিয়া হৈছে; যেনে— গঙ্গা, অঙ্গ, তৰু, জল, মালা, হস্তী, দন্ত ইত্যাদি। সংস্কৃতৰ অশ্ব, শ্বন; উদন আদি শব্দৰ সলনি প্ৰাকৃতত সমাৰ্থসূচক ঘোটক, কুক্কুৰ, জল আদিৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা যায়।

**তদ্ভৱ শব্দ ঃ** বৈদিক-সংস্কৃতৰ পৰা ধ্বনি পৰিৱৰ্তন ঘটি সৰলতৰ ৰূপ লোৱা শব্দবোৰ তদ্ভৱ শব্দ। প্ৰাকৃতত এই শ্ৰেণীৰ শব্দৰ ব্যৱহাৰ সৰ্বাধিক। মচ্ছ (মৎস্য), সদ্দ (শব্দ), ৰাঅউল (ৰাজকুল), দিট্‌ঠ (দৃষ্ট), হিঅঅ (হৃদয়), অজ্জ (অদ্য), হোদু (ভৱতু) আদি তেনে শ্ৰেণীৰ শব্দ।

**দেশী শব্দ ঃ** বৈদিক-সংস্কৃতত নথকা অথচ প্ৰাকৃতত সঘালনীকৈ ব্যৱহাৰ হোৱা আৰ্যভিন্ন ভাষাৰ পৰা অহা শব্দবোৰক প্ৰাকৃত বৈয়াকৰণসকলে দেশী শব্দ আখ্যা দিছে। তেনে কেতবোৰ শব্দ হ'ল— ছইল্ল (বিদগ্ধ), দুলি (কচ্ছপ), চঙ্গ (সুন্দৰ), খুত্ত (নিমগ্ন), ছজ্জন্তি (দীপ্যন্তি), ছল্লী (বল্কলম্), উঅ (পশ্য), চক্খই (আস্বাদয়তি) ইত্যাদি।

**বিদেশী শব্দ ঃ** ভাৰতৰ বাহিৰৰ ভাষাৰ পৰাও অনেক শব্দ আহি প্ৰাকৃত ভাষাৰ শব্দ-সম্ভাৰৰ পৰিপুষ্টিত ইন্ধন যোগাইছে। বিভিন্ন ভাষাৰ পৰা অহা তেনে কিছুমান শব্দ তলত উল্লেখ কৰা হ'ল—

| | | |
|---|---|---|
| (১) | গ্ৰীক ভাষাৰ পৰা ঃ | হোৰা (হোৰ), সুৰঙ্গ (সুৰিংকছ), দম্ম (দ্ৰাক্‌মে)। |
| (২) | প্ৰাচীন পাৰছীৰ পৰা ঃ | হজাৰো (হজাৰ), নমতি (নম্‌দহ), মোজা (মোজাহ), নিমাজ (নমাজ) পেয়াজ, দোক্কানদাৰ, চুলতান ইত্যাদি। |
| (৩) | আৰবী-ফাৰছীৰ পৰা ঃ | তবেল্লা (তব্‌ল), কিতেবা (কিতাব), সলামো, গুলামো ইত্যাদি। |

**আত্মমূল্যায়ন প্ৰশ্ন**

১। বৈদিক-সংস্কৃতৰ ঋ, ঐ আৰু ঔ স্বৰৰ প্ৰাকৃতত কেনে পৰিৱৰ্তন ঘটিছে বিচাৰি উলিয়াওক।

..................................................................................................

..................................................................................................

..................................................................................................

২। বৈদিক-সংস্কৃতৰ প্ৰাকৃতত ঘটা ব্যঞ্জন ধ্বনিৰ পৰিৱৰ্তন সম্পৰ্কীয় দহোটা বৈশিষ্ট্য লিখি উলিয়াওক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

৩। প্ৰাকৃত ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

৪। প্ৰাকৃত ভাষাত প্ৰয়োগ হোৱা শব্দবোৰৰ শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ১.৬ সাহিত্যিক প্ৰাকৃত

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত খ্ৰীষ্টীয় তৃতীয় শতিকামানৰ ভিতৰত আৰ্যভাষাৰ যিবোৰ আঞ্চলিক ৰূপ স্বকীয় বৈশিষ্টেৰে গঢ় লৈ উঠিছিল সেই ভাষাবোৰ একোটাহঁত নিৰ্দিষ্ট আঞ্চলিক নামেৰে জনাজাত হৈ পৰিছিল। সমকালীনভাৱে এই ভাষাবোৰৰ একোটাহঁত শিষ্ট ৰূপ সাহিত্যাদি ৰচনাত ব্যৱহাৰ হৈছিল। বিভিন্ন প্ৰাকৃত বৈয়াকৰণে এনে প্ৰাকৃতৰ ব্যাকৰণগত সূত্ৰসমূহ নিৰ্দিষ্ট কৰি দিছিল। এনেদৰে গঢ় লৈ উঠা আৰু সাহিত্যাদিত ব্যৱহাৰ হোৱা প্ৰাকৃত ভাষাবোৰকে 'সাহিত্যিক প্ৰাকৃত' আখ্যা দিয়া হৈছে। প্ৰাকৃত ব্যাকৰণসমূহত বিভিন্ন প্ৰাকৃত ভাষাৰ উল্লেখ থাকিলেও, বা বৈয়াকৰণ ভেদে প্ৰাকৃত ভাষাৰ সংখ্যা ভিন ভিন হ'লেও, সাহিত্যিক প্ৰাকৃত বুলিলে মূলতঃ পাঁচোটা প্ৰাকৃত ভাষাক বুজা যায়— মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধমাগধী আৰু পৈশাচী। আপোনাৰ অৱগতিৰ বাবে তলত প্ৰতিবিধ প্ৰাকৃতৰ চমু পৰিচয় দাঙি ধৰা হ'ল—

### ১.৬.১ মাহাৰাষ্ট্ৰী

প্ৰাকৃত ব্যাকৰণকাৰসকলে সকলো প্ৰকাৰৰ প্ৰাকৃতৰ ভিতৰত মাহাৰাষ্ট্ৰী প্ৰাকৃতক শ্ৰেষ্ঠ বুলি গণ্য কৰি তাৰ আদৰ্শত অন্যান্য প্ৰাকৃতৰ লক্ষণ বা বৈশিষ্ট্য নিৰূপণ কৰিছে। *'কাব্যাদৰ্শ'*ৰ ৰচয়িতা আচাৰ্য দণ্ডীৰ মতেও, 'মহাৰাষ্ট্ৰাশ্ৰয়াং ভাষাং প্ৰকৃষ্টং প্ৰাকৃতং বিদুঃ'। A. C. Woolner-এ 'Maharastri was regared as the Prakrit per excellence' বুলি সেই ভাষাৰ গৌৰৱ ঘোষণা কৰিছে।

আধুনিক মহাৰাষ্ট্ৰ প্ৰদেশৰ লগত মাহাৰাষ্ট্ৰীৰ নামকৰণগত সাদৃশ্য পৰিলক্ষিত হ'লেও, এই প্ৰাকৃত আছিল গোদাবৰী নদীৰ তীৰৰ পৰা মহাৰাষ্ট্ৰ-ৰাজস্থান পৰ্যন্ত এক বিস্তৃত ভূভাগত প্ৰচলিত ভাষা। স্বৰমধ্যস্থিত ব্যঞ্জন ধ্বনিৰ লোপৰ ফলত এই ভাষাটোৱে এক সাংগীতিক মাধুৰ্য আহৰণ কৰিছিল আৰু সেইবাবে ই গীত আৰু কবিতা ৰচনাৰ উপযোগী হৈ উঠিছিল। এই ভাষাত ৰচিত সাহিত্য-সম্ভাৰৰ শ্ৰেষ্ঠত্ব সৰ্বজন বিদিত। *গউড়বহো, সেতুবন্ধ, গাহাসত্তসঈ*, *বজ্জালগ্গ* আদি কেইবাখনো গীতিকাব্য আৰু মহাকাব্যই এই ভাষাৰ গৌৰৱ ঘোষণা কৰি আছে। সংস্কৃত

নাটকৰ গীত আৰু কবিতাংশত মাহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহাৰ হোৱাটোও এই প্ৰসঙ্গত উল্লেখনীয়। আধুনিক মাৰাঠী ভাষাৰ উদ্ভৱ আৰু বিকাশ এই প্ৰাকৃতৰ পৰাই হোৱা বুলি পণ্ডিতসকলে মন্তব্য কৰিছে।

তলত এই প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল—

(১) স্বৰমধ্যস্থিত অঘোষ অল্পপ্ৰাণ ব্যঞ্জনৰ লোপ; যেনে- সকল > সঅল, লোক > লোঅ, গগন > গঅণ, ৰজনী > ৰঅণী ইত্যাদি। মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ ই অন্যতম প্ৰধান বৈশিষ্ট্য।

(২) স্বৰমধ্যৱৰ্তী মহাপ্ৰাণ ব্যঞ্জনৰ 'হ'-লৈ পৰিৱৰ্তন; যেনে- মুখ > মুহ, মেঘ > মেহ, কথং > কহং, শেফালিকা > সেহালিআ, লোভ > লোহ ইত্যাদি।

(৩) 'ক্ষ'-ৰ 'চ্ছ' বা 'ছ'-লৈ ৰূপান্তৰ; যেনে- অক্ষি > অচ্ছি, ক্ষণ > ছণ।

(৪) যুক্ত ব্যঞ্জন ত্ম > প্প; যেনে- আত্মন্ > অপ্‌পা।

(৫) অপাদান কাৰকত '-আহি' বিভক্তিৰ প্ৰয়োগ; যেনে- দূৰাৎ > দূৰাহি, মূলাৎ > মূলাহি।

(৬) সপ্তমীৰ একবচনৰ বিভক্তি '-স্মিন্' মাহাৰাষ্ট্ৰীত '-ম্মি' হয়; যেনে- পুত্ৰাস্মিন্ > পুত্তম্মি।

(৭) কৰ্মবাচ্যৰ -য় > '-ইজ্জ'; যেনে- গম্যতে > গমিজ্জই।

(৮) অসমাপিকা ক্ৰিয়াৰ '-ক্ত্বাচ > '-উণ', ঊণ; যেনে- দৃষ্টা > দট্‌ঠুণ।

(৯) নিমিত্তাৰ্থক ক্ৰিয়াৰ '-তুম' > '-উং'; যেনে- পুচ্ছিতুম্ > পুচ্ছিউং।

এইবোৰৰ উপৰি প্ৰাকৃত ভাষাৰ অন্যান্য সাধাৰণ বৈশিষ্ট্য মাহাৰাষ্ট্ৰীতো পোৱা যায়। তলত মাহাৰাষ্ট্ৰীৰ নিদৰ্শন হিচাপে *গাহাসত্তসঈ* ৰ এফাকি গাঁথা উল্লেখ কৰা হ'ল ঃ

*কইঅব ৰহিঅং পেম্মং ণ হি হোই মামি মানুসে লোএ।*
*জই হোই ণ তস্‌স বিৰহো বিৰহে হোন্তম্মি কো জীঅই।।*

(মানৰ সমাজত সখি ক'ত আছে ছলনাহীন প্ৰেম। যদি আছে তেন্তে তাত বিৰহ নাই। তথাপি যদি বিৰহ ঘটে তেন্তে কোন জীয়ে।)

### ১.৬.২ শৌৰসেনী

এতিয়াৰ মথুৰা, দিল্লী-মীৰাট আদি অঞ্চলসমূহ পুৰণি কালত শূৰসেন প্ৰদেশ হিচাপে জনাজাত আছিল। পশ্চিম ভাৰতৰ এই অঞ্চলত প্ৰচলিত প্ৰাকৃত ভাষাকে 'শৌৰসেনী প্ৰাকৃত' ৰূপে নামকৰণ কৰা হৈছিল। এই প্ৰাকৃতক সংস্কৃত আৰু হিন্দীৰ মধ্যৱৰ্তী স্তৰ বুলিব পাৰি। সংস্কৃতৰ ব্যাপক প্ৰভাৱৰ হেতু এই প্ৰাকৃত বহু পৰিমাণে মূল ভাষাৰ ওচৰ চপা। মাহাৰাষ্ট্ৰী আৰু শৌৰসেনী দুয়োবিধ প্ৰাকৃত পশ্চিমা কথ্য-প্ৰাকৃতৰ পৰা আহিলেও, একমাত্ৰ সংস্কৃতৰ প্ৰভাৱৰ হেতুকে শৌৰসেনী মাহাষ্ট্ৰীতকৈ ভিন্ন হৈ পৰিছিল।

শৌৰসেনী প্ৰাকৃতত ৰচিত কোনো সুকীয়া সাহিত্য পোৱা নাযায়। সংস্কৃত নাটকত এই প্ৰাকৃত নাৰী আৰু বিদূষক, জ্যোতিষী, সেনাপতি, ৰাজবিষয়া আদি মধ্যম শ্ৰেণীৰ পুৰুষৰ ভাষা হিচাপে প্ৰয়োগ কৰা হৈছিল। অন্যান্য প্ৰাকৃতৰ তুলনাত ই সংস্কৃতৰ ওচৰ চপা হেতুকেই সম্ভৱতঃ নাট্যকাৰসকলে তেনে প্ৰয়োগ কৰিছিল। পশ্চিমা হিন্দী আৰু তাৰ অন্তৰ্গত বিভিন্ন আধুনিক ভাৰতীয় আৰ্যভাষা এই প্ৰাকৃতৰ বিৱৰ্তনৰ পৰিণতি বুলি কোৱা হয়।

তলত শৌৰসেনী প্ৰাকৃতৰ স্বকীয় বিশেষত্বসমূহ উল্লেখ কৰা হ'ল —

(১) বৈদিক সংস্কৃতৰ 'ত' আৰু 'থ'ৰ যথাক্ৰমে 'দ' আৰু 'ধ' লৈ পৰিৱৰ্তন; যেনে- গচ্ছতি > গচ্ছদি, কৃত > কদ, কথয়তি > কধেদি। আনকি সংযুক্ত ৰূপত থকা 'ত' -ও বহুসময়ত 'দ'-লৈ ৰূপান্তৰিত হয়; যেনে- হস্ত > হন্দ।

(২) ক্ষ > ক্খ; যেনে- প্ৰেক্ষ > পেক্খ।

(৩) ৰ্য > জ্জ অথবা য্য; যেনে- আৰ্য > অজ্জ, অয্য।

(৪) ত্ম > ত্ত; যেনে- আত্মন্ > অত্ত।

(৫) অন্ত্য 'ম' -ৰ পিছত 'ই' বা 'এ' থাকিলে বিকল্পে 'ণ' -ৰ আগম হয়; যেনে- যুক্তম্ ইদম্ > জুত্তং ণিমং বা জুত্তমিমং, এবম্ এতৎ > এবং ণেদং বা এবমেদং।

(৬) সপ্তমীৰ একবচনৰ -স্মিন্ > -ম্হি। কোনো কোনো ক্ষেত্ৰত বিকল্পে -স্সিং হোৱাও দেখা যায়; যথা— সৰ্বস্মিন্ > সব্বম্হি, সব্বস্সিং।

(৭) কৰ্মবাচ্যৰ য় > ঈঅ; যেনে- গম্যতে > গমীয়দি।

(৮) অসমাপিকাৰ -ক্ত্বাচ্ > ইঅ; যেনে- কৃত্বা > কৰিঅ, গত্বা > গমিঅ। অৱশ্যে কৃ আৰু গম্ ধাতুত যুক্ত হ'লে বিকল্পে 'দুঅ' হোৱাও দেখা যায়; যেনে- কৃত্বা > কদুঅ, গত্বা > গদুঅ। কেতিয়াবা -ইঅ -ৰ পৰিৱৰ্তে -দূন আৰু -ত্তা-ৰ ব্যৱহাৰো লক্ষ্য কৰিব পাৰি; যথা- পঠিত্বা > পঢ়িদূন, পঢ়িত্তা।

(৯) নিমিত্তাৰ্থক ক্ৰিয়াৰ-তুম্ > দুং; যেনে- কৃতুম্ > কাদুং।

(১০) পঞ্চমীৰ একবচনত 'দো' আৰু 'দু' বিভক্তিৰ সংযোগ হয়; যেনে- জিনাৎ > যিণাদো, যিণাদু।

শৌৰসেনীৰ অন্যান্য বৈশিষ্ট্য প্ৰাকৃতৰ সাধাৰণ বৈশিষ্ট্যৰ সৈতে একে। তলত *অভিজ্ঞান শাকুন্তলম* নাটৰ পৰা এই প্ৰাকৃতৰ এটি নিদৰ্শন তুলি দিয়া হ'ল—

*জানুঅ, মচ্ছোদৰ-সংঠিদং তি ণত্থি সংদেহো। তধা অঅং বিস্সগন্ধো।*
*আগমো দাণিং এদস্স বিমৰিসিদৱো। তা এধ। ৰাঅউলং জেব গচ্ছম্হ।*

(জানুক, এইটো যে মাছৰ পেটত আছিল তাত কোনো সন্দেহ নাই। সেইবাবেই এনে কেচেমাকেচেম গোন্ধ। গতিকে ইয়াৰ প্ৰাপ্তিৰ বৃত্তান্ত চিন্তাৰ বিষয়ে। আহা আমি ৰাজ-হাউলীলৈ যাওঁ।)

### ১.৬.৩ মাগধী

পূৰ্ব ভাৰতৰ প্ৰাচীন মগধ (দক্ষিণ বিহাৰ) অঞ্চলক কেন্দ্ৰ কৰি তৎকালীনভাৱে প্ৰচলিত প্ৰাচ্য কথ্য প্ৰাকৃতৰ পৰা যি সাহিত্যিক ৰূপৰ বিকাশ হৈছিল তাকেই মাগধী প্ৰাকৃত আখ্যা দিয়া হৈছে। এই প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন হৈছে জোগীমাৰা গুহাত খোদিত শুতনুকা প্ৰত্নলিপি। ইয়াৰ প্ৰাচীনতম সাহিত্যিক ৰূপটো পোৱা যায় অশ্বঘোষৰ (খ্ৰীঃ ১ম শতিকা) *'সাৰিপুত্ৰ প্ৰকৰণ'*ত। সংস্কৃত নাটকত এই প্ৰাকৃত মুখ্যতঃ হাস্য-কৌতুক সৃষ্টিৰ বাবে সাধাৰণ শ্ৰেণীৰ চৰিত্ৰৰ সংলাপত প্ৰয়োগ কৰা হৈছে। প্ৰাকৃত ব্যাকৰণকাৰসকলে মাগধীৰ কেইবাটাও বিভাষাৰ উল্লেখ কৰিছে; যথা— শাকাৰী, চাণ্ডালী, শাৱৰী, টক্কী বা ঢক্কী ইত্যাদি। শাকাৰী আৰু শাৱৰীক মাগধীৰ 'বিশেষ প্ৰকাৰ' আৰু চাণ্ডালীক 'বিকৃত ৰূপ' বুলি উল্লেখ কৰাটো এই প্ৰসঙ্গত মন

কৰিবলগীয়া। বিশ্বনাথ কবিৰাজে *'সাহিত্য দৰ্পণ'* ত চণ্ডালাদিৰ সংলাপত 'চাণ্ডালী', কমাৰ, চমাৰ আদিৰ সংলাপত 'শাৱৰী', আৰু শক, শকাৰ আদিৰ মুখত 'শাকাৰী' প্ৰয়োগ কৰাৰ বিধান দিছে।

ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলত প্ৰচলিত আধুনিক ভাৰতীয় আৰ্যভাষা— অসমীয়া, বাংলা, উৰিয়া, মৈথিলী, মগধী আৰু ভোজপুৰী মাগধী প্ৰাকৃতৰ বিৱৰ্তনৰ পৰিণতি বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। এই ভাষাকেইটাক 'মাগধীয় ভাষাগুচ্ছ' বুলিও কোৱা হয়।

মাহাৰাষ্ট্ৰী, শৌৰসেনী আদি প্ৰাকৃতৰ তুলনাত মাগধীৰ ধ্বনি-বৈশিষ্ট্য সম্পূৰ্ণ সুকীয়া। সম্ভৱতঃ পূব-প্ৰান্তত প্ৰচলিত অষ্ট্ৰিক, তিব্বতবৰ্মী আদি ভাষাৰ প্ৰভাৱত মাগধী প্ৰাকৃতে কিছু ভিন্ন ৰূপ পৰিগ্ৰহণ কৰিছিল। কোনো কোনো প্ৰাকৃত ব্যাকৰণকাৰে শৌৰসেনীকে মাগধীৰ মূল বুলি ঠাৱৰ কৰিছে।

তলত মাগধী প্ৰাকৃতৰ স্বকীয় বিশেষত্বসমূহ ফঁহিয়াই দেখুওৱা হ'ল—

(১) বৈদিক-সংস্কৃতৰ শ, ষ, স-ৰ ভিতৰত কেৱল 'শ'-ৰ ব্যৱহাৰ মাগধী প্ৰাকৃতৰ অন্যতম প্ৰধান বৈশিষ্ট্য; যেনে- দিৱস > দিঅশ, পুৰুষ > পুলিশ, সুৰা > শুলা ইত্যাদি। অৱশ্যে সংযুক্ত ব্যঞ্জনৰ স কেতিয়াবা ৰক্ষিত হোৱাও দেখা যায়; যেনে- প্ৰেক্ষসে > পেস্কশি, উপস্থিত > উবস্তিদ।

(২) 'ৰ'-ৰ ব্যৱহাৰ মাগধীত নাই। তাৰ ঠাইত 'ল' হয়; যেনে- কাদম্বৰী > কাদম্বলী, ৰোহিত > লোহিদ, সুৰা > শুলা ইত্যাদি।

(৩) জ > য; যেনে- জীৱিত > যীৱিদ, সহজঃ > সহযে।

(৪) পদমধ্যৱৰ্তী ত, থ > দ, ধ; যেনে- জানাতি > যাণাদি, কথয় > কধেহি।

(৫) পদান্তৰ বিসৰ্গযুক্ত অ (অঃ)-ৰ ঠাইত এ; যেনে- ঈশ্বৰঃ > ঈশলে, মৎস্যকঃ > মশ্চকে। কেতিয়াবা এ নহৈ ই হয়; যেনে- এষঃ ৰাজা > এশি লাআ।

(৬) ৰ্জ, ৰ্য, দ্য > য্য; যেনে- অৰ্জুন > অয্যুণ, অকাৰ্য > অকায্য, অদ্য > অয্য।

(৭) জ্ঞ, ঞ্জ, ণ্য, ন্য > এঞ; যেনে- প্ৰজ্ঞা > পএঞঞা, অঞ্জলি > অএঞঞলী, পুণ্য > পুএঞঞ, কন্যা > কএঞঞা।

(৮) ক্ষ > শ্ক, স্ক; যেনে- প্ৰেক্ষতে > পেশ্কদি, পেস্কদি।

(৯) চ্ছ > শ্চ (গচ্ছতি > গশ্চদি), ৰ্থ > স্ত (বিক্ৰয়াৰ্থম্ > বিক্কঅস্তং), ৰ্ত > স্ট (ভৰ্তা > ভস্টা), স্থ > স্ত (উপস্থিত > উবস্তিদ)।

(১০) সম্বোধনত অ-কাৰান্ত শব্দৰ আ-কাৰান্তলৈ পৰিৱৰ্তন; যেনে- হে পুৰুষ > হে পুলিশা।

(১১) ষষ্ঠীৰ একবচনৰ স্য সাধাৰণতে শ্শ হয়; যেনে- পুৰুষস্য > পুলিশ্শ। কেতিয়াবা কিন্তু -আহ হয়; যেনে- চাৰুদত্তস্য > চানুদত্তাহ।

(১২) 'অস্মদ্' শব্দৰ প্ৰথমাৰ একবচনত 'অহম'ৰ ঠাইত, 'হকে', 'হগে' আৰু 'অহকে' — এই তিনিটা ৰূপৰ ব্যৱহাৰ পোৱা যায়।

(১৩) স্বাৰ্থিক -'ক' প্ৰত্যয়ৰ বহুল প্ৰয়োগ এই প্ৰাকৃতৰ এক বিশেষ বৈশিষ্ট্য; যেনে- ভৰ্তৃকঃ > ভস্টকে।

(১৪) অসমাপিকাৰ ক্তাচ্ প্ৰত্যয় ‘-উণ’ আৰু ‘-দূণ’ হোৱাৰ উপৰি কেতিয়াবা ‘-দাণি’ ৰূপেও পোৱা যায়; যেনে- কৃত্বা > কৰিদাণি।

প্ৰাকৃতৰ অন্যান্য সাধাৰণ বৈশিষ্ট্য মাগধীৰ ক্ষেত্ৰতো প্ৰযোজ্য। তলত *অভিজ্ঞান শাকুন্তলম* নাটকৰ পৰা এই প্ৰাকৃতৰ এটি নিদৰ্শন উদ্ধৃত কৰা হ’ল—

*শহযে কিল যে বিণিন্দিদে ণ হু শে কম্ম বিবয্যণীঅকে পশুমালী কলেদি দালুণং অণুকম্পামিদুলে বি শোণিকে।*

(সহজাত বৃত্তি নিন্দনীয় হ’লেও পৰিত্যাগ কৰা উচিত নহয়। অনুকম্পাৰে হৃদয় ভৰি থাকিলেও কচায়ে পশুহত্যাৰ দৰে নিষ্ঠুৰ কাম কৰিবলগীয়া হয়।)

### ১.৬.৪ অৰ্ধমাগধী

অশোকৰ অনুশাসনত প্ৰাপ্ত প্ৰাচ্যা-মধ্যা নামৰ আঞ্চলিক প্ৰাকৃত ভাষাৰ পৰা অৰ্ধমাগধীৰ উদ্ভৱ হোৱা বুলি অনুমান কৰা হৈছে। পূৰ্বোল্লিখিত শূৰসেন আৰু মগধৰ মধ্যৱৰ্তী কোশল অঞ্চল আছিল প্ৰাচ্যা-মধ্যা কথ্য ভাষাৰ মূল বাসভূমি। বৰ্তমান এই অঞ্চল উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ, অৱধ আৰু অযোধ্যাৰ অন্তৰ্গত।

অৰ্ধ-মাগধী প্ৰধানকৈ জৈনসকলৰ ধৰ্মশাস্ত্ৰ ৰচনাত ব্যৱহাৰ হৈছিল। সেইবাবে ইয়াক জৈন-প্ৰাকৃত বুলিও কোৱা হয়। প্ৰাচীন ভাৰতীয় ব্যাকৰণকাৰসকলে জৈনসূত্ৰৰ ভাষাক ‘আৰ্যম্’, অৰ্থাৎ ঋষিসকলৰ ভাষা বুলিছিল। সেইবাবে এই প্ৰাকৃতৰ আন এটা নাম আৰ্য প্ৰাকৃত। কিছু পৰিমাণে মাগধীৰ লক্ষণযুক্ত হোৱা বাবে আৰু মাগধীৰ প্ৰতিৱেশী হোৱা হেতুকে বোধহয় এই প্ৰাকৃতে অৰ্ধ-মাগধীৰূপে প্ৰসিদ্ধি লাভ কৰিছে। মাগধীৰ লগে লগে এই প্ৰাকৃতত শৌৰসেনীৰ লক্ষণো বিদ্যমান। *‘সাহিত্য-দৰ্পণ’* ত ৰাজপুত্ৰ, সদাগৰ আদি চৰিত্ৰৰ সংলাপত অৰ্ধ-মাগধী ব্যৱহাৰ কৰিব লাগে বুলি নিয়ম বান্ধি দিছিল যদিও, সংস্কৃত নাট্যকাৰসকলে সেই নিয়ম সমূলি মানি চলা নাই।

নব্য ভাৰতীয় আৰ্যভাষা পূৰ্বী-হিন্দীৰ অন্তৰ্গত অৱধী, বঘেলী আৰু ছত্তিশগড়ী ভাষাৰ মূল অৰ্ধ-মাগধী বুলি অনুমান কৰা হৈছে। তলত এই প্ৰাকৃতৰ নিজস্ব বৈশিষ্ট্যবোৰ আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে দাঙি ধৰা হৈছে—

(১) বৈদিক-সংস্কৃতৰ ‘ৰ’ আৰু ‘ল’ দুয়োটা ধ্বনিৰ ব্যৱহাৰ অৰ্ধ-মাগধীত পোৱা যায় যদিও, মাগধীৰ দৰে কেতিয়াবা ৰ > ল হোৱাও বিৰল নহয়; যেনে- দাৰুন > দাৰুণ, দালুণ।

(২) স্বৰ মধ্যস্থিত লুপ্ত ব্যঞ্জনৰ ঠাইত প্ৰায়ে ‘য়’ শ্ৰুতিৰ ব্যৱহাৰ এই প্ৰাকৃতৰ এক প্ৰধান বিশেষত্ব; যেনে- সাগৰ > সায়ৰ, শৃগাল > সিয়াল ইত্যাদি।

(৩) স্বৰ মধ্যস্থিত ‘গ’ ধ্বনি কেতিয়াবা সংৰক্ষিত হৈছে। সাধাৰণতে ক > গ হৈ সংৰক্ষিত হোৱাৰ প্ৰৱণতা অধিক; যথা- লোক > লোগ, শাৱক > সাৱগ ইত্যাদি।

(৪) দুটা স্বৰৰ মাজত থকা অসংযুক্ত ‘চ’ আৰু ‘জ’-ৰ ঠাইত ‘ত’ আৰু ‘য়’ দুয়োটাৰে ব্যৱহাৰ দেখা যায়; যেনে- ণাৰাচ > নাৰাত, পূজা > পূতা, প্ৰজাত > পয়ায় ইত্যাদি।

(৫) স্বৰ মধ্যৱৰ্তী প > ৱ; যেনে- পাপক > পাৱক।

(৬) ‘ণ’ আৰু ‘ন’-ৰ বিকল্প ব্যৱহাৰ; যেনে- নদী > ণঈ, নঈ।

(৭) অন্যান্য প্ৰাকৃতৰ তুলনাত মূৰ্ধন্যীভৱনৰ প্ৰাধান্য; যেনে- ঔষধ > ওসঢ, দংশ > ডসই ইত্যাদি।

(৮) ‘য’ প্ৰায়ে লোপ পায়, কিংবা ‘জ’-লৈ পৰিৱৰ্তিত হয়; যেনে- যথাখ্যাত > অহক্খায়, যথানামক > জহানামএ।

(৯) বিসৰ্গযুক্ত পদান্ত অ-কাৰ (অঃ)-ৰ ঠাইত ‘এ’ নাইবা ‘ও’-ৰ ব্যৱহাৰ; যেনে- বৃদ্ধঃ > বুড্ঢো, বুড্ঢে।

(১০) সপ্তমীৰ একবচনৰ ‘-স্মিন্’ বিভক্তিৰ ‘ংসি’-লৈ ৰূপান্তৰ; যেনে- অস্মিন্ > অংসি, লোকস্মিন্ > লোগংসি।

(১১) সংযুক্ত ব্যঞ্জন একক ব্যঞ্জনত পৰিণত হোৱাৰ ফলত পূৰ্বৱৰ্তী স্বৰৰ ক্ষতিপূৰণমূলক দীৰ্ঘীকৰণ; যেনে- বৰ্ষ > বস্‌স > বাস।

(১২) ভূতকালৰ বহুবচনত ‘ইংসু’ প্ৰত্যয়ৰ ব্যৱহাৰ; যেনে- গচ্ছিংসু, যচ্ছিংসু ইত্যাদি।

(১৩) অসমাপিকা ‘ক্ত্বাচ্’ প্ৰত্যয়ৰ ঠাইত ট্টু, ইত্তা, ইচ্চা, ইয়া-ৰ প্ৰয়োগ; যেনে- কৃত্বা > কট্টু, কৰেত্তা, কিচ্চা ইত্যাদি।

অৰ্ধমাগধীৰ অন্যান্য বৈশিষ্ট্য প্ৰাকৃতৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ সৈতে একে। তলত অৰ্ধমাগধীৰ এটি নিদৰ্শন উদ্ধৃত কৰা হ’ল—

*তেণং কালেণং তেণং সমএণং সিন্ধুসোবীৰেসু জনপএসু বীয়ভএ নামং নয়ৰে হোত্থা*
*উদায়ণে নামং ৰায়া, পভাৱঈ দেৱী। তীসে জেট্‌ঠে পুতে অভিঈ নামং জুৱৰাহা হোত্থা।*

(সেই কালত সেই সময়ত সিন্ধু-সৌবীৰ জনপদত বীতভয় নামৰ নগৰত উদায়ণ নামৰ ৰজা আৰু প্ৰভাৱতী ৰাণী আছিল। তেওঁলোকৰ জ্যেষ্ঠপুত্ৰ অভিজিৎ আছিল যুৱৰাজ।)

### ১.৬.৫ পৈশাচী

ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত উদ্ধাৰ হোৱা মান্‌ছেহ্‌ৰা আৰু শাহ্‌বাঝ্‌গঢ়ী অনুশাসনৰ ভাষাৰ সৈতে থকা সাদৃশ্যলৈ লক্ষ্য কৰি পৈশাচী প্ৰাকৃত তৎকালীন উত্তৰ-পশ্চিমা কথিত ৰূপৰ পৰা উদ্ভৱ হোৱা বুলি ভাষাতত্ত্ববিদসকলে অনুমান কৰিছে। জৰ্জ গ্ৰীয়াৰ্ছনৰ মতে হিন্দুকুশ পাৰ্বত্য অঞ্চলৰ দৰ্দ আৰু কাফিৰ ভাষাৰ সৈতে তথা কাশ্মীৰী ভাষাৰ সৈতে এই প্ৰাকৃতৰ লক্ষ্যণীয় মিল আছে।

এই প্ৰাকৃত পৈশাচী বা পৈশাচিকী নামেৰে জনাজাত হ’লেও, ইয়াক ‘ভূত ভাষা’ বা ‘ভূত-বচন’ বুলিও কোৱা হৈছে। ‘পিশাচানাম্ ভাষা পৈশাচী’ বুলি ‘প্ৰাকৃত প্ৰকাশ’-ৰ টীকাত যি উল্লেখ পোৱা যায় তাৰ পৰা অনুমান হয় যে উত্তৰ-পশ্চিম অঞ্চলত বসবাস কৰা আৰ্যসকলক অন্যান্য স্থানৰ আৰ্য বাসিন্দাই কিছু হীন দৃষ্টিৰে চাইছিল। সম্ভৱতঃ এই অঞ্চলৰ ভাষা-সংস্কৃতিত তৎকালীনভাৱে পাৰস্য দেশৰ পাৰ্ছী ভাষা-সংস্কৃতিয়ে ব্যাপকভাৱে প্ৰভাৱিত কৰাটোৱে ইয়াৰ ঘাই কাৰণ। এই প্ৰাকৃতক সংস্কৃত নাটকাদিকে ধৰি কোনো শিষ্ট সাহিত্যত স্থান নিদিয়াটোৱেও তেনে অনুমানকে দৃঢ় কৰে। কাৰো কাৰো মতে ‘পিশাচ’ নামৰ পাৰ্বত্য জাতি এটাই ব্যৱহাৰ কৰা কাৰণেই এই প্ৰাকৃতৰ নাম পৈশাচী প্ৰাকৃত হ’ল।

সি যি কি নহওক, শিষ্ট সাহিত্যত স্থান নাপালেও লোক-সাহিত্যত এই প্ৰাকৃতৰ প্ৰচুৰ সমাদৰ আছিল। সংস্কৃত আলংকাৰিক আৰু প্ৰাকৃত ব্যাকৰণকাৰসকলে এই প্ৰাকৃতৰ বিষয়ে বহুল আলোচনা আগবঢ়োৱাৰ পৰাই সেই কথা বুজিব পাৰি।

পৈশাচী প্ৰাকৃতত ৰচিত কোনো সাহিত্য আজিকোপতি উদ্ধাৰ হোৱা নাই। প্ৰাকৃত ব্যাকৰণকাৰসকলে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা উক্তি আৰু উদ্ধৃতিবোৰেই ইয়াৰ আলোচনাৰ একমাত্ৰ সম্বল। খ্ৰীষ্টীয় দ্বিতীয় শতিকামানত গুণাঢ্য নামৰ লেখক এগৰাকীয়ে এই প্ৰাকৃতত *'বড়্ডকহা'* (বৃহৎকথা) নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল বুলি পৰৱৰ্তী উল্লেখৰ পৰা জনা যায়। এই গ্ৰন্থ লুপ্ত যদিও *'বৃহৎকথা শ্লোক-সংগ্ৰহ', 'বৃহৎকথামঞ্জৰী', 'কথাসৰিৎসাগৰ'* আদি সংস্কৃত অনুবাদৰ মাজত মূল গ্ৰন্থৰ অনেক কাহিনী সংৰক্ষিত হৈছে। সংস্কৃত আলংকাৰিক আৰু সাহিত্যকাৰসকলে গুণাঢ্যৰ সাহিত্য-কৃতি শ্ৰদ্ধাৰে স্মৰণ কৰাৰ্লৈ চাই এই গৰাকী কথাকাৰ যে উত্তম শ্ৰেণীৰ লেখক আছিল তাক অনুমান কৰিব পাৰি। তদুপৰি এনে কাৰ্যই লোকভাষা হিচাপে পৈশাচীৰ জনপ্ৰিয়তাৰ কথাও সূচায়।

তলত পৈশাচী প্ৰাকৃতৰ স্বকীয় বিশেষত্বৰ এটি আভাস আপোনাৰ অৱগতিৰ অৰ্থে দাঙি ধৰা হ'ল —

(১) স্বৰমধ্যস্থিত সঘোষ ব্যঞ্জনৰ অঘোষীভৱন; যথা— নগৰ > নকৰ, ৰাজা > ৰাচা, মাধৱ > মাথপ, ভগৱতী > ফকৱতী ইত্যাদি।

(২) স্বৰমধ্যস্থিত একক স্পৃষ্ট ব্যঞ্জনৰ অলোপ; যেনে- গগন > গকন, নগৰ > নকৰ।

(৩) ণ > ন আৰু ৰ > ল; যেনে- তৰুণী > তলুনী।

(৪) ত-ৰ অৱস্থিতি আৰু দ > ত; যেনে- ভগৱতী > ফকৱতী, মদনো > মতনো।

(৫) মাগধী প্ৰাকৃতৰ দৰে জ্ঞ, ন্য, ণ্য > ঞ্ঞ; যেনে- বিজ্ঞাতঃ > বিঞ্ঞাতো, কন্যা > কঞ্ঞা, পুণ্য > পুঞ্ঞ।

(৬) স্বৰভক্তিৰ দ্বাৰা সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ; যথা-স্নান > সনান, ভাৰ্যা > ভাৰিয়া।

(৭) পদান্তৰ বিসৰ্গযুক্ত অ (অঃ) -কাৰ ও -কাৰলৈ পৰিৱৰ্তন; যেনে- বিজ্ঞাতঃ > বিঞ্ঞাতো। অৱশ্যে কেতিয়াবা বিকল্প প্ৰয়োগো দেখা যায়।

(৮) কেতবোৰ শব্দৰ অনিয়মিত পৰিৱৰ্তন এই প্ৰাকৃতৰ এক প্ৰধান বিশেষত্ব; যেনে- ইব > পিব, কাৰ্য > কচ্চ, হৃদয় > হিঅঅকং।

(৯) কৰ্মবাচ্যৰ য-কাৰৰ ঠাইত য্য-ৰ প্ৰয়োগ।

(১০) অসমাপিকা ত্ত্বা > তূণ; যেনে- কৃত্বা > কাতূণ।

অন্যান্য বৈশিষ্ট্য প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ সৈতে একে। তলত হেমচন্দ্ৰ সূৰীৰ *সিদ্ধহৈমশব্দানুশাসনম্* -ৰ পৰা পৈশাচী প্ৰাকৃতৰ এটি নিদৰ্শন দাঙি ধৰা হ'ল।

*নচ্ছন্তস্স লীলাপাতুক্খেৱেন কম্পিতা বসুধা—*
*উচ্ছযন্তি সমুদ্দা সইলা নিপতন্তি তং হলং নমথ।*

(নৃত্য কৰোঁতে যাৰ চঞ্চল পদ-চালনাত পৃথিৱী কম্পিত হয়, সমুদ্ৰ উথলি উঠে, পৰ্বত খহি পৰে —সেই হলধৰক নমস্কাৰ কৰোঁ।)

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সাহিত্যিক প্ৰাকৃত ভাষাসমূহৰ (প্ৰতিটো ৫০টা শব্দৰ ভিতৰত) একোটা পৰিচয় দাঙি ধৰক।

..............................................................................................

..............................................................................................

..............................................................................................

২। প্ৰতিবিধ সাহিত্যিক প্ৰাকৃতৰ পাঁচোটাকৈ স্বকীয় প্ৰধান বিশেষত্ব উল্লেখ কৰক। (২০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................

..............................................................................................

..............................................................................................

## ১.৭ প্ৰাকৃত সাহিত্য (শ্ৰেণী বিভাগ আৰু পৰিচয়)

মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰত অৰ্থাৎ সাহিত্যিক প্ৰাকৃতৰ যুগটোত যি ৰচনাৰাজি পোৱা যায়, সেইবোৰক দুটা প্ৰধান ভাগত ভাগ কৰা হৈছে — (১) জৈন ধৰ্ম বিষয়ক ৰচনা আৰু (২) ধৰ্ম-নিৰপেক্ষ ৰচনা। তলত দুয়ো প্ৰকাৰৰ সাহিত্য-কৰ্মৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

### (১) জৈন ধৰ্ম বিষয়ক ৰচনা ঃ

জৈন ধৰ্মৰ সৈতে পোনপটীয়াভাৱে সম্পৰ্কিত ৰচনাৰাজিক দুটা ভাগত ভগোৱা হৈছে— (ক) সিদ্ধান্ত বা আগম শাস্ত্ৰ আৰু (খ) আগম বহিৰ্ভূত শাস্ত্ৰ।

**(ক) সিদ্ধান্ত বা আগম শাস্ত্ৰ ঃ** জৈন ধৰ্মৰ প্ৰাচীন ধৰ্মশাস্ত্ৰসমূহৰ আন নাম *সিদ্ধান্ত* বা *আগম শাস্ত্ৰ* । এই শাস্ত্ৰসমূহ অৰ্ধমাগধীত ৰচনা কৰা হৈছিল। 'আগম শাস্ত্ৰ'ৰ অন্তৰ্গত গ্ৰন্থসমূহ হ'ল— *অঙ্গ, উবংগ, পইন্ন, ছেয়সুত্ত, মুলসুত্ত, নন্দিসুত্ত* আৰু *অনুওগদাৰ* । এইবোৰৰ ভিতৰত 'অঙ্গ' ই হ'ল জৈনসকলৰ মূল শাস্ত্ৰ। অঙ্গ আৰু উবঙ্গ প্ৰতিটো দ্বাদশ গ্ৰন্থৰ সমষ্টি। 'উৱঙ্গ'বোৰ সংস্কৃতৰ পুৰাণবোৰৰ দৰে। দহখন বিভিন্ন গ্ৰন্থৰ সমষ্টি 'পইন্ন' স্তুতিমূলক আৰু ই ছন্দোবদ্ধ। 'ছেয়সুত্ত' আৰু 'মুলসুত্ত'-ৰ গ্ৰন্থসংখ্যা যথাক্ৰমে ছয় আৰু চাৰি। 'নন্দী' আৰু 'অনুওগদাৰ' অঙ্গাদি শাস্ত্ৰৰ অন্তিম গ্ৰন্থ। এই দুখন গ্ৰন্থত সমস্ত জৈনশাস্ত্ৰৰ পৰিচয় থকাৰ লগতে মহাবীৰকে ধৰি জৈনধৰ্মাচাৰ্যসকলৰ জীৱন-চৰিত গ্ৰথিত হৈছে।

জৈনসকলৰ দিগম্বৰ সম্প্ৰদায়ৰ মাজত আন চাৰিখন স্বতন্ত্ৰ শাস্ত্ৰৰ প্ৰচলন আছে— *প্ৰথমানুযোগ, কৰণানুযোগ, দ্ৰব্যানুযোগ* আৰু *চৰণানুযোগ* ।

**(খ) আগম বহিৰ্ভূত শাস্ত্ৰ ঃ** আগম বহিৰ্ভূত জৈন শাস্ত্ৰসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে —

(অ) টীকা, (আ) উপাখ্যান আৰু (ই) দৰ্শন বিষয়ক।

### (অ) টীকা ঃ

জৈনসকলৰ উভয় সম্প্ৰদায়ে আগম শাস্ত্ৰসমূহৰ অৰ্থবোধৰ বাবে কেতবোৰ ভাষ্য বা ব্যাখ্যাধৰ্মী গ্ৰন্থ ৰচনা কৰিছিল। শ্বেতাম্বৰ সম্প্ৰদায়ৰ দ্বাৰা ৰচিত এনে গ্ৰন্থক 'নিজ্জুত্তি' আৰু দিগম্বৰ সম্প্ৰদায়ে লিখা ৰচনাবোৰক 'চুণ্ণী' আখ্যা দিয়া হৈছিল। দুয়োবিধ ভাষ্য পদ্যাকাৰে ৰচিত। বিভিন্ন ব্যাখ্যাৰ প্ৰসঙ্গত এইবোৰত *ৰামায়ণ, মহাভাৰত, পঞ্চতন্ত্ৰ, জাতক* আৰু লোক-

জীৱনত প্ৰচলিত বিভিন্ন কাহিনী বা উপকথাৰ অৱতাৰণা কৰা হৈছে। এইফালৰ পৰা টীকা গ্ৰন্থবোৰে সাহিত্যিক মূল্য দাবী কৰিব পাৰে।

**(আ) উপাখ্যান ঃ**

উপাখ্যান শ্ৰেণীৰ ভিতৰত বিমলসূৰিৰ জৈন ৰামায়ণ— *পউম চৰিঅ, পুৰাণ* বা *চৰিত, ধম্মকহা* আৰু *কথানক* উল্লেখযোগ্য।

ভাৰতীয় মহাকাব্য *ৰামায়ণ* ৰ জৈন সংস্কৰণেই হ'ল *পউম চৰিঅ* । খ্ৰীষ্টীয় তৃতীয় শতিকামানত জৈন মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত এই কাব্যখনিৰ কাহিনী ভাগক জৈন মতানুসাৰে উপস্থাপন কৰা হৈছে। ১১৮ টা সৰ্গ (উদ্দেস/ পেব্বং) -ত বিভক্ত প্ৰায় ৯০০০ গাথা সম্বলিত এই উপাখ্যানমূলক কাব্যখনিত *পউম* শব্দৰ দ্বাৰা ৰামক বুজোৱা হৈছে। ৰাৱনক জৈন মতাৱলম্বী হিচাপে অতি উত্তম চৰিত্ৰৰূপে চিত্ৰিত কৰা হৈছে। কাব্যখনিৰ শেষৰ ফালে নিজ-কৰ্মদোষৰ হেতু ৰাৱণ ৰামৰ হাতত নিহত হৈছে আৰু ৰামেও জৈন ধৰ্ম গ্ৰহণ কৰিছে। প্ৰকৃত পক্ষে জৈন ধৰ্মানুসাৰে জগত-সৃষ্টিৰ তত্ত্ব উপস্থাপন কৰাই কাব্যখনিৰ ঘাই উদ্দেশ্য।

জৈনসকলৰ বিভিন্ন মহাপুৰুষৰ জীৱনৰ আধাৰত শ্বেতাম্বৰ সম্প্ৰদায়ে *চৰিত* আৰু দিগম্বৰ সম্প্ৰদায়ে *পুৰাণ* নামেৰে এক শ্ৰেণীৰ জীৱনী-সাহিত্যৰ সৃষ্টি কৰিছিল। এইবোৰৰ ভিতৰত জিনসেন গুণভদ্ৰৰ *ত্ৰিষষ্টি লক্ষণ মহাপুৰাণ* আৰু হেমচন্দ্ৰ বিৰচিত *ত্ৰিষষ্টি শলাকা পুৰুষ* বিশেষভাৱে উল্লেখযোগ্য। গ্ৰন্থ দুখনিৰ ভাষা সংস্কৃত হ'লেও, মূল প্ৰাকৃত ৰচনা *চউগন্ন মহাপুৰিস চৰিয়* কিংবা সংঘদাস গণিনৰ *বসুদেৱ হিণ্ডি* ৰ সংস্কৃত ৰূপ বুলি জাৰ্মান পণ্ডিত উইণ্টাৰনিজে মন্তব্য কৰিছে।

উপাখ্যান তথা চৰিত জাতীয় আন এবিধ জৈন-সাহিত্য হৈছে *ধম্মকহা*। বিভিন্ন আখ্যান, উপাখ্যানৰ মাধ্যমেৰে জৈন ধৰ্ম বিষয়ক কৰ্মবাদ, জন্মান্তৰবাদ আদি তাত্ত্বিক কথাৰ অৱতাৰণা কৰাই এইবিধ ৰচনাৰ ঘাই উদ্দেশ্য। সাৱলীল প্ৰকাশভঙ্গী আৰু কাহিনীৰ লৌকিকতাই এইবোৰক সাহিত্যিক গুণসম্পন্ন কৰি তুলিছে। এনে ৰচনাৰ ভিতৰত উল্লেখযোগ্য হ'ল হৰিভদ্ৰ সূৰিৰ *সমৰাইচ্চকহা* । গদ্য-পদ্য মিশ্ৰিত এই গ্ৰন্থৰ ভাষা জৈন মাহাৰাষ্ট্ৰী। ইয়াৰ মুঠ নটা অধ্যায়ৰ প্ৰতিটোকে *ভৱ* ৰূপে অভিহিত কৰা হৈছে।

জৈনসকলৰ মাজত প্ৰচলিত আন এক শ্ৰেণীৰ ধৰ্মীয় গ্ৰন্থ হ'ল *কথানক* । ক্ষুদ্ৰ ক্ষুদ্ৰ কাহিনীৰ সমষ্টি এইশ্ৰেণীৰ ৰচনাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হ'ল *কালকাচাৰ্য কথানক*। গদ্য-পদ্য উভয় মাধ্যমেৰে ৰচিত এই গ্ৰন্থৰ ৰচয়িতা অজ্ঞাত। ৰাজকুমাৰ কালকৰ জৈনধৰ্ম গ্ৰহণ, উজ্জয়িনীৰ ৰজা গৰ্দভিল্লৰ হাতৰ পৰা ভনীয়েক সৰস্বতীৰ উদ্ধাৰৰ বাবে প্ৰজাবিদ্ৰোহৰ উদ্যোগ আৰু শকৰাজৰ দ্বাৰা উজ্জয়িনী অধিকাৰ— এয়ে *কালকাচাৰ্য কথানক* ৰ মূল কাহিনী। *কথানক* শ্ৰেণীৰ আন দুখন প্ৰখ্যাত গ্ৰন্থ হৈছে *কথাকোশ* আৰু *কথামহোদধি* ।

**(ই) দৰ্শন বিষয়ক ঃ**

জৈনসকলে উপাসনাৰ বাবে স্তৱ-স্তোত্ৰ, নৈতিক চৰিত্ৰ গঠনৰ বাবে নীতিমূলক কাব্য আৰু জৈনধৰ্ম বিষয়ক তত্ত্বমূলক গ্ৰন্থও ৰচনা কৰিছিল। এইবোৰৰ ভিতৰত স্তৱ-স্তোত্ৰ বিষয়ক *উৱসগ্‌গহৰ স্তোত্ৰ* (ভদ্ৰবাহু), *ভয়হৰ স্তোত্ৰ* (মানতুংগ), *ঋষভ পঞ্চাশিকা* (ধনপাল), *অজিয়সন্তিথয়* (নন্দিষেণ), *জয়তিহুয়ন স্তোত্ৰ* (অভয়দেৱ), *ইসিমণ্ডল* (ধৰ্মঘোষ) আদিৰ নাম ল'ব পাৰি। গৃহী আৰু সন্যাসীৰ উদ্দেশ্যে ৰচিত নীতিমূলক কাব্যৰ ভিতৰত *উৱএসমালা* (ধৰ্মদাস),

*সীলোৱএসমালাকী* (জয়ৰ্তি), *গাথাকোশ* (মুনিচন্দ্ৰ সূৰি), *গাথা সহস্ৰী* (সময় সুন্দৰ) উল্লেখযোগ্য। আনহাতে জৈন দৰ্শন সম্পৰ্কীয় তত্ত্বমূলক ৰচনাৰ ভিতৰত *পৱয়ণসাৰ, সময়সাৰ, নিয়মসাৰ, মূলাচাৰ, ত্ৰিবৰ্ণাচাৰ, দৱ্বসংগ্ৰহ, নৱতত্ত্ব প্ৰকৰণ, জীৱবিয়াৰ, ভৱভাৱনা* বিশেষভাৱে উল্লেখনীয়। কুন্দকুন্দ নামৰ জনৈক জৈন পণ্ডিতৰ নামত প্ৰচলিত *পঞ্চথিয়সাৰ* আন এখন এই শ্ৰেণীৰ উল্লেখযোগ্য শাস্ত্ৰ। এইবোৰৰ মাজত জৈনসকলৰ পালনীয় কৰ্তব্যৰ প্ৰতি উপদেশ, দীক্ষা, স্তুতি, বন্দনা আৰু ধৰ্মতত্ত্বৰ আলোচনা সন্নিৱিষ্ট হৈছে যদিও, সাহিত্যৰ দিশৰ পৰা এইবোৰৰ বিশেষ মূল্য নাই। মন কৰিবলগীয়া যে উল্লিখিত আটাইকেইখন গ্ৰন্থৰ ভাষা প্ৰাকৃত।

**(২) ধৰ্ম-নিৰপেক্ষ ৰচনা**

কোনো বিশেষ ধৰ্মৰ প্ৰতি দায়বদ্ধতা নথকা, সাহিত্য ৰসেৰে পৰিপূৰ্ণ ভালেমান গ্ৰন্থ প্ৰাকৃত ভাষাত ৰচনা কৰা হৈছিল। এই শ্ৰেণীৰ সাহিত্যক পাঁচটা ভাগত ভগোৱা হৈছে ঃ (ক) কথা-সাহিত্য, (খ) মহাকাব্য, (গ) গীতিকাব্য (ঘ) অন্যান্য কাব্য আৰু (ঙ) নাট্য সাহিত্য।

**(ক) কথা-সাহিত্য ঃ** লোক-জীৱনত ৰূপকথা বা সাধুকথাৰ যি ব্যাপক জনপ্ৰিয়তা তাৰ পৰাই প্ৰাকৃত যুগৰ এচাম লেখকে কথা-সাহিত্যৰ সৃষ্টিৰ বাবে সম্ভৱতঃ অনুপ্ৰেৰণা পাইছিল। সেইবাবেই প্ৰাকৃত ভাষাত কথা-সাহিত্যৰ ব্যাপক প্ৰচলন হৈছিল। বিভিন্ন ধৰ্মমূলক গ্ৰন্থৰ মাজত আখ্যান-উপাখ্যানমূলক এনে কথা-সাহিত্য উভৈনদী হোৱাৰ উপৰি লৌকিক জীৱনৰ ভিত্তিতো এইবিধ উপাদেয় সাহিত্যৰ সৃষ্টি হৈছিল। এনে কথা-সাহিত্যৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগে পৈশাচী প্ৰাকৃতত গুণাঢ্য নামৰ কথাশিল্পীয়ে ৰচনা কৰা *বড়্ডকহা* (বৃহৎকথা) নামৰ গ্ৰন্থখনৰ।

গুণাঢ্য বিৰচিত *বড্ডকহা*ৰ অস্তিত্ব পাবলৈ নাই। অৱশ্যে কেইখনমান সংস্কৃত অনুবাদ গ্ৰন্থৰ মাজত এই গ্ৰন্থখনিৰ বিষয়বস্তু বিধৃত হৈছে — আৰ্যক্ষেমীশ্বৰৰ *বৃহৎ-কথা-শ্লোক সংগ্ৰহ,* ক্ষেমেন্দ্ৰৰ *বৃহৎ-কথা-মঞ্জৰী* আৰু সোদেৰৰ *কথাসৰিৎসাগৰ* ত। সংস্কৃত নাট্যকাৰ ভাসৰ *স্বপ্নবাসৱদত্তা* আৰু *জৈন উপখ্যান* শ্ৰেণীৰ সাহিত্যতো *বড্ডাকহা*ৰ বিষয়বস্তুৰ প্ৰতিফলন ঘটা লক্ষ্য কৰা যায়।

*বড়্ডকহা*ৰ মূল কাহিনীভাগ বৎসৰাজ উদয়ণৰ লগত বাসৱদত্তা আৰু পদ্মাৱতীৰ পৰিণয় আৰু পুত্ৰ নৰবাহনৰ জন্মৰ কথাৰে আৰম্ভ হৈছে। মূলতঃ নৰবাহন দত্তৰ যশ-কীৰ্তিৰ বৰ্ণনাই গ্ৰন্থখনৰ প্ৰধান উদ্দেশ্য।

*বড়্ডকহা*ৰ ৰচনা কাল তথা গুণাঢ্যৰ সময় সম্বন্ধে সৱিশেষ পাবলৈ নাই। কোনোৱে এই গৰাকী বিশিষ্ট কথাকাৰৰ সময় খ্ৰীষ্টীয় প্ৰথম বা দ্বিতীয় শতিকা বুলি, কোনোৱে পঞ্চম শতাব্দী বুলি আৰু আন কোনোৱে ষষ্ঠ শতাব্দী বুলি অনুমান কৰিছে। সময় যিয়েই নহওক, গুণাঢ্য যে অসাধাৰণ প্ৰতিভাশালী লেখক আছিল তাক সংস্কৃত আলংকাৰিক আৰু লেখকসকলৰ উল্লেখৰ পৰা সহজেই বুজিব পাৰি

*বড়্ডকহা* গ্ৰন্থৰ ৰচনাক লৈ প্ৰচলিত কিংবদন্তিৰ লগত প্ৰতিষ্ঠানপুৰৰ সাতবাহন ৰজাৰ নাম জড়িত থকাটো মন কৰিবলগীয়া। তৎকালীন জনসাধাৰণৰ মাজত প্ৰচলিত বিবিধ ৰূপকথাই আছিল *বড়্ডকহা*ৰ মূল উপজীৱ্য।

**(খ) মহাকাব্য ঃ** প্ৰাকৃত ভাষাত ৰচিত কেইবাখনো মহাকাব্য ৰচিত হোৱাৰ উল্লেখ পোৱা যায়, যদিও প্ৰৱৰসেনৰ *সেতুবন্ধ* আৰু বপ্পইৰাঅৰ (বাকপতিৰাজ) *গউড়বহো*ৰ বাহিৰে আন

কাব্যৰ অস্তিত্ব পাবলৈ নাই। অভিনৱ গুপ্ত বিৰচিত *বিষমাবণ লীলা*, বিশ্বনাথ কবিৰাজৰ *কবলয়াশ্বৰিত*, সৰ্বসেনৰ *হৰিবিজয়* আৰু অজ্ঞাত কবিৰ *ৰামবিজয়* আদি কাব্য বৰ্তমানে লুপ্ত। তলত *সেতুবন্ধ* আৰু *গউড়বহো* ৰ পৰিচয় দাঙি ধৰা হৈছে।

**সেতুবন্ধ ঃ**

কাশ্মীৰৰাজ দ্বিতীয় প্ৰৱৰসেনৰ নামত প্ৰচলিত মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত *সেতুবন্ধ* মহাকাব্যৰ আন নাম *ৰাৱণবহো* বা *দহমুহবহো*। বিতস্তা নদীৰ ওপৰত সেতু নিৰ্মাণৰ ঘটনাক স্মৰণীয় কৰি ৰাখিবৰ বাবে ৰামায়ণৰ সেতুবন্ধন, ৰাৱণ-নিধন আৰু সীতা-উদ্ধাৰৰ ঘটনাক লৈ এই মহাকাব্যখনি ৰচিত হৈছিল বুলি অনুমান কৰা হৈছে। বহুতে অৱশ্যে দক্ষিণ ভাৰতৰ বাকটাক ৰাজবংশৰ দ্বিতীয় প্ৰৱৰসেনক এই কাব্যৰ ৰচক বুলি ক'ব খোজে। আনহাতে কোনো কোনোৱে কাব্যখনিৰ প্ৰতিটো সৰ্গৰ অন্তিম শ্লোকত উল্লেখ থকা *অনুৰাগ* শব্দলৈ লক্ষ্য কৰি কোনো অজ্ঞাত কবিয়ে এই কাব্য ৰচনা কৰি প্ৰৱৰসেনৰ নামত প্ৰচলন কৰা বুলিও অনুমান কৰে।

সি যি কি নহওক, এই মহাকাব্যখনি সৰ্বমুঠ পোন্ধৰটা সৰ্গত (অচ্ছাসঅ) বিভক্ত। কাব্যখনিত কবিৰ নিপুণ প্ৰতিভাৰ পৰিচয় পোৱা যায়। ইয়াত ধৰ্মীয় তত্ত্বৰ পৰিৱৰ্তে মানৱ বুদ্ধিমত্তা আৰু দৃঢ়তাৰ ঘোষণাৰ দ্বাৰা অশুভ শক্তিৰ পৰাজয় দেখুৱা হৈছে। মন কৰিবলগীয়া যে কাব্যখনিৰ প্ৰথমৰ আঠোটা সৰ্গত সাগৰ-তীৰলৈ যাত্ৰা কৰাৰ পৰা সেতু বন্ধনৰ ঘটনা সামৰা হৈছে। আনহাতে ৰাৱণ-নিধন আৰু সীতা-উদ্ধাৰৰ বিৰাট ঘটনাংশ মাত্ৰ অন্তিম চাৰিটা অধ্যায়ত সামৰি থোৱা হৈছে। যথোপযুক্ত শব্দ-চয়ন আৰু অলংকাৰ প্ৰয়োগৰ নিপুণতা কাব্যখনিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। উদাহৰণ হিচাপে কাব্যৰ একাদশ সৰ্গৰ অন্তৰ্গত সীতাৰ দ্বাৰা ৰামৰ মায়ামুণ্ড দৰ্শনৰ এটি শ্লোক উদ্ধৃত কৰা হ'ল—

*পেচ্ছই অ সৰহসোহৰিঅ-মণ্ডলগ্গাহিআঅ-বিসমচ্ছিণ্ণং।*
*দূৰধনুসংঘিঅঞ্চিঅসৰ-পুংখালিদ্ধসামলি' অবঙ্গং।।*

**গউড়বহো ঃ**

কনৌজৰাজ যশোবৰ্মাৰ সভাকবি বপ্পইৰাঅ (বাক্‌পতিৰাজ) বিৰচিত *গউড়বহো* (গৌড়বধঃ) মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত আন এখনি উল্লেখযোগ্য মহাকাব্য। এই কাব্য ৭৫০ খ্ৰীষ্টাব্দত ৰচনা কৰা বুলি অনুমান কৰা হৈছে। ইয়াৰ শ্লোক-সংখ্যা বাৰশতকৈ অলপ বেছি। কাব্যখনিৰ বিষয়বস্তু হৈছে কবিৰ পৃষ্ঠপোষক যশোবৰ্মাৰ গৌড়দেশ বিজয় আৰু গৌড়ৰাজৰ নিধন। কাহিনীভাগ ঐতিহাসিক যেনে লাগিলেও ইয়াত ইতিহাসৰ উপাদান নিচেই সামান্যহে পোৱা যায়। সম্ভৱতঃ পৃষ্ঠপোষক ৰজাৰ যশ-গৰিমা বৃদ্ধিৰ উদ্দেশ্যেৰে এই কাব্য প্ৰণয়ন কৰা হৈছিল। যশোবৰ্মাৰ গুণৰাশি আড়ম্বৰপূৰ্ণ তথা অলংকাৰসমৃদ্ধ ভাষাৰে বৰ্ণনা কৰাটোৱেই তাৰ প্ৰমাণ। কাৰো কাৰো মতে কাব্যখনি অসমাপ্ত; প্ৰাপ্তখণ্ডটো মূল কাব্যৰ ভূমিকাহে মাত্ৰ।

মহাকাব্য বুলি ধৰিলেও দৰাচলতে কাব্যখনিত সেই শ্ৰেণীৰ কাব্যৰ লক্ষণ-বৈশিষ্ট্য বিশেষ পাবলৈ নাই। ইয়াত সৰ্গ বিভাজন নাই। বিষয়-বিন্যাসো প্ৰচলিত মহাকাব্যবোৰতকৈ পৃথক। প্ৰকৃত বিচাৰত ই এখন প্ৰশস্তিমূলক কাব্যহে। সেয়ে হ'লেও, গ্ৰাম্য জীৱনৰ দুৰ্লভ তথা সজীৱ চিত্ৰ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ বিৰল বৰ্ণনাই কাব্যখনিক যথাৰ্থ সাহিত্যিক মূল্য দান কৰিছে। কবিৰ কৃতিত্বও সেইখিনিতে। কাব্যখনিৰ অন্তৰ্গত শ্লোক এটিত সংস্কৃত আৰু প্ৰাকৃতৰ যি তুলনা দিয়া হৈছে তাৰ পৰা অনুমান কৰিব পাৰি যে তৎকালীন প্ৰাকৃত কবিকুলে সংস্কৃত ভাঙি প্ৰাকৃতত পদ ৰচনা কৰিছিল।

**(গ) গীতিকাব্য ঃ**

সমগ্র প্ৰাকৃত-সাহিত্যৰ ভিতৰত গীতিকাব্যৰ ধাৰাটোক অতিশয় সমৃদ্ধিশালী আখ্যা দিয়া হৈছে। দৰাচলতে লোক-জীৱনৰ পৰা আহৰিত ভাষাৰে সেই জীৱনৰ প্ৰেম-বিৰহ, দুখ-যাতনাৰ ছবি বাস্তৱ দৃষ্টিৰে চিত্ৰায়িত হোৱা বাবেই এই বিশেষ ধাৰাটো শক্তিশালী হৈ উঠিছিল বুলি ক'ব পাৰি।

প্ৰাকৃত গীতি-কবিতাৰ সৰ্বপ্ৰাচীন নিদৰ্শন ভৰতৰ নাট্যশাস্ত্ৰত প্ৰাপ্ত 'ধ্ৰুৱা' গীতসমূহৰ মাজত পোৱা যায়। সেয়ে হ'লেও স্বতন্ত্ৰ শ্ৰেণীৰ গীতিকাব্য হিচাপে আমি *গাহাসত্তসঈ* আৰু *বজ্জালগ্‌গ*ৰ নাম ল'ব পাৰোঁ। তলত দুয়োখনি কাব্যৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

**গাহাসত্তসঈ ঃ**

প্ৰাকৃত গীতি-কবিতাৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন হৈছে *গাহাসত্তসঈ* (গাথাসপ্তশতী)। সাতবাহন বংশৰ ৰজা হালে ভাৰতীয় লোক-জীৱনত পৰম্পৰাগতভাৱে মৌখিক ৰূপৰে প্ৰৱাহিত লোকায়ত জীৱনৰ সুৰ সম্বলিত বছা বছা গাথা কিছুমান একত্ৰ কৰি এই অপূৰ্ব গীতি -কাব্য সংকলনটি প্ৰচাৰ কৰিছিল। সংকলনটিত সৰ্বমুঠ সাতশটা গাথা সাতোটা শতকত শ্ৰেণীবদ্ধ কৰি থোৱা হৈছে বাবেই ইয়াৰ নাম *গাহাসত্তসঈ* । খ্ৰীষ্টীয় ৪০০-ৰ পৰা ৮০০ শতিকাৰ ভিতৰত এই গ্ৰন্থৰ সংকলন কাৰ্য সম্পন্ন হৈছিল বুলি অনুমান কৰা হৈছে।

সংকলনটিৰ অন্তৰ্গত অধিকাংশ গাথাৰ মূল সুৰ হৈছে প্ৰেম। গতিকে স্বাভাৱিক কাৰণতে ইয়াৰ মাজেৰে আদিৰস প্ৰৱাহিত হৈছে। এই প্ৰেম কিন্তু অভিজাত সমাজৰ নহয়; বৰং লোক-জীৱনৰ প্ৰেম। সাধাৰণ মানুহৰ প্ৰেমৰ মাজত পোৱা সুখ-দুখ, মান-অভিমান, বিৰহ-মিলন আদিৰ বাস্তৱ ছবি গ্ৰন্থখনিৰ প্ৰায়ভাগ কবিতাৰ মাজেৰে ফুটি উঠিছে। অৱশ্যে কেইটিমান গাথাৰ মাজত প্ৰেম-আধাৰিত উপদেশো পোৱা যায়। মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত হোৱা বাবে সংকলনটিৰ গীতিধৰ্মিতা অনেক গুণে বৃদ্ধি পোৱা বুলি ক'লেও ভুল কৰা নহয়।

ভাৰতীয় জীৱনৰ চিৰ পৰিচিত গ্ৰাম্য জীৱনৰ অপূৰ্ব চিত্ৰৰ অংকন কাব্যখনিৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। এইবোৰৰ মাজেৰে ৰচয়িতাসকলৰ কাব্য নৈপুণ্য অতি সুন্দৰভাৱে প্ৰতিফলিত হৈছে। ভাষাৰ পৰিশীলিত ৰূপ আৰু উচ্চমানৰ বৰ্ণনাই ইয়াৰ অন্তৰ্গত কবিতাসমূহ লোক-জীৱনৰ পৰা সংগ্ৰহ কৰি পৰিমাৰ্জন কৰাৰ ধাৰণা দিয়ে। সম্ভৱতঃ এনে হোৱাৰ বাবেই মুখে মুখে প্ৰচলিত অজ্ঞাত কবিৰ ৰচনাৰ পৰিশীলিত ৰূপটোৰ সৈতে পৰৱৰ্তী সময়ত বিভিন্ন কবিৰ নাম যুক্ত হৈ পৰিল। ইয়াৰ মাজত কেইবাগৰাকী মহিলা কবিৰ নামো পোৱা যায়।

গ্ৰন্থখনিৰ অন্তৰ্গত প্ৰতিটো গাথা দুটা শাৰীত সমাপ্ত। লোক-জীৱনৰ সাৰল্যতকৈ এইবোৰৰ মাজত গীতি-কবিতাৰ মাধুৰ্যহে অধিক লক্ষ্য কৰা যায়। সম্ভৱতঃ সংগ্ৰহৰ অন্তত কৰা পৰিমাৰ্জনেই ইয়াৰ মূল কাৰণ। হালৰ নামত প্ৰচলিত হ'লেও, ই কেইবাশতিকা জোৰা সংগ্ৰহ হোৱাও অসম্ভৱ নহয়। আধুনিক ৰোমাণ্টিক কবিতাতকৈও উচ্চখাপৰ এই গীতি-কাব্য সংকলনটি ভাৰতীয় সাহিত্যৰ ইতিহাসত এক মাইলৰ খুঁটি হিচাপে চিৰ পৰিচিত হৈ থাকিব।

**বজ্জালগ্‌গ ঃ**

জৈন কবি জয়বল্লভ-ৰ দ্বাৰা সংগৃহীত *বজ্জালগ্‌গ* প্ৰাকৃত গীতি-কবিতাৰ আন এক উল্লেখযোগ্য কাব্য-গ্ৰন্থ। সংগ্ৰহকৰ্তাৰ নামানুসাৰে কাব্যখনি *জয়বল্লহং* -ৰূপেও পৰিচিত। ইয়াত সৰ্বমুঠ ৭৯৫ টা গাথা সংকলিত হৈছে। কেতবোৰ গাথা গাহাসত্তসঈ ৰ সৈতে অভিন্ন। গ্ৰন্থখনিৰ

বিশেষত্ব এইটোৱে যে ইয়াত গাথাসমূহ বিষয় অনুসাৰে একো একোটা নিৰ্দিষ্ট ব্ৰজ্যা-ত সজোৱা হৈছে। সংকলনটিৰ নাম সেইবাবেই *বজ্‌জালগ্‌গ* (ব্ৰজ্যালগ্ন) ৰখা হৈছে। সংগ্ৰহকৰ্তা জয়বল্লভ জৈন মতাৱলম্বী হ'লেও, গাথাসমূহত তাৰ কোনো প্ৰভাৱ পাবলৈ নাই; বৰং এইবোৰ *গাহাসত্তসঈ*ৰ দৰে বিভিন্ন কবিৰ মনোৰম ৰচনা। প্ৰায়ভাগ গাথাৰ বিষয় প্ৰেম হ'লেও, ইয়াত অন্যান্য ভাৱৰ গাথাও পোৱা যায়।

গ্ৰন্থখনিৰ সংকলনৰ সময় খ্ৰীষ্টীয় একাদশ বা দ্বাদশ শতিকা বুলি অনুমান কৰা হৈছে। ইয়াৰ ভাষা মাহাৰাষ্ট্ৰী প্ৰাকৃত।

**(ঘ) অন্যান্য কাব্য ঃ**

প্ৰসিদ্ধ প্ৰাকৃত ব্যাকৰণকাৰ হেমচন্দ্ৰ সূৰিয়ে *সিদ্ধহেমচন্দ্ৰশব্দানুশাসন* নামৰ যিখন ব্যাকৰণ ৰচনা কৰিছিল তাৰ অন্তৰ্গত সূত্ৰসমূহৰ উদাহৰণ দিবলৈ গৈ *কুমাৰপাল চৰিত* নামৰ এখনি মনোৰম কাব্য ৰচনা কৰিছিল। মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত এই কাব্যখনিত মুঠ আঠোটা খণ্ড পোৱা যায়। ইয়াৰ অন্তিম সৰ্গ দুটাৰ বিষয়বস্তু জৈন ধৰ্মতত্ত্ব।

কাব্যখনিৰ বিষয়বস্তু কুমাৰপাল ৰজাক কেন্দ্ৰ কৰি বৰ্ণিত হৈছে। ৰজা কুমাৰ পাল তথা তেওঁৰ প্ৰজাবৰ্গৰ জৈনধৰ্মৰ প্ৰতি অনুৰাগৰ বিৱৰণৰ উপৰি কুমাৰপাল আৰু কোঙ্কনৰাজ মল্লিকাৰ্জুনৰ যুদ্ধ, কুমাৰপালৰ হাতত মল্লিকাৰ্জুনৰ পৰাভৱ আৰু পৰিশেষত মল্লিকাৰ্জুনৰ নিধন আদি বিষয় অতিশয় দক্ষতাৰে কাব্যখনিত বৰ্ণনা কৰা হৈছে।

**(ঙ) নাট্য সাহিত্য ঃ**

খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা নাটকীয় কাহিনীৰ গতি-প্ৰৱাহক স্বাভাৱিক ৰূপ প্ৰদান কৰিবলৈ সংস্কৃত নাটকত চৰিত্ৰানুযায়ী প্ৰাকৃত ভাষাৰ ব্যৱহাৰ চলি আহিছিল। কালিদাস, ভাস, শূদ্ৰক আদি প্ৰসিদ্ধ সংস্কৃত নাট্যকাৰৰ নাটকসমূহলৈ লক্ষ্য কৰিলে তাৰ প্ৰমাণ পোৱা যায়। সম্ভৱতঃ তেনে কাৰণতে সম্পূৰ্ণ প্ৰাকৃত ভাষাত নাটক ৰচিত হোৱা নাছিল। খ্ৰীষ্টীয় দশম শতিকাৰ আদিভাগত কিন্তু এই পৰম্পৰা ভঙ্গ হয়। গুৰ্জৰ-প্ৰতিহাৰৰ ৰজা মহেন্দ্ৰপালৰ গুৰু কবিৰাজ ৰাজশেখৰে পত্নী অৱন্তীসুন্দৰীৰ অনুৰোধ ক্ৰমে *কপ্‌পূৰ মঞ্জৰী* (কৰ্পূৰমঞ্জৰী) নামৰ নাট এখনি সম্পূৰ্ণ প্ৰাকৃত ভাষাত ৰচনা কৰি এক নতুন পৰম্পৰাৰ সূচনা কৰে। নাট্যকাৰে অৱশ্যে ৰচনাখনিক 'নাটক' নুবুলি সট্টক আখ্যা দিছে। তেওঁৰ মতে 'সট্টক' 'নাটিকা'ৰ অনুৰূপ। মাত্ৰ সট্টকত 'প্ৰৱেশক' আৰু বিস্কম্ভক' নাথাকে। ৰচনাখনিত অঙ্ক বিভাজনো পাবলৈ নাই। তাৰ ঠাই পূৰণ কৰিছে চাৰিটা 'যৱনিকা'-ই।

ৰাজশেখৰে সট্টকখনিত প্ৰাকৃত ব্যৱহাৰৰো যথাৰ্থ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে সংস্কৃত ৰচনা কঠুৱা আৰু প্ৰাকৃত কোমল, ঠিক পুৰুষ আৰু নাৰীৰ দৰে। সেইবাবে তেওঁ প্ৰাকৃত ভাষাকে নাট-ৰচনাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছে। সম্ভৱতঃ সংস্কৃত নাটকৰ অভিনয় অভিজাত লোকৰ বাবে হোৱা হেতুকে সাধাৰণজনৰ মনোৰঞ্জনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজশেখৰে জনসাধাৰণৰ ভাষাত পৰীক্ষামূলকভাৱে এই নাটখনি ৰচনা কৰিছিল। আন প্ৰকাৰে সংস্কৃত ভাষাৰ প্ৰতি তৎকালীন অভিজাত সম্প্ৰদায়ৰ যি ৰক্ষণশীল দৃষ্টিভঙ্গী তাৰ বিৰুদ্ধে ৰাজশেখৰৰ ই এক অভিনৱ প্ৰতিবাদ বুলিবও পাৰি।

নাটখনিৰ কাহিনীভাগ অলপো গহীন প্ৰকৃতিৰ নোহোৱাটোৰেও লোক-প্ৰয়োজনৰ দিশটোলৈকে আঙুলিয়ায়। ইয়াৰ মূল বিষয়বস্তু হৈছে চণ্ডপাল নামৰ ৰজা এজনৰ ভৈৰৱানন্দ নামৰ এগৰাকী সিদ্ধপুৰুষে অলৌকিক শক্তিৰে আনি দিয়া কুন্তল ৰাজকন্যা কৰ্পূৰমঞ্জৰীৰ সৈতে হোৱা প্ৰেম, ৰাজমহিষী বিভ্ৰমলেখাৰ বাধা আৰু পৰিশেষত তেওঁৰেই (ৰাণীৰ) সহযোগত ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ বিবাহ। এইখিনি ঘটনাকে অনুপম নাট্যশৈলীৰে নাট্যকাৰে উপস্থাপন কৰিছে। সম্পূৰ্ণ প্ৰাকৃত ভাষাত সট্টক নামৰ একশ্ৰেণীৰ নতুন নাট্যশৈলীৰ সৃষ্টি কৰা হেতুকে ভাৰতীয় নাট্যসাহিত্যত ৰাজশেখৰৰ নাম যুগমীয়া হৈ ৰ'ব।

নাট্যকাৰে 'সক্কদং পৰিহৰিঅ পাউদবংধে পউত্তো কঈ' বুলি প্ৰাকৃত ব্যৱহাৰৰ যথাৰ্থতা নাটৰ আৰম্ভণিতে ব্যক্ত কৰিছে যদিও, তেওঁ কোনো বিশেষ সাহিত্যিক প্ৰাকৃতৰ নাম লোৱা নাই। সট্টকখনিৰ ভাষাগত দিশবোৰ বিশ্লেষণ কৰিলে দেখা যায় ইয়াত নাট্যকাৰে প্ৰাকৃত ভাষাৰ এক মিশ্ৰৰূপহে ব্যৱহাৰ কৰিছে। এই প্ৰাকৃতত মাহাৰাষ্ট্ৰীৰ উপাদান যিদৰে আছে শৌৰসেনীৰো লক্ষণ বৈশিষ্ট্য তেনেদৰে বিদ্যমান। তদুপৰি 'হক্কাৰিঅ', 'ছইল্ল' আদি প্ৰচুৰ দেশী শব্দও ইয়াত ব্যৱহৃত হৈছে। এইফালৰ পৰা *কৰ্পূৰমঞ্জৰী* ৰ প্ৰাকৃতক *ৰাজশেখৰী প্ৰাকৃত* বুলি অভিহিত কৰাহে যুক্তিসংগত যেন লাগে। কাৰণ এই প্ৰাকৃত ৰাজশেখৰৰ নিজা সৃষ্টি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। এশটা মান শব্দৰ ভিতৰত জৈনধৰ্ম বিষয়ক প্ৰাকৃত ৰচানৰ আভাস দিয়ক।

........................................................................................................

........................................................................................................

........................................................................................................

২। প্ৰাকৃতত ৰচিত মহাকাব্য কেইখনৰ বিষয়ে (প্ৰতিটো ৪০টা শব্দৰ ভিতৰত) একোটাকৈ টোকা প্ৰস্তুত কৰক।

........................................................................................................

........................................................................................................

........................................................................................................

৩। একোটাকৈ টোকা লিখক (প্ৰতিটো ৩০টা শব্দৰ ভিতৰত) বড্ডকহা, গাহাসত্তসঈ, বজ্জালগ্‌গ, কৰ্পূৰমঞ্জৰী

........................................................................................................

........................................................................................................

........................................................................................................

## ১.৮ সাৰাংশ (Summing Up)

এইটো বিভাগত প্ৰাকৃত ভাষাৰ উদ্ভৱ, বিকাশ আৰু ব্যুৎপত্তিগত অৰ্থৰ পৰা আৰম্ভ কৰি এই ভাষাৰ বৈশিষ্ট্য, বিভিন্ন সাহিত্যিক প্ৰাকৃত আৰু প্ৰাকৃত সাহিত্য সম্বন্ধে আপুনি বিশদভাৱে অধ্যয়ন কৰিলে। প্ৰাকৃত ভাষা মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰৰ অন্তৰ্গত। এই স্তৰৰ ভাষাৰ সৈতে প্ৰাচীন ভাৰতীয় আৰ্যভাষা— বৈদিক-সংস্কৃতৰ বিস্তৰ প্ৰভেদ বিদ্যমান। আপুনি প্ৰাকৃত ভাষাৰ বৈশিষ্ট্যৰ আলোচনাত এই প্ৰভেদবোৰৰ কথা নিশ্চয় অধ্যয়ন কৰিবলৈ পাইছে।

মানুহৰ মুখ বাগৰি বৈদিক-সংস্কৃত ভাষাত যি ভাঙোন ধৰিছিল পৰৱৰ্তী কালত সি অঞ্চলভেদে ভিন ভিন ৰূপ ধাৰণ কৰিছিল। এনে আঞ্চলিক ৰূপৰ ভিত্তিতে পাঁচোটাকৈ সাহিত্যিক

প্ৰাকৃত গঢ় লৈ উঠিছিল। দৰাচলতে সাহিত্য-ৰচনাত ব্যৱহাৰ হোৱা বাবেই এই প্ৰাকৃত ভাষাবোৰক সাহিত্যিক প্ৰাকৃত বোলা হৈছে।

পৰিশেষত প্ৰাকৃত-সাহিত্য ৰাজিৰ যি আভাস এই অধ্যায়ত দিয়া হৈছে তাৰ অধ্যয়নৰ জৰিয়তে আপুনি সংস্কৃতৰ বিপৰীতে লৌকিক জীৱনৰ বাস্তৱ চিত্ৰ সম্বলিত এক শ্ৰেণীৰ নতুন সাহিত্যৰ পৰিচয় লাভ কৰিলে।

## ১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। মধ্যভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰৰ ভাষা কি? সেই ভাষাৰ বিষয়ে বহলাই আলোচনা কৰক।

২। 'প্ৰাকৃত' শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু 'প্ৰাকৃত' নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰি এই ভাষাৰ আঞ্চলিক ভিত্তি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

৩। প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুৱাওক।

৪। 'সাহিত্যিক প্ৰাকৃত' মানে কি? ই কেই প্ৰকাৰৰ? প্ৰতিবিধ সাহিত্যিক প্ৰাকৃতৰ বিশেষ লক্ষণবোৰ উল্লেখ কৰক।

৫। প্ৰাকৃত ভাষাত ৰচিত সাহিত্যৰাজিৰ বিষয়ে এটি চমু নিবন্ধ যুগুত কৰক।

৬। চমুকৈ আলোচনা কৰক ঃ
   (ক) বৈদিক-সংস্কৃতৰ ঋ, ঐ, ঔ ধ্বনিৰ প্ৰাকৃতত ঘটা পৰিৱৰ্তন।
   (খ) প্ৰাকৃত ভাষাৰ শব্দভাণ্ডাৰ।
   (গ) জৈন সাহিত্য।
   (ঘ) সংস্কৃত নাটকত প্ৰাকৃতৰ প্ৰয়োগ।
   (ঙ) প্ৰাকৃত মহাকাব্য।
   (চ) প্ৰাকৃত গীতিকাব্য।
   (ছ) কৰ্পূৰমঞ্জৰী।

## ১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য।*
(——) ঃ *প্ৰাকৃত সাহিত্য-চয়ন।*
(——) ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন।*
লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত পালি প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ।*
দেবিদাস ভট্টাচাৰ্য ঃ *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা।*
মনমোহন ঘোষ ঃ *প্ৰাকৃত সাহিত্য।*
পৰেশচন্দ্ৰ মজুমদাৰ ঃ *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ।*
Sukumar Sen ঃ *A Comparative Grammar of Middle Indo Aryam*
R. Pischel ঃ *A Grammar of the Prakrit Language.*
A. C. woolner ঃ *Introductian to Prakrit.*


* * *

## দ্বিতীয় বিভাগ
# গাহাসত্তসঈ

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ গাহাসত্তসঈ ৰ চমু পৰিচয়
২.৪ সংগ্ৰাহক পৰিচিতি
২.৫ গাহাসত্তসঈ ৰ ৰচনা-কাল
২.৬ গাহাসত্তসঈ ৰ বিষয়বস্তু
২.৭ মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা
২.৮ সাৰাংশ (Summing Up)
২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

এই বিভাগৰ আলোচ্য গ্ৰন্থ *গাহাসত্তসঈ* প্ৰাকৃত গীতি-কবিতাৰ সৰ্বোৎকৃষ্ট সংগ্ৰহ। অপভ্ৰংশ প্ৰভাৱিত মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত এই অপুৰ্ব কাব্য সংকলনটিত সৰ্বমুঠ সাতশটা গাথা সন্নিৱিষ্ট হোৱা বাবেই ইয়াৰ নাম *গাহাসত্তসঈ* (গাথাসপ্তশতী) ৰখা হৈছে। বিভিন্ন কবিয়ে ৰচনা কৰা মূলতঃ প্ৰেমমূলক গাথাৰ মনোৰম সংগ্ৰহ এই গীতি-কাব্যখনি একত্ৰ ৰূপত সংকলন কৰিছিল সাতবাহন বংশৰ ৰজা হালে।

আপোনাৰ অধ্যয়নৰ বাবে এই গ্ৰন্থৰ প্ৰথম শতকৰ অন্তৰ্গত ক্ৰমে ১, ২, ৭, ৯, ১০, ১৬, ১৯ আৰু ২১ নং গাথা (মুঠ আঠোটা) পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে। আপুনি এইটো অধ্যায়ত গ্ৰন্থখনিৰ আটাইবোৰ দিশৰ বিষয়ে অধ্যয়ন কৰাৰ লগে লগে পাঠ্যক্ৰম-সংশ্লিষ্ট গাথাকেইটাৰ মূল পাঠ আৰু সিবোৰৰ অসমীয়া ভাঙনি সম্পৰ্কেও জানিব পাৰিব। তদুপৰি সংশ্লিষ্ট গাথাকেইটাৰ জৰিয়তে আপুনি প্ৰাকৃত যুগৰ এই প্ৰসিদ্ধ গীতি-কাব্যখনিৰ সাহিত্য ৰসো আস্বাদন কৰিব পাৰিব।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- *গাহাসত্তসঈ* নামৰ প্ৰাকৃত গীতি-কাব্য সংকলনটিৰ পৰিচয় দাঙি ধৰিব পাৰিব;
- *গাহাসত্তসঈ* সংকলক হাল আৰু ইয়াৰ গাথা-ৰচকসকলৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব;
- আলোচ্য সংকলনটিৰ ৰচনা-কাল সম্বন্ধে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব; আৰু
- সংকলনটিৰ অন্তৰ্গত গাথাসমূহ পঢ়ি নিজ ভাষালৈ তৰ্জমা কৰিব পাৰিব।

## ২.৩ গাহাসত্তসঈ ৰ চমু পৰিচয়

আপুনি ইতিমধ্যে জানিব পাৰিছে যে প্ৰাকৃত ভাষাত ৰচিত ধৰ্ম-নিৰপেক্ষ সাহিত্য-ৰাজিৰ ভিতৰত নৃপতি হালৰ দ্বাৰা সংকলিত বুলি জনাজাত *গাহাসত্তসঈ* নামৰ গীতি-কবিতাৰ সংকলনটি সৰ্বোৎকৃষ্ট বুলি সৰ্বজন স্বীকৃত হৈছে। ই প্ৰাকৃত-সাহিত্যৰ গণ্ডী অতিক্ৰম কৰি সমগ্ৰ ভাৰতীয় সাহিত্যৰ ভিতৰতে জন-জীৱনৰ আবেগ-অনুভূতিৰ সুৰ সম্বলিত এক সাৰ্থক গীতি-কাব্যৰূপেও পৰিচিত। ইয়াৰ অন্তৰ্গত সৰু সৰু গাথাসমূহে সাধাৰণ মানুহৰ সুখ-দুখ, হৰ্ষ-বিষাদ, বিৰহ-মিলনৰ চিত্ৰ দাঙি ধৰাৰ উপৰি সিবোৰৰ মাজেৰে তৎকালীন ভাৰতবৰ্ষৰ গ্ৰাম্য জীৱনৰ বাস্তৱ ছবিও প্ৰতিভাত হৈছে। লোক-জীৱনৰ লগত এনে অঙ্গাঙ্গী সম্পৰ্ক আৰু কাব্যিক মূল্যৰ হেতু এই সংকলনটি ভাৰতীয় কবিতাৰ ইতিহাসত চিৰ স্মৰণীয় হৈ ৰ'ব।

আভিজাত্যসুলভ মনোবৃত্তিৰে বৈদগ্ধ্যপূৰ্ণ প্ৰকাশশৈলীত গুৰুত্ব আৰোপ কৰি বিশাল সংস্কৃত সাহিত্য ৰচনাৰ পূৰ্ণ পয়োভৰৰ সমকালতে লোক-জীৱনত স্পন্দিত হোৱা চিৰন্তন ভাব-অনুভূতি এনেদৰে সংগৃহীত হোৱাৰ প্ৰচেষ্টা নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ আৰু লগতে এক গুৰুত্বপূৰ্ণ কৃতিত্বৰ পৰিচায়ক।

প্ৰাকৃত-সাহিত্য আছিল সংস্কৃত সাহিত্যৰ আদৰ্শেৰে অনুপ্ৰাণিত। কিন্তু ইয়াৰ ভিতৰত *গাহাসত্তসঈ* আছিল এক ব্যতিক্ৰম। এই সংকলনটিয়ে ওলোটাকৈ সংস্কৃত সাহিত্যকহে প্ৰভাৱিত কৰিছিল। *শতক, সপ্তশতী* আদি নামেৰে (যেনে অমৰুৰ *অমৰু শতক*, গোৱৰ্ধন আচাৰ্যৰ *আৰ্যাসপ্তশতী* আদি) লৌকিক প্ৰেমৰ চিত্ৰ সম্বলিত চূৰ্ণ বা ক্ষুদ্ৰ কবিতাৰ যিবোৰ কোষকাব্য সংস্কৃতত পোৱা যায় সেইবোৰ *গাহাসত্তসঈ* ৰ প্ৰভাৱৰ পৰিণতি। বাণভট্ট, ৰাজশেখৰ আদি বিশিষ্ট কাব্যকাৰসকলে হাল আৰু তেওঁৰ কাব্য-সংকলনৰ কথা উল্লেখ কৰাটোৱেও *গাহাসত্তসঈ* ৰ জনপ্ৰিয়তা আৰু ভাৰতীয় সাহিত্যত ইয়াৰ গৌৰৱময় স্থানৰ ইঙ্গিত দিয়ে।

লোক-জীৱনত মৌখিকভাৱে প্ৰৱাহিত 'কোটি কোটি' গীতৰ মাজৰ পৰা ৰজা হালে সাতশ গাথা সংগ্ৰহ কৰি সেইবোৰক সাতটা শতকত বিভক্ত কৰি সংকলন কৰিছিল বাবেই গাথা সংকলনটিৰ নাম *গাহাসত্তসঈ* হৈছে। সংকলনটিৰ আৰম্ভণিতে সেই কথাৰ উল্লেখ পোৱা যায়—

*'সত্ত সআইং কই-বচ্ছলেন কোডীঅ মজ্ঝাআৰম্মি।*
*হালেন বিৰইআইং সালংকাৰাণং গাহাণং।।'*

(অলংকৃত কোটি কোটি গাথাৰ মাজৰ পৰা সাতশ গাথা কবি বৎসল হালৰ দ্বাৰা সংকলিত হৈছে।)

সাতটা শতকৰ প্ৰতিটোৰে শেষত একোটাকৈ ভণিতাও পোৱা গৈছে। উদাহৰণস্বৰূপে প্ৰথম শতকৰ শেষত থকা ভণিতাটো এনেধৰণৰ —

*'ৰসিঅজন-হিঅঅ-দইএ কইবচ্ছল পমুহ সুকই নিম্মইএ।*
*সত্তসঅম্মি সমত্তং পঢমং গাহাসঅং এঅং।।'*

(ৰসিকজনৰ হৃদয়-দয়িত কবি-বৎসল প্ৰমুখ সুকবি নিৰ্মিত সপ্তশতকৰ ভিতৰত এই প্ৰথম গাথাশতক সমাপ্ত হ'ল।)

প্ৰথম শতকত 'পঢমং' (প্ৰথম), দ্বিতীয় শতকত 'বীঅং' — এনেদৰে শতক অনুযায়ী সংখ্যা নিৰূপণ কৰি ভণিতা দিয়া হৈছে। সংকলনটিত শতক বিভাজনেৰে কবিতাবোৰ সংকলিত হৈছে যদিও, সেই বিভাজনত কোনো বিশেষ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰখা হোৱা নাই। বিষয়বস্তু বা কবিক্ৰমৰো কোনো নিয়ম মনা হোৱা নাই। মাত্ৰ এশ এশকৈ একোটাহঁত গোটত কবিতাসমূহ সংকলন কৰিবৰ বাবেই শতক বিভাজন কৰা হৈছে।

'কোটি কোটি গাথাৰ মাজৰ পৰা' বুলি উল্লেখ কৰাটোৱে এই কথাকে নিশ্চিত কৰে যে হালৰ সমকালত জনসাধাৰণৰ মাজত প্ৰচলিত প্ৰেমমূলক অসংখ্য গীতৰ প্ৰচলন আছিল আৰু সেইবোৰৰ পৰাই বছা বছা সাতশটা গাথা সংগহ কৰি গ্ৰন্থৰূপ দিয়া হৈছে। গাথাসমূহৰ লোকধৰ্মী গুণ আৰু সিবোৰৰ ভাষাত পোৱা কথ্য-ধৰ্মী উপাদানসমূহেও সেই কথালৈকে আঙুলিয়ায়। কিন্তু, সেয়ে হ'লেও, গাথাসমূহৰ ভাষা অতিশয় পৰিচ্ছন্ন, অৰ্থবোধক আৰু ব্যাকৰণসম্মত। মূলতঃ মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ মাধ্যমেৰে এইবোৰ ৰচিত হৈছে। তদুপৰি এইবোৰৰ বিষয়বস্তুও অত্যন্ত গভীৰ, ভাবব্যঞ্জক আৰু সূক্ষ্ম অনুভূতিসম্পন্ন। সম্ভৱতঃ লোক-জীৱনৰ পৰা আহৰণ কৰাৰ অন্তত এইবোৰ ৰজা হালৰ উদ্যোগত পৰিমাৰ্জিত কৰা হৈছিল। সেইবাবেই কোৱা হৈছে— *'কইবচ্ছল পমুহ সুকই নিম্মইএ'* (কবি-বৎসল প্ৰমুখ সুকবিৰ নিৰ্মিত)। এনে পৰিমাৰ্জনৰ কাম সম্ভৱতঃ কাব্যানুৰাগী হালৰ সভাকবি তথা সমসাময়িক কবিসকলৰ দ্বাৰা কৰোৱা হৈছিল। অধিকাংশ কবিতাত কবিৰ নাম যুক্ত হোৱাৰো কাৰণ এইটোৱে হ'ব পাৰে। ৰজা হালৰ উপৰি গাথাসমূহত উল্লেখ থকা আন কেইগৰাকীমান কবি হ'ল— মকৰন্দ, ক্ষুদ্ৰৌঘ, প্ৰবাৰক, কুমাৰিল, মহেন্দ্ৰ, অলক, দুৰ্গস্বামী, ভীমস্বামী, গজসিংহ, শ্ৰীধৰ্মক, চন্দ্ৰস্বামী, কলিৰাজ, বসুকাৰী, কালসাৰ, কুমাৰ, প্ৰণাম, কল্যাণ, হৰিতাল, অংগৰাজ, ভোজক, অনংগ, মহিল, অমৃত, মন্মথ, অনিৰুদ্ধ, কৰ্ণ, মুগ্ধাধিপ, পালিত, পোট্টিশ, ঋতুৰাজ, কালদীপ, অনুৰাগ, ৰেবা, মাধৱী, মাতংগ, বাক্‌পতিৰাজ ইত্যাদি। এই কবিসকলৰ অধিকাংশই আছিল পণ্ডিত আৰু কাব্যকুশলী। এনে পণ্ডিত ব্যক্তিৰ হতুৱাই পৰিমাৰ্জন তথা পুনৰ্লিখন কৰোৱা হেতুকে গাথাসমূহত লোক-কবিতাৰ স্বাভাৱিক সৰলতাৰ সলনি গীতি-কবিতাৰ মাধুৰ্য অনুভূত হয়।

*গাহাসত্তসঈ* ৰ ভিন ভিন পাঠত গাথা-সংখ্যাৰ তাৰতম্য লক্ষ্য কৰা যায়। সেয়ে হ'লেও, সংকলনটিৰ প্ৰতিটো গাথা দুটা চৰণত সম্পূৰ্ণ আৰু প্ৰতিটোৱেই গীতি-কবিতাৰ ছান্দিক আৰু আনুভূতিক মাধুৰ্যেৰে পৰিপূৰ্ণ। সেই হেতুকে এই সংকলনটিক লোক-কবিতাৰ সংগ্ৰহ আখ্যা নিদি লোকায়ত জীৱনৰ আধাৰত ৰচিত এক সাৰ্থক প্ৰাকৃত গীতি-কবিতা সংকলন বুলিলে অধিক ৰজিতা খায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ৪০ টামান শব্দৰ ভিতৰত 'গাহাসত্তসঈ ' কাব্য সংকলনৰ পৰিচয় ব্যক্ত কৰক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

২। গাহাসত্তসঈ ৰ অন্তৰ্গত দহগৰাকী গাথা-ৰচকৰ নাম উল্লেখ কৰক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ২.৪ সংগ্ৰাহক পৰিচিতি

পূৰ্বৱৰ্তী ছেদত আমি প্ৰাকৃত গীতি-কাব্য *গাহাসত্তসঈ* ৰ সংগ্ৰাহক ৰূপে হাল নামৰ জনৈক নৃপতিৰ নাম পাই আহিছোঁ। এতিয়া এই ছেদত উক্ত সংগ্ৰাহকগৰাকীৰ বিষয়ে অধ্যয়ন কৰিম।

আলোচ্য সংকলন *গাহাসত্তসঈ* ৰ প্ৰথম শতকৰ তিনি নং গাথাত 'হালেন বিৰইআইং সালংকাৰাণং গাহাণং' বুলি উল্লেখ হোৱাটোৱে আৰু পঞ্চম শতকৰ সাতষষ্ঠী নং গাথাত 'সালাহণ ণণিন্দো' (সাতবাহন নৰেন্দ্ৰ)-ৰ প্ৰশস্তি থকাটোৱে এই কাব্য সংকলনটি সাতবাহন বংশৰ ৰজা হালৰ দ্বাৰা সংগৃহীত বুলি প্ৰমাণ কৰে। কিন্তু এইগৰাকী ৰজাই কোন সময়ত শাসন কৰিছিল আৰু তেওঁৰ ব্যক্তিগত জীৱন কেনে ধৰণৰ আছিল সেই বিষয়ে একো কথা জানিব পৰা নাযায়। *গাহাসত্তসঈ* ৰ অন্তৰ্গত কেইটামান গাথা আৰু কেইগৰাকীমান অন্য লেখকৰ পৰা মাত্ৰ এই কথা জানিব পৰা যায় যে ৰজা হাল আছিল এগৰাকী কবি, কাব্যমোদী তথা কাব্য-চৰ্চাৰ এগৰাকী বিশিষ্ট পৃষ্ঠপোষক। উদাহৰণস্বৰূপে সপ্তম শতিকাৰ কনৌজৰাজ হৰ্ষবৰ্ধনৰ সভাকবি বাণভট্টই *হৰ্ষচৰিত* ৰ উপক্ৰমণিকাত সাতবাহন ৰাজ হালে সুভাষিত গাথা সংগ্ৰহ কৰা বুলি এনেদৰে উল্লেখ কৰিছে —

*'অবিনাশিনমগ্ৰাম্যমকৰোৎ সাতবাহনঃ।*
*বিশুদ্ধ জাতিভিঃ কোষং ৰত্নৈৰিব সুভাষিতৈঃ।*

(বিশুদ্ধ আৰু উৎকৃষ্ট মণি-মুক্তাৰে ঐশ্বৰ্যময় ভাণ্ডাৰ গঢ়ি তোলাৰ দৰে সাতবাহনে অক্ষয় সুভাষিত মালাৰ মাজৰ পৰা তেওঁৰ কোষ বা সংকলনখন গঢ়ি তুলিছিল।)

আকৌ দশম শতিকাৰ আদি ভাগৰ বিশিষ্ট কবি-নাট্যকাৰ ৰাজশেখৰে তেওঁৰ সম্পূৰ্ণ প্ৰাকৃত ভাষাত ৰচিত *কৰ্পূৰমঞ্জৰী* নামৰ সট্টকখনিত বিদূষকৰ এফাঁকি সংলাপৰ মাধ্যমেৰে *'.... অমহাণং চেডিআ হৰিউড্ঢণন্দিউড্ঢ পোট্টিস হালপ্পহুদীনং পি পুৰদো সুকই ত্তি'* বুলি তেওঁৰ পূৰ্বৱৰ্তী কবি হৰিবৃদ্ধ, নন্দিবৃদ্ধ, পোট্টিশ আদিৰ লগত সুকবিৰ মৰ্যাদাৰে হালক একে শাৰীত ৰাখিছে। এনেদৰে হালৰ বিষয়ে অ'ত ত'ত কৰা দুই এক উল্লেখ মাথোঁ পোৱা যায়। কিন্তু তেওঁৰ সম্পূৰ্ণ পৰিচয় এইবোৰৰ মাজত পাবলৈ নাই।

কোনো কোনোৱে 'কই বচ্ছলেন' (কবি-বৎসল) বুলি স্বআখ্যাৰে বিভূষিত হোৱা আৰু তেওঁৰ যশ-গৰিমা বন্দনা কৰা গাথা কেইটামানৰ আঁত ধৰি ক'বলৈ বিচাৰে যে অন্য কোনো সভাকবিয়ে উপযুক্ত পাৰিতোষিক আৰু ৰাজ-পদবীৰ আশাত আলোচ্য সংকলন সম্পন্ন কৰি ৰজা হালৰ নামত প্ৰচাৰ কৰিছিল। এই ক্ষেত্ৰত অভিনন্দ বিৰচিত *ৰামচৰিতম্* গ্ৰন্থৰ এটি উল্লেখ প্ৰণিধানযোগ্য। এই গ্ৰন্থৰ মতে 'পালিত' নামৰ জনৈক কবিয়ে লোক-মুখৰ পৰা বিভিন্ন গাথা সংগ্ৰহ কৰি হালৰ নামত উক্ত 'সত্তসঈ' সংকলন কৰি দিয়ে। গ্ৰন্থখনিত থকা এই উল্লেখ কিমানদূৰ বিশ্বাসযোগ্য তাক জানিবৰ উপায় নাই। 'পালিত' নামৰ উক্ত কবিজনাৰ নাম মধ্যযুগীয় সাহিত্যত বৰকৈ পাবলৈ নাই। আনহাতে হালৰ নাম কিন্তু সমসাময়িক বা তৎ পৰৱৰ্তী কবিকুলে যথেষ্ট সন্মান সহকাৰে উল্লেখ কৰিছে। এই ফালৰ পৰা *ৰামচৰিতম্* গ্ৰন্থৰ উক্ত উল্লেখৰ ভিত্তি যথেষ্ট দুৰ্বল বুলিব পাৰি।

সি যি কি নহওক, হাল যে সাতবাহন বংশীয় ৰজা আছিল সেই সম্পৰ্কে কাৰো দ্বিমত নাই। এই বংশৰ ৰাজকুলে দক্ষিণ ভাৰতৰ পশ্চিম অংশৰ কৃষ্ণা আৰু গোদাবৰী নদীৰ অৱবাহিকা অঞ্চলত খ্ৰীষ্টীয় প্ৰথম-দ্বিতীয় শতাব্দীৰ সময়ছোৱাত ৰাজত্ব কৰিছিল। সেই সময়ত এই অঞ্চলটোৰ নাম আছিল 'প্ৰতিষ্ঠানপুৰ' (এতিয়াৰ 'পইথাম')।সাতবাহন বংশক অন্ধ্ৰ ৰাজবংশও বোলা হৈছিল। এই বংশৰ আটাইতকৈ বিখ্যাত ৰজা জন আছিল 'সাতকৰ্ণী'। চৌদিশে সামৰিক শক্তি বিস্তাৰ কৰিব পাৰিছিল বাবেই এওঁ এই নাম পাইছিল। এওঁক 'দক্ষিণাপথপতি', 'প্ৰতিষ্ঠানৰ প্ৰভু' বুলিও কোৱা হৈছিল। এওঁৰ দ্বাৰা অধিকৃত সাঁচী অঞ্চলত পোৱা এক শিলালিপিত এওঁক

'ৰাজন 'শ্ৰীসাতকৰ্ণী' বুলি অভিহিত কৰা হৈছে। সম্ভৱতঃ এই সাতকৰ্ণী ৰাজনেই নৃপতি হাল যিয়ে *গাহাসত্তসঈ* সংকলন কৰিছিল। এওঁৰ সময় নিৰূপণ কৰা সম্ভৱ হোৱা নাই যদিও, আনুমানিক খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ শেষভাগ বা দ্বিতীয় শতাব্দীৰ আদিভাগত এইজনা ৰজাই ৰাজত্ব কৰিছিল বুলি ধৰি লোৱা হৈছে। কোনো কোনোৱে এওঁ সাতবাহন বংশীয় সপ্তদশতম ৰজা আছিল বুলি আৰু এওঁৰ ৰাজত্ব কাল মাত্ৰ পাঁচ বছৰ জোৰা আছিল বুলি অনুমান কৰিছে। দ্বিতীয় শতাব্দীৰ অন্তিম ভাগত সাতবাহন ৰাজ্য পশ্চিম উপকূলৰ কাথিওৱাৰ, কৃষ্ণাৰ ব-দ্বীপ অঞ্চল আৰু দক্ষিণ-পূবে মাদ্ৰাজ পৰ্যন্ত বিস্তৃত হৈছিল। কিন্তু সাতকৰ্ণীৰ মৃত্যুৰ পাছৰে পৰা সাতবাহন ৰাজ্য ক্ৰমাগতভাৱে ধ্বংসৰ মুখলৈ আগবাঢ়ে আৰু পৰৱৰ্তী শতিকাত শক, পল্লৱ আদিয়ে এই ৰাজ্য অধিকাৰ কৰে। সাতবাহন ৰাজ্যৰ ধ্বংসস্তুপৰ ওপৰতে বাকাটক্ ৰাজবংশই ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু পল্লৱসকলে আধিপত্য বিস্তাৰ কৰিছিল।

সাহিত্য-চৰ্চাৰ বাবে বহিঃশত্ৰুৰ আক্ৰমণহীন শান্তি সমৃদ্ধিৰে ভৰা যি অনুকূল পৰিৱেশৰ আৱশ্যক, সেয়া সাতবাহন বংশৰ পূৰ্ণ পয়োভৰৰ সময়ছোৱাত, বিশেষকৈ খ্ৰীষ্টীয় প্ৰথম-দ্বিতীয় শতিকাত বিৰাজ কৰিছিল বুলি ভাবিবৰ থল আছে। সম্ভৱতঃ কাব্য-চৰ্চাৰ উদ্যোগ লৈ কবি-সাহিত্যিকসকলক অনুপ্ৰেৰণা যোগোৱা সাতবাহন বংশৰ সৰ্বশ্ৰেষ্ঠ ৰাজন সাতকৰ্ণী হাল সেই সময়ছোৱাৰে ৰজা আছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

'গাহাসত্তসঈ'ৰ সংগ্ৰহকৰ্তাগৰাকীৰ নাম আৰু তেওঁৰ পৰিচয় সম্বন্ধে ৫০ টা মান শব্দৰ ভিতৰত এটি টোকা যুগুত কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

## ২.৫ গাহাসত্তসঈ ৰচনা-কাল

আপোনাৰ জ্ঞাতাৰ্থে পুনৰ উল্লেখ কৰোঁ যে পূৰ্বৱৰ্তী ছেদত *গাহাসত্তসঈ* নামৰ মনোৰম গীতি-কাব্য সংকলনটিৰ সংগ্ৰাহক নৃপতি হালৰ সময় খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা দ্বিতীয় শতিকা বুলি অনুমান কৰা হৈছে। কিন্তু এইখিনিতে আমি আন এটি কথা বিচাৰ কৰি চোৱা উচিত হ'ব। হালৰ সময় যদি প্ৰথম-দ্বিতীয় শতিকা হয় তেন্তে তেওঁৰ দ্বাৰা সংগৃহীত কাব্য-সংকলনটিৰ ভাষাও সেই সময়ৰ হ'ব লাগিব। কিন্তু বাস্তৱত দেখা যায়, *গাহাসত্তসঈ*ৰ ভাষাই সেই কথা সমৰ্থন নকৰে। খ্ৰীষ্টীয় প্ৰথম-দ্বিতীয় শতিকাৰ বুলি চিহ্নিত শিলালিপিবোৰৰ ভাষাতকৈ *গাহাসত্তসঈৰ* ভাষা বহুলাংশে নতুন, পৰিমাৰ্জিত আৰু ব্যাকৰণ-সংগত। দৰাচলতে এই ভাষা খ্ৰীষ্টীয় তৃতীয় শতাব্দীৰ পৰা ষষ্ঠ শতাব্দীৰ সময়ছোৱাতহে ঠন ধৰি উঠিছিল আৰু সাহিত্যাদি চৰ্চাত সণ্ঢালনীকৈ ব্যৱহাৰ কৰা হৈছিল।

প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰা সমীচীন হ'ব যে *গাহাসত্তসঈ*ত অপভ্ৰংশৰ দৰে কথ্যৰূপৰ উপাদান দুই এটা পোৱা গ'লেও, মূলতঃ ই মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত। এই প্ৰাকৃত সংস্কৃত নাটকৰ গীত আৰু কবিতাত ব্যৱহাৰ হোৱাৰ উপৰি বিভিন্ন কাব্যকৃতি, যেনে— *গউড়বহো, সেতুবন্ধ, বজ্জালগ্গ* ইত্যাদি ৰচনাতো প্ৰয়োগ কৰা হৈছিল। মনকৰিবলগীয়া কথাটো হ'ল সাহিত্যৰ মাধ্যমেৰে মাহাৰাষ্ট্ৰী প্ৰাকৃত সৰ্বজন সমাদৃত হৈ পৰিছিল খ্ৰীষ্টীয় তৃতীয়-ষষ্ঠ শতিকাৰ কালছোৱাত। প্ৰাচ্যতত্ত্ববিদ A. B. Keith এ *গাহাসত্তসঈ*ৰ সময় সেইবাবেই খ্ৰীষ্টীয় পঞ্চম

শতিকা বুলি অনুমান কৰিছে। কাব্য সংকলনটিৰ এটি বিশেষ সংস্কৰণ প্ৰস্তুত কৰা পাশ্চাত্য পণ্ডিত Weber-ৰ মতেও গ্ৰন্থখনিৰ ৰচনা-কাল তৃতীয় শতাব্দীৰ পূৰ্বৰ নহয়। গ্ৰন্থখনিত পোৱা পাৰছীয় আৰু গ্ৰীক শব্দবোৰলৈ লক্ষ্য কৰিলেও ইয়াক নৃপতি হালৰ বহুকাল পাছৰ সংগ্ৰহ বুলি পতিয়ন যাব পাৰি। সাতবাহন ৰাজ্যৰ ধ্বংসাৱশেষৰ ওপৰতে পল্লৱসকলে নতুনকৈ ৰাজ্য স্থাপন কৰিছিল। 'পল্লৱ' শব্দ পাৰ্‌ছী 'পহ্‌লৱ্' শব্দৰে ৰূপান্তৰ মাত্ৰ। 'পহ্লৱ' ৰাজবংশ পাৰস্যৰ পৰা ভাৰতবৰ্ষলৈ আহি দাক্ষিণাত্যৰ ফালে ৰাজ্য স্থাপন কৰাৰ পৰৱৰ্তী সময়ত তেওঁলোকৰ মাধ্যমেৰে 'বন্দী', 'হোৰং' আদি ক্ৰমে পাৰ্‌ছী আৰু গ্ৰীক মূলীয় শব্দ প্ৰাকৃত ভাষাত সোমাই পৰে। পূৰ্বোল্লিখিত পণ্ডিত Weber-এ সেইবাবেই *গাহাসত্তসঈ*ৰ ৰচনা কাল খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পাছৰ বুলি ক'ব খোজে।

এইখিনিতে আন এটা প্ৰসঙ্গৰ উল্লেখো আৱশ্যকীয়। *গাহাসত্তসঈ*ৰ গাথাৰ মাজত বিক্ৰমাদিত্য ৰজাৰ নাম উল্লেখ কৰা হৈছে। সংকলনটিৰ পঞ্চম শতকৰ ৬৪ নং গাথাই তাৰ প্ৰমাণ। বিক্ৰমাদিত্য বা দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকাল আছিল ৩৭৫ খ্ৰীষ্টাব্দৰ পৰা ৪১৫ খ্ৰাষ্টাব্দ। যি সাতবাহন ৰাজ্যৰ ওপৰত বাকাটক ৰাজ্য প্ৰতিষ্ঠিত হৈছিল বুলি কোৱা হৈছে, সেই ৰাজ্যৰ অন্যতম ৰজা দ্বিতীয় ৰুদ্ৰসেনে বিক্ৰমাদিত্যৰ কন্যাক বিবাহ কৰাইছিল আৰু পঞ্চম শতিকাৰ আগভাগত বাকাটক ৰাজ্য গুপ্ত সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। মনকৰিবলগীয়া যে *গাহাসত্তসঈ*ৰ ভালেমান গাথাৰ ৰচক আছিল বিশাল গুপ্ত সাম্ৰাজ্যৰ কবিকুল। গতিকে হালৰ নামত সংকলিত হ'লেও, ইতিহাসৰ তথ্য আৰু ব্যৱহৃত ভাষাৰ আধাৰত এই গ্ৰন্থৰ সংকলন কাৰ্য, চতুৰ্থ-পঞ্চম শতিকাৰ পৰা সপ্তম-অষ্টম শতিকাৰ ভিতৰত সম্পন্ন হৈছিল বুলি ক'ব পৰা যায়। সম্ভৱতঃ কাব্যমোদী হাল নৃপতিয়ে নিজে কাব্য-চৰ্চা কৰাৰ লগে লগে সমসাময়িক অন্যান্য কবিৰ দ্বাৰা ৰচিত বিভিন্ন প্ৰেম-গাথা সংগ্ৰহৰ কাম হাতত লৈছিল। উল্লেখযোগ্য যে *গাহাসত্তসঈ*ত পোট্টিশ নামৰ কবি এগৰাকীৰ চাৰিটা গাথা অন্তৰ্ভুক্ত হৈছে। এইগৰাকী কবিক কৌহালৰ *'লীলাৱতী'* কাব্যত হালৰ প্ৰধানমন্ত্ৰী বুলি উল্লেখ কৰা হৈছে। ইয়াৰ দ্বাৰা এই কথাই প্ৰমাণ হয় যে হাল আছিল সাহিত্যানুৰাগী আৰু তেওঁৰ উদ্যোগতে গাথাবোৰ সংগ্ৰহ কৰা হৈছিল। কালক্ৰমত সেই সংগ্ৰহ হাত বাগৰিলেও সংগ্ৰাহক হিচাপে হালৰ নামেই সংযোজিত হৈ থাকিল। পৰৱৰ্তী সময়ত অনেক নতুন কবিৰ কবিতাও তাত অন্তৰ্ভুক্ত হ'ল। এনে সংগ্ৰহ-কাৰ্য হালৰ সময়ৰ পৰা খ্ৰীষ্টীয় সপ্তম-অষ্টম শতিকামানলৈকে অব্যাহত থাকিল। ষষ্ঠ শতিকাৰ *'সেতুবন্ধ'*ৰ ৰচক প্ৰৱৰসেন আৰু সপ্তম শতিকাৰ *'গউড়বহো'*ৰ কবি বাক্‌পতিৰাজৰ কবিতা *গাহাসত্তসঈ* ত অন্তৰ্ভুক্ত হোৱাটোৱে এনে কথাৰে প্ৰমাণ দাঙি ধৰে। এইসকল কবিৰ কবিতা সপ্তম শতিকাৰ পূৰ্বে সংযোজিত হোৱা একোপধ্যেও সম্ভৱ নহয়। গতিকে অনুমান কৰিবলৈ টান নহয় যে উক্ত সংকলন-কাৰ্য প্ৰথম-দ্বিতীয় শতিকামানত আৰম্ভ হৈ সপ্তম-অষ্টম শতিকামানত সমাপ্ত হৈছিল। সংগ্ৰহ-কাৰ্য সমাপ্ত হোৱাৰ পৰত গাথা সংখ্যা সাতশ হৈছিল বাবে ই 'সত্তসঈ' নাম পালে। অৱশ্যে 'সত্তসঈ' নামেৰে বিভূষিত হ'লেও সংগ্ৰহ-কাৰ্য সপ্তম শতিকাৰ পাছতো অব্যাহত আছিল যেন লাগে। কাৰণ এই পুথিৰ বিভিন্ন গাথা-সংখ্যা ভিন ভিন হোৱা দেখা যায়। Weber-এ ভিন ভিন পাঠ মিলাই যুগুত কৰা সংস্কৰণটিত মুঠ এহেজাৰ গাথা সন্নিৱিষ্ট হৈছে। আনহাতে ভুবন পাল নামৰ জনৈক টীকাকাৰৰ ভাষ্যত ৩৮৪ জন কবিৰ নামোল্লেখ পোৱা গৈছে। এইবোৰে সংগ্ৰহ-কাৰ্য কেইবা শতিকা জুৰি চলি থকাৰ কথাকে সূচায়।

'শতক' শব্দৰ সংযোজনেৰে সংস্কৃত সাহিত্যত লোক-জীৱনৰ প্ৰেমানুভূতিৰ চিত্ৰ সম্বলিত যি কেইখন কাব্য-সংকলন পোৱা যায়, সেই আটাইবোৰ সপ্তম শতিকা বা তাৰ পৰৱৰ্তী

সময়ৰ। *গাহাসত্তসঈ* নামটো সম্ভৱতঃ সপ্তম শতিকামানতে সৃষ্টি হৈছিল আৰু তাৰ অনুপ্ৰেৰণাতে সংস্কৃত সাহিত্যত 'শতক' নামৰ প্ৰেম-গাথা সংকলনসমূহৰ উদ্ভৱ হৈছিল। অমৰুৰ *'অমৰু শতক'*, ভৰ্তৃহৰিৰ *'শৃংগাৰ শতক'*, গোৱৰ্দ্ধন আচাৰ্যৰ *'আৰ্যাসপ্তশতী'* আদি আদিৰসাত্মক লৌকিক কাব্য মূলতঃ *গাহাসত্তসঈ*ৰ অনুপ্ৰেৰণাত ৰচিত।

ওপৰৰ আলোচনাৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে খ্ৰীষ্টীয় প্ৰথম-দ্বিতীয় শতিকাৰ কবি হাল নৃপতিয়ে নিজে আৰু সমসাময়িক অন্যান্য কবিৰ হতুৱাই ভাৰতীয় লোক-পৰম্পৰাত মৌখিকভাৱে প্ৰচলিত হৈ অহা প্ৰেম-গাথাসমূহক পৰিশীলিত তথা পৰিমাৰ্জিত ৰূপ দি যি এক কাব্য সংকলন উলিওৱাৰ দিহা কৰিছিল, সেয়া পৰৱৰ্তী কেইবাশতিকা জুৰি নতুন নতুন কবিৰ কবিতাৰ অন্তৰ্ভুক্তিৰে বৃহৎ কলেৱৰৰ ৰূপ ধাৰণ কৰিছিল আৰু উল্লিখিত সময়ছোৱাত কাব্য নাট আদিত যি প্ৰাকৃত ভাষাই সমাদৰ লাভ কৰিছিল, সেই ভাষাৰ মাধ্যমেৰে উক্ত সংকলনৰ কবিতাসমূহ পুনৰ লিখিত হৈ *গাহাসত্তসঈ* নামেৰে নামাংকিত হৈছিল। কিন্তু পূৰ্বকবি তথা সংগ্ৰহকাৰী নৃপতি হালৰ নাম শ্ৰদ্ধাজনিত কাৰণত সংৰক্ষণ কৰা হ'ল। মুঠতে *গাহাসত্তসঈ*ৰ সংগ্ৰহ-কাৰ্য যে প্ৰথম-দ্বিতীয় শতিকাৰ পৰা সপ্তম-অষ্টম শতাব্দীমানলৈকে চলিছিল তাত সন্দেহৰ অৱকাশ নাই।

**আত্মমূল্যায়ন প্ৰশ্ন**

গাহাসত্তসঈ ৰ ৰচনা-কাল সম্বন্ধে ৪০ টামান শব্দৰ ভিতৰত এটি টোকা প্ৰস্তুত কৰক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ২.৬ গাহাসত্তসঈৰ বিষয়বস্তু

*গাহাসত্তসঈ* মুখ্যতঃ প্ৰেমমূলক গাথা বা কবিতাৰ সংগ্ৰহ। ইয়াৰ অন্তৰ্গত কবিতাসমূহৰ মূল সুৰ হ'ল— লোক-জীৱনৰ প্ৰেম। লোক-জীৱনত মিলনৰ আকাংক্ষা, বিচ্ছেদ-বিৰহৰ পৰা ওপজা দুখ-বেদনা ইত্যাদি জাগতিক, ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ সাৰ্বিক ৰূপ ইয়াৰ কবিতাসমূহৰ মাজেৰে ফুটি উঠিছে। সেইবাবেই কোৱা হয়— প্ৰাকৃতজনৰ ঐহিক প্ৰেমানুভূতিৰ উষ্ণ উত্তাপেৰে *গাহাসত্তসঈ* প্ৰাণময়। ইয়াৰ প্ৰেম উদ্দাম, গতিশীল আৰু স্পন্দনময়। লৌকিক প্ৰেমৰ অকৃত্ৰিম অনুভূতিৰ প্ৰকাশক হোৱা হেতুকেই ইয়াৰ গাথাসমূহে সৰ্বকালৰ সৰ্বজনৰ হৃদয় জয় কৰিব পাৰিছে। এনেদৰে সৰ্বমানৱৰ হৃদয়ানুভূতিৰ চিৰন্তন পাৰ্থিৱ প্ৰেমৰ সুৰ বহন কৰা কাৰণেই ভাৰতীয় সাহিত্যত এই সংকলনটিৰ মূল্য অপৰিসীম হিচাপে স্বীকৃত হৈছে।

সংস্কৃত সাহিত্যত প্ৰেমমূলক কবিতা বা কাব্যৰ অভাৱ নাই যদিও, সেইবোৰৰ মাজত ঐহিক বা পাৰ্থিৱ প্ৰেমৰ প্ৰকাশ খুব কমেইহে লক্ষ্য কৰা যায়। কাৰণ সংস্কৃত কাব্যকাৰসকলৰ দৃষ্টি আছিল দৈৱী বা অপাৰ্থিৱ প্ৰেমৰ প্ৰকাশত। দুই-এগৰাকী কবিৰ বাহিৰে অধিকাংশ কবিয়ে প্ৰেমৰ যি উদ্দীপিত শক্তি তথা স্বচ্ছন্দ গতি তাক লক্ষ্য কৰা নাছিল। কিন্তু প্ৰাকৃত কবিকুল আছিল এই ক্ষেত্ৰত ব্যতিক্ৰম। ঐহিক জীৱনৰ পাৰ্থিৱ প্ৰেমৰ অপাৰ মহিমা প্ৰাকৃত কবিসকলে আন্তৰিকতাৰে উপলব্ধি কৰিব পাৰিছিল। সেইবাবেই ধৰ্মীয় আৱেষ্টনীৰ মাজত আবদ্ধ সংস্কৃত কাব্যকাৰসকলক তেওঁলোকে এনেদৰে কটাক্ষ কৰিছিল—

*অমিঅং পাউঅ-কব্বং পঢিউ সোউং ও জে ণ আণন্তি।*
*কামস্স-তত্ত তন্তিং কুণন্তি তে কহং ণ লজ্জন্তি।।*

(অমৃত-তুল্য প্ৰাকৃত কাব্য যিসকলে পঢ়িব বা শুনিব নাজানে তেওঁলোকে কামতত্ত্ব আলোচনা কৰাত লজ্জাবোধ নকৰে কিয়?)

সংস্কৃত সাহিত্যত কালিদাসৰ *মেঘদূত* প্ৰেমৰ কাব্য হিচাপে অতুলনীয়। অমৰুৰ *'অমৰু শতক'*, ভৰ্তৃহৰিৰ *'শৃংগাৰ শতক'*, বিহ্লনৰ *'চৌৰ পঞ্চাশিকা'* গোৱৰ্দ্ধন আচাৰ্যৰ *'আৰ্যাসপ্তশতী'*, জয়দেৱৰ *'গীত-গোবিন্দ'* আদি সংস্কৃতকাব্যতো প্ৰেমৰ বিচিত্ৰ অভিব্যক্তি প্ৰত্যক্ষ কৰা যায়। কিন্তু অমৰুৰ *'অমৰু শতক'* আৰু গোৱৰ্ধন আচাৰ্যৰ *'আৰ্যাসপ্তশতী'*ৰ বাহিৰে বাকীবোৰত লোক-জগতৰ পৰা দেৱ-জগতৰ প্ৰেমলৈ উত্তৰণৰ প্ৰয়াসহে চিত্ৰিত হৈছে। এই প্ৰেম পাৰ্থিৱ তুচ্ছ মিলন-বিৰহৰ পৰা ঊৰ্ধৰ এক স্বৰ্গীয় আনন্দৰ স্তৰ। লোক-জগতৰ নৰ-নাৰীৰ প্ৰেমৰ চিত্ৰায়ণেৰে দেৱ-জগতৰ প্ৰেম মূৰ্ত কৰি তোলাটোৱেই আছিল উল্লিখিত প্ৰেম-কাব্যসমূহৰ প্ৰধান লক্ষ্য। অৱশ্যে *'অমৰু শতক'* আৰু কিছু পৰিমাণে *'আৰ্যা-সপ্তশতী'*ত লোক-জীৱনৰ প্ৰেমৰ সৌন্দৰ্য আৰু গভীৰতাৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰতিফলন লক্ষ্য কৰিব পাৰি।

লৌকিক প্ৰেমৰ মহিমা বৰ্ণনা কৰাত প্ৰাকৃত কবিসকলক পথিকৃৎ বুলিব পাৰি। সপ্তম শতিকা তথা তৎপৰৱৰ্তী কালৰ সংস্কৃত প্ৰেম-কাব্য যে প্ৰাকৃত প্ৰেম-গাথাৰ দ্বাৰা প্ৰভাৱিত তাক নক'লেও চলে।

লোক-জীৱনৰ প্ৰেম মুক্ত, অবাৰিত আৰু স্বচ্ছন্দ। ইয়াত কৃত্ৰিমতাৰ পৰশ পাবলৈ নাই। এই প্ৰেমে কোনো বন্ধন মানিব নোখোজে, জাত-কুল মানিব নিবিচাৰে, বৈধ-অবৈধৰ প্ৰশ্ন তুলিব নোখোজে। ইয়াৰ সৈতে জড়িত মান-অভিমান, অভিসাৰ, ব্যাকুলতা, বিৰহ আদি অনুভূতি কেতিয়াবা গীত হৈ কিংবা সুৰ হৈ প্ৰকাশিত হয়। প্ৰকাশ-কৌশলৰ কোনো বৈদগ্ধ বা চাতুৰ্য অবিহনেই তাৰ মাজেৰে ফুটি উঠে প্ৰেমৰ স্বাভাৱিক উজ্জ্বল ৰূপ। ইয়াৰ ভাষাও হয় সহজ-সৰল, অনাড়ম্বৰ।

ভাৰতীয় লোক-জীৱনত প্ৰেমৰ আদিম অনুভূতিয়ে সাধাৰণজনৰ মুখৰ ভাষাৰে গাথাৰ ৰূপত প্ৰকাশৰ বাট বিচাৰিছিল আৰু সেইবোৰ সেই সময়ৰ জনসাধাৰণৰ নিজস্ব সম্পদ আছিল। 'কোটি কোটি' এনে ইন্দ্ৰিয়গম্য প্ৰেম-সিক্ত গাথাৰ নিৰ্বাচিত সমষ্টিয়েই হ'ল *গাহাসত্তসঈ* । ইয়াৰ অন্তৰ্গত গাথাসমূহৰ মাজৰে প্ৰেমৰ আকুলতা, তন্ময়তা, সূক্ষ্মতা, অন্তৰংগতা আদি সাৰ্বিক ৰূপৰ প্ৰতিফলন ঘটাৰ উপৰি, প্ৰেমৰ বন্ধন মানিব নোখোজা মুক্ত ব্যাকুলতাও প্ৰতিভাত হৈছে। সংস্কৃত প্ৰেমমূলক কবিতাৰ দৰে *গাহাসত্তসঈ*ৰ গাথাসমূহত সেইবাবেই অলংকাৰৰ প্ৰাচুৰ্য পাবলৈ নাই। এইবোৰ বৈদগ্ধ্যপূৰ্ণও নহয়। তদুপৰি এইবোৰৰ বৰ্ণনাত সকলো সময়তে মাৰ্জিত ৰুচি ৰক্ষিত হৈছে বুলি ক'বলৈও টান। কেতবোৰ গাথাত অভিসাৰিকা, উৎকণ্ঠিতা নাইবা প্ৰোষিতভৰ্তৃকা নাৰী হৃদয়ৰ ব্যাকুলতাৰ প্ৰকাশ বৰং গ্ৰাম্যদোষযুক্ত বুলিয়েই ক'ব পাৰি। প্ৰকৃতপক্ষে অনুভূতিৰ তীব্ৰতাই প্ৰকাশ বন্ধনৰ সীমা অতিক্ৰম কৰাৰ ই স্বাভাৱিক পৰিণতি মাথোন।

*গাহাসত্তসঈ*ৰ অধিকাংশ গাথা নাৰী-হৃদয়ৰ অকৃত্ৰিম অনুভূতিৰে পৰিপূৰ্ণ। এইবোৰৰ মাজেৰে নাৰী-হৃদয়ৰ প্ৰেমৰ বিভিন্ন ভাব, যথা- অভিসাৰ, অভিলাষ, উদ্বেগ, বিৰহ, মিলন, শংকা, ব্যাকুলতা আদি মৰ্মস্পৰ্শী ভাৱে প্ৰকাশ লাভ কৰিছে। স্বীয়া (স্বকীয়া) আৰু অন্যা (পৰকীয়া) — এই দুই প্ৰকাৰৰ নায়িকাৰ হৃদয়াবেগ বিধৃত হৈছে যদিও, পৰকীয়া নায়িকাৰ প্ৰেমজনিত বেদনা আৰু ব্যাকুলতাই প্ৰায়ভাগ গাথাকে সৰস আৰু প্ৰাণৱন্ত কৰি তুলিছে। তাৰ

মাজতো আকৌ মিলন বা সম্ভোগ-বিৰহিতা বিপ্ৰলম্ভা নায়িকাৰ বিৰহ-বেদনা, আকাংক্ষা-আকূতিৰ ছবি অধিক মৰ্মস্পৰ্শী। ভাৰতীয় অলংকাৰ শাস্ত্ৰত বৰ্ণিত অভিসাৰিকা, বাসকসজ্জিকা, উৎকণ্ঠিতা, বিপ্ৰলব্ধা, খণ্ডিতা, কলহান্তৰিতা, প্ৰোষিতভৰ্তৃকা আৰু স্বাধীনভৰ্তৃকা —এই আঠ প্ৰকাৰৰ নায়িকাৰ প্ৰতিচ্ছবি গাথাসমূহৰ মাজেৰে ব্যঞ্জিত ভাবৰ অনুধাৱনৰ জৰিয়তে বিচাৰি উলিয়াব পাৰি। নায়িকাই কামৰ তাড়নাত প্ৰিয়-মিলনৰ বাবে আকুল হৈ যাত্ৰা কৰা, প্ৰিয়-মিলনৰ বাবে বিভিন্ন বেশ-ভূষাৰে নিজকে সজ্জিত কৰা, প্ৰিয়-মিলনৰ বাবে ব্যাকুলা হোৱা, ৰাতিৰ অন্তিম প্ৰহৰতো প্ৰিয়-বিৰহী হৈ উঠা, কলহজনিত কাৰণত প্ৰিয়জনৰ পৰা দূৰত অৱস্থান কৰা, প্ৰবাসত থকা প্ৰিয়জনৰ প্ৰতি আকুল হোৱা ইত্যাদি বিবিধ ভাবৰ মূৰ্ত প্ৰকাশে তাৰেই ইঙ্গিত বহন কৰে। এহাতে কাৰুণ্য আৰু আনহাতে নাৰীজনোচিত কোমলতা —এই দুই বৈশিষ্ট্যৰ যুগপৎ অৱস্থানে গাথাসমূহক এক অনাবিল কাব্যিক সৌন্দৰ্য প্ৰদান কৰিছে। ইয়াৰ প্ৰকাশশৈলীত কোনো বাগাড়ম্বৰ নাই। তাৰ সলনি আছে গীতি-কবিতাৰ স্বাভাৱিক কোমলতা।

বাহিৰৰ প্ৰকৃতিজগতক প্ৰেমৰ উদ্দীপন বিভাৱ হিচাপে প্ৰয়োগ কৰিব পৰাটো গাথাসমূহৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। প্ৰকৃতি জগতৰ বিভিন্ন ৰূপক প্ৰেমৰ ব্যঞ্জনা হিচাপে বা কেতিয়াবা প্ৰতিচিত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ ভালেমান উদাহৰণ গাথাবোৰৰ মাজত পোৱা যায়; যেনে— *'সেহালিআনং গন্ধো ণ দেই সোত্তুং সুঅহ তুম্হে।'* (শেৱালিৰ গোন্ধে মোক শুবলৈ দিয়া নাই, তোমালোক শোৱাগৈ)। ইয়াৰ মাজেৰে বিৰহিনী নায়িকাই প্ৰিয়জনৰ মধুৰ স্মৃতিত যে শুব পৰা নাই তেনে ভাব ব্যঞ্জিত হৈছে। আকৌ বসন্তৰ আগমনত উন্মনা হোৱা নায়িকাই প্ৰিয়জনক কাষত নোপোৱাৰ বাবে এনেদৰে আক্ষেপ কৰিছে—

*'দিট্‌ঠা চুআ অগ্‌ঘাইআ সুৰা দক্‌খিণাণিলো সহিও।*
*কজ্জাইং ৰিঅং গৰুআইং মামি কো বল্লহো কস্‌স।।'*

অৰ্থাৎ, 'আমে মল ধৰিছে, সুৰাৰ গোন্ধ পোৱা গৈছে, বসন্তৰ বতাহো অনুভৱ কৰিছোঁ। তেওঁৰ কাৰণে কামেই ডাঙৰ হ'ল, কোৱাচোন মামী, কোননো কাৰ মৰমৰ।

ভালেমান সময়ত গাথা ৰচকে মনৰ ভাব অভিব্যঞ্জিত কৰিবৰ বাবে প্ৰতীকৰ আশ্ৰয়ো লৈছে। উদাহৰণ স্বৰূপে 'হৰিণ-হৰিণীয়ে বনৰ পৰা নিজে ঘাঁহ আৰু পানী বিচাৰি খালেও সিহঁতৰ প্ৰেম থাকে মৃত্যু পৰ্যন্ত', 'আজি এই বাৰিষাৰ দিনত মদনে ধনু লৈ কাঁড় মাৰিবলৈ ধৰিছে', 'তেওঁৰ বিৰহত মেঘৰ গাজনিত বধ্যভূমিৰ বলিৰ বাজনা শুনিবলৈ পাইছোঁ' আদি প্ৰকাশ-ভঙ্গীমালৈ আঙুলিয়াব পাৰি।

প্ৰকৃতিৰ বুকুৰ পৰা আহৰিত উপমাৰ জৰিয়তে প্ৰেমানুভূতিৰ বৰ্ণনাক আকৰ্ষণীয় কৰি তোলাটো গাথাসমূহৰ আন এটি উজ্জ্বল দিশ। নায়িকাৰ মুখৰ সুগন্ধি বতাহক ৰঙা পাৰুল ফুলৰ সুগন্ধৰ লগত তুলনা কৰা, বিৰহৰ দিনক বাৰিষাৰ লগত ৰিজোৱা, নাৰীৰ যৌৱনক বাৰিষাৰ নদীৰ ফেনিল উচ্ছ্বাসৰ সৈতে মিলোৱা আদি চমকপ্ৰদ চিত্ৰ তাৰেই উদাহৰণ মাত্ৰ। ইয়াৰ ফলত গাথাসমূহৰ কাব্যিক মূল্য অতি উচ্চমান বিশিষ্ট হৈ উঠিছে।

সাধাৰণ মানুহৰ সুখ-দুখৰ সহজ চিত্ৰৰ প্ৰকাশ গাথাসমূহৰ আন এটি উল্লেখযোগ্য দিশ। ভাৰতীয় মানুহৰ চিৰ পৰিচিত গ্ৰাম্য-জীৱনৰ এক নিটোল ৰূপ সংকলনটিৰ গাথাসমূহৰ মাজেৰে প্ৰতিফলিত হৈছে। গাঁৱলীয়া পৰিবেশত *'শালি ধানৰ পথাৰে খেতিয়কক পুত্ৰৰ দৰে মৰম কৰে', 'বগা চাউলে খেতিয়কৰ মনত আনন্দ দিয়ে', 'শৰৎ কালৰ শুভ্ৰ মেঘৰাশি সৈন্ধৱ লৱণৰ পাহাৰৰ দৰে অথবা কমোৱা তুলাৰ দৰে শোভ পায়',* 'গাৱৰ কোমল বোকাৰ বাটটো

*শিৰৰ সেওঁতা যেন হৈ থাকে'*। তদুপৰি শাহু, বোৱাৰী, ননদ, মাহী, পেহী, মামী, সখী, দেৰৰ আদিৰে সৈতে ভৰপুৰ গৃহস্থীত পৰস্পৰে হৃদয়ৰ অভিলাষ, দুখ-বেদনা, আশা-আকাংক্ষা আদি মনৰ ভাব প্ৰকাশ কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলাই নিয়ে। *গাহাসত্তসঈ*ত বৰ্ণিত এই গ্ৰাম্য পৰিবেশ ঘাইকৈ দক্ষিণ ভাৰতৰ গোদাবৰী তীৰৰ *'ধৱল মেঘৰ দ্বাৰা আবৃত বিন্ধ্য পৰ্বত'*ৰ পাদদেশ হ'লেও, ই সামগ্ৰিকভাৱে ভাৰতীয় জন-জীৱনৰ প্ৰতিনিধিত্ব কৰে।

সংকলনটিত বিভিন্ন দেৱ-দেৱী, যেনে—গণপতি, মহাদেৱ, পাৰ্বতী, কৃষ্ণ আদিৰ উল্লেখ পোৱা যায়। তদুপৰি যশোদা, গোপী আৰু ৰাধাৰ উল্লেখো মন কৰিব লগীয়া। এনে উল্লেখে জন-জীৱনত প্ৰচলিত ধৰ্মীয় চিন্তাৰ আভাসো দাঙি ধৰে।

মূলতঃ প্ৰেমানুভূতিৰে সিক্ত হ'লেও, সংকলনটিৰ কেইটামান গাথাৰ মাজেৰে বিভিন্ন প্ৰকাৰৰ উপদেশো দিয়া হৈছে। অৱশ্যে এই উপদেশমূলক গাথাকেইটাও প্ৰেমৰ ওপৰতে প্ৰতিষ্ঠিত। তলত তেনে ধৰণৰ এটি গাথা উদাহৰণ হিচাপে উল্লেখ কৰা হ'ল—

*'কইঅব ৰহিঅং পেম্মং ণথি ব্বিঅ মামি মাণুসে লোএ।*
*অহ হোই কস্স বিৰহো বিৰহে হোন্তম্মি কে জীঅই।।*

(এই সংসাৰত মামী ছলনাহীন প্ৰেম পাবলৈ নাই, যদি পোৱা যায় তেনেহ'লে বিৰহ নাথাকে, যদি বিৰহ থাকে, তেনেহ'লে কোন বাচে।)

মুঠতে লৌকিক প্ৰেমৰ স্নিগ্ধ সৌৰভ, প্ৰগাঢ় তন্ময়তা, মিলনৰ আনন্দ, বিৰহজনিত যন্ত্ৰণা ইত্যাদি প্ৰেমৰ সাৰ্বিক ৰূপৰ প্ৰতিফলনেৰে *গাহাসত্তসঈ*ৰ প্ৰায়বোৰ গাথা সজীৱ আৰু প্ৰাণৱন্ত। আনহাতে, ব্যক্তিগত অনুভূতিৰ সংগীতময় প্ৰকাশেই যদি লিৰিক্ বা গীতি-কবিতা হয়, তেন্তে এই সংকলনটিৰ প্ৰতিটো গাথা একোটাহঁত সাৰ্থক গীতি-কবিতা। দুই চৰণৰ মাজত একোটা গভীৰ অৰ্থব্যঞ্জক ভাবেৰে ইয়াৰ প্ৰতিটো গাথা স্বয়ংসম্পূৰ্ণ।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। *গাহাসত্তসঈ*ৰ কবিতাবোৰৰ মাজেৰে কেনে ধৰণৰ প্ৰেমৰ চিত্ৰ অংকিত হৈছে? (৪০ টামান শব্দৰ ভিতৰত যুকিয়াই উলিয়াওক।)

..........................................................................................
..........................................................................................
..........................................................................................

২। *গাহাসত্তসঈ*ত প্ৰেমৰ বাহিৰেও অন্য কোনো বিষয়ৰ কবিতা অন্তৰ্ভুক্ত হৈছে নেকি? (৫০ টামান শব্দৰ ভিতৰত আলোচনা কৰক।)

..........................................................................................
..........................................................................................
..........................................................................................

## ২.৭ মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা

আপোনাৰ অধ্যয়নৰ বাবে নৃপতি হাল সংকলিত *গাহাসত্তসঈ* নামৰ প্ৰাকৃত গীতি-কাব্যখনিৰ পৰা মুঠ আঠোটা গাথা পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে। সেইকেইটা হৈছে— ১, ২, ৭, ৯, ১০, ১৬, ১৯ আৰু ২০ নং গাথা। তলত উক্ত গাথাকেইটাৰ মূল পাঠ, অসমীয়া ভাঙনি আৰু কঠিন শব্দবোৰৰ টোকা সন্নিৱিষ্ট কৰা হৈছে। সেইবোৰ আয়ত্ত কৰিবলৈ যত্ন কৰক।

**গাথা নং ১ ঃ** *সত্তসআইং কই-বচ্ছলেণ কোডীঅ মজ্‌ঝআৰস্মি।*
*হালেণ বিৰইআইং সালংকাৰাণং গাহাণং।।*

**অসমীয়া ভাঙনি ঃ** অলংকৃত কোটি কোটি গাথাৰ মাজৰ পৰা সাতশ গাথা কবি-বৎসল হালৰ দ্বাৰা সংকলিত হৈছে।

**শব্দগত টোকা ঃ** সত্তসআইং < সপ্তশতানি = সাতশ। সমীভৱনৰ ফলত প্ত > ত্ত, শ > স, স্বৰমধ্যস্থিত ‘ত’ ৰ লোপ, নি > ইং।

কই-বচ্ছলেণ < কবিবৎসলেন = কবিসকলৰ পৃষ্ঠপোষক। ৎস > চ্ছ, স্বতঃ মূৰ্ধন্যীভৱনৰ ফলত ন > ণ। কোডীঅ < কোটেঃ = কোটি কোটি।

মজঝআৰস্মি < মধ্যকাৰস্মিন্ = মাজত। ধ্য > জ্ ঝ, স্বৰমধ্যস্থিত স্পৰ্শবৰ্ণ ‘ক’- ৰ লোপ, সপ্তমীৰ স্মিন্ > স্মি।

হালেণ < হালেন = হালৰ দ্বাৰা। ন > ণ।

বিৰইআইং < বিৰচিতানি = ৰচিত হৈছে। স্বৰমধ্যৱৰ্তী ‘চ’, ‘ত’ ৰ লোপ। নি > ইং।

সালংকাৰাণং < সালাঙ্কাৰানাম্ = অলংকৃত। যুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী স্বৰৰ হ্ৰস্বীভৱনৰ ফলত লা > ল হৈছে, অন্ত্য ম্ > ং।

গাহাণং < গাথানাম = গাথাৰ।

**গাথা নং ২ ঃ** *অমিঅং পাউঅ কব্বং পঢ়িউং সোউং অ জে ণ জাণন্তি।*
*কামস্‌স তত্ততন্তিং কুণন্তি তে কহং ণ লজ্জন্তি।।*

**অসমীয়া ভাঙনি ঃ** অমৃতময় প্ৰাকৃত-কাব্য যিসকলে পঢ়িব বা শুনিব নাজানে তেওঁলোকে কামতত্ত্ব চৰ্চাত লজ্জাবোধ নকৰে কিয়?

**শব্দগত টোকা ঃ** অমিঅং < অমৃতম্ = অমৃতময়। ঋ > ই, স্বৰমধ্যৱৰ্তী ত’ৰ লোপ, অন্ত্য ম্ > ং।

পাউঅ-কব্বং < প্ৰাকৃত কাব্যম্ = প্ৰাকৃত কবিতা। আদ্যাক্ষৰৰ সংযুক্ত ‘ৰ’ কাৰৰ লোপৰ ফলত প্ৰা > পা, ঋ > উ, ‘ক’ আৰু ‘ত’ ৰ বিলুপ্তি। সমীভৱনৰ ফলত ব্য > ব্ব আৰু পূৰ্বৱৰ্তী দীৰ্ঘ স্বৰৰ হ্ৰস্বীভৱন, অন্ত্য ম্ > ং।

সোউং < শ্ৰোতুম্ = শুনিবৰ বাবে। আদ্যাক্ষৰৰ সংযুক্ত ‘ৰ’ ৰ লোপ, ‘ত’ ৰ লোপ, অন্ত্য ম্ > ং।

কামস্‌স তত্ততন্তিং < কামস্য তত্ত্বচিন্তাম্। স্য > স্‌স, ত্ত্ব > ত্ত অন্ত্য ম্ > ং।

**গাথা নং ৭ ঃ** *দিঅৰস্‌স অসুদ্ধমণস্‌স কুলবহূ ণিঅঅকুড্‌ডলিহিআইং।*
*দি অহং কহেই ৰামাণুলগ্‌গ সোমিত্তিচৰিআইং।।*

**অসমীয়া ভাঙনি ঃ** সজবংশীয় চৰিত্ৰৱতী বৌৱেকে (কুলবধূ) নিজৰ কোঠাৰ বেৰত লিখি থোৱা ৰাম-অনুৰক্ত লক্ষ্মণৰ চৰিত্ৰৰ কথাবোৰ চৰিত্ৰহীন দেওৰেকক গোটেই দিন ধৰি কৈ থাকে।

**শব্দগত টোকা ঃ** দিঅৰস্‌স < দেৱৰস্য = দেওৰেকক (গিৰিয়েকৰ ভায়েকক)। আদি অৱস্থানৰ এ > ই, স্য > স্‌স (সমীভৱন)

অসুদ্ধমনস্স < অশুদ্ধমনস্য = কলুষিত চিত্ত। শ > স।
কুলবহূ < কুলবধূ = বোৱাৰী, সজবংশীয় তিৰোতা। মহাপ্ৰাণ ধ > হ।
ণিঅকুড্ড < নিজকুড্য = নিজ কোঠাৰ বেৰত। ‘জ’ ৰ লোপ, ড্য > ড্ড (সমীভৱন)।
লিহিআইং < লিখিতানি = লিখি থোৱা, লিখিত। মহাপ্ৰাণ খ > হ, ‘ত’ ৰ লোপ, নি > ইং।
দিঅহং < দিৱসং = দিনটো জুৰি বা গোটেই দিন ধৰি। ‘ৱ’ ৰ লোপ, স > হ।
ৰামাণুলগ্গ-সোমিত্তি-চৰিআইং < ৰামানুলগ্ন-সৌমিত্ৰি- চৰিতানি = ৰামাৰ অনুজ লক্ষ্মণৰ চৰিত্ৰ। গ্ন > গ্গ (সমীভৱন), ঔ > ও, ত্ৰ > ত্ত (সমীভৱন), ‘ত’ ৰ লোপ, নি > ইং।

**গাথা নং ৯ ঃ** *আৰম্ভন্তস্স ধুঅং লচ্ছী মৰণং ৱি হোই পুৰিসস্স।*
*তং মৰণং অণাৰম্ভে ৱি হোই লচ্ছী উণ ণ হোই।।*

**অসমীয়া ভাঙনি ঃ** কোনো কাম আৰম্ভ কৰা মানুহৰ নিশ্চিতভাৱে লক্ষ্মী লাভ হয় অথবা তেওঁৰ মৃত্যু হয়; কিন্তু কাম আৰম্ভ নকৰাজনৰ মৃত্যুহে হয়, লক্ষ্মী লাভ নহয়।

**শব্দগত টোকা ঃ** আৰম্ভন্তস্স < আৰভমানস্য = কোনো কাম আৰম্ভ কৰাজনৰ। স্য > স্স।
ধুঅং < ধ্ৰুৱম্ = নিশ্চিতভাৱে। পদৰ আৰম্ভণিত থকা সংযুক্ত বৰ্ণৰ ‘ৰ’ কাৰৰ লোপ ধ্ৰু > ধু, অন্ত্য ম্ > ং
পুৰিসস্স < পুৰুষস্য = পুৰুষৰ। বিষমীভৱনৰ ফলত ‘উ’ কাৰ > ‘ই’ কাৰ, ষ > স, স্য > স্স (সমীভৱন)।
অণাৰম্ভে < অনাৰম্ভে = ন-আৰম্ভে = আৰম্ভ নকৰিলে।
হোই < ভৱতি = হয়। ভ > হ, অৱ > ও, ‘ত’-ৰ লোপ।
লচ্ছী < লক্ষ্মীঃ = লক্ষ্মী (ধন)। ক্ষ্ম > চ্ছ।
উণ < পুনঃ = পুনৰ।

**গাথা নং ১০ ঃ** *সো তুজ্ঝ কএ সুন্দৰী তহ ছীণো সুমহিলো হলিঅউত্তো।*
*জহ সে মচ্ছৰিণীএ ৱি দোচ্চং জাআএ পড়িৱন্ন।।*

**অসমীয়া ভাঙনি ঃ** হেৰা সুন্দৰী, নিজৰ ৰূপৱতী পত্নী থকা সত্বেও কৃষকপুত্ৰ তোমাৰ কাৰণে ইমান খীণাই গৈছে যে তেওঁৰ ঈৰ্ষাপৰায়ণা পত্নীয়েও দূতীৰ কাৰ্য অৱলম্বন কৰিছে।

**শব্দগত টোকা ঃ** তুজ্ঝ < তৱ = তোমাৰ।
কএ < কৃতে = কাৰণে। ঋ > অ, ‘ত’ ৰ লোপ।
ছীণো < ক্ষীণঃ = খীনাই যোৱা। ক্ষ > ছ, অন্ত্য অঃ > ও।
সুমহিলো < সুমহিলঃ = ৰূপৱতী স্ত্ৰী। অন্ত্য অঃ > ও।
হলিঅউত্তো < হলিক পুত্ৰঃ = খেতিয়কৰ পুত্ৰ। ‘ক’, ‘প’-ৰ লোপ, ত্ৰ > ত্ত (সমীভৱন), অন্ত্য অঃ > ও।

মচ্ছৰীণীএ < মৎসৰিণ্যা = ঈৰ্ষাপৰায়ণাৰ দ্বাৰাও। ৎস > চ্ছ, ণ্যা > ণীএ।
দোচ্চং < দৌত্যম্ = দূত কাৰ্য। ঔ > ও, ত্য > চ্চ (অন্যোন্য সমীভৱন), অন্ত্য ম্ > ং।
পড়িৱণ্ণ < প্রতিপন্নং = গ্রহণ কৰা, অৱলম্বন কৰা। আদি অৱস্থানৰ প্র > প, ত > ট > ড়, প > ৱ।

**গাথা নং ১৬ ঃ** *বিৰহাণলো সহিজ্জই আসাবন্ধেণ বল্লহজণস্স।*
*এক্কগ্‌গাম পবাসো মাএ মৰণং বিসেসেই।।*

**অসমীয়া ভাঙনি ঃ** প্রিয়জন আহিব বুলি আশা কৰি বিৰহৰ তাপ সহিব পাৰি; কিন্তু আই, একে গাঁৱতে থাকিও যদি আঁতৰি থাকিব লগা হয়, তেন্তে তাতকৈ মৰণেই ভাল।

**শব্দগত টোকা ঃ** বিৰহাণলো < বিৰহানলঃ = বিৰহ+অনলঃ = বিৰহৰ তাপ। অন্ত্য অঃ > ও।
সহিজ্জই < সহ্যতে = সহিব পাৰি। কৰ্মবাচ্যৰ য় > ইজ্জ, আত্মনেপদ তে > পৰস্মৈপদ তি > ই।
বল্লহজনস্স < বল্লভজনস্য = প্রিয়জনৰ। ভ > হ, ষষ্ঠীৰ একবচন স্য > স্স (সমীভৱন)।
এক্কগ্‌গাম < একগ্রাম = একে গাঁৱত। অসংযুক্ত ক > ক্ক, গ্র > গ্‌গ (সমীভৱন)।
পবাসো < প্রবাসঃ = আঁতৰি থকা। আদি অৱস্থানৰ প্র > প, অন্ত্য অঃ > ও।
মাএ < মাতঃ = মা, আই।
বিসেসেই < বিশেষয়তি = বিশেষকৈ,তাতকৈ। শ, ষ > স, অয় > এ, 'ত'-ৰ লোপ।

**গাথা নং ১৯ ঃ** *সুপ্পউ তইও বি গও জামো ত্তি সহিও কীস মং ভণহ।*
*সেহালিআণং গন্ধো ণ দেই সেত্তুং সুঅহ তমেহ।।*

**অসমীয়া ভাঙনি ঃ** হেৰা সখীহঁত, ৰাতিৰ তৃতীয় প্রহৰ পাৰ হৈ গৈছে বুলি তোমালোকে মোক শুবলৈ কৈছা। শেৱালিৰ গোন্ধে মোক শুবলৈ দিয়া নাই। তোমালোক শোৱাগৈ।

**শব্দগত টোকা ঃ** সুপ্পউ < সুপ্যতাম্ = শোৱা, শুই থাকা। প্য > প্প (সমীভৱন), তাম্ = উ।
তইও < তৃতীয়ঃ = তিনি। ঋ > অ, স্বৰমধ্যস্থিত 'ত'-ৰ লোপ, অন্ত্য অঃ > ও।
সহিও < সখ্যঃ = সখীসকল। মহাপ্রাণ খ > হ, -্যঃ (য়ঃ) = ইও।
গও < গতঃ = গৈছে। 'ত'-ৰ লোপ, অন্ত্য অঃ > ও।
জামো < যামঃ = প্রহৰ। জ > য, অন্ত্য অঃ > ও।
ভণহ < ভনথ = কোৱা। মহাপ্রাণ থ > হ, ন > ণ।

সেহালিআণং < শেফালিকানাম্ = শেৱালিফুলৰ। শ > স, মহাপ্ৰাণ ফ > হ, ‘ক’-ৰ লোপ, অন্ত্য ম্ > ং।

সোত্তুং < স্বপ্তুম্ = শুবলৈ। আদি অৱস্থানৰ সংযুক্ত ব্যঞ্জন স্ব > সো, প্ত > ত্ত (সমীভৱন), অন্ত্য ম্ > ং।

সুঅহ < স্বপিহি = শুই থাকা। আদি স্ব > সু, প > অ, ই-কাৰৰ লোপ।

দেই < দেয় = দিয়া।

**গাথা নং ২০ ঃ** *জং জং আলিহই মণো আসাবট্টীহিং হিঅফলঅম্মি।*
*তং তং বালোব্ব বিহী ণিহুঅং হসিঊণ পম্হুসই।।*

**অসমীয়া ভাঙনি ঃ** আশাৰূপী তুলিকাৰে হৃদয়-ফলকত মোৰ মনে যিবোৰ চিত্ৰ অংকিত কৰে, বিধাতাই গোপনে হাঁহি সৰু ল'ৰাৰ দৰে সেইবোৰ মচি পেলায়।

**শব্দগত টোকা ঃ** জং জং < যৎ যৎ = যি যি, যিবোৰ।

আলিহই < আলিখতি = চিত্ৰিত কৰা। মহাপ্ৰাণ খ > হ, ‘ত’-ৰ লোপ।

আসাবট্টীহিং < আশাৱৰ্তিকাভিঃ = আশাৰূপী তুলিকাৰে। ৰ্ত > ট্ট (সমীভৱন), ভিঃ > হিং, শ > স।

হিঅফলঅম্মি < হৃদয়ফলকে = হৃদয়ফলকস্মিন = হৃদয় ফলকত। ঋ > ই, ‘দ’ আৰু ‘য়’ ৰ লোপ।

তং তং < তৎ তৎ = সেইবোৰ।

বালোব্ব < বালইব = বালকৰ দৰে।

ণিহুঅং < নিভৃতম্ = ঋ > উ, মহাপ্ৰাণ ভ > হ, ‘ত’-ৰ লোপ, অন্ত্য ম্ > ং।

হসিঊণ < হসিত্বা = হাঁহি। ত্বা > ঊণ।

পম্হুসই < প্ৰমৃশতি = মচি পেলায়। আদি অৱস্থানৰ প্ৰ > প, ঋ > উ, শ > স, ‘ত’-ৰ লোপ।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। পাঠ্য গাথাসমূহৰ প্ৰতিটোৰে ঘৰুৱা অসমীয়ালৈ অনুবাদ কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

২। প্ৰতিটো গাথাৰ অন্তৰ্গত কঠিন শব্দবোৰৰ এখন তালিকা কৰি সিবোৰৰ সংস্কৃত ৰূপ, অসমীয়া অৰ্থ আৰু পৰিৱৰ্তনৰ দিশবোৰ লিখি উলিয়াওক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ২.৮ সাৰাংশ (Summing Up)

এই বিভাগটোত মনোৰম প্ৰাকৃত গীতি-কাব্য গাহাসত্তসঈ ৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হৈছে। অপভ্ৰংশ প্ৰভাৱিত মাহাৰাষ্ট্ৰী প্ৰাকৃতত এই কাব্যখন সংকলন কৰিছিল সাতবাহন

বংশীয় ৰজা হাল নৃপতিয়ে। মুঠ সাতটা শতকত বিভক্ত এই অনুপম সংগ্ৰহটিত সৰ্বমুঠ সাতশটা গাথা সন্নিৰিষ্ট হৈছে বাবেই ইয়াৰ নাম *গাহাসত্তসঈ* (গাথাসপ্তশতী)।

*গাহাসত্তসঈ*ৰ ৰচনা-কাল সম্বন্ধে কোনো প্ৰামাণিক তথ্য পাবলৈ নাই। সংকলনটিৰ কেতবোৰ গাথাত উল্লিখিত আভ্যন্তৰীণ তথ্য আৰু ইতিহাস আশ্ৰিত অন্যান্য তথ্যৰ আধাৰত এই পুথিৰ অন্তৰ্গত গাথাসমূহৰ সংকলন-কাৰ্য খ্ৰীষ্টীয় প্ৰথম-দ্বিতীয় শতাব্দীৰ পৰা সপ্তম-অষ্টম শতাব্দীৰ ভিতৰত সম্পন্ন হৈছিল বুলি অনুমান কৰা হৈছে।

*গাহাসত্তসঈ* মূলতঃ ভাৰতীয় লোক-জীৱনৰ পৰা আহৰিত প্ৰেমমূলক কাব্য। এই প্ৰেম অৱশ্যেই ইন্দ্ৰিয়গ্ৰাহ্য। সাধাৰণ মানুহৰ প্ৰাত্যহিক জীৱনত সংঘটিত প্ৰেমৰ বিচিত্ৰ ৰূপ ইয়াৰ মাজত বিধৃত হৈছে। স্বকীয় প্ৰিয়াতকৈ পৰকীয়া প্ৰেমৰ চিত্ৰ অংকনত ইয়াৰ কবিসকল অধিক সিদ্ধহস্ত আছিল যেন অনুমান হয়। সম্ভৱতঃ লোক-জীৱনৰ সৈতে সম্পৃক্ত হোৱা বাবেই ইয়াৰ ভাষাত কথ্যৰূপৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

## ২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। গীতি-কাব্য হিচাপে গাহাসত্তসঈ ৰ এটি মূল্যায়ন আগবঢ়াওক।

২। গাহাসত্তসঈ ৰ সংগ্ৰহকৰ্তা কোন? ইয়াৰ ৰচনা-কাল নিৰূপণ কৰি এটি টোকা প্ৰস্তত কৰক।

৩। গাহাসত্তসঈ কি বিষয়ক কাব্য। ইয়াৰ বিষয়বস্তু সম্বন্ধে খৰচি মাৰি আলোচনা কৰক।

৪। গাহাসত্তসঈ কি ভাষাত ৰচিত হৈছে। ইয়াক অকল প্ৰেমমূলক কাব্য বুলিব পাৰিনে? পুথিখনিৰ গাথাসমূহৰ ছন্দসজ্জাৰ এটি আভাস দিয়ক।

(উল্লিখিত প্ৰশ্নবোৰৰ উপৰি আপোনাৰ পাঠ্য গাথাকেইটাৰ অসমীয়া ভাঙনি আৰু কঠিন শব্দবোৰৰ টোকা চাওক।)

## ২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দেবিদাস ভট্টাচাৰ্য ঃ *মধ্যভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা।*

মনমোহন ঘোষ ঃ *প্ৰাকৃত সাহিত্য।*

নগেন ঠাকুৰ ঃ *প্ৰাকৃত সাহিত্য চয়ন।*

(——) ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন।*

(——) ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য।*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ।*

A. C. Woolner ঃ *Introduction to Prakrit.*

D. Bhattacharya ঃ *The Select Verses of Gahasattasai.*

R. G. Basak (ed) ঃ *Gatha Sapatasati.*

S. K. Chatterjce & S. Sen ঃ *A Middle Indo-Aryan Reader.*


* * *

## তৃতীয় বিভাগ
## 'কৰ্পূৰমঞ্জৰী'ৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠন**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ ৰাজশেখৰৰ জীৱন আৰু কৃতি
৩.৪ 'কৰ্পূৰমঞ্জৰী'ৰ উৎস আৰু কাহিনীভাগ
৩.৫ প্ৰাকৃতত ৰচনাৰ কাৰণ
৩.৬ সট্টক হিচাপে 'কৰ্পূৰমঞ্জৰী'
৩.৭ প্ৰাকৃতত ৰচিত প্ৰথম পূৰ্ণাঙ্গ নাট হিচাপে 'কৰ্পূৰমঞ্জৰী'
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত প্ৰাকৃত সাহিত্যৰ অন্যতম গীতিকাব্য *গাহাসত্তসঈ* ৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত প্ৰাকৃত সাহিত্যত বিশিষ্ট স্থান লাভ কৰা সট্টক *কৰ্পূৰমঞ্জৰী* ৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব। গতানুগতিক নাট্য পৰম্পৰাৰ পৰা আঁতৰি ৰাজশেখৰে সম্পূৰ্ণ প্ৰাকৃত ভাষাত এই নাটখনি ৰচনা কৰিছিল। এই বিভাগটিৰ আলোচনাত *কৰ্পূৰমঞ্জৰী*ৰ নাট্যকাৰ ৰাজশেখৰৰ পৰিচয় আৰু তেওঁৰ সাহিত্য কৃতি, *কৰ্পূৰমঞ্জৰী* ৰ কাহিনী, *কৰ্পূৰমঞ্জৰী* প্ৰাকৃতত ৰচনা কৰাৰ কাৰণ, সট্টক হিচাপে *কৰ্পূৰমঞ্জৰী* আদি দিশবোৰৰ আলোচনাই ঠাই পাইছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি —

- *কৰ্পূৰমঞ্জৰী* ৰ নাট্যকাৰ ৰাজশেখৰৰ পৰিচয় আৰু তেওঁৰ সাহিত্য কৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব;
- *কৰ্পূৰমঞ্জৰী* ৰ কাহিনীভাগৰ বিৱৰণ দিব পাৰিব;
- নাটকখন প্ৰাকৃতত লিখাৰ কাৰণ বিশ্লেষণ কৰিব পাৰিব; আৰু
- *কৰ্পূৰমঞ্জৰী*ত সট্টকৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

### ৩.৩ ৰাজশেখৰৰ জীৱন আৰু কৃতি

সংস্কৃত সাহিত্যৰ গৌৰৱময় সমৃদ্ধিকালৰ অন্যতম শেহতীয়া সমৃদ্ধকাৰক প্ৰতিভাশালী কবিজনাই হৈছে কবি ৰাজশেখৰ। তেওঁ একেধাৰে বিশিষ্ট কবি, নাট্যকাৰ, আলংকাৰিক, ভাষাবিদ আৰু সমালোচক আছিল। এইজনা কবিৰ জীৱন আৰু আবিৰ্ভাৱ কাল সম্পৰ্কে বিস্তৃতভাৱে জানিব পৰা নাযায়। অধিকাংশ সংস্কৃত কবি-নাট্যকাৰৰ দৰে তেওঁৰো ৰচনাৱলীত বিক্ষিপ্তভাৱে

পোৰা কিছুমান আত্মপৰিচয়মূলক বিবৃতি আৰু অন্য কিছুসংখ্যক কবিয়ে তেওঁলোকৰ ৰচনাত উল্লেখ কৰা তেওঁৰ নাম আৰু কৃতিৰ সূত্ৰ ধৰিহে তেওঁৰ জীৱন আৰু কাল সম্পৰ্কে কিছু তথ্য জানিব পৰা যায়। প্ৰকৃততে ক'বলৈ হ'লে তেওঁৰ ৰচনাৱলীয়েই তেওঁৰ জীৱন সম্পৰ্কীয় তথ্যৰ আধাৰ। কিন্তু তেওঁৰ সমস্ত ৰচনাৱলী আজিও অনাৱিস্কৃত। তেওঁৰ এতিয়ালৈকে আবিস্কৃত আৰু প্ৰকাশিত গ্ৰন্থৰ সংখ্যা হৈছে পাঁচখন। এই কেইখন হ'ল- (১) *কৰ্পূৰমঞ্জৰী,* (২) *বিদ্ধশালভঞ্জিকা,* (৩) *বালৰামায়ণ,* (৪) *বালচৰিত* আৰু (৫) *কাব্যমীমাংসা।* এই পাঁচোখন গ্ৰন্থৰ ভিতৰত প্ৰথম চাৰিখন দৃশ্যকাব্য আৰু শেষৰখন অলংকাৰ শাস্ত্ৰ। ইয়াৰ বাহিৰেও তেওঁ *ভুৱনকোষ* আৰু *ষট্‌প্ৰবন্ধ* নামৰ আৰু দুখন গ্ৰন্থ ৰচনা কৰিছিল বুলি তেওঁ *কাব্যমীমাংসা* আৰু *বালৰামায়ণ*ত উল্লেখ কৰি গৈছে যদিও বৰ্তমানলৈকে তেনে কোনো গ্ৰন্থ পোহৰলৈ অহা নাই। আনহাতে একাদশ শতিকাৰ প্ৰসিদ্ধ ব্যাকৰণবিদ হেমচন্দ্ৰৰ *কাব্যানুশাসন* আৰু ত্ৰয়োদশ শতিকাৰ আন এগৰাকী প্ৰসিদ্ধ লেখক উজ্জ্বলদত্তৰ ৰচনাৰ পৰা কবি ৰাজশেখৰে কালিদাসৰ *কুমাৰসম্ভৱ*ৰ আৰ্হিত *হৰবিলাস* নামৰ এখন মহাকাব্য ৰচনা কৰিছিল বুলি জনা যায়। কিন্তু *ভুৱনকোষ* আৰু *ষট্ প্ৰবন্ধ*ৰ দৰে এইখন গ্ৰন্থও এতিয়ালৈকে আন্ধাৰৰ গৰ্ভত।

কবি ৰাজশেখৰে মহাৰাষ্ট্ৰৰ এক বিখ্যাত 'যাযাবৰ' নামৰ ব্ৰাহ্মণ বংশত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল দুৰ্দুক বা দুহিক আৰু মাতৃৰ নাম আছিল লীলাৱতী। তেওঁ কবিবৰ অকালজলদৰ নাতিয়েক আছিল। তেওঁ *বালৰামায়ণ*ৰ প্ৰস্তাৱনা অংশত নিজৰ আত্মপৰিচয়ৰ প্ৰসঙ্গত নিজৰ বংশৰো পৰিচয় দি স্পষ্টকৈ এইদৰে লিখিছে—

*স মূৰ্তো যত্ৰাসীদ গুণগণ ইৱাকালজলদঃ*
*সুৰানন্দঃ সোহপি শ্ৰৱণপুটপেয়েন ৱচসা।*
*ন চান্যে গণ্যান্ত তৰলকৱিৰাজ প্ৰভৃতয়ো*
*মহাভাগস্তস্মিন্নয়মজনি যাযাৱৰকুলে।।*
*তদামুষ্যায়ণস্য মহাৰাষ্ট্ৰচুড়ামণেৰকালজলদস্য চতুৰ্থো দৌৰ্দুকঃ*
*শীলৱতীসুনুৰুপাধ্যায় শ্ৰীৰাজশেখৰ ইত্যপৰ্য্যাপ্ত বহুমানেন।। [১-১৩]*

অৰ্থাৎ ৰাজশেখৰৰ পূৰ্বপুৰুষ অকালজলদ, সুৰানন্দ, তৰল প্ৰভৃতি অনেকেই আছিল সমকালীন সাহিত্য ক্ষেত্ৰত প্ৰতিষ্ঠিত ব্যক্তি আৰু অকালজলদৰ দিনৰেপৰাই পৰম্পৰাক্ৰমে চলি অহা কাব্যচৰ্চাই তেওঁৰ জীৱনতো গভীৰ প্ৰভাৱ পেলাইছিল। অৱশ্যে পিতৃ দুৰ্দুক তেওঁৰ পূৰ্বপুৰুষৰ দৰে কাব্য-জহতত সুখ্যাতিসম্পন্ন ব্যক্তি নহৈ ৰাজনৈতিক কাৰ্যেৰেহে বিখ্যাত হৈ পৰিছিল।

ৰাজশেখৰৰ অমৰ সৃষ্টি *কৰ্পূৰমঞ্জৰী* নাটকৰ পৰা তেওঁৰ জীৱন সম্পৰ্কীয় নানা তথ্য আহৰণ কৰিব পৰা যায়। *কৰ্পূৰমঞ্জৰী* সট্টকৰ প্ৰস্তাৱনা অংশৰ পৰাই জনা যায় যে তেওঁৰ পত্নীৰ নাম আছিল অৱন্তীসুন্দৰী। এওঁ আছিল চৌহানবংশীয় ক্ষত্ৰিয় কন্যা। আনহাতে এওঁ পৰম বিদূষীও আছিল। *কাব্যমীমাংসা* নামৰ অলংকাৰ গ্ৰন্থত অৱন্তীসুন্দৰীৰ স্বকীয় অলংকাৰ-মতৰ তেওঁ বহুবাৰ উল্লেখ কৰিছে আৰু লগতে অৱন্তীসুন্দৰীক চৌহানকুলমুকুটমণি আখ্যাৰে ভূষিত কৰিছে। *কৰ্পূৰমঞ্জৰী*-তো তেওঁ অৱন্তীসুন্দৰীক 'চাউহানকুলমোলিমালিআ' অৰ্থাৎ 'চৌহান কুলৰ শিৰৰ মালা' বুলি অভিহিত কৰিছে। তেওঁ বিচক্ষণ পাণ্ডিত্যসম্পন্না পত্নীৰ অনুৰোধমৰ্মেই যে *কৰ্পূৰমঞ্জৰী* সট্টকখন ৰচনা কৰিছিল তাৰ কথা সট্টকখনৰ প্ৰস্তাৱনা অংশৰ পৰাই আমি জানিবলৈ পাওঁ। তেওঁ ৰাজশেখৰক কাব্য-নাটক আদি লিখাৰ কাৰণে যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। ৰাজশেখৰৰ উন্নতিৰ ক্ষেত্ৰত পত্নী অৱন্তীসুন্দৰীৰ প্ৰভাৱৰ কথা *বালৰামায়ণ*ত এনেদৰে পোৱা যায়—

*“সদ্বিজ্ঞানং কুলতিলকতাং যাতি দাৰৈৰুদাৰৈঃ।*
*ফুল্লা কীৰ্ত্তিৰ্ভ্ৰমতি সুকৰেৰ্দিক্ষ যাযাৱৰস।।”* [১/৬]

মুঠতে ৰাজশেখৰৰ সাহিত্য-সাধনাত পত্নী অৱন্তীসুন্দৰীৰ সহযোগ আছিল অতি গভীৰ আৰু তেওঁৰ উত্তৰোত্তৰ উন্নতিত গুণৱতী পত্নীৰ প্ৰেৰণা বিশেষ সহায়ক হৈ উঠিছিল।

কবিৰাজ ৰাজশেখৰে *বালৰামায়ণ* আৰু *বালভাৰত* ত নিজকে এজন মহামন্ত্ৰীৰ পুত্ৰ বুলিও উল্লেখ কৰি থৈ গৈছে। *বালৰামায়ণ* ত তেওঁ এনেদৰে উল্লেখ কৰিছে— “সুক্তমিদং বৈনৈৰ মহামন্ত্ৰিপুত্ৰেণ”। পণ্ডিতসকলে ইয়াৰপৰা অনুমান কৰে যে, ৰাজশেখৰৰ পিতৃ দুৰ্দুক কনৌজৰ প্ৰতিহাৰৰ ৰজা মহেন্দ্ৰপালৰ মহামন্ত্ৰী আছিল। উল্লেখযোগ্য যে, পাছলৈ ৰাজশেখৰে সেইজনা ৰজাৰে উপাধ্যায় বা গুৰু আৰু সভাকবি আছিল। ইয়াৰ উপৰি, কবিৰাজ ৰাজশেখৰ মহেন্দ্ৰপালৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ মহীপালৰো সভাসদ-উপদেষ্টা হৈছিলগৈ। *কৰ্পূৰমঞ্জৰী*ৰ প্ৰথম যৱনিকান্তৰৰ নৱম পদৰ পৰা আমি জানিব পাৰোঁ যে, ৰাজশেখৰ প্ৰথমতে ‘বালকবি’ (তৰুণ কবি), তাৰ পিছত ‘কবিৰাজ’ (উত্তম শ্ৰেণীৰ কবি), তাৰ পিছত নিৰ্ভৰৰাজৰ (মহেন্দ্ৰপালৰ) উপাধ্যায় এনেদৰেই মাহাত্ম্যৰ শিখৰত আৰোহণ কৰিছিল। নিজকে ‘কবিৰাজ’ আখ্যা দিয়া কথাটোৱে তেওঁ যে নিজৰ পাণ্ডিত্য সম্বন্ধে অৱহিত আছিল তাৰেই প্ৰমাণ দাঙি ধৰে। কিয়নো কবিৰাজ ৰাজশেখৰে *কাব্যমীমাংসাৰ* ষষ্ঠ অধ্যায়ত কবিসকলৰ উত্তৰোত্তৰ শ্ৰেষ্ঠতাৰ দহটা শ্ৰেণী বা অৱস্থাৰ কথা উল্লেখ কৰিছে। সেই দহটা শ্ৰেণীৰ ষষ্ঠ শ্ৰেণীৰ কবিক ‘মহাকবি’ আৰু সপ্তম শ্ৰেণীৰ কবিক ‘কবিৰাজ’ বুলি আখ্যায়িত কৰিছে। অৰ্থাৎ যিয়ে এক ভাষাত মহান প্ৰবন্ধ ৰচনা কৰে তেওঁ মহাকবি (ঘোহন্যতম প্ৰবন্ধে প্ৰবীণঃ স মহাকবি) আৰু যিয়ে বেলেগ বেলেগ ভাষাত ভিন ভিন প্ৰবন্ধ আৰু স্বতন্ত্ৰতাপূৰ্বক ভিন ভিন ৰসৰ গ্ৰন্থ ৰচনা কৰিব পাৰে তেওঁক কবিৰাজ *(যস্থ তত্ৰ ৱত্ৰ ভাষা ৱিশেষেযু তেযু তেযু প্ৰবন্ধেযু তস্মিংস্তস্মিংশ্চ ৰসে স্বতন্ত্ৰঃ স কৱিৰাজঃ)* বুলি কৈছে। গতিকে ‘কবিৰাজ’ আখ্যাটিৰ মাজেৰে ৰাজশেখৰৰ অসামান্য প্ৰতিভাৰ উমান লাভ কৰিব পৰা যায়। আকৌ তেওঁ নিজকে বাল্মীকি, ভৰ্তৃমেণ্ঠ আৰু ভৱভূতিৰ অৱতাৰৰূপে জ্ঞান কৰিছিল। (*বালৰামায়ণ* - ১/১৩)

ওপৰৰ আলোচনাৰ পৰা আমি ক’ব পাৰো যে, কবিৰাজ ৰাজশেখৰ আছিল অসামান্য পাণ্ডিত্যৰ অধিকাৰী। তেওঁ *কাব্যমীমাংসা*ত কাব্যচৰ্চাৰ বিষয়ে নিৰ্দেশ দি কৈছে যে, ‘কবিসকলে শ্ৰুতি, স্মৃতি, ইতিহাস, পুৰাণ- প্ৰমাণ-শাস্ত্ৰ, জ্যোতিষ, ৰাজনীতি শাস্ত্ৰ ইত্যাদি বিষয়ত বিদগ্ধ হোৱাটো বাঞ্ছনীয়।’ তেওঁ অলংকাৰ শাস্ত্ৰৰ লগতে সমানে সমানে ব্যাকৰণ আৰু ছন্দ-শাস্ত্ৰতো নিজৰ নিপুণতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থবান হৈছিল। ৰাজশেখৰৰ *কাব্যমীমাংসা* অলংকাৰ-বিষয়ক তথা কাব্যতত্ত্ব বিষয়ক গ্ৰন্থ আৰু উক্ত গ্ৰন্থত তেওঁৰ বিবিধ শাস্ত্ৰত থকা পাণ্ডিত্য সুন্দৰভাৱে পৰিস্ফুট হৈছে। আকৌ *বালৰামায়ণ* আৰু *বালভাৰত* গ্ৰন্থ দুখনে তেওঁৰ ইতিহাস আৰু পুৰাণ শাস্ত্ৰত থকা গভীৰ জ্ঞানৰ পৰিচয় দিয়ে। ৰাজশেখৰৰ অমৰ সৃষ্টি *কৰ্পূৰমঞ্জৰী* ত তেওঁৰ ভাষাৰ ক্ষেত্ৰত অসামান্য দক্ষতাৰ উমান পোৱা যায়।

কবি ৰাজশেখৰৰ আৱিৰ্ভাৱ কাল স্পষ্টভাৱে নিৰ্ধাৰিত কৰিব পৰা নাযায়। বিশেষ ঐতিহাসিক সূত্ৰৰ পম খেদি এইটো অনুমান কৰিব পাৰি যে, তেওঁ নৱম শতিকাৰ শেষভাগৰ পৰা দশম শতিকাৰ আদিভাগৰ ভিতৰত বৰ্তমান আছিল। পূৰ্বতে উল্লেখ কৰা হৈছে যে, ৰাজশেখৰ আছিল কনৌজৰ প্ৰতিহাৰ ৰাজ মহেন্দ্ৰপালৰ গুৰু আৰু মহেন্দ্ৰপালৰ পুত্ৰ মহীপালৰ সভাসদ উপদেষ্টা। ৰজা মহেন্দ্ৰপালৰ ৰাজত্ব কাল হ’ল ৮৮৫ ৰ পৰা ৯১০ খ্ৰীষ্টাব্দ আৰু মহীপালৰ

ৰাজত্ব কাল হ'ল ৯১০ ৰ পৰা ৯৪০ খ্ৰীষ্টাব্দ। গতিকে ৰাজশেখৰৰ জন্মৰ চন-তাৰিখ সুনিৰ্দ্দিষ্টভাৱে দিব নোৱাৰিলেও, অনুমান কৰিব পাৰি যে ৰজা মহেন্দ্ৰপাল আৰু তেওঁৰ পুত্ৰ মহীপালৰ ৰাজত্ব কালৰ ভিতৰতে ৰাজশেখৰে জীৱন নিৰ্বাহ কৰিছিল।

নৱম শতিকাৰ মধ্যভাগৰ বুলি অনুমান কৰা দুগৰাকী কাশ্মীৰী কবি ক্ৰমে ৰত্নাকৰ আৰু আনন্দবৰ্দ্ধনৰ নাম ৰাজশেখৰে উল্লেখ কৰিছে আৰু ইয়াৰ লগতে তেওঁ *কাব্যমীমাংসা*-ত ৰুদ্ৰট আৰু উদ্ভটৰ নামো উল্লেখ কৰিছে। এই দুয়োগৰাকী পণ্ডিতকে নৱম শতিকাৰ প্ৰথম ভাগৰ কবি বুলি অনুমান কৰা হৈছে। আনহাতে দশম শতিকাৰ শেষভাগৰ ধনঞ্জয়ে *দশৰূপক* ত আৰু তেওঁৰে সমসাময়িক সোড্চলে *উদয়সুন্দৰী কথা* ত ৰাজশেখৰৰ উল্লেখ যিহেতু কৰিছে, সেইফালৰ পৰা চাবলৈ গ'লে দশম শতিকাৰ শেষভাগত ৰাজশেখৰৰ মৃত্যু হোৱা বুলি অনুমান কৰিব পৰা যায়। আকৌ ৯৬০ খ্ৰীষ্টাব্দত সোমদেৱ বিৰচিত *যশস্তিলক* ত মাঘ আদিৰ লগতে ৰাজশেখৰৰো উল্লেখ হোৱাটো এই প্ৰসঙ্গত উল্লেখনীয়। এই আটাইবোৰ তথ্যৰ পৰা কবিৰাজ ৰাজশেখৰৰ আৱিৰ্ভাৱ কাল অনায়াসে নৱম শতিকাৰ শেষ আৰু দশম শতিকাৰ আদিভাগৰ বুলি ধৰি ল'ব পৰা যায়।

কবি ৰাজশেখৰৰ অভিনৱ সৃষ্টি তথা কাব্যজীৱনৰ পৰিচয় বহন কৰা চাৰিখন নাটক আৰু অলংকাৰ শাস্ত্ৰমূলক গ্ৰন্থখনৰ পৰিচয় তলত দাঙি ধৰা হ'ল—

**কৰ্পূৰমঞ্জৰী ঃ**

*কৰ্পূৰমঞ্জৰী* কবিৰাজ ৰাজশেখৰৰ প্ৰথম ৰচনা। প্ৰাচীন ভাৰতীয় নাট্য সাহিত্যৰ বুৰঞ্জীত *কৰ্পূৰমঞ্জৰী*-ক এক অভিনৱ সংযোজন বুলি নিঃসন্দেহে আখ্যায়িত কৰিব পৰা যায়। ই কেৱল নাট্যৰূপৰ কাৰণেই নহয়, ভাষাতত্ত্বৰ দিশৰ ফালৰ পৰাও প্ৰাচীন তথা মধ্য ভাৰতীয় ভাষা-সাহিত্যৰ সুদীৰ্ঘ ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে।

*কৰ্পূৰমঞ্জৰী* শৃংগাৰ ৰস প্ৰধান এখন লঘু মিলনাত্মক সট্টক। সম্পূৰ্ণৰূপে প্ৰাকৃত ভাষাত ৰচিত পূৰ্ণাংগ নাটক বা সট্টক হিচাপে *কৰ্পূৰমঞ্জৰী* ৰাজশেখৰৰ প্ৰথম তথা সৰ্বোৎকৃষ্ট বিখ্যাত ৰচনা। চাৰিটা যৱনিকাযুক্ত *কৰ্পূৰমঞ্জৰী* নৃত্যপ্ৰধান সট্টক আৰু ই চতুঃসন্ধিযুক্ত। সট্টকখনত মুখ, প্ৰতিমুখ, গৰ্ভ আৰু নিৰ্বহণ সন্ধি আছে, কিন্তু অৱমৰ্ষ সন্ধিৰ প্ৰয়োগ পোৱা নাযায়। ৰাজশেখৰে তেওঁৰ প্ৰেমজনিত বিবাহৰ কিছু পৰৱৰ্তী কালতে যুৱৰাজ নিৰ্ভৰৰাজৰ (মহেন্দ্ৰপালৰ) গুৰুৰূপে থকাৰ সময়ছোৱাত প্ৰিয়তমা পত্নী অৱন্তীসুন্দৰীৰ ইচ্ছানুসৰি এই নাটখন ৰচনা কৰিছিল বুলি ক'ব পৰা যায়। কিয়নো প্ৰেম, প্ৰেমৰ স্বৰূপ, নাৰী সৌন্দৰ্যৰ মনোমোহা বৰ্ণনাৰ উপৰি মিলন মাধুৰিমাৰে নাটখনৰ সামৰণি এনেদৰে পেলোৱা হৈছে যে তেওঁৰ ব্যক্তিগত প্ৰেমৰ মধুৰ অভিজ্ঞতা এইক্ষেত্ৰত বিশেষ কাৰ্যকৰী হৈ উঠিছিল বুলি ভাবিব পৰা যায়। সট্টকখনৰ কাহিনীভাগত কোনো নতুনত্ব দেখিবলৈ পোৱা নাযায়। সংস্কৃত নাটকৰ দৰে ৰজা, ৰাণী, বিদূষক ইত্যাদি চৰিত্ৰৰ জৰিয়তে কাহিনীভাগ আগবঢ়াই নিয়াৰ বাবে সট্টকখনৰ কাহিনীৰ ক্ষেত্ৰত গতানুগতিকতাহে পৰিলক্ষিত হয়।

**বিদ্ধশালভঞ্জিকা ঃ**

*কৰ্পূৰমঞ্জৰী* ৰ পাছত কবি ৰাজশেখৰৰ দ্বিতীয় ৰচনা হ'ল *বিদ্ধশালভঞ্জিকা*। চাৰিটা অংকযুক্ত ই এখনি নাটিকা। ইয়াত কবিয়ে সংস্কৃত আৰু প্ৰাকৃত উভয় ভাষাকে ব্যৱহাৰ কৰি পূৰ্বসুৰীসকলক অনুসৰণ কৰিছে। *কৰ্পূৰমঞ্জৰী* ৰ দৰে তেওঁ এটি প্ৰেম-উপাখ্যানক অৱলম্বন কৰিয়েই এই নাটিকাখন ৰচনা কৰিছে। তেওঁ কনৌজ এৰি ত্ৰিপুৰী ৰাজ্যলৈ গৈ ত্ৰিপুৰী ৰজা

যুৱৰাজ দেৱৰ আশ্ৰয়ত থাকোঁতে এই নাটিকাখন প্ৰণয়ন কৰিছিল বুলি ভাবিব পৰা যায়। কলিঙ্গৰ ৰজা বিদ্যাধৰমল্ল আৰু লাটদেশীয় ৰজা চন্দ্ৰবৰ্মাৰ কন্যা মৃগাংকৱলীৰ গুপ্ত প্ৰণয় আৰু মিলনেই হ'ল এই নাটিকাখনৰ মূল বিষয়বস্তু। বিদ্যাধৰমল্ল আৰু মৃগাংকৱলীৰ মাজত প্ৰণয়ৰ সূত্ৰপাত হয় শালভঞ্জিকাৰ মাধ্যমেদি। শালভঞ্জিকা হ'ল শালকাঠৰ পুতলা বা মূৰ্তি। মৃগাংকৱলীৰ এটি কাঠৰ পুতলা বা মূৰ্তি দৰ্শন কৰিয়েই ৰজা বিদ্যাধৰমল্লৰ হৃদয়ত মৃগাংকৱলীৰ প্ৰতি প্ৰণয় সঞ্চাৰিত হয় আৰু পৰিণতিত মিলন সংঘটিত হয়। এই কাৰণতে নাটিকাখনৰ নামকৰণ কৰা হৈছে— *বিদ্ধশালভঞ্জিকা* । বিদ্ধ অৰ্থাৎ খোদিত আৰু শালভঞ্জিকা অৰ্থাৎ শালকাঠৰ পুতলা বা মূৰ্তি।

কাহিনীৰ ক্ষেত্ৰত *কৰ্পূৰমঞ্জৰী* সট্টকখনৰ লগত *বিদ্ধশালভঞ্জিকা* ৰ যথেষ্ট সাদৃশ্য দেখিবলৈ পোৱা যায়। এই নাটিকাখন *মালৱিকাগ্নিমিত্ৰম্, ৰত্নাৱলী* আৰু *স্বপ্নবাসৱদত্তা*ৰ আৰ্হিত ৰচিত।

**বালৰামায়ণ ঃ**

কবিৰাজ ৰাজশেখৰৰ *বালৰামায়ণ* নাটকৰ কাহিনী *ৰামায়ণ* মহাকাব্যৰ পৰা গৃহীত। এই নাটখন দহোটা অংকযুক্ত। সেইবাবে নাটখনক মহানাটক বুলি আখ্যায়িত কৰা হৈছে। *বালৰামায়ণ*ৰ দৰে ইমান বৃহৎ কলেৱৰৰ নাটক ভাৰতীয় নাট্য-সাহিত্যত বিৰল। এইখন নাটকৰ প্ৰস্তাৱনাটোৱে এখন নাটকৰ সমান ডাঙৰ আৰু ইয়াৰ প্ৰত্যেকটো অংকই একোখন নাটিকাৰ দৰে। নাটকখনত সৰ্বমুঠ ৭৪১ টা শ্লোক সন্নিৱিষ্ট হৈছে।

নাটখনত ৰামচন্দ্ৰৰ বাল্যজীৱনৰ পৰা যৌৱনপ্ৰাপ্তি, বনগমন, ৰাৱণৰ দ্বাৰা সীতাহৰণ, ৰাম-ৰাৱণৰ যুদ্ধ, ৰাৱণ-বধ, অযোধ্যালৈ প্ৰত্যাৱৰ্তন আৰু ৰাজ্যাভিষেক পৰ্যন্ত ঘটনা বিধৃত আছে। ইয়াত ৰাৱণৰ প্ৰেম অতি বিচিত্ৰৰূপত অংকন কৰা হৈছে যদিও নাটখনৰ নায়ক ৰামহে, ৰাৱণ নহয়। ৰামৰ চৰিত্ৰৰ ভিন্নমুখী দিশ নাটখনত সুন্দৰভাৱে প্ৰতিফলিত হৈছে।

উল্লেখ্য যে, কবিৰাজ ৰাজশেখৰে *বালৰামায়ণ* ত নিজৰ পূৰ্বপুৰুষৰ পৰিচয় অতি গৌৰৱেৰে দাঙি ধৰিছে। প্ৰস্তাৱনা অংশত নিজৰ বিষয়েও বহু কথা সন্নিৱিষ্ট কৰিছে। তেওঁ ৰজা মহেন্দ্ৰপালৰ অনুৰোধ মৰ্মেই এই নাটখনো ৰচনা কৰিছিল বুলি জানিব পৰা যায়। এই নাটখনত কালিদাসৰ *বিক্ৰমোৰ্বশীয়ম* নাটকৰ লগতে ভৱভূতিৰ *উত্তৰ-ৰামচৰিত* নাটকৰ প্ৰভাৱ পৰা দেখিবলৈ পোৱা যায়। নাটখনত ৰাৱণে সীতাৰ বিয়োগত বলিয়াৰ দৰে হোৱা আৰু লগতে বনত সীতাক বিচাৰি ফুৰা দৃশ্যটোৰ লগত *বিক্ৰমোৰ্বশীয়ম* নাটকৰ নায়ক পুৰুৰৱাৰ চৰিত্ৰটোৰ সাদৃশ্য দেখিবলৈ পোৱা যায়। কবিকৰ্মৰ দিশৰ পৰা *বালৰামায়ণ* নাটখন সিমান উন্নত নহয়। নাটখন মঞ্চস্থ কৰিবৰ বাবেও অনুপযুক্ত।

**বালভাৰত ঃ**

কবিৰাজ ৰাজশেখৰৰ আন এখন নাটক হ'ল *বালভাৰত* । এই নাটকখনৰ আন এটা নাম *প্ৰচণ্ডপাণ্ডৱ* । ই এখন অসমাপ্ত নাটক। নাটকখনৰ মাত্ৰ দুটা অংকহে আৱিষ্কৃত হৈছে। এচাম পণ্ডিতে অনুমান কৰে যে ৰাজশেখৰে তেওঁৰ *ৰামায়ণ* আধাৰিত *বালৰামায়ণ* নাটখনি জনপ্ৰিয় হৈ নুঠা হেতুকে *বালভাৰত* ৰ মাত্ৰ দুটা অংক ৰচনা কৰি সামৰণি মাৰে।

*বালভাৰত* ৰ কাহিনীভাগ মহাভাৰতৰ কাহিনীৰ পৰা গ্ৰহণ কৰা হৈছে। প্ৰথম দুটা অংকৰ বিষয়বস্তু হ'ল দ্ৰৌপদীৰ স্বয়ম্বৰ সভা, কৌৰৱ-পাণ্ডৱৰ পাশাখেল আৰু কৌৰৱৰ সভাত দ্ৰৌপদীৰ বস্ত্ৰহৰণ। *বালভাৰত* ত কবিয়ে *বালৰামায়ণ* নাটকৰ দৰে নিজেই নিজকে বাল্মীকি, ভৱভূতি, ভৰ্তৃমেণ্ঠৰ অৱতাৰৰূপে জ্ঞান কৰিছে—

*বভূৱ ৱাল্মীকিভৱঃ পুৰা কৱি*
*স্বতঃ প্ৰপেদে ভুৱি ভৰ্তৃমেণ্ঠত্যম্।*
*স্থিতঃ পুনৰ্যো ভৱভূতিৰেখয়া*
*স ৱৰ্ততে সম্প্ৰতি ৰাজশেখৰঃ।।*

কবি ৰাজশেখৰে নাটকখনৰ প্ৰস্তাৱনাত ৰজা মহীপালৰ নাম উল্লেখ কৰিছে আৰু সেয়েহে মহেন্দ্ৰপালৰ মৃত্যুৰ পাছত মহীপালৰ ৰাজত্ব কালত এই নাটকৰ ৰচনা কাৰ্য আৰম্ভ হৈছিল বুলি ক'ব পৰা যায়। কিন্তু কিবা কাৰণত ৰজাৰ লগত মতভেদ হোৱাত তেওঁ ৰাজৰোষত পৰি কনৌজ এৰি চুবুৰীয়া ত্ৰিপুৰী ৰাজ্যত আশ্ৰয় ল'ব লগা হয়। এইটো কাৰণতে নাটকখনো অসম্পূৰ্ণ হৈ ৰ'ল বুলি ভাবিবৰ অৱকাশ আছে।

**কাব্য-মীমাংসা ঃ**

ৰাজশেখৰ অকল যে নাট্যকাৰেই আছিল তেনে নহয়, তেওঁ আছিল এগৰাকী আলংকাৰিকো। ভাৰতীয় অলংকাৰ-শাস্ত্ৰৰ ইতিহাসত এইগৰাকী পণ্ডিতৰ দ্বাৰা বিৰচিত *কাব্যমীমাংসা* এখন উল্লেখযোগ্য গ্ৰন্থ। তেওঁ অলংকাৰ শাস্ত্ৰৰ বিভিন্ন দিশৰ বিষয়ে এই গ্ৰন্থত আলোচনা আগবঢ়াইছে। এইখন গ্ৰন্থই কবিৰাজ ৰাজশেখৰৰ জীৱনৰ অন্তিম সৃষ্টি। পৰিণত বয়সত পৰিপূৰ্ণ সাহিত্য সম্বন্ধীয় জ্ঞানেৰে এক বৃহৎ পৰিকল্পনাৰে তেওঁ এই গ্ৰন্থৰ কাম আৰম্ভ কৰিছিল যদিও সম্পূৰ্ণ কৰিব নোৱাৰিলে। বৰ্তমান পোৱা গ্ৰন্থখনিত ওঠৰটা অধ্যায়েৰে 'কবি-ৰহস্য' শীৰ্ষক এটি মাত্ৰ 'অধিকৰণ' পোৱা গৈছে আৰু তাতেই তেওঁৰ পাণ্ডিত্য আৰু মৌলিকতা সুন্দৰভাৱে প্ৰতিফলিত হৈ উঠিছে।

কবি ৰাজশেখৰে *কাব্য-মীমাংসা* গ্ৰন্থত আৰম্ভণিতে দিয়া আত্ম-পৰিচয়ৰ প্ৰসংগত গ্ৰন্থখনৰো উল্লেখ কৰি এইদৰে লিখিছে —

*যাযাৱৰীয়ঃ সংক্ষিপ্ত মুনীনাং মতৱিস্তৰম্।*
*ব্যাকৰোৎ কাব্যমীমাংসাং কৱিভ্যো ৰাজশেখৰঃ।।*

আকৌ *কাব্য-মীমাংসা*ত ৰাজশেখৰে পুৰুষৰ দৰে নাৰীও কবি হ'ব পাৰে বুলি আৰু সাধাৰণ লোকৰো কবিত্ব প্ৰতিভাৰ স্বীকাৰ কৰি দৃঢ়ভাৱে এইদৰে কৈছে—

*পুৰুষৱৎ ঘোষিতোহপি কৱীভৱেযুঃ। সংস্কাৰো হ্যাত্মনি সমৱৈতি,*
*ন স্ত্ৰৈনং পৌৰুষং বা বিভাগমপেক্ষতে।*
*শ্ৰূয়ন্তে দৃশ্যন্তে চ ৰাজপুত্ৰ্যা*
*মহামাত্ৰদুহিতৰো গণিকা কৌতুকিভাৰ্য্যাশ্চ শাস্ত্ৰপ্ৰহতবুদ্ধয়ঃ বাৰয়শ্চ।। [১০]*

*কাব্যমীমাংসা* ক কাব্যশাস্ত্ৰৰ বিশ্বকোষ বুলি আখ্যায়িত কৰিব পৰা যায়। কিয়নো ইয়াৰ বিষয়বস্তুত সাহিত্য শাস্ত্ৰ, কাব্য, কবিকাৰ্য, দেশ-কাল ইত্যাদি নানা বিষয়ৰ সমাহাৰ ঘটা দেখিবলৈ পোৱা গৈছে।

ওপৰত উল্লেখ কৰা ৰাজশেখৰৰ ৰচনাৱলীয়ে ভাৰতীয় সাহিত্যৰ অধ্যয়নত বিশেষ অৰিহণা যোগাই আহিছে। তেওঁ যে স্বদীপ্তমান মৌলিক প্ৰতিভাসম্পন্ন কবি-নাট্যকাৰ-আলংকাৰিক আছিল সেই কথা তেওঁৰ এই ৰচনাসমূহৰ মাজেৰে সুন্দৰ ৰূপত পৰিস্ফুট হৈ উঠিছে। বিশেষকৈ তেওঁৰ এই প্ৰতিভা ফুটি উঠিছে অভূতপূৰ্ব লোক-নৃত্যৰ সংযোজনেৰে নতুন এক নাট্যশৈলী গঢ় দি প্ৰাকৃত ভাষাৰ মাধ্যমেৰে পূৰ্ণাংগ নাটক সৃষ্টি কৰিব পৰা ক্ষমতাত।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰাজশেখৰৰ ৰচনাৰাজিৰ ভিতৰত কোনকেইখন অপ্ৰকাশিত গ্ৰন্থ কিহৰ ভিত্তিত ৰাজশেখৰৰ বুলি অনুমান কৰা হৈছে? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৩.৪ 'কৰ্পূৰমঞ্জৰী' ৰ উৎস আৰু কাহিনীভাগ

কবিৰাজ ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* শৃংগাৰ ৰসপ্ৰধান এখন লঘু মিলনাত্মক সট্টক। কাহিনী বা বিষয়বস্তুৰ ফালৰ পৰা *কৰ্পূৰমঞ্জৰী* অভিনৱত্বহীন। কিয়নো এই ক্ষেত্ৰত তেওঁ কালিদাস, শ্ৰীহৰ্ষ, বাণভট্ট, দণ্ডী আদি পূৰ্বসুৰী কবি সাহিত্যিকসকলৰ পথকে অনুসৰণ কৰি ৰজা, ৰাণী বিদূষক আদি পৰিচিত চৰিত্ৰৰ সহায়ত ৰাজ-অন্তেষপুৰৰ গোপন প্ৰেমৰ কাহিনী এটাক গতানুগতিক ৰূপ দিছে। গুণাঢ্যৰ অধুনালুপ্ত প্ৰাকৃত কাব্য *'বড্ডকহা'* (বৃহৎ কথা) আৰু তাৰ সংস্কৃত অনুবাদ সোমদেৱৰ *'কথা সৰিৎ সাগৰ'* আৰু ক্ষেমেন্দ্ৰৰ *'বৃহৎ কথা মঞ্জৰী'* য়ে *কৰ্পূৰমঞ্জৰী* ৰ কাহিনী-সৃষ্টিত ৰাজশেখৰক অনুপ্ৰেৰণা যোগাইছিল বুলি ক'ব পৰা যায়। *কৰ্পূৰমঞ্জৰী* ৰ কাহিনীভাগ কল্পনাপ্ৰসূত বুলি কোৱা হয় যদিও প্ৰকৃততে ইয়াৰ উৎস তেওঁৰ পূৰ্বৱৰ্তী সপ্তম শতাব্দীৰ শ্ৰীহৰ্ষৰ *ৰত্নাৱলী* নামৰ সুবিখ্যাত চাৰি অংকৰ নাটিকাখন বুলি অনুমান কৰিব পৰা যায়। কাৰণ *কৰ্পূৰমঞ্জৰী* ৰ কাহিনী আৰু ঘটনাবিন্যাসত এই নাটকৰ প্ৰভাৱ সৰ্বত্ৰ অনুভূত হয়। হয়তো জনপ্ৰিয় হৈ উঠা *ৰত্নাৱলী* ৰ প্ৰেৰণাতে ৰাজশেখৰেও নাটিকাৰ অনুৰূপ 'সট্টক' নামধাৰী নাটক ৰচনা কৰিবলৈ অনুপ্ৰাণিত হৈছিল। অৱশ্যে নাটকখনত নাট্যকাৰৰ মৌলিক প্ৰতিভাৰ কাৰণে কাহিনী আৰু ঘটনা বিন্যাসে নিজস্বতা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি ক'ব পৰা যায়।

বহুসংখ্যক পণ্ডিতে আকৌ সপ্তম শতাব্দীৰ অন্যতম প্ৰসিদ্ধ কবি আলংকাৰিক আচাৰ্য দণ্ডীৰ দ্বাৰা ৰচিত *দশকুমাৰ চৰিত* ৰ প্ৰভাৱতহে এই নাটখন ৰচনা কৰা বুলি ক'ব খোজে। কিয়নো *দশকুমাৰ চৰিত*-ত দণ্ডীয়ে ঐন্দ্ৰজালিক বিদ্যেশ্বৰৰ ইন্দ্ৰজাল বিদ্যাৰ সহায়ত উজ্জয়িনীৰ ৰাজকুমাৰ ৰাজবাহনৰ লগত মানৱ-ৰাজকন্যা অৱন্তীসুন্দৰীৰ মিলন হোৱা দেখুৱাইছে। ইয়াৰ নায়ক ৰাজবাহন আৰু নায়িকা অৱন্তীসুন্দৰীৰ নামৰ লগত কবি ৰাজশেখৰ আৰু তেওঁৰ পত্নীৰ নামৰ মিল মনকৰিবলগীয়া। সম্ভৱতঃ এনে নাম-সাদৃশ্যৰ বাবে ৰাজশেখৰ *দশকুমাৰ চৰিত*-ৰ কাহিনীটোৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল আৰু তাৰ আদৰ্শতে *কৰ্পূৰমঞ্জৰী* সট্টকখনি ৰচনা কৰিছিল। কিন্তু *ৰত্নাৱলী* নাটকৰ ঘটনা বিন্যাস বিচাৰ কৰি চালে *দশকুমাৰচৰিত* -তকৈ *ৰত্নাৱলী* -ৰ প্ৰভাৱতহে যে এই নাটকখন ৰাজশেখৰে ৰচনা কৰিছিল সেই কথা অনুধাৱন কৰিবলৈ বিশেষ টান নহয়।

*কৰ্পূৰমঞ্জৰী* ৰ কাহিনী নিতান্তই সাধাৰণ এটি প্ৰেমমূলক ঘটনাৰ আধাৰত গঢ় লৈ উঠিছে। সেয়েহে নাটখন ঘটনাপ্ৰধান বা কাৰ্যপ্ৰধান নাটক নহৈ ভাৱ-প্ৰধান হৈ উঠিছে। প্ৰেমৰ প্ৰাৱল্য প্ৰকাশ কৰাটোৱেই যেন নাট্যকাৰৰ মূল উদ্দেশ্য হৈ উঠিছে। নাটখনত নাট্যকাৰে নাটকীয় সংঘাত সৃষ্টি কৰাতকৈ অধিক মনোনিবেশ কৰিছে প্ৰথম দৰ্শনতে ওপজা প্ৰেমানুভূতি আৰু দেহজ সৌন্দৰ্যৰ ৰূপ লাৱণ্যৰ কাব্যোপম বৰ্ণনাতহে। সংস্কৃত নাটিকাৰ অনুৰূপে চাৰিটা **অংক**

বা **যৱনিকান্তৰম** ৰ যোগেদি নাটখনৰ কাহিনীভাগ আগবঢ়াই নি শেষত মিলনান্তক পৰিসমাপ্তি ঘটোৱা হৈছে। সিদ্ধপুৰুষ ভৈৰৱানন্দই অলৌকিক শক্তিৰে আনি দিয়া অপৰূপা কুন্তল ৰাজকন্যা কৰ্পূৰমঞ্জৰীৰ প্ৰতি ৰজা চণ্ডপালৰ বিমুগ্ধ দৃষ্টি, তাৰ পাছত দুয়োৰে মাজত হোৱা তীব্ৰ প্ৰেম-অনুৰাগ, পাটমহিষী বিভ্ৰমলেখাৰ সেই প্ৰেমত হেঙাৰ আৰু শেষত বিচক্ষণা, বিদূষক আৰু ভৈৰৱানন্দৰ সন্মিলিত প্ৰচেষ্টাত কৌশলেৰে সেই হেঙাৰ আঁতৰাই ৰজাৰ লগত বিবাহ কাৰ্য সম্পন্ন —এয়ে হৈছে *কৰ্পূৰমঞ্জৰী* নাটকৰ মূল কাহিনী। এতিয়া তলত চাৰিটা যৱনিকা বা অংকৰ আধাৰত কৰ্পূৰমঞ্জৰী নাটকৰ কাহিনীটো দাঙি ধৰা হ'ল —

*কৰ্পূৰমঞ্জৰী* নাটকৰ **প্ৰথম যৱনিকাত** প্ৰস্তাৱনাৰ পাছতে বসন্ত সমাৰোহৰ এটি উৎফুল্লিত দিনত ৰজা চণ্ডপাল আৰু ৰাণী বিভ্ৰমলেখা বিদূষক কপিঞ্জল আৰু পৰিচাৰিকা বিচক্ষণাসহ উপস্থিত হৈ, ৰজা-ৰাণী উভয়ে পৰস্পৰক বসন্তকালীন প্ৰীতি সম্ভাষণ জ্ঞাপন কৰিছে আৰু কাব্যচৰ্চা আৰম্ভ কৰিছে। এনেতে বিদূষক আৰু দাসী বিচক্ষণাৰ মাজত কাব্য-বিষয়ক প্ৰতিদ্বন্দ্বিতা আৰম্ভ হয়। ৰজাই বিচক্ষণাৰ কবিতা শুনি সন্তোষ পায়। বিচক্ষণাৰ লগত বিদূষকৰ আক্ৰমণাত্মক বাক্ যুদ্ধ চলিবলৈ ধৰে। বিদূষকে অপমানবোধ কৰি খং আৰু অভিমানেৰে সেই স্থান ত্যাগ কৰিব খোজোৰ সময়তে দৈৱক্ৰমে তাত সিদ্ধ যোগীশ্বৰ ভৈৰৱানন্দ উপস্থিত হয়। ভৈৰৱানন্দ অলৌকিক কৰ্মকাণ্ডত সুনিপুণ। তেওঁৰ খ্যাতি সৰ্বত্ৰ বিৰাজিত। যোগীশ্বৰৰ মুখেৰে অলৌকিক ক্ষমতাৰ কথা শুনি ৰজাই পূৰ্ণিমাৰ চন্দ্ৰস্বৰূপ কুন্তল ৰাজকন্যা কৰ্পূৰমঞ্জৰীক পৃথিৱীলৈ নমাই আনিবলৈ অনুৰোধ কৰাত যোগীশ্বৰে ধ্যান-বলেৰে কৰ্পূৰমঞ্জৰীক স্নানসিক্তা অৱস্থাতেই ৰজাৰ আগত উপস্থিত কৰালেহি। ৰাজসভাত উপস্থিত থকা সকলোৱে অতি ৰূপৱতী কন্যা কৰ্পূৰমঞ্জৰীক বিস্ময়ভৰা দৃষ্টিৰে চাবলৈ ধৰিলে। ৰজা চণ্ডপালে প্ৰথম দৃষ্টিতেই সেই স্নানৰতা, স্বল্পবসন পৰিহিতা কৰ্পূৰমঞ্জৰীৰ ৰূপ সৌন্দৰ্যত বিমুগ্ধ হৈ পৰে। ৰাণী বিভ্ৰমলেখাই বিদূষকৰ জৰিয়তে সেই অপূৰ্ব কন্যাৰত্নৰ পৰিচয় জানিবলৈ বিচৰাত কৰ্পূৰমঞ্জৰীয়ে ক'লে যে তেওঁ কুন্তল দেশৰ বিদৰ্ভ নগৰৰ ৰজা সৰ্বজনবল্লভৰ কন্যা আৰু তেওঁৰ মাকৰ নাম শশীপ্ৰভা। তেতিয়া ৰাণীয়ে কৰ্পূৰমঞ্জৰীক চিনিব পাৰিলে। কিয়নো সৰ্বজনবল্লভ ৰাণীৰ মহাক আৰু শশীপ্ৰভা ৰাণীৰ মাহীয়েক। সেইফালৰপৰা কৰ্পূৰমঞ্জৰী ৰাণীৰ ভনীয়েক। সেইবাবে ৰাণী বিভ্ৰমলেখাই পৰম আনন্দিত হৈ আদৰ-সাদৰকৈ কৰ্পূৰমঞ্জৰীক কেইদিনমানৰ বাবে ৰাজকাৰেঙত ৰাখিবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু ভৈৰৱানন্দৰ অনুমতি লাভ কৰি কৰ্পূৰমঞ্জৰীও থাকিবলৈ ল'লে। ইয়াতেই প্ৰথম যৱনিকাৰ অন্ত পৰে।

**দ্বিতীয় যৱনিকাত** ৰজা আৰু কৰ্পূৰমঞ্জৰী উভয়ে উভয়ৰ প্ৰতি তীব্ৰভাৱে আসক্ত হৈ পৰে। নিজৰ অনুৰাগ আৰু বিৰহ যাতনাৰ কথা ব্যক্ত কৰি কৰ্পূৰমঞ্জৰীয়ে বিচক্ষণাৰ হাততে ৰজাৰ উদ্দেশ্যে কেতেকী ফুলৰ পাহিত লিখা এখন পত্ৰ পঠায়। এই পত্ৰলেখাতে বিচক্ষণা আৰু তেওঁৰ বায়েক সুলক্ষণাই কৰ্পূৰমঞ্জৰীৰ মনত উদয় হোৱা প্ৰেমৰ প্ৰদাহ বৰ্ণনা কৰি ৰজাৰ মন অধিক উদ্বাউল কৰি তোলে। সেইদিনাই দৌল-চতুৰ্থী উপলক্ষে কৰ্পূৰমঞ্জৰীয়ে দোলন খেলা আৰু কুৰবক, তিলক আৰু অশোক গছক দোহদ দান কৰি বিকশিত কৰি তোলা কাৰ্য ৰজাই প্ৰত্যক্ষ কৰি কৰ্পূৰমঞ্জৰীৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰে আৰু একান্তভাৱে পাবৰ বাবে বিহ্বল হৈ উঠে। বিদূষক আৰু বিচক্ষণাৰ মন্ত্ৰণানুযায়ী সেইদিনাই তেওঁ সন্ধ্যাৰ অন্ধকাৰৰ সুযোগত ক্ষন্তেক সময়ৰ বাবে কৰ্পূৰমঞ্জৰীৰ সান্নিধ্য লাভ কৰে।

দ্বিতীয় আৰু তৃতীয় যৱনিকাৰ মাজৰ সময়ছোৱাত ৰাণী বিভ্ৰমলেখাই সম্ভৱতঃ ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ পাৰস্পৰিক আসক্তিৰ ভূ-পাই কৰ্পূৰমঞ্জৰীক গোপন কক্ষত, অৰ্থাৎ ৰক্ষাগৃহত

আবদ্ধ কৰি ৰাখে। কিন্তু ৰজা চণ্ডপালে ৰক্ষাগৃহলৈ সুৰঙ্গ পথেৰে যোৱাৰ ব্যৱস্থা কৰে। **তৃতীয় যৱনিকাত** ৰজাই কৰ্পূৰমঞ্জৰীক সপোনত দেখাৰ পাছত সপোন আৰু প্ৰেমৰ তত্ত্বক লৈ বিদূষকৰ লগত আলোচনা চলি থকাৰ সময়তে দাসী কুৰঙ্গিকাৰ সৈতে কৰ্পূৰমঞ্জৰীয়ে ৰক্ষাগৃহৰ সুৰঙ্গেৰে আহি তেওঁলোকৰ আগত উপস্থিত হয়। কুৰঙ্গিকাৰ অনুৰোধমৰ্মে কৰ্পূৰমঞ্জৰীয়ে ৰজাক সম্বৰ্ধনা জনাবলৈ লজ্জিতভাৱে আগুৱাই আহিলত ৰজাই কৰ্পূৰমঞ্জৰীৰ হাতত ধৰে আৰু উভয়ে স্পৰ্শসুখ অনুভৱ কৰে। বিদূষকে চাদৰৰ আঁচলেৰে কৰ্পূৰমঞ্জৰীক বিচি দিয়াৰ ছলেৰে চাকিটো নুমাই দিয়াত ৰজাই এটি গোপন বাটেৰে কৰ্পূৰমঞ্জৰীৰ হাতত হাত ৰাখি প্ৰমোদ উদ্যান পায়। এই কথা ৰখীয়া-পৰীয়াৰ যোগেদি ৰাণীৰ কাণত পৰে আৰু কৰ্পূৰমঞ্জৰীয়ে তেতিয়া পুনৰ সুৰংগ পথেদি ৰক্ষা-গৃহত সোমাই পৰিত্ৰাণ লাভ কৰে।

**চতুৰ্থ যৱনিকাৰ** প্ৰাৰম্ভতে ৰজাই বিদূষকৰ মুখেৰে ৰাণীয়ে কৰ্পূৰমঞ্জৰীৰ লগত ৰজাৰ গোপন সম্পৰ্কৰ সম্ভেদ পাই ৰক্ষাগৃহৰ প্ৰহৰীৰ সংখ্যা বঢ়াই দি কৰ্পূৰমঞ্জৰীক কটকটীয়া পহৰাৰ মাজত ৰখাৰ ব্যৱস্থা কৰিছে। সেই সময়তে ৰাণীৰ সখীয়েক সাৰঙ্গিকাই আহি ৰজাক জনালে যে, সিদিনা বট-সাবিত্ৰী উৎসৱ আৰু মহাৰাজক কেলিবিমান প্ৰাসাদৰ পৰা এই উৎসৱ দৰ্শন কৰাৰ কাৰণে ৰাণীয়ে অনুৰোধ জনাইছে। ৰজাই বিদূষকক লগত লৈ কেলিবিমান প্ৰাসাদৰ পৰা এই উৎসৱ দৰ্শন কৰে। তেনেতে সাৰঙ্গিকাই ৰাণীৰ পৰা এখন চিঠি লৈ পুনৰ ৰজাৰ ওচৰলৈ আহে। চিঠিৰ জৰিয়তে ৰজাই জানিব পাৰিলে যে সেইদিনাখনেই আবেলিপৰত ৰজাই বিয়া কৰাব লাগিব। ৰজাই সাৰঙ্গিকাক এই ৰহস্যৰ কথা সোধাত সাৰঙ্গিকাই ক'লে যে, ৰাণীয়ে পূৰ্বৰ চতুৰ্দশী তিথিত গৌৰীৰ মূৰ্তি নিৰ্মাণ কৰি ভৈৰৱানন্দৰ হতুৱাই প্ৰতিষ্ঠা কৰালে আৰু তেওঁ নিজেও ভৈৰৱানন্দৰ ওচৰত দীক্ষা ললে। দীক্ষাগুৰু ভৈৰৱানন্দক ৰাণীয়ে গুৰুদক্ষিণা দিবলৈ ওলোৱাত ভৈৰৱানন্দই দক্ষিণাস্বৰূপে ৰজাক এটি কন্যা দান কৰাৰ কাৰণে প্ৰাৰ্থনা জনালে। লাটদেশত চন্দ্ৰসেন নামেৰে এজন ৰজা আছে আৰু তেওঁৰ কন্যাৰ নাম ঘনসাৰমঞ্জৰী। তেওঁক দৈৱজ্ঞই কৈ থৈছে যে তেওঁ চক্ৰৱৰ্তী গৃহিণী হ'ব। গতিকে ভৈৰৱানন্দৰ ইচ্ছানুযায়ী মহাৰাজে তেওঁকেই বিয়া কৰাব লাগে যাতে গুৰুদক্ষিণাও দিয়া হয় আৰু ৰাণীৰ স্বামীও ৰাজচক্ৰৱৰ্তী পদবীৰ অধিকাৰী হয়। ভৈৰৱানন্দৰ এই প্ৰস্তাৱনাত ৰাণী সন্মত হ'ল আৰু সেই ব্যৱস্থামতে সেই নিশাই এই বিবাহ অনুষ্ঠিত হ'ব। সাৰঙ্গিকাৰ জৰিয়তে আচল ৰহস্যৰ বিষয়ে জ্ঞাত হৈ এই সকলো ঘটনা যে ভৈৰৱানন্দৰ দ্বাৰাই সংঘটিত হৈছে সেই কথাও ৰজাৰ বুজিবলৈ বাকী নাথাকিল। ইফালে যি সুৰংগ পথেদি কৰ্পূৰমঞ্জৰীয়ে গোপনে অহা-যোৱা কৰিছিল তাক আঁৰ কৰি ভৈৰৱানন্দই এটি চামুণ্ডা মন্দিৰ নিৰ্মাণ কৰাইছিল আৰু তাতে বিবাহ কাৰ্য সম্পাদন কৰাৰ ব্যৱস্থা কৰাৰ হৈছিল। সুৰংগ পথেদি কৰ্পূৰমঞ্জৰীয়ে যথাসময়ত চামুণ্ডা মন্দিৰত উপস্থিত হোৱাত ৰাণীয়ে একো বুজিব নোৱাৰি পুনৰ ৰক্ষা-গৃহলৈ কৰ্পূৰমঞ্জৰীক বিচাৰি গ'ল। তাতো ৰাণীয়ে কৰ্পূৰমঞ্জৰীক দেখিবলৈ পালে। প্ৰকৃততে ৰাণীৰ মনত ভ্ৰম ওপজাবৰ নিমিত্তে ভৈৰৱানন্দৰ নিৰ্দেশত কৰ্পূৰমঞ্জৰীয়ে গোপন সুৰংগ পথেৰে এবাৰ চামুণ্ডা মন্দিৰ, এবাৰ ৰক্ষা-গৃহ এনেদৰে অহা-যোৱা কৰিছিল। ইয়াৰ ফলত ৰাণীৰ মনত বিভ্ৰম সৃষ্টি হয়। নিজৰে কিবা ভুল হোৱা বুলি ভাবি কৰ্পূৰমঞ্জৰীকে ঘনসাৰমঞ্জৰী বুলি ধৰি লৈ ৰাণীয়ে কইনা সজোৱাৰ নিৰ্দেশ দিলে আৰু তেওঁৰ নিৰ্দেশ মতেই বিদূষকে পুৰোহিতৰ ভূমিকা লৈ হোম পুৰি, লগুণ গাঁঠি দি, জুইত আখৈ দি ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ বিবাহ-কাৰ্য সম্পন্ন কৰে। নাটকৰ শেষ মুহূৰ্তত ভৈৰৱানন্দই ভেদ ভাঙি দিলে যে ঃ *"সুট্‌ঠুদৰং ভুল্লোসি। জচদা কপ্‌পূৰ্‌ৰমঞ্জৰী ঘনসাৰমঞ্জৰী ত্তি নামন্তৰং"*—'আপোনাক অতি নিপুণভাৱে ছলনা কৰা হৈছে। কাৰণ ঘনসাৰমঞ্জৰী কৰ্পূৰমঞ্জৰীৰে নামান্তৰ মাথোন।'

'ঘনসাৰ' শব্দৰ অৰ্থও যে 'কৰ্পূৰ' সেই কথা ৰাণীয়ে ধৰিব নোৱাৰিলে। ৰাণীক ছলনা কৰা হ'লেও সপত্নীৰ ৰোষত তেওঁ বিতত হোৱা নাই, কাৰণ এই বিবাহৰ দ্বাৰা ৰজা হ'ল এতিয়া ৰাজ-চক্ৰৱৰ্তী। আনফালে ৰজাৰ মনো তৃপ্তিৰে পৰিপূৰ্ণ, কাৰণ প্ৰেম সুধা আকণ্ঠ পান কৰিবলৈ সকলো অবাধ সুবিধা এতিয়া তেওঁৰ হাতৰ মুঠিত। এনে মিলনান্ত পৰিবেশৰ মাজেদিয়েই কবি ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* নাটকৰ কাহিনীয়ে পৰিসমাপ্তি লাভ কৰিছে।

## ৩.৫ প্ৰাকৃতত ৰচনাৰ কাৰণ

সংস্কৃতৰ বিদগ্ধ পণ্ডিত কবিৰাজ ৰাজশেখৰে *কৰ্পূৰমঞ্জৰী* নামৰ নাটকখনি সংস্কৃতত ৰচনা নকৰি কিয় প্ৰাকৃতত ৰচনা কৰিলে সি এক অনুসন্ধেয় বিষয়। তেওঁ প্ৰাকৃতত ৰচনা কৰাৰ কাৰণ সম্বন্ধে নাটকখনৰ প্ৰস্তাৱনাত স্থাপক আৰু পাৰিপাৰ্শ্বিকৰ কথোপকথনৰ জৰিয়তে দুটা কাৰণ ব্যাখ্যা কৰিছে। সেই দুটা হ'ল—

*ক। "উত্তিবিসেসো কব্বং ভাসা জা হোই সা হোউ" [ ১/৭]*

অৰ্থাৎ, উক্তি বিশেষেই কাব্য, ভাষা যিয়েই নহওক লাগিলে; ইয়াৰ তাৎপৰ্য এয়ে যে ৰস সৃষ্টি কৰিব পৰাটো কাব্যৰ প্ৰথম কথা, ভাষা তাৰ প্ৰতিবন্ধক কেতিয়াও নহয়। কোনো এটা বিশেষ ভাষাত কোনো এটা ভাৱ বা বিষয় চমৎকাৰজনকভাৱে (বা অলংকাৰাদিৰে ৰসসিক্ত কৰি) প্ৰকাশ কৰিব পাৰিলে যি ৰস সঞ্চাৰ হ'ব আন এটা ভাষাত কৰিলেও তেনেই হ'ব। গতিকে সংস্কৃতত ৰচনা কৰিলে যি হ'ব, প্ৰাকৃততো তেনেই হ'ব।

*খ। "পৰুসা সক্কঅবংধা পাউঅবংধো ৱি হোই সুউমাৰো।" [ ১/৮]*

অৰ্থাৎ, সংস্কৃত ৰচনা কঠিন, প্ৰাকৃত ৰচনা সুকোমল।

কবিৰাজ ৰাজশেখৰে ভাষাৰ প্ৰতি এক প্ৰীতিভাৱ প্ৰকাশ কৰি এই দুটা যুক্তি আগবঢ়াইছে যদিও, এই যুক্তি টুলুঙা। কাৰণ প্ৰাকৃত ভাষাৰ প্ৰতি তেওঁৰ প্ৰীতিভাৱ থকাহেঁতেন বা ইয়াৰ সৌকুমাৰ্য আৰু মাধুৰ্য উপলব্ধি কৰাহেঁতেন তেওঁ *কৰ্পূৰমঞ্জৰী*ৰ বাহিৰেও আন আন ৰচনাও প্ৰাকৃতৰ মাধ্যমেৰে কৰিলেহেঁতেন। কিন্তু এতিয়ালৈকে পোৱা তেওঁৰ অন্য সমস্ত সাহিত্য কৃতিয়েই সংস্কৃতত ৰচিত। তদুপৰি 'প্ৰাকৃত ৰচনা সুকোমল' বুলি তেওঁ যি যুক্তি আগবঢ়াইছে, সেইকথা *কৰ্পূৰমঞ্জৰী* ৰ পৰা সমূলি উপলব্ধি কৰিব পৰা নাযায়। কিয়নো সংস্কৃতানুগ এক কঠিন প্ৰাকৃতত তেওঁ নাটকখন ৰচনা কৰিছে, য'ত প্ৰাকৃত ভাষাৰ যি স্বাভাৱিক কোমলতা সি একেবাৰে অনুপস্থিত। সংস্কৃত নাটকৰ দৰেই নাটখনত সন্ধি-সমাসৰ প্ৰাচুৰ্য ঘটিছে, অলংকাৰপূৰ্ণ শব্দ-সম্ভাৰৰ ব্যাপক প্ৰয়োগ হৈছে আৰু অৰ্থঘন কবিত্বপূৰ্ণ বৰ্ণনাই প্ৰাধান্য লাভ কৰিছে।

*কৰ্পূৰমঞ্জৰী* নাটকখন প্ৰাকৃত ভাষাত ৰচনা কৰাৰ ক্ষেত্ৰত তেওঁ যি যুক্তি আগবঢ়াইছে সেই যুক্তিতকৈ অন্য এক কাৰণহে নাট-ৰচনাৰ আঁৰত সক্ৰিয় আছিল বুলি আমি ক'ব পাৰোঁ। সেয়া হ'ল তেওঁৰ বিদুষী পত্নী অৱন্তীসুন্দৰীৰ আগ্ৰহ আৰু তেওঁৰ পৰা পোৱা প্ৰেৰণা। ৰাজশেখৰৰ পত্নী চৌহান কুলৰ ক্ষত্ৰিয় ৰাজকুমাৰী অৱন্তীসুন্দৰী আছিল এগৰাকী উচ্চশিক্ষিতা আৰু নৃত্য-গীতত নিপুণা সুৰুচিসম্পন্না নাৰী। সংস্কৃত আৰু প্ৰাকৃত এই দুয়োটা ভাষাতে তেওঁৰ জ্ঞান আছিল প্ৰচুৰ; বিশেষকৈ প্ৰাকৃত ভাষাত তেওঁৰ জ্ঞানৰ পৰিসীমা আছিল অধিক বিস্তৃত। সেইবাবেই প্ৰাকৃত-অনুৰাগিণী, নৃত্য-গীতত নিপুণা এইগৰাকী বিদুষী নাৰীয়ে যে নৃত্য-গীত সংযোজন কৰি প্ৰাকৃতত এখন নাটক ৰচনা কৰিবলৈ স্বামীক অৰ্থাৎ ৰাজশেখৰক বিশেষভাৱে উদগনি দিছিল সেইকথা বুজিবলৈ একেবাৰেই টান নহয়। ৰাজশেখৰৰো পত্নীৰ প্ৰতি আছিল গভীৰ অনুৰাগ আৰু আকৰ্ষণ। সেইবাবেই পত্নীৰ আগ্ৰহ আৰু উৎসাহ উপেক্ষা কৰিব নোৱাৰিয়েই

ৰাজশেখৰে প্ৰেম আৰু মিলনৰ বিষয়বস্তুক লৈ প্ৰাকৃত ভাষাত এখন নাটক ৰচনা কৰিবলৈ মন মেলিছিল আৰু তাৰ ফলতে সৃষ্টি হৈছিল এখনি অনন্য সুন্দৰ নাটক *কৰ্পূৰমঞ্জৰী*। আনহাতে নাটকখন সম্পূৰ্ণ হোৱাৰ পাছত অৱন্তীসুন্দৰীয়ে তাৰ অভিনয়ৰ ব্যৱস্থাও কৰিছিল। কিয়নো প্ৰস্তাৱনাত কাৰ আদেশত এই নাটক অভিনীত হ'ব বুলি স্থাপকে সোধা প্ৰশ্নৰ উত্তৰত পাৰিপাৰ্শ্বিকে স্পষ্টভাৱে বৰ্ণনা কৰিছে ঃ *"............ কবিন্দ্ৰ ৰাজশেখৰৰ গৃহিনী অৱন্তীসুন্দৰীয়ে স্বামীৰ দ্বাৰা ৰচিত এইখনি অভিনীত হোৱাৰ অভিলাষ কৰিছে"* [১/১১]। ইয়াৰ দ্বাৰা নাটকখন অকল অভিনয় কৰাৰ ব্যৱস্থাপনাতে নহয়, ৰচনাতো যে অৱন্তীসুন্দৰীৰ প্ৰেৰণা আছিল সেই কথা বুজা যায়।

প্ৰাকৃত ব্যৱহাৰৰ একমাত্ৰ কাৰণ অৱন্তীসুন্দৰী বুলি মানি ল'বলৈ টান হয়। আচলতে ৰক্ষণশীল সংস্কৃত নাট্য সাহিত্য অভিজাত লোকৰ মনোৰঞ্জনৰ আহিলা হোৱা হেতুকেহে সাধাৰণ জনৰ মনোৰঞ্জনাৰ্থে সাধাৰণ জনৰ ভাষাত লোক-নাট্যধৰ্মী সট্টকৰ সৃষ্টি হৈছিল। প্ৰাকৃত ব্যৱহাৰৰ এইটোও এটা কাৰণ। আনকথাত ৰক্ষণশীল সংস্কৃত নাট্যসাহিত্যৰ বিৰুদ্ধে ৰাজশেখৰৰ এইটো এক বৈপ্লৱিক প্ৰচেষ্টা।

সকলো দিশ চালি-জালি চাই ক'ব পাৰি যে কবিৰাজ ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* নামৰ নাটখনি প্ৰাকৃতত ৰচনা কৰাৰ মূল প্ৰেৰণাদাত্ৰী আছিল তেওঁৰে বিদুষী পত্নী অৱন্তীসুন্দৰী। আনকথাত ক'বলৈ গ'লে অৱন্তীসুন্দৰী আছিল প্ৰকৃত যন্ত্ৰ, ৰাজশেখৰ আছিল মাথোন যন্ত্ৰী। পত্নী অৱন্তীসুন্দৰীৰ প্ৰেৰণা আৰু জনসাধাৰণৰ ৰুচিবোধ এই দুয়োটা কাৰকৰ বাবে ৰাজশেখৰে প্ৰাকৃত ভাষাত সট্টকখন ৰচনা কৰিছিল বুলি ভবাৰ অৱকাশ আছে। কিন্তু ৰাজশেখৰ সংস্কৃতজ্ঞ পণ্ডিত হোৱা হেতুকে, *কৰ্পূৰমঞ্জৰী* নামৰ নাটখনি প্ৰাকৃতত ৰচনা কৰা সত্বেও সংস্কৃত নাটকৰ বহুতখিনি প্ৰভাৱ দেখিবলৈ পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

*কৰ্পূৰমঞ্জৰী* প্ৰাকৃতত ৰচনা কৰাৰ মূল কাৰণ কি? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৬ সট্টক হিচাপে 'কৰ্পূৰমঞ্জৰী'

কবিৰাজ ৰাজশেখৰেই পোনপ্ৰথম ভাৰতীয় নাট্যসাহিত্যত **সট্টক** (প্ৰাকৃতত সট্টঅ) নামকৰণেৰে এক নাট্য শ্ৰেণী প্ৰতিষ্ঠা কৰে আৰু *কৰ্পূৰমঞ্জৰী* কেই সেই সট্টক শ্ৰেণীৰ প্ৰথম নিদৰ্শন হিচাপে জনসমাজৰ আগত দাঙি ধৰে। কবিৰাজ ৰাজশেখৰৰ আগতে সট্টক নামৰ কোনো দৃশ্যকাব্য থকাৰ প্ৰমাণ পোৱা নাযায়। আনকি খ্ৰীষ্টীয় দ্বিতীয় শতিকাৰ ভৰতৰ *নাট্যশাস্ত্ৰতো* ইয়াৰ কোনো উল্লেখ পোৱা নাযায়। সট্টক শব্দৰ ব্যুৎপত্তিও বৰ ধুৰঁলী-কুঁৰলী। ইয়াৰ উৎস বিচাৰি পণ্ডিতসকলে খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ মধ্য প্ৰদেশৰ ভাৰহুট অনুশাসনৰ ওচৰ চাপিছেগৈ আৰু সেই অনুশাসনত উল্লেখ থকা সাডিক বা সাংডিককেই সট্টক শব্দৰ প্ৰাচীন ৰূপ বুলি অভিহিত কৰিছে। সট্টকৰ ব্যুৎপত্তি দেখুৱাবলৈ গৈ ড° এ. এন. উপাধ্যায়ে তেওঁৰ দ্বাৰা সম্পাদিত *চংদলেহাৰ* পাতনিত এইদৰে কৈছে ঃ "The word is undoubtedby unsonskritic in etymology like some other names of uparupaka such as Dombi, Hallisaka,

sidgaka perhaps it is to be tracked back to a Desi word, possibly of Dravidian origin.” তেখেতে নৃত্য বুজোৱা দ্ৰাবিড় সট্টাম (Sattaam) শব্দৰ পৰাই সট্টক শব্দৰ উৎপত্তি হ’ব পাৰে বুলি মত প্ৰকাশ কৰিছে। এইদৰে কেইবাগৰাকী গৱেষক পণ্ডিতে ব্যুৎপত্তি দেখুৱাবলৈ চেষ্টা কৰিছে যদিও, খাটাংকৈ একো সিদ্ধান্ত দিব পৰা নাই। কিন্তু সৰহভাগ পণ্ডিতে নট্ ধাতুৰপৰা নাটক শব্দটোৰ উৎপত্তি হোৱাৰ দৰে সট্ ধাতুৰ পৰা সাটক হ’ব পাৰে বুলি মত প্ৰকাশ কৰিছে আৰু এই সাটক শব্দৰে প্ৰাকৃত ৰূপ হ’ল সট্টঅ বা সট্টক। কিন্তু এই সট্টক শব্দৰ উদ্ভৱ য’ৰপৰাই নহওক কিয় এটা কথা ঠিক যে, সট্টক হ’ল সংস্কৃত ‘নাটিকা’ নামৰ উপৰূপকৰ আদৰ্শ অনুসৃত এক প্ৰকাৰ উপৰূপক আৰু কবিৰাজ ৰাজশেখৰেই এই উপৰূপকৰ প্ৰথম লিখক। যিহেতু ৰাজশেখৰেই সট্টকৰ প্ৰতিষ্ঠাতা সেইকাৰণে সট্টকৰ সংজ্ঞাও পূৰ্বতে পোৱা নাযায়। সেইকাৰণে তেওঁ *কৰ্পূৰমঞ্জৰী* ক ‘সট্টক’ বুলি অভিহিত কৰাৰ পাছত পাৰিপাৰ্শ্বিক স্থাপকৰ কথোপকথনৰ মাধ্যমেৰে নাটকখনৰ প্ৰস্তাৱনাত সট্টকৰ সংজ্ঞা এনেদৰে নিৰূপণ কৰিছে ঃ

*সো সট্টও ত্তি ভণ্ণই দূৰং জো ণাডিআই অণুহৰই।*
*কিং উণ পৱেসঅ বিক্খংভকাইং ণ কেৱলং দীসন্তি।।*

অৰ্থাৎ, তাকেই সট্টক বুলি কোৱা হয়, যি বহু পৰিমাণে নাটিকাক অনুসৰণ কৰে; কেৱল নাটিকাত থকাৰ দৰেও প্ৰৱেশক আৰু বিস্কম্ভক নাথাকে।

একাদশ শতিকাৰ হেমচন্দ্ৰই তেওঁৰ *কাব্যানুশাসন* ত নাটক, প্ৰকৰণ, নাটিকা, সমৱকাৰ, ডিম, ঈহামৃগ, ব্যায়োম আদিৰ লগতে সট্টককো পাঠ্য বুলি কৈছে; কিন্তু সট্টকৰ প্ৰকৃতি সম্পৰ্কত একো কোৱা নাই। আনহাতে, দ্বাদশ শতিকাৰ আলংকাৰিক সাৰদাতনয়ে তেওঁৰ *‘ভাৱপ্ৰকাশ’* ত সট্টকৰ প্ৰকৃতি সম্পৰ্কে এনেদৰে কৈছে— *“(যি নাটিকাত) প্ৰৱেশক আৰু বিস্কম্ভক নাথাকে, য’ত অংকৰ ঠাইত চাৰিটা যৱনিকা থাকে, যাৰ ভাষা আদৰ্শ প্ৰাকৃত, তাৰ নামেই সট্টক।”* চতুৰ্দশ শতিকাৰ আলংকাৰিক বিশ্বনাথে *‘সাহিত্য দৰ্পন’* ত সট্টকক এবিধ উপৰূপক বুলি কৈছে আৰু *কৰ্পূৰমঞ্জৰী* কেই সেই উপৰূপকৰ একমাত্ৰ নিদৰ্শন হিচাপে দাঙি ধৰি সট্টকৰ সংজ্ঞা এইদৰে নিৰূপণ কৰিছে—

*সট্টকং প্ৰাকৃতাশেখৰ পাঠ্য শ্যাদ প্ৰৱেশকম্।*
*ন চ বিস্কম্ভকোহপ্যত্ৰ প্ৰচুৰশ্চাদ্ভুতো ৰস।।*
*অংকা যৱনিকাখ্যাঃ স্যুঃ শ্যাদন্যন্নাটিকাসমম্।।*

অৰ্থাৎ সট্টকৰ সমুদায় কথা প্ৰাকৃত ভাষাত, ইয়াত প্ৰৱেশক আৰু বিস্কম্ভক অনুপস্থিত, ইয়াৰ প্ৰধান বা অংগী ৰস অদ্ভুত আৰু অংকৰ নাম যৱনিকা। ইয়াৰ বাহিৰে সট্টকৰ আন সকলো লক্ষণ নাটিকাৰ দৰে।

সপ্তদশ শতিকাৰ নাট্যকাৰ ৰুদ্ৰদাসেও সট্টক সম্পৰ্কে তেওঁৰ ‘চংদলেহা’ সট্টকত অনুৰূপ অভিমতকে প্ৰকাশ কৰিছে—

*সো সট্টও সহঅৰো কিল ণাডিআএ*
*তাএ চউজ্জৱনিঅংতৰং ধুৰংগো।*
*চিত্তথসুত্তি অৰেখা পৰমেক্ক ভাসো*
*বিক্খংভআদিৰহিও কহিও বুহেহিং।*

—পণ্ডিতসকলে তাকেই সট্টক বুলি কয় যি নাটিকাৰ একান্ত অনুগত। ইয়াৰ যৱনিকা চাৰিটা, চিত্তত ই অদ্ভূত ৰস সঞ্চাৰ কৰে আৰু ইয়াত প্ৰৱেশক, বিস্কম্ভক নাথাকে।

ওপৰত সট্টক সম্বন্ধে যিবোৰ সংজ্ঞা পোৱা গৈছে তাৰ মাজতেই সট্টকৰ লক্ষণবোৰ সুন্দৰভাৱে ফুটি উঠিছে আৰু *কৰ্পূৰমঞ্জৰী* নামৰ সট্টকখনতো ওপৰৰ আটাইবোৰ লক্ষণেই সুন্দৰৰূপে পৰিস্ফুট হৈ উঠিছে। ইয়াত চাৰিটা যৱনিকা আছে; প্ৰৱেশক আৰু বিস্কম্ভক ইয়াত নাথাকে বা অনুপস্থিত। ইয়াৰ ভাষা প্ৰাকৃত আৰু অংগীৰস অদ্ভুত। সট্টক যিহেতু নাটিকাৰে অনুগত সেইকাৰণে সট্টকৰ স্বৰূপ বুজিবলৈ হ'লে নাটিকাৰ লক্ষণসমূহ জনাটো নিতান্তই প্ৰয়োজনীয়। দশম শতাব্দীৰ সংস্কৃত ৰস-সাহিত্যৰ সুপ্ৰসিদ্ধ আলোচক বিশ্বনাথ কবিৰাজে তেওঁৰ *'সাহিত্য দৰ্পন'*ৰ ষষ্ঠ পৰিচ্ছেদৰ ৬৯-৭২ পৰ্যন্ত শ্লোকৰ জৰিয়তে নাটিকাৰ লক্ষণসমূহ এনেদৰে বৰ্ণনা কৰিছে—

"নাটিকাৰ কাহিনী কবিৰ কল্পনা-প্ৰসূত; ই নাৰীচৰিত্ৰ প্ৰধান আৰু ইয়াৰ অংক চাৰিটা। নায়ক ধীৰ-ললিত প্ৰকৃতিৰ খ্যাতিনামা ৰজা। নায়িকা ৰাজ অন্তেষপুৰত আবদ্ধা বা সংগীতত নিপুণা, অনুৰাগিনী কোনো ৰাজকন্যা। নায়ক পাটৰাণীৰ কাৰণে সদা শংকিত। পাটৰাণীও ৰাজবংশসম্ভূতা আৰু প্ৰগল্‌ভা স্বভাৱৰ। কথাই কথাই তেওঁ অভিমান কৰিলেও তেওঁৰ অনুগ্ৰহতহে নায়ক নায়িকাৰ মিলন হয়। আনহাতে নাটিকাৰ বৃত্তি কৈশিকী। ইয়াত বিমৰ্ষ সন্ধিৰ সামান্য উল্লেখ পোৱা যায়।"

ওপৰত উল্লেখ কৰা নাটিকাৰ সকলোবোৰ লক্ষণেই ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী*-ত বিদ্যমান। কিয়নো নাটিকাৰ দৰে *কৰ্পূৰমঞ্জৰী* ও স্ত্ৰী চৰিত্ৰ-প্ৰধান। ইয়াৰ যৱনিকা চাৰিটা। নায়ক ধীৰ ললিত খ্যাতিমন্ত ৰজা চণ্ডপাল। বিদৰ্ভ ৰাজকন্যা কৰ্পূৰমঞ্জৰী ইয়াৰ নায়িকা। এওঁ নায়কৰ অন্তেষপুৰত আবদ্ধা। পাটৰাণী বিভ্ৰমলেখা প্ৰগল্‌ভা স্বভাৱৰ। এওঁৰ কাৰণে ৰজা সন্ত্ৰস্ত। অৱশেষত পাটৰাণীৰ সহযোগতে নায়ক নায়িকাৰ মিলনৰ ঠিক পিছতে সট্টকখনিৰ পৰিসমাপ্তি ঘটাত বিমৰ্ষ সন্ধিৰ সামান্য উল্লেখ হোৱা দেখিবলৈ পোৱা গৈছে। গতিকে সট্টকক নাটিকাৰ একান্ত অনুগত একপ্ৰকাৰ উপৰূপক বুলি অভিহিত কৰিব পৰা যায়।

কোনো কোনোৱে আকৌ নাটিকাকহে সট্টকৰ অনুগত বুলি খোজে, 'Natika is an orthodox edition of the Popular Sattak.'। তেওঁলোকৰ মতে খ্ৰীঃ পূঃ ২য় শতিকাৰ নৃত্যধৰ্মী সাডিক বা সাংডিকৰপৰা সট্টকৰ উৎপত্তি হয় আৰু সেই জনপ্ৰিয় সট্টকৰ আৰ্হিতে নাটিকাৰ সৃষ্টি হয়। কিন্তু এই যুক্তি সম্পূৰ্ণ ভিত্তিহীন। কিয়নো নাটিকাৰ জন্ম নাটক আৰু প্ৰকৰণৰ পৰাহে। তদুপৰি সট্টকৰ পৰা নাটিকাৰ উদ্ভৱ হোৱা হ'লে ভৰতৰ *নাট্যশাস্ত্ৰ* ত নিশ্চয় নাটিকাৰ লগতে সট্টকৰো উল্লেখ পোৱা গ'লহেঁতেন। কিন্তু ৰাজশেখৰৰ আগৰ কোনো নাট্যকাৰ বা আলংকাৰিকৰ ৰচনাত সট্টকৰ উল্লেখ পোৱা নাযায়। ভাৰহুত অনুশাসনত উল্লিখিত ছজন লোকৰ দ্বাৰা পৰিবেশিত সাডিক নৃত্যাভিনয় যদি সট্টকৰ প্ৰাচীন ৰূপ বুলি ধৰা হয়, তেন্তে ক'ব লাগিব যে, প্ৰাচীন ভাৰতবৰ্ষত সট্টকৰ অনুৰূপ নৃত্যাভিনয়ৰ প্ৰচলন আছিল। সম্ভৱতঃ সেইবোৰ নৃত্যাভিনয়ৰ মাধ্যম আছিল জনসাধাৰণৰ ভাষা অৰ্থাৎ প্ৰাকৃত। যি সময়ত সংস্কৃত নাট বা নাটিকাই অভিজাত শ্ৰেণীক নান্দনিক আনন্দ প্ৰদান কৰিছিল সেই একে সময়তে সম্ভৱ নিৰক্ষৰ জনসাধাৰণৰ মনোৰঞ্জনৰ মাধ্যম আছিল সাডিকৰ নিচিনা নাট্যধৰ্মী লোক নৃত্যানুষ্ঠানৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা নাচ-গান, হাঁহি-তামসা, হৈ-হাল্লা প্ৰধান সট্টক জাতীয় এক প্ৰকাৰ নৃত্যাভিনয়হে। ইয়াৰ বহু বছৰ পাছতহে অৰ্থাৎ নৱম-দশম শতিকাতহে ৰাজশেখৰে নাটিকাৰ অনুকৰণত সেই লোক-নৃত্যাভিনয়কে মাৰ্জিত ৰূপ প্ৰদান কৰি অভিজাত শ্ৰেণীৰ উপযোগী

কৰি তুলিলে। ইয়াৰ পৰা সহজে প্ৰতীয়মান হয় যে সট্টকৰ অমাৰ্জিত প্ৰাচীন ৰূপৰ প্ৰচলন পুৰণি ভাৰতবৰ্ষত আছিল যদিও নাটিকাৰ পূৰ্বেই এক সুনিৰ্দ্দিষ্ট ৰূপ পৰিগ্ৰহ কৰা নাছিল। এই প্ৰসংগত অধ্যাপক সুৰুৰে কোৱা কথাখিনি তাৎপৰ্যপূৰ্ণ—

"It might be that the earlier Sattaka writers, writing for masses, accepted the established Natika form, prevalent on the stage, as most convenient for their purpose, and gaue simplified versions of Natika which they called Sattakas by using the popular Prakrit and dropping out the Acts and interludes in its elaborate dramatic strucure"। গতিকে ক'ব পৰা যায় যে, নাটিকা সট্টকৰ অনুগত নহয়, সট্টকহে নাটিকাৰ একান্ত অনুগত।

সট্টকৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল নৃত্য। সম্ভৱতঃ নৃত্যৰ প্ৰাধান্যলৈ লক্ষ্য কৰিয়ে পণ্ডিতসকলে নৃত্যবহুল সাডিকক সট্টকৰ প্ৰাচীন ৰূপ বুলি অভিহিত কৰিছিল। সেইবাবে *কৰ্পূৰমঞ্জৰী* সট্টকতো নৃত্যই এক বিশেষ স্থান অধিকাৰ কৰি থকা দেখিবলৈ পোৱা যায়। *কৰ্পূৰমঞ্জৰী* সট্টকৰ প্ৰস্তাৱনাত ৰাজশেখৰে 'সট্টঅং নচ্চিদববং' অৰ্থাৎ সট্টক এখনি নৃত্যাভিনয় কৰা হ'ব বোলা কথাযাৰে সট্টকৰ লগত নৃত্যৰ অনিবাৰ্য সম্পৰ্কৰ কথাকে সূচাইছে। এই সট্টকখনত ৰাজশেখৰে দৰ্শকৰ মনোৰঞ্জনাৰ্থে আৰু নাটকীয় পৰিবেশ সৃষ্টিৰ কাৰণে বিভিন্ন নৃত্যৰ সমাবেশ ঘটোৱা দেখিবলৈ পোৱা গৈছে। তেওঁ *কৰ্পূৰমঞ্জৰী* সট্টকৰ চতুৰ্থ যৱনিকাত চৰ্চ্চৰী, দণ্ডৰাস, চল্লি, ভিল্লী, জলাভিষেক আদি যি দহবিধ লোকনৃত্য সুন্দৰী ৰমণীসকলৰ দ্বাৰা পৰিবেশন কৰাইছে, সিয়েই সট্টকখনিত নৃত্যৰ প্ৰাধান্য স্পষ্ট কৰি তুলিছে। সট্টকখনিত থকা নৃত্যৰ এনে গুৰুত্বপূৰ্ণ ভূমিকালৈ লক্ষ্য কৰি অধ্যাপক সুৰুদেৱে এইদৰে কৈছে— "This therefore is a dance drama in the sense that dances are the chief and integral part of this form, Sattaka."

ওপৰত উল্লেখ কৰা এনেবোৰ কাৰণতে ষ্টেন কে'নৰে কেৱল প্ৰাকৃতত ৰচনা কৰাৰ কাৰণেই নহয়, বিশেষ নৃত্যৰ সংযোজন কৰাৰ কাৰণেও, সংস্কৃত নাটিকাৰ অনুৰূপ হোৱা সত্বেও ইয়াক নাটিকাৰ পৰা পৃথক এক নাট্যশ্ৰেণী হিচাপে গণ্য কৰা হৈছিল বুলি মন্তব্য কৰিছিল। (In most characteristics it agrees with Natika, but was Perhaps classed separately, not only because it was written entirely in Prakrit, but also beause a distinct kind of dancing was used in it)।

মুঠতে ক'বলৈ হ'লে, সম্পূৰ্ণ প্ৰাকৃতত ৰচনা কৰা, নৃত্যৰ সমাবেশ ঘটোৱা, প্ৰৱেশক-বিস্কম্ভক নথকাকৈ সংস্কৃত নাটিকা নামৰ উপৰূপকৰ আৰ্হিত ৰচনা কৰা নাট্য শ্ৰেণীয়েই হৈছে সট্টক আৰু ইও উপৰূপকৰে অন্তৰ্গত।

কবিৰাজ ৰাজশেখৰৰ পৰৱৰ্তী আঠশ বছৰ কালৰ ভিতৰত বৰ্তমানলৈকে পাঁচখন সট্টক ৰচনাৰ সম্ভেদ পোৱা গৈছে। এই আটাইকেইখন সট্টক ৰাজশেখৰৰ ৰচনাৰ আৰ্হিতে ৰচিত হৈছিল বুলি ক'ব পৰা যায়। আনকি দুখন সট্টকত তেওঁ ব্যৱহাৰ কৰা 'মঞ্জৰী' শব্দও অনুপ্ৰেৰণাৰ উৎস হৈ উঠা দেখিবলৈ পোৱা গৈছে। এই সট্টক দুখন হ'ল— চতুৰ্দশ শতাব্দীৰ নয়চন্দ্ৰৰ *"ৰম্ভামঞ্জৰী"* আৰু অষ্টাদশ শতিকাৰ বিশ্বেশ্বৰৰ *'শৃংগাৰমঞ্জৰী'*। ইয়াৰ উপৰি সম্ভেদ পোৱা আনকেইখন সট্টক হ'ল ঃ সপ্তদশ শতাব্দীৰ ৰুদ্ৰদাসৰ *"চন্দ্ৰলেখা"*, মাৰ্কণ্ডেয়ৰ *"বিলাসৱতী"* আৰু অষ্টাদশ শতাব্দীৰ ঘনশ্যামৰ *"আনন্দসুন্দৰী"* ।

**আত্মমূল্যায়ন প্ৰশ্ন**

সট্টক সম্পৰ্কে আলংকাৰিকসকলে আগবঢ়োৱা মতামত সম্পৰ্কে এটি টোকা যুগুত কৰক। (৪৫টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৭ প্ৰাকৃতত ৰচিত প্ৰথম পূৰ্ণাংগ নাট হিচাপে 'কৰ্পূৰমঞ্জৰী'

সংস্কৃত তথা ভাৰতীয় নাট্য-সাহিত্যৰ গৌৰৱময় ইতিহাসত কবিৰাজ ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* নামৰ নাটখনি এক ব্যতিক্ৰমধৰ্মী তথা অভিনৱ সংযোজন। এই নাটখনৰ বাবেই ৰাজশেখৰৰ নাম ভাৰতীয় নাট্য-সাহিত্যৰ বুৰঞ্জীত বিশেষ স্মৰণীয় হৈ থাকিব। ইয়াৰ কাৰণ কিন্তু *কৰ্পূৰমঞ্জৰী* ৰ কাহিনীৰ অভিনৱত্ব বা চৰিত্ৰ সৃষ্টিৰ দক্ষতা অথবা মৌলিকতাৰ মাজত নিহীত হৈ থকা নাই। এনে হোৱা সত্বেও নাটকখন ব্যতিক্ৰম আৰু এক সুকীয়া আসনত সমাসীন। ইয়াৰ প্ৰধান কাৰণ হিচাপে দুটা কথালৈ আঙুলিয়াব পৰা যায়। এই দুটা কাৰণ হ'ল—

(ক) এইখন সম্পূৰ্ণৰূপে প্ৰাকৃত ভাষাত ৰচনা কৰা প্ৰথম পূৰ্ণাংগ নাটক, য'ত ৰজাৰ পৰা প্ৰতিহাৰী পৰ্যন্ত সকলো শ্ৰেণীৰ চৰিত্ৰৰ মুখত একেধৰণৰ প্ৰাকৃত ভাষা ব্যৱহাৰ কৰা হৈছে।

(খ) এই নাটকৰ জৰিয়তে 'সট্টক' নামধাৰী এক নতুন নাট্য শৈলীৰ সূচনা হয়, য'ত অভুতপূৰ্ব লোক-নৃত্যৰ সমাৱেশ ঘটোৱা হৈছে।

পৰম্পৰা বিচ্যুত এই দুই বিশেষত্বৰ বাবেই ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী*-এ ভাৰতীয় নাট্য সাহিত্যৰ ইতিহাসত এক সুকীয়া আসন লাভ কৰিছে আৰু তাৰ লগে লগে এক নব্য ৰীতি আৰু নব্য ধাৰাৰ প্ৰৱৰ্তক হিচাপে ৰাজশেখৰৰ নামো চিৰযুগমীয়া হৈ ৰৈছে।

প্ৰাকৃত সাহিত্যৰ বিশাল ভাণ্ডাৰত জৈনধৰ্মমূলক সাহিত্য-সম্পদৰ যিদৰে বিকাশ হৈছিল, ঠিক তেনেদৰে ধৰ্মনিৰপেক্ষ ৰস সাহিত্যয়ো প্ৰকাশ লাভ কৰিছিল। *বড্ডকহা*-ৰ দৰে লোক-সাহিত্য, *গাহাসত্তসঈ* ৰ দৰে গীতি-সাহিত্য, *ৰাৱণৱহো, গউড়ৱহো* ৰ দৰে মহাকাব্যৰ সৃষ্টিয়ে প্ৰাকৃত ধৰ্মনিৰপেক্ষ সাহিত্য-সম্ভাৰ ঐশ্বৰ্যময় কৰি তুলিছিল। কিন্তু নাট্য-সাহিত্যৰ ক্ষেত্ৰত প্ৰাকৃত সাহিত্য হৈ ৰৈছিল অতি নিঃস্ব। অথচ সমগ্ৰ প্ৰাকৃত সাহিত্যই আছিল সংস্কৃত সাহিত্যৰ অনুগামী। সংস্কৃত নাট্য-সাহিত্যও সমৃদ্ধিশালী হৈছিল প্ৰাকৃত ভাষা আৰু সাহিত্যৰ বিকাশৰ কালতে। তদুপৰি প্ৰতিখন সংস্কৃত নাটকতে সাধাৰণ শ্ৰেণীৰ চৰিত্ৰৰ মুখত প্ৰাকৃত সংলাপ ব্যৱহাৰ কৰা এক নিৰ্দিষ্ট ৰীতি হৈ পৰিছিল। কিন্তু এনে অৱস্থাতো প্ৰাকৃত ভাষাত পূৰ্ণাংগ নাটক ৰচনা নোহোৱাটো আছিল এক তাৎপৰ্যপূৰ্ণ কথা। ইয়াৰ প্ৰধান কাৰণ হিচাপে আমি কেইটামান দিশলৈ আঙুলিয়াব পাৰোঁ। সেই কেইটা হ'ল—

**প্ৰথমতে,** সংস্কৃত নাট্য-সাহিত্য গঢ় লৈ উঠিছিল প্ৰধানতঃ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আৰু নাট্যকাৰসকলো আছিল উচ্চশিক্ষিত আৰু সম্ভ্ৰান্ত বংশৰ লোক। কোনো কোনো ক্ষেত্ৰত ৰাজকৃপাৰ আশাত ৰাজ-নামাংকিত কৰিও নাটক ৰচনা কৰা হৈছিল। স্বাভাৱিকতে নাটকৰ বিষয়বস্তু আছিল ৰজাঘৰীয়া প্ৰেম-পৰিণয়মূলক অথবা প্ৰাচীন পুৰাণ-মহাকাব্য বৰ্ণিত কাহিনী

সম্বলিত। গতিকে ৰাজকীয় চৰিত্ৰজনোচিত ভাৱ-ভংগী অথবা পুৰাণ-মহাকাব্যৰ চৰিত্ৰৰ মহত্ত্ব প্ৰকাশত প্ৰাকৃতজনৰ ভাষা উপযুক্ত বাহন হ'ব নোৱাৰে বুলি হয়তো নাট্যকাৰসকলে মনত ধাৰণা কৰি লৈছিল।

**দ্বিতীয়তে,** প্ৰাকৃত ভাষাৰ প্ৰতি অৱজ্ঞাসূচক মনোভাৱ আৰু সংস্কৃত ভাষাৰ প্ৰতি উচ্চ মানসিকতাৰ ভাৱ পোষণো ইয়াৰ অন্যতম কাৰণ বুলি ভাবিব পৰা যায়। সংস্কৃত নাট্যকাৰসকলে সংস্কৃত ভাষাক শিষ্টজনৰ উত্তম ভাষা বুলি গণ্য কৰি তাৰ মাধ্যমেৰে নাটক ৰচনাত অধিক উৎসাহী হৈছিল।

**তৃতীয়তে,** নাট্য-সাহিত্য যিহেতু কাব্য শ্ৰেণীৰ অন্তৰ্গত আছিল সেইবাবে তাৰ ভাষাও গুৰু-গম্ভীৰ আৰু ভাৱোদ্দীপক হ'ব লাগে। প্ৰাকৃতত তেনে হোৱা সম্ভৱ নহয় বুলি হয়তো নাট্যকাৰসকলৰ ভাৱ হৈছিল।

**চতুৰ্থতে,** নাৰীকে ধৰি মধ্যম আৰু নিম্নশ্ৰেণীৰ চৰিত্ৰসমূহে সংস্কৃত নাটকত বিভিন্ন প্ৰাকৃত ব্যৱহাৰ কৰাৰ যি ৰীতি ইতিমধ্যে গঢ় লৈ উঠিছিল তাৰ কাৰণেও হয়তো নাট্যকাৰসকলে নতুনকৈ প্ৰাকৃতৰ মাধ্যমেৰে পূৰ্ণাংগ নাটক ৰচনা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল।

**পঞ্চমতে,** অধিকাংশ প্ৰাকৃত সাহিত্যিকেই আছিল একো একোগৰাকী সংস্কৃতজ্ঞ পণ্ডিত। সংস্কৃত নাটকেই যিহেতু সেই সময়ত প্ৰাধান্য লাভ কৰিছিল আৰু প্ৰাকৃত ভাষায়ো সংস্কৃত নাটকত যথোপযুক্ত স্থান পাইছিল, সেয়েহে তেওঁলোকে নতুনকৈ প্ৰাকৃতৰ মাধ্যমেৰে পূৰ্ণাংগ নাটক ৰচনা কৰাৰ কথা ভবা নাছিল। তদুপৰি প্ৰাকৃত সাহিত্য আছিল প্ৰধানতঃ ধৰ্মমূলক; ধৰ্মনিৰপেক্ষ যিখিনি সাহিত্য ৰচনা কৰা হৈছিল সেইখিনিৰ অধিকাংশই আছিল গীতিধৰ্মী অথবা লোককথাধৰ্মী। *'কাব্যৰ ভিতৰত নাটকেই ৰমণীয়'* এনে ধাৰণা প্ৰচলিত থকাৰ কাৰণে পূৰ্ণাংগ নাটক প্ৰাকৃতত ৰচনা কৰিলে তাক উচ্চৰসযুক্ত তথা ৰমণীয় কৰি তোলা কঠিন হ'ব বুলি হয়তো ভাৱ হৈছিল।

**ষষ্ঠতে,** নাটক ৰচনা কৰি তাক মঞ্চস্থ কৰা এক ব্যয়বহুল কাৰ্য। তাৰ বাবে প্ৰয়োজন হয় ৰাজপৃষ্ঠপোষকতা বা ৰাজ-অনুগ্ৰহ। প্ৰাকৃতত নাটক ৰচনা কৰি ৰজাৰ মুখত প্ৰাকৃত ভাষা দিলে এফালে ৰাজকীয়-মৰ্যাদা ক্ষুণ্ণ হ'ব আৰু আনফালে সৰ্বসাধাৰণৰ জীৱনভিত্তিক কাহিনীৰে নাটক ৰচনা কৰিলেও ৰজাঘৰক অৱনমিত কৰা হ'ব। এনে অৱস্থাত ৰাজ অনুগ্ৰহৰ পৰা বঞ্চিত হোৱাৰ সম্ভাৱনাই সৰহ। তদুপৰি ধীৰ ললিত, তেজোদ্দীপ্ত, দ্বন্দ্বযুক্ত চৰিত্ৰৰ বিপৰীতে সৰ্বসাধাৰণৰ সহজ-সৰল, দ্বন্দ্বহীন জীৱন-কাহিনীক লৈ নাটক ৰচনা কৰিলে জনসাধাৰণক আকৰ্ষণ কৰা টান হ'ব। গতিকে এনে অৱস্থাত প্ৰাকৃতত পূৰ্ণাংগ নাটক ৰচনাৰ সম্ভাৱণা একেবাৰেই নাছিল বুলি ক'ব পৰা যায়।

ওপৰত উল্লেখ কৰা এনেবোৰ কাৰণতে হয়তো প্ৰাকৃত সাহিত্যৰ সমৃদ্ধিৰ কালত এখনো পূৰ্ণাংগ নাটক প্ৰাকৃত ভাষাত ৰচনা হোৱা নাছিল। এইক্ষেত্ৰত সংস্কৃত নাট্য-সাহিত্যৰ সমৃদ্ধিৰ একেবাৰে শেষ স্তৰত সাহসী পদক্ষেপ পেলাইছিল কবিৰাজ ৰাজশেখৰে। তেওঁ এটা সম্পূৰ্ণ কাহিনী প্ৰাকৃতৰ মাধ্যমেৰে নাট্যৰূপ দি ভাৰতীয় নাট্য-পৰম্পৰাত এক ব্যতিক্ৰমৰ সূচনা কৰিছিল।

অৱশ্যে, প্ৰাকৃতত ৰচনা কৰাৰ কাৰণে কৃতিত্ব অৰ্জন কৰিব পাৰিলেও, কবিৰাজ ৰাজশেখৰ আছিল এগৰাকী বিদগ্ধ সংস্কৃত পণ্ডিত। তেওঁ একাধিক নাটক সংস্কৃতত ৰচনা কৰাৰ উপৰি কাব্য-অলংকাৰাদি গ্ৰন্থও ৰচনা কৰিছিল। তদুপৰি অন্যান্য সংস্কৃত নাট্যকাৰসকলৰ

দৰে তেৰোঁ আছিল ৰাজ অনুগৃহীত ব্যক্তি আৰু সম্ভ্ৰান্ত বংশীয় উচ্চশিক্ষিত লোক। সেয়েহে প্ৰাকৃতত ৰচনা কৰিলেও, তেওঁ *কৰ্পূৰমঞ্জৰী* ত প্ৰাকৃতজনৰ জীৱন-কাহিনীক নাট্যৰূপ দিয়া নাই। তেওঁ কাহিনী হিচাপে বাছি লৈছিল ৰজাঘৰীয়া প্ৰেম- পৰিণয়মূলক এটি লঘু ঘটনাক। নাটখনৰ সংলাপ গভীৰ কবিত্বভাৱব্যঞ্জক আৰু চৰিত্ৰসমূহো সংস্কৃত নাটকৰ আদৰ্শৰ অনুগামী। গতিকে ৰাজশেখৰে *কৰ্পূৰমঞ্জৰী* ৰ কাহিনী-বিন্যাস, চৰিত্ৰ-চিত্ৰায়ন, সংলাপ আদি ক্ষেত্ৰত যি কৃতিত্ব প্ৰদৰ্শন কৰিছে সেয়া পূৰামাত্ৰাই সংস্কৃতৰ অনুগামী। মাত্ৰ প্ৰাকৃতত ৰচনা কৰা আৰু লগতে অভূতপূৰ্ব লোক-নৃত্য সংযোজনেৰে 'সট্টক' নামৰ নতুন এক নাট্য-শ্ৰেণী গঢ়ি তোলাই আছিল তেওঁৰ প্ৰধান কৃতিত্ব।

## ৩.৮ সাৰাংশ (Summing Up)

সংস্কৃত সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ সাহিত্যিক হৈছে ৰাজশেখৰ। ৰাজশেখৰৰ জীৱন-কাল সম্পৰ্কে সঠিক সিদ্ধান্ত পোৱা নাযায়। তেওঁৰ বিভিন্ন ৰচনাৰাজিৰ পৰাহে তেওঁৰ বিষয়ে কিছু তথ্য পাব পাৰি। ৰাজশেখৰৰ ৰচনাৰাজিৰ ভিতৰত পাচঁখন প্ৰকাশিত গ্ৰন্থ পোৱা যায়। ইয়াৰ উপৰি অন্য কেইখনমান গ্ৰন্থ ৰচনা কৰিছিল বুলি জনা যায় যদিও, সেইকেইখন বৰ্তমানলৈকে পোৱা হোৱা নাই।

আচাৰ্য দণ্ডীৰ *দশকুমাৰ চৰিত* আৰু শ্ৰীহৰ্ষৰ *ৰত্নাৱলী* ৰ প্ৰভাৱ পৰা ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* এখন শৃংগাৰ ৰসযুক্ত মিলনাত্মক সট্টক। সিদ্ধপুৰুষ ভৈৰৱানন্দই অলৌকিক শক্তিৰে আনি দিয়া অপৰূপা সুন্দৰী কৰ্পূৰমঞ্জৰীৰ প্ৰতি ৰজা চণ্ডপাল অনুৰক্ত হয়। তাৰ পিছত দুয়োৰে মাজত হোৱা তীব্ৰ প্ৰেমৰ অনুৰাগ, পাটৰাণী বিভ্ৰমলেখাৰ সেই প্ৰেমত বাধা আৰু শেষত বিদূষক আৰু ভৈৰৱানন্দৰ দ্বাৰা কৌশলেৰে সেই বাধা আঁতৰাই ৰজাৰ লগত কৰ্পূৰমঞ্জৰীৰ বিবাহ সম্পন্ন— এয়ে হৈছে নাটকখনৰ মূল কাহিনী।

*কৰ্পূৰমঞ্জৰী* প্ৰাকৃতত ৰচিত প্ৰথম পূৰ্ণাঙ্গ নাটক। ইয়াৰ আগতে নাটকত প্ৰাকৃতৰ প্ৰয়োগ হৈছিল যদিও সম্পূৰ্ণৰূপে প্ৰাকৃতত নাটক ৰচিত হোৱা নাছিল। সম্ভৱতঃ জনসমাজত প্ৰাকৃত জনপ্ৰিয়তা আৰু ৰাজশেখৰৰ পত্নী অৱন্তীসুন্দৰীৰ অনুপ্ৰেৰণাতে তেওঁ সট্টক শ্ৰেণীৰ এই নাটখন সম্পূৰ্ণৰূপে প্ৰাকৃতত ৰচনা কৰিছিল।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) কবি ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী নাটকৰ বিষয়বস্তু সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াওক আৰু লগতে এই নাটকখনৰ নাটকীয় বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

(২) প্ৰাকৃতত ৰচিত প্ৰথম পূৰ্ণাংগ নাট হিচাপে কৰ্পূৰমঞ্জৰীৰ পৰ্যালোচনা কৰক।

(৩) কবি ৰাজশেখৰৰ জীৱন আৰু কৃতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰক। তেওঁ কিয় কৰ্পূৰমঞ্জৰী নাটখন প্ৰাকৃতত ৰচনা কৰিছিল এই সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(৪) সট্টক বুলিলে কি বুজায়? সট্টক হিচাপে কৰ্পূৰমঞ্জৰীৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়াওক।

(৫) ৰাজশেখৰৰ ৰচনাৱলী সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

(৬)　‘কৰ্পূৰমঞ্জৰী’ৰ উৎস সম্পৰ্কে ব্যাখ্যা কৰক।

(৭)　**চমুটোকা লিখক ঃ**
কবিৰাজ ৰাজশেখৰ, বালৰামায়ণ, বালভাৰত, বিদ্ধশালভঞ্জিকা, কাব্যমীমাংসা, কৰ্পূৰমঞ্জৰী, সট্টক হিচাপে কৰ্পূৰমঞ্জৰী।

## ৩.১০　প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


**অসমীয়া ঃ**

| | | |
|---|---|---|
| মুকুন্দ মাধৱ শৰ্মা (অনু.) | ঃ | *কৰ্পূৰমঞ্জৰী* |
| সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী | ঃ | *প্ৰাকৃত পাঠ মঞ্জুষা* |
| নগেন ঠাকুৰ | ঃ | *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন* |
| (——) | ঃ | *পালি-প্ৰাকৃত-অপভ্ৰংশ-ভাষা আৰু সাহিত্য* |
| লীলাৱতী শইকীয়া বৰা | ঃ | *ভাষা সাহিত্যৰ সুবাস* |
| প্ৰসন্ন ৰাম দাস | ঃ | *পালি-প্ৰাকৃত ভাষা আৰু সাহিত্য* |
| কেশৱানন্দ দেৱ গোস্বামী | | |
| ভীমকান্ত বৰুৱা। | ঃ | *প্ৰাকৃত পাঠ* |
| কামাখ্যাচৰণ ভাগৱতী | ঃ | *সংস্কৃত নাট্য সাহিত্য* |

**বাংলা ঃ**

| | | |
|---|---|---|
| মনোমহন ঘোষ | ঃ | *কৰ্পূৰমঞ্জৰী* |
| কৰুণাসিন্ধু দাস | ঃ | *সংস্কৃত সাহিত্য পৰিক্ৰমা* |
| পৰেশচন্দ্ৰ ভট্টাচাৰ্য্য | ঃ | *সংস্কৃত সাহিত্যৰ ইতিহাস* |
| (——) | ঃ | *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ* |
| বিমানচন্দ্ৰ ভট্টাচাৰ্য্য | ঃ | *সংস্কৃত সাহিত্যৰ ৰূপকথা* |
| ৰঞ্জিতকুমাৰ মিত্ৰ | ঃ | *প্ৰাচীন ভাৰতীয় নাটক ও থিয়েটাৰ* |

**হিন্দী ঃ**

| | | |
|---|---|---|
| গংগাসাগৰ ৰায় | ঃ | *কৰ্পূৰমঞ্জৰী* |
| চূন্নীলাল শুক্ল | ঃ | *কৰ্পূৰমঞ্জৰী* |


* * *

## চতুৰ্থ বিভাগ
# 'কৰ্পূৰমঞ্জৰী'ৰ পাঠগত পৰ্যালোচনা

**বিভাগৰ গঠন**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ 'কৰ্পূৰমঞ্জৰী'ৰ চৰিত্ৰাঙ্কন
৪.৪ 'কৰ্পূৰমঞ্জৰী'ৰ ভাষাগত বৈশিষ্ট্য
৪.৫ 'কৰ্পূৰমঞ্জৰী'ৰ সামাজিক মূল্য
৪.৬ মূলপাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

তৃতীয় বিভাগটোত কবি ৰাজশেখৰ আৰু তেওঁৰ সাহিত্য কৃতিৰ লগতে *কৰ্পূৰমঞ্জৰী*ৰ সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। এই বিভাগটিত *কৰ্পূৰমঞ্জৰী*ৰ পাঠগত পৰ্যালোচনা আগবঢ়োৱা হ'ব। ইয়াত আলোচিত দিশসমূহ হ'ল — *কৰ্পূৰমঞ্জৰী* সট্টকখনিৰ চৰিত্ৰ-চিত্ৰণ, ভাষাগত বৈশিষ্ট্য, সামাজিক মূল্য আদি। শেষত পাঠ্যক্ৰমত সন্নিৱিষ্ট হোৱা প্ৰথম যৱনিকাৰ ২২ ৰ পৰা ৩২ নং শ্লোকৰ মূল পাঠ উল্লেখ কৰি, সেইবোৰৰ অসমীয়া ভাঙনিৰ লগতে কঠিন শব্দবোৰৰ শব্দগত টোকা দাঙি ধৰা হৈছে।

## ৪.২ উদ্দেশ্য (Objectives)

"কৰ্পূৰমঞ্জৰীৰ পাঠগত পৰ্যালোচনা" শীৰ্ষক এই বিভাগটি অধ্যয়ন কৰিলে আপুনি—

- 'কৰ্পূৰমঞ্জৰী'ৰ চৰিত্ৰাঙ্কন সম্পৰ্কে জ্ঞাত হ'ব পাৰিব;
- 'কৰ্পূৰমঞ্জৰী'ৰ ভাষাগত বৈশিষ্ট্য ফঁহিয়াই দেখুৱাব পাৰিব;
- 'কৰ্পূৰমঞ্জৰী'ত চিত্ৰিত হোৱা সামাজিক চিত্ৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব; আৰু
- প্ৰথম যৱনিকাৰ ২২ নং ৰ পৰা ৩২ নং শ্লোকৰ অসমীয়া ভাঙনি কৰাৰ লগতে কঠিন শব্দবোৰৰ টোকা প্ৰস্তুত কৰিবলৈ সমৰ্থ হ'ব।

## ৪.৩ 'কৰ্পূৰমঞ্জৰী'ৰ চৰিত্ৰাঙ্কন

কবি ৰাজশেখৰে *কৰ্পূৰমঞ্জৰী* নাটখনৰ কাহিনীভাগ ছটা প্ৰধান চৰিত্ৰৰ মাজেদি আগবঢ়াই নিছে। এই প্ৰধান চৰিত্ৰকেইটা হ'ল ঃ নায়ক ৰজা চণ্ডপাল (চন্দ্ৰপাল), নায়িকা কৰ্পূৰমঞ্জৰী, পাটমহিষী বিভ্ৰমলেখা, চেটী (দাসী) বিচক্ষণা, বয়স্য বিদূষক কপিঞ্জল আৰু কৌলমাৰ্গী সিদ্ধপুৰুষ ভৈৰৱানন্দ। কবি ৰাজশেখৰে চৰিত্ৰসমূহৰ নামকৰণৰ ক্ষেত্ৰত প্ৰত্যেক চৰিত্ৰৰ লগত সেই চৰিত্ৰটোৰ কামৰ এক সামঞ্জস্য ৰাখিছে, অৰ্থাৎ চৰিত্ৰটোৰ নামৰ পৰাই চৰিত্ৰটোৰ কাৰ্যকলাপ বা ভাব-ভংগীৰ সুন্দৰ আভাস পাব পৰা যায়। *কৰ্পূৰমঞ্জৰী*ৰ নায়ক চণ্ডপাল বা চন্দ্ৰপাল শান্ত-স্নিগ্ধ কিৰণ বিলোৱা প্ৰেমৰ প্ৰতীক স্বৰূপ চন্দ্ৰৰ দৰেই প্ৰেমৰ এক

সুন্দৰ প্ৰতিমূৰ্তি। নায়িকা কৰ্পূৰমঞ্জৰী শুভ্ৰবৰ্ণ গন্ধ দ্ৰব্যৰ বাবেই ছলনাৰ বলি হ'বলগীয়া হৈছে। চাতক বা ভাটৌ চৰাইৰ দৰে মুখ বন্ধ কৰি ৰাখিব নোৱাৰা বাগাড়ম্বৰ পুৰুষ কাৰণেই বিদূষকৰ নাম কপিঞ্জল ৰখা হৈছে। চেটী বিচক্ষণা কবিত্ব শক্তি আৰু বাক্‌চাতুৰ্যত যিদৰে নিপুণা তেনেদৰে প্ৰেমগ্ৰন্থী নিবিড় কৰাতো কুশলা, সেয়ে বিচক্ষণা। ভৈৰৱানন্দ যেনেদৰে নামে কামে মহাদেৱৰ ভয়ংকৰ প্ৰতিমূৰ্তি তেনেদৰে অসিতাংগ, ৰুৰু, চণ্ড, ক্ৰোধন, উন্মত্ত, কুপিত, ভীষণ সংহাৰ — এই অষ্টৰূপ তেওঁৰ গাত বিৰাজমান। এনেদৰে দ্ব্যৰ্থকভাৱে কবিৰাজ ৰাজশেখৰে চৰিত্ৰসমূহৰ নামকৰণত নিজৰ মৌলিক প্ৰতিভাৰ পৰিচয় দিবলৈ সমৰ্থবান হৈছে। *কৰ্পূৰমঞ্জৰী* নাটকৰ প্ৰধান চৰিত্ৰকেইটাৰ পৰিচয় তলত দাঙি ধৰা হ'ল ——

**চণ্ডপাল ঃ** *কৰ্পূৰমঞ্জৰী* নাটকৰ মূল নায়ক চণ্ডপালক নাট্যকাৰ ৰাজশেখৰে সংস্কৃত নাটকৰ নায়কৰ অনুৰূপে খ্যাতিমান, ধীৰ-ললিতৰূপে অংকন কৰিবলৈ চেষ্টা কৰিছে যদিও, ই প্ৰেমসৰ্বস্ব লেহুকা চৰিত্ৰ হিচাপেহে চিত্ৰিত হৈ উঠিছে। নাটকৰ আৰম্ভণিতে চণ্ডপালৰ চৰিত্ৰ সম্পৰ্কত বৈতালিকৰ প্ৰশস্তিৰ পৰা এইদৰে জানিব পৰা যায় যে, তেওঁ *'স্বতেজৰ দ্বাৰা ৰাঢ়ৰ সৌন্দৰ্যজয়ী, বিক্ৰমেৰে কামৰূপ জয় কৰোঁতা'*, আনহাতে তেওঁ "এজন ৰূপহ-কোঁৱৰ; সোণৰ উজ্জ্বলতাও তেওঁৰ ওচৰত পৰাভূত, সৰ্বাংগৰ সৌন্দৰ্যেৰে পৰম ৰমণীয়।" কিন্তু নাট্যকাৰে তেওঁৰ প্ৰথম গুণতকৈ দ্বিতীয় বিধ গুণেৰেহে তেওঁৰ চৰিত্ৰক ফুটাই তুলিবলৈ যত্ন কৰিছে। গতিকে চণ্ডপাল হৈ পৰিছে শক্তি-সামৰ্থহীন এক দুৰ্বল তথা প্ৰেমিক ৰজা। কৰ্পূৰমঞ্জৰীক প্ৰথম দেখাৰ পাছৰ পৰাই তেওঁৰ মনত যি প্ৰেম উপজিছিল, তাৰ পৰা তেওঁক এগৰাকী তেজস্বী ৰজাৰ পৰিৱৰ্তে দুৰ্বল, দেহজ সৌন্দৰ্যত মুগ্ধ, কামাতুৰ, পাটমহিষীৰ প্ৰতি ভীতিগ্ৰস্ত চৰিত্ৰ হিচাপেহে লগ পোৱা যায়। তেওঁ কবি, ভাবুক, ৰূপ-সৌন্দৰ্যৰ পূজাৰী হোৱা সত্বেও নাটকত ইমানেই ব্যক্তিত্বহীন হৈ দেখা দিছে যে যন্ত্ৰচালিত পুতলাৰ দৰে তেওঁ বিদূষক আৰু বিচক্ষণাৰ ইচ্ছা অনুসৰি পৰিচালিত হৈছে আৰু পাটমাদৈ বিভ্ৰমলেখাৰ নিৰ্দেশ অনুযায়ীয়েই সকলো কৰি গৈছে। শেষত নায়িকা কৰ্পূৰমঞ্জৰীৰ লগত বিবাহ বন্ধনত আবদ্ধ হৈছে। ৰাজশেখৰে নাটকখনত চৰিত্ৰটিক প্ৰেমৰ প্ৰতিমূৰ্তি হিচাপে গঢ় দিয়া অলপো কাৰ্পণ্য কৰা নাই আৰু এই ক্ষেত্ৰত তেওঁ যোল অনাই সফল হৈছে।

**কৰ্পূৰমঞ্জৰী ঃ** *কৰ্পূৰমঞ্জৰী* নাটকৰ মূল নায়িকা কৰ্পূৰমঞ্জৰী নিশব্দ-পদচাৰিণী; কিন্তু সৰ্বত্ৰ প্ৰভাৱ সঞ্চাৰিণী এক অন্যতম আকৰ্ষণীয় নাৰী চৰিত্ৰ। স্বল্পবাকযুক্তা, পূৰ্ণ যৌৱনা, ৰূপৱতী কৰ্পূৰমঞ্জৰীৰ হৃদয় নায়ক চণ্ডপালৰ দৰেই প্ৰেমৰ অনুৰাগেৰে ৰঞ্জিত। সেয়েহে কৰ্পূৰমঞ্জৰীয়ে কেতেকী ফুলৰ পাহিত কবিতা লিখি প্ৰিয়জনক হৃদয়ৰ বতৰা জনায়; নবীন মদনৰ মন জয় কৰাৰ উদ্দেশ্যে চন্দ্ৰৰ বৰ্ণনা কৰে প্ৰতীকধৰ্মী ভাষাৰে আৰু গোপন অভিসাৰেৰে প্ৰিয়জনৰ লগত মিলনৰ মাধুৰিমা বিচাৰে। *'প্ৰেমৰ সাৰ্থকতা যে মিলনতহে'* —এনে আদৰ্শ শিৰোধাৰ্য কৰি কৰ্পূৰমঞ্জৰীয়ে নাটখনত পিতৃ-মাতৃ, জ্ঞাতি-কুটুম্ব সকলোকে পাহৰি ভৈৰৱানন্দৰ ইচ্ছানুসাৰে সপত্নী হোৱাৰ প্ৰতিও দ্বিধাবোধ নকৰি নায়ক চণ্ডপালৰ লগত বিবাহপাশত আবদ্ধ হৈছে। নাট্যকাৰে বাঞ্ছিতজনক পোৱাৰ হেঁপাহত যে সকলো ত্যাগ কৰিব পাৰি তাক কৰ্পূৰমঞ্জৰী চৰিত্ৰটোৰ মাজেদি প্ৰতিভাত কৰিবলৈ সক্ষম হৈছে।

**বিভ্ৰমলেখা ঃ** ৰজা চণ্ডপালৰ প্ৰধানমহিষী বিভ্ৰমলেখা কৰ্পূৰমঞ্জৰী নাটকৰ অন্যতম প্ৰধান নাৰী চৰিত্ৰ। এই চৰিত্ৰটোৰ সৃষ্টিত নাট্যকাৰ ৰাজশেখৰৰ সুনিপুণ হাতৰ পৰশ অনুভৱ কৰিব পাৰি। ধৰ্মপ্ৰাণা, পতিপ্ৰাণা ভাৰতীয় নাৰীৰ আদৰ্শ এই চৰিত্ৰটোৰ মাজেদি সুন্দৰভাৱে ফুটি উঠিছে। তেওঁ সকলো জানিও স্বামীৰ ৰাজচক্ৰৱৰ্তী পদ লাভ কৰাৰ আশাত কৰ্পূৰমঞ্জৰীৰ

লগত বিয়া পাতি দিবলৈ  কুণ্ঠবোধ কৰা নাই। অথচ এইগৰাকী নাৰীয়েই ৰজাৰ লগত কৰ্পূৰমঞ্জৰীৰ গোপন অভিসাৰৰ সম্ভেদ পাই প্ৰথম অৱস্থাত ৰক্ষাগৃহৰ চৌদিশে অলেখ ৰখীয়া-পৰীয়া নিয়োগ কৰিছিল। এই কথাত ৰাণী বিভ্ৰমলেখাক অলপো দোষাৰোপ কৰিব পৰা নাযায়; কাৰণ কোনো নাৰীয়ে নিজৰ প্ৰিয়জনক অন্য কোনোবা প্ৰেয়সীৰ স্নেহ-বন্ধনত আবদ্ধ হোৱাটো নিবিচাৰে। এই ক্ষেত্ৰত নাৰীৰ স্বভাৱজাত ঈৰ্ষাই পাটমহিষী বিভ্ৰমলেখাক ক্ৰিয়াশীল কৰি তুলিছিল বুলি ক'ব পাৰি। যদিও ৰাণী বিভ্ৰমলেখাই কৰ্পূৰমঞ্জৰীক ঈৰ্ষাবশতঃ ৰক্ষা-গৃহত আবদ্ধ কৰি ৰাখিছিল তথাপিতো স্বামীৰ প্ৰতি তেওঁৰ আনুগত্য বা শ্ৰদ্ধা অলপো কম নাছিল। সেয়েহে 'বট-সাবিত্ৰী' উপলক্ষে আয়োজন কৰা নৃত্যানুষ্ঠান কেলিবিমান প্ৰাসাদৰ পৰা অৱলোকন কৰিবলৈ ৰজাক তেওঁ আহ্বান জনাইছিল। নাটকৰ শেষ পৰ্যায়ত, অৰ্থাৎ ৰজা চণ্ডপাল আৰু কৰ্পূৰমঞ্জৰীৰ বিবাহৰ প্ৰাক্‌মুহূৰ্তত ঘনসাৰমঞ্জৰী আৰু কৰ্পূৰমঞ্জৰীৰ চেহেৰাৰ মিল দেখি এবাৰ ৰক্ষা-গৃহ, এবাৰ চামুণ্ডা মন্দিৰলৈ অহা-যোৱা কৰা কাৰ্যই তেওঁৰ বিভ্ৰম যেনেদৰে প্ৰকটিত কৰিছে, আনফালে তেনেদৰে সৰলমনা, স্বামী প্ৰাণগতা আদৰ্শ নাৰীৰ ছবিও প্ৰতিভাত হৈছে। নাটকত কৌলসাধক ভৈৰৱানন্দই তেওঁক যিদৰে চক্ৰান্তৰে ছলনা কৰিলে তাৰ বাবে যিকোনো সহৃদয় দৰ্শক বা পাঠকৰ মন বিভ্ৰমলেখাৰ প্ৰতি অনুকম্পাৰে ভৰি উঠে। মুঠৰ ওপৰত, পাটৰাণী বিভ্ৰমলেখাৰ চৰিত্ৰটোৰ সৃষ্টিত নাট্যকাৰ ৰাজশেখৰৰ সফলতা লক্ষ্য কৰিব পাৰি।

**বিচক্ষণা ঃ** *কৰ্পূৰমঞ্জৰী* নাটকৰ আন এক উল্লেখযোগ্য নাৰী চৰিত্ৰ হ'ল বিচক্ষণা। বিচক্ষণা চেটী, অৰ্থাৎ দাসী বা লিগিৰী। এই চৰিত্ৰটোৰ সৃষ্টিত নাট্যকাৰে বিশেষ মনোযোগ দিছে যদিও, অতিৰঞ্জনৰ দোষে চোৱা বুলি ক'ব পৰা যায়। কিয়নো এগৰাকী লিগিৰীৰ যি স্তৰ সেই স্তৰত নাট্যকাৰে চৰিত্ৰটোক ধৰি ৰাখিব পৰা নাই। অৱশ্যে নাট্যকাৰে ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ প্ৰেমৰ বন্ধন গাঢ় কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি এই চৰিত্ৰটো সৃষ্টি কৰিছে বুলি, ধৰা হয় তেন্তে  সেই দোষ মাৰ্জনীয়। কবিত্বশক্তি, বাক্‌-চাতুৰ্য আৰু বুদ্ধি-কৌশলত প্ৰকৃতাৰ্থতে তেওঁ বিচক্ষণা আৰু এইকেইটা গুণৰ সমাৱেশৰ হেতুকেই  তেওঁৰ জৰিয়তে ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ প্ৰণয় গভীৰ হৈছে বুলি ক'ব পৰা যায়। কিয়নো কৰ্পূৰমঞ্জৰীৰ ৰজাৰ প্ৰতি হোৱা প্ৰেম অনুৰাগৰ প্ৰথম সম্ভেদ কেতেকী ফুলৰ পাহিত লিখা কবিতা বিচক্ষণায়ে আনি ৰজাক দিছিল। লগতে কৰ্পূৰমঞ্জৰীৰ মানসিক অৱস্থাৰ বৰ্ণনা কৰিও নিজে লিখা কবিতা ৰজাৰ হাতত প্ৰদান কৰা দেখা যায়। এনেদৰে উচটাই জোল খোৱা স্বভাৱৰ বাবেই কৰ্পূৰমঞ্জৰীৰ প্ৰতি ৰজাৰ আকৰ্ষণ আৰু তীব্ৰ হৈছে। আকৌ যি বিদূষকক ৰজা ৰাণীৰ সন্মুখতে কবিত্ব শক্তিৰ প্ৰসঙ্গত বিচক্ষণাই অশোভনীয় আচৰণ কৰিছিল, সেই বিদূষকৰ লগতে পুনৰ সন্ধি কৰি ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ প্ৰণয় দৃঢ় কৰিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাই। ভৈৰৱানন্দই স্নানৰতা অৱস্থাত কৰ্পূৰমঞ্জৰীক অনাৰ পিছত কেনেদৰে তেওঁক স্নাপিত, ভূষিত, শোভিত কৰিলে এই কথাৰ পুংখানুপুংখ বিৱৰণ দাঙি ধৰি, লগতে অংগ-শোভাৰ বিৱৰণ দি বিৰহ তাপত জ্বৰ উঠা কথা কৈ বিচক্ষণাই ৰজাৰ মন আৰু অধিক বিহ্বল কৰাও দেখিবলৈ পোৱা গৈছে। আনহাতে ৰজা চণ্ডপালে বিচক্ষণাৰ পৰামৰ্শ মতেই  কৰ্পূৰমঞ্জৰীয়ে কুৰবক, তিলক আৰু অশোক গছক দোহদ দান কৰি বিকশিত কৰি তোলা দৃশ্য প্ৰত্যক্ষ কৰিছে। এইদৰে কৰ্পূৰমঞ্জৰীৰ পৰিচাৰিকা ৰূপে নিয়োজিতা হৈ বিচক্ষণাই দৌত্য কাৰ্য সম্পাদন কৰি ৰাণীৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে যদিও, প্ৰেম-অনুৰাগেৰে নাটকখনক ৰঞ্জিত কৰি সৰস গতিৰে আগবঢ়াই নিয়াত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে বুলি বিনা-দ্বিধাই ক'ব পৰা যায়।

**বিদূষক ঃ** ৰজা চণ্ডপালৰ পিছতে *কৰ্পূৰমঞ্জৰী* নাটকৰ আন এটা উল্লেখযোগ্য পুৰুষ চৰিত্ৰ হ'ল বিদূষক। অন্যান্য সংস্কৃত নাটকৰ দৰেই *কৰ্পূৰমঞ্জৰী* নাটকৰ বিদূষকো উদাৰ হৃদয়ৰ,

ৰজাৰ হাস্যৰসিক প্ৰিয় বয়স্য অথবা বিশ্ৰম্ভালাপৰ অন্যতম সহচৰ যদিও, এওঁৰ ভূমিকা এই নাটকত সংস্কৃত নাটকতকৈ বহু বেছি গভীৰ আৰু ব্যাপক। এই বিদূষক চৰিত্ৰটিৰ জৰিয়তেই ৰজা চণ্ডপালে নায়িকা কৰ্পূৰমঞ্জৰীক লাভ কৰিবলৈ সক্ষম হৈছে। তেৱেঁই ভৈৰৱানন্দক আনি বিদৰ্ভ ৰাজ্যৰ কুন্তল দেশীয় ৰাজকন্যা কৰ্পূৰমঞ্জৰীৰ কথা প্ৰথমে ৰজাৰ কাণত পেলাইছে; আনহাতে ভৈৰৱানন্দই কৰ্পূৰমঞ্জৰীক অনাৰ পাছত ৰজাক 'পাৰমাৰ্থিক তত্ত্ব' বুলি ৰূপ সৌন্দৰ্যৰ কথা বৰ্ণনাইছে আৰু দোল-চতুৰ্থী উপলক্ষে কৰ্পূৰমঞ্জৰীয়ে দোলন খেলা ৰাণী বিভ্ৰমলেখাই নেদেখাকৈ দূৰৰ পৰাই ৰজাক দেখুৱাইছে আৰু দোলন খেলা কালৰ দেহ সৌন্দৰ্যৰ বৰ্ণনা দাঙি ধৰিছে। আকৌ তেওঁ বিচক্ষণাৰ লগ লাগি মৰকত কুঞ্জৰ তমাল গছৰ আঁৰৰ পৰা কৰ্পূৰমঞ্জৰীয়ে দোহদ দান কৰা দৃশ্য ৰজাক উপভোগ কৰাইছে। ক'বলৈ গ'লে কৰ্পূৰমঞ্জৰীৰ লগত ৰজাৰ গোপন মিলনত একান্ত সহযোগ এই বিদূষকেই আগবঢ়াইছে। ৰজা চণ্ডপালে যেতিয়া কৰ্পূৰমঞ্জৰীক সপোনত দেখা কথা বিদূষকৰ আগত দাঙি ধৰে তেতিয়া বিদূষকে এটা প্ৰতীকধৰ্মী সপোনৰ বৰ্ণনা দি ৰজাৰ অশান্ত মন শান্ত কৰি তুলিছে। লগতে তেওঁ প্ৰেম, প্ৰেমৰ স্বৰূপ, নাৰীৰ যৌৱন কালৰ ৰহস্যৰ কথা ৰজাৰ লগত আলোচনা কৰিছে। বিদূষক ৰজা চণ্ডপালৰ পৰম সুহৃদ আছিল। সেইবাবে কৰ্পূৰমঞ্জৰীৰ ৰক্ষা-গৃহৰ পৰা প্ৰমোদ উদ্যানলৈ যি গোপন সুৰংগ নিৰ্মাণ কৰা হৈছিল ৰাণীয়ে তাৰ সন্ভেদ পোৱা আৰু সতৰ্ক পহৰাৰ বাবে অসংখ্য ৰক্ষী নিয়োগ কৰাৰ কথা তেওঁৱেই ৰজাৰ কাণত পেলাইছে— যাতে ৰজা সাৱধান হ'ব পাৰে। আকৌ *কৰ্পূৰমঞ্জৰী* নাটকত 'বট সাৱিত্ৰী' উপলক্ষে ৰাণীয়ে আয়োজন কৰা বিবিধ লোক-নৃত্যানুষ্ঠানসমূহৰ বৰ্ণনাৰ সূত্ৰ এই বিদূষক চৰিত্ৰটিয়ে ধৰা দেখিবলৈ পোৱা গৈছে। ইয়াৰ দ্বাৰা নাট্যকাৰ ৰাজশেখৰে বিদূষকক কেৱল প্ৰিয় বয়স্য হিচাপেই ৰখা নাই, নাট্য-কাহিনীৰ অপৰিহাৰ্য চৰিত্ৰৰূপেও অংকন কৰিছে। সট্টক যে বিবিধ প্ৰকাৰৰ নৃত্য-সংযোজিত বিশেষ এক প্ৰকাৰৰ নাটক সেই কথা বিদূষকৰ দ্বাৰা নৃত্য বৰ্ণনাৰ জৰিয়তে প্ৰতীয়মান কৰাইছে। এনেদৰে নাট্যকাৰে বিদূষক চৰিত্ৰৰ দ্বাৰা তেওঁৰ অভিপ্ৰেত উদ্দেশ্য সাধন কৰা বা নাট্য আদৰ্শ ৰক্ষা কৰা দেখিবলৈ পোৱা গৈছে। আকৌ নাটকৰ শেষ পৰ্যায়ত ৰাণী বিভ্ৰমলেখাৰ নিৰ্দেশমতে 'উত্তম ব্ৰাহ্মণৰ শিৰোমণি' এই 'আৰ্য কপিঞ্জল' বিদূষকেই হোম পুৰি, ততাতয়াকৈ লগুণ গাঁঠি দি কৰ্পূৰমঞ্জৰীৰ লগত ৰজাৰ মিলন কাৰ্যও সম্পন্ন কৰিছে। গতিকে ক'ব পৰা যায় যে, কৰ্পূৰমঞ্জৰী নাটকৰ বিদূষক কেৱল পৰিহাস প্ৰিয় ৰজাৰ সখাই নহয় বা বিপদ কালৰ সুহৃদেই নহয়, আৰম্ভণিৰ পৰা শেষলৈকে গুৰুত্বপূৰ্ণ ভূমিকা লৈ নাট্য-কাহিনীক সফলভাৱে সামৰণি পেলোৱা এক প্ৰধান চৰিত্ৰও। নাটকৰ প্ৰথম অৱস্থাত বিদূষকক যিমান মূৰ্খ অথবা হাস্যকৰ ৰূপত দেখা গৈছিল শেষৰ পিনে কিন্তু অত্যন্ত চতুৰ, বুদ্ধিমান ব্যক্তি হিচাপেহে লগ পোৱা যায়। বিদূষক চৰিত্ৰৰ সম্পৰ্কত এযাৰ কথায়ে ক'ব পৰা যায় যে, নাটকখনৰ সৰসতা প্ৰদানত আৰু মিলনৰ মধুৰ পৰিবেশ সৃষ্টিত তেওঁৰ ভূমিকা নিঃসন্দেহে ব্যাপক।

**ভৈৰৱানন্দ ঃ** *কৰ্পূৰমঞ্জৰী* নাটকৰ অন্যতম প্ৰধান চৰিত্ৰ সিদ্ধপুৰুষ ভৈৰৱানন্দ নায়ক নহ'লেও নাটকৰ কেন্দ্ৰীয় চৰিত্ৰ। এই চৰিত্ৰটোক কেন্দ্ৰ কৰিয়েই নাটকৰ সমগ্ৰ ঘটনা প্ৰৱাহে ক্ৰমে অগ্ৰগতি লাভ কৰি শেষত সুখাৱহ সমাপ্তি লাভ কৰিবলৈ সমৰ্থ হৈছে। ভিন্ন প্ৰকৃতিৰ এই চৰিত্ৰটোৰ নাম যেনে কামো তেনে ভয়ানক। তেওঁ কৌল-পন্থা অৱলম্বন কৰি মদ্যপান কৰে, মাংস ভক্ষণ কৰে, কৌল ধৰ্মত ভ্ৰষ্টা-উগ্ৰা সকলো নাৰীক ধৰ্মপত্নী জ্ঞান কৰে, ভিক্ষাৰে ভোজন কৰে, চৰ্মখণ্ডত শয়ন কৰে। তেওঁ কৰিব নোৱৰা কাম একোৱেই নাই, ইচ্ছা কৰিলে তেওঁ সূৰ্যৰ ৰথ ৰখাব পাৰে, চন্দ্ৰকো মাটিলৈ নমাই আনিব পাৰে আৰু যক্ষ-দেৱতা সিদ্ধসকলৰ ৰমণীকো লৈ আনিব পাৰে। সেইবাবে নাটকত অসাধ্য সাধন কৰি চৰিত্ৰটিয়ে কুন্তল ৰাজকন্যা কৰ্পূৰমঞ্জৰীক

স্নানৰতা অৱস্থাত ৰাজসভালৈ আনি সকলোকে চমক খুৱাব পাৰিছে। ৰাজসভাত কৰ্পূৰমঞ্জৰীৰ আবিৰ্ভাৱৰ লগে লগে নাটকীয় ঘটনাই নতুন গতি লাভ কৰিছে আৰু শেষত এই ভৈৰৱানন্দৰ কাৰ্যৰ জৰিয়তেই নাট্যকাহিনীৰ পৰিসমাপ্তিও ঘটিছে। তেওঁ ৰাণীৰ ইচ্ছানুসাৰে পাৰ্বতীৰ মূৰ্তি প্ৰতিষ্ঠা কৰি  গুৰু-দক্ষিণা লোৱাৰ ছলেৰে কৰ্পূৰমঞ্জৰীক ঘনসাৰমঞ্জৰী নাম দি ছলনাৰে ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ বিবাহ কাৰ্য সম্পন্ন কৰিছে। যদি নাটকত অলৌকিক ক্ষমতাসম্পন্ন এই ভৈৰৱানন্দ নাথাকিলহেঁতেন তেতিয়াহ'লে পাটমহিষী বিভ্ৰমলেখাৰ সতৰ্ক দৃষ্টিৰ আগত ইমান সহজতে ৰজা চণ্ডপাল আৰু কৰ্পূৰমঞ্জৰীৰ মিলন সম্ভৱ নহ'লহেঁতেন। সেইবাবে সিদ্ধপুৰুষ ভৈৰৱানন্দক নাটকৰ কেন্দ্ৰীয় চৰিত্ৰ হিচাপে আখ্যায়িত কৰিব পৰা যায়। আনহাতে নাটকত সিদ্ধপুৰুষ ভৈৰৱানন্দৰ কাৰ্যকলাপৰ জৰিয়তে নাট্যৰসো ঘনীভূত হোৱা দেখিবলৈ পোৱা গৈছে। শৃংগাৰ ৰসৰ লগত অদ্ভুত ৰস সৃষ্টি কৰি তেওঁ নাট্যোৎকণ্ঠা বৃদ্ধি কৰিছে আৰু তাৰ ফলত নাট্য কাহিনীয়ে দৰ্শক বা পাঠকক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। মুঠতে, সিদ্ধপুৰুষ ভৈৰৱানন্দ *কৰ্পূৰমঞ্জৰী* নাটকৰ মূল চালিকা শক্তি।

**আত্মমূল্যায়ন প্ৰশ্ন**

*কৰ্পূৰমঞ্জৰী* কাহিনী ভাগত কি কি গ্ৰন্থৰ প্ৰভাৱ পৰিছে আলোচনা কৰক। (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৪.৪ 'কৰ্পূৰমঞ্জৰী'ৰ ভাষাগত বৈশিষ্ট্য

*কৰ্পূৰমঞ্জৰী* সম্পূৰ্ণৰূপে প্ৰাকৃত ভাষাত ৰচিত এখন অভিনৱ সট্টক। অৱশ্যে ইয়াত ব্যৱহাৰ হোৱা প্ৰাকৃত ভাষাক লৈ যথেষ্ট মতভেদ থকা দেখিবলৈ পোৱা যায় আৰু এই সন্দৰ্ভত বিভিন্ন পণ্ডিতে ভিন ভিন দৃষ্টিকোণেৰে বিচাৰ-বিশ্লেষণ কৰি ভিন ভিন মত প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ হ'ল কবিৰাজ ৰাজশেখৰে সট্টকখনত 'সক্কদংপৰিহৰিঅ পাউদবন্ধে' অৰ্থাৎ 'সংস্কৃত পৰিহাৰ কৰি প্ৰাকৃতত ৰচনা' কৰা বুলি বৰ্ণনা কৰিছে যদিও, প্ৰকৃততে কি প্ৰাকৃতত ৰচনা কৰিছে সেইকথা স্পষ্টকৈ উল্লেখ কৰা নাই। বাস্তৱিকতে ইয়াত ব্যৱহাৰ হোৱা প্ৰাকৃতলৈ লক্ষ্য কৰিলে 'সাহিত্যিক প্ৰাকৃত' বুলি খ্যাত কোনো এটা নিৰ্দিষ্ট প্ৰাকৃতত এই সট্টকখন ৰচনা কৰা বুলি ক'ব নোৱাৰি। ৰাজশেখৰৰ সময় খ্ৰীষ্টীয় নৱম শতাব্দীৰ শেষ আৰু দশম শতাব্দীৰ প্ৰথমাৰ্ধ বুলি অনুমান কৰা হয়, সেই সময়ত প্ৰাকৃত ভাষা পৰিৱৰ্তিত হৈ 'অৱহট্‌ঠ' বা লৌকিক অপভ্ৰংশত পৰিণত হৈছিল আৰু তাৰ আঞ্চলিক ৰূপৰ ভিত্তিত সাহিত্যাদি সৃষ্টি হৈ সাহিত্যিক ৰূপ একোটা গঢ় লৈ উঠিছিল। আনহাতে, সেই সময়ত জনসাধাৰণৰ দৈনন্দিন বাগ্‌ব্যৱহাৰত প্ৰচলিত  কথ্যৰূপটো অধিক সৰল হৈ 'দেশী' বুলি পৰিচিত হৈছিল। এফালে প্ৰাকৃত ভাষাৰ অপ্ৰচলন আৰু আনফালে নতুনকৈ আঞ্চলিক বৈশিষ্ট্যৰে গঢ় লৈ উঠা 'অৱহট্‌ঠ' ত লেখাৰ অসুবিধা। এনে এক সংকটপূৰ্ণ অৱস্থাত সম্পূৰ্ণ প্ৰাকৃতৰ মাধ্যমেৰে নাটক প্ৰণয়ন কৰিবলৈ গৈ ৰাজশেখৰ নিশ্চয় অসুবিধাৰ সন্মুখীন হৈছিল। সেইকাৰণে তেওঁ 'প্ৰাকৃত' বুলি ব্যাকৰণ নিৰ্দেশিত কোনো এটা নিৰ্দিষ্ট 'সাহিত্যিক প্ৰাকৃত' ব্যৱহাৰ নকৰি, মধ্যদেশীয় সংস্কৃতানুগ শৌৰসেনী প্ৰাকৃতক আধাৰ স্বৰূপে লৈ তাৰ লগত প্ৰাকৃতৰ মান্যৰূপ মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ উপাদান মিশ্ৰণ কৰি লগতে সেই সময়ত প্ৰচলিত 'অৱহট্‌ঠ' আৰু দেশী বা কথ্যৰূপৰ শব্দ কিছুমান ব্যৱহাৰ কৰি

এক কৃত্রিম বা মিশ্রিত প্ৰাকৃত নিজাকৈ সৃষ্টি কৰি *কৰ্পূৰমঞ্জৰী*ত ব্যৱহাৰ কৰিছিল বুলি ক'ব পৰা যায়। সেইকাৰণে *কৰ্পূৰমঞ্জৰী*ত ব্যৱহাৰ হোৱা ভাষাৰ প্ৰতি লক্ষ্য ৰাখি কোনো কোনো পণ্ডিতে এই প্ৰাকৃতক **'ৰাজশেখৰী প্ৰাকৃত'** আখ্যা দিব খোজে। আকৌ আন এচাম পণ্ডিতে এই প্ৰাকৃতত **'আৱন্তী প্ৰাকৃত'** বুলিও আখ্যা দিব বিচাৰে। কিন্তু এই মতৰ সপক্ষে সবল যুক্তি পোৱা নাযায়। আচলতে 'আৱন্তী প্ৰাকৃত' হৈছে মাহাৰাষ্ট্ৰী আৰু শৌৰসেনী দুয়োবিধ প্ৰাকৃতৰ লক্ষণেৰে পৰিপুষ্ট এক বিশেষ প্ৰাকৃত উপভাষা। কবিৰাজ ৰাজশেখৰে যিহেতু পত্নী অৱন্তীসুন্দৰীৰ ইচ্ছানুসৰি এই নাটক ৰচনা কৰিছিল সেইবাবে ইয়াত ব্যৱহাৰ হোৱা প্ৰাকৃতক 'আৱন্তী প্ৰাকৃত' বুলিয়ে পণ্ডিতসকলে আখ্যা দিব বিচাৰিছিল। এই ধাৰণাটো নামগত সাদৃশ্যৰ বাহিৰে আন একো নহয়।

কবিৰাজ ৰাজশেখৰৰ সংস্কৃত, প্ৰাকৃত, অপভ্ৰংশ, পৈশাচী আৰু মিশ্ৰভাষা এই আটাইকেইটাতে অগাধ ব্যুৎপত্তি আছিল। সেইবাবে তেওঁ নিজকে *কৰ্পূৰমঞ্জৰী*ত 'সব্বভাসাচদুৰেণ' বা সৰ্বভাষাচতুৰ বুলি অভিহিত কৰিছে। সৰ্বভাষা বিশাৰদ হৈও এক অভিনৱত্ব আৰু ব্যতিক্ৰমৰ মোহতেই যে সম্পূৰ্ণ প্ৰাকৃত ভাষাত তেওঁ এই সট্টকখনি ৰচনা কৰিছিল তাক তেওঁ সুন্দৰভাৱে বৰ্ণনা কৰিছে। তেওঁ নিজে সমাসবহুল জটিল সংস্কৃত ভাষা এৰি সহজ সৰল প্ৰাকৃত ভাষাত কিয় সট্টকখনি ৰচনা কৰিছে তাক এনেদৰে বৰ্ণনা কৰিছে —

*অত্থবিসেসা তে চিঅ সদ্দা তে চেঅ পৰিণমন্তাৰি।*
*উত্তিবিসেসো কব্বং ভাসা জা হোই সা হোউ।।*

কবিৰাজ ৰাজশেখৰ মধ্যাদেশৰ গুৰ্জৰ প্ৰতিহাৰৰ ৰজা মহেন্দ্ৰপালৰ গুৰু আৰু সভাকবি আছিল। আনহাতে তেওঁ এগৰাকী সংস্কৃতজ্ঞ পণ্ডিতো আছিল। সেইবাবে তেওঁ মধ্যদেশীয় সংস্কৃতানুগ শৌৰসেনী প্ৰাকৃত আৰু মানবিশিষ্ট প্ৰাকৃত বুলি স্বীকৃতি পোৱা মাহাৰাষ্ট্ৰী প্ৰাকৃত এই দুয়োবিধ প্ৰাকৃতৰ উপাদান *কৰ্পূৰমঞ্জৰী*ত ব্যৱহাৰ কৰিছিল। সেইবাবে ইয়াৰ ভাষাত সংস্কৃতৰ 'ক্ষ' ধ্বনি শৌৰসেনীত 'ক্খ' হোৱা যেনেদৰে দেখিবলৈ পোৱা, আনফালে মাহাৰাষ্ট্ৰীত 'চ্ছ' হিচাপে পৰিৱৰ্তন লাভ কৰা বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

**শৌৰসেনী ঃ** দক্ষিনং > দক্খিণং
দীক্ষিতা > দিক্খিআ
**মাহাৰাষ্ট্ৰী ঃ** প্ৰেক্ষ > পেচ্ছ
ইক্ষু > উচ্চু

মাহাৰাষ্ট্ৰী আৰু শৌৰসেনী প্ৰাকৃতৰ এই দুয়োটা ৰূপেই *কৰ্পূৰমঞ্জৰী* সট্টকখনত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। আনহাতে, সট্টকখনত শৌৰসেনীৰ প্ৰধান বৈশিষ্ট্য স্বৰমধ্যগত 'দ' আৰু 'ধ' কাৰৰ অৱস্থিতি যেনেদৰে দেখিবলৈ পোৱা যায়, তেনেদৰে মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ স্বৰমধ্যগত অল্পপ্ৰাণৰ বিলোপ আৰু মহাপ্ৰাণ 'হ' কাৰত পৰিণত হোৱা বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়। যেনে —

**শৌৰসেনী ঃ** ভৱতি > ভোদি
শতং > সদং
তথা > তধা
**মাহাৰাষ্ট্ৰী ঃ** ৰাজশেখৰঃ > ৰাঅসেহৰো
মুখ > মুহ
বল্লভ > বল্লহ
নগৰ > ণঅৰ

একেদৰে সপ্তমীৰ একবচনত সংস্কৃতৰ ‘স্মিন’ মাহাৰাষ্ট্ৰীত ‘ম্মি’ আৰু শৌৰসেনীত ‘ম্হি’ হোৱা দুয়োটা বৈশিষ্ট্য *কৰ্পূৰমঞ্জৰী* ত দেখিবলৈ পোৱা যায়। অনুৰূপভাৱে কৰ্মবাচ্য গঠনত মাহাৰাষ্ট্ৰী প্ৰাকৃতত ব্যৱহাৰ হোৱা ‘- ইজ্জ’ আৰু শৌৰসেনীত হোৱা ‘- ইঅ’; অসমাপিকা গঠনত মাহাৰাষ্ট্ৰীৰ ‘- উণ’, ‘-ঊণ’ আৰু শৌৰসেনীৰ ‘-ইঅ’; নিমিত্তাৰ্থক ক্ৰিয়া গঠনত মাহাৰাষ্ট্ৰী ‘-উং’ আৰু ‘-দুং’ ৰূপৰ সুন্দৰ প্ৰয়োগ সট্টকখনত দেখিবলৈ পোৱা যায়। আকৌ মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ বাহিৰে আনবোৰ প্ৰাকৃতত চতুৰ্থী বিভক্তিৰ প্ৰয়োগ দেখিবলৈ পোৱা নাযায়। কিয়নো আনবোৰ প্ৰাকৃতত চতুৰ্থী বিভক্তিৰ পৰিৱৰ্তে ষষ্ঠী বিভক্তি ব্যৱহাৰ হয়। কিন্তু *কৰ্পূৰমঞ্জৰী* ত শৌৰসেনী প্ৰাকৃততো চতুৰ্থীৰ প্ৰয়োগ হোৱা দেখা যায়। যেনে — ‘সুহাঅং সংঝা ভোদু দেৱসস’। সংস্কৃত নাটকত মাহাৰাষ্ট্ৰী আৰু শৌৰসেনী প্ৰাকৃত যথাক্ৰমে কাব্যাংশ আৰু গদ্যাংশত ব্যৱহাৰ কৰিছিল আৰু এই দুয়োবিধ প্ৰাকৃতৰ স্বকীয় বৈশিষ্ট্যবোৰ নাটকত সুন্দৰভাৱে ৰক্ষিত হৈছিল। কিন্তু *কৰ্পূৰমঞ্জৰী* সট্টকখনত এই দুয়োবিধ প্ৰাকৃতৰ বৈশিষ্ট্যবোৰ তেনেদৰে ৰক্ষিত হোৱা নাই বৰং গদ্যাংশ, কাব্যাংশ সকলোতে দুই প্ৰাকৃতৰ বৈশিষ্ট্যবোৰ পৰিলক্ষিত হয়।

এনেদৰে ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* সট্টকত মাহাৰাষ্ট্ৰী আৰু শৌৰসেনী প্ৰাকৃতৰ বিভিন্ন লক্ষণসমূহৰ সমাহাৰ ঘটা দেখিবলৈ পোৱা যায়। তদুপৰি ইয়াত অৱহট্ঠ বা লৌকিক অপভ্ৰংশৰ শব্দ যেনে— **ঘৰ, ঘৰিণী, তুএ, ফুল্ল, বাহিৰা, মহ** আদি শব্দ যেনেদৰে পোৱা যায়, তেনেদৰে তৎকালীন জনসমাজত প্ৰচলিত ‘দেশী’ বুলি খ্যাত শব্দ-সম্ভাৰো মুক্তগতিৰে ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। *কৰ্পূৰমঞ্জৰী* ত ব্যৱহৃত এনে কিছুমান দেশী শব্দ হ’ল— **কডিল্লং, কুৰকুৰা, চড়দি, চল্লি, চঙ্গিমং, ছইল্লং, ছোল্লন্তি, টপ্পৰ, মহল্ল, লংগিম, সিহন, হলবোলো** ইত্যাদি। এনেদৰে *কৰ্পূৰমঞ্জৰী* ত ব্যৱহাৰ হোৱা বিভিন্ন দেশী শব্দ আৰু অপ্ৰচলিত শব্দৰ সমাহাৰে ইয়াৰ ভাষাক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে বুলি ক’ব পৰা যায়। তদুপৰি সংস্কৃতৰ সৰ্বনাম পদৰ মম, তৱ আদিৰ ঠাইত ‘মজ্ঝ’, ‘তুজ্ঝ’ৰ ব্যৱহাৰ ইয়াত আছে যদিও, এইবোৰ সৰ্বনাম পদৰ অপভ্ৰংশ ৰূপ মহ (মম), তুহ (তৱ) আদিৰো ব্যৱহাৰ দেখিবলৈ পোৱা যায়। আকৌ ইয়াত দেখিবলৈ পোৱা সংস্কৃত ইৰ > ৰিঅ হোৱা ৰূপটোত পণ্ডিতসকলে বিভিন্ন ভাষাৰূপৰ প্ৰভাৱ পৰা বুলি অভিহিত কৰিছে।

ব্যাকৰণগত আৰু শব্দসম্ভাৰগত এনে মিশ্ৰিত ৰূপলৈ লক্ষ্য কৰি *কৰ্পূৰমঞ্জৰী*ৰ প্ৰাকৃতক ‘মিশ্ৰিত প্ৰাকৃত’ বা সাধাৰণভাৱে ‘প্ৰাকৃত’ বুলিয়েই নিঃসন্দেহে অভিহিত কৰিব পৰা যায়। ব্যাকৰণ বিচ্যুত অথচ অৰ্থজ্ঞাপক এনে নিজস্ব উদ্ভাৱনা প্ৰতিফলিত হোৱাৰ কাৰণে ক’ব পাৰি যে ৰাজশেখৰৰ প্ৰাকৃত ৰাজশেখৰৰেই নিজস্ব প্ৰাকৃত আৰু ই ‘শৈলী-বিজ্ঞান’ সম্বন্ধীয় এক প্ৰধান আলোচ্য বিষয়। এনেবোৰ কাৰণতে ষ্টেন ক’নৱে (Sten Konow) তেওঁৰ সম্পাদিত *কৰ্পূৰমঞ্জৰী* ৰ পাতনিত ৰাজশেখৰৰ প্ৰাকৃত নিজেই ইতিহাস হ’ব পৰা প্ৰাকৃত সাহিত্যৰ অনুপম নিদৰ্শন বুলি মত প্ৰকাশ কৰিছে। *(..... “he has given to us a unique of a kind of literature which has perhaps a history of its own” - Sten Konow, 190I; p-I96)*। প্ৰকৃততে ক’বলৈ গ’লে *কৰ্পূৰমঞ্জৰী* ত সংস্কৃতক প্ৰাকৃতায়ন কৰাৰ প্ৰৱণতা অধিক আৰু এই প্ৰাকৃতায়নৰ মূল ভিত্তি আছিল শৌৰসেনী প্ৰাকৃত। কাৰণ শৌৰসেনী আছিল ‘মধ্যদেশ’ৰ প্ৰাকৃত আৰু এই প্ৰাকৃতত সংস্কৃতৰ প্ৰভাৱ আছিল সৰ্বাধিক। সকলো সাহিত্যিক প্ৰাকৃতৰ ভিতৰত ই আছিল প্ৰাচীনধৰ্মী, অৰ্থাৎ সংস্কৃতৰ ওচৰ চপা। সংস্কৃত চৰ্চ্চাৰ আৰু সংস্কৃত সাহিত্য উদ্‌গমৰ প্ৰধান কেন্দ্ৰভুমি মধ্যদেশৰ শূৰসেন অঞ্চল আছিল এই প্ৰাকৃতৰ উৎস ভূমি। মধ্যদেশৰ কবি ৰাজশেখৰে এই প্ৰাকৃতক অৱলম্বন কৰিয়ে তেওঁৰ *কৰ্পূৰমঞ্জৰী* সট্টকখনি ৰচনা কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, কবিৰাজ ৰাজশেখৰে *কৰ্পূৰমঞ্জৰী* নামৰ সট্টকখনিত বিশেষভাৱে দুটা ভাষা ব্যৱহাৰ কৰিছে। এই দুটা হ'ল মাহাৰাষ্ট্ৰী প্ৰাকৃত আৰু শৌৰসেনী প্ৰাকৃত। কিন্তু তেওঁ ব্যৱহাৰত এই দুয়োটা ভাষাৰ মাজত কোনো পাৰ্থক্য নাৰাখি ৰাজশেখৰে *কৰ্পূৰমঞ্জৰী*ৰ ভাষাক 'প্ৰাকৃত' বুলি অভিহিত কৰিছে। এই প্ৰসংগত কিথে তেওঁৰ *'The Sanskrit Drama'* গ্ৰন্থত দিয়া মন্তব্য প্ৰণিধানযোগ্য— "But despite his parade of learuing he can not distinguish Sauraseni and Maharartri in his drama". *কৰ্পূৰমঞ্জৰী*ত ব্যৱহাৰ হোৱা প্ৰাকৃতৰ এনে মিশ্ৰিত ৰূপ কেৱল মাত্ৰ এটা প্ৰতিলিপিতে পোৱা নাযায়। ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত আবিষ্কৃত দক্ষিণ ভাৰতীয় আৰু জৈন শাখাৰ অন্তৰ্ভুক্ত প্ৰায় সকলো প্ৰতিলিপিতে এনে মিশ্ৰিত প্ৰাকৃতৰ ব্যৱহাৰ দেখা যায়। তেওঁৰ অন্যান্য ৰচনাৱলী যেনে — *বিদ্ধশালভঞ্জিকা, বালৰামায়ণ* আৰু *বালভাৰত*ৰ বিভিন্ন প্ৰতিলিপিৰ প্ৰাকৃত অংশতো একে ধৰণৰ সংমিশ্ৰিত প্ৰাকৃত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। ইয়াৰ পৰা প্ৰতীয়মান হয় যে, বিবিধ প্ৰাকৃতৰ এনে মিশ্ৰণ ৰাজশেখৰৰ ইচ্ছাকৃত আছিল। সেইবাবে মাহাৰাষ্ট্ৰী, শৌৰসেনীৰ ৰূপৰ লগত অৰ্ধমাগধী, অপভ্ৰংশ-অৱহট্‌ঠ, অন্যান্য ভাষাৰূপ আৰু দেশী শব্দৰ মিশ্ৰণ ঘটাই সৃষ্টি কৰা এই অভিনৱ ভাষাটোকে **ৰাজশেখৰী প্ৰাকৃত** আখ্যা দিব পৰা যায়।

| **আত্মমূল্যায়ন প্ৰশ্ন** |
|---|
| কৰ্পূৰমঞ্জৰীত কোনকেইটা প্ৰাকৃতৰ ভাষাগত বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) |
| ........................................................................................................ |
| ........................................................................................................ |
| ........................................................................................................ |

### ৪.৫ 'কৰ্পূৰমঞ্জৰী'ৰ সামাজিক মূল্য

*কৰ্পূৰমঞ্জৰী*ত সমাজ জীৱনৰ চিত্ৰ যেনেদৰে প্ৰকাশ লাভ কৰিব লাগিছিল, ঠিক তেনেদৰে প্ৰকাশ লাভ কৰা দেখিবলৈ পোৱা নাযায়। ইয়াৰ প্ৰধান কাৰণ হিচাপে ইয়াৰ কাহিনীভাগলৈকে আঙুলিয়াব পৰা যায়। সাধাৰণতে আমি সংস্কৃত নাটবোৰত ব্যৱহাৰ হোৱা প্ৰাকৃত অংশত সমাজ-জীৱনৰ চিত্ৰ অতি জীৱন্ত আৰু বাস্তৱমুখী হৈ উঠা দেখিবলৈ পাওঁ। *কৰ্পূৰমঞ্জৰী* নামৰ সট্টকখনি সম্পূৰ্ণৰূপে প্ৰাকৃত ভাষাত ৰচনা কৰা হ'লেও, ইয়াৰ ঘটনা-বিন্যাস ৰজাঘৰীয়া প্ৰেম-বিলাসৰ উদ্দাম-লীলা হোৱাৰ কাৰণে সাধাৰণ জনজীৱনৰ লগত ইয়াৰ সংস্পৰ্শ দেখিবলৈ পোৱা নাযায়। তথাপিতো তাৰ মাজতে সট্টকখনিৰ দুই এটা চৰিত্ৰৰ কাৰ্যকলাপ বা সংলাপ ব্যৱহাৰৰ মাজেদি তৎকালীন সমাজ জীৱনৰ কিছু আভাস লাভ কৰিব পৰা যায়। বিশেষকৈ ভৈৰৱানন্দৰ চৰিত্ৰৰ মাজত আৰু বিদূষক, বিচক্ষণাৰ কাব্য-প্ৰতিযোগিতাক লৈ হোৱা বাক্-বিতণ্ডাৰ মাজত তেনে আভাস বিচাৰি পাব পৰা যায়।

*কৰ্পূৰমঞ্জৰী*ৰ উল্লেখযোগ্য চৰিত্ৰ সিদ্ধপুৰুষ ভৈৰৱানন্দৰ কাৰ্যকলাপৰ পৰা সেই সময়ৰ ধৰ্ম-সাধনাৰ এক বিশিষ্ট ধাৰা গুপ্ত সাধনাৰ আভাস লাভ কৰিব পৰা যায় আৰু ইয়াৰ দ্বাৰা তন্ত্ৰ-সাধনা, যোগাচাৰ ইত্যাদি সম্পৰ্কেও অৱগত হ'ব পৰা যায়। ভাৰতীয় জীৱনৰ ধৰ্ম-সাধনাত গুপ্ত-সাধনা প্ৰাচীন কালৰে পৰা চলি আহিছিল যদিও, মধ্যযুগত শৈৱ, শাক্ত, বৌদ্ধ তান্ত্ৰিকতা আদি নানান ধৰ্ম-সম্প্ৰদায়ৰ সৃষ্টি হৈছিল আৰু গুপ্ত-সাধন প্ৰণালী এক বিশিষ্ট ধাৰা হিচাপে প্ৰতিষ্ঠিত হৈছিল। এই ধৰ্ম-সম্প্ৰদায়সমূহৰ উপাস্য দেৱতাও আছিল ভিন ভিন আৰু জীৱন

ধাৰণো আছিল সৰ্বসাধাৰণতকৈ ভিন্ন। উদাহৰণস্বৰূপে, *কৰ্পূৰমঞ্জৰী* ৰ ভৈৰৱানন্দৰ উপাস্য দেৱতা আছিল 'উমাপতি' (শিৱ), শ্ৰীহৰ্ষৰ *ৰত্নাৱলী* ৰ সম্বৰসিদ্ধিৰ উপাস্য দেৱতা আছিল 'ইন্দ্ৰ', *মুদ্ৰাৰাক্ষস* ৰ যমপট প্ৰদৰ্শনকাৰী গুপ্তচৰৰ উপাস্য দেৱতা আছিল 'যম'। এইসকল গুপ্ত সাধকে অসাধ্য সাধন কৰি সমাজৰ সকলো শ্ৰেণীৰ লোককে চমক খুৱাইছিল; আৰু এনে অসাধ্য সাধন কৰিব পৰা ক্ষমতা তেওঁলোকৰ সাধনাৰে ফল আছিল বুলিয়ে বুজিব পৰা যায়। আকৌ, ভাৰতীয় সমাজ-জীৱনত এইসকল সিদ্ধপুৰুষৰ যে অসাধাৰণ প্ৰভাৱ আছিল সেইকথা তদানীন্তন কাব্য নাটকত তেওঁলোকৰ কাৰ্যকলাপ বৰ্ণিত হোৱা আৰু তাৰ দ্বাৰা কাহিনীক চমৎকৃত কৰি তোলাৰ প্ৰয়াসৰ পৰা বুজিব পৰা যায়। এইসকল সিদ্ধপুৰুষ ঐন্দ্ৰজালিক বুলিয়েই পৰিচিত হৈছিল। অষ্টম শতিকাৰ পৰা দশম শতাব্দীৰ ভিতৰত ৰচিত হোৱা কাব্য আৰু নাটকত এনে ঐন্দ্ৰজালিকৰ চৰিত্ৰৰ সঘন উল্লেখ পোৱা যায়। যেনে— ভৱভূতিৰ *'মালতী-মাধৱ'* নাটকৰ বামাচাৰী তান্ত্ৰিক 'অঘোৰঘন্ট', আচাৰ্য দণ্ডীৰ *'দশকুমাৰ চৰিত্ৰ'*ৰ ঐন্দ্ৰজালিক বিদ্যেশ্বৰ, বানভট্টৰ *'হৰ্ষ-চৰিত'* ৰ শৈৱযোগী 'ভৈৰৱানন্দ' এনে চৰিত্ৰৰ প্ৰতিনিধি। ওপৰত উল্লেখ কৰা এই সিদ্ধপুৰুষসকলৰ জীৱন-ধাৰণো আছিল বিচিত্ৰ প্ৰকৃতিৰ। *কৰ্পূৰমঞ্জৰী* ৰ ভৈৰৱানন্দ চৰিত্ৰৰ সংলাপৰ মাজতেই তাৰ সুন্দৰ প্ৰতিফলন হোৱা দেখিবলৈ পোৱা যায় —

> *মন্ত্ৰ-তন্ত্ৰ মই একো নাজানো; গুৰুৰ অনুগ্ৰহত ধ্যানৰো প্ৰয়োজন নাই।*
> *কৌল পন্থা অৱলম্বন কৰি মদপান কৰোঁ, মহিলা ৰমণ কৰোঁ মোক্ষপথ কৰো। [১/১২]*

আৰু

> *কৌল-ধৰ্মত দীক্ষিতা ভ্ৰষ্টা, উগ্ৰা সকলো নাৰীয়েই মোৰ ধৰ্মপত্নী।*
> *মদ খাওঁ, মাংস খাওঁ, ভিক্ষাৰে ভোজন কৰো, চৰ্মখণ্ডত শয়ন কৰোঁ। [১/১৩]*

উল্লেখযোগ্য যে সট্টকখনত চিত্ৰিত হোৱা এই ভৈৰৱানন্দ চৰিত্ৰৰ মাজেদি ভাৰতীয় সমাজ-জীৱনত প্ৰচলিত গোপন ধৰ্ম-সাধনা, যোগাচাৰ আৰু তাৰ জৰিয়তে অসাধ্য সাধন কৰিব পৰা ক্ষমতা সম্পৰ্কে অৱগত হ'ব পৰা যায়। লগতে গুপ্ত সাধনাই কেনেদৰে বিকৃতিৰ স্তৰলৈ গৈ সাধাৰণ মানুহকে নহয় উচ্চশ্ৰেণীৰ লোককো বিমোহিত কৰি প্ৰকৃত ধৰ্মৰ পৰা কেনেদৰে বিচ্যুত কৰিছিল তাৰ পৰিচয়ো লাভ কৰিব পৰা যায়।

আকৌ, ইয়াত চিত্ৰিত হোৱা নাৰী চৰিত্ৰসমূহৰ পৰা সেই সময়ৰ সমাজত নাৰীৰ স্থান যে নিম্ন নাছিল সেই কথাও অনুমান কৰিব পৰা যায়। উচ্চস্তৰীয় নাৰী চৰিত্ৰৰ কথা বাদ দিলেও, দাসী বা লিগিৰী জাতীয় নাৰীসকলো যে পুৰুষৰ সমানেই আগবঢ়া আছিল তাৰো আভাস আমি *কৰ্পূৰমঞ্জৰী* ৰ পৰা লাভ কৰিব পাৰোঁ। উদাহৰণস্বৰূপে, দাসী হিচাপে চিত্ৰিত হোৱা বিচক্ষণা আৰু তেওঁৰ বায়েক সুলক্ষণাই ভাৱ-সমৃদ্ধ সুন্দৰ কবিতা ৰচনা কৰিব পৰা গুণে প্ৰমাণ দিয়ে যে, সাধাৰণ নাৰীয়েও শিক্ষিত হ'ব পৰা সকলো সুবিধা লাভ কৰিছিল আৰু তাৰ দ্বাৰা নিজে প্ৰতিভাৰ বিকাশ ঘটাব পাৰিছিল। অৱশ্যে সাধাৰণ নাৰীক উচ্চস্তৰীয় কবিতা ৰচনা কৰিব পৰা শক্তিৰ অধিকাৰিণী কৰি তোলাত ৰাজশেখৰৰ নাৰীৰ প্ৰতি এক উচ্চ মানসিকতাৰ আদৰ্শ থকাৰ কাৰণো হ'ব পাৰে। কিন্তু আদৰ্শ যিয়েই নাথাকক সমাজত নাৰীৰ স্থান যে অৱনমিত নাছিল তাক আমি একেষাৰে ক'ব পাৰোঁ।

*কৰ্পূৰমঞ্জৰী* সট্টকখনিৰ প্ৰথম যৱনিকাত প্ৰকাশ পোৱা বিদূষক বিচক্ষণাৰ কাব্য প্ৰতিযোগিতাৰ বাক-বিতণ্ডাই আকৌ সমাসাময়িক সমাজৰ এটা স্তৰত বৰ্তি থকা ৰুচি জ্ঞানহীন, শালীনতাৰ সীমা চেৰাই যোৱা বাক-ভংগীৰ এটা বিশিষ্ট ধাৰা উদঙাই দেখুৱায়। কিয়নো তেনে

বাক্-বিতণ্ডা বা অমার্জিত কথা কটাকটি সকলো সমাজতে সকলো সময়তে থাকে আৰু স্থান-কাল, পাত্ৰ-পাত্ৰীৰ উপস্থিতিৰ জ্ঞানশূন্য হৈ সীমা চেৰাই যায়। ঠিক তেনেকুৱা এটা পৰিৱেশ ৰাজশেখৰৰ সময়ৰ সমাজতো আছিল। সেয়েহে সেই বাক্-বিতণ্ডাৰ শ্লেষ, কটুক্তিৰ শব্দ-চয়ন অস্বাভাৱিক হোৱা নাই। তাৰ দ্বাৰা সমাজ জীৱনৰে এটি অংগ সুন্দৰভাৱে পৰিস্ফুট হৈ উঠিছে।

*কৰ্পূৰমঞ্জৰী* সংস্কৃতানুগ গুৰু গম্ভীৰ প্ৰাকৃতত ৰচনা হ'লেও, সট্টকখনিৰ কোনো কোনো অংশত বিদূষকৰ সংলাপৰ মাজেদি এনে কিছুমান প্ৰবচন, প্ৰবাদ বাক্য প্ৰকাশ হৈছে যে যিবোৰে নৱম-দশম শতাব্দীৰ জন-সমাজত প্ৰচলিত বাগ্ব্যৱহাৰ সম্পৰ্কে এটা সুন্দৰ আভাস দাঙি ধৰে। যেনে— 'হত্থে কঙ্কনং কিং দপ্পনেণ' অৰ্থাৎ, 'হাতত কংকন থাকোতে দাপোনৰ প্ৰয়োজন কি?' 'সীসে সপ্পো দেসন্তৰে বেজ্জো' — 'মূৰত সাপ, দূৰত বেজ'; 'অকণ্ড কুমভণ্ড' — 'অকাল কুস্মা' ইত্যাদি।

এনেদৰে চৰিত্ৰৰ আৰু সংলাপৰ মাজেদি ক্ষীণভাৱে হ'লেও সামাজিক জীৱনৰ কেতবোৰ দিশ *কৰ্পূৰমঞ্জৰী* নামৰ সট্টকখনিত প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

কৰ্পূৰমঞ্জৰী সট্টকখনত চিত্ৰিত হোৱা সামাজিক জীৱনৰ বিষয়ে আলোচনা কৰক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................
..........................................................................................................
..........................................................................................................

### ৪.৬ মূলপাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা

কবিৰাজ ৰাজশেখৰৰ 'কৰ্পূৰমঞ্জৰী' নাটখন আমাৰ পাঠ্যবিষয় যদিও, ইয়াৰ প্ৰথম 'যৱনিকা'ৰ একাদিক্ৰমে ২২-ৰ পৰা ৩২ নং শ্লোকৰ পাঠহে আমাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত। এই শ্লোককেইটাৰ মূল পাঠ, অসমীয়া ভাঙনি আৰু কঠিন শব্দবোৰৰ ব্যাখ্যা তলত দিয়া হ'ল ঃ

**২২ নং শ্লোক ঃ**

ভৈৰৱানন্দঃ। (কিঞ্চিন্মদমভিনীয়)

মন্তাণ তন্তাণ ণ কিংপি জাণে
ঝাণং চ ণো কিংপি গুৰুপ্পসাআ।
মজ্জং পিআমো মহিলং ৰমামো
মোক্খং চ জামো কুলমগ্গলগ্গা।।

**অসমীয়া ভাঙনি ঃ**

মই মন্ত্ৰও নাজানো, তন্ত্ৰও নাজানো —একোৱেই নাজানো; গুৰুৰ অনুগ্ৰহত ধ্যানৰো আৱশ্যক নাই। কৌলমাৰ্গ অনুসৰণ কৰি মদ খাওঁ, ৰমণী ৰমণ কৰোঁ আৰু মোক্ষপথ লাভ কৰোঁ।

**শব্দগত টোকা ঃ**

মন্তাণ তন্তাণ < মন্ত্ৰাণাং তন্ত্ৰাণাং= মন্ত্ৰ তন্ত্ৰ; সংযুক্ত বৰ্ণত থকা 'ৰ'কাৰৰ লোপৰ ফলত ন্ত্ৰা>ন্তা, অন্ত্য অৱস্থানৰ 'আ'-কাৰ আৰু অনুস্বাৰৰ লোপ।

কিংপি< কিম্অপি = একোৰেই; অন্ত্য 'ম'— কাৰৰ ঠাইত ং।
ঝাণং<ধ্যানম্= ধ্যান; ধ্য>ঝ। অন্ত্য 'ম্'- ৰ ঠাইত ং।
গুৰুপ্পসাআ<গুৰুপ্রসাদাৎ =গুৰুৰ অনুগ্রহত; সমীভৱনৰ ফলত প্র>প্প, স্বৰ মধ্যস্থিত স্পৰ্শ ব্যঞ্জন 'দ'-ৰ লোপ, অন্ত্য ব্যঞ্জনৰ লোপ।
মজ্জং < মদ্যম্=মদ; সমীভৱনৰ ফলত দ্য>জ্জ, অন্ত্য 'ম'-কাৰৰ ঠাইত ং।
মোক্খং < মোক্ষম্=মোক্ষ; ক্ষ>ক্খ (শৌৰসেনীৰ বৈশিষ্ট্য)
কুলমগ্গলগ্গা<কুলমাৰ্গলগ্না= কৌলমাৰ্গ অনুসৰণকাৰী; সমীভৱনৰ ফলত ৰ্গ আৰু গ্ন>গ্গ, সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱতী দীৰ্ঘস্বৰৰ হ্ৰস্বীভৱন মা>ম।

**২৩ নং শ্লোক ঃ**

অবি অ।

ৰণ্ডা চণ্ডা দিক্খিআ ধম্মদাৰা
মজ্জং মংসং পিজ্জএ খজ্জএ অ।
ভিক্খা ভোজ্জং চম্মখণ্ডং চ সেজ্জা
কোলো ধম্মো কস্স ণো ভাই ৰম্মো।।

**অসমীয়া ভাঙনি ঃ**

আৰু —

কৌলধৰ্মত দীক্ষিতা ভ্ৰষ্টা, উগ্ৰস্বভাৱযুক্তা, সকলো নাৰীয়েই মোৰ ধৰ্মপত্নী। মই মদ খাওঁ, মাংস খাওঁ; ভিক্ষাৰে ভোজন কৰোঁ, চৰ্মখণ্ডত শয়ন কৰোঁ এনে কৌলধৰ্ম কাৰনো ৰমণীয় নহয়।।

**শব্দগত টোকা ঃ**

ৰণ্ডা<ৰণ্ডা=ভ্ৰষ্টা, চণ্ডা<চণ্ডা=উগ্ৰা।
দিক্খিআ<দীক্ষিতা=দীক্ষা লোৱা নাৰী; ক্ষ=ক্খ, স্বৰমধ্যস্থিত 'ত'-ৰ লোপ (মাহাৰাষ্ট্ৰীৰ বৈশিষ্ট্য)।
ধম্মদাৰা< ধৰ্মদাৰা=ধৰ্মপত্নী; ৰ্ম>ম্ম (সমীভৱন)।
মংসং <মাংসম্=মঙহ, মাংস; অনুস্বাৰৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰৰ হ্ৰস্বীভৱন, অন্ত্য, 'ম্'>ং।
খজ্জএ <খাদ্যতে=খাওঁ; দ্য>জ্জ (সমীভৱন), স্বৰমধ্যস্থিত 'ত'-ৰ লোপ।
ভিক্খা<ভিক্ষা=ভিক্ষা; ক্ষ>ক্খ।
ভোজ্জং <ভোজ্যং=ভোজন কৰোঁ; জ্য>জ্জ (সমীভৱন)।
চম্মখণ্ডংচ < চৰ্মখণ্ডঞ্চ=চৰ্মৰ টুকুৰাত; ৰ্ম>ম্ম (সমীভৱন), ন্>ং।
সেজ্জা<শয্যা=বিচনা; শ>স, য্য>জ্জ (সমীভৱন)।
কোলো< কৌলো=কৌল।
ধম্মো<ধৰ্মঃ=ধৰ্ম; ৰ্ম>ম্ম (সমীভৱন), অন্ত্য অঃ>ও।
কস্স<কস্য=কাৰ; স্য>স্স (সমীভৱন)।
ভাই<ভাতি=প্ৰতিভাত হোৱা; স্বৰমধ্যস্থিত 'ত'-ৰ লোপ।
ৰম্মো<ৰম্যঃ= ম্য>ম্ম (সমীভৱন), অন্ত্য অঃ>ও।

**২৪ নং শ্লোক ঃ**

কিং চ।

মুত্তিং ভণন্তি হৰিবম্‌হমুহা বি দেৱা
ঝাণেণ ৱেঅপঢণেণ কউক্কিআহিং।
এক্কেণ কেৱলমুমাদইএণ দিট্‌ঠো
মোক্‌খো সমং সুৰঅকেলিসুৰাৰসেহিং।।

**অসমীয়া ভাঙনি ঃ**

আকৌ—

হৰি, ব্ৰহ্মা প্ৰমুখ্যে দেৱতাসকলেও ধ্যান, বেদ পাঠ, যাগযজ্ঞৰ জৰিয়তে মোক্ষলাভ কৰিব পাৰি বুলি কয়। কেৱল উমাপতিয়েহে (শিৱই) কামকেলি আৰু সুৰাপানৰ যোগেদি মোক্ষ লাভ হয় বুলি বিধান দিছে।

**শব্দগত টোকা ঃ**

মুত্তিং<মুক্তিম্=মুক্তি; ক্ত>ত্ত (সমীভৱন), অন্ত্য ম্>ং।

হৰিবম্‌হমুহা<হৰিব্ৰহ্মামুখা=হৰি, ব্ৰহ্মা প্ৰমুখ্যে; হ্ম>হ্‌ম>ম্‌হ (ধ্বনি-বিপৰ্যয়), মহাপ্ৰাণ খ>হ।

ৱেঅপঢণেণ<বেদপঠনেন=বেদপাঠৰ দ্বাৰা; স্বৰমধ্যগত ‘দ’-ৰ লোপ, ঠ>ঢ, ন>ণ (স্বতঃমূৰ্ধন্যীভৱন)।

কউক্কিআহিং<ক্ৰতুক্ৰিয়াভিঃ=যাগ-যজ্ঞৰ দ্বাৰা; আদ্যাক্ষৰৰ সংযুক্ত ‘ৰ’- কাৰৰ লোপৰ ফলত ক্ৰ>ক, স্বৰমধ্যগত ‘ত’- ৰ লোপ, ক্ৰ>ক্ক (সমীভৱন), ভিঃ>হিং।

কেৱলমুমাদইএণ<কেৱলমমাদয়িতেন=কেৱল উমাৰ দয়িত (শিৱ)-ৰ দ্বাৰাহে; ম>মু (একস্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ), স্বৰমধ্যস্থিত ‘ত’- ৰ লোপ, ন>ণ।

দিট্‌ঠো<দৃষ্টঃ=বিধান দিয়া; ঋ>ই, ষ্ট > ট্‌ঠ (সমীভৱন), অন্ত্য অঃ>ও।

সুৰঅকেলিসুৰাৰসেহিং<সুৰতকেলিসুৰাৰসৈঃ=সুৰতিকেলি আৰু সুৰাৰ যোগেদি; স্বৰমধ্যগত ‘ত’- ৰ লোপ, ঐ>এ, স>হ।

**২৫ নং শ্লোক ঃ**

ৰাজা। ইদং আসণং। উবৱিসদু ভেৰাৱণন্দো।
ভৈৰৱানন্দঃ। (উপৱিশ্য) কিং কাদৰ্ৱং।
ৰাজা। কহিং পি ৱিসএ অচ্ছৰিঅং দট্‌ঠংইচ্ছমি।
ভৈৰৱানন্দঃ। দংসেমি তংপি সসিণং বসুহাবইণ্ণং
থম্ভেমি তস্‌স বি ৰইস্‌স ৰহং ণহদ্ধে।
আণেমি জক্‌খসুৰসিদ্ধগণঙ্গণাও
তং ণত্থি ভূমিবলএ মহজংণ সজ্ঝং।।

**অসমীয়া ভাঙনি ঃ**

ৰজা। এয়া আসন। ভৈৰৱানন্দ বহক।
ভৈৰৱানন্দ। (বহি) মই কি কৰিব লাগিব?
ৰজা। কিবা এটা বিস্ময়জনক ঘটনা চাবলৈ ইচ্ছা কৰিছোঁ।
ভৈৰৱানন্দ। মই চন্দ্ৰক পৃথিৱীলৈ নমাই আনিব পাৰোঁ; আকাশৰ মাজ পথত সূৰ্যৰ ৰথ

ৰখাব পাৰোঁ; যক্ষ, দেৱতা অথবা সিদ্ধসকলৰ ৰমণীকো ইয়ালৈ লৈ আহিব পাৰোঁ; এই পৃথিৱীত মোৰ অসাধ্য একো নাই। এতিয়া কওঁক কি কৰিব লাগে।

**শব্দগত টোকা ঃ**

উবৰিসদু<উপৰিশতু=বহক; প>ব, শ>স, স্বৰমধ্যস্থিত ত>দ (শৌৰসেনীৰ বৈশিষ্ট্য)।

ভেৰৱাণন্দো <ভৈৰৱানন্দঃ=ভৈৰৱানন্দ; ঐ>এ, ন>ণ, অন্ত্য অঃ>ও।

কাদব্বং <কৰ্তব্যম্=কৰিবলগীয়া কাম; সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱতী হ্ৰস্বৰ 'অ'-ৰ দীৰ্ঘস্বৰ 'আ'-লৈ পৰিৱৰ্তন, ত>দ (শৌৰসেনীৰ বৈশিষ্ট্য), ব্য >ব্ব (সমীভৱন), অন্ত্য ম্>ং।

কহিংপি<কস্মিন্নপি=কোনো এটা; স>হ, ন্>ং।

অচ্ছৰিঅং <আশ্চৰ্যম্=আচৰিত ঘটনা; শ্চ>চ্ছ, আ>অ, ৰ্য>ৰিঅ, অন্ত্য ম্>ং।

দট্ঠুংইচ্ছমি<দ্ৰষ্টুমিচ্ছামি=চাবলৈ ইচ্ছা কৰোঁ; আদ্যক্ষৰৰ সংযুক্ত 'ৰ'- কাৰৰ লোপ, ষ্ট>ট্ঠ (সমীভৱন), ম্ > ং।

দংসেমি<দৰ্শয়ামি=চাব পাৰোঁ; কৰাব পাৰোঁ।

বসুহাৰইন্নং<বসুধাৰতীৰ্ণ= পৃথিৱীত অৱতীৰ্ণ কৰা; মহাপ্ৰাণ ধ>হ, স্বৰমধ্যগত 'ত'-ৰ লোপ, ৰ্ণ>ন্ন (সমীভৱন), ঈ>ই।

থম্ভোমি< স্তভ্ণামি=ৰখাব পাৰোঁ; স্ত>থ, ভ্ণ>ম্ভ (সমীভৱন আৰু ধ্বনি-বিপৰ্যয়)।

ৰইস্স < ৰবেঃ/ৰবিস্য=সূৰ্যৰ; স্বৰমধ্যস্থিত 'ব'-ৰ লোপ, স্য>স্স (সমীভৱন)।

ণহদ্ধে< নভোহৰ্দ্ধে=আকাশৰ মাজত; মহাপ্ৰাণ ভ>হ, ৰেফৰ লোপ।

জক্খসুৰসিদ্ধগণঙ্গণাও<যক্ষসুৰসিদ্ধগণাঙ্গঁনা=যক্ষ, দেৱতা, সিদ্ধসকলৰ ৰমণীক; য>জ, ক্ষ>ক্খ, ন>ণ।

সজ্ঝং< সাধ্যম্=সাধ্য; ধ্য>জ্ঝ (সমীভৱন), অন্ত্য ম্>ং।

কৰীঅদু< কৃত্বাম্=কৰিব লাগে। ঋ > অ, ত্বা>ঈঅ।

**২৬ নং শ্লোক ঃ**

ৰাজা। (বিদূষকং বিলোক্য) বঅস্স ভণ। কহিং পি অপূব্বং দিট্ঠং মহিলাৰদণং।

বিদূষক। অত্থি এত্থ দক্খিণাবধে বচ্ছোমং ণাম ণঅৰং। তহিং মএ এক্কং কণ্ণাৰদং দিট্ঠং। তং ইধ আণীঅদু।

ভৈৰৱানন্দ। আণিঅদি।

ৰাজা। আৰদাৰীঅদু পুণ্ণিমাহৰিণঙ্কো ধৰণীদলে।

(ভৈৰৱানন্দো ধ্যানং নাটয়তি। ততঃ প্ৰৱিশতি পটাক্ষেপেণ নায়িকা। সৰ্বেহৱলোকয়ন্তি)

ৰাজা। অহহ অচ্ছৰিঅং অচ্ছৰিঅং।

জং ধোঅঞ্জণসোণলোঅণজুঅং লগ্গালঅগ্গং মুহং
হত্থালম্বিঅকেসপল্লৱচএ দোলন্তি জং বিন্দুণো
জং এক্কং সিঅঅঞ্চলং ণিৱসিঅং তং ণ্হাণকেলিট্ঠিআ
আণীআ ইঅমব্ভুএক্কজণণী জোঈসৰেণামুণা।।

**অসমীয়া ভাঙনি ঃ**

ৰজা। (বিদূষকৰ ফালে চাই), সখা কোৱা চোন- ক'ৰবাত অপূৰ্ব সুন্দৰী ৰমণীৰত্ন তোমাৰ চকুত পৰিছেনেকি?

বিদূষক। দক্ষিণাপথত বিদৰ্ভ নামে এক নগৰ আছে; তাতে মই এক ৰমণীৰত্ন দেখিছিলোঁ- তেওঁকেই ইয়ালৈ অনা হওক।

ভৈৰৱানন্দ। অনা হ'ব।

ৰজা। অঁ, সেই পূৰ্ণিমাৰ চন্দ্ৰকেই পৃথিৱীলৈ নমাই আনক।

(ভৈৰৱানন্দই ধ্যান কৰাৰ অভিনয় কৰে। তাৰ পিছত আঁৰকাপোৰ আঁতৰাই নায়িকাৰ প্ৰৱেশ। সকলোৱে চাই থাকে।)

ৰজা। আহা! আচৰিত, আচৰিত।
যাৰ কাজলখিনি ধুই দিয়াত চকু দুটি ৰঙা পৰিছে, মুখমণ্ডলত কুঞ্চিত চুলিৰ আগ লাগি আছে; হাতেৰে ধৰি পল্লৱ-সদৃশ ওলমি থকা চুলিকোচাত জলবিন্দু দুলি আছে আৰু পৰিধাণ কৰা বস্ত্ৰৰো এটি মূৰহে মাথোন যাৰ গাত লাগি আছে; স্নান-কেলিৰতা, বিস্ময় উদ্ৰেক কাৰিণী, এই নাৰীকেই বোধহয় যোগীশ্বৰে ইয়ালৈ লৈ আহিছে।

**শব্দগত টোকা ঃ**

বঅস্স<বয়স্য=সখা; স্য>স্স (সমীভৱন)।
অপূৰ্ব্বং< অপূৰ্বম্=অপূৰ্ব; ৰ্ব-ব্ব (সমীভৱন), অন্ত্য ম্>ং।
মহিলাৰদণং< মহিলাৰত্নম্=ৰমণীৰত্ন; ৰত্ন>ৰদণ (স্বৰভক্তি), ত>দ, ন>ণ, অন্ত্য ম্>ং।
দক্খিণাবধে <দক্ষিণাপথে=দক্ষিণ-দিশৰ; ক্ষ>ক্খ, প>ব, থ>ধ (সঘোষীভৱন)।
বচ্ছোমং <বৈদৰ্ভং=বিদৰ্ভ।
ণঅৰং <নগৰম্=নগৰ; স্বৰমধ্যস্থিত স্পৰ্শব্যঞ্জন 'গ'- ৰ লোপ (মাহাৰাষ্ট্ৰীৰ বৈশিষ্ট্য)।
কণ্ণাৰদং <কন্যাৰত্নং=সুন্দৰী কন্যা; ন্য>ণ্ণ (সমীভৱন, মূৰ্ধণ্যীভৱন)।
আণীঅদু< আনীয়তাম্=অনা হওক।
অৱদাৰীঅদু<অৱতাৰ্যতাম্=নমাই আনক; ত>দ, ৰ্য>ঈঅ।
পুণ্ণিমাহৰিণঙ্কো<পূৰ্ণিমাহৰিণাঙ্কঃ=পূৰ্ণিমাৰ জোনটোক; ৰ্ণ>ণ্ণ (সমীভৱন), অন্ত্যঅঃ>ও, সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী আ>অ।
ধৰণীদলে<ধৰণীতলে=পৃথিৱীলৈ; স্বৰমধ্যগত ত>দ।
অচ্ছৰিঅং<আশ্চৰ্যম্=বিস্ময়কৰ; শ্চ>চ্ছ, ৰ্য>ইঅ।
ধোঅঞ্জণসোণলোঅণজুঅং<ধৌতাঞ্জনশোণলোচনযুগং=অঞ্জন ধোৱাৰ ফলত ৰঙা পৰা চকু; ঔ>ও, 'ত'-ৰ লোপ, শ>স, স্বৰমধ্যগত 'চ'-ৰ লোপ, ন>ণ, য>জ।
লগ্গালঅগ্গং<লগ্নালকাগ্ৰম্=অলকাৰে আগ লাগি আছে; গ্ন > গ্গ (সমীভৱন), 'ক'-ৰ লোপ, গ্ৰ > গ্গ (সমীভৱন), ম্>ং।
মুহং < মুখম্=মুখত; মহাপ্ৰাণ খ>হ, অন্ত্য ম্>ং।
হত্থালম্বিঅকেসপল্লৱচএ< হস্তালম্বিতকেশপল্লৱচয়ে=পল্লৱৰ দৰে দীঘল চুলিকোচা হাতেৰে ধৰি থকা; স্ত>খ (সমীভৱন), 'ত'-ৰ লোপ, শ>স।
সিঅঅঞ্চলং <সিচয়াঞ্চলং=তিতা কাপোৰ; স্বৰমধ্যগত 'চ'-ৰ লোপ, সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী আ>অ।

ণিৱসিঅং< ণিবসিতম্=পৰিধান কৰা।

ণহাণকেলিট্‌ঠিআ<স্নানকেলিস্থিতা=স্নানকেলি কৰি থকা; সৃ >হ্‌ন>ণ্‌হ (ধ্বনি-বিপৰ্যয়), স্থ>ট্‌ঠ (সমীভৱন আৰু স্বতঃমূৰ্ধণ্যীভৱন), 'ত'-ৰ লোপ।

ইঅমব্‌ভুএক্কজণণী< ইয়মদ্ভুতৈক জননী=বিস্ময় উদ্ৰেককাৰী এগৰাকীক; দ্ভ>ব্‌ভ (সমীভৱন), এক>এক্ক (একক ব্যঞ্জনৰ ঠাইত সংযুক্ত ব্যঞ্জন), ন>ণ।

জোঈসৰেণামুণা<যোগীশ্বৰেণামুনা=যোগীশ্বৰে (ভৈৰৱানন্দই) লৈ আহিছে; য>জ, স্বৰমধ্যগত 'গ'-ৰ লোপ, শ্ব>স।

**২৭ নং শ্লোক ঃ**

অবি অ।

এক্কেণ পাণিণলিণেণ ণিৰেসঅন্তী
পোত্তঞ্চলং ঘণথণখলসংসমাণং।
চিত্তে লিহিজ্জই ণ কস্‌স বি সংজমন্তী
অণ্ণেণ চঙ্কমণও চলিঅং কডিল্লং।।

**অসমীয়া ভাঙনি ঃ**

তদুপৰি,

শতদল সদৃশ এক হাতেৰে স্তন যুগলৰ পৰা খহি পৰিব খোজা কাপোৰৰ আগটো ধৰি ৰাখিছে; আনখন হাতেৰে খোজৰ লহৰৰ বাবে পিচলি পিচলি পৰিব খোজা কঁকালৰ কাপোৰ সামৰিছে। এনে অৱস্থাৰ এই নায়িকাক কোনেও অংকন কৰিব নোৱাৰে।

**শব্দগত টোকা ঃ**

পোওঞ্চলং < পোত্ত (দেশী শব্দ) + অঞ্চলম্ = চাদৰৰ আগ।

ঘণথণখলসংসমাণং<ঘনস্তনস্থল স্ৰংসৎ=ঘন স্তন যুগলৰ পৰা খহিপৰা; ন>ণ, স্ত>থ, স্ত>খ (সমীভৱন), সংযুক্ত 'ৰ'- কাৰৰ লোপ, অন্ত্য ব্যঞ্জনৰ লোপ।

লিহিজ্জই < লিখ্যতে=অংকন কৰা; মহাপ্ৰাণ খ>হ, ইয় > ইজ্জ, আত্মনেপদ তে > পৰস্মৈপদ ই ('ত'- ৰ লোপ)।

চঙ্কমণও<চংক্ৰমণাৎ=খোজৰ লহৰত পিচলি পৰা; ক্ৰ>ক, অন্ত্যব্যঞ্জনৰ লোপ।

কডিল্লং < দেশীশব্দ=কঁকালৰ বসন (মেখেলা)।

**২৮ নং শ্লোক ঃ**

বিদূষক। ণহাণাৰ মুক্কাহৰণুচ্চআএ তৰঙ্গভঙ্গক্‌খঅমণ্ডণাএ।
ওল্লংসুওল্লাসিতণুল্লআএ সুন্দেৰসব্ব্‌স্‌সমিএ দিট্‌ঠী।।

**অসমীয়া ভাঙনি ঃ**

বিদূষক। স্নানৰ কাৰণে সকলো আভৰণ সোলোকাই থৈছে। পানীৰ খলখলনিত মণ্ডিত প্ৰসাধন উটি গৈছে; তিতা কাপোৰ গাত লিপিত খাই থকাৰ বাবে তেওঁৰ শৰীৰটো সকলো সৌন্দৰ্যৰ আকাৰ হৈ পৰিছে।

**শব্দগত টোকা ঃ**

ণহাণাৰমুক্কাহৰণু<স্নানাৰমুক্তাৰভৰণো=গা ধুবৰ বাবে আভৰণ সোলোকাই থোৱা; স্ন>ণ্হ, ক্ত>ক্ক (সমীভৱন), মহাপ্ৰাণ ভ>হ, ও>উ।

তৰঙ্গঁভঙ্গঁক্‌খঅমণ্ডণাএ<তৰঙ্গঁভঙ্গঁক্ষতমণ্ডনায়াঃ= পানীৰ খলকনিত প্ৰসাধন উটি যোৱা; ক্ষ > ক্‌খ, 'ত'-ৰ লোপ, ন>ণ।

ওল্লংসুওল্লাসিতণুল্লআএ< আৰ্দ্ৰাংশুকোল্লাসিতনুলতায়াঃ =তিতা কাপোৰৰ বাবে দেহলতা প্ৰকাশিত; ৰ্দ্ৰ>ল্ল (অন্যোন্য সমীভৱন), 'ক'-ৰ লোপ, 'ত'-ৰ লোপ।

সুন্দেৰসব্ব্‌স্‌সমিএ<সৌন্দৰ্যসৰ্বস্বম্=সৌন্দৰ্যৰ আকৰ; ঔ>উ, ৰ্ব>ব্ব, স্ব>স্‌স (সমীভৱন)।

**২৯ নং শ্লোক ঃ**

নায়িকা। (সৰ্বাণৰলোক্য, স্বাগতম্)

এসো মহাৰাও কোবি ইমিণা গম্ভীৰমহুৰেণ সোহাসমুদএণ জাণীঅদি। এসা বি এদস্‌স মহাদেৱী তৰ্কীঅদি। অদ্ধণাৰীস্‌সৰস্‌স বামদ্ধে অকধিদো বি গোৰী মুণীঅদি। এসো বি জোঈসৰো। এস উণ পৰিঅণো। (বিচিন্ত্য) তা কিং তি এদস্‌স দইদাসহিদস্‌স বি দিট্‌ঠী মং বহু মণ্ণেদি। (ইতি ত্ৰ্যস্ৰং বীক্ষ্যতে)।

ৰাজা। (বিদূষকমপবাৰ্য্য)

জং মুক্কা সৰণন্তৰেণ সহসা তিক্‌খা
কডক্‌খচ্ছডা ভিঙ্গাঅড্‌টিঅকেঅঅগ্‌গিম দলদ্দোণী সৰিচ্ছচ্ছবী।
তং কপ্‌পূৰৰসেণ ণং ধৱলিও জোণ্‌হাএণং ণ্হাবিও
মুত্তাণং ঘণৰেণুণব্ব ছুৰিও জাওম্‌হি এত্থন্তৰে।।

**অসমীয়া ভাঙনি ঃ**

নায়িকা। (সকলোকে চাই, মনতে)

এয়া বোধহয় ৰজা, গুৰু গম্ভীৰ অথচ মধুৰ সৌন্দৰ্য সম্ভাৰ দেখিয়েই বুজা যায়। এয়া তেওঁৰ পত্নী- হৰৰ বাওঁফালে থকা ৰমণী গৌৰী বুলি নক'লেও জানি। এওঁ যোগীশ্বৰ আৰু এইসকল পাৰিষদ (পৰিজন)। (চিন্তা কৰি) কিন্তু নিজৰ স্ত্ৰীৰ সৈতে থকা সত্বেও তেওঁ মোক বিমুগ্ধ দৃষ্টিৰে চাইছে (এই বুলি ভয়েৰে চালে)।

ৰজা। (বিদূষকৰ কাষ চাপি মনে মনে)

ভোমোৰা আকৃষ্ট কেতেকীফুলৰ পাহিৰ দৰে তেওঁৰ এটি কটাক্ষ দৃষ্টি কাণৰ কাষেৰে মোৰ ওপৰত নিক্ষেপিত হ'ল;

(সেইবাবে মোৰ মনত এনেহে লাগিছে) মই যেন কৰ্পূৰ ৰসেৰে ধৱলিত হৈ পৰিলোঁ, জোনাকত যেন গা ধুলোঁ; মুকুতাৰ ঘন ৰেণুৰে যেন ৰঞ্জিত হৈ পৰিলোঁ।

**শব্দগত টোকা ঃ**

গম্ভীৰমহুৰেণ<গম্ভীৰমধুৰেণ=গম্ভীৰ-মধুৰ; মহাপ্ৰাণ ধ>হ।

সোহাসমুদএণ< শোভাসমুদয়েন=সৌন্দৰ্য-সম্ভাৰ; শ>স, মহাপ্ৰাণ ভ>হ, 'য়'-ৰ লোপ, ন>ণ।

জাণীঅদি< জ্ঞায়তে=জনা যায়, য় > ঈঅ, আত্মনেপদ তে>পৰস্মৈপদ দি (ত>দ=শৌৰসেনীৰ বৈশিষ্ট্য)।

অদ্ধণাঅৰীস্সৰস্স< অৰ্দ্ধনাৰীশ্বৰস্য=অৰ্ধনাৰীশ্বৰৰ বা শিৱৰ; ৰেফৰ লোপ, ন>ণ, শ্ব, স্য>স্স (সমীভৱন)।

অকধিদো<অকথিতঃ=নক'লেও, থ>ধ (সঘোষীভৱন) ত>দ, অন্ত্য অঃ>ও।

মুণীঅদি<জ্ঞায়তে=জনা যায়।

জোঈসৰো<যোগীশ্বৰঃ=যোগীশ্বৰ (ভৈৰৱানন্দ); য>জ, ‘গ’-ৰ লোপ, শ্ব>স, অন্ত্য অঃ>ও।

পৰিঅণো<পৰিজনঃ=পৰিজন (পৰিষদ), ‘জ’-ৰ লোপ, অন্ত্য অঃ>ও।

দইদাসহিদস্স<দয়িতাসহিতস্য=সস্ত্ৰীক; ত>দ, স্য>স্স (সমীভৱন)।

মণ্ণেদি<মন্যতে =মন দিয়া; ন্য>ণ্ণ, তে>দি (আত্মনেপদ বিভক্তিৰ ঠাইত পৰস্মৈপদ)।

মুক্কা<মুক্তা=নিক্ষিপ্ত হৈ; ক্ত>ক্ক।

সৱণন্তৰেণ< শ্ৰৱণান্তৰেণ = কাণৰ কাযেৰে; আদি অৱস্থানৰ সংযুক্ত ‘ৰ’- কাৰৰ লোপ, সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী দীৰ্ঘ আ>হ্ৰস্ব অ।

তিক্খা<তীক্ষ্ণ=তীক্ষ্ণ; ক্ষ্ণ>ক্ষ>ক্খ।

কডক্খচ্ছডা<কটাক্ষচ্ছটা=কটাক্ষ দৃষ্টি; ট>ড, ক্ষ>ক্খ।

ভিঙ্গাঁঅড্ঢিঅ-কেঅঅগ্গিমদলদ্দোণীসৰিচ্ছচ্ছবী<ভৃঙ্গাঁকৃষ্টকেতক অগ্ৰিমদলদ্ৰোণী-সদৃক্ষচ্ছবিঃ =ভোমোৰাক আকৰ্ষণ কৰা কেতেকীফুলৰ পাহিৰ আগটোৰ দৰে; ঋ>ই, ঋ>অ, ষ্ট>ড্ঢ, ‘ত’ আৰু ‘ক’-ৰ লোপ, গ্ৰ>গ্গ (সমীভৱন), দ্ৰ>দ্দ (সমীভৱন), ঋ>ৰি, ‘দ’-ৰলোপ, ক্ষ>চ্ছ (মাহাৰাষ্ট্ৰীৰ বৈশিষ্ট্য)।

কপ্পূৰৰসেণ<কৰ্পূৰৰসেন=কৰ্পূৰ ৰসেৰে; ৰ্প>প্প (সমীভৱন), ন>ণ।

ধৱলিও<ধৱলিতঃ=ধৱলিত হোৱা; ‘ত’-ৰ লোপ, অন্ত্য অঃ>ও।

জোণ্হা< জ্যোৎস্না=জোনাক; জ্যো>জো, ‘ৎ’-ৰ লোপ, স্ন>হ্ন>ণ্হ (ধ্বনি-বিপৰ্যয়)।

মুত্তাণং< মুক্তানাম্=মুকুতাৰ; ক্ত>ও (সমীভৱন), অন্ত্য ম্>ং, সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী দীৰ্ঘ আ>হ্ৰস্ব অ।

ঘণৰেণুণৰ্ব্ব<ঘনৰেণুনেব=ঘনৰেণুৰে; ন>ণ।

জাওম্হি এখন্তৰে<জাতোহস্ম্যত্ৰান্তৰে= ৰঞ্জিত হৈ পৰিলোঁ; ‘ত’-ৰ লোপ, স্ম>হ্ম>ম্হ (ধ্বনি-বিপৰ্যয়), ত্ৰ>থ (সমীভৱন)।

**৩০ নং শ্লোক ঃ**

অহো সে ৰূবসোহা।

মণ্ণে মজ্ঝং তিৰলিবলিঅং ডিম্ভ মুট্ঠীঅ গেজ্ঝং
ণো বাহূহিং ৰমণফলঅং বেঢ়িউং জাই দোহিং।
ণেত্তক্খেত্তং তৰুণপসঈদিজ্জমাণোবমাণং
তা পচ্চক্খং মহ বিলিহিউং জাই এসা ণা চিত্তে।।

**অসমীয়া ভাঙনি ঃ**

এই ৰূপ-শোভা কেনে চমৎকাৰ!

ভাব হয় এওঁৰ ত্ৰিৱলী-শোভিত কঁকালটি শিশুৰ হাতৰ মুঠিৰেও যেন ধৰিব পৰা যাব, কিন্তু বিস্তৃত জঘন প্ৰদেশ দুই হাতেৰেও আকোঁৱালি ধৰিব পৰা নাযাব। এওঁৰ দুই নয়নৰ তুলনা তৰুণৰ হাতৰ তলুৱাৰ লগতহে হয়। মই এওঁক মোৰ চকুৰ আগত যেনে ধৰণে দেখা পাইছোঁ, তেনে যথাৰ্থ ৰূপত কোনো চিত্ৰকৰেই চিত্ৰত অঙ্কন কৰিব নোৱাৰিব।

**শব্দগত টোকা ঃ**

অহো সে ৰূবসোহা<অহো অস্যাৰূপশোভা=আহ! কি চমৎকাৰ ৰূপৰ শোভা; প>ব, শ>স, মহাপ্ৰাণ ভ>হ।

মজ্ঝং<মধ্যম্=মাজভাগ, অৰ্থাৎ কঁকাল; ধ্য>জ্ঝ (সমীভৱন), অন্ত্য ম্>ং।

তিৱলিবলিঅং<ত্ৰিৱলিবলিতং=পেটত পৰা তিনিটা ভাঁজেৰে শোভিত; আদি অৱস্থানৰ সংযুক্ত 'ৰ'- কাৰৰ লোপ, 'ত'-ৰ লোপ।

ডিম্ভমুট্‌ঠীঅ<ডিম্বমুষ্ট্যা=শিশুৰ মুঠিতে; ম্ব>ম্ভ (সমবৰ্গীয় সমীভৱন), ষ্ট>ট্‌ঠ (সমীভৱন, য্যা>ঈঅ।

গেজ্ঝং<গ্ৰাহ্যম্=ধৰিব পৰা যায়; আদি অৱস্থানৰ গ্ৰ>গ, হ্য>জ্ঝ (সমীভৱন), অন্ত্য ম্>ং।

ৰমণফলঅং<ৰমণফলকম্=নিতাম্বদেশ।

বেঢ়িউং<বেষ্টিয়িতুম্=আকোঁৱালি ধৰিব পৰা; ষ্ট>ঢ়, 'ত'-ৰ লোপ, অন্ত্য ম্>ং।

দোহিং<দ্বাভ্যাম্=দুই; দ্বা>দো, ভ্যাম্>হিং।

ণেত্তক্‌খেত্তং<নেত্ৰক্ষেত্ৰম্=চকুৰ বিস্তৃতি; ত্ৰ>ত্ত, ক্ষ>ক্‌খ, অন্ত্য ম্>ং।

তৰুণপসঈদিজ্জমাণোবমাণং<তৰুণপ্ৰসৃতিদীয়মানোপমানম্=তৰুণৰ মেলি দিয়া হাতৰ তলুৱাৰ দৰে; ঋ>অ, ঈয়>ইজ্জ, ত>দ, প>ব, ন>ণ, অন্ত্য ম্>ং।

পচ্চক্‌খং<প্ৰত্যক্ষম্=প্ৰত্যক্ষ কৰা, দেখা; ত্য>চ্চ (অন্যোন্য সমীভৱন), ক্ষ>ক্‌খ।

বিলিহিউং<বিলিখিতুম্=অঙ্কন কৰা; মহাপ্ৰাণ খ>হ, 'ত'-ৰ লোপ, অন্ত্য ম্>ং।

**৩১ নং শ্লোক ঃ**

বিদূষক। কধং ণ্হাণধোদবিলেৱণা ৱি সমুত্তাৰিদভূসণাৱি ৰমণিজ্জা

অহ বা

ৰূবেণ মুক্কা বি বিহূসঅন্তি, তাণং অলঙ্কাৰৰসেণ সোহা।
ণিসগ্‌গচঙ্গস্‌স বি মানুসস্‌স সোহা সমুম্মীলই ভূসণেহিং।।

**অসমীয়া ভাঙনি ঃ**

বিদূষক। গা ধোওঁতে সকলো প্ৰসাধন উটি গ'লেও, সমস্ত আভৰণ গাৰ পৰা আঁতৰাই ৰাখিলেও তেওঁক কেনে সুন্দৰ দেখা গৈছে। অথবা কুৰূপাই নিজক অলঙ্কৃত কৰি তাৰ যোগেদি নিজৰ শোভা বৃদ্ধি কৰে; অলঙ্কাৰে স্বভাৱ সুন্দৰীসকলৰ শোভা দুগুণে বঢ়ায়।।

**শব্দগত টোকা ঃ**

ণ্হাণধোদবিলেৱণা<স্নানধৌতবেলপনা=গা ধোওঁতে প্ৰসাধন উটি যোৱা; স্নান>ণ্হান (স্না>ণ্হ =ধ্বনি-বিপৰ্যয়); ঔ>ও, ত>দ, প>ৱ।

সমুত্তাৰিদভূসণা<সমুত্তাৰিতভূষণা=সমস্ত আভৰণ আঁতৰাই থোৱা; ত>দ, ষ>স।

বিহূসঅন্তি<বিভূষয়ন্তি=বিভূষিত কৰে; মহাপ্ৰাণ ভ>হ, ষ>স।

ণিসগ্‌গচঙ্গস্‌সবি<নিসৰ্গচঙ্গস্যাপি=স্বভাৱ সুন্দৰ; ৰ্গ>গ্‌গ (সমীভৱন), চঙ্গ (দেশী শব্দ), স্য>স্‌স, প>ব।

সমুম্মীলই<সমুন্মীলতি=বিকশিত হয়।

**৩২ নং শ্লোক ঃ**

রাজা। এদা এ দাব এদং। জদো।
লাৰণ্ণংণৱজচ্চ কঞ্চণণিহং ণেত্তাণং দিহত্তণং
কণ্ণেহিং খলিঅং কবোলফলআ দোখণ্ডচন্দোবমা।
এসা পঞ্চসৰেণ কড্ঢিঅধণুদ্দণ্ডেণ ৰক্খিজ্জএ
জেণং সোসণংমোহণপ্পহুইণো বিদ্ধন্তি মং মগ্গণা।।

**অসমীয়া ভাঙনি ঃ**

ৰজা। এৰা, এওঁৰ ক্ষেত্ৰত এই কথাও খাটে। কিয়নো— এওঁৰ সৌন্দৰ্য নতুন সোণৰ দৰে; চকু দুটি কাণলৈকে বিয়পি পৰা; গাল দুখন দুফাল কৰা চন্দ্ৰৰ দৰে; পঞ্চশৰ মদনে সজ্জিত ধনুৰে এওঁকেই ৰক্ষা কৰিছে; সেয়েহে শোষণ, মোহন প্ৰভৃতি শৰৰ দ্বাৰা মই বিদ্ধ হৈ পৰিছোঁ।

**শব্দগত টোকা ঃ**

এদা এ দাব এদং<এতস্যাস্তাৱদেতৎ=এই কথা তেওঁৰ ক্ষেত্ৰতো খাটে।
লাৰণ্ণং<লাৱণ্যম্=ৰূপৰ জেউতি; ণ্য>ণ্ণ (সমীভৱন), অন্ত্য ম্>ং।
ণৱজচ্চ কঞ্চণণিহং<নৱজাত্য-কাঞ্চন-নিভং=নতুন সোণৰ দৰে; ত্য>চ্চ (অন্যোন্য সমীভৱন), ন>ণ, মহাপ্ৰাণ ভ>হ।
ণেত্তাণং দীহত্তণং < নেত্ৰয়ো দীৰ্ঘত্বম= নয়নযুগলৰ বিস্তৃতি; ন>ণ, ত্ৰ>ত্ত, ত্ব>ত্ত (সমীভৱন), ৰ্ঘ>ঘ>হ।
কণ্ণেহিং <কৰ্ণাভ্যাম্=কাণলৈকে; মহাপ্ৰাণ ভ>হ, ৰ্ণ>ণ্ণ (সমীভৱন)।
কবোলফলআ<কপোলফলকে=গাল দুখন; প>ব।
দোখণ্ডচন্দোবমা<দ্বিখণ্ডচন্দ্ৰোপমা=দুফাল কৰা জোনটোৰ দৰে; দ্বি>দো, ন্দ্ৰ>ন্দ ('ৰ'-কাৰৰ লোপ), প>ব।
কড্ঢিঅ<কৃষ্ট=আকৰ্ষিত; ঋ>অ, ষ্ট>ড্ঢ।
ৰক্খিজ্জএ<ৰক্ষ্যতে=ৰক্ষা কৰিছে; ক্ষ>ক্খ, য(য়)>ইজ্জ, 'ত'-ৰ লোপ।
সোসণমোহণপ্পহুইণো<শোষণ-মোহন প্ৰভৃতয়ো= শোষণ-মোহন আদি (মদনৰ শৰ); শ, ষ>স, ন>ণ, প্ৰ>প ('ৰ'-কাৰৰ লোপ), ঋ>উ, মহাপ্ৰাণ ভ>হ।
মগ্গণা<মাৰ্গণাঃ=শৰৰ ; ৰ্গ>গ্‌গ (সমীভৱন), সংযুক্ত ব্যঞ্জনৰ পূৰ্ববৰ্তী দীৰ্ঘ আ>হ্ৰস্ব অ।

## ৪.৭ সাৰাংশ (Summing Up)

কবি ৰাজশেখৰে *কৰ্পূৰমঞ্জৰী* নাটখনিত চৰিত্ৰসমূহৰ নামকৰণৰ ক্ষেত্ৰত প্ৰত্যেক চৰিত্ৰৰ লগত সেই চৰিত্ৰটোৰ কাম-কাজৰ এক সামঞ্জস্য ৰক্ষা কৰি সফলভাৱে ৰূপায়ণ কৰিছে। সিদ্ধ পুৰুষ ভৈৰৱানন্দ চৰিত্ৰটোৰ যোগেদি নাটকীয় কাহিনী সুন্দৰ ৰূপত আগবঢ়াই নিছে।

নাটখনিত প্ৰয়োগ কৰা ভাষাও বিশেষ বৈশিষ্ট্যপূৰ্ণ। শৌৰসেন প্ৰাকৃতক মূল হিচাপে লৈ মাহাৰাষ্ট্ৰী তথা আন আন প্ৰাকৃতৰ সংমিশ্ৰণত সৃষ্টি কৰা এটা কৃত্ৰিম প্ৰাকৃত ভাষাত ৰাজশেখৰে ৰচনা কৰিছে। এই প্ৰাকৃত ভাষাক পণ্ডিতসকলে *ৰাজশেখৰী* অথবা *আৱন্তী* প্ৰাকৃত বুলি অভিহিত কৰিছে।

সট্টকখনিত সামাজিক জীৱনৰ চিত্ৰ স্পষ্ট ৰূপত দেখা নাযায় যদিও, ভৈৰৱানন্দ চৰিত্ৰ আৰু বিদূষক, বিচক্ষণাৰ বাক্-বিতণ্ডাৰ মাজেদি সেই সময়ৰ সমাজ জীৱনত প্ৰচলিত কেতবোৰ দিশ ইয়াৰ মাজেৰে পৰিস্ফুত হৈছে।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) ‘কৰ্পূৰমঞ্জৰী’ৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰক।

(২) ‘কৰ্পূৰমঞ্জৰী’ৰ কাহিনীভাগ চৰিত্ৰসমূহৰ কাম-কাজৰ মাজেৰে কেনেদৰে আগবাঢ়ি গৈছে? বুজাই লিখক।

(৩) ‘কৰ্পূৰমঞ্জৰী’ত প্ৰয়োগ হোৱা ভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(৪) ‘কৰ্পূৰমঞ্জৰী’ৰ ভাষাত কি কি প্ৰাকৃতৰ বৈশিষ্ট্য পৰিলক্ষিত হয়?

(৫) ‘কৰ্পূৰমঞ্জৰী’ নাটখনত সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে পৰিস্ফুট হৈ উঠিছে এই সম্পৰ্কে এটা আলোচনা আগবঢ়াওক।

(৬) কবিৰাজ ৰাজশেখৰৰ ‘কৰ্পূৰমঞ্জৰী’ নাটখনৰ কাহিনী আৰু চৰিত্ৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰক।

(৭) **চমুটোকা লিখক ঃ**
‘কৰ্পূৰমঞ্জৰী’ৰ ভাষা, ৰাজশেখৰী প্ৰাকৃত, বিদূষক, বিচক্ষণা, ভৈৰৱানন্দ।

## ৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


**অসমীয়া ঃ**

মুকুন্দ মাধৱ শৰ্মা (অনু.) ঃ *কৰ্পূৰমঞ্জৰী*
সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী ঃ *প্ৰাকৃত পাঠ মঞ্জুষা*
নগেন ঠাকুৰ ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন*
(——) ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ-ভাষা আৰু সাহিত্য*
লীলাৱতী শইকীয়া বৰা ঃ *ভাষা সাহিত্যৰ সুবাস*
প্ৰসন্ন ৰাম দাস ঃ *পালি-প্ৰাকৃত ভাষা আৰু সাহিত্য*
কেশৱানন্দ দেৱ গোস্বামী
ভীমকান্ত বৰুৱা। ঃ *প্ৰাকৃত পাঠ*
কামাখ্যাচৰণ ভাগৱতী ঃ *সংস্কৃত নাট্য সাহিত্য*

**বাংলা ঃ**

মনোমহন ঘোষ ঃ *কৰ্পূৰমঞ্জৰী*
কৰুণাসিন্ধু দাস ঃ *সংস্কৃত সাহিত্য পৰিক্ৰমা*
পৰেশচন্দ্ৰ ভট্টাচাৰ্য্য ঃ *সংস্কৃত সাহিত্যৰ ইতিহাস*
(——) ঃ *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ*
বিমানচন্দ্ৰ ভট্টাচাৰ্য্য ঃ *সংস্কৃত সাহিত্যৰ ৰূপকথা*
ৰঞ্জিতকুমাৰ মিত্ৰ ঃ *প্ৰাচীন ভাৰতীয় নাটক ও থিয়েটাৰ*

**হিন্দী ঃ**

গংগাসাগৰ ৰায় ঃ *কৰ্পূৰমঞ্জৰী*
চূন্নীলাল শুক্ল ঃ *কৰ্পূৰমঞ্জৰী*


* * *

## তৃতীয় খণ্ড
## অপভ্ৰংশ ভাষা আৰু সাহিত্য

আগৰ খণ্ডটিত মধ্যভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰ - প্ৰাকৃত ভাষা আৰু সাহিত্যৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই খণ্ডটিত মধ্যভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰ অপভ্ৰংশ ভাষা আৰু এই ভাষাত ৰচিত সাহিত্যৰাজিৰ বিষয়ে পৰ্যালোচনা আগবঢ়োৱা হ'ব। এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰা হৈছে —

**প্ৰথম বিভাগ ঃ অপভ্ৰংশ ভাষা**

**দ্বিতীয় বিভাগ ঃ সংনেহ ৰাসউ (সন্দেশ ৰাসক)**

**তৃতীয় বিভাগ ঃ কীৰ্তিলতা**

প্ৰথম বিভাগটিত অপভ্ৰংশ ভাষাস্তৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা দাঙি ধৰা হৈছে। অপভ্ৰংশ আৰু অৱহট্‌ঠৰ ধাৰণা, অপভ্ৰংশ নামৰ তাৎপৰ্য, অপভ্ৰংশৰ উদ্ভৱ আৰু বিকাশ, অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য আদি দিশবোৰৰ বিস্তৃত বিশ্লেষণ আগবঢ়োৱাৰ লগতে এই ভাষাস্তৰৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যবোৰো আলোচিত হৈছে।

দ্বিতীয় বিভাগৰ আলোচনাত পশ্চিমা অৱহট্‌ঠ ভাষাত আব্দুল ৰহমানৰ দ্বাৰা ৰচিত *সংনেহ ৰাসউ* (সন্দেশ ৰাসক) নামৰ দূতকাব্যখনে স্থান পাইছে। কাব্যখনৰ কবি পৰিচয়, ৰচনাকাল, নামকৰণৰ তাৎপৰ্য, বিষয়বস্তু আৰু কাব্যিক সৌন্দৰ্য, দূতকাব্যৰূপে ইয়াৰ বৈশিষ্ট্য আদি শিতানবোৰ এই বিভাগটিত আলোচনা কৰা হৈছে। বিভাগটিৰ শেষত মূল পাঠৰ লগতে অসমীয়া ভাঙনি আৰু কঠিন শব্দৰ শব্দগত টোকাও সন্নিৱিষ্ট কৰা হৈছে।

তৃতীয় বিভাগৰ বিষয়বস্তু হ'ল পূৰ্বী অবহট্‌ঠত ৰচিত অন্য এখন উল্লেখযোগ্য কাব্য বিদ্যাপতিৰ *'কীৰ্তিলতা'*। বিভাগৰ আৰম্ভণিতে কবি পৰিচয় দাঙি ধৰা হৈছে। কাব্যখনিৰ নামকৰণ আৰু বিষয়বস্তু, কাব্যখনিৰ ঐতিহাসিক মূল্য আৰু সাহিত্যিক মূল্যায়ন আদি দিশসমূহৰ লগতে মূল পাঠ, অসমীয়া ভাঙনি আৰু কঠিন শব্দৰ শব্দগত টোকাও এই বিভাগটিত অন্তৰ্ভুক্ত হৈছে।

## প্ৰথম বিভাগ
## অপভ্ৰংশ ভাষা

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ অপভ্ৰংশ নামৰ তাৎপৰ্য
১.৪ অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ
১.৫ অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য
১.৫.১ ধ্বনিতত্ত্ব
১.৫.২ ৰূপতত্ত্ব
১.৬ অপভ্ৰংশ আৰু অৱহট্‌ঠ
১.৭ অপভ্ৰংশ সাহিত্য
১.৮ সাৰাংশ (Summing Up)
১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

এই বিভাগটোত আপোনাক মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্ত্য স্তৰৰ অন্তৰ্গত অপভ্ৰংশ ভাষা সম্পৰ্কে আভাস দিবলৈ যত্ন কৰা হ'ব। আনুমানিক খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈকে প্ৰাকৃত ভাষাৰ বিৱৰ্তনৰ শেষ স্তৰটোকে অপভ্ৰংশ ভাষা বুলি কোৱা হয় আৰু এই স্তৰত ৰচিত সাহিত্য ৰাজিয়ে হ'ল অপভ্ৰংশ সাহিত্য। আধুনিক ভাৰতীয় আৰ্যভাষা সৃষ্টি হোৱাৰ অব্যৱহিত পূৰ্বৱৰ্তী স্তৰটোৱে হৈছে অপভ্ৰংশ স্তৰ। প্ৰত্যেক সাহিত্যিক প্ৰাকৃতৰ পৰৱৰ্তী সৰলতৰ ৰূপটোৱে অপভ্ৰংশ। গ্ৰীয়াৰ্ছন, পিশ্চেল, সুনীতি কুমাৰ চট্টোপাধ্যায়, এ.চি. উল্‌নাৰ, সুকুমাৰ সেন প্ৰভৃতি বিজ্ঞসকলেও প্ৰাকৃত ভাষাৰ বিকাশৰ অন্তিম উপস্তৰক অপভ্ৰংশ আখ্যা দিছে।

প্ৰত্যেক প্ৰাকৃতৰে এটা অপভ্ৰংশ স্তৰ থকা বুলি কল্পনা কৰি লোৱা হয় আৰু তাৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ হোৱা বুলি ধৰি লোৱা হয়। উদাহৰণস্বৰূপে মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা মাহাৰাষ্ট্ৰী অপভ্ৰংশ আৰু তাৰ পৰাই আধুনিক মাৰাঠীৰ উদ্ভৱ হয়। বাকী আন আন সাহিত্যিক প্ৰাকৃত যেনে— মাগধী প্ৰাকৃত>মাগধী অপভ্ৰংশ> অসমীয়া-বাংলা, উড়িয়া, মৈথিলী, মগহী, ভোজপুৰী; শৌৰসেনী প্ৰাকৃত>শৌৰসেনী অপভ্ৰংশ> পশ্চিমা-হিন্দী আৰু গুজৰাটী, ৰাজস্থানী; অৰ্ধ-মাগধী প্ৰাকৃত> অৰ্ধ-মাগধী অপভ্ৰংশ> পূৰ্ব হিন্দী ইত্যাদিৰ উদ্ভৱ হয়। অৱশ্যে এনেকৈ প্ৰত্যেক প্ৰাকৃতৰ একোটাকৈ অপভ্ৰংশ স্তৰৰ উল্লেখ কৰা হৈছে যদিও, কেৱল শৌৰসেনী প্ৰাকৃতৰহে অপভ্ৰংশৰ নিদৰ্শন পোৱা যায়। বাকীবোৰৰ অপভ্ৰংশ স্তৰ শৌৰসেনীৰ আৰ্হিৰে নিৰ্ণয় কৰি লোৱা হৈছে।

এই বিভাগটোত মধ্য ভাৰতীয় আৰ্যভাষাৰ উল্লিখিত স্তৰটোৰ আটাইবোৰ দিশৰ আলোচনা আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে সামৰি লোৱা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব;
- অপভ্ৰংশৰ অন্যান্য স্তৰৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব;
- অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুৱাব পাৰিব;
- অপভ্ৰংশ ভাষাত ৰচিত সাহিত্য সম্বন্ধে সম্যক ধাৰণা আগবঢ়াব পাৰিব; আৰু
- সামগ্ৰিকভাৱে ভাষাৰ পৰিৱৰ্তনৰ সাধাৰণ সূত্ৰবোৰো বিশ্লেষণ কৰি দেখুৱাব পাৰিব।

## ১.৩ অপভ্ৰংশ নামৰ তাৎপৰ্য

'অপভ্ৰংশ' শব্দটোৰ প্ৰথম উল্লেখ পোৱা যায় — আনুমানিক খ্ৰীঃপূঃ দ্বিতীয় শতাব্দীৰ সংস্কৃত বৈয়াকৰণ পতঞ্জলি কৃত *মহাভাষ্য*ত। তেওঁ অৱশ্যে এই শব্দটোৰ দ্বাৰা কোনো বিশেষ ভাষাক বুজোৱা নাছিল। তাৰ সলনি তেওঁ সংস্কৃতৰ বিকৃত ৰূপ বা অপশব্দক অথবা অ-পাণিনীয় শব্দক বুজাইছিল। ভাষাৰ স্বাভাৱিক পৰিৱৰ্তন প্ৰক্ৰিয়াৰ ফলত নাইবা তৎকালীনভাৱে প্ৰচলিত আৰ্যভিন্ন ভাষাৰ উচ্চাৰণৰ প্ৰভাৱত বৈদিক সংস্কৃত শব্দৰ যি বিকৃতি বা পৰিৱৰ্তন ঘটিছিল তালৈ লক্ষ্য কৰি তেওঁ এনেদৰে মন্তব্য কৰিছিল ঃ *"ভুয়াংসোহপশব্দাঃ অল্পীয়াংসঃ শব্দাঃ। একৈকস্য হি শব্দস্য বহবোহপভ্ৰংশাঃ তদ্‌যথা গৌৰিতাস্য শব্দস্য 'গাৱী', 'গোপী', গোতা, গোপোতালিকা ইত্যেবমাদয়োহপভ্ৰংশাঃ।"* অৰ্থাৎ, "অপশব্দ অনেক, শুদ্ধ শব্দ তাকৰীয়। একোটাহঁত শব্দৰ অনেক অপভ্ৰষ্ট ৰূপ দেখা যায়, যেনে — 'গৌ' শব্দৰ 'গাৱী', 'গোণী', 'গোতা', 'গোপোতালিকা' ইত্যাদি।"

আনুমানিক খ্ৰীষ্টীয় তৃতীয় শতাব্দীৰ ভৰত মুনিৰ *নাট্যশাস্ত্ৰ*তো **'ৱিভ্ৰষ্ট'** শব্দ প্ৰাকৃত-তদ্ভৱ শব্দৰ অৰ্থত প্ৰয়োগ কৰা দেখা যায়।

মুঠতে খ্ৰীষ্টীয় তৃতীয় শতাব্দী পৰ্যন্ত **'অপভ্ৰংশ'** শব্দই কোনো বিশেষ ভাষাক বুজোৱাৰ প্ৰমাণ পাবলৈ নাই। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ৰ কথিত ৰূপত প্ৰচলিত ব্যাকৰণ বহিৰ্ভূত অ-সংস্কৃত অপশব্দক বুজাবলৈ 'অপভ্ৰংশ' শব্দটো ব্যৱহাৰ কৰা হৈছিল।

খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পাছৰে পৰা লাহে লাহে 'অপভ্ৰংশ'ই এক স্বতন্ত্ৰ ভাষাৰূপে স্বীকৃতি লাভ কৰিবলৈ ধৰে আৰু সাহিত্যৰ বুকুতো ই স্থান লাভ কৰিবলৈ সমৰ্থ হয়। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ মহাকবি কালিদাস বিৰচিত *বিক্ৰমোৰ্ৱশীয়ম্* নাটৰ চতুৰ্থ অঙ্কৰ গীতসমূহত অপভ্ৰংশ ভাষাৰ প্ৰয়োগ লক্ষ্য কৰা যায়। এইবোৰ প্ৰক্ষিপ্ত বুলি প্ৰমাণিত নহ'লে ব্যাকৰণকাৰসকলৰ দ্বাৰা স্বীকৃত অপভ্ৰংশ ভাষা খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতাব্দীতে সাহিত্যৰ বাহন হৈ পৰিছিল বুলি স্বীকাৰ কৰিব লাগিব। তদুপৰি, আনুমানিক তৃতীয় খ্ৰীষ্টাব্দৰ বুলি বিবেচিত স্বয়ম্ভূৰ জৈন ৰামায়ণ *পউম চৰিঅ* আৰু খ্ৰীষ্টীয় দ্বিতীয়-তৃতীয় শতিকাতে সংগ্ৰহ কাৰ্যৰ সূচনা হোৱা বুলি অনুমান কৰা ৰজা হালৰ *গাহাসত্তসঈ* অপভ্ৰংশ শব্দ আৰু বৈয়াকৰণিক ৰূপৰ প্ৰচুৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ সংস্কৃত আলংকাৰিক ভামহে *কাব্যালংকাৰ* গ্ৰন্থত সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটা ভাষাৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে। আকৌ, খ্ৰীষ্টীয় সপ্তম শতিকাৰ

আলংকাৰিক আচাৰ্য দণ্ডীয়ে তেওঁৰ *কাব্যদৰ্শ* গ্ৰন্থত প্ৰাকৃত আৰু অপভ্ৰংশ দুয়োটাকে সুকীয়া ভাষাৰূপে নিৰ্দেশ কৰিছে। তেওঁৰ মতে *“আভীৰাদিগিৰঃ কাব্যেস্বপভ্ৰংশ ইতিস্মৃতাঃ শাস্ত্ৰে তু সংস্কৃতাদন্যদপভ্ৰংশতয়োদিতম্।”* অৰ্থাৎ, কাব্যত ব্যৱহৃত ‘আভীৰ’ প্ৰভৃতিৰ ভাষা তেওঁৰ মতে অপভ্ৰংশ। দণ্ডীৰ পৰৱৰ্তী ধনঞ্জয়, ৰুদ্ৰট আদিয়েও অপভ্ৰংশক স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা দিছে।

সংস্কৃত ব্যাকৰণকাৰসকলৰ মতে সংস্কৃত ভিন্ন আটাইবোৰ প্ৰাকৃতেই অপভ্ৰংশৰ অন্তৰ্গত। ওপৰত উল্লেখ কৰা পতঞ্জলিৰ উক্তিয়েই তাৰ প্ৰমাণ। কিন্তু প্ৰাকৃত ব্যাকৰণকাৰসকলে অপভ্ৰংশক প্ৰাকৃতৰে এক প্ৰকাৰভেদ বুলি স্বীকৃতি দিছে। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ বৰৰুচিৰ *প্ৰাকৃত প্ৰকাশ*ত অপভ্ৰংশৰ উল্লেখ দেখিবলৈ পোৱা যায়। হেমচন্দ্ৰ সূৰিয়ে *সিদ্ধহৈমশব্দানুশাসনম্* গ্ৰন্থৰ অষ্টম অধ্যায়ত অপভ্ৰংশ ভাষাৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। ইয়াৰ উপৰি পুৰুষোত্তমদেৱ, শেষকৃষ্ণ আদি প্ৰাকৃত ব্যাকৰণকাৰেও নিজ নিজ গ্ৰন্থত অপভ্ৰংশ সম্পৰ্কে বিস্তৃত আলোচনা কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এই কথাই অনুমান হয় যে সময়ৰ লগে লগে বৈদিক-সংস্কৃতৰ পৰিৱৰ্তিত ৰূপটোৱে বৌদ্ধ আৰু জৈন মতাৱলম্বীসকলৰ প্ৰচেষ্টাত শিষ্টজনোচিত হৈ সাহিত্যিক মৰ্যাদা লাভ কৰিছিল আৰু তাৰ সমান্তৰালভাৱে জনসাধাৰণৰ মাজত তেনে ভাষাৰ মাধ্যমেৰে লৌকিক গীত-পদৰো সৃষ্টি হৈছিল। এনেদৰে জনপ্ৰিয় হৈ উঠা ভাষাটোক সংস্কৃত আলংকাৰিকসকলে **‘প্ৰাকৃতম অপভ্ৰষ্টম্’** বুলি অপভ্ৰংশ নামকৰণেৰে এই নতুন ৰূপটোক স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা দান কৰিছিল।

সি যি কি নহওক, সাম্প্ৰতিক সময়ত ভাৰতীয় আৰ্যভাষাৰ ইতিহাস চৰ্চাত অপভ্ৰংশক মধ্য ভাৰতীয় আৰ্যভাষা বা আন কথাত প্ৰাকৃত যুগৰ অন্তিম স্তৰৰ ভাষাৰূপে স্বীকৃতি দিয়া হৈ আহিছে। অৰ্থাৎ, মধ্য ভাৰতীয় আৰ্যভাষাৰ যি তিনিটা সুস্পষ্ট স্তৰ বিভাজন কৰা হৈছে তাৰে অন্তিম স্তৰৰ ভাষাটোৱেই হৈছে অপভ্ৰংশ আৰু ইয়াৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহে বিকাশ লাভ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অপভ্ৰংশ নামৰ তাৎপৰ্য ৫০টামান শব্দৰ ভিতৰত আলোচনা কৰি দেখুৱাওক।

..............................................................................

..............................................................................

..............................................................................

## ১.৪ অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ

ভাষা হিচাপে অপভ্ৰংশই স্বীকৃতি পোৱাৰ আগতে সাহিত্যত ই স্থান পাইছিল। আনুমানিক তৃতীয় শতাব্দীৰ জৈন কবি বিমল সুৰিৰ *‘পউম চৰিঅ’*নামৰ জৈন ৰামায়ণত মাহাৰাষ্ট্ৰীৰ লগতে বহু পৰিমাণে অপভ্ৰংশ শব্দ-প্ৰয়োগৰ নিদৰ্শন পোৱা যায়। খ্ৰীষ্টীয় দ্বিতীয়-তৃতীয় শতাব্দী মানত সংকলন কৰা বুলি অনুমান কৰা হালৰ *‘গাহাসত্তসঈ’*-ৰ গীতি কবিতাসমূহতো মাহাৰাষ্ট্ৰীৰ লগত অপভ্ৰংশ শব্দ আৰু ৰূপৰ সংমিশ্ৰণ ঘটা পৰিলক্ষিত হয়। সেয়ে হ’লেও, খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ মহাকবি কালিদাসৰ *‘বিক্ৰমোৰ্ৱশীয়ম্’* নাটকৰ চতুৰ্থ অংকৰ অপভ্ৰংশত ৰচিত গীতসমূহৰ ভাষাকে অপভ্ৰংশৰ প্ৰাচীনতম পূৰ্ণাংগ নিদৰ্শন বুলি বিবেচনা কৰা হয়।

এনেদৰে অপভ্ৰংশই সাহিত্যত স্থান পাই সাহিত্যৰ ভাষাৰূপে মৰ্যাদা লাভ কৰাৰ পাছতহে ই স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি লাভ কৰে। ষষ্ঠ শতিকাৰ চণ্ডই *'প্ৰাকৃত লক্ষণ'*ত অপভ্ৰংশক সাহিত্যিক ভাষা হিচাপে মৰ্যাদা দিছে। চণ্ডই ভাষা হিচাপে অপভ্ৰংশৰ আলোচনা কৰা নাই যদিও, মাহাৰাষ্ট্ৰীৰ বিকল্প প্ৰয়োগ হিচাপে অপভ্ৰংশৰ কথা উল্লেখ কৰিছে। ষষ্ঠ শতাব্দীৰ সংস্কৃত আলংকাৰিক ভামহে তেওঁৰ *'কাব্যালংকাৰ'* ত সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটা ভাষাৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে। সপ্তম শতিকাৰ আলংকাৰিক আচাৰ্য দণ্ডীয়ে তেওঁৰ *'কাব্যাদৰ্শ'* -ত 'আভিৰ প্ৰভৃতি জাতিৰ কাব্যত ব্যৱহৃত ভাষা অপভ্ৰংশ' বুলি উল্লেখ কৰিছে। আলংকাৰিক ৰুদ্ৰতৰ *'কাব্যালংকাৰ'* ৰ টীকাকাৰ নমিসাধুৱে 'প্ৰাকৃতসেৰা অপভ্ৰংশ', অৰ্থাৎ অপভ্ৰংশও অন্যান্য প্ৰাকৃতৰ দৰে এক প্ৰকাৰ প্ৰাকৃত বুলি মন্তব্য কৰিছে। একাদশ শতিকাৰ পুৰুষোত্তম আৰু তেওঁৰ সমসাময়িক হেমচন্দ্ৰই অপভ্ৰংশ ভাষা সম্বন্ধে বিস্তৃতভাৱে আলোচনা কৰিছে। প্ৰাকৃত বৈয়াকৰণ পুৰুষোত্তমে তেওঁৰ *'প্ৰাকৃতানুশাসন'* ত সাহিত্যিক ভাষা হিচাপে অপভ্ৰংশৰ বৰ্ণনা কৰাৰ উপৰি অপভ্ৰংশৰ তিনিটা উপভাষা— 'নাগৰক' 'ব্ৰাচড়ক' আৰু 'উপনাগৰক'ৰ আলোচনা কৰিছে। হেমচন্দ্ৰয়ো তেওঁৰ *'সিদ্ধহেমচন্দ্ৰ শব্দানুশাসনম্'*-ত মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধ-মাগধী, পৈশাচী, চুলিকা-পৈশাচী এই প্ৰধান প্ৰাকৃত ভাষাকেইটাৰ আলোচনা কৰাৰ উপৰি অপভ্ৰংশৰ লক্ষণ সম্বন্ধে বিস্তৃতভাৱে আলোচনা কৰিছে। সপ্তদশ শতিকাৰ আন এগৰাকী প্ৰসিদ্ধ প্ৰাকৃত বৈয়াকৰণ মাৰ্কণ্ডেয় কবীন্দ্ৰই তেওঁৰ *'প্ৰাকৃত সৰ্বস্ব'*-ত প্ৰাকৃত ভাষাসমূহক ভাষা, বিভাষা, অপভ্ৰংশ আৰু পৈশাচী এই চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰাৰ লগতে অপভ্ৰংশৰ 'নাগৰ', 'ব্ৰাচড়' আৰু 'উপনাগৰ' এই তিনিটাৰ ঔপভাষিক বৈশিষ্ট উল্লেখ কৰিছে।

অপভ্ৰংশ ভাষা জনসমাজৰ সৰলীকৃত কথ্যাশ্ৰিত ৰূপ। প্ৰাকৃত বৈয়াকৰণৰ সৰহ সংখ্যকে অপভ্ৰংশক প্ৰাকৃতৰ সৰলীকৃত ৰূপ বুলি আলোচনা নকৰি ইয়াক এটা স্বতন্ত্ৰ প্ৰাকৃত ভাষা হিচাপে আলোচনা কৰিছে। তেওঁলোকৰ আলোচনাত এইটো স্পষ্ট হৈ পৰিছে যে মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী আদিৰ দৰে অপভ্ৰংশও এটা স্বতন্ত্ৰ ভাষা।

অপভ্ৰংশৰ বিকাশ সাহিত্যিক প্ৰাকৃতৰ কালতে হৈছিল। সাহিত্যিক প্ৰাকৃতৰ সমান্তৰালভাৱে জনসাধাৰণৰ মাজত প্ৰাকৃতৰ কথ্য-ৰূপৰো প্ৰচলন আছিল। এই কথ্য ৰূপত লোক-গীত-পদৰ সৃষ্টি হৈছিল আৰু এই গীত-পদবোৰ উচ্চমানৰ আছিল। উদাহৰণস্বৰূপে কালিদাসৰ *'বিক্ৰমোৰ্ৱশীয়ম্'*-ৰ গীতসমূহলৈ আঙুলিয়াব পাৰি। তৎকালীন জনসাধাৰণৰ মাজত এনে গীত-মাতৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি ধৰ্মীয় সাহিত্যকাৰসকলে (বিশেষকৈ জৈন ধৰ্মাৱলম্বীসকলে) এই ভাষাৰ মাধ্যমেৰে সাহিত্য-ৰচনাত মনোযোগ দিবলৈ আৰম্ভ কৰে। ফলত ভাষাটোৰ ধৰ্মীয় তথা শিষ্ট ৰূপ এটা গঢ় লৈ উঠে। এইক্ষেত্ৰত বৌদ্ধ আৰু জৈনধৰ্মৰ সাহিত্যিকসকলৰ ভূমিকা উল্লেখনীয়। এনেদৰে বিকাশ লাভ কৰি অপভ্ৰংশ ভাষা প্ৰচলিত সাহিত্যিক প্ৰাকৃততকৈ অধিক সৰল অৱস্থালৈ গতি কৰিলে আৰু বিভিন্ন কথ্য উপাদানেৰে সমৃদ্ধ হ'ল। সেই কাৰণে সাহিত্যিক প্ৰাকৃতসমূহতকৈ অশোকৰ অনুশাসনৰ কথ্যধৰ্মী ৰূপৰ লগত অপভ্ৰংশৰ সম্বন্ধ আৰু সাদৃশ্য অধিক। যাৰ কাৰণে ইয়াক সাহিত্যিক প্ৰাকৃত কালৰ কথ্য উপাদানেৰে সমৃদ্ধ আৰু পৰিপুষ্ট এক পৰিমাৰ্জিত বা শিষ্ট ৰূপ বুলি ক'ব পাৰি। এইটোৱে হৈছে অপভ্ৰংশৰ প্ৰাচীন স্তৰ বা প্ৰাচীন অপভ্ৰংশ। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী পৰ্যন্ত ইয়াৰ বিকাশৰ সময় সীমা নিৰ্ধাৰণ কৰিব পাৰি যদিও, সাহিত্যৰ ধাৰা খ্ৰীষ্টীয় দশম-একাদশ শতাব্দীমানলৈ অব্যাহত আছিল।

'অপভ্ৰংশ' শব্দৰ প্ৰথম উল্লেখ পোৱাৰে পৰা আলংকাৰিক আৰু বৈয়াকৰণসকলে অপভ্ৰংশ ভাষা সম্পৰ্কে কৰা মন্তব্য আৰু আলোচনাৰ লগতে অপভ্ৰংশ সাহিত্যৰ নিদৰ্শনসমূহ বিচাৰ-বিশ্লেষণ কৰি চালে অপভ্ৰংশ ভাষাৰ বিকাশৰ তিনিটা স্তৰ স্পষ্ট হৈ পৰে। সেই স্তৰকেইটা এনে ধৰণৰ ঃ

(১) পতঞ্জলিৰ সময়ৰ পৰা অৰ্থাৎ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা কালিদাসৰ আগলৈ অৰ্থাৎ খ্ৰীষ্টীয় তৃতীয় শতিকালৈ অপভ্ৰংশৰ প্ৰথম স্তৰ। এই স্তৰত অপভ্ৰংশ কোনো নিৰ্দিষ্ট ভাষা হিচাপে স্বীকৃত হোৱা নাছিল।

(২) খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈ এই সময়ছোৱা অপভ্ৰংশৰ দ্বিতীয় স্তৰ। এই সময়ত সাহিত্যত প্ৰয়োগ হৈ ই সাহিত্যিক মৰ্যাদা লাভ কৰিছিল আৰু ইয়ে প্ৰাচীন অপভ্ৰংশ।

(৩) খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম-দ্বাদশ শতিকালৈ অপভ্ৰংশৰ তৃতীয় স্তৰ। এই স্তৰেই হৈছে অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠৰ স্তৰ।

প্ৰাচীন অপভ্ৰংশ স্তৰতকৈ অৰ্বাচীন স্তৰৰ ভাষা অধিক সৰল। ই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ পূৰ্বৱৰ্তী স্তৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

'অপভ্ৰংশ'ই ভাষা হিচাপে কেতিয়া স্বীকৃতি লাভ কৰিছিল? অপভ্ৰংশ ভাষাৰ বিকাশৰ স্তৰ তিনিটাৰ আলোচনা কৰক।

......................................................................................

......................................................................................

......................................................................................

## ১.৫ অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

জনসাধাৰণৰ কথ্য ৰূপেই অপভ্ৰংশৰ মূল ভিত্তি হোৱা কাৰণে ই সাহিত্যিক প্ৰাকৃততকৈ বহু পৰিমাণে সৰলতৰ। কিন্তু সাহিত্যত ব্যৱহাৰ হোৱা অপভ্ৰংশৰ সাহিত্যিক ৰূপটোৱে সাহিত্যিক প্ৰাকৃতৰ ব্যাকৰণৰ আদৰ্শ অনুসৰণ কৰিছে। সেয়ে হ'লেও, অপভ্ৰংশৰ কিছুমান স্বকীয় ব্যাকৰণগত বৈশিষ্ট্য আছে, যিবোৰে ইয়াক সাহিত্যিক প্ৰাকৃতৰ পৰা পৃথক কৰি তুলিছে। প্ৰাকৃত ব্যাকৰণৰ নিয়ম-শৃংখলা অপভ্ৰংশত বহু পৰিমাণে শিথিল। প্ৰাকৃত ব্যাকৰণৰ আদৰ্শ অনুসৰণ কৰাৰ কাৰণে শব্দৰূপ আৰু ধাতুৰূপৰ ক্ষেত্ৰত প্ৰাকৃতৰ লগত অপভ্ৰংশৰ কিছু মিল আছে যদিও, ধ্বনিতত্ত্বৰ ক্ষেত্ৰত প্ৰাকৃতৰ লগত ইয়াৰ যথেষ্ট অমিল পৰিলক্ষিত হয়।

তলত অপভ্ৰংশৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট কিছু আলোচনা কৰা হ'ল ঃ

### ১.৫.১ ধ্বনিতত্ত্ব

প্ৰাকৃতৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰৰ লগত অপভ্ৰংশৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ পাৰ্থক্য নাই যদিও, অপভ্ৰংশত ধ্বনিগত পৰিৱৰ্তন বিশেষভাৱে লক্ষ্য কৰা যায়।

**স্বৰ ধ্বনিৰ পৰিৱৰ্তন ঃ**

(ক) এক স্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ অপভ্ৰংশৰ এটা প্ৰধান ধ্বনিগত বৈশিষ্ট্য। হেমচন্দ্ৰই 'স্বৰাপাং স্বৰাঃ প্ৰায়োপভ্ৰংশে' বুলি কৈছে। মুঠতে অপভ্ৰংশত এটা স্বৰধ্বনিৰ ঠাইত

অন্য এটা স্বৰধ্বনিৰ ব্যৱহাৰ বহুলভাৱে হোৱা পৰিলক্ষিত হয়; যেনে— তৃণ>প্ৰাকৃত তিণ> অপভ্ৰংশ তিণ, তণু, তিণু; জনঃ>প্ৰাকৃত-জণো> অপভ্ৰংশ- জণো, জণু, জণ ইত্যাদি।

(খ) অন্ত্য ই-কাৰ আৰু উ-কাৰৰ অনুনাসিকতা। যেনে— ভণিত>ভণিউঁ, অঙ্গানি> অঙ্গাইঁ ইত্যাদি।

(গ) অ-কাৰ আৰু উ-কাৰৰ পূৰ্বৱতী ম লুপ্ত; যেনে- যমুনা>জউণা, দুৰ্গম>দুগ্গউ ইত্যাদি।

(ঘ) স্বৰসংকোচন অপভ্ৰংশৰ অন্য এক বৈশিষ্ট্য; যেনে— মৃত্তিকা> মট্টি, ভাণ্ডাগাৰ> ভণ্ডাৰ, পিচ্ছিকা>পিচ্ছী; অন্ধকাৰ> অন্ধাৰ ইত্যাদি।

(ঙ) অন্ত্যস্থিত দীৰ্ঘস্বৰ হ্ৰস্ব হয়, যেনে— কমলা>কমল; সন্ধ্যা>সঞ্ঝ ইত্যাদি।

**ব্যঞ্জন ধ্বনিৰ পৰিৱৰ্তন ঃ**

স্বৰধ্বনিৰ পৰিৱৰ্তনৰ দৰে ব্যঞ্জন ধ্বনিৰো বিভিন্ন পৰিৱৰ্তন অপভ্ৰংশত পৰিলক্ষিত হয় ঃ

(ক) স্বৰ মধ্যৱৰ্তী '-ম-' '-ৱঁ-' হিচাপে ব্যৱহাৰ হোৱাটো অপভ্ৰংশৰ অন্যতম বৈশিষ্ট্য; যেনে— কমলং>কৱঁলু, কুমাৰ>কুৱঁৰ ইত্যাদি।

(খ) উদ্বৃত্ত স্বৰধ্বনিৰ ক্ষেত্ৰত 'ৱ' শ্ৰুতি ধ্বনিৰ আগম অপভ্ৰংশৰ এক বিশেষ বৈশিষ্ট্য। 'ৱ' শ্ৰুতি ধ্বনি প্ৰাকৃতত দেখা গৈছিল যদিও, অপভ্ৰংশতহে ইয়াৰ সম্প্ৰসাৰণ ঘটে; যেনে— সূত>প্ৰাকৃত-সুঅ>অপভ্ৰংশ-সুৱ, সুভগ> প্ৰাকৃত-সুহঅ> অপভ্ৰংশ-সুহৱ ইত্যাদি।

(গ) প্ৰাকৃতৰ যুগ্ম ব্যঞ্জনৰ এটা লোপ হোৱাৰ ফলত পূৰ্বৱৰ্তী হ্ৰস্ব স্বৰ অপভ্ৰংশত ক্ষতিপূৰণমূলক দীৰ্ঘীকৰণ (Compensatory lengthening) -ৰ জৰিয়তে দীৰ্ঘ হৈছিল। ই অপভ্ৰংশৰ এক অন্যতম বৈশিষ্ট্য। যেনে— কৰ্ম>কম্ম>কাম, সহস্ৰ>সহাস, ভৱিষ্য>ভৱীস। এনে লক্ষণ দেখা গ'লেও, যুগ্ম ব্যঞ্জন ধ্বনিৰ সংৰক্ষণো লক্ষ্য কৰিব পাৰি।

(ঘ) শ, ষ, স অপভ্ৰংশত 'হ' লৈ পৰিৱৰ্তন হোৱাৰ ব্যাপক প্ৰৱণতা দেখা যায়; যেনে— দ্বাদশ>বাৰহ; এষ>এহ; তস্য>তস্স>তাহ ইত্যাদি।

(ঙ) ৱ-কাৰৰ উ-কাৰলৈ পৰিৱৰ্তন; যেনে- স্বভাৱ>সহাউ; আহৱ>আহউ ইত্যাদি।

**১.৫.২ ৰূপতত্ত্ব**

প্ৰাকৃততকৈ অপভ্ৰংশৰ ৰূপতত্ত্ব অধিক সৰলতৰ আৰু বৈচিত্ৰ্যহীন। অপভ্ৰংশৰ শব্দৰূপগত আৰু ধাতুৰূপগত বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল।

**শব্দৰূপগত ঃ**

(ক) প্ৰাকৃতৰ দৰে অপভ্ৰংশতো অধিকাংশ শব্দই স্বৰান্ত প্ৰাতিপদিকত পৰিণত হ'ল যদিও, প্ৰধানতঃ অ, ই, উ- এই তিনি জাতীয় স্বৰান্ত শব্দৰূপহে দেখা যায়। ইয়াৰ ভিতৰত অ-কাৰান্ত শব্দৰূপৰ প্ৰাধান্য ঘটিল। অৰ্থাৎ সকলো শব্দৰূপেই অ-কাৰান্ত হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। আনকি ইন্ ভাগান্ত অথবা উ-কাৰান্ত শব্দৰ ক্ষেত্ৰতো শেষত '-অ-' যুক্ত হোৱাৰ লক্ষণে দেখা দিলে; যেনে- স্বামিন্>সামিঅ; গুৰু>গৰুঅ ইত্যাদি।

(খ) বিভিন্ন কাৰক একাকাৰ হৈ মুখ্যতঃ তিনিটা শ্ৰেণীত পৰিণত হ'ল- (১) কৰ্তা-কৰ্ম; (২) কৰণ-অধিকৰণ, (৩) সম্প্ৰদান-অপাদান-সম্বন্ধ।

কৰ্তা আৰু কৰ্ম কাৰক প্ৰাকৃত স্তৰত পৃথক আছিল যদিও, অপভ্ৰংশত একাকাৰ হৈ পৰিল। অপাদান আৰু সম্প্ৰদান সম্বন্ধৰ লগত মিলি গ'ল আৰু কৰণ কাৰকে অধিকৰণৰ সমৰূপ ল'লে।

(গ) হ্ৰস্ব-দীৰ্ঘ স্বৰান্ত শব্দৰূপৰ পাৰ্থক্য নথকাৰ কাৰণে লিংগ ভেদৰ পাৰ্থক্য নোহোৱা হ'ল। স্ত্ৰীলিংগ শব্দও পুংলিংগৰ দৰে ৰূপ হ'বলৈ ল'লে। ক্লীৱলিংগ লুপ্ত হ'ল।

(ঘ) বিভক্তিৰ পৰিৱৰ্তে বিভিন্ন কাৰকত অনুসৰ্গৰ ব্যাপক প্ৰয়োগ ঘটিল ; যেনে— সম্বন্ধ পদত 'কেৰ', 'কেৰঅ'; কৰণ কাৰকত 'তপ', 'সোঁ', 'সহুঁ'; অধিকৰণত 'হোন্ত', 'হোন্তউ'; 'হোন্তি', 'মাঝ', 'উপ্পৰি' ইত্যাদি। ফলত অপভ্ৰংশত বিভক্তিহীনতাই প্ৰাধান্য লাভ কৰিলে।

(ঙ) স্বাৰ্থিক প্ৰত্যয়ৰ ব্যাপক প্ৰয়োগ হ'বলৈ ল'লে। -অ, -ড, -উল্ল আদি স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ অপভ্ৰংশত অধিক পৰিমাণে দেখা যায়।

**ধাতুৰূপগত ঃ**

(ক) সংস্কৃতত 'কাল' আৰু 'ভাৰ' প্ৰকাশক দহ প্ৰকাৰৰ ল-কাৰ অপভ্ৰংশত একেবাৰে সীমিত হয়। এইটো অপভ্ৰংশৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্য। লট্ (বৰ্তমান) আৰু লোট (অনুজ্ঞা)-ৰ ব্যৱহাৰ প্ৰধানকৈ থাকিল। সম্ভাৱক বা বিধিলিঙ (optative) আৰু ভৱিষ্যত (লৃট)-ৰ ব্যৱহাৰ সীমিত হ'ল। অতীত কাল বুজাবলৈ অতীত কালবাচক কৃদন্তৰ প্ৰয়োগ ঘটিল। -অল্ল, -ইল্ল যোগ কৰিও অতীত কাল বুজোৱা হ'ল; যেনে— গঅল্ল, গইল্ল (গ'ল অৰ্থত)।

(খ) নিমিত্তাৰ্থক ক্ৰিয়া-গঠনত প্ৰাকৃতত ব্যৱহাৰ হোৱা -উং (মাহাৰাষ্ট্ৰী); -দুং(শৌৰসেনী), '-ওএ' বা 'ইওএ' (অৰ্ধ-মাগধী) আদি ৰূপবোৰ অপভ্ৰংশত '-এবং', '-অণ', '-অণহং', '-অণহিং', '-এপ্পি', '-এপ্পিণু', '-এবি', '-এবিণু' আদি হিচাপে ব্যৱহাৰ হ'বলৈ ল'লে; যেনে— কৃ+তুম্>প্ৰাকৃত- কাউং, কাদুং > অপভ্ৰংশ- কৰেৱং, কৰণ, কৰণঅং, কৰণহিং, কৰণহং, কৰেপ্পি, কৰেপ্পিপু, কৰেবি, কৰেবিণু ইত্যাদি।

(গ) ল্যবৰ্থক অসমাপিকা বা পূৰ্বকালিক কৃদন্ত (Gerund) গঠনত প্ৰাকৃতৰ -ইঅ, -ঊণ, -দুণ, -দুঅ আদি অপভ্ৰংশত -ই, -ইউ, -ইবি, -অবি, -এপ্পি, -এবি, -এপ্পিণু, -এবিণু আদি হিচাপে ব্যৱহাৰ হ'বলৈ ধৰিলে; যেনে— কৃ+ত্বা>প্ৰাকৃত- কৰিঅ, কৰিঊণ, কৰিদুণ, কদুঅ>অপভ্ৰংশ - কৰি, কৰিউ, কৰিবি, কৰবি, কৰেপ্পি, কৰেবি, কৰেপ্পিণু, কৰেবিণু ইত্যাদি।

তুমৰ্থক (নিমিত্তাৰ্থক) আৰু ল্যবৰ্থক অসমাপিকাৰ পাৰস্পৰিক বিনিময় অপভ্ৰংশৰ অন্যতম বৈশিষ্ট্য।

(ঘ) অপভ্ৰংশত ক্ৰিয়া-বিভক্তিৰ আমূল পৰিৱৰ্তন ঘটিল। বৰ্তমান, অনুজ্ঞা আৰু ভৱিষ্যতৰ ক্ষেত্ৰত প্ৰাকৃতজাত বিভক্তিৰ প্ৰয়োগ হ'লেও, সেইবোৰ পৰিৱৰ্তিত ৰূপত ব্যৱহাৰ হ'ল।

(ঙ) বৰ্তমান কালৰ কৃদন্ত প্ৰত্যয় '-অন্ত'ৰ (শতৃ) প্ৰয়োগ প্ৰাকৃতৰ দৰেই অপভ্ৰংশতো আছে যদিও, ভৱিষ্যত কৃদন্তৰ ৰূপ বেলেগ। প্ৰাকৃতৰ ভৱিষ্যত কৃদন্তৰ '-অব্ব' (সং '-তব্য'ৰ ঠাইত) অপভ্ৰংশত '-ইএব্বউং', '-এব্বউং', '-এবা' আদি ৰূপৰ প্ৰয়োগ হ'ল; যেনে— কৃ+তব্য> প্ৰাকৃত-কতৱ্ব, কাতৱ্ব, কাঅৱ্ব, কাদব্ব>অপভ্ৰংশ- কৰিএব্বউং, কৰেব্বউং, কৰেবা ইত্যাদি।

ওপৰৰ আলোচনাৰ পৰা এই কথা আপুনি স্পষ্টকৈ বুজিব পাৰিলে যে অপভ্ৰংশৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব সংস্কৃতৰ প্ৰভাৱৰ পৰা বহু নিলগত। অৰ্থাৎ ই বহুলাংশে সংস্কৃতৰ প্ৰভাৱমুক্ত।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) অপভ্ৰংশ ভাষাৰ বৈশিষ্ট্যসমূহ ৬০টামান শব্দত প্ৰকাশ পোৱাকৈ লিখি উলিয়াওক।

..........................................................................................

..........................................................................................

..........................................................................................

২) অপভ্ৰংশক সংস্কৃতৰ পৰা বহু দূৰত বুলি কিয় কোৱা হৈছে? (৪০টা শব্দৰ ভিতৰত আলোচনা কৰক।)

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৬ অপভ্ৰংশ আৰু অৱহট্‌ঠ

পূৰ্বৰ আলোচনাৰ পৰা আপোনাৰ নিশ্চয় 'অপভ্ৰংশ' সম্পৰ্কে এটা ধাৰণা হৈছে। তদুপৰি 'অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ' শিতানত আমি পাই আহিছোঁ যে অপভ্ৰংশ ভাষাৰ বিকাশৰ তিনিটা স্তৰ আছে। প্ৰথম স্তৰত খ্ৰীষ্টপূৰ্ব শতিকাত জনসাধাৰণৰ কথ্য ৰূপৰ অসংস্কৃত অপশব্দৰ অৰ্থত অপভ্ৰংশ, দ্বিতীয় স্তৰত সাহিত্যিক প্ৰাকৃতৰ কালত জনসাধাৰণৰ কথ্যৰূপৰ শিষ্টজনোচিত সাহিত্যিক ভাষাৰ অৰ্থত অপভ্ৰংশ আৰু তৃতীয় স্তৰত জনসাধাৰণৰ কথ্য ৰূপৰ সহজ-সৰল ভাষা অৰ্থত অথবা সাহিত্যিক প্ৰাকৃত বা সাহিত্যিক অপভ্ৰংশৰ বিকৃত বা অপভ্ৰষ্ট ৰূপৰ অৰ্থত লৌকিক বা অৱহট্‌ঠ।

সাহিত্যিক প্ৰাকৃতৰ কালতে খ্ৰীষ্টীয় তৃতীয় শতাব্দী মানৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ ভিতৰত জনসাধাৰণৰ কথ্যৰূপটোৱে সাহিত্যিক প্ৰাকৃতৰ আদৰ্শত সাহিত্য সৃষ্টিৰ জৰিয়তে যেতিয়া প্ৰতিষ্ঠা লাভ কৰিলে তেতিয়া তাক 'অপভ্ৰংশ-প্ৰাকৃত' বুলি নামকৰণ কৰা হ'ল। ইয়ে 'প্ৰাচীন অপভ্ৰংশ' বা সাহিত্যিক অপভ্ৰংশ। আনহাতে জনসাধাৰণে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্ৰাচীন অপভ্ৰংশৰ কথ্যৰূপটো ক্ৰমান্বয়ে সৰলৰ পৰা সৰলতৰ অৱস্থালৈ গতি কৰিছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীমানৰ পৰা এই সৰলতৰ ৰূপটো অধিক স্পষ্ট হৈ পৰে। এই পৰিৱৰ্তিত সৰল ৰূপটোত প্ৰথমে লৌকিক গীত-পদৰ সৃষ্টি হৈছিল আৰু পাছত লাহে লাহে সাহিত্যিক অপভ্ৰংশৰ আদৰ্শত এই পৰিৱৰ্তিত ৰূপটোৰ মাধ্যমেৰে সাহিত্যৰ সৃষ্টি হৈ খ্ৰীষ্টীয় অষ্টম- নৱম শতাব্দীমানত এক বিশিষ্ট ভাষাৰূপে ইয়াৰ আত্মপ্ৰকাশ হয়। প্ৰাকৃত-অপভ্ৰংশৰ পৰা ই সৰল বা বিকৃত বা অপভ্ৰষ্ট ৰূপ হোৱা কাৰণে ইয়াক 'অপিভ্ৰষ্ট' বা অবিহট্‌ঠ বোলা হৈছিল আৰু পাছলৈ ইয়ে 'অৱহট্‌ঠ' (অপভ্ৰষ্ট+বিভ্ৰষ্ট> অপভ্ৰষ্ট>অপিভ্ৰষ্ট>অবিহট্‌ঠ>অৱহট্‌ঠ) নাম পালে।

প্ৰাচীন অপভ্ৰংশতকৈ অৱহট্‌ঠ নতুন কাৰণে ই 'অৰ্বাচীন' আৰু লোক-সমাজৰ তথা লোক-ব্যৱহাৰৰ কথ্য উপাদান যথেষ্ট পৰিমাণে থকাৰ কাৰণে ই লৌকিক। প্ৰাকৃত যুগৰ শেষ স্তৰত পূব-ভাৰতৰ পৰা পশ্চিম ভাৰত পৰ্যন্ত সমগ্ৰ অঞ্চলতে অৱহট্‌ঠ আছিল লোক-জীৱনৰ ভাষা।

'অৱহট্‌ঠ' নামটোৰ প্ৰাচীনতম উল্লেখ 'প্ৰাকৃত পৈঙ্গল'-ৰ টীকাকাৰ চতুৰ্দশ শতাব্দীৰ লক্ষ্মীনাথ ভট্টই কৰিছে। অৱশ্যে ইয়াৰ বহু আগতেই 'প্ৰাকৃত-অপভ্ৰংশৰ বিকৃত ৰূপ' এই অৰ্থত 'অৱহট্‌ঠ' নামকৰণ হৈছিল।

প্ৰাচীন অপভ্ৰংশ আছিল সাহিত্যিক-প্ৰাকৃতাশ্ৰয়ী আৰু অৱহট্‌ঠ হৈছে লোকাশ্ৰয়ী, কথ্য ভাষাৰ গুণেৰে পৰিপুষ্ট। আধুনিক ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ ই আছিল পূৰ্বস্তৰ। অৱহট্‌ঠ প্ৰথম অৱস্থাত লোকাশ্ৰয়ী আছিল বাবেই লোক-সাহিত্যৰো ই বাহন হৈ পৰিছিল। অষ্টম-নৱম শতিকাৰ পৰা অৱহট্‌ঠ ভাষাৰ জৰিয়তে জৈন, শৈৱ-নাথ আৰু বৌদ্ধ সহজযানী তথা বজ্ৰযানীসকলে বিভিন্ন ধৰ্মীয় গীত-পদ-দোহা আদি ৰচিবলৈ লোৱাৰে পৰা ইয়াৰ এটা সাহিত্যিক ৰূপ গঢ় লৈ উঠে। সন্দেহ নাই, এই সাহিত্যিক ৰূপটো গঢ় লৈ উঠিছিল প্ৰাচীন অপভ্ৰংশ বা সাহিত্যিক অপভ্ৰংশক অনুসৰণ কৰিহে। সেইকাৰণে প্ৰাচীন অপভ্ৰংশ আৰু অৱহট্‌ঠৰ মাজত বিশেষ বৈয়াকৰণিক পাৰ্থক্য পোৱা নাযায়।

অৱহট্‌ঠৰ উদ্ভৱৰ সময় সীমা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী বুলি ধৰা হয় যদিও, সাহিত্য-সৃষ্টিৰ কাল অষ্টম-নৱম শতাব্দীৰ পৰা দশম-দ্বাদশ শতাব্দী পৰ্যন্ত বিস্তৃত। এই সাহিত্যৰ ধাৰাটো অৱশ্যে পঞ্চদশ শতাব্দীলৈকে চলি আছিল। বৌদ্ধ সহজযান পন্থৰ *'চৰ্যাপদ'* সমূহ প্ৰকৃততে পূব-ভাৰতত প্ৰচলিত অৱহট্‌ঠৰ শেহতীয়া নিদৰ্শন, যাক পূব-ভাৰতৰ আধুনিক আৰ্যভাষাসমূহৰ প্ৰথম সাহিত্যিক নিদৰ্শন বুলি বিবেচনা কৰা হয়। মৈথিলী কবি বিদ্যাপতিৰ *'কীৰ্তিলতা'* অৱহট্‌ঠৰ শেষ ৰচনা।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) অপভ্ৰংশ আৰু অৱহট্‌ঠৰ পাৰ্থক্য ৪০ টা মান শব্দৰ ভিতৰত নিৰ্ণয় কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

২) অৱহট্‌ঠ কেতিয়া কেনেকৈ উদ্ভৱ হৈছিল? (৫০ টা মান শব্দৰ ভিতৰত আলোচনা কৰক।)

.................................................................................................

.................................................................................................

.................................................................................................

## ১.৭ অপভ্ৰংশ সাহিত্য

প্ৰাকৃত-সাহিত্যৰ দৰে অপভ্ৰংশ-সাহিত্য-কৃতিতো জৈনসকলৰ যথেষ্ট বৰঙণি আছে। আন কথাত ক'বলৈ গ'লে জৈনসকলৰ সাহিত্যিক অৱদানেৰে অপভ্ৰংশ সাহিত্য সমৃদ্ধ আৰু পৰিপুষ্ট। প্ৰাকৃত-সাহিত্যত জৈন ধৰ্মতত্ত্বমূলক গ্ৰন্থৰ উপৰি বিশুদ্ধ সাহিত্য-ৰস-সমৃদ্ধ মহাকাব্য, গীতি-কাব্য আদি ৰচিত হৈছিল। কিন্তু অপভ্ৰংশত ৰচিত সকলো শ্ৰেণীৰ সাহিত্যই জৈনধৰ্মতত্ত্বৰ বাহক স্বৰূপ। এই ভাষাত ৰচিত ৰামায়ণ, পুৰাণমূলক আখ্যান কাব্য অথবা চৰিতমূলক কাব্য সকলোতে জৈনাদৰ্শ প্ৰচাৰৰ উদ্দেশ্য লক্ষ্য কৰা যায়। তথাপি ক'ব পাৰি যে প্ৰচাৰধৰ্মী হ'লেও, এইবোৰত কাব্যকাৰসকলৰ কাব্যিক প্ৰতিভা আৰু কাব্যগুণৰ যথেষ্ট সমাৱেশ ঘটিছে।

মন কৰিবলগীয়া কথা যে অপভ্ৰংশৰ বেছিভাগ কাব্যাদি ৰচিত হৈছিল প্ৰাকৃত যুগৰ শেষ স্তৰত; অৰ্থাৎ দশম-একাদশ শতিকাত। এই সময়ছোৱা অব্‌হট্‌ঠৰ লৌকিক ৰূপৰ আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ সময়।

পালি আৰু প্ৰাকৃত ভাষাৰ তুলনাত অপভ্ৰংশত ৰচিত সাহিত্যৰ সংখ্যা কিছু সীমিত হ'লেও, এইবোৰ কাব্যগুণ বিৱৰ্জিত নহয়, বৰং বৈচিত্ৰ্যৰ সমাৱেশে এইবোৰক যথেষ্ট সাহিত্যিক

গুণ সম্পন্ন কৰি তুলিছে। জৈন আচাৰ্যসকলে যিদৰে অপভ্ৰংশত প্ৰবন্ধ-কাব্য, আধ্যাত্মিক কাব্য, নীতি-কবিতা আদি ৰচনা কৰিছিল, ঠিক তেনেদৰে বৌদ্ধ সিদ্ধাচাৰ্যসকলেও তেওঁলোকৰ বিচিত্ৰ দৰ্শন তত্ত্ব আৰু ৰহস্যবাদী কবিতা আদি অপভ্ৰংশতেই ৰচনা কৰিছিল। আনকি অষ্টম শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ সমগ্ৰ উত্তৰ ভাৰততে সংস্কৃতৰ প্ৰতিদ্বন্দ্বী সাধুভাষা হিচাপে লৌকিক সাহিত্যত অপভ্ৰংশই যথেষ্ট সমাদৰ লাভ কৰা দেখা যায়। ত্ৰয়োদশ শতিকাত পশ্চিম পঞ্জাৱৰ মুছলমান অধিবাসী আব্দুল ৰহমানে ৰচনা কৰা দূত কাব্য *'সন্দেশ ৰাসক'*, উত্তৰ ভাৰতৰ প্ৰসিদ্ধ কবি বিদ্যাপতিয়ে অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা *'কীৰ্তিলতা'* আৰু *'কীৰ্তিপতাকা'* আদিয়ে প্ৰমাণ কৰে যে সেই সময়ত অপভ্ৰংশ কবিকুলৰ সমাদৃত ভাষা আছিল।

ৰচনা ৰীতি আৰু বিষয়বস্তু অনুসৰি অপভ্ৰংশ সাহিত্যৰাজিক মুঠ ছটা ভাগত ভাগ কৰিব পাৰি ঃ

(১) আখ্যান কাব্য (ক) পুৰাণ কাব্য
(খ) চৰিত কাব্য
(২) দাৰ্শনিক বা আধ্যাত্মিক কাব্য
(৩) নীতি কবিতা
(৪) বৌদ্ধ দোহা
(৫) গীতি-কাব্য
(৬) অন্যান্য

**(১) আখ্যান কাব্য ঃ**

প্ৰাকৃত সাহিত্যৰ দৰে অপভ্ৰংশতো জৈনধৰ্মৰ মূল ভাৱাদৰ্শ প্ৰচাৰ কৰিবলৈ নানা আখ্যান-উপাখ্যান ৰচিত হৈছিল। *ৰামায়ণ, মহাভাৰত, হৰিবংশ* আৰু বিভিন্ন পুৰাণ-বৰ্ণিত কাহিনীৰ আধাৰত নিজ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অপভ্ৰংশত এক শ্ৰেণীৰ আখ্যান কাব্যৰ সৃষ্টি হৈছিল। উল্লেখযোগ্য যে এই আখ্যান কাব্যবোৰক নিজ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে মূলৰ পৰিৱৰ্তন সাধন কৰি নিজ মতবাদৰ বাহন কৰি তোলা হৈছিল আৰু ইয়াৰ ফলত পৰিচিত কাহিনীয়েও নতুন ৰূপ লাভ কৰিছিল। উদাহৰণস্বৰূপে— স্বয়ম্ভূৰ *'পউমচৰিঅ'* কাব্যত ৰাৱণে নিজৰ অনিষ্ট সাধনৰ আশংকা কৰি সীতাক মিথিলাত নিক্ষেপ কৰা, নাৰদৰ প্ৰৰোচনাত ৰাৱণে সীতাক হৰণ কৰাৰ কথা বৰ্ণনা কৰা হৈছে। তদুপৰি ৰাম জৈনসকলৰ তেষষ্ঠিজন মহাপুৰুষৰ অন্তৰ্গত ন জন বলদেৱৰ সৰ্বশেষ বলদেৱ। ৰাৱণ ন জন প্ৰতিবাসুদেৱৰ শেষৰজন প্ৰতিবাসুদেৱ। এনেধৰণৰ ৰামায়ণ, মহাভাৰত আৰু বিভিন্ন পুৰাণ আধাৰিত আখ্যান কাব্যসমূহক 'পুৰাণ' আখ্যা দিয়া হৈছে। ইয়াৰ লগতে আন এক প্ৰকাৰৰ আখ্যান কাব্য পোৱা যায়। এই প্ৰকাৰৰ কাব্যত কোনো ৰজা, ৰাজকুমাৰ বা সাধুৰ জীৱন-কাহিনী বৰ্ণনা কৰি তাৰ মাজেদি জৈনধৰ্মৰ নীতি, ব্ৰত-মাহাত্ম্য আদি প্ৰকাশ কৰা হৈছে। এই বিবিধ আখ্যান কাব্যক চৰিউ বা চৰিত আখ্যা দিয়া হৈছে। সেই কাৰণে অপভ্ৰংশত ৰচিত আখ্যান কাব্যসমূহক 'পুৰাণ' আৰু 'চৰিত' এই দুটা ভাগত ভাগ কৰিব পাৰি।

'পুৰাণ'ৰ অন্তৰ্গত আখ্যান কাব্যবোৰৰ ভিতৰত *পউম চৰিঅ, হৰিবংশ পুৰাণ*, পুষ্পদন্তৰ *তিস্‌ট্ঠি মহাপুৰিসগণালংকাৰ* আদি বিশেষভাৱে উল্লেখযোগ্য।

'চৰিত'ৰ অন্তৰ্গত আখ্যান কাব্যবোৰৰ ভিতৰত *জসহৰচৰিউ, ণায়কুমাৰ চৰিউ, কৰকণ্ড চৰিউ, ণেমিণাহ চৰিউ, ভৱিসত্তকহা* বিশেষভাৱে উল্লেখযোগ্য।

এই কাব্যসমূহৰ এটি চমু পৰিচয় দাঙি ধৰা হ'ল ঃ-

**(ক) পুৰাণ কাব্য ঃ**

***পউম-চৰিঅ* ঃ** খ্ৰীষ্টীয় অষ্টম-নৱম শতাব্দীৰ জৈন কবি স্বয়ম্ভূয়ে ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচনা কৰা *'পউম-চৰিঅ'* অপভ্ৰংশৰ লেখত ল'বলগীয়া কাব্য। বিমল সুৰিৰ প্ৰাকৃতত *'পউম চৰিঅ'* -ৰ দৰে এইখন কাব্যতো পদ্ম, অৰ্থাৎ ৰামৰ কাহিনী বৰ্ণনা কৰা হৈছে। মূল ৰামায়ণৰ কাহিনীটো সম্পূৰ্ণ সলনি কৰি পাঁচটা কাণ্ডত বিভক্ত কৰি ৯০ টা পৰিচ্ছেদত জৈন মতানুসাৰে এই কাব্যখন ৰচনা কৰা হৈছে। ৰাম ইয়াত জৈনসকলৰ মহাপুৰুষৰ অন্যতম ন জন বলদেৱৰ শেষৰজন বলদেৱ, ৰাৱণ ন জন প্ৰতি বাসুদেৱৰ শেষৰজন প্ৰতিবাসুদেৱ। প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা, বিভিন্ন চৰিত্ৰৰ অংকন, অলংকাৰৰ প্ৰয়োগ আৰু মৰ্মস্পৰ্শী বৰ্ণনাৰ জৰিয়তে কবিৰ কাব্যিক প্ৰতিভা পৰিস্ফুট হৈছে।

***হৰিবংশ পুৰাণ*** ঃ স্বয়ম্ভূদেৱৰ আন এখন কাব্য *'হৰিবংশ পুৰাণ'* মহাভাৰতৰ অৱলম্বনত ৰচনা কৰা হৈছে আৰু জৈন ধৰ্মতত্ত্ব প্ৰচাৰৰ উদ্দেশ্যে কাহিনীৰ ৰূপদান কৰা হৈছে।

***তিসট্‌ঠিমহাপুৰিসগণালংকাৰ*** বা ***মহাপুৰাণ*** ঃ খ্ৰীষ্টীয় দশম শতাব্দীৰ সুখ্যাত কবি পুপ্‌ফয়ন্ত বা পুষ্পদন্তই *'তিসট্‌ঠিমহাপুৰিসগণালংকাৰ'* নামেৰে এক পুৰাণ জাতীয় কাব্য ৰচনা কৰিছিল। এই কাব্যৰ অন্য নাম মহাপুৰাণ। ৬৩ জন জৈন মহাপুৰুষৰ জীৱন-কাহিনীক লৈ এই মহাপুৰাণ ৰচিত হৈছে। ৩৭ টা অধ্যায়ত সমাপ্ত এই গ্ৰন্থ আদি আৰু উপপুৰাণ বুলি দুটা ভাগত বিভক্ত।

**(খ) চৰিত কাব্য ঃ**

***জসহৰচৰিউ*** (যশোধৰ চৰিত) ঃ জৈনসকলৰ জনপ্ৰিয় ৰজা যশোধৰৰ কাহিনী বৰ্ণনা কৰি *'জসহৰচৰিউ'*নামেৰে কবি পুষ্পদন্তই আন এখন কাব্য ৰচনা কৰিছিল। চাৰিটা সন্ধি বা পৰিচ্ছেদত বিভক্ত কাব্যখনিত ধৰ্মোপদেশ আছে যদিও কাব্যসুলভ গুণৰ কাৰণে ই এখন মোহনীয় কাব্য হৈ উঠিছে। অলংকাৰ-চাতুৰ্য কাব্যখনৰ বিশেষ আকৰ্ষণীয় দিশ।

***ণায়কুমাৰ চৰিউ*** (নাগকুমাৰ চৰিত) ঃ পুষ্পদন্তৰ অন্যতম কাব্য *'ণায়কুমাৰ চৰিউ'* জৈনসকলৰ ২৪ জন কামদেৱৰ ভিতৰত সকলোতকৈ ৰূপৱান কামদেৱ ণায়কুমাৰ বা নাগকুমাৰৰ কাহিনীৰ অৱলম্বনত ৰচিত। এই কাব্যৰ লক্ষ্য হ'ল জৈনসকলৰ শ্ৰী পঞ্চমী ব্ৰত কথাৰ মাহাত্ম্য ঘোষণা। সমসাময়িক ভাৰতবৰ্ষৰ অনেক ভৌগোলিক তথ্যৰ সন্নিৱেশৰ উপৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ আচাৰ-ব্যৱহাৰৰ উল্লেখ কাব্যখনিৰ অন্যতম আকৰ্ষণীয় দিশ।

***ভৱিসত্ত বা ভৱিসয়ত্তকহা* (ভৱিষ্যদত্ত কথা) ঃ** ধণয়াল বা ধন-পালৰ *'ভৱিসত্ত'* বা *'ভৱিসয়ত্ত কহা'* অপভ্ৰংশৰ এখন প্ৰসিদ্ধ কাব্য। নৱম-দশম শতাব্দীৰ বুলি অনুমান কৰা এই কাব্যখনক বিশিষ্ট ৰোমাণ্টিক কাব্য বুলিও কোৱা হয়। এই কাব্য চৰিত বা পুৰাণ জাতীয় কাব্যৰ অন্তৰ্গত নহয়। বৰং ই ব্ৰতকথা জাতীয় ধৰ্মকথাহে। পাঁচ বছৰ ধৰি পালন কৰিব লগা পঞ্চমী ব্ৰতৰ অতুলনীয় মাহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে এটি উপকথাক ইয়াত কাব্যৰূপ দিয়া হৈছে। কাব্যখনৰ নায়ক ভৱিসয়ত্তৰ অনেক দুঃসাহসিক কাৰ্য আৰু অলৌকিক ঘটনাৰ সমাৱেশ কাব্যখনত সন্নিবিষ্ট হৈছে। বিভিন্ন কাব্যালংকাৰৰ সুনিপুণ প্ৰয়োগ, প্ৰকৃতি জগতৰ মনোমোহা চিত্ৰণ আৰু শৃংগাৰ-বীৰ-কৰুণ আদি ৰসৰ সমাৱেশে ইয়াক উপভোগ্য কৰি তুলিছে।

**(২) দাৰ্শনিক বা আধ্যাত্মিক কাব্য ঃ**

অপভ্ৰংশত কেইবাখনো আধ্যাত্মিক বা দাৰ্শনিক তত্ত্বমূলক গ্ৰন্থ পোৱা যায়। এনে কাব্য ৰচকসকলৰ ভিতৰত জোইন্দুৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ ৰচিত গ্ৰন্থসমূহৰ ভিতৰত *'পৰমাত্ম প্ৰকাশ', 'যোগসাৰ', 'শ্ৰাৱকাৰ দোহা'*ৰ উল্লেখ বিশেষভাৱে কৰিব পাৰি। জোইন্দুৰৰ

পিছত এই জাতীয় গ্ৰন্থৰ আন এজন ৰচক হ'ল ৰামসিংহ। তেওঁৰ নামত *'পাহুড দোহা'* (প্ৰভৃত দোহা) নামৰ গ্ৰন্থ এখন পোৱা যায়। দোহাসমূহত বৌদ্ধ, তান্ত্ৰিকতা আৰু শাক্ত প্ৰভাৱলৈ লক্ষ্য কৰি এইবোৰ অৱহট্‌ঠ যুগত ৰচিত বুলি অনুমান কৰা হয়।

**(৩) নীতি-কৱিতা ঃ**

বৌদ্ধধৰ্মত প্ৰয়োজনীয় শিক্ষা আৰু উপদেশসমূহ মনত ৰাখিবলৈ যিদৰে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ সংক্ষেপ গ্ৰন্থ ৰচিত হৈছিল, জৈনধৰ্মতো তেনেদৰে অপভ্ৰংশ ভাষাৰ মাধ্যমেৰে কিছুমান নীতি-শিক্ষামূলক ক্ষুদ্ৰ-বৃহৎ গ্ৰন্থ ৰচিত হৈছিল। এইবোৰৰ ভিতৰত একাদশ শতিকাৰ শেষ আৰু দ্বাদশ শতিকাৰ আদি ভাগত ৰচিত জিনদত্ত সুৰিৰ *'উপদেসৰসায়ণৰস', 'কালস্বৰূপকুলক', 'চচ্চৰী'* সকলোতকৈ প্ৰসিদ্ধ। আন আন গ্ৰন্থৰ ভিতৰত মহেসৰ সুৰি বা মহেশ্বৰ সুৰিৰ *'সঞ্জম-মঞ্জৰী'*, সুপ্ৰভাচাৰ্যৰ *'বৈৰাগ্যসাৰ'* উল্লেখযোগ্য।

**(৪) বৌদ্ধ-দোহা ঃ**

প্ৰাকৃতত 'গাথা' বা 'গাহা' বুলি অভিহিত কৰা গীতি-কবিতাৰ আদৰ্শেৰে অপভ্ৰংশ-অৱহট্‌ঠতো কিছুমান গীতি-কবিতা ৰচনা কৰা হৈছিল। এইবোৰকে 'দোহা' বুলি কোৱাহৈছে। জৈনধৰ্মাৱলম্বীসকলে অপভ্ৰংশৰ মাধ্যমেৰে এনে দোহা ৰচনা কৰিছিল আৰু বৌদ্ধধৰ্মাৱলম্বী সহজযানীসকলে অৱহট্‌ঠৰ মাধ্যমেৰে দোহা ৰচনা কৰিছিল। সহজযানীসকলে ৰচনা কৰা দোহাসমূহক বৌদ্ধদোহা বুলি কোৱা হয়। বৌদ্ধদোহা ৰচনা কৰা ৰচকসকলক সিদ্ধাচাৰ্য বোলা হয়। এইবোৰত আধ্যাত্মিক দৰ্শনৰ তত্ত্ব পৰিস্ফুট হোৱা কাৰণে আধ্যাত্মিক কাব্যৰ শ্ৰেণীত ধৰিব পাৰি।

**(৫) গীতি-কাব্য ঃ**

প্ৰক্ষিপ্ত বুলি অনুমান কৰা হয় যদিও, অপভ্ৰংশত ৰচিত গীতি-কবিতাৰ প্ৰাচীনতম নিদৰ্শন কালিদাসৰ 'বিক্ৰমোৰ্ৱশী' নাটকত পোৱা যায়। আদিৰসাত্মক এই গীতবোৰত সৰগৰ অপেস্বৰী উৰ্বশীৰ বিৰহত মৰ্ত্যৰ ৰজা পুৰুৰবাৰ অন্তৰ কিদৰে কাতৰ হৈ পৰিছিল তাৰ মৰ্মস্পৰ্শী চিত্ৰ অংকিত হৈছে। আন এগৰাকী প্ৰখ্যাত মুছলমান কবি আব্দুল ৰহমানৰ দ্বাৰা অৱহট্‌ঠত ৰচিত *'সংনেহ ৰাসউ'* বা 'সন্দেশ ৰাসক', গীতি-কাব্যৰ উল্লেখযোগ্য নিদৰ্শন। ই এখন ধৰ্মনিৰপেক্ষ ৰস-সাহিত্যৰ অন্তৰ্গত শৃংগাৰ ৰসাত্মক গীতি-কাব্য। কাব্যখনিৰ উল্লেখযোগ্য দিশ হ'ল এজন মুছলমান সম্প্ৰদায়ৰ লোকে সম্পূৰ্ণ হিন্দু পৰিৱেশত বা ভাৰতীয় কাব্য-ৰচনাৰ পৰম্পৰাৰে কাব্যখন ৰচনা কৰিছে।

**(৬) অন্যান্য ঃ**

এই ভাগত অপভ্ৰংশ আৰু অৱহট্‌ঠত ৰচিত উল্লেখযোগ্য কাব্য কেইখনমান অন্তৰ্ভুক্ত কৰা হৈছে। তলত সিবোৰৰ আভাস দাঙি ধৰা হ'ল ঃ

**প্ৰাকৃত-পৈঙ্গল ঃ** মাত্ৰাবৃত্ত আৰু বৰ্ণবৃত্ত ছন্দৰ উদাহৰণ দাঙি ধৰিবলৈ ৰচনা কৰা শ্লোকসমূহক লৈ *'প্ৰাকৃত-পৈঙ্গল'*ৰ সৃষ্টি হৈছে। ইয়াৰ ৰচক হ'ল পিঙ্গলাচাৰ্য। কাব্যখনৰ নামত প্ৰাকৃত থাকিলেও ইয়াৰ ভাষা অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশ। চতুৰ্দশ শতাব্দী বা তাৰ কিছু পাছত 'প্ৰাকৃত-পৈঙ্গল' ৰচনা কৰা হৈছিল বুলি অনুমান কৰা হৈছে।

**কীৰ্তিলতা আৰু কীৰ্তিপতাকা ঃ** 'বিজ্জাবই' বা বিদ্যাপতিৰ দ্বাৰা ৰচিত এই গ্ৰন্থ দুখন অৱহট্‌ঠ ভাষাৰ আখ্যান-কাব্যৰ অন্তৰ্গত। গ্ৰন্থ দুখন অৱহট্‌ঠৰ শ্ৰেষ্ঠ কাব্যই নহয়, অৱহট্‌ঠ ৰচনাৰ শেষ

প্ৰতিনিধিও। *কীৰ্তিলতা*-ত কবিৰ পৃষ্ঠপোষক মিথিলাৰ ৰজা কীৰ্তিসিংহৰ পিতৃবৈৰীৰ নিৰ্যাতনৰ কাহিনী চাৰিটা 'পল্লৱ'ত বৰ্ণনা কৰা হৈছে। সমসাময়িক সমাজখনৰ ঐতিহাসিক পৰিচয় ইয়াৰ মাজেৰে পৰিস্ফুট হৈছে।

আনখন কাব্য *'কীৰ্তিপতাকা'*ত ৰজা শিৱসিংহৰ কীৰ্তি আৰু প্ৰণয় কাহিনী বৰ্ণনা কৰা হৈছে। এই কাব্যখন পূৰ্ণাংগ ৰূপত এতিয়াও উদ্ধাৰ হোৱা নাই যদিও খণ্ডিতাংশৰ পৰা শৃংগাৰ আৰু বীৰৰসযুক্ত কাব্য বুলি সিদ্ধান্ত কৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) সাহিত্যত অপভ্ৰংশৰ প্ৰয়োগ প্ৰথমে ক'ত, কেনেদৰে হৈছিল। (৫০ টা শব্দৰ ভিতৰত আলোচনা কৰক)

.....................................................................................
.....................................................................................
.....................................................................................

২) অপভ্ৰংশৰ সাহিত্যৰাজিক শ্ৰেণীবিভক্ত কৰি প্ৰতিটো ভাগৰ একোটা টোকা প্ৰস্তুত কৰক।

.....................................................................................
.....................................................................................
.....................................................................................

## ১.৮ সাৰাংশ (Summing Up)

প্ৰাচীন ভাৰতীয় আৰ্যভাষা নানা পৰিৱৰ্তনৰ মাজেৰে মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰত প্ৰৱেশ কৰে। এই মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰৰ প্ৰাকৃতৰ পৰিৱৰ্তিত ৰূপটোকে অপভ্ৰংশ ভাষা হিচাপে চিহ্নিত কৰা হৈছে। সাহিত্যিক প্ৰাকৃতৰ কালতে জনসাধাৰণৰ মাজত প্ৰাকৃতৰ যি সৰলীকৃত ৰূপ দৈনন্দিন জীৱনত কথ্য ভাষা হিচাপে প্ৰচলন হৈ আছিল সেই ভাষা পাছত অপভ্ৰংশ ৰূপে পৰিচিত হয়। এই কথ্যৰূপত নানা গীত-পদ আদি ৰচিত হৈছিল। কালিদাসৰ *'বিক্ৰমোৰ্ৰ্শীয়ম'*ত সন্নিবিষ্ট গীতবোৰত এই ভাষাৰ নিদৰ্শন প্ৰথমে লক্ষ্য কৰা যায় আৰু এই গীতখিনিকে অপভ্ৰংশৰ প্ৰাচীনতম নিদৰ্শন বুলি অভিহিত কৰা হয়।

প্ৰথম অৱস্থাত অপভ্ৰংশই কোনো ভাষা বিশেষক বুজোৱা নাছিল। অ-সংস্কৃত, অ-প্ৰাকৃত অপশব্দৰ অৰ্থতহেই ব্যৱহাৰ হৈছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীমানৰ পৰাহে সংস্কৃত আলংকাৰিক আৰু প্ৰাকৃত বৈয়াকৰণসকলে অপভ্ৰংশক স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি দিয়ে। সাহিত্যিক প্ৰাকৃততকৈ অপভ্ৰংশ আছিল অধিক সৰলতৰ আৰু কথ্য উপাদানেৰে সমৃদ্ধ। এই সৰলতৰ ৰূপটোৱে সাহিত্যৰ মাধ্যমেৰে এক শিষ্ট ৰূপ পৰিগ্ৰহণ কৰে। ইয়ে অপভ্ৰংশৰ প্ৰাচীন স্তৰ বা প্ৰাচীন অপভ্ৰংশ । অৰ্থাৎ যি কথ্যাশ্ৰিত ভাষাই সাহিত্যানুশীলিত হৈ সাধুভাষাৰূপে সাহিত্যিক প্ৰাকৃতৰ কালতে প্ৰতিষ্ঠিত হৈ পৰিছিল সিয়েই অপভ্ৰংশৰ প্ৰাচীন স্তৰ বা প্ৰাচীন অপভ্ৰংশ।

আনহাতে এই প্ৰাচীন অপভ্ৰংশ বা সাহিত্যিক অপভ্ৰংশ চৰ্চাৰ কালত জনসাধাৰণৰ দৈনন্দিন কথ্যৰূপটো পৰিৱৰ্তিত ৰূপত বা ক্ৰমশঃ সৰলতৰ ৰূপত অব্যাহত আছিল আৰু বিভিন্ন লৌকিক গীত-পদ ইয়াৰ মাধ্যমেৰে ৰচিত হৈছিল। এই লোক-ব্যৱহাৰৰ কথ্যৰূপটো প্ৰাচীন

অপভ্ৰংশতকৈ সৰল বা কিছু বেলেগ আছিল কাৰণে তাক 'অপিভ্ৰষ্ট' বা 'অৱহট্‌ঠ' আখ্যা দিয়া হয়। এই অৱহট্‌ঠ ৰূপটোকে অৰ্বাচীন অপভ্ৰংশ বা লৌকিক বা দেশী বচন বুলি কোৱা হয়।

প্ৰাচীন অপভ্ৰংশ আৰু অৰ্বাচীন অপভ্ৰংশ এই দুয়োটাতে সাহিত্য-ৰস-সমৃদ্ধ মহাকাব্য, গীতি-কাব্য আদি যে ৰচিত হৈছিল এই সম্পৰ্কে আপুনি পূৰ্বৰ আলোচনা পৰা বুজিব পাৰিছে।

মুঠতে অপভ্ৰংশ হ'ল নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱৰ পূৰ্বৱৰ্তী স্তৰ।

## ১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অপভ্ৰংশ নামটোৰ তাৎপৰ্য ব্যাখ্যা কৰক।

২) অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি আলচ যুগুত কৰক।

৩) ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত অপভ্ৰংশৰ স্থান নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰক।

৪) অপভ্ৰংশ ভাষা মধ্য ভাৰতীয় আৰ্য ভাষাৰ কোনটো স্তৰৰ অন্তৰ্গত? এই ভাষাৰ কি কি উপভাষা পোৱা গৈছে? অপভ্ৰংশ আৰু অৱহট্‌ঠৰ পাৰ্থক্য কি খৰচি মাৰি আলোচনা কৰক ।

৫) অপভ্ৰংশ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

৬) অপভ্ৰংশ ভাষাত ৰচিত সাহিত্যৰাজিৰ এটি পৰিচয় দাঙি ধৰক।

## ১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| নগেন ঠাকুৰ | ঃ | *পালি প্ৰাকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য* |
| (---------) | ঃ | *প্ৰাকৃত সাহিত্য চয়ন* |
| (---------) | ঃ | *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন* |
| দেৱীদাস ভট্টাচাৰ্য ও উষাৰঞ্জন ভট্টাচাৰ্য | ঃ | *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা* |
| M. Winternitz | : | *A History of Indian Literature, Vol II* |
| A.C. Woolner | : | *Introduction to Prakrit* |
| G.V. Tagare | : | *Historical Grammar of Apabhramsa* |


* * *

## দ্বিতীয় বিভাগ
## সংনেহ ৰাসউ (সন্দেশ ৰাসক)

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ কবি পৰিচয় আৰু 'সংনেহ ৰাসউ'ৰ ৰচনা কাল
২.৪ 'সংনেহ ৰাসউ'ৰ নামকৰণৰ তাৎপৰ্য
২.৫ দূত-কাব্যৰূপে 'সংনেহ ৰাসউ'
২.৬ 'সংনেহ ৰাসউ'ৰ বিষয়বস্তু আৰু কাব্যিক সৌন্দৰ্য
২.৭ মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা
২.৮ সাৰাংশ (Summing Up)
২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

এইটো বিভাগত আমি মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ অপভ্ৰংশত ৰচিত 'সংনেহ ৰাসউ' বা 'সন্দেশ ৰাসক' নামৰ দূত-কাব্যখনিৰ বিষয়ে অধ্যয়ন কৰিম।

খ্ৰীষ্টীয় অষ্টম-নৱম শতাব্দীমানত অপভ্ৰংশৰ যি অৰ্বাচীন ৰূপ ভাৰতবৰ্ষত প্ৰতিষ্ঠিত হৈছিল তাক 'অৰ্বাচীন অপভ্ৰংশ' বা 'অৱহট্‌ঠ' বোলা হৈছে। এই ভাষা জনসাধাৰণৰ দৈনন্দিন কথ্য ভাষাৰ ওপৰত প্ৰতিষ্ঠিত। লোক-জীৱনৰ বাগ্‌ব্যৱহাৰৰ ভাষা হোৱা হেতুকে ই লোক-সাহিত্যৰো বাহন হৈ উঠিছিল। একে সময়তে এই ভাষাৰ মাধ্যমেৰে বৌদ্ধসহজযানী-বজ্ৰযানী, জৈন, শৈৱ-নাথ আদি সম্প্ৰদায়েও নিজ নিজ সাহিত্য ৰচনা কৰিছিল। কামৰূপ-বংগৰ পৰা সৌৰাষ্ট্ৰ প্ৰতীচ্যলৈ বিস্তৃত হোৱা হেতুকে এই ভাষাক ভৌগোলিক ভাৱে প্ৰাচ্য বা পূৰ্বী আৰু পশ্চিমা এই দুটা বহল ভাগত ভাগ কৰা হৈছে।

আলোচ্য কাব্য 'সংনেহ ৰাসউ' পশ্চিমা অৱহট্‌ঠত ৰচিত। ভাৰতীয় দূতকাব্যৰ পৰম্পৰাৰ ই শেহতীয়া প্ৰতিনিধি। ইয়াত বিৰহিনী পত্নী এগৰাকীয়ে প্ৰবাসত থকা প্ৰিয়জনক এজন বাটৰুৱাৰ মাধ্যমেৰে মনৰ 'সন্দেশ' বা বাতৰি প্ৰেৰণ কৰাৰ কাব্যিক বিৱৰণ সন্নিবিষ্ট হৈছে। মুঠ তিনিটা প্ৰক্ৰমত বিভক্ত এই কাব্যত 'ৰাসক' ছন্দ ব্যৱহাৰ কৰা হেতুকে আৰু কাব্যৰ বিষয়বস্তু 'সন্দেশ' বা খবৰ প্ৰেৰণ কৰা হোৱা বাবে ইয়াৰ নাম হৈছে 'সন্দেশ ৰাসক'। কাব্যখনিৰ ৰচক হৈছে অদ্দহমান বা আব্দুল ৰহমান (কাৰো কাৰো মতে আব্দুৰ ৰহমান) নামৰ এগৰাকী মুছলমান কবি। সম্পূৰ্ণ হিন্দু পৰিৱেশত ৰচিত এই কাব্যৰ মাজেৰে ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য প্ৰকাশ হোৱাৰ উপৰি সমন্বয়ৰ গভীৰ আদৰ্শও প্ৰতিফলিত হৈছে।

এই আলোচনাত সংনেহ ৰাসউ (প্ৰাকৃত) আৰু সন্দেশ ৰাসক (সংস্কৃত) দুয়োটা নামকে ব্যৱহাৰ কৰা হৈছে।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ অপভ্ৰংশ তথা অৱহট্‌ঠত ৰচিত সাহিত্যৰ বিষয়ে আলোচনা কৰিব পাৰি;
- অৱহট্‌ঠ ভাষাৰ বৈশিষ্ট্যৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব;
- 'সংনেহ ৰাসউ' কাব্যৰ গঠন-ৰীতি আৰু বিষয়বস্তু সম্বন্ধে বিশ্লেষণ কৰিব পাৰিব;
- দূত-কাব্য আৰু ৰাসক ছন্দৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব; আৰু
- 'সংনেহ ৰাসউ'ৰ ৰচক আব্দুল ৰহমানৰ সাহিত্য-কৃতি সম্বন্ধে আলোচনা কৰিব পাৰিব।

## ২.৩ কবি পৰিচয় আৰু 'সংনেহ ৰাসউ'ৰ ৰচনা কাল

আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱৰ সময়ত প্ৰাদেশিক কবি-সাহিত্যিক সকলে নিজ মাতৃভাষাৰ উপৰি অপভ্ৰংশ-অৱহট্‌ঠত যি সাহিত্য ৰচনা কৰিছিল তাৰ ভিতৰত অদ্দহমান (আব্দুল/আব্দুৰ ৰহমান) বিৰচিত দূত-কাব্য 'সংনেহ ৰাসউ' বিশেষভাৱে উল্লেখযোগ্য। ভাৰতীয় ধ্ৰুপদী সাহিত্যৰ আদৰ্শেৰে ৰচনা কৰা এই কাব্যত লোক-জীৱনৰ পৰা আহৰিত ভাষাৰ সুপ্ৰয়োগৰ লগে লগে চিত্ৰধৰ্মী বৰ্ণনাৰ চমৎকাৰিত্ব আৰু উপমাদি অলংকাৰৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়। ইয়াৰ ভাষা মূলতঃ শৌৰসেনী অপভ্ৰংশৰ অৰ্বাচীন ৰূপ বা পশ্চিমা অৱহট্‌ঠ।

প্ৰায়ভাগ প্ৰসিদ্ধ প্ৰাচীন কবিৰ দৰে 'সংনেহ ৰাসউ'ৰ কবি 'অদ্দহমান'ৰো জীৱন আৰু সময় সম্বন্ধে ইতিহাস প্ৰায় নিমাত বুলিব পাৰি। কাব্যৰ আৰম্ভণিতে কবিয়ে নিজে উল্লেখ কৰা যৎ সামান্য পৰিচয়, ব্যৱহৃত ভাষা আৰু 'ৰাসক' সাহিত্যৰ বিকাশৰ সূত্ৰ ধৰি এইগৰাকী কবিক দ্বাদশ শতিকাৰ শেষ অথবা ত্ৰয়োদশ শতিকাৰ আদি ভাগত সংস্থাপন কৰা হৈছে। কাব্যখনিৰ প্ৰথম প্ৰক্ৰমত কবিগৰাকীৰ পৰিচয় এনেদৰে উল্লেখ হৈছে ঃ

> *"পচ্চাএসি পহূও পুৱ্ব পসিদ্ধো স মিচ্ছদেসো তিথ।*
> *তহ বিসএ সম্ভূও আৰদ্দো মীৰসেনস্‌স।।*
> *তহ তণও কুল কমলো পাইঅ কৱ্বেসু গীয় বিসয়েসু।*
> *অদ্দহমান পসিদ্ধো সংনেহ ৰাসয়ং ৰইয়ং।।"*

অৰ্থাৎ, পশ্চিমত পুৰণি কালৰ পৰা প্ৰসিদ্ধ যি ম্লেচ্ছদেশ আছে, তাতেই মীৰসেন নামৰ এজন তাঁতীৰ জন্ম হৈছিল; তেওঁৰেই পুত্ৰ আব্দুল ৰহমান— যি কুলৰ কমল স্বৰূপ আৰু প্ৰাকৃত কাব্য আৰু গীত বিষয়ত সুপ্ৰসিদ্ধ,— তেৰেঁই সন্দেশ ৰাসক ৰচনা কৰিছে। ইয়াৰ পৰা বুজিব পাৰি যে কবিৰ জন্ম তাঁতী বংশত হৈছিল আৰু তেওঁৰ পিতৃৰ নাম মীৰসেন। কিন্তু পশ্চিমৰ 'ম্লেচ্ছদেশ' ক'ত আছিল সেয়াহে বিচাৰি উলিওৱা কঠিন।

ইতিহাসৰ তথ্য অনুসাৰে ৭১২ খ্ৰীষ্টাব্দত পাৰস্যৰ মুছলমানসকলে তেতিয়াৰ ভাৰতবৰ্ষৰ পশ্চিম প্ৰান্তৰ (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) ব্ৰাহ্মণৰাজ ডাহিৰক পৰাভূত কৰি সিন্ধু আৰু মূলতানত প্ৰথমবাৰৰ বাবে মুছলমান সাম্ৰাজ্য স্থাপন কৰিছিল। এই মুছলমানসকলক 'ম্লেচ্ছ' বোলা হৈছিল আৰু তেওঁলোকে অধিকাৰ কৰা অঞ্চলটো 'ম্লেচ্ছদেশ' বুলি জনাজাত হৈছিল। কবি আব্দুল ৰহমানৰ পিতৃৰ জন্ম 'ম্লেচ্ছদেশ' বুলি পৰিগণিত সিন্ধু অঞ্চলৰ মুলতানত হৈছিল বুলি অনুমান কৰা হৈছে। সম্ভৱতঃ ৰহমানে পিতৃভূমি এৰি এতিয়াৰ গুজৰাটৰ অন্তৰ্গত সৌৰাষ্ট্ৰ-কচ্ছ অঞ্চলত বসবাস কৰিবলৈ লৈছিল। কাৰণ খ্ৰীষ্টীয় দশম শতাব্দীমানৰ পৰা সিন্ধু-পাঞ্জাৱকে ধৰি সমগ্ৰ উত্তৰ-পশ্চিম অঞ্চলত তুৰ্কী, মোগল, পাঠান আদি ইছলামধৰ্মী সম্প্ৰদায়ৰ উপৰ্যুপৰি

হোৱা আক্ৰমণে অশান্তিৰ সৃষ্টি কৰিছিল আৰু সাহিত্য-সংস্কৃতি চৰ্চাৰ পৰিবেশ সমূলি বিনষ্ট কৰিছিল। 'সংনেহ ৰাসউ'ৰ ভাষাই প্ৰমাণ কৰে যে কবিয়ে প্ৰাচীন পশ্চিমা ৰাজস্থানীৰ, অৰ্থাৎ মাৰোৱাৰী-গুজৰাটী ভাষা-অঞ্চলৰ কোনো এঠাইত সিন্ধু-মূলতানৰ পৰা আহি বসতি কৰিছিল। কাব্যখনিত 'মূলথানু' (মুলতান) বা 'সামৰু' (শাম্বপুৰম) নগৰৰ বৰ্ণনা অতি উছাহেৰে দিয়াৰ পৰাও প্ৰমাণ হয় যে কবিৰ পূৰ্বৰ বাসস্থান মূলতান অঞ্চলেই আছিল। কাব্যত ব্যৱহৃত অন্যান্য কেতবোৰ ঠাইৰ নাম, যথা-খম্ভাইত্তিহি (স্তম্ভতীৰ্থ বা খম্ভাত), বিজয়নগৰ (বিক্ৰমপুৰ) জালন্ধৰি (জলন্ধৰ) আদিয়েও উক্ত কথাকে দৃঢ়বদ্ধ কৰে। এনে নামৰ সূত্ৰ ধৰিয়েই 'সংনেহ ৰাসউ'ৰ প্ৰথম সংগ্ৰাহক তথা সম্পাদক জিন বিজয়ে আব্দুল ৰহমানক পশ্চিম সীমান্তৰ কোনো অঞ্চলৰ বাসিন্দা আছিল বুলি মত প্ৰকাশ কৰিছে। পণ্ডিতপ্ৰৱৰ ৰাহুল সাংকৃত্যায়নেও কবিক মূলতান অঞ্চলৰ লোক বুলি কৈছে। কিন্তু কবিৰ নিজস্ব উক্তি, কাব্যখনিত ব্যৱহৃত ভাষা আৰু ৰচনাশৈলীয়ে কবিক বৰ্তমানৰ গুজৰাট অঞ্চলৰ বা ভাষিক দৃষ্টিকোণৰ ফালৰ পৰা মাৰোৱাৰী-গুজৰাটী ভাষা প্ৰধান অঞ্চলৰ লোক বুলিহে প্ৰতিপন্ন কৰে।

গুজৰাটী আৰু মাৰোৱাৰী (ৰাজস্থানী) ভাষাই স্বতন্ত্ৰ ৰূপত আত্মপ্ৰকাশ কৰে খ্ৰীষ্টীয় ষোড়শ শতিকামানৰ পৰা ইয়াৰ পূৰ্বৰ ভাষাৰূপটোক গুজৰাটী-মাৰোৱাৰী বুলি কোৱা হয়। এই দুই ভাষাৰ মূল আছিল শৌৰসেনী প্ৰাকৃত আৰু তাৰ অপভ্ৰংশ। মন কৰিবলগীয়া যে উল্লিখিত ভাষা দুটা আধুনিক ৰূপলৈ বিকশিত হোৱাৰ কালছোৱাত শৌৰসেনী অপভ্ৰংশৰ মাধ্যমেৰে বিপুল সাহিত্যৰাজি সৃষ্টি হৈছিল। পৰৱৰ্তী সময়ত গুৰ্জৰ উপজাতিয়ে গুৰ্জৰ ৰাজ্য প্ৰতিষ্ঠা কৰিলেও তেওঁলোকেও আৰ্য্যভাষা গ্ৰহণ কৰিছিল। ফলত তেওঁলোকৰ ভাষাৰ কেতবোৰ বৈশিষ্ট্যও গুজৰাটীত সোমাই পৰে। 'সংনেহ ৰাসউ'ৰ ভাষাই শৌৰসেনী অপভ্ৰংশৰ অৰ্বাচীন ৰূপৰ প্ৰতিনিধিত্ব কৰে আৰু তাত দুই এটা গুৰ্জৰ অপভ্ৰংশৰ বৈশিষ্ট্যও লক্ষ্য কৰা যায়। এই ফালৰ পৰা কাব্যখনি গুজৰাট অঞ্চলতে ৰচিত হৈছিল বুলি অনুমান কৰা বিধেয়। প্ৰসঙ্গ ক্ৰমে আৰু এটা কথা উল্লেখনীয় যে পাঞ্জাৱ-মূলতান অঞ্চলৰ ভাষাৰ চিহ্ন 'সন্দেশ ৰাসক'ত পাবলৈ নাই। সিন্ধী, লহন্দা আদি পশ্চিম অঞ্চলৰ ভাষাত আৰবী-ফাৰ্চী শব্দৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা যায়। কিন্তু ইয়াৰ বিপৰীতে 'সন্দেশ ৰাসক'ত তেনে শব্দৰ কোনো চিন মোকাম পাবলৈ নাই।

গুজৰাটত সংস্কৃত, শৌৰসেনী প্ৰাকৃত আৰু শৌৰসেনী অপভ্ৰংশৰ প্ৰাচীন-অৰ্বাচীন ৰূপ-মাধ্যমেৰে বিভিন্ন ৰচনাৰাজি লিখাৰ এক ধাৰাবাহিক ইতিহাস পোৱা যায়। আনহাতে সিন্ধু অঞ্চলত সাহিত্য-চৰ্চাৰ প্ৰাচীন ঐতিহ্য তেনেদৰে পাবলৈ নাই। গতিকে ভাষা-ব্যৱহাৰৰ ফালৰ পৰা আব্দুল ৰহমানে গুজৰাটৰ অন্তৰ্গত কোনো অঞ্চলতে এই কাব্যখনি ৰচনা কৰিছিল যেন লাগে।

গুজৰাটী ভাষাই স্বতন্ত্ৰতা অৰ্জন কৰিবলৈ লোৱাৰ আগৰে পৰাই সেই ভাষাত লোকধৰ্মী কাব্যাদিৰ সৃষ্টি হৈছিল। এনে কাব্যৰ ভিতৰত 'ৰাসক' বিশেষভাৱে উল্লেখযোগ্য। এই কাব্য গুজৰাটীৰ নিজা সম্পদ। ই নাৰীৰ মনোভাব প্ৰকাশক লোক গীতি-কাব্য আৰু এই কাব্য আছিল সৰ্বাধিক জনপ্ৰিয়। আমাৰ আলোচ্য 'সন্দেশ ৰাসক' মূলতঃ এই 'ৰাসক' শ্ৰেণীৰ কাব্য, য'ত এগৰাকী নাৰীৰ প্ৰেমবিহ্বল হৃদয়ৰ বিৰহ-যন্ত্ৰণা অতিশয় মৰ্মস্পৰ্শীভাৱে বৰ্ণিত হৈছে। এই ফালৰ পৰাও কবি আব্দুল ৰহমানক গুজৰাটৰ কোনো ঠাইৰ কবি বুলি নিশ্চিতভাৱে ক'ব পৰা যায়।

ওপৰৰ আলোচনাৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে আব্দুল ৰহমানৰ পূৰ্বপুৰুষ আছিল সিন্ধু-মূলতান অঞ্চলৰ লোক। কিন্তু বহিঃ আক্ৰমণৰ বাবেই হওক, বা আন কিবা কাৰণতে

হওক, ৰহমানে মূল বাসস্থান এৰি সৌৰাষ্ট্ৰ-কচ্ছ অঞ্চলত বসতি কৰিবলৈ লৈছিল আৰু স্থানীয় ভাষা তথা সাহিত্য পৰম্পৰা আত্মস্থ কৰি এই কাব্যখন ৰচনা কৰিছিল। প্ৰাচীন ভাৰতীয় কাব্যাদৰ্শৰ অনুসৰণ,আৰবী-ফাৰ্চীৰ প্ৰভাৰহীন লোক-ভাষাৰ অতুলনীয় ব্যৱহাৰ আৰু তৎকালীনভাৱে সাহিত্যৰাজিত ব্যৱহৃত স্থানীয় ভাষাৰূপৰ যথাৰ্থ প্ৰয়োগে উক্ত কথাকে সুদৃঢ় কৰে।

অৱহট্‌ঠ ভাষাত সাহিত্য-ৰচনাৰ কাম আৰু ৰাসক কাব্যৰ উদ্ভৱ সমসাময়িকভাৱে হৈছিল— খ্ৰীষ্টীয় একাদশ-দ্বাদশ শতিকামানৰ পৰা। এই ফালৰ পৰা 'সংনেহ ৰাসউ'ৰ ৰচনা কাল দ্বাদশ শতিকাৰ শেষভাগ বা ত্ৰয়োদশ শতিকাৰ আদি ভাগ বুলি ঠাৱৰ কৰিব পাৰি।

'সংনেহ ৰাসউ'ৰ এখন টীকা লক্ষীচন্দ্ৰ নামৰ টীকাকাৰ এগৰাকীয়ে ১৪৬৫ খ্ৰীষ্টাব্দত যুগতাই উলিয়ায়। এই কথায়ো 'সংনেহ ৰাসউ'ৰ ৰচনাৰ সময় খ্ৰীষ্টীয় দ্বাদশ-ত্ৰয়োদশ শতিকা বুলি অনুমান কৰাৰ অৱকাশ দিয়ে। দৰাচলতে জনসাধাৰণৰ বাবে দুৰ্বোধ্য হৈ পৰা গ্ৰন্থৰহে টীকা-ভাষ্যৰ আৱশ্যক হয়। ৰচনা কালৰ পৰা দুশ বছৰৰ ব্যৱধানত কাব্যখনি তৎকালীন জনসাধাৰণৰ বাবে দুৰ্বোধ্য হৈ উঠা অসম্ভৱ নহয় আৰু সেইবাবেই সহজে বুজি পাব পৰাকৈ উল্লিখিত টীকাখনি ৰচিত হৈছিল।

এইবোৰৰ উপৰি কাব্যখনিত বৰ্ণিত বিষয়বস্তুৰ আধাৰতো কবিক দ্বাদশ/ত্ৰয়োদশ শতিকাৰ সময়ছোৱাত সংস্থাপন কৰিব পাৰি। কাব্যখনিৰ মতে বিজয়নগৰৰ বাসিন্দা নায়িকাগৰাকীৰ স্বামী ব্যৱসায় সংক্ৰান্তত খম্ভাতলৈ গৈছিল আৰু বাটৰুৱাই মূলতানৰ পৰা খম্ভাতলৈ কাৰোবাৰ বাতৰি লৈ গৈছিল। খম্ভাত নামৰ কাব্যোল্লিখিত ঠাইটুকুৰা চালুক্য বংশীয় ৰজা সিদ্ধৰাজ আৰু কুমাৰপালৰ কালত বাণিজ্যৰ প্ৰধান কেন্দ্ৰস্থল হৈ উঠিছিল। এওঁলোকৰ ৰাজত্বৰ সময়ছোৱাত গুজৰাট প্ৰদেশৰ উত্তৰ-পশ্চিম সীমান্ত সিন্ধুনদী পৰ্যন্ত বিস্তৃত আছিল আৰু তাত বিভিন্ন ঠাইৰ ব্যৱসায়ী বাণিজ্যিক কাৰণত গোট খাইছিল। এনে ঐতিহাসিক সমলৰ আধাৰতো 'সংনেহ ৰাসউ' কাব্যখনি সিদ্ধৰাজ আৰু কুমাৰপালৰ ৰাজত্বকালত, অৰ্থাৎ দ্বাদশ শতিকাৰ শেষভাগ আৰু ত্ৰয়োদশ শতিকাৰ আদি ভাগত ৰচনা কৰা হৈছিল বুলি সিদ্ধান্ত কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। 'সংনেহ ৰাসউ' (সন্দেশ ৰাসক)ৰ কবি গৰাকীৰ পৰিচয় দিয়ক। (৬০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

২। 'সংনেহ ৰাউস'ৰ ৰচনা কাল নিৰ্ণয় কৰক। (৪০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

## ২.৪ 'সংনেহ ৰাসউ'ৰ নামকৰণৰ তাৎপৰ্য

আব্দুল ৰহমান বিৰচিত কাব্যখনিৰ নাম 'সংনেহ ৰাসউ' কিয় ৰখা হ'ল সি এক মৌলিক প্ৰশ্ন। দুটা বিশেষ শব্দৰ সংযোজনত এই শিৰোনামটো গঢ় লৈ উঠিছে ঃ 'সংনেহ' (সন্দেশ)

আৰু ‘ৰাসউ’ (ৰাসক)। ‘সন্দেশ’ শব্দৰ অৰ্থ বাৰ্তা বা খবৰ। কাব্যখনিত প্ৰোষিতভৰ্তৃকা নায়িকাগৰাকীয়ে প্ৰবাসগত স্বামীৰ বিৰহ-যন্ত্ৰণাৰ ‘সন্দেশ’ বাটেৰে গৈ থকা পথিক এজনৰ মাধ্যমেৰে পঠিয়াবলৈ বিচৰা হেতুকে ইয়াত ‘সন্দেশ’ শব্দটো জড়িত হৈছে। আনহাতে আনটো শব্দ ‘ৰাসউ’ (ৰাসক) শব্দই শৃংগাৰৰসাত্মক লোকপ্ৰেমমূলক কাহিনীক বুজোৱা বুলি ক’ব পাৰি।

ৰাস, ৰাসা, ৰাসক আদি শব্দ ভাৰতীয় সাহিত্যত প্ৰাচীন কালৰে পৰা প্ৰয়োগ হৈ আহিছে। এই শব্দই বহুসংখ্যক নাৰী বা নৰ্তকীয়ে কৰা বিবিধ তাল-লয়যুক্ত নৃত্যানুষ্ঠানক বুজাইছিল। ‘ৰাসক’ আৰু ‘নাট্য-ৰাসক’ নামৰ দুবিধ উপৰূপকৰ কথাও পোৱা যায়। ‘ৰাসক’ শব্দই পোনতে নৃত্যানুষ্ঠান বা গীতি-নাট্যানুষ্ঠানক বুজাইছিল যদিও, পাছলৈ য’ত গীতে প্ৰাধান্য লাভ কৰে, তেনে কাব্যক বুজাবলৈ লয়।

‘ৰাস’ সাহিত্যক দুটা ভাগত ভগাব পাৰি ঃ ‘জৈন ৰাস’ আৰু ‘লোক-ৰাস’। জৈন মতাদৰ্শৰ দ্বাৰা পুৰিপুষ্ট ‘জৈন ৰাস’ সাহিত্যত নৈতিক আৰু আধ্যাত্মিক ভাবৰ প্ৰকাশ লক্ষ্য কৰা যায়। আনহাতে, ‘লোক-ৰাস’সমূহ প্ৰধানতঃ বীৰ বা শৃংগাৰ ৰসাত্মক। এইবোৰ ঐতিহাসিক বা লোকপ্ৰেমমূলক কাহিনীৰ অৱলম্বনত সৃষ্ট।

‘ৰাস’ আৰু ‘ৰাসক’ৰ কিছু পাৰ্থক্য আছে। ‘ৰাস’ বা ‘ৰাসা’বোৰ আৱেগধৰ্মী বীৰগাথা কিংবা বৰ্ণনাধৰ্মী দীৰ্ঘ কবিতা; কিন্তু ‘ৰাসক’বোৰ হৈছে নাৰীৰ কাহিনী সম্বলিত লোকগাথা। ‘ৰাসক’সমূহৰ ঘাই ৰস হৈছে শৃংগাৰ আৰু এইবোৰ কবি-কল্পিত। ইয়াৰ ছন্দসজ্জাত স্বকীয়ত্ব বিদ্যমান আৰু সেই ছন্দৰ ঝংকাৰেৰে এই কাব্যই গীতিধৰ্মিতা লাভ কৰে। আলোচ্য ‘সন্দেশ ৰাসক’ কাব্যৰ দ্বিতীয় প্ৰক্ৰমৰ ৪৩ নং গাথাত আছে ঃ ‘কহ বহুৰুৰি নিৰদ্ধউ ৰাসউ ভাসিয়ই’, অৰ্থাৎ, কোনো ঠাইত অভিনেতাই বিবিধ ৰূপেৰে নিবদ্ধ ৰাসক অভিনয় কৰা (বা পাঠ কৰা) শুনিবলৈ পোৱা যায়’। ইয়াৰ পৰা ‘ৰাসক’ শব্দৰ অৰ্থ যে গীতি-নাট্য আৰু ছন্দত নিবদ্ধ কাব্য সেই কথা বুজিব পৰা যায়।

ৰাসক ছন্দৰ কেতবোৰ নিজস্ব বৈশিষ্ট্য আছে। সেইবোৰ তলত দিয়া ধৰণৰ ঃ

(১) প্ৰতিটো ছন্দৰ চৰণ সংখ্যা চাৰি; অৰ্থাৎ চাৰিটা চৰণত এটা ৰাসক ছন্দ সম্পূৰ্ণ হয়।

(২) প্ৰতিটো চৰণত ২১টাকৈ মাত্ৰা থাকে।

(৩) প্ৰতি চৰণৰ অন্তিম মাত্ৰা লঘু হয়।

(৪) প্ৰতি দুই চৰণৰ অন্ত্যমিল থাকে।

‘সন্দেশ ৰাসক’ কাব্যখনি উল্লিখিত বৈশিষ্ট্য সম্বলিত ৰাসক ছন্দেৰে ৰচিত হৈছে। অৱশ্যে স্থান বিশেষে ‘দোহা’, ‘চউপইয়’ আদি অন্যান্য ছন্দৰ সমাৱেশো লক্ষ্য কৰিব পাৰি।

মুঠতে, ৰাসক শব্দই পোনতে বিবিধ তাল-লয়ৰ জৰিয়তে নাৰীসমাজে পৰিৱেশন কৰা নৃত্য-গীতৰ এক বিশেষ অনুষ্ঠানক বুজাইছিল। পাছলৈ বিশেষ ছন্দ-সজ্জাৰে নিবদ্ধ এক শ্ৰেণীৰ গীতি-কাব্যক বুজোৱা হ’ল। এই ৰাসক শ্ৰেণীৰ গীতি-কাব্যই খ্ৰীষ্টীয় দশম-দ্বাদশ শতাব্দীমানৰ ভিতৰত বিশেষ প্ৰসাৰ লাভ কৰে। প্ৰথমতে জৈনধৰ্মৰ প্ৰচাৰকসকলে ধৰ্মীয় উদ্দেশ্যেৰে এই কাব্য ৰচনা কৰিবলৈ লয় যদিও, পাছলৈ ই শৃগাৰ ৰসাত্মক লোককাব্যৰো বাহন হৈ পৰে।

এইটো শিতানৰ আৰম্ভণিতে আপোনাৰ অৱগতিৰ অৰ্থে কোৱা হৈছে যে ‘সন্দেশ’

আৰু ‘ৰাসক’ এই দুটা বিশেষ শব্দৰ সংযোগত ‘সন্দেশ ৰাসক’ শিৰোনামৰ সৃষ্টি হৈছে। ইয়াত ‘সন্দেশ’ শব্দই ‘বাতৰি’ বা ‘খবৰ’ বুজাইছে আৰু ‘ৰাসক’ হ’ল এবিধ গীতি-ছন্দৰ নাম। গতিকে ‘সন্দেশ ৰাসক’ (সংনেহ ৰাসউ) ৰাসক ছন্দত ৰচিত এনে এক কাব্য য’ত বিৰহিনী নায়িকাই জনৈক বাটৰুৱাক তেওঁৰ বিৰহ-যন্ত্ৰণাৰ কথা প্ৰবাসগত স্বামীক জনাবলৈ কাতৰ অনুৰোধ জনাইছে। ‘সন্দেশ’ বা বাতৰিয়ে কাব্যখনিত প্ৰাধান্য বিস্তাৰ কৰা হেতুকে ইয়াৰ ‘সন্দেশ ৰাসক’ শিৰোনাম যথোপযুক্ত হৈছে বুলি ক’ব পাৰি।

কাব্যখনিৰ গঠন-ৰীতিতো এক বৈশিষ্ট্য লক্ষ্য কৰা যায়। ই তিনিটা ভাগত বিভক্ত আৰু প্ৰতিটো ভাগক ‘প্ৰক্ৰম’ আখ্যা দিয়া হৈছে। **প্ৰথম প্ৰক্ৰম**ত আছে কাব্যৰ প্ৰস্তাৱনা, কবিৰ আত্ম-পৰিচয়, কাব্য ৰচনাৰ উদ্দেশ্য আৰু কবিৰ আত্ম-লঘিমা। **দ্বিতীয় প্ৰক্ৰম**ত কাব্যৰ মূল কাহিনী আৰম্ভ হৈছে আৰু ইয়াত বিৰহিনী নায়িকাৰ বিৰহ-যন্ত্ৰণা, বাটেৰে গৈ থকা জনৈক বাটৰুৱাক প্ৰবাসগত স্বামীৰ ওচৰলৈ তেওঁৰ দুখ-বেদনাৰ বাৰ্তা লৈ যাবলৈ মিনতি, বাটৰুৱাৰ দ্বাৰা নায়িকাৰ অপৰূপ ৰূপ-লাৱণ্যৰ প্ৰশংসা আৰু সাম্বপুৰ নগৰৰ মনোৰম সৌন্দৰ্য বৰ্ণনা কৰা হৈছে। **তৃতীয়** তথা **অন্তিম প্ৰক্ৰম**ত ছয় ঋতুৰ বৰ্ণনা আৰু ঋতুভেদে নায়িকাৰ দুখৰ বৰ্ণনা আৰু শেষত হঠাৎ নায়ক ঘৰলৈ উভতি অহাত নায়িকাৰ আনন্দদায়ক অৱস্থাৰ বৰ্ণনাৰ মাজেৰে কাব্যৰ পৰিসমাপ্তি ঘটিছে।

মুঠতে কাব্যৰ কাহিনী, ব্যৱহৃত ছন্দ আৰু গঠন-ৰীতিলৈ লক্ষ্য কৰি কাব্যখনিৰ নামকৰণ সাৰ্থক হোৱা বুলি নিঃ সন্দেহে পতিয়ন যাব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ‘সন্দেশ ৰাসক’ কাব্যৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰক। (৬০টা শব্দৰ ভিতৰত)

.....................................................................................

.....................................................................................

.....................................................................................

২। ‘ৰাসক’ ছন্দৰ বৈশিষ্ট্যকেইটা বিচাৰি উলিয়াওক।

.....................................................................................

.....................................................................................

.....................................................................................

৩। ‘সন্দোশ ৰাসক’ কাব্যৰ গঠন-ৰীতিৰ চমু বিৱৰণ প্ৰস্তুত কৰক (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)।

.....................................................................................

.....................................................................................

.....................................................................................

## ২.৫ দূত-কাব্যৰূপে ‘সংনেহ ৰাসউ’

‘সংনেহ ৰাসউ’ মূলতঃ ৰাসক শ্ৰেণীৰ কাব্য হ’লেও, কাব্যাদৰ্শৰ বিচাৰত ইয়াক ভাৰতীয় দূত-কাব্য পৰম্পৰাৰ অন্যতম প্ৰতিনিধি বুলিব পাৰি। ৰচনা-শৈলী তথা ইয়াত ব্যৱহৃত ছন্দসজ্জা আৰু নাৰীমনৰ প্ৰাধান্যই ইয়াক ৰাসক কাব্য বুলিবলৈ বাধ্য কৰায়। কিন্তু কাব্যত বৰ্ণিত বিষয়বস্তুলৈ লক্ষ্য কৰিলে ইয়াক নিঃসন্দেহে দূত-কাব্য আখ্যা দিব পাৰি।

সংস্কৃত সাহিত্যত দূত-কাব্যৰ স্ৰষ্টা হ'ল মহাকবি কালিদাস। তেওঁৰ অভিনৱ সৃষ্টি *'মেঘদূতম'*তে প্ৰথমবাৰৰ বাবে এইবিধ কাব্যৰ উন্মেষ ঘটে। এই কাব্যৰ অনুকৰণত পৰৱৰ্তী সময়ত সংস্কৃত সাহিত্যত ভালেমান দূত-কাব্যৰ সৃষ্টি হৈছিল। দৰাচলতে বিৰহ-ব্যথিত প্ৰেমিক বা প্ৰেমিকাই কাৰোবাৰ জৰিয়তে নিজৰ প্ৰেমাস্পদক হৃদয়ৰ বতৰা দিবলৈ কাতৰ অনুৰোধ জনোৱাৰ বৰ্ণনাৰে এইবিধ কাব্যৰ সূচনা হয়। *'মেঘদূতম'*ত কালিদাসে নিৰ্বাসিত এক যক্ষৰ বিৰহ-বেদনা আহাৰৰ কলীয়া ডাৱৰৰ মাধ্যমেৰে প্ৰেৰণ কৰাৰ অভিনৱ চিন্তাক কাব্যিক ৰূপ দি ভাৰতীয় কাব্য-জগতত অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল। পৰৱৰ্তী সময়ত এনে চিন্তাৰে ৰচিত সংস্কৃত কাব্যৰ ভিতৰত দ্বাদশ শতিকাৰ ধোয়ী কবি বিৰচিত *'পৱন-দূত'* আৰু ষোড়শ শতিকাৰ ৰূপ গোস্বামী ৰচিত *'হংস-দূত'*আৰু *'উদ্ধৱ-দূত'* বা *'উদ্ধৱ-সন্দেশ'* বিশেষভাৱে উল্লেখযোগ্য। অৱশ্যে ৰজা লক্ষ্মণসেন আৰু গন্ধৰ্বকন্যা কুবলয়ৱতীৰ কাল্পনিক প্ৰেম-কাহিনী সম্বলিত *'পৱন-দূত'*ক সাৰ্থক দূত কাব্য আখ্যা দিব পাৰিলেও, ৰূপ গোস্বামীৰ 'হংসদূত' বা 'উদ্ধৱদূত'ক লৌকিক প্ৰেমকাহিনী নথকা হেতুকে প্ৰকৃত দূত-কাব্যৰ শাৰীত পেলাব নোৱাৰি। কাৰণ ইয়াৰ মাজেৰে গৌড়ীয় ৰাধা-প্ৰেমৰ সুৰ ব্যঞ্জিত হৈছে। ইয়াৰ বিপৰীতে লোক-জীৱনৰ কাল্পনিক কাহিনীৰ আধাৰত অৱহট্‌ঠ ভাষাৰে ৰচিত আব্দুল ৰহমানৰ *'সন্দেশ ৰাসক'*ক এক সাৰ্থক দূত-কাব্য বুলি অভিহিত কৰিব পাৰি দূত-কাব্যত কবি-কল্পিত প্ৰেম-কাহিনী আৰু বিৰহৰ যন্ত্ৰণাৰ যি প্ৰতিচ্ছবি প্ৰতিফলিত হয় সেই বৈশিষ্ট্য *'সন্দেশ ৰাসক'*ত পূৰামাত্ৰাই লক্ষ্য কৰা যায়। এই ফালৰ পৰা *'সন্দেশ-ৰাসক'*ক ভাৰতীয় দূত-কাব্যৰ শেহতীয়া প্ৰতিনিধি বুলি সহজেই কৈ দিব পৰা যায়।

কালিদাসৰ *'মেঘদূতম'*ৰ সৈতে *'সন্দেশ ৰাসক'*ৰ ভালেমান ক্ষেত্ৰত মিল লক্ষ্য কৰিব পাৰি। *'মেঘদুতম'*ত যিদৰে নিৰ্বাসিত বিৰহী যক্ষৰ অন্তৰৰ বেদনা মূৰ্ত হৈ উঠিছে, তেনেদৰে *'সন্দেশ ৰাসক'*তো পতি বিৰহিণী নায়িকাৰ বিৰহ বেদনাৰ সাৰ্থক প্ৰকাশ ঘটিছে। আকৌ *'মেঘদূতম'*ত প্ৰেমিক যক্ষই আহাৰৰ প্ৰথম মেঘক প্ৰেমিকাৰ ওচৰলৈ বাৰ্তা বহনকাৰী দূত হিচাপে প্ৰেৰণ কৰাৰ দৰে *'সন্দেশ ৰাসক'*তো নায়িকাই বাটৰুৱা এজনক প্ৰবাসগত স্বামীৰ ওচৰলৈ দূত হিচাপে পঠিয়াইছে। কালিদাসৰ কাব্যৰ নায়ক যক্ষৰ কল্পনাত 'তন্বী শ্যামা শিখৰিদশনা পক্কবিম্বাধৰোষ্ঠী, মধ্যে ক্ষামা চকিত হৰিণীপ্ৰেক্ষণা নিম্ননাভিঃ' বিৰহিণী প্ৰিয়াৰ ৰূপ যিদৰে জীৱন্ত হৈ ধৰা দিছে, তেনেদৰে আব্দুল ৰহমানৰ কল্পনাৰ 'উত্তংগথিৰথোৰমণি বিৰুডলক্কি ধয়ৰট্‌ঠ-পউহৰি' বিজয়নগৰৰ বৰৰমণী গৰাকীও জীৱন্ত হৈ উঠিছে। উজ্জয়িনী নগৰৰ বৰ্ণনাত কালিদাসে যিদৰে হৃদয় উজাৰি দিছে, সাম্বপুৰ নগৰৰ বৰ্ণনাত তেনেদৰে আব্দুল ৰহমানে সমানেই পাৰদৰ্শিতা দেখুৱাইছে।

ওপৰৰ আলোচনাৰ পৰা এই কথাই প্ৰতীয়মান হয় যে *'মেঘদূতম্'*আৰু *'সন্দেশ ৰাসক'*ৰ মাজত ভালেখিনি সাদৃশ্য বিৰাজমান। কিন্তু, সেয়ে হ'লেও, শৈলীগত তথা বিষয়বস্তুৰ নিৰ্বাচনত দুয়োগৰাকী কবিৰ মৌলিক পাৰ্থক্য লক্ষ্য কৰিব পাৰি। কালিদাসৰ উল্লিখিত অমৰ সৃষ্টিৰ দ্বাৰা প্ৰভাৱিত হ'লেও, নিজস্ব সৃষ্টি কুশলতাৰ বাবে *'সন্দেশ ৰাসক'*ক কবিগৰাকীৰ এক মৌলিক সৃষ্টি বুলি নিৰ্দ্বিধাই স্বীকাৰ কৰিব পাৰি।

কালিদাস আছিল ৰজাঘৰীয়া কবি। গতিকে তেওঁৰ সৃষ্টিত আভিজাত্যসুলভ মননশীলতা সততে পৰিলক্ষিত হয়। আনহাতে আব্দুল ৰহমান লোক-কবি। গতিকে তেওঁৰ ৰচনাত কালিদাসৰ গাম্ভীৰ্য তথা মনশীলতা স্বাভাৱিক কাৰণতে পোৱা নাযায়। *'সন্দেশ ৰাসক'*ত প্ৰতিভাত হোৱা নগৰ-জীৱনৰ উদ্‌ভ্ৰান্ত চপলতাই তাৰ প্ৰমাণ। ৰাসক ছন্দৰ যোগেদি *'সন্দেশ*

*ৰাসক'*ত ফুটি উঠিছে এক দ্রুত গতিশীলতা; আনহাতে *'মেঘদূতম'*ত মন্দাক্রান্তা ছন্দৰ গুৰুগম্ভীৰ ব্যঞ্জনাৰে প্ৰকাশ পাইছে এক বিলম্বিত লয়। কালিদাসৰ প্ৰেম-চেতনা সম্ভোগ-সৰ্বস্ব নহয়; বৰং এই প্ৰেম এক স্বৰ্গীয় অনুভূতি, এক আনন্দৰ স্তৰ। আনহাতে লোক-কবি আব্দুল ৰহমানৰ প্ৰেম-কল্পনা সম্ভোগ-আৰ্তিৰে কাতৰ, পাৰ্থিৱ সুখ-দুখৰ স্মৃতি চাৰণেৰে পৰিপূৰ্ণ আৰু বাস্তৱৰ জগতৰ সৈতে জড়িত। কালিদাসে অচেতন মেঘক সচেতন মানৱ-ৰূপ প্ৰদান কৰি দূতৰূপে প্ৰিয়াৰ ওচৰলৈ পঠিয়াই প্ৰেমৰ গভীৰতা প্ৰকাশ কৰিবলৈ বিচৰা হেতুকে মেঘদূত সাধাৰণজনৰ অনুভৱ ক্ষমতাৰ বহু আঁতৰত ৰ'ল। ইয়াৰ বিপৰীতে আব্দুল ৰহমানে সচেতন বাটৰুৱাক বিৰহৰ বাতৰি প্ৰিয়জনক দিবলৈ পঠিয়াই লোক-জীৱনৰ বন্ধন মানিব নোখোজা বাস্তৱ প্ৰেমৰ স্বৰূপ চিত্ৰিত কৰি মাটিৰ পৃথিৱীৰ ধূলি-ধুসৰিত জীৱনৰ স্বাধীন প্ৰবৃত্তিৰ লগত পাঠকৰ সম্পৰ্ক ঘটাইছে।

কালিদাসৰ *'মেঘদূত'* সৃষ্টিৰ অন্তৰালত সম্ভৱতঃ 'শুতনুকা' দেৱদাসীক ভালপোৱাৰ অপৰাধত ৰামগড় পাহাৰৰ দুৰ্গম অৰণ্যৰ বুকুলৈ নিৰ্বাসিত হোৱা 'দেৱদিন' নামৰ বাৰাণসীৰ উচ্চবৰ্ণৰ ৰূপদক্ষজনৰ জীৱন-কাহিনীৰ স্মৃতি বিজড়িত হৈ আছে; কিন্তু *'সন্দেশ ৰাসক'*ৰ কাহিনীৰ অন্তৰালত কোনো ৰূপকথা বা কিংবদন্তি নিহিত হৈ থকা নাই। গতিকে 'সন্দেশ ৰাসক' সম্পূৰ্ণৰূপে কবিৰ মৌলিক সৃষ্টি।

অৱশ্যে কালিদাসৰ অপূৰ্ব তথা অন্যতম মহৎ সৃষ্টি *'মেঘদূতম'*ৰ অলংকাৰাঢ্য প্ৰকাশ নৈপুণ্য, অনুভূতিৰ গুৰু-গম্ভীৰ ভাব-ব্যঞ্জনা আৰু বৰ্ণনা-ৰীতিৰ অসামান্য দক্ষতাৰ সৈতে *'সন্দেশ ৰাসক'*ৰ তুলনা নহয়। কিন্তু, সেয়ে হ'লেও, লোক-কবিৰ সহজ-সৰল দৃষ্টিভংগীৰে নাৰী আৰু প্ৰকৃতিৰ ৰূপ-বৰ্ণনাত কবিয়ে যি অসামান্য দক্ষতা দেখুৱাইছে, বা কথ্য ভাষাক কাব্যিক সৰসতা প্ৰদান কৰি যি বাঙ্ময় চিত্ৰ অংকন কৰিছে, অথবা ঋতুভেদে হৃদয়ৰ বিচিত্ৰ ভাবৰ বৰ্ণনাত যি অসাধাৰণ পাৰদৰ্শিতা দেখুৱাইছে, সিয়ে *'সন্দেশ ৰাসক'*কো এক ৰসোত্তীৰ্ণ সাৰ্থক কাব্যৰ মৰ্যাদাপূৰ্ণ আসনত প্ৰতিষ্ঠাপিত কৰিছে। নায়িকাৰ ৰূপ সৌন্দৰ্যৰ বৰ্ণনা কিছু গ্ৰাম্যদোষদুষ্ট হোৱা যেন লাগিলেও, বা ৰুচিবোধ বহুক্ষেত্ৰত নিম্নগামী হোৱা বুলি অনুভৱ হ'লেও, লোক-কাব্য হিচাপে সেই দোষৰ পৰা কবিক মুক্ত কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। মহাকবি কালিদাসৰ 'মেঘদূতম'ৰ সৈতে 'সন্দেশ ৰাসক'ৰ মিল-অমিলবোৰ চিহ্নিত কৰক।

........................................................................................
........................................................................................
........................................................................................

২। দূত-কাব্য হিচাপে 'সন্দেশ ৰাসক'ৰ মূল্যায়ন কৰক। (৫০টা শব্দৰ ভিতৰত)

........................................................................................
........................................................................................
........................................................................................

## ২.৬ 'সংনেহ ৰাসউ'ৰ বিষয়বস্তু আৰু কাব্যিক সৌন্দৰ্য

'সংনেহ ৰাসউ' মূলতঃ এক প্ৰেম-কাব্য। ইয়াৰ মাজেৰে স্বামী বিৰহ-কাতৰা এগৰাকী সুন্দৰী ৰমণীৰ বিৰহ-ব্যথা মনোৰম কাব্যিক ভাষাৰে বৰ্ণনা কৰা হৈছে। কাব্যখনি মুঠ তিনিটা

প্ৰক্ৰমত বিভক্ত। ইয়াৰে প্ৰথম প্ৰক্ৰমত আছে কাব্যৰ প্ৰস্তাৱনা, কবিৰ নিজস্ব পৰিচয়, কাব্য ৰচনাৰ উদ্দেশ্য আৰু কবিৰ আত্ম-লঘিমা। দ্বিতীয় প্ৰক্ৰমত বিৰহ-বিধুৰা ৰমণী গৰাকীৰ দুখ-বেদনা, জনৈক পথিকক প্ৰবাসত থকা স্বামীৰ ওচৰলৈ তেওঁৰ দুখৰ বাৰ্তা লৈ যোৱাৰ বাবে অনুৰোধ, বাটৰুৱা কৰ্তৃক ৰমনীৰ অপৰূপ দেহ-বল্লৰীৰ বিৱৰণ আৰু সাম্বপুৰ নগৰৰ মনোৰম সৌন্দৰ্যৰ বৰ্ণনা দিয়া হৈছে। আনহাতে, তৃতীয় তথা অন্তিম প্ৰক্ৰমৰ মাজেৰে ষড় ঋতুৰ বৰ্ণনা আৰু ঋতুভেদে ৰমণীগৰাকীয়ে ভোগ কৰা বিৰহৰ দুখৰ বিৱৰণ দিয়া হৈছে। ঠিক তেনে সময়তে বিৰহিণীৰ স্বামী ঘৰলৈ উভতি অহাত তেওঁৰ আনন্দদায়ক অৱস্থাৰ বিৱৰণ দি কাব্যখনিৰ সামৰণি মৰা হৈছে। কাব্যখনিত বৰ্ণিত বিষয়বস্তু বা কাহিনীভাগ এনে ধৰণৰ—

বিজয়নগৰৰ এগৰাকী সুন্দৰী ৰমণীয়ে প্ৰবাসগত স্বামীৰ বিৰহত কাতৰ হৈ উৎকণ্ঠাৰে ৰাজপথৰ ফালে চাই থাকোঁতে হঠাৎ উদ্দাম গতিৰে গৈ থকা বাটৰুৱা এজনক দেখা পালে। ৰমণীয়ে তড়িৎ গতিৰে বাটৰুৱাজনৰ ওচৰলৈ গৈ তেওঁ ক'ৰ পৰা আহিছে আৰু ক'লৈ যাব সুধিলে। উত্তৰত তেওঁ গম পালে যে বাটৰুৱা সাম্বপুৰৰ পৰা আহিছে আৰু খম্ভাতলৈ যাব। খম্ভাতৰ নাম শুনি বিৰহিণীৰ মন থৌকি-বাথৌ হৈ পৰিল, কাৰণ তেওঁৰ স্বামী অৰ্থ উপাৰ্জনৰ নিমিত্তে খম্ভাতলৈকে গৈছে। বিৰহিণীয়ে বাটৰুৱাজনক তেওঁৰ মনৰ বেদনাৰ 'সন্দেশ' বা বাতৰি স্বামীৰ ওচৰলৈ লৈ যাবলৈ মিনতি জনালে। বিৰহৰ জুইত দগ্ধ ৰমণীগৰাকীয়ে স্বামীৰ অনুপস্থিতিত সম্ভোগবিহীন দিনবোৰ কেনেদৰে পাৰ কৰিছে আৰু পৰিণতিস্বৰূপে তেওঁ কেনেদৰে শুকাই-খীনাই যাবলৈ ধৰিছে সেই কথা সবিস্তাৰে বিৱৰি ক'লে। ৰমণীৰ দুচকুত দুখৰ চকুলো দেখি বাটৰুৱাই এই বিচ্ছেদ কেতিয়াৰ পৰা হৈছে সুধিলে। ৰমণীয়ে উত্তৰত ক'লে যে তেওঁৰ স্বামী যোৱাৰ সময়ত গ্ৰীষ্মকাল আছিল আৰু এতিয়া এবছৰ হ'লহি। তেওঁ অতি অসহ্যকৰ অৱস্থাৰে গ্ৰীষ্ম ঋতু পাৰ কৰিলে, উদ্বিগ্নতাৰে বৰ্ষাও পাৰ হ'ল, শৰৎ-হেমন্ত ঋতুও তেওঁ কান্দি-কান্দিয়েই অতিক্ৰম কৰিলে, কিন্তু এতিয়া বসন্ত ঋতু অহাৰ লগে লগে তেওঁ অধীৰা হৈ পৰিছে। অশোক-চজিনা ফুলে তেওঁৰ মনৰ শোক বৃদ্ধি কৰিছে; ময়ূৰীৰ নৃত্যই দুখৰ মাত্ৰা আৰু বেছি বঢ়াই তুলিছে; কুলিৰ মাত অসহ্যকৰ হৈ উঠিছে; পচোৱাৰ শীতল বাই তেওঁৰ দেহৰ পোৰণি শাঁত পেলাব পৰা নাই; কিংশুক ফুলবোৰ যেন ফুল নহয়, ঘন ক'লা তেজ— তেনে ভাব হৈছে; উত্তেজক বসন্ত ঋতুৱে হৃদয়ত কামনাৰ জুই জ্বলাইছে আৰু তেওঁক প্ৰিয়ৰ সৈতে মিলনৰ বাবে কাতৰ কৰি তুলিছে। এনেদৰে মনৰ সমস্ত দুখ বাটৰুৱাৰ আগত প্ৰকাশ কৰি সেই বাৰ্তা ৰমণীয়ে তেওঁৰ স্বামীক ক'বলৈ কৈছে আৰু অনুৰোধ কৰিছে যাতে স্বামীৰ খং নুঠাকৈ সকলো কথা যেন ভালদৰে বুজাই কয়। ইয়াৰ পাছত বাটৰুৱাক বিদায় দি কাব্যৰ নায়িকা ঘৰত সোমাব খোজোতেই দক্ষিণ দিশৰ ফালে চাই তেওঁৰ প্ৰাণসম প্ৰিয়জন আহি থকা দেখিবলৈ পালে। লগে লগে নায়িকাৰ মন উৎফুল্লিত হৈ পৰিল। নায়িকাই এনেদৰে আচম্বিতে সিদ্ধি লাভ কৰাৰ দৰে কাব্যখনি পঢ়োঁতা আৰু শুনোতাৰো সকলো কাৰ্য সিদ্ধি হোৱাৰ শুভ কামনাৰে কবিয়ে কাব্যৰ সামৰণি মাৰিছে।

কাব্যখনিত সৰ্বমুঠ ২২৩ টা গাথাৰ মাধ্যমেৰে ২২ প্ৰকাৰৰ বিভিন্ন ছন্দ-সজ্জাৰে কবি আব্দুল ৰহমানে বিৰহিণী নায়িকাৰ বিৰহ-বেদনা, সন্দেশ জ্ঞাপন, প্ৰকৃতিৰ চিত্ৰ অতি দক্ষতাৰে বৰ্ণনা কৰিছে। প্ৰকৃতিৰ বুকুৰ পৰা আহৰিত উপমাদিৰ জৰিয়তে কবিয়ে নায়িকাৰ অপৰূপ দেহ-বল্লৰীৰ শোভা বৰ্ণনা কৰিছে আৰু তেনে উপমাৰ দ্বাৰাই নায়িকাৰ হৃদয়ৰ সকলো প্ৰকাৰৰ অনুভূতিও সুন্দৰকৈ প্ৰকাশ কৰিছে। গ্ৰীষ্ম-বৰ্ষা-শৰৎ-হেমন্ত-শীত-বসন্ত— এই ষড় ঋতুৰ বৰ্ণনাৰ মাজেদি কবিয়ে নায়িকাৰ হৃদয়াবেগৰ দ্যোতনা দিবলৈ বিচাৰিছে আৰু সেয়েহে প্ৰকৃতি-বৰ্ণনা হৈ পৰিছে 'ঔপম্যসংশ্ৰয়া'। প্ৰকৃতিৰ সকলো ছবি উদ্দীপন বিভাব মাত্ৰ; হৃদয়াবেগৰ প্ৰতিবিম্ব বা ব্যঞ্জনা।

নায়িকাৰ দৈহিক ৰূপৰ বৰ্ণনাত কবি সংস্কৃত কাব্যকাৰসকলৰ উৰ্ধলৈ যাব পৰা নাই যদিও, কোনো কোনো ক্ষেত্ৰত মৌলিকতা প্ৰদৰ্শন নকৰাকৈও থকা নাই। বিশেষকৈ চিত্ৰধৰ্মী বৰ্ণনাত কবিৰ দক্ষ হাতৰ পৰশ অনুভূত হয়। দ্বিতীয় প্ৰক্ৰমৰ প্ৰথম দুটা গাথাত নায়িকাৰ বিৰহ-বিধুৰ অৱস্থা আৰু উদ্বিগ্নতাৰ চিত্ৰ যেনেদৰে অঙ্কন কৰা হৈছে, সেয়া দুৰ্লভ নহ'লেও সুলভো নহয়। যেনে— কান্দি-কান্দি চকু উখহাই বাউলী হৈ পৰা নায়িকাৰ মুখমণ্ডলত মূৰৰ চুলি সিঁচৰতি হৈ পৰিছে, বাৰে বাৰে হুমুনিয়াহ কাঢ়ি হাতৰ আঙুলিবোৰ ফুটাই আছে, শৰীৰটো ভাঙি-মোহাৰি আছে ইত্যাদি। ঠিক এনে অৱস্থাতে কোবোৰে বাট বুলা বাটৰুৱাজনক দেখা পাই উত্ৰাৱল হৈ খোজ দিওঁতে নায়িকাৰ চঞ্চল নিতম্বৰ পৰা কৰধনি সুলকি পৰিল; কৰধনি বান্ধি লোৱাৰ মুহূৰ্ততে আকৌ ডিঙিৰ হাৰডাল ছিগি মণি-মুকুতাবোৰ যেনি-তেনি সিঁচৰতি হৈ পৰিল; সেইবোৰৰ কিছুমান বুটলি লৈ আৰু কিছুমান এৰি থৈ পুনৰ খোজ দিওঁতেই নূপুৰত জোটাপুটি লাগি নায়িকা লুটি খাই পৰিল; বিস্ময় আৰু লজ্জাৰে পৰাৰ পৰা উঠি আগবাঢ়োঁতেই পাটৰ কাচলি ফাটি তেওঁৰ স্তনযুগল ঈষৎ উন্মুক্ত হৈ পৰিল; তেতিয়া লাজতে নায়িকাই দুই হাতেৰে স্তনযুগল এনেদৰে ঢাকি ধৰিলে যেন দুটা পদুমেৰে স্বৰ্ণকুম্ভহে ঢাকি ধৰিছে। স্বামী-বিৰহত ব্যথিতা তথা উৎকণ্ঠিতা এগৰাকী নাৰীৰ এনে বিব্ৰত অৱস্থা অলপো অৱাস্তৱ নহয়। বাটৰুৱাৰ মুখত নিজৰ ৰূপ-লাৱণ্যৰ বৰ্ণনা শুনি লাজ-লাজকৈ ভৰিৰ আঙুলিৰে মাটি খুচৰিবলৈ ধৰাটোও নিতান্তই বাস্তৱ। কবিয়ে এনে জীৱন্ত দৃশ্য অতিশয় দক্ষতাৰে অংকন কৰিছে।

লোক-জীৱনত প্ৰচলিত কথ্যৰূপৰ বিভিন্ন শব্দৰ সমাৱেশ ঘটাই (যেনে— 'ণজ্জই', খিসিঅ', 'সিহনা', 'ৰেংহতি', 'চল্লহি', 'তুৰক্কি', 'চিক্কণৰউ', 'ঝসুৰ', ইত্যাদি) দৈনন্দিন বাক্‌ৰীতিৰ প্ৰয়োগেৰে কাব্যিক সৰসতা প্ৰদান কৰিব পৰাটোও কাব্যখনিৰ আন এক অতুলনীয় বৈশিষ্ট্য। উদাহৰণ স্বৰূপে—

*'ঠাহি ঠাহি ণিমিসদ্‌ধু সুথিৰু অৱহাৰি মনু'*
(ৰ'ব, ৰ'ব,- আধানিমেষ মাত্ৰ ৰৈ মোৰ কথাখিনি মন দি শুনক);

অথবা—

*'তউ পংথিউ কণযংগি তথ বোলাবিয়উ*
*কহি জাইসি হিব পথিয় কহঁৰ তুই আইয়উ।।'*
(তাৰ পাছত সেই কানকাংগীয়ে পথিকক সম্বোধি সুধিলে—
আপুনিনো ক'ৰ পৰা আহিছে, কেনিনো যাব।)

—এই পংক্তি দুটালৈ আঙুলিয়াব পাৰি।

চিত্ৰধৰ্মী বৰ্ণনা, বিবিধ উপমাৰ যথাৰ্থ প্ৰয়োগ আৰু অনুপ্ৰাসৰ সঘন ব্যৱহাৰে কাব্যখনিৰ পঠন আৰু শ্ৰৱণ দুয়োটাকৈ সুমধুৰ কৰি তুলিছে ঃ

*'পড়ি উট্‌ঠয় সবিলক্‌খ সলজ্জিৰ সংঝসিয়।'*

*'সংগমি সুয়ণসৰিচ্ছা আসাসহি বেৰি অংগাঁই।'*

*'ণয়ৰ ণামু সামৰু সাৰোৰুহদল ণয়ণি,*
*ণায়ৰ জনসংপুণ্ণু হৰিস সসিহৰবয়ণি।'* আদি তাৰ উৎকৃষ্ট নিদৰ্শন।

কাব্যৰ আৰম্ভণিতে কবিয়ে বিদ্বানসকলক সম্বোধন কৰি পূৰ্বৰ প্ৰসিদ্ধ কবিসকলে সুললিত ছন্দেৰে কাব্য ৰচনা কৰি থৈ যোৱাৰ পিছতো তেওঁৰ দৰে অজ্ঞানীজনৰ দ্বাৰা লিখিত এই 'ললিয়হীন' (লালিত্যহীন), 'কুকুবিত্ত' (কুকবিতা) কোনে প্ৰশংসা কৰিব বুলি বিনয়ী ভাৱেৰে

যিবোৰ উপমাৰ জৰিয়তে জনসমাজলৈ কাব্যখনি নিবেদন কৰিছে সেয়া অতিশয় চিত্তাকৰ্ষক। এইবোৰৰ মাজেদি কবি দৃষ্টিৰ সূক্ষ্মতা, উপমা প্ৰয়োগৰ দক্ষতা, পৰিচিত বস্তুকো ভাবপ্ৰকাশৰ উপযোগী কৰি তোলাৰ পাৰদৰ্শিতা সুন্দৰভাৱে ফুটি উঠিছে। কবিৰ মতে যাৰ কাব্য-প্ৰতিভা থাকে তেওঁ কাব্য-চৰ্চাত ব্ৰতী হ'ব লাগে। সেই বুলি কুলিৰ মাত শুৱলা হ'ল বুলি কাউৰীয়ে নামাতিবনে, নন্দন-কাননত পাৰিজাত ফুলিল বুলি সাধাৰণ ফুল নুফুলিবনে, ৰাতি চন্দ্ৰ উদয় হয় বুলি ঘৰত চাকি নজ্বলাবনে, গংগা সাগৰলৈ বয় বুলি সৰু জান-জুৰি নোবোৱাকৈ থাকিবনে, ভৰত মুনি নিৰ্দেশিত তাল-লয়েৰে কোনো তৰুণীয়ে লয়লাসেৰে নাচিলে বুলি গাঁৱৰ সাধাৰণ ছোৱালীয়ে নচা বাদ দিবনে, —বুলি বিবিধ উপমাৰে নিজৰ প্ৰতিভাৰ দীনতা প্ৰকাশ কৰি প্ৰতিভাহীন লোকৰো যে কাব্য-চৰ্চাৰ অধিকাৰ আছে তাক প্ৰতিপন্ন কৰিছে। কবিয়ে আশা কৰিছে যে অভাৱগ্ৰস্ত বিদগ্ধজনে পাত্ৰৰ অভাৱত পদুমৰ পাতত খাই তৃপ্তি পোৱাৰ দৰে হয়তো তেওঁৰ এই কাব্যও কোনোৰে উপায় নাপাই পঢ়িব; কিন্তু জ্ঞানী আৰু মূৰ্খৰ ভেদ কৰাজন যাতে এই কাব্য-পঠনৰ পৰা বিৰত থাকে। বিদ্বানসকলৰ বাবে এই কাব্য লিখা হোৱা নাই বুলি তেওঁ বিনয়েৰে উল্লেখ কৰিছে। ভাৰতীয় সাহিত্যত এনে বিনয়ীভাব আৰু নম্ৰতা প্ৰদৰ্শন ইয়াৰ আগেয়ে কোনো কবিয়ে কৰা নাই। সম্ভৱতঃ চৌপাশৰ ধৰ্মীয় পৰিৱেশৰ মাজত, সংস্কৃত সাহিত্যৰ প্ৰেমৰ বিৱৰণৰ মাজেৰে বৈৰাগ্যৰ আদৰ্শ প্ৰতিপন্ন কৰাৰ সুনিৰ্দিষ্ট চিন্তাৰ মাজত তেওঁৰ এই আদিৰসাত্মক লোককাব্য কোনেও সহজভাৱে গ্ৰহণ নকৰিব বুলি কবিয়ে সন্দেহ কৰিছিল। কাৰণ 'সন্দেশ ৰাসক' কবিৰ ভাষাৰে 'অনুৰাগীসকলৰ বাবে ৰতি-গৃহ স্বৰূপ, কামিসকলৰ মন হৰণকাৰী, মদনৰ মাহাত্ম্য প্ৰকাশকাৰী, বিৰহিণীৰ বাবে কামদেৱ সদৃশ আৰু ৰসিকসকলৰ বাবে সুন্দৰ ৰস উদ্ৰেককাৰী'। কাব্যখনিৰ প্ৰতিটো গাথাৰ মাজত এনে ভাবৰ প্ৰকাশেই লক্ষ্য কৰিব পাৰি।

মুঠতে সংস্কৃত কাব্য-ৰীতিৰ অনুসৰণেৰে লোক-জীৱনৰ ভাব-ভাষাৰ অন্তৰংগ স্পৰ্শেৰে অৱহট্ঠত ৰচিত 'সংনেহ ৰাসউ' এক অনুপম আদিৰসাত্মক কাব্য।

| **আত্মমূল্যায়ন প্ৰশ্ন** |
|---|
| ১। 'সন্দেশ ৰাসক'ত বৰ্ণিত মূল ঘটনাংশ ৫০টামান শব্দৰ ভিতৰত প্ৰকাশ পোৱাকৈ যুকিয়াই লওক। |
| ........................................................................... |
| ........................................................................... |
| ........................................................................... |
| ২। 'সন্দেশ ৰাসক'ৰ কাব্যিক সৌন্দৰ্য ক'ত কেনেদৰে প্ৰকাশ পাইছে বিচাৰি উলিয়াওক। |
| ........................................................................... |
| ........................................................................... |
| ........................................................................... |

## ২.৭ মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা

'সন্দেশ ৰাসক' কাব্যৰ দ্বিতীয় প্ৰক্ৰমৰ একাদিক্ৰমে ১-ৰ পৰা ১০ নং শ্লোক আপোনাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত। এই শ্লোককেইটাৰ মূল পাঠ, অসমীয়া ভাঙনি আৰু কঠিন শব্দবোৰৰ ব্যাখ্যা তলত দিয়া হ'ল ঃ

**১ নং শ্লোক ঃ** *বিজয়ণয়ৰহু কাবি বৰৰমণি,*
*উত্তংগথিৰথোৰথণি, বিৰুডলক্কি, ধয়ৰট্‌ঠপউহৰি।*
*দীণাণণি পহুণিহই, জলপৰাহ পৰহংতি দীহৰি।*
*বিৰহগ্‌গিহি কণয়ংগিতণু তহ সামলিমপৰণ্ণু।*
*ণজ্জই ৰাহি বিডংবিঅউ তাৰাহিবই সউন্ন।।*

**অসমীয়া ভাঙনিঃ**

বিজয়নগৰত উন্নত পয়োধৰা ৰাজহংসগামিনী, ভ্ৰমৰীৰ দৰে ক্ষীণ কঁকাল-বিশিষ্টা এগৰাকী সুন্দৰী ৰমণী আছিল। বাটৰ ফালে চাই চাই তেওঁৰ মুখমণ্ডল মলিন হৈ পৰিছিল আৰু অবিৰাম গতিৰে দুচকু ভৰি চকুলো বৈ আছিল। ৰাহুৱে পূৰ্ণচন্দ্ৰক গ্ৰাস কৰাৰ দৰে বিৰহৰ জুইত দগ্ধ হৈ তেওঁৰ সোণবৰণীয়া দেহা শ্যাম বৰণীয়া হৈ পৰিছিল।

**শব্দগত টোকা ঃ**

বিজয়ণয়ৰহু < বিজয়নগৰস্য = বিজয়নগৰত; ষষ্ঠী বিভক্তি স্য > হু (গুৰ্জৰ অপভ্ৰংশৰ বৈশিষ্ট্য)। কাবি < কা + অপি = কোনো এগৰাকী; প > ব। বৰৰমণি < বৰৰমণী = বিশিষ্টা মহিলা; ণী > ণি, দীৰ্ঘস্বৰৰ হ্ৰস্বী ভৱন। উত্তংগথিৰথোৰথণি < উত্তুংগ-স্থিৰ-স্থূল-স্তনী = উন্নত স্তনবিশিষ্টা; ত্তু > ত্ত (উকাৰৰ ঠাইত অ-কাৰ), স্থিৰ > থিৰ, স্থূল > থোৰ, (ঊ > ও, ল > ৰ), স্তনী > থনি (স্ত > থ, ঈ > ই, ন > ণ)। বিৰুডলক্কি < বিৰুড-লক্কী = ভোমোৰাৰ দৰে ক্ষীণ কঁকালৰ। ধয়ৰট্‌ঠ-পউহৰি < ধৃতৰাষ্ট্ৰ-পদধাৰী = ৰাজহংসগামিনী; ঋ > অ, ত > য়, আ > অ, ষ্ট্ৰ > ট্‌ঠ (সমীভৱন)। দীণাণণি < দীনাননী = মলিন-বদনা; ঈ > ই, ন > ণ। পহু < পথম্ = বাট, মহাপ্ৰাণ থ > হ। ণিহই = পশ্যতি = বাটলৈ চাইছে, নিৰীক্ষণ কৰিছে। জলপৰাহ < জলপ্ৰৱাহঃ = চকুলোৰ ধাৰ; প্ৰ > প। পবহংতি > প্ৰৱহন্তি = প্ৰৱাহিত হৈছে; ন > ং। দীহৰি < দীৰ্ঘাঃ > দীগ্‌ঘৰা > দীঘৰা > দীহৰা > দীহৰি = দীঘলীয়া; আ > ই। বিৰহগ্‌গিহি < বিৰহাগ্নিৰ দ্বাৰা; আ > অ, গ্ন > গ্‌গ (সমীভৱন), ভিঃ > হি (মহাপ্ৰাণ > অল্পপ্ৰাণ)। তহ < তথা = সেই; মহাপ্ৰাণ থ > হ, আ > অ। সামলিমপবন্নু < শ্যামলিমপ্ৰপন্ন = শ্যাম বৰণীয়া হোৱা; শ > স, প্ৰ > প, প > ব। ণজ্জই (দেশী শব্দ) = শোভা পোৱা। ৰাহি < ৰাহুনা = ৰাহুৰ দ্বাৰা; তৃতীয়া বিভক্তি হিচাপে 'ই'-ৰ প্ৰয়োগ। ৰিডংবিঅউ < বিড়ম্বিতকঃ = গ্ৰাস কৰা; ম্ > ং, ত > অ, প্ৰথমাৰ একবচন অঃ > উ। কণয়ংগিতণু < কনকাঙ্গীতনু = সোণ বৰণীয়া শৰীৰ। তাৰাহিবই < তাৰাধিপতিঃ = চন্দ্ৰ; মহাপ্ৰাণ ধ > হ, প > ব, 'ত'ৰ লোপ। সউন্নু < সম্পূৰ্ণম্ = সম্পূৰ্ণভাৱে, 'ম্প'ৰ লোপ, ৰ্ণ > ন্ন (সমীভৱন)।

**২ নং শ্লোক ঃ** *ফুসই লোয়ণ ৰুৱই দুক্‌খত্ত,*
*ধম্মিল্লপমুক্কমুহ বিজ্জংভই অণু অংগু মোড়ই।*
*বিৰহাণলি সংবিঅ, সসই দীহ কৰসাহ তোড়ই।*
*ইম মুদ্ধহ বিলৱংতিয়হ মহি চলণেহি ছিহংতু।*
*অদ্‌দ্ধড্ডীণউ তিণি পহিউ পহি জোয়উ পৰহংতু।।*

**অসমীয়া ভাঙনিঃ**

দুখত আতুৰ হৈ তেওঁ কান্দি আছিল আৰু চকুহাল মচিছিল; চুলিকোচা মুকলি হৈ মুখমণ্ডলত সিঁচৰতি হৈ পৰিছিল; বাৰে বাৰে হামিয়াইছিল, কোমল শৰীৰটোত এঙামূৰি দি আছিল। বিৰহৰ জুইত দগ্ধ হৈ (তেওঁ) হুমুনিয়াহ কাঢ়িছিল আৰু আঙুলিবোৰ মোটোকাই আছিল। এনেদৰে সেই সুন্দৰীয়ে কান্দি-কাতি থাকোঁতে বাটেৰে এজন পথিকক ভৰিৰে মাত্ৰ মাটি স্পৰ্শ কৰি আধা উৰি যোৱাৰ দৰে গমন কৰা দেখিবলৈ পালে।

**শব্দগত টোকা ঃ**

ফুসই < স্পৃশতি = মচিছিল বা স্পৰ্শ কৰিছিল; ঋ > উ, মহাপ্ৰাণ প > ফ, 'ত'ৰ লোপ। লোয়ণ < লোচনে = নয়ণযুগল; চ > য়, ন > ণ। ৰুৱই < ৰৌতি = ৰোদন কৰিছে, কান্দিছে; ঔ > উ, 'ত'ৰ লোপ। দুক্খত্ত < দুঃখাৰ্ত্তা = দুখত আতুৰা; দুঃখাৰ্ত্তা > দুক্খত্তা > দুক্খত্ত (দীৰ্ঘস্বৰৰ ঠাইত হ্ৰস্বস্বৰ)। ধম্মিল্ল-পমুক্ক-মুহ < ধৰ্মিল্লি-প্ৰমুক্ত-মুখা = চুলি মুকলি হৈ মুখত পৰা; ৰ্ম > ম্ম (সমীভৱন), প্ৰ > প, ক্ত > ক্ক (সমীভৱন), মহাপ্ৰাণ খ > হ, আ > অ। বিজ্জংভই < বিজৃম্ভতি = হামিওৱা, ঋ > অ, সংযুক্ত ম > ং, 'ত'ৰ লোপ। অণু < অণু = ক্ষুদ্ৰ, কোমল। অংগু < অঙ্গম্ = শৰীৰ; অন্ত্য 'ম্' ৰ লোপ, ১মা বা ২য়া-ৰ একবচনৰ 'উ' বিভক্তি। মোড়ই < মোটতি = এঙামূৰি দিয়া; 'ত'ৰ লোপ। বিৰহানলি < বিৰহানলে = বিৰহ জুইৰে; একস্বৰৰ ঠাইত আন এক স্বৰ এ > ই। সংতবিঅ < সন্তপিতা = সন্তপ্তা; পীড়িতা, সংযুক্ত নাসিক্য ব্যঞ্জন ন > ং, প > ব, 'ত'-ৰ লোপ, আ > অ। সসই < শ্বসতি = শ্বাস পেলোৱা বা হুমুনিয়াহ কঢ়া; আদি অৱস্থানৰ সংযুক্ত শ্ব > স, 'ত'-ৰ লোপ। দীহ < দীৰ্ঘম্ = দীঘলীয়া; মহাপ্ৰাণ ঘ > হ, অন্ত্য 'ম'-ৰ লোপ। কৰসাহ < কৰশাখাঃ = হাতৰ আঙুলি; শ > স, মহাপ্ৰাণ খ > হ, আ > অ। তোড়ই < ত্ৰোটতি = মোটোকোৱা; আদি সংযুক্ত ত্ৰ > ত, 'ত'-ৰ লোপ। ইম < ইত্থম্ = এইদৰে। মুদ্ধহ < মুগ্ধায়াঃ = সুন্দৰীৰ; গ্ধ > দ্ধ (সমবৰ্ণৰ সমীভৱন)। বিলবংতিয়হ < বিলপন্ত্যাঃ = বিলাপকাৰিণীৰ; অ-কাৰান্ত শব্দৰ প্ৰভাৱত স্ত্ৰীলিঙ্গতো ষষ্ঠীৰ একবচন ৰূপ 'হ'-ৰ ব্যৱহাৰ, সংযুক্ত ন্ > ং, প > ব। মহি < মহীম্ = মাটি; অন্ত্য 'ম্'-ৰ লোপ, ঈ > ই। চলণেহি < চৰণৈঃ/চৰণাভ্যাম্ = চৰণ যুগলৰ দ্বাৰা; ৰ > ল, দ্বিবচনৰ ঠাইত বহুবচন। ছিহংতু < স্পৃশন্তঃ = স্পৰ্শ কৰি; ঋ > ই, স্প > ছ, শ > হ, সংযুক্ত ন্ > ং, প্ৰথমাৰ ১বচনত 'উ' বিভক্তি। অদ্ধুড্ডীণউ < অৰ্দ্ধোড্ডীনকঃ = আধা উৰি যোৱা; ৰেফৰ লোপ, ও > উ, অঃ > উ। পহিউ < পথিকঃ; মহাপ্ৰাণ থ > হ, অঃ > উ। পহি < পথে = পথত, বাটত। জোয়উ = দৃশ্ ধাতুৰ ঠাইত প্ৰাকৃতত আৰু অপভ্ৰংশত 'জো' বা 'জোঅ' ধাতু হয়। পৰহংতু < প্ৰৱহন্তঃ = প্ৰৱাহিত হৈছে বা বেগেৰে গৈছে; সংযুক্ত ন্ > ং।

**৩ নং শ্লোক ঃ** *তং জি পহিয় পিক্খেৰিণু পিঅউক্কংখিৰিয়,*
*মংথৰগয় সৰলাইবি উত্তাৱলি চলিয়।*
*তহ মণহৰ চল্লংতিয় চংচলৰমণভৰি,*
*ছুড়ৰি খিসিয় ৰসণাৱলি কিংকিণিৰৱ পসৰি।।*

**অসমীয়া ভাঙনি ঃ**

সেই পথিকক দেখি স্বামীৰ বাবে উৎকণ্ঠিতা ৰমণীগৰাকীয়ে মন্থৰ গতি এৰি উত্ৰাৱল হৈ পোনে পোনে আগবাঢ়িল; মনোহৰ গতিৰ গমনত তেওঁৰ চঞ্চল নিতম্বৰ পৰা কিংকিনীযুক্ত কৰধনি খহি পৰিল আৰু তাৰ শব্দ বিয়পি পৰিল।

**শব্দগত টোকা ঃ**

তং < তম্ = সেই; অন্ত্য ম্ > ং। জি = এব (সংস্কৃত নিশ্চয়াৰ্থক অব্যয়)। পহিয়<পথিক = পথিকক; মহাপ্ৰাণ থ > হ। পিক্খেৰিণু < প্ৰেক্ষ্যাবিনু = দেখি; প্ৰে > পি, ক্ষ > ক্খ। পিঅউক্কংখিৰিয় < প্ৰিয়োৎকণ্ঠিতা = প্ৰিয়জনৰ বাবে উৎকণ্ঠিতা, প্ৰ > প, ৎক > ক্ক, সংযুক্ত ন্ > ং। মংথৰগঅ < মন্থৰগতম/মন্থৰগতিম = ধীৰ গতি; সংযুক্ত ন্ > ং, 'ত'-ৰ লোপ, অন্ত্য 'ম'-ৰ লোপ। সৰলাইবি < সৰলায়িত্বা = পোনে পোনে। উত্তাবলি (দেশী শব্দ) = উত্ৰাৱল হৈ। মণহৰ < মনহৰম্ = মনোৰম, সুন্দৰ; ন > ণ, অন্ত্য 'ম'-ৰ লোপ। চলিয় < চলিতা = গৈছিল। চল্লংতিয় < চলন্ত্যাঃ = গমনকাৰিণীৰ; সংযুক্ত ন্ > ং, ত্য > ইঅ। ছুড়বি < ছুটিত্বা = মুকলি হ'ল।

চংচলৰমণভৰি < চঞ্চল ৰমণ ভৰাৎ = চঞ্চল নিতম্বদেশৰ পৰা; সংযুক্ত ঞ্চ > ং, ভৰাৎ > ভৰা > ভৰি। খিসিঅ < ত্ৰুটিতা/খিসিতাঃ = খহি পৰিল (দেশী ধাতু)। ৰসণাৰলি < ৰসনাৱলী = কৰধনি (নিতম্বদেশত পিন্ধা কাপোৰ); ন > ণ, ঈ < ই। কিংকিণিৰৱ < কিংকিণীৰৱঃ = কিংকিণীৰ শব্দ। প্ৰসৰি < প্ৰসৰঃ = ব্যাপ্ত হোৱা।

**৪ নং শ্লোক ঃ** *তং জং মেহল ঠৱই গংঠি ণিট্‌ঠুৰ সুহয়,*
*তুডিয় তাৱ থূলাৱলি ণৱসৰহাৰলয়।*
*তা তিৱি কিৱি সংবৰিৱি চইৱি কিৱি সংচৰিয়,*
*ণেৱৰ চৰণ বিলগ্‌গিৱি তহ পহি পংখুড়িয়।।*

**অসমীয়া ভাঙনিঃ**

যেতিয়া তেওঁ পুনৰাই কৰধনি (মেখেলা) টানকৈ বান্ধি ল'লে, তেতিয়া আকৌ ডাঙৰ ডাঙৰ মুকুতাযুক্ত ডিঙিৰ নতুন হাৰ ছিগি পৰিল। সেইবোৰৰ কিছুমান বুটলি কিছুমান এৰি বেগেৰে যাওঁতে নূপুৰত ভৰি জোঁট- পোট খাই তেওঁ বাটতে পৰি গ'ল।

**শব্দগত টোকা ঃ**

তং < তাম্ = সেই; অন্ত্য ম্ > ং, আ > অ। জং < যৎ। মেহল < মেখলাম্ = মেখেলা, কৰধনি; মহাপ্ৰাণ খ > হ, অন্ত্য 'ম্'-ৰ লোপ, আ > অ। ঠৱই < স্থাপয়তি = স্থাপন কৰিলে, স্থা > ঠ, প > ব, 'ত'-ৰ লোপ। গংঠি < গ্ৰন্থিম্ = গাঁঠি, আদি গ্ৰ > গ, সংযুক্ত ন্ > ং, অন্ত্য 'ম্'-ৰ লোপ। ণিট্‌ঠুৰ < নিষ্ঠুৰম্ = কঠিন, সুদৃঢ়; ষ্ঠ > ট্‌ঠ (সমবৰ্গীয় সমীভৱন), অন্ত্য 'ম্'-ৰ লোপ। সুহয় < সুভগা = ভাগ্যৱতী, সুন্দৰী; মহাপ্ৰাণ ভ > হ। তুডিয় < ত্ৰুটিতা = ছিগি পৰিল; আদি ত্ৰ > ত। থূলাৱলি < স্থূলাৱলী = ডাঙৰ মুকুতা যুক্ত; আদি স্থ > থ, ঈ > ই। ণৱসৰহাৰলয় < ণৱসৰহাৰলতা = নতুন হাৰ। তিৱি কিৱি = তানি কানিচিৎ = কিছু কিছু (অৱহট্‌ঠত প্ৰয়োগ হোৱা শব্দ)। সংবৰিৱি < সম্-বৃ (ইৱি) = সামৰি বা বুটলি লৈ। চইৱি < ত্যজ + ইৱি = ত্যাগ কৰি, এৰি; ত্য > চ্চ > চ। সংচৰিঅ < সঞ্চৰিতা = যাবলৈ ধৰা; সংযুক্ত ঞ্চ > ং, 'ত'ৰ লোপ, আ > অ। নেবৰ < নূপুৰে = নূপুৰত; এ, অ > উ, উ, এ > অ। বিলগ্‌গিৱি < বিলগ্য (বি-লগ + ইৱি), জোটাপুতি লাগি; ত্বাচ্ প্ৰত্যয়ৰ ঠাইত ইৱি। পহি < পথি = পথত; মহাপ্ৰাণ থ > হ। পংখুডিঅ < প্ৰখণ্ডিতা < পৰি গ'ল; আদি প্ৰ > প, সংযুক্ত ন > ং আৰু ধ্বনি বিপৰ্যয়, 'ত'-ৰ লোপ, আ > অ।

**৫ নং শ্লোক ঃ** *পডি উট্‌ঠিয় সবিলক্‌খ সলজ্জিৰ সংঝসিয়,*
*তং সিয় সচ্চ ণিয়ংসণ মুদ্ধহ বিৱলসিয়।*
*তং সংবৰি অণুসৰিয় পহিয় পাৱয়ণমণ,*
*ফুডৰি ণিত্ত কুপ্পাস ৱিলগ্‌গিয় দৰ সিহণ।।*

**অসমীয়া ভাঙনি ঃ**

হতচকিতা, লজ্জিতা আৰু সংভ্ৰামিতা হৈ পৰাৰ পৰা উঠোঁতেই তেওঁৰ শুভ্ৰ আৰু স্বচ্ছ ওৰণিখন খহি পৰিল, সেইখন তুলি লৈ পথিকৰ ওচৰলৈ আগবাঢ়োঁতেই তেওঁৰ পাটৰ কাঁচলিখন ফাটি স্তনযুগল সামান্যভাৱে ওলাই পৰিল।

**শব্দগত টোকা ঃ**

পডি < পতিত = পৰা; পতিত >পডিঅ > পডি, অৱহট্‌ঠত 'ইঅ' > ই বা ঈ। উট্‌ঠিয় < উত্থিত = উঠি; ত্থ > ট্‌ঠ (বিষমীভৱন)। সবিলক্‌খ < সবিলক্ষা = হতচকিত; ক্ষ > ক্‌খ, আ > অ। সলজ্জিৰ < সলজ্জিৰা = লজ্জিতা; আ > অ। সংঝসিয় < সংঝসিতা (দেশী শব্দ) =

সংভ্ৰান্তা, সংভ্ৰামিতা; বিভ্ৰান্তা (পৰ্যাপ্ত, উৎক্ষিপ্ত আদি অৰ্থত অবহট্‌ঠত 'ঝসিয়' শব্দৰ ব্যৱহাৰ হয়)। সিয় < শ্বেতম্ = শুভ্ৰ বা বগা; শ্বেত > সেঅ > সিঅ, অন্ত্য 'ম'-ৰ লোপ। সচ্ছ < স্বচ্ছম্ = স্বচ্ছ বা পাতল; আদ্যাক্ষৰৰ সংযুক্ত স্ব > স, অৱহট্‌ঠত 'ম' বিভক্তিৰ লোপ। ণিয়ংসন < নিবসনম্ = ওৰণি; নিবসনম্ > ণিঅংসণ > ণিয়ংসণ (স্বত্বঃ নাসিকীভৱন আৰু স্বতঃ মূৰ্ধন্যীভৱন), 'ম' বিভক্তিৰ লোপ। বিৰলসিয় < বিৰলসিতম্ = খহি পৰা; 'ত' আৰু 'ম'ৰ লোপ। সংবৰি < সংবৃত্য > সংবৰিঅ = সামৰি, ঠিক কৰি, ঋ > অ, য > ইঅ > ই। অণুসৰিয় < অনুসৃতা = অনুসৰণ কৰা; ঋ > অ। পহিয় পাবয়মণ < পথিক-প্ৰাপকমনা = পথিকক লগ পোৱাৰ ইচ্ছাৰে; মহাপ্ৰাণ থ > হ, 'ক'ৰ লোপ, প > ব, আ > অ। ফুডবি < স্ফুট + অবি = ফাটি যোৱা; আদি অক্ষৰৰ সংযুক্ত স্ফ > ফ, ট > ড। ণিত্ত < নেত্ৰম্ = পাট (কাপোৰ); এ > ই, ত্ৰ > ত্ত (সমীভৱন), ম্ বিভক্তিৰ লোপ। কুপ্‌পাসা < কূৰ্পাসম্ = কাঁচলি; ৰ্প > প্প (সমীভৱন), 'ম্'-ৰ লোপ। বিলগ্‌গিয় < বিলগ্নিত = প্ৰকটিত হোৱা, ওলাই পৰা; গ্ন > গ্‌গ (সমীভৱন), 'ত'-ৰ লোপ আৰু বিভক্তিহীনতা। দৰ < দৰম্ = সামান্য, ঈষৎ। সিহণ (দেশী শব্দ) = স্তনযুগল।

**৬ নং শ্লোক ঃ** *ছায়ংতী কহ কহব সলজ্জিৰ ণিয়কৰিহি,*
*কণয়কলস ঝংপংতী ণং ইংদীৱৰিহি।*
*তো আসন্ন পহুত্ত সগ্‌গ্নিৰগিৰবয়ণি,*
*কিয়উ সদ্‌দু সবিলাসু কৰুণ দীহৰণয়ণি।।*

**অসমীয়া ভাঙনি ঃ**

অত্যন্ত লজ্জিত হৈ তেওঁ কোনোমতে হাত দুখনেৰে (স্তনযুগল) ঢাকি ধৰিলে— এনে হ'ল যেন কোনো সুবৰ্ণকুম্ভক নীল পদুমেৰেহে ঢাকি ধৰা হৈছে। তাৰ পিছত সেই দীৰ্ঘ-নয়ণাই পথিকৰ ওচৰলৈ গৈ বিলাসপূৰ্ণ কৰুণ শব্দেৰে গদ্‌গদভাৱে ক'বলৈ ধৰিলে।

**শব্দগত টোকা ঃ**

ছায়ংতী < ছাদয়ন্তী = আচ্ছাদ কৰি বা আকৃত কৰি; 'দ'ৰ লোপ, সংযুক্ত ন্ > ং। কহ কহব < কথং কথমপি =কোনো মতে; মহাপ্ৰাণ থ > হ, প > ব, ই > অ, অনুস্বাৰৰ লোপ। ণিয়কৰিহি < নিজ কৰেভিঃ = নিজ হাতেৰে; 'জ'ৰ লোপ, মহাপ্ৰাণ ভ > হ, দ্বিবচনৰ ঠাইত বহুবচন। কৰ্নয়কলস < কনক কলশম্/কনককলশৌ = সোণৰ কলহ, স্বৰ্ণকুম্ভ; 'ক'ৰ লোপ, ন > ণ, শ > স, দ্বিবচনৰ ঠাইত বহুবচন। ঝংপংতী < আচ্ছাদয়ন্তী = ঢাকি ধৰিলে (প্ৰাকৃত ধাতু)। ইংদীবৰিহি < ইন্দীবৰেভিঃ/ ইন্দীবৰৈঃ = নীলপদ্মৰ দ্বাৰা; সংযুক্ত ন্ > ং, এ > ই, মহাপ্ৰাণ ভ > হ, দ্বিবচনৰ ঠাইত বহুবচন। তো < ততঃ = তেতিয়া, ততঃ > তত্ত > তো। আসন্ন < আসন্নম্ = নিকট, ওচৰ; 'ম'ৰ লোপ। পহুত্ত < প্ৰভূ + ল্যপ্ = * প্ৰভূত্য > পহুত্ত = পৌছাই, পাই। সগগ্নিৰগিৰবয়ণি < সগদ্‌গদ্‌বচনী = গদ্‌গদ্ বচনেৰে; গদ্ > গ্ন (সমীভৱন), দ > ৰ, 'চ'ৰ লোপ। কিয়উ < কৃতা = কৰিছিল। সদ্দু < শব্দম্ = শব্দ, ৰৱ; ব্দ > দ্দ (সমীভৱন), 'ম'ৰ লোপ। সবিলাস < সবিলাসম্ = বিলাসপূৰ্ণ; অন্ত্য 'ম্'ৰ লোপ। দীহৰণয়ণি < দীৰ্ঘনয়নী = দীৰ্ঘ নয়না, আয়তনেত্ৰা; মহাপ্ৰাণ ঘ > হ, দীৰ্ঘ > দীঘৰ < দীহৰ (ধ্বনি বিপৰ্যয় আৰু স্বৰভক্তিৰ প্ৰয়োগ)।

**৭ নং শ্লোক ঃ** *ঠাহি ঠাহি ণিমিসদ্‌ধু সুথিৰু অৱহাৰি মণু,*
*ণিসুণি কিংপি জং জংপউঁ পহিয় পসিজ্জি খণু।*
*এয় বয়ণ আয়ণ্ণি পহিউ কোউহলিউ,*
*ণেয় নিয়ত্তউ তা সু কমদ্‌ধুৰি ণহু চলিউ।।*

**অসমীয়া ভাঙনি ঃ**

'ৰ'বচোন, ৰব; ক্ষন্তেকপৰ সুস্থিৰভাৱে ৰৈ মোৰ কথা মনোযোগেৰে শুনি যাওক; হে পথিক, এখন্তেক মাথোন ক্ষান্ত হৈ শুনকচোন।' এই কথা শুনি পথিকৰ কৌতূহল হ'ল আৰু তেওঁ উভতিবও নোৱাৰা হ'ল অথবা খোজ আগবঢ়াবও নোৱাৰা হ'ল।

**শব্দগত টোকা ঃ**

ঠাহি < তিষ্ঠ/*স্থাহি = ৰ'ব, ৰওক। ণিমিসদ্ধু < নিমেষাৰ্দ্ধম্ =আধা নিমেষ বা এখন্তেক; ন > ণ, ষ > স, 'ৰেফ'ৰ লোপ, অন্ত্য ম্ লোপ আৰু অ > উ। সুথিৰু < সুস্থিৰম্ = স্থিৰ ভাৱে; স্থ > থ, অন্ত্য 'ম্'ৰ লোপ আৰু অ > উ। অৰহাৰি < অৰধাৰয় = অৱধাৰণ কৰক বা শুনক; মহাপ্ৰাণ ধ > হ, অয় > ই। মণু < মনঃ = মনোযোগ; ন > ণ, অঃ > উ। ণিসুণি < নিশৃনু = শুনক; ঋ > উ, এক স্বৰৰ ঠাইত আনক স্বৰ উ > ই। কিংপি < কিম্ + অপি; কিছু। জং < যৎ = যি। জংপউঁ < জল্পিতম্ = ভবা কথা বা কবলগীয়া কথা; 'ত'ৰ লোপ, অন্ত্য ম্ > উঁ (অন্ত্য উ-কাৰৰ অনুনাসিকতা)। পসিজ্জি < প্ৰসীদ / প্ৰসীদ্য = প্ৰসন্ন হওক; ঈ > ই, দ্য > জ্জ (সমীভৱন), অ > ই। খণু < ক্ষণম = ক্ষন্তেকৰ বাবে; ক্ষ > খ, অন্ত্য 'ম্'ৰ লোপ আৰু 'অ' > 'উ'। এয় < এতৎ = এই; এতৎ > এঅ > এয়। বয়ণ < বচনম্ = কথা; 'চ'ৰ লোপ, অন্ত্য 'ম্'কাৰৰ লোপ। আয়ন্নি < আকৰ্ণিতঃ = শুনি; 'ক'ৰ লোপ, ৰ্ণ > ন্ন (সমীভৱন), ত ৰ লোপ, অঃ > ই। কোউহলিউ < কৌতুহলিকঃ = কৌতূহল হোৱা; ত-ৰ লোপ, 'ক'ৰ লোপ, অঃ > উ। ণেয় < নৈব = নোৱাৰা; ঐ > এ, ব-ৰ লোপ। ণিয়ত্তউ < নিবৰ্ত্তিতঃ = উভতি অহা; ব-ৰ লোপ, ৰেফৰ লোপ আৰু ত-ৰ লোপ, অন্ত্য অঃ > উ। তা < তদা = তেতিয়া; দ-ৰ লোপ, স্বৰ-সংকোচন অআ > অ। কমদ্ধুৰি < ক্ৰমাৰ্দ্ধম্ + অপি = এখোজো; ক্ৰ > ক, ৰেফৰ লোপ, 'ম্'ৰ লোপ, অ > উ, প > ব। ণন্য < ণখলু = নাই, নোৱাৰি; মহাপ্ৰাণ খ > হ, 'ল'ৰ লোপ, অউ > উ (স্বৰ-সংকোচন)। চলিউ < চলিতঃ = চলিল, গ'ল; ত-ৰ লোপ, অঃ > উ।

**৮ নং শ্লোক ঃ** *কুসুমসৰাউহ ৰুৱনিহি বিহি ণিম্মৰিয় গৰিট্‌ঠ।*
*তং পিক্‌খেৰিণু পহিয়-ণিহি গাহা ভণিয়া অট্‌ঠ।।*

**অসমীয়া ভাঙনিঃ**

(কামদেৱৰ) পুষ্পশৰৰ অস্ত্ৰ সদৃশ ৰূপৱতী যি গৰাকীক বিধাতাই অতি উৎকৃষ্ট কৰি সৃষ্টি কৰিছিল, তেওঁক দেখি সেই সহৃদয় পথিকে আঠোটা গাথা গালে।

**শব্দগত টোকা ঃ**

কুসুমসৰাউহ < কুসুমশৰায়ুধম্ = কুসুম-শৰৰ অস্ত্ৰৰ দৰে; শ > স, মহাপ্ৰাণ ধ > হ, অন্ত্য 'ম'-ৰ লোপ। ৰুৱনিহি < ৰূপনিধি = ৰূপৰ ভাণ্ডাৰ বা ৰূপৱতী; প > ৱ, মহাপ্ৰাণ ধ > হ। বিহি < বিধি = বিধিৰ দ্বাৰা। ণিম্মৰিয় < নিৰ্মিত = সৃষ্টি কৰিছিল, ন > ণ, ৰ্ম > ম্ম (সমীভৱন)। গৰিট্‌ঠ < গৰিষ্ঠা = উৎকৃষ্টতমা; ষ্ঠ > ট্‌ঠ (সমীভৱন), আ > অ। পিক্‌খেৰিণু < প্ৰেক্ষ্য = দেখি; আদি প্ৰ > প, এ > ই, ক্ষ > ক্‌খ। পহিয়-ণিহি < পথিকঃ স্নেহ = সহৃদয় পথিক; স্নেহ > ণেহ > ণিহ। গাহা < গাথাঃ = কবিতা; মহাপ্ৰাণ থ > হ। অট্‌ঠ < অষ্ট = আঠ; ষ্ট > ট্‌ঠ (সমীভৱন)।

**৯ নং শ্লোক ঃ** *পহিউ ভণই বিবি দোহা তসু সু ৰিয়ড্‌ঢপৰি,*
*ইকু মণি বিংভউ থিয়উ স ৰুৱিণি পিক্‌খিকৰি।*
*কি ণু পয়াৱই অংধ অহব বিয়ড্‌ঢলু আহি,*
*জিণি এৰিসি তিয় ণিম্মৰিয় ঠৰিয় ণ অপ্‌পহি পাহি।।*

অইকুডিল মাইপিহুণা ৰিৰিহতৰংগিণিসু সলিলকল্লোলা,
কিসণত্তণংমি অলয়া অলিউলমাল বব ৰেহংতি।।

**অসমীয়া ভাঙনি ঃ**

তেওঁৰ (বিধাতাৰ) বিচক্ষণ সৃষ্টি দেখি পথিকে দুটা দোহা গালে, 'এই ৰূপৱতীক দেখি মোৰ মনত এক বিস্ময় উপস্থিত হৈছে। প্ৰজাপতি অন্ধ অথবা অৰসিক আছিল নিশ্চয়— নহ'লেনো এনে এক ৰূপৱতী সৃষ্টি কৰি নিজৰ ওচৰত ৰাখি থোৱা নাই কিয়? সুশোভিত তেওঁৰ অলকৰাশি খলব্যক্তিৰ দৰে অতিশয় কুটিল; বিবিধৰূপে তৰংগায়িত জলকল্লোলৰ দৰে; ভ্ৰমৰৰ মালাৰ দৰে কৃষ্ণবৰ্ণ।

**শব্দগত টোকা ঃ**

বিবি < দ্বি + অপি ) দুটা; দ্ব > ব, প > ব, 'অ'ৰ লোপ। তসু < তস্য = তেওঁৰ; স্য > সস্ > সু। বিয়ড্ঢপৰি < বৈদগ্ধ্য + উপৰি = বিচক্ষণতা; দ-ৰ লোপ, গ্ধ্য > ড্ঢ, 'উ'ৰ লোপ। ইকু < এক = এটা, এক; এ > ই, অ > উ। মণি < মনসি /*মনে = মনত। বিংভউ < বিস্ময়ঃ = বিস্ময়, আশ্চৰ্য; ধ্বনি বিপৰ্যয়ৰ ফলত স্ম > ংভ, অঃ > উ। থিয়উ < স্থিতকঃ = আছে; স্থ > থ, 'ত'ৰ লোপ, অঃ > উ। ৰূৰিণি < ৰূপিনীম্ = ৰূপৱতীক; প > ৰ, ঈ > ই, অন্ত্য 'ম্'ৰ লোপ। পিক্খিকৰি < প্ৰেক্ষীকৃত্য = দেখি; এ > ই, ক্ষ > ক্খ, ঋ > অ। অংধলউ < অন্ধৰকঃ < অন্ধ, দৃষ্টিহীন; সংযুক্ত ন্ > ং, ৰ > ল, 'ক'ৰ লোপ, অঃ > উ। অহব < অথবা = অথবা; মহাপ্ৰাণ থ > হ, আ > অ। বিয়ড্ঢলু < বৈদগ্ধ্য + লঃ = অৰসিক, বিচক্ষণতাৰ অভাৱ। আহি < আসীৎ = আছিল; অন্ত্য ব্যঞ্জনৰ লোপ, স > হ, ঈ > ই। পয়াবই < প্ৰজাপতিঃ = সৃষ্টিকৰ্তা; আদি প্ৰ > প, 'জ' আৰু 'ত'ৰ লোপ, প > ব। জিনি < যেন = যিহেতু, কিয়নো; অৱহট্‌ঠৰ অব্যয়। এৰিসি < ইদৃশী = এনেকুৱা; ই > এ, 'দ'ৰ লোপ, ঋ > ৰি, শ > স। তিয় (তাম্) = তেওঁক। ণিম্মবিয় < নিৰ্মিত = নিৰ্মাণ কৰি। ঠাৱিয় < স্থাপিতা = ৰখা, ৰাখি থোৱা; স্থ > ঠ, প > ৰ, 'ত'ৰ লোপ। অপ্পহ < আত্মস্য = নিজৰ; আ > অ, ত্ম > প্প, স > হ। পাহি < পাৰ্শ্বে = কাষত; ৰ্শ্ব > শ > হ। অইকুডিল < অতি কুটিল = অতিশয় কুটিল; 'ত'ৰ লোপ, ট > ড। মাই < মাত্ৰিক = মাত্ৰ। পিহুণা < পিশুনাঃ = খলব্যক্তিৰ। ৰিৰিহতৰংগিণিসু < ৰিৰিধতৰঙ্গিনীষু = বিবিধৰূপে তৰঙ্গায়িত; মহাপ্ৰাণ ধ > হ, ঈ > ই, ষ > স। অলয়া < অলকাঃ = অলকা; 'ক'ৰ লোপ। সলিল-কল্লোলা < সলিল কল্লোলাঃ = পানীৰ ঢউৰ দৰে। কিসণত্তণংমি < কৃষ্ণত্বস্মিন্ = ক'লা বৰণত; ঋ > ই, ষ্ণ > সণ (স্বৰভক্তি), ত্ব > ত্ত (সমীভৱন), সপ্তমী বিভক্তি স্মিন্ > ণংমি। অলিউলমালব্ব < অলিকুলমালা ইব = ভোমোৰাৰ মালাৰ দৰে; 'ক'ৰ লোপ, আ > অ, সন্ধিৰ ফলত ব্ব। ৰেহংতি = শোভা পাইছে (দেশী ধাতুৰ পৰা উদ্ভৱ হোৱা শব্দ)।

**১০ নং শ্লোক ঃ** ৰয়ণীতমৰিদ্দৱণো অমিয়ং ঝৰণো সুপুণ্ণসোমো য়।
অকলংকমাই বয়ণং বাসৰণাহস্স পভিবিংবং।।

**অসমীয়া ভাঙনি ঃ**

ৰাতিৰ অন্ধকাৰ দূৰকাৰী, অমৃতবৰ্ষী পূৰ্ণিমাৰ জোনৰ দৰে তেওঁৰ নিষ্কলংক মুখখন সূৰ্যৰ প্ৰতিবিম্বহে যেন।

**শব্দগত টোকা ঃ**

ৰয়ণীতমবিদ্দবণো < ৰজনীতমোবিদ্ৰাপকঃ = ৰাতি অন্ধকাৰ বিনাশকাৰী; 'জ'ৰ লোপ, দ্ৰ > দ্দ (সমীভৱন)। অমিয়ংঝৰণো < অমৃতক্ষৰণঃ = অমৃতবৰ্ষী; ঋ > ই, 'ত'ৰ লোপ, ক্ষ > ঝ, অঃ > ও। সুপুণ্ণসোমো < সুপূৰ্ণসোমঃ = পূৰ্ণিমাৰ জোন, পূৰ্ণচন্দ্ৰ; ৰ্ণ > ণ্ণ (সমীভৱন),

অন্ত্য অঃ > ও। <u>অকলংকমাই</u> < অকলংকমাত্র = নিষ্কলংক। <u>বয়ণং</u> < বদনম্ ) মুখ; 'দ'ৰ লোপ, অন্ত্য 'ম্' > ং। <u>বাসৰণাহস্স</u> < বাসৰনাথস্য = সূৰ্যৰ; মহাপ্ৰাণ থ > হ, স্য > স্স (সমীভৱন)। পডিবিংবং < প্ৰতিবিম্বম্ = প্ৰতিবিম্ব; আদি অৱস্থানৰ প্ৰ > প, ত > ড, ম্ব > ংব, অন্ত্য ম্ > ং।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। পাঠৰ অন্তৰ্গত প্ৰতিটো শ্লোক সৰল আৰু ঘৰুৱা অসমীয়ালৈ ভাঙনি কৰি উলিয়াওক আৰু কঠিন শব্দবোৰৰ টোকা প্ৰস্তুত কৰক।

.................................................................................

.................................................................................

.................................................................................

## ২.৮ সাৰাংশ (Summing Up)

এইটো বিভাগত আব্দুল ৰহমানৰ অবহট্‌ঠ ভাষাত ৰচিত আদি ৰসাত্মক লোক-কাব্য *'সন্দেশ ৰাসক'*ৰ বিষয়ে আলোচনা কৰাৰ উপৰি আপোনাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত এই কাব্যৰ দহোটা শ্লোকৰ শব্দগত টোকাসহ অসমীয়া ভাঙনি কৰি দিয়া হৈছে। 'সন্দেশ' আৰু 'ৰাসক' এই দুটা শব্দৰে গঠিত কাব্যৰ নামকৰণ অতিশয় সাৰ্থক বুলিব পাৰি। কাৰণ কাব্যখনিত এগৰাকী প্ৰোষিতভৰ্তৃকা সুন্দৰী ৰমণীয়ে নিজৰ বিৰহ বেদনাৰ কথা, অৰ্থাৎ 'সন্দেশ' বাটৰুৱা এগৰাকীৰ মাধ্যমেৰে প্ৰবাসত থকা নিজৰ স্বামীৰ ওচৰলৈ প্ৰেৰণ কৰাৰ বৰ্ণনা দিয়া হৈছে। তদুপৰি কাব্যখনি 'ৰাসক' ছন্দত ৰচিত। 'সন্দেশ' প্ৰেৰণ কৰাৰ বিষয়বস্তু সন্নিবিষ্ট হোৱা হেতুকে ইয়াক 'দূত কাব্য'ও বুলিব পাৰি। কবিৰ পূৰ্বপুৰুষৰ ঘৰ মূলতান হ'লেও, কাব্যখনি সৌৰাষ্ট্ৰ-কচ্ছ বা গুজৰাট অঞ্চলত ৰচনা কৰা বুলি ইয়াৰ ভাব-ভাষাই প্ৰমাণ কৰে। ইয়াৰ ভাষা শৌৰসেনী প্ৰাকৃতৰ পৰা উদ্ভূত পশ্চিমা অৱহট্‌ঠ যদিও, তৎকালীনভাৱে লোক-জীৱনত প্ৰচলিত কথ্যৰূপৰ প্ৰয়োগো লক্ষ্য কৰিব পাৰি।

উপমা নিৰ্বাচনৰ দক্ষতা, সাৱলীল ছন্দ আৰু উপযুক্ত শব্দৰ ব্যৱহাৰে কাব্যখনিক অতিশয় ৰমণীয় কৰি তোলা বুলি নিঃসন্দেহে পতিয়ন যাব পাৰি।

## ২.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। 'সন্দেশ ৰাসক' কাব্যখনিৰ ৰচক কোন? তেওঁৰ পৰিচয় দি কাব্যখনিৰ ৰচনা-কাল সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক।

২। 'সন্দেশ ৰাসক' কি ভাষাত ৰচিত? কাব্যখনিৰ নামকৰণ যথাযথ হৈছে বুলি আপুনি ভাবেনে? আপোনাৰ অভিমত ব্যক্ত কৰক।

৩। 'দূত-কাব্য' ৰূপে 'সন্দেশ ৰাসক'ৰ এটি মূল্যায়ন আগবঢ়াওক।

৪। 'সন্দেশ ৰাসক'-ক ৰাসক শ্ৰেণীৰ কাব্য বুলি কিয় কোৱা হয়? ইয়াত প্ৰকাশিত প্ৰেম-কাহিনী সংস্কৃত প্ৰেম-কাব্যতকৈ কি কি বিষয়ত পৃথক, বিশ্লেষণ কৰি দেখুৱাওক।

৫। 'সন্দেশ ৰাসক'ৰ বিষয়বস্তু সম্বন্ধে এটি আলোচনা দাঙি ধৰি কাব্যখনিৰ কাব্যিক-সৌন্দৰ্য বিশ্লেষণ কৰি দেখুৱাওক।

৬। আপোনাৰ পাঠ্যসূচীত সন্নিৱিষ্ট 'সন্দেশ ৰাসক'ৰ শ্লোককেইটাৰ সৰল অসমীয়ালৈ ভাঙনি কৰক।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


কেশৱানন্দ দেৱগোস্বামী (সম্পা) ঃ *সন্দেশ ৰাসক।*

দেবিদাস ভট্টাচাৰ্য ঃ *মধ্যভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা।*

নগেন ঠাকুৰ ঃ *প্ৰাকৃত সাহিত্য-চয়ন।*

(———) ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন।*

সুৰেশ চন্দ্ৰ বন্দ্যোপাধ্যায় ঃ *প্ৰকৃত অপভ্ৰংশ সাহিত্য-বীথিকা।*

হাজাৰী প্ৰসাদ দ্বিবেদী ঃ *সন্দেশ ৰাসক*

S.K. Chatterji & Sukumar Sen : *A Middle Indo Aryan Reader, Part I and II.*

M. Winternitz : *A History of Indian Literature, Vol-II*


* * *

## তৃতীয় বিভাগ
# কীৰ্তিলতা

**বিভাগৰ গঠন**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ কবি-পৰিচয়
৩.৪ কীৰ্তিলতা কাব্যৰ নামকৰণ আৰু বিষয়বস্তু
৩.৫ কীৰ্তিলতা কাব্যৰ ঐতিহাসিক মূল্য
৩.৬ কীৰ্তিলতা কাব্যৰ সাহিত্যিক মূল্যায়ন
৩.৭ মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

খ্ৰীষ্টীয় অষ্টম-নৱম শতাব্দীৰ পৰা পঞ্চদশ শতিকা পৰ্যন্ত সমগ্ৰ আৰ্যাৱৰ্তত মধ্যভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰৰ যিটো ভাষাৰূপ সাহিত্যাদি সৃষ্টিৰ বাবে ব্যৱহৃত হৈছিল, সেই ভাষা অৰ্বাচীন **অপভ্ৰংশ** বা **অৱহট্‌ঠ** হিচাপে জনাজাত। এই ভাষাৰ দুটা আঞ্চলিক ৰূপ পোৱা গৈছে — পশ্চিমাঞ্চলৰ পশ্চিমা অৱহট্‌ঠ আৰু মিথিলাক কেন্দ্ৰ কৰি পূৰ্বাঞ্চলৰ পূৰ্বী অৱহট্‌ঠ। লোক-কবি আব্দুল ৰহমানৰ দ্বাৰা পশ্চিমা অৱহট্‌ঠত ৰচিত ‘সংনেহ ৰাসউ’ বা সন্দেশ ৰাসকৰ বিষয়ে আমি ইয়াৰ পূৰ্বৱৰ্তী বিভাগটোত (দ্বিতীয় বিভাগ) অধ্যয়ন কৰি আহিছোঁ। এতিয়া এইটো বিভাগত আমি পূৰ্বী অৱহট্‌ঠত বিদ্যাপতি ৰচিত *‘কীৰ্তিলতা’* নামৰ কাব্যখনিৰ বিষয়ে অধ্যয়ন কৰিম।

কীৰ্তিলতা মূলতঃ এখন ঐতিহাসিক আখ্যানমূলক কাব্য। কবিৰ পৃষ্ঠপোষক ত্ৰিহুতৰ ‘অইনৱৰ’ কামেশ্বৰ বংশ ৰ অন্যতম শ্ৰেষ্ঠ ৰাজন কীৰ্তিসিংহৰ বীৰত্বব্যঞ্জক কাহিনী ইয়াৰ মাজেৰে বিবৃত হৈছে। তাৰ লগে লগে ইয়াত তৎকালীন সমাজ, সামাজিক জীৱন-প্ৰণালী আৰু মুছলমান শাসকসকলৰ ৰাজত্বকালৰ আৰ্থ-সামাজিক দিশৰো প্ৰতিফলন ঘটিছে। উত্তৰ ভাৰতৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ বৈষ্ণৱ কবিৰূপে খ্যাত বিদ্যাপতিৰ ইতিহাস-চেতনাৰ এক প্ৰোজ্জ্বল দিশ কাব্যখনিৰ মাজেৰে ফুটি উঠিছে। সাধাৰণ মানুহৰ প্ৰয়োজনলৈ লক্ষ্য কৰি কবিয়ে লোক-সমাজত প্ৰচলিত তৎকালীন ভাষাৰ শিষ্ট ৰূপ এটি কাব্যখনিত ব্যৱহাৰ কৰিছে। সেয়ে হ’লেও, উপমাদি অলংকাৰৰ যথোপযুক্ত ব্যৱহাৰ, যুদ্ধাদিৰ বিৱৰণ আদিৰ মাজত কবিৰ দক্ষ হাতৰ পৰশ অনুভৱ কৰিব পাৰি। মূলতঃ বীৰ ৰসাশ্ৰিত হ’লেও, শৃঙ্গাৰ আৰু বীভৎস ৰসৰ সুপ্ৰয়োগে কাব্যখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

‘কীৰ্তিলতা’ত কিছু পৰিমাণে সংস্কৃতৰ চম্পু-কাব্যৰ আদৰ্শ প্ৰত্যক্ষ কৰা যায়। গদ্য-পদ্যৰ সংমিশ্ৰণেৰে ৰচিত সংস্কৃত চম্পুবোৰৰ দৰে ইয়াতো কবিয়ে গদ্য আৰু পদ্য উভয়ৰে সুন্দৰ সংমিশ্ৰণ ঘটাইছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি —

- পূব-ভাৰতৰ 'কবি সাৰ্বভৌম' 'ৰিজ্জাৰই' বা বিদ্যাপতিৰ জীৱন তথা তেওঁৰ সাহিত্য- প্ৰতিভা বিশ্লেষণ কৰি দেখুৱাব পাৰিব;
- ঐতিহাসিক কাব্য হিচাপে 'কীৰ্তিলতা'ৰ মূল্যায়ন কৰিব পাৰিব;
- সংস্কৃত চম্পু-কাব্যৰ সৈতে 'কীৰ্তিলতা'ৰ তুলনা কৰি দেখুৱাব পাৰিব; আৰু
- 'কীৰ্তিলতা' কাব্যত ব্যৱহৃত ভাষাৰ বিষয়ে যথাযথ আলোচনা দাঙি ধৰিব পাৰিব।

## ৩.৩ কবি-পৰিচয়

আপোনাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত 'কীৰ্তিলতা' নামৰ ঐতিহাসিক কাব্যখনৰ স্ৰষ্টা হৈছে ৰিজ্জাৰই বা বিদ্যাপতি। সৌন্দৰ্য, প্ৰেম-চেতনা আৰু অধ্যাত্ম দৰ্শনৰ কবি হিচাপে পূৰ্ব-ভাৰতৰ মধ্যযুগীয় ভাষা-সাহিত্যত এই গৰাকী কবিৰ স্থান একক আৰু অদ্বিতীয়। শঙ্কৰী প্ৰসাদ বসুৱে সেইবাবেই বিদ্যাপতিক 'মধ্যযুগৰ পূৰ্ব ভাৰতৰ কবি-সাৰ্বভৌম' আখ্যা দিছে। সমসাময়িক কবিকুলৰ মাজত লৌকিক কবিৰূপে এই সম্মান বিদ্যাপতিৰ অৱশ্যেই প্ৰাপ্য।

পণ্ডিতসকলে বিদ্যাপতিৰ জীৱন-কাল খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীৰ শেষভাগৰ পৰা পঞ্চদশ শতিকাৰ মধ্যভাগ পৰ্যন্ত বিস্তৃত বুলি অভিমত দিছে। ড° বিমানবিহাৰী মজুমদাৰে এই সময় ১৩৮০ খ্ৰীঃৰ পৰা ১৪৬০ খ্ৰীঃৰ বুলি ঠাৰৰ কৰিছে। মিথিলাৰ অন্তৰ্গত বিপসী গাঁৱত এই গৰাকী কবিৰ জন্ম হৈছিল। মিথিলাৰ কামেশ্বৰ বংশৰ ৰাজ-পৰিয়ালৰ লগত তেওঁৰ পূৰ্বপুৰুষসকলৰ সম্বন্ধ আছিল। তেওঁলোকে প্ৰায়ে এই ৰাজ-পৰিয়ালৰ শাসন-কালত বিভিন্ন ৰাজ-পদবী চম্ভালিবলগীয়া হৈছিল। বিদ্যাপতিও আছিল এই ৰাজবংশৰে সভাকবি, বন্ধু তথা পৰামৰ্শদাতা।

বিদ্যাপতিৰ সময়ত সমগ্ৰ আৰ্যাৱৰ্তত অশান্তিৰ দাবালন জ্বলিছিল। মিথিলাও স্বাভাৱিকতে তাৰ ব্যতিক্ৰম নাছিল। ৰাজবংশৰ তেজেৰে লুতুৰি-পুতুৰি সিংহাসনত কোনোবা ৰজা বহিছে আৰু আন কোনোবাই তেওঁক হত্যা কৰি শাসনৰ বাঘজৰী নিজৰ হাতলৈ নিছে। এনে এক হিংসাজৰ্জৰ পৰিৱেশত বিদ্যাপতিয়ে ৰাজসভাৰ কবিৰূপে কাব্য-চৰ্চাৰ কাম অব্যাহত গতিৰে চলাই নিবলগীয়া হৈছিল। এহাতে প্ৰগাঢ় অভিজ্ঞতা আৰু আনহাতে বিপুল পাণ্ডিত্য —এই দুইৰ সমন্বয়ত সৃষ্টি হৈছিল বিদ্যাপতিৰ বিপুল সাহিত্যৰাজি।

বিদ্যাপতি আছিল মিথিলাৰ কামেশ্বৰ ৰাজবংশৰ উত্থান-পতনৰ প্ৰত্যক্ষ দ্ৰষ্টা। এই ৰাজবংশৰ দেৱসিংহ, কীৰ্তিসিংহ নিজ ৰাজ্যৰ পৰা বিতাৰিত হৈ নৈমিষাৰণ্যত বাস কৰা কালত বিদ্যাপতিও তাত ছাত্ৰ হিচাপে আছিল। তেতিয়া তেওঁৰ বয়স আছিল পঁচিশ বছৰ। পৰৱৰ্তী সময়ত দেৱসিংহ, কীৰ্তিসিংহ আৰু শিৱসিংহ নিজ ৰাজ্যলৈ ঘূৰি অহাৰ সময়ত বিদ্যাপতিও নিজ দেশলৈ উভতি আহি তেওঁলোকৰ আশ্ৰয়তে কাব্য-চৰ্চা কৰিবলৈ লৈছিল। ইয়াৰ পাছত কামেশ্বৰ বংশৰ পুনৰ বিপৰ্যয় ঘটে। বিদ্যাপতিয়ে ৰাজবনৌলিত ৰজা পুৰাদিত্যৰ আশ্ৰয়ত পলাতক জীৱন-যাপন কৰিবলগীয়াত পৰে। কামেশ্বৰ বংশ মিথিলাত পুনৰ প্ৰতিষ্ঠিত হোৱাত তেওঁ আকৌ উভতি আহে আৰু পদ্মসিংহ আৰু বিশ্বাসদেৱীৰ আশ্ৰয়ত তেওঁৰ জীৱন পুনৰ স্বচ্ছন্দ গতিৰে আগবাঢ়ে। মিথিলাৰ ইতিহাসৰ এই অভিজ্ঞতাৰ অধাৰত তেওঁ প্ৰথমে *'ভূপৰিক্ৰমা'*

নামৰ গ্ৰন্থ এখন ৰচনা কৰে। তাৰ পাছত মৈথিলী মিশ্ৰিত অৱহট্‌ঠ ভাষাৰ মাধ্যমেৰে *‘কীৰ্তিলতা’* আৰু *‘কীৰ্তিপতাকা’* ৰচনা কৰে। এই দুখন গ্ৰন্থ কবিৰ ইতিহাস-চেতনাৰ উৎকৃষ্ট নিদৰ্শন। গ্ৰন্থ দুখনত বৰ্ণিত যুদ্ধৰ প্ৰকৃতিলৈ লক্ষ্য কৰি ড° বিমানবিহাৰী মজুমদাৰে কবিয়ে নিজে যুদ্ধত অংশ গ্ৰহণ কৰাৰ কথা অনুমান কৰিছে। শঙ্কৰী প্ৰসাদ বসুৱে ড° মজুমদাৰৰ অনুমানৰ ভিত্তিত বিদ্যাপতিক চতুৰ্দশ শতিকাৰ প্ৰথমগৰাকী ‘সৈনিক কবি’ বুলি অভিহিত কৰিব বিচাৰিছে। ইয়াৰ পৰৱৰ্তী ৰচনাৰাজিত অৱশ্যে বিদ্যাপতিৰ এই ইতিহাস-চেতনা স্তিমিত হৈ মাত্ৰ প্ৰৱাদ-প্ৰৱচন আদিৰ মাজত সংৰক্ষিত হোৱা লক্ষ্য কৰিব পাৰি। কাৰণ ইতিমধ্যে তেওঁ ঐতিহাসিক চিন্তা এৰি বৈষ্ণৱ-পদৰ ৰচনাত নিজকে আত্মনিয়োগ কৰিছিল।

বিদ্যাপতিৰ ৰচনাৰাজিয়ে তেওঁৰ বৈচিত্ৰ্যপূৰ্ণ কাব্য-চিন্তাৰ সাক্ষ্য দিয়ে। *ভূপৰিক্ৰমা, কীৰ্তিলতা, কীৰ্তিপতাকা*ৰ উপৰি *পুৰুষ-পৰীক্ষা, লিখনাৱলী, শৈৱসৰ্বস্বহাৰ, গঙ্গাবাক্যাৱলী, বিভাগসাগৰ, দানবাক্যাৱলী, দুৰ্গাভক্তিতৰঙ্গিনী* আদিত ভূগোল, ইতিহাস, ন্যায়, স্মৃতি, নীতি আদি বিষয়ৰ বিস্ময়কৰ সমাৱেশে তাৰেই প্ৰমাণ দাঙি ধৰে। ইয়াৰ বাহিৰেও তেওঁ অজস্ৰ বৈষ্ণৱ আৰু শৈৱপদ ৰচনা কৰি থৈ গৈছে।

বিদ্যাপতি আছিল অলঙ্কাৰ আৰু স্মৃতিশাস্ত্ৰৰ এগৰাকী উল্লেখযোগ্য অধ্যাপক। সংস্কৃতৰ বিদগ্ধ পণ্ডিত হোৱা সত্বেও তেওঁৰ সৰহভাগ ৰচনাত অৱহট্‌ঠ বা মৈথিলী মিশ্ৰিত অৱহট্‌ঠৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। স্বদেশ, স্বজাতিৰ প্ৰতি দায়বদ্ধতা আৰু প্ৰেম তাৰ কাৰণ হ’ব পাৰে। ‘কীৰ্তিলতা’ কাব্যৰ নিম্নোক্ত পদফাকিলৈ এই প্ৰসঙ্গত আঙুলিয়াব পাৰি ঃ

*‘সক্কঅ-বাণী বুহঅন ভাৱই*<br>
*পাউঅ-ৰস কো মম্ম ন পাৱতি।*<br>
*দেখিল-ৱঅনা সৱজন মিট্‌ঠা*<br>
*তেং তইসন জংপিঅ অৱহট্‌ঠা।।*

অৰ্থাৎ, ‘সংস্কৃত-বাণীৰ মৰ্ম বিদগ্ধজনেহে বুজে; প্ৰাকৃত-ৰসৰ মৰ্ম তেওঁলোকে নাপায়। দেশী-বচন সৰ্বজনৰ বাবেই মিঠা; সেইবাবে অৱহট্‌ঠত ৰচনা কৰিছোঁ।’ কবিৰ এই স্বীকাৰোক্তি প্ৰণিধানযোগ্য। কাৰণ এই উক্তিয়ে সাহিত্য ৰচনাৰ ক্ষেত্ৰত ভাষাৰ যোগ্যতা কিংবা অযোগ্যতাৰ ধাৰণা দিয়াৰ উপৰি, বিদ্যাপতিৰ ভাষা-দৰ্শনৰ প্ৰমাণো দাঙি ধৰে।

বিদ্যাপতিয়ে সংস্কৃত গ্ৰন্থও ৰচনা কৰিছে। কিন্তু, কেতবোৰ নিৰ্দিষ্ট সাহিত্যৰ ক্ষেত্ৰত তেওঁ দেশীয় ভাষাক আগস্থান দিছে। সম্ভৱতঃ সৰ্বভাৰতীয় প্ৰয়োজন পূৰাবলৈ তেওঁ সংস্কৃতৰ আশ্ৰয় লৈছে। কিন্তু স্থানীয় প্ৰয়োজন তথা মিথিলাবাসীৰ প্ৰতি দায়বদ্ধতাৰ হেতু তেওঁ ক্ৰমে অৱহট্‌ঠ আৰু মৈথিলী ভাষা ব্যৱহাৰ কৰিছে।

বিদ্যাপতিয়ে জীৱনত দাৰিদ্ৰ্য আৰু ঐশ্বৰ্য দুয়োটাকে প্ৰত্যক্ষ কৰিছে। জীৱনৰ শেষ কালছোৱাত তেওঁৰ সমস্ত ধন-সম্পদ অযোগ্য পৰিজনৰ হাতত পৰি থানবান হোৱাও তেওঁ দেখিবলৈ পাইছে। সেইবাবেই সম্ভৱতঃ মিথিলাৰ বিখ্যাত বংশত জন্মলাভ কৰিও তেওঁ ক’তো নিজৰ বংশ পৰিচয় দি থৈ যোৱা নাই। ফলত তেওঁৰ ব্যক্তিগত জীৱন সম্বন্ধে বৰ বেছি কথা জানিবৰ উপায় নাই।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। বিদ্যাপতিৰ চমু পৰিচয় ব্যক্ত কৰক। (৫০টা শব্দৰ ভিতৰত)

..................................................................................

..................................................................................

..................................................................................

২। বিদ্যাপতিৰ সাহিত্য-কৰ্মৰ আভাস দিয়ক। (২০টা শব্দৰ ভিতৰত)

..................................................................................

..................................................................................

..................................................................................

### ৩.৪ কীৰ্তিলতা কাব্যৰ নামকৰণ আৰু বিষয়বস্তু

ৰিজ্জাৰই বা বিদ্যাপতি বিৰচিত *কীৰ্তিলতা* এক মনোৰম ঐতিহাসিক কাব্য। এই কাব্যখনিক কবিৰ ইতিহাস-চেতনা আৰু সমাজ-চেতনাৰ প্ৰোজ্জ্বল স্বাক্ষৰ বুলিব পাৰি। লতা যিদৰে অন্য কোনো গছ বা চাঙক অৱলম্বন কৰি চৌদিশে প্ৰসাৰিত হয়, তেনেদৰে আখৰৰূপী স্তম্ভৰ ওপৰত কাব্যৰূপী মঞ্চ নিৰ্মাণ কৰিলেহে কীৰ্তিৰাশি বিয়পি পৰে। কবিৰ ভাষাত—

*তিহুঅন-খত্তেহি কাঞ্চি তসু কিত্তিবল্লি পসৰেই।*
*অক্খৰ-খম্বাৰম্ভএো মাএুচো বন্ধি ন দেই।।*

অৰ্থাৎ, কবিৰ মতে মঞ্চ হ'ল কাব্য আৰু সেই মঞ্চৰ আধাৰ হ'ল আখৰ। কবিয়ে তেওঁৰ পৃষ্ঠপোষক ত্ৰিহুতৰ কামেশ্বৰ বংশীয় ৰজা কীৰ্তিসিংহৰ যশ-গুণ প্ৰচাৰ কৰিবলৈ আখৰৰূপী আধাৰৰ জৰিয়তে কাব্য-মঞ্চ ৰচনা কৰিছে আৰু তাৰ দ্বাৰা উল্লিখিত ৰজাগৰাকীৰ কীৰ্তি চিৰস্থায়ী কৰিব বিচাৰিছে। এই ফালৰ পৰা কাব্যৰ *'কীৰ্তিলতা'* নামকৰণ সাৰ্থক হৈছে বুলি নিৰ্দ্বিধাই স্বীকাৰ কৰিব পাৰি।

মুঠ চাৰিটা **'পল্লৱ'**ত বিভক্ত কাব্যখনিৰ **প্ৰথম পল্লৱৰ** আৰম্ভণিৰ কেইফাকিমান পদত কবিয়ে সজ্জন আৰু দুৰ্জনৰ পাৰ্থক্য চিহ্নিত কৰাৰ লগতে দেশী অৱহট্‌ঠ ভাষাৰ ব্যৱহাৰৰ সমৰ্থনত নিজৰ যুক্তি দাঙি ধৰিছে আৰু তাৰ পিছত কাব্যৰ মূল বিষয়ত প্ৰৱেশ কৰিছে। কাব্যখনিত মূল কাহিনীৰ অৱতাৰণা কৰা হৈছে এহাল মৌমাখিৰ কথোপকথনৰ জৰিয়তে। তাৰ পিছত 'অইনৱৰ' ৰাজবংশৰ কামেশ্বৰৰ পৰা গুণেশ্বৰলৈ তেওঁৰ দুই পুত্ৰ বীৰসিংহ আৰু কীৰ্তিসিংহ সহ বিভিন্ন শাসকৰ নামোল্লেখ কৰিছে।

**দ্বিতীয় পল্লৱ**ত কবিয়ে জনৈক মুছলমান প্ৰশাসক অছলামৰ দ্বাৰা ১৩৭১ চনত বিশ্বাসঘাটকতাৰ জৰিয়তে মিথিলা অধিকাৰ কৰা, মিথিলাৰাজ গুণেশ্বৰক হত্যা কৰা আৰু কীৰ্তিসিংহৰ দ্বাৰা জৌনপুৰৰ নবাব ইব্ৰাহীম শ্বাহ শ্বাৰ্কিৰ সহায়ত অছলামৰ বিৰুদ্ধে যুদ্ধৰ প্ৰস্তুতিৰ বিৱৰণ দাঙি ধৰিছে।

**তৃতীয় পল্লৱ**ত বৰ্ণিত হৈছে জৌনপুৰৰ নবাব ইব্ৰাহীম শ্বাহ শ্বাৰ্কিৰ সৈন্যবাহিনীৰ পশ্চিম দিশলৈ কৰা অভিযান আৰু মিথিলাৰ বিতাৰিত ৰাজকোঁৱৰ বীৰসিংহ আৰু কীৰ্তিসিংহৰ দুখ-দুৰ্দশাৰ ছবি।

**চতুৰ্থ পল্লৱ**ত ইব্ৰাহীম শ্বাহৰ সৈন্যবাহিনীৰ পূৰ্বাভিমুখী অভিযান, অছলাম আৰু শ্বাহ নেতৃত্বাধীন দুই পক্ষৰ মিথিলাৰ ৰাজধানীৰ ওচৰত হোৱা প্ৰচণ্ড যুদ্ধ, কীৰ্তিসিংহ তথা শ্বাহৰ সৈন্যবাহিনীৰ বিক্ৰম, কীৰ্তিসিংহৰ বিজয় আৰু উৎসৱ মুখৰ পৰিৱেশত কীৰ্তিসিংহৰ ৰাজপাট আৰোহণৰ বিৱৰণ দিয়া হৈছে। ইমানতে কাব্যখনিৰ পৰিসমাপ্তি ঘটিছে।

অছলামে মিথিলা দখল কৰাৰ পাছত (১৩৭১ চন) মিথিলাৰ পুনৰুদ্ধাৰলৈ (১৪০২) মুঠ ৩১ বছৰৰ ব্যৱধান লক্ষ্য কৰা যায়। দৰাচলতে পিতৃ গুণেশ্বৰৰ হত্যাৰ সময়ত কীৰ্তিসিংহ আছিল নিচেই কম বয়সীয়া। গতিকে পিতৃহত্যাৰ প্ৰতিশোধ লবলৈ আৰু মিথিলাত নিজবংশৰ আধিপত্য পুনৰ প্ৰতিষ্ঠা কৰিবলৈ তেওঁক সুদীৰ্ঘ ৩১ বছৰ লাগে। এই সময়ছোৱা মিথিলা ৰাজ্যৰ বাবে আছিল অৰাজকতা আৰু বিশৃংখলৰ সময়। হত্যা-লুণ্ঠন আদি আছিল এই সময়ছোৱাৰ নিত্য-নৈমিত্তিক ঘটনা। কাব্যখনিত উল্লিখিত সময়ছোৱাৰ বিৱৰণ তেনেভাৱেই দিয়া হৈছে।

**কীৰ্তিলতা** ইতিহাস আৰু সুপাঠ্য কাব্য দুয়ো প্ৰকাৰেই উপাদেয়। কবিয়ে ইয়াত ইতিহাসৰ ঘটনাৱলী যথাযথভাৱে দাঙি ধৰা বুলি ক'বলৈ টান। কিন্তু সংস্কৃত ঐতিহাসিক কাব্যৰ ৰচকসকলৰ দৰে মাত্ৰাধিক কল্পনাৰো ইয়াত অহেতুক সংমিশ্ৰণ ঘটোৱা নাই। অন্যান্য মধ্যযুগীয় কবিৰ দৰে তেওঁ পৃষ্ঠপোষক ৰজাৰ উচ্চ-প্ৰশংসা বা স্তুতিবাণীৰেও কাব্যদেহ ওপচাই পেলোৱা নাই। মুঠতে *'কীৰ্তিলতা'*ক বিদ্যাপতিৰ এক উচ্চস্তৰৰ ঐতিহাসিক কাব্য বুলিব পাৰি। কাব্যৰ কাহিনী ভাগেও তাকেই প্ৰমাণ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। 'কীৰ্তিলতা' কাব্যৰ নামকৰণ সম্বন্ধে আপোনাৰ অভিমত ব্যক্ত কৰক।

...................................................................................

...................................................................................

...................................................................................

২। 'কীতিলতা'ৰ বিষয়বস্তু ফঁহিয়াই দেখুৱাওক। (৬০টা শব্দৰ ভিতৰত)

...................................................................................

...................................................................................

...................................................................................

## ৩.৫ কীৰ্তিলতা কাব্যৰ ঐতিহাসিক মূল্য

কীৰ্তিলতা কাব্যৰ ৰচক বিদ্যাপতি আছিল মুখ্যতঃ প্ৰেম-মনস্তত্ত্ব আৰু সৌন্দৰ্যৰ কবি। বৈষ্ণৱ-প্ৰেম-ভক্তিৰ চিত্ৰ-অংকনত তেওঁক মধ্যযুগীয় কবিকুলৰ মাজত একক আৰু অদ্বিতীয় বুলিব পাৰি। কিন্তু এইগৰাকী কবিৰ কাপেৰে নিসৃত হৈছে দুখনকৈ ঐতিহাসিক কাব্য— *'কীৰ্তিলতা'* আৰু *'কীৰ্তিপতাকা'*। মিথিলাৰ অইনৱৰ-কামেশ্বৰ ৰাজবংশৰ সভাকবি তথা পৰামৰ্শদাতা হিচাপে সেই বংশৰ দুগৰাকী সুপ্ৰসিদ্ধ ৰজা কীৰ্তিসিংহ আৰু শিৱসিংহৰ যশ-গৌৰৱ প্ৰকাশৰ লগে লগে সমসাময়িক ঐতিহাসিক ঘটনাৱলীৰ বিৱৰণ দাঙি ধৰাই যথাক্ৰমে *'কীৰ্তিলতা'* আৰু *'কীৰ্তিপতাকা'*ৰ প্ৰধান উদ্দেশ্য। মৈথিলী মিশ্ৰিত অৱহট্‌ঠ ভাষাত ৰচিত *'কীৰ্তিলতা'*ৰ বিষয়বস্তু হৈছে মুছলমান শাসক অছলামক পৰাভূত কৰি কীৰ্তিসিংহৰ স্বৰাজ্য লাভ আৰু *'কীৰ্তিপতাকা'*ত বৰ্ণিত হৈছে শিৱসিংহৰ শৃঙ্গাৰ-লীলা আৰু বীৰকীৰ্তি। দুয়োখন গ্ৰন্থ বিদ্যাপতিৰ ইতিহাস-চেতনাৰ উৎকৃষ্ট সাক্ষী। সেয়ে হ'লেও, ঐতিহাসিক কাব্য হিচাপে *'কীৰ্তিলতা'*ৰ মূল্যায়ন যিহেতু আমাৰ আলোচ্য বিষয়, এতেকে আমি ইয়াত *'কীৰ্তিপতাকা'*ৰ কথা পুনৰ অৱতাৰণা নকৰো।

উত্তৰ-পূব ভাৰতৰ আৰ্য-সভ্যতাৰ ইতিহাসৰ সংকট-কালৰ বিদ্যাপতি আছিল দ্ৰষ্টা পুৰুষ। সেইবাবেই মিথিলাৰ 'সিংহ' বংশৰ ৰজাসকলৰ বিজয়-গৌৰৱৰ কাহিনীক কাব্যৰূপ দিয়াত তেওঁ

সফল হৈছিল। কাব্যখনিৰ যুদ্ধ বিষয়ক বৰ্ণনালৈ লক্ষ্য কৰিলে এনে লাগে যেন কবিয়ে নিজেই যুদ্ধত অস্ত্ৰধাৰণ কৰিছে। তদুপৰি, যুদ্ধ-বিধ্বস্ত সমাজৰ নীতি-বিপৰ্যয়, সামাজিক প্ৰমূল্যৰ অৱক্ষয় আৰু তাৰ ভৱিষ্যত পৰিণতি ইত্যাদি দিশৰ চিত্ৰায়ণত তেওঁৰ অসামান্য কাব্য-প্ৰতিভা ফুটি উঠাই নহয়, তেওঁৰ দাৰ্শনিক চিন্তাও প্ৰকট হৈ ওলাইছে।

কাব্যখনিৰ 'প্ৰথম পল্লৱ'ত মিথিলাৰ 'অইনৱৰ' ৰাজবংশৰ ৰজা কামেশ্বৰৰ পৰা গুণেশ্বৰলৈকে বীৰসিংহ আৰু কীৰ্তিসিংহ সহ আটাইকেইজন শাসকৰ নামোল্লেখ পোৱা যায়। 'দ্বিতীয় পল্লৱ'ত আছে অছলাম নামৰ এগৰাকী মুছলমান প্ৰশাসকৰ বিশ্বাসঘাটকতা আৰু মিথিলা বিজয় তথা মিথিলাৰাজ গুণেশ্বৰক হত্যা কৰাৰ কৰুণ বিৱৰণ। ভাৰতবৰ্ষৰ ইতিহাসত এই ঘটনা ঘটিছিল ১৩৭১ চনত। কবিয়ে যথাযথ ৰূপত তাৰ বৰ্ণনা ধৰি ৰাখিবলৈ সমৰ্থ হোৱাটো মন কৰিবলগীয়া।

অছলামে মিথিলা অধিকাৰ কৰাৰ পাছত ৰাজ্যহাৰা হৈ ৰাজকুমাৰ বীৰসিংহ আদিয়ে অৰণ্যত আশ্ৰয় লয়। এই সময়ছোৱাত ৰাজকুমাৰসকলে ভোগ কৰা দুখ-দুৰ্দশাৰ ছবি কাব্যখনিত অতিশয় মৰ্মস্পৰ্শী ভাষাৰে বৰ্ণনা কৰা হৈছে। তাৰ লগে লগে মিথিলাৰ বন্ধু জৌনপুৰৰ নবাব ইব্ৰাহীম শ্বাহ শ্বাৰ্কীৰ পশ্চিম দিশলৈ কৰা সৈন্য সঞ্চালন তথা বিজয় অভিযানৰো বিৱৰণ দিয়া হৈছে। কাব্যখনিৰ 'তৃতীয় পল্লৱ'ৰ বিষয়বস্তু এইখিনিয়ে। ইয়াৰ পিছত 'চতুৰ্থ পল্লৱ'ত ইব্ৰাহীম শ্বাহৰ পূব দিশলৈ কৰা অভিযান, কীৰ্তিসিংহৰ সৈতে মিলি মিথিলা আক্ৰমণ, অছলামৰ সৈন্য বাহিনীৰ সৈতে হোৱা প্ৰচণ্ড যুদ্ধ আৰু কীৰ্তিসিংহ তথা ইব্ৰাহীম শ্বাহৰ বিজয় ঘোষণাৰে কাব্যৰ সামৰণি পৰিছে।

ওপৰৰ আলোচনাৰ পৰা এই কথা বুজিবলৈ টান নহয় যে ভাৰতবৰ্ষৰ মুছলমান শাসকৰ সৈতে মিথিলাৰ 'সিংহ' ৰজাসকলৰ যি যুদ্ধ খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত সংঘটিত হৈছিল তাৰ এক জীৱন্ত ছবি কাব্যখনিৰ মাজেৰে বৰ্ণিত হৈছে। কবিৰ প্ৰত্যক্ষ অভিজ্ঞতাই ইয়াক গাম্ভীৰ্যপূৰ্ণ কৰি তোলাৰ উপৰি ইতিহাসৰ কাষ চপাই নিয়াত সহায় কৰিছে।

ভাৰতীয় পৰম্পৰাত 'ইতিহাস' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল- **'এনেকুৱাই আছিল'**। কিন্তু এই অৰ্থত শব্দটো প্ৰায়ে ব্যৱহাৰ হোৱা দেখা নাযায়। প্ৰাচীন আখ্যান, কাহিনী, লোককথা আদিৰ যিটো ৰূপ পোৱা যায়, সেই সকলোকে ইতিহাস বুলি গণ্য কৰা হৈছিল। এইফালৰ পৰা আধুনিক History-ৰ সমাৰ্থক গ্ৰন্থ-প্ৰণয়নৰ চেষ্টা প্ৰাচীন ভাৰতবৰ্ষত দেখিবলৈ পোৱা নাযায়। অৱশ্যে দ্বাদশ শতাব্দীমানৰ পৰা সংস্কৃত আৰু প্ৰাকৃতত ৰচিত কিছুসংখ্যক ঐতিহাসিক গ্ৰন্থই কিছুদূৰ আধুনিক History-ৰ বৈশিষ্ট্য ৰক্ষা কৰা বুলি পতিয়ন যাব পাৰি। এইবোৰৰ ভিতৰত কহ্লণৰ *'ৰাজতৰঙ্গিণী'*, বাণভট্টৰ *'হৰ্ষচৰিত'*, পদ্মগুপ্তৰ *'নৱসাহসাঙ্কচৰিত'*, বিহ্লণৰ *'বিক্ৰমাঙ্কদেৱচৰিত'*, বাক্‌পতিৰাজৰ *'গউড়বহো'*, হেমচন্দ্ৰৰ *'কুমাৰপাল চৰিত'* আদি উল্লেখযোগ্য। এই গ্ৰন্থবোৰত ইতিহাসৰ যি বৈশিষ্ট্য লক্ষ্য কৰা যায়, বিশেষকৈ বাস্তৱ ঘটনাৰ যি বিৱৰণ এইবোৰৰ মাজত পোৱা যায়, বিদ্যাপতিৰ *'কীৰ্তিলতা'* কাব্যতো সেই বৈশিষ্ট্য ষোল অনাই বিদ্যমান। ইয়াত কবিয়ে পৃষ্ঠপোষক ৰজাৰো তেনে উচ্চ প্ৰশংসা কৰা নাই। মাত্ৰ তেওঁ *'গছ-লতিকা বা চাঙৰ মাধ্যমেৰে লতা বিস্তাৰিত হোৱাৰ দৰে আখৰৰূপী স্তম্ভৰ জৰিয়তে কাব্যৰূপী মঞ্চ নিৰ্মাণ কৰি তাৰ জৰিয়তে তেওঁৰ পৃষ্ঠপোষক ৰজাৰ সত্য ঘটনাৱলীৰ যশ-গৰিমা প্ৰচাৰ কৰিব বিচাৰিছে'*। এই ফালৰ পৰা *'কীৰ্তিলতা'*-ৰ ঐতিহাসিক মূল্য অপৰিসীম।

**আত্মমূল্যায়ন প্ৰশ্ন**

কীৰ্তিলতাত ইতিহাসৰ তথ্য কিমানদূৰ বিধৃত হৈছে বিচাৰি উলিয়াওক।

.......................................................................................

.......................................................................................

.......................................................................................

### ৩.৬ কীৰ্তিলতা কাব্যৰ সাহিত্যিক মূল্যায়ন

বিদ্যাপতি বিৰচিত *'কীৰ্তিলতা'*ৰ বিষয়বস্তু ইতিহাস আশ্ৰিত হ'লেও, মূলতঃ ই এখন কাব্য, অৰ্থাৎ ই সৃষ্টিধৰ্মী সাহিত্যৰ অন্তৰ্গত। মিথিলাৰ অইনৱৰ ৰাজবংশৰ উত্থান-পতনৰ চাক্ষুষ অভিজ্ঞতাৰে কবিয়ে এই কাব্যখনি সৃষ্টি কৰিছে। ইয়াত কল্পনা আছে যদিও, সেই কল্পনা বাস্তৱৰ ওপৰত প্ৰতিষ্ঠিত।

সৰ্বমুঠ চাৰিটা 'পল্লৱ' বা অধ্যায়ত বিভক্ত *'কীৰ্তিলতা'*-ৰ মূল কাহিনীভাগ আৰম্ভ কৰা হৈছে এহাল মৌমাখিৰ কথোপকথনৰ যোগেদি। ইয়াক কবিৰ ৰচনা-চাতুৰ্যৰ এক উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি। সি যি কি নহওক, প্ৰথম পল্লৱত কবিয়ে মিথিলাৰ 'অইনৱৰ' বংশৰ ৰজাসকলৰ কামেশ্বৰৰ পৰা গুণেশ্বৰলৈ সকলোৰে নামোল্লেখ কৰিছে আৰু ইয়াতেই কৌশলেৰে তেওঁৰ কাব্যৰ নায়ক কীৰ্তিসিংহৰ কথাও অৱতাৰণা কৰিছে। কাৰণ কবিৰ উদ্দেশ্যই হ'ল *'অক্ষৰৰূপী স্তম্ভৰ ওপৰত কাব্যমঞ্চ নিৰ্মাণ কৰি'* কীৰ্তিসিংহৰ কীৰ্তিলতা বিস্তাৰ কৰা বা যশ-গৰিমা প্ৰচাৰ কৰা। দ্বিতীয় পল্লৱত মুছলমান প্ৰশাসক অছলামে কীৰ্তিসিংহৰ পিতৃ গুণেশ্বৰক বিশ্বাসঘাটকতা কৰি হত্যা কৰা আৰু মিথিলা ৰাজ্য অধিকাৰ কৰাৰ কৰুণ বিৱৰণ সন্নিৱিষ্ট হৈছে। এইখিনিতে কবিয়ে জৌনপুৰৰ নবাব ইব্ৰাহীম শ্বাহ শ্বাৰ্কীৰ সহায়ত পিতৃহন্তাৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে কীৰ্তিসিংহই সংকল্প লোৱাৰ কথাও ঘোষণা কৰিবলৈ পাহৰা নাই। কাৰণ এই ঘোষণাই কীৰ্তিসিংহ যে যথাৰ্থ বীৰ পুৰুষ সেই কথা সহজেই প্ৰতীয়মান কৰায়। তৃতীয় পল্লৱত জৌনপুৰৰ নবাবৰ পশ্চিম দিশলৈ সৈন্য সঞ্চালন আৰু তাৰ লগে লগে মিথিলাৰ বিতাৰিত ৰাজকুমাৰ বীৰসিংহ আৰু কীৰ্তিসিংহৰ দুখ-দুৰ্দশাৰ চিত্ৰ অতিশয় মৰ্মস্পৰ্শী ভাষাৰে অংকিত হৈছে। চতুৰ্থ পল্লৱত ইব্ৰাহীম শ্বাহৰ পূব দিশলৈ সৈন্য সঞ্চালন আৰু অছলামৰ সৈন্য বাহিনীৰ সৈতে হোৱা প্ৰচণ্ড যুদ্ধৰ বিৱৰণৰ উপৰি সামৰণিত কীৰ্তিসিংহৰ বিজয় ঘোষণা কৰা হৈছে।

এনেদৰে কাব্যখনিৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায়, কবিয়ে মিথিলাৰ ঐতিহাসিক ঘটনাৱলীৰ বাস্তৱ বিৱৰণ দিলেও, পৃষ্ঠপোষক ৰজা কীৰ্তিসিংহৰ যশ-গৌৰৱ ঘোষণাৰ কথা তেওঁ সততে মনত ৰাখিছে।

সাহিত্যক সমাজৰ দাপোণ বুলি কোৱা হয়; অৰ্থাৎ প্ৰত্যেক সাহিত্যৰ মাজেৰে তাৰ পৃষ্ঠভূমিত থকা সমাজখনৰ ছবি প্ৰতিফলিত হয়। *'কীৰ্তিলতা'*ও তাৰ ব্যতিক্ৰম নহয়। ১৩৭১ খ্ৰীঃত অছলামে গুণেশ্বৰক হত্যা কৰি মিথিলা অধিকাৰ কৰাৰ সময়ত কীৰ্তিসিংহ আছিল নিজেই কম বয়সীয়া বালক। তেতিয়াৰ পৰা জৌনপুৰৰ নবাবৰ সহায়ত কীৰ্তিসিংহই মিথিলাত নিজৰ আধিপত্য সাব্যস্ত কৰালৈকে প্ৰায় ৩১ বছৰৰ ব্যৱধান। কবিয়ে এই কালছোৱাত ঘটা অৰাজকতা আৰু বিশৃঙ্খল পৰিস্থিতিৰ ছবি পতিয়ন যাব পৰাকৈ অংকন কৰিব পৰাটো নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ। যুদ্ধৰ ফলত ঘটা সামাজিক বান্ধোন আৰু ৰীতি-নীতিৰ বিপৰ্যয়, প্ৰচলিত মূল্যবোধৰ অৱক্ষয়, ভৱিষ্যত পৰিণতি আদিৰ বিশ্বাসযোগ্য বিৱৰণ কাব্যখনিৰ আন এক উল্লেখযোগ্য সম্পদ। ইয়াত

বৰ্ণিত যুদ্ধাদিৰ বিৰৰণ ইমানেই বাস্তৱ যে বহুতে কবি বিদ্যাপতিয়ে সেই যুদ্ধত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰা বুলিও ক'বলৈ বিচাৰে।

কোনো কোনো পণ্ডিতে *'কীৰ্তিলতা'*ক বিদ্যাপতিৰ ডেকা কালৰ ৰচনা বুলি অভিমত দিছে। তেওঁলোকৰ এই মতৰ ভিত্তি হ'ল কাব্যখনিৰ ভণিতাত কবিৰ বিশেষণৰূপে উল্লেখ থকা 'খেলন' শব্দটো। কিন্তু প্ৰকৃতপক্ষে 'খেলন'-ৰ সলনি কৰ্তাপদ 'ভাৰতী'-ৰ ক্ৰিয়াপদৰূপে 'খেলতু' হোৱাহে সম্ভৱ। কোনো কোনো পাণ্ডুলিপিত 'খেলতু'-ৰ প্ৰয়োগ থকাটো এই প্ৰসঙ্গত উল্লেখযোগ্য। সি যি কি নহওক, *'কীৰ্তিলতা'* যে পৈণত কবিৰ সুদক্ষ ৰচনা তাত সন্দেহৰ অলপো অৱকাশ নাই।

*'কীৰ্তিলতা'*ক সম্পূৰ্ণৰূপে ইতিহাস বুলিবলৈ টান। ই মূলতঃ এখন কাব্য। গতিকে ইয়াত কবি-কল্পনাৰ প্ৰাধান্য থকাটো নিতান্ত স্বাভাৱিক। সেইবুলি ইয়াত ইতিহাসৰ তথ্যৰ বিকৃতিও পোৱা নাযায়। নাইবা সংস্কৃত ঐতিহাসিক কাব্যবোৰৰ দৰে ইতিহাসৰ ঘটনাৰ সৈতে কল্পনাৰ মাত্ৰাধিক সংমিশ্ৰণো ইয়াত লক্ষ্য কৰা নাযায়। দৰাচলতে ইতিহাস আৰু কবি-কল্পনাৰ সু-সমন্বয়ত সৃষ্টি হোৱা ই এখন অনুপম কাব্য। ইয়াক ইতিহাস আৰু মনোৰম কাব্য দুয়ো প্ৰকাৰে অধ্যয়ন কৰিব পাৰি।

পূৰ্বতে উল্লেখ কৰা হৈছে যে *'কীৰ্তিলতা'*ত উত্তৰ-পূব ভাৰতৰ সমসাময়িক সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপট বিশ্বাসযোগ্যভাৱে চিত্ৰিত হৈছে। কাব্যখনিত থকা জৌনপুৰ নগৰৰ বৰ্ণনা অতিশয় চিত্তাকৰ্ষক। এই নগৰৰ বাসগৃহ, মন্দিৰ, জনপথত হোৱা পুৰুষ-নাৰীৰ সমাগম আদিৰ বাস্তৱ চিত্ৰ কাব্যখনিৰ এক উল্লেখনীয় দিশ। নবাব ইব্ৰাহীম শ্বাহৰ সৈন্যাভিযানৰ বৰ্ণনাত কবিয়ে নিজা ৰহণ সানিলেও, আৰু কিছু বাহুল্য প্ৰকাশ পালেও, কবিৰ স্ব-প্ৰতিভাৰ হেতু সি অতিশয় শক্তিশালী হৈ পৰিছে।

*'কীৰ্তিলতা'* বহুলাংশে সংস্কৃতৰ চম্পু কাব্যৰ আৰ্হিত ৰচিত। চম্পু হ'ল গদ্য-পদ্যৰ সংমিশ্ৰণেৰে ৰচিত এবিধ মিশ্ৰ-সাহিত্য। সাহিত্যদৰ্পনকাৰৰ মতে *'গদ্যপদ্যময় কাব্যম চম্পুৰিত্যাভিধিয়তে'*। আকৌ আচাৰ্য দণ্ডীৰ মতে, *'গদ্যপদ্যময়ী কচিচ্ছ চম্পুৰিত্যাভিধিয়তে'*। গদ্য আৰু পদ্য উভয় দিশতে সমানে ব্যুৎপত্তি দেখুৱাবলৈ যাওঁতে এই বিধ মিশ্ৰ সাহিত্যৰ সৃষ্টি হৈছে। সি যি কি নহওক, চম্পু সাহিত্যই সংস্কৃতত যে এক বিশিষ্ট আসন অধিকাৰ কৰিছে তাত কোনো সন্দেহ নাই। আমাৰ আলোচ্য *'কীৰ্তিলতা'*তো চম্পু-ৰীতিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। ইয়াৰ গদ্যাংশই বিভিন্ন পদৰ এককবোৰৰ মাজত সংযোগ সেতুৰ দৰে কাম কৰিছে। সাধাৰণতে চুটি চুটি যথোপযুক্ত বাক্যৰ জৰিয়তে বৰ্ণনাৰ উপযোগীকৈ ইয়াৰ গদ্যাংশ নিৰ্মিত হৈছে। গদ্যাংশত সংস্কৃত 'তৎসম' শব্দৰ প্ৰাচুৰ্য দেখা গ'লেও, কাব্যাংশত তাৰ ব্যৱহাৰ তেনেই সীমিত। পদবোৰৰ ক'তোৱেই বৰ্ণনাৰ বাহুল্য পাবলৈ নাই। উপযুক্ত শব্দ-চয়ন আৰু উপমা-ৰূপকাদিৰ স্বাভাৱিক ব্যৱহাৰে কাব্যখনিৰ সৌন্দৰ্য বৃদ্ধিত সহায় কৰিছে। কষ্টকল্পিত অলঙ্কাৰৰ ব্যৱহাৰ ইয়াত সমূলি অনুপস্থিত। কাব্যিক লয় আৰু অন্ত্যানুপ্ৰাসে কবিৰ বৰ্ণনাশক্তিক আৰু অধিক প্ৰোজ্জ্বল কৰি তুলিছে। তৎকালীন অপভ্ৰংশ ভাষাত ৰচিত কাব্যপুথিত সহজলভ্য দোহা, ৰদ্দ, চপদ আদি ছন্দৰ ব্যৱহাৰ ইয়াতো লক্ষ্য কৰিব পাৰি। বৰ্ণনীয় বিষয়ৰ সৈতে খাপ খাই পৰাকৈ সঠিক ছন্দসজ্জা নিৰ্বাচন কৰি ল'ব পৰাটো কাব্যখনিৰ আন এক উল্লেখনীয় সাহিত্যিক গুণ।

কাব্যখনিত আৰম্ভণিৰ পৰা শেষলৈকে মৈথিলী মিশ্ৰিত পূৰ্বী অৱহট্‌ঠ ভাষা ব্যৱহাৰ কৰা হৈছে। ইয়াক কোনো কোনোৱে 'মৈথিলী অৱহট্‌ঠ' ৰূপেও অভিহিত কৰিছে। সম্ভৱতঃ

মিথিলাবাসীৰ প্ৰয়োজনলৈ লক্ষ্য কৰি এই কাব্য ৰচনা কৰা বাবে সেই ৰাজ্যৰ জনপদৰ ভাষাকে কবিয়ে পৰিমাৰ্জিত ৰূপত ব্যৱহাৰ কৰিছে। 'সংস্কৃত বুধজনৰ ভাষা আৰু সাধাৰণ মানুহে তাৰ মৰ্ম বুজিব নোৱাৰে' বাবেই যে কাব্যখনি অৱহট্‌ঠত ৰচনা কৰা হৈছে সেই বিষয়ে কবিয়ে কাব্যৰ আৰম্ভণিতে উল্লেখ কৰিছে। ইয়াৰ পৰা কবিৰ সাহিত্যৰ যোগ্য বাহন ৰূপে ভাষাৰ যথোপযুক্ত ব্যৱহাৰ সম্পৰ্কীয় ধাৰণাৰ উমান পাব পাৰি।

পৃষ্ঠপোষক ৰজাৰ প্ৰশস্তি মধ্যযুগীয় কাব্যৰ অন্যতম বৈশিষ্ট্য। এই ক্ষেত্ৰত *'কীৰ্তিলতা'* অলপ হ'লেও ব্যতিক্ৰম। পৃষ্ঠপোষক সিংহবংশৰ অন্যতম ৰাজন কীৰ্তিসিংহৰ বীৰত্ব আৰু যশ-গৌৰৱ প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও, পৃষ্ঠপোষকৰ প্ৰশস্তিৰ মাত্ৰাধিক্য কাব্যখনিৰ ক'তোৱেই পাবলৈ নাই। কাব্যখনিত বীৰৰসে প্ৰাধান্য পালেও শৃংগাৰ আৰু বীভৎস ৰসৰো সমাৱেশ লক্ষ্য কৰা যায়।

মুঠতে মধ্যযুগীয় পূৰ্ব ভাৰতীয় কবি বিদ্যাপতিৰ *'কীৰ্তিলতা'*ক এক উৎকৃষ্ট সাহিত্য-কৰ্ম আখ্যা দিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। 'কীৰ্তিলতা'ত কবিয়ে কি ভাষা ব্যৱহাৰ কৰিছে বিচাৰ কৰক।

...........................................................................................................

...........................................................................................................

...........................................................................................................

২। 'কীৰ্তিলতা' ইতিহাস নে সাহিত্যিক গুণ-সম্পন্ন কাব্য সেই সম্বন্ধে আপোনাৰ নিজৰ ধাৰণা ব্যক্ত কৰক।

...........................................................................................................

...........................................................................................................

...........................................................................................................

৩। 'কীৰ্তিলতা' কাব্যতকৈ 'চম্পু'ৰ বেছি ওচৰ চপা বুলি কিয় কোৱা হৈছে যুক্তি সহকাৰে লিখি উলিয়াওক।

...........................................................................................................

...........................................................................................................

...........................................................................................................

## ৩.৭ মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা

বিজ্জাবই বা বিদ্যাপতিৰ *'কীৰ্তিলতা'* কাব্যৰ প্ৰথম পল্লৱৰ অন্তৰ্গত প্ৰথমৰ আঠোটা পদ আপোনাৰ পাঠ্যসূচীৰ অন্তৰ্ভুক্ত কৰা হৈছে। তলত প্ৰতিটোৰে মূল পাঠ সহ অসমীয়া ভাঙনি দিয়াৰ লগতে আপোনাৰ অধ্যয়নৰ সুবিধা হোৱাকৈ কঠিন শব্দবোৰৰ একোটা টোকা সন্নিবিষ্ট কৰা হ'ল। এই পদকেইফাকিয়ে সুজন-দুৰ্জনৰ পাৰ্থক্য বিচাৰ আৰু কবিয়ে সংস্কৃত এৰি অৱহট্‌ঠত কাব্য-ৰচনা কৰাৰ কাৰণ সম্পৰ্কীয় অৰ্থ বহন কৰিছে।

**১ নং পদ ঃ** *তিহুঅন-খত্তেহি কাঞি তসু কিত্তিবল্লি পসৰেই।*
*অক্‌খৰ-খম্ভাৰম্ভএঞো মাঞ্চো বন্ধি ন দেই।।*

**অসমীয়া ভাঙনি ঃ**

ত্রিভুৱন-ক্ষেত্রত তেওঁৰ কীৰ্তিৰূপ লতা কিদৰে প্রসাৰিত হ’ব, যদিহে আখৰৰ স্তম্ভৰ ওপৰত মঞ্চ নিৰ্মাণ কৰি দিয়া নহয়? (অথবা, আখৰৰ স্তম্ভৰ ওপৰত মঞ্চ নিৰ্মাণ কৰি নিদিলে ত্রিভুৱন-ক্ষেত্রত তেওঁৰ কীৰ্তি-লতা কিদৰে প্রসাৰিত হ’ব?)

**শব্দগত টোকা ঃ**

তিহুঅন < ত্রিভুৱন = ত্রিভুৱন (তিনি ভুৱন = স্বৰ্গ, মৰ্ত্য, পাতাল); আদি অৱস্থানৰ সংযুক্ত ত্র > একক ত, মহাপ্রাণ ভ > হ, ‘ৱ’-ৰ লোপ। খত্তেহি < ক্ষেত্রস্মিন্ = ক্ষেত্রত; ক্ষ > খ, ত্র > ত্ত (সমীভৱন), ম্হি > হি। তসু < তস্য = তেওঁৰ; স্য > স্স > সু। কিত্তি < কীৰ্তি, ঈ > ই, ৰ্ত > ত্ত (সমীভৱন)। পসৰেই < প্রসাৰতি = প্রসাৰিত হয়; প্র > প, আ > অ, অ > এ (একস্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ), ‘ত’-ৰ লোপ। অক্খৰ < অক্ষৰ = আখৰ; ক্ষ > ক্খ; খম্ব < স্তম্ভ = খুঁটা, স্ত > খ, ম্ভ > ম্ব। মাএ্ণচো < মঞ্চঃ = মঞ্চ; অ > আ, ঞ্চ > এ্ণচ, অন্ত্য অঃ > ও। দেই < দদাতি = দিয়ে, দদাতি > দেতি > দেই।

**২ নং পদ ঃ** *তেং মোএ্ণে ভলএ্ণো নিবূঢ়ি গএ জইসও তইসও কব্ব*
*খল খেল-চ্ছল দূসিহই সুঅন পসংসই সব্ব।।*

**অসমীয়া ভাঙনি ঃ**

এই কথা মই ভালকৈ বুজি পাইছোঁ যে যেনে তেনে ৰচনা কৰা মোৰ এই কাব্যক খলজনে খেলাৰ ছলেৰে দূষিব আৰু সজ্জনে প্রশংসা কৰিব।

**শব্দগত টোকা ঃ**

মোএ্ণে < অস্মদ্ = মই। গএ < গতঃ। জইসও < যস্যঃ=যেনে; স্যঃ > স্সো > সত্ত। তইসও < তস্যঃ = তেনে, অ > ই। কব্ব < কাব্য = কাব্য,ব্য > ব্ব (সমীভৱন)। দূসিহই < দূষিস্যতি = দোষ দিয়ে; ষ > স, স্য > স্স > স > হ, ‘ত’-ৰ লোপ। সুঅন < সুজন = সৎলোক; ‘জ’-ৰ লোপ। পসংসই < প্রশংসিত = প্রশংসা কৰে; প্র > প, শ > স, ‘ত’-ৰ লোপ। সব্ব < সৰ্ব = সকলো, ৰ্ব > ব্ব (সমীভৱন)।

**৩ নং পদ ঃ** *সুঅন পসংসই কব্ব মঝু দুজ্জন বোলই মন্দ।*
*অৱসও ৱিসহৰ ৱিস ৱমই অমিএ্ণ ৱিমুক্কই চন্দ।।*

**অসমীয়া ভাঙনি ঃ**

সজ্জনে মোৰ কাব্যক প্রশংসা কৰে, দুৰ্জনে বেয়া বুলি কয়; অৱশ্যে বিষধৰে বিষকে ঢালে, চন্দ্রইহে অমৃত বৰ্ষণ কৰে।

**শব্দগত টোকা ঃ**

সুঅন < সুজন (সজ্জন) = সুজন। পসংসই < প্রশংসতি = প্রশংসা কৰে। কব্ব < কাব্য = কাব্য (কবিতা)। মঝু = অস্মদ (ষষ্ঠীৰ একবচন মজ্ঝু > মঝু) = মোৰ। দুজ্জন < দুৰ্জন = দুৰ্জন (অসৎলোক), ৰ্জ > জ্জ (সমীভৱন)। অৱসও < অৱশ্যঃ= অৱশ্যে; শ্য > স্স > স, অন্ত্য অঃ > ও। ৱিসহৰ < ৱিষধৰ = বিষধৰ, বিষ বহনকাৰী; ষ > হ মহাপ্রাণ, ধ > হ। ৱমই < ৱমতি = ঢালে, ‘ত’ৰ লোপ। অমিএ্ণ < অমৃতং = অমৃত; ঋ > ই, তং > এ্ণ। চন্দ < চন্দ্র = চন্দ্র, জোন; ‘ৰ’ কাৰৰ লোপ। ৱিমুক্কই < ৱিমুক্ততি = বৰ্ষণ কৰে; ক্ত > ত্ত (সমীভৱন), ‘ত’-ৰ লোপ।

**৪ নং পদ ঃ** *সজ্জন চিন্তই মনহি মনে মিত্ত কৰিঅ, সৰ কোএ।*
*ভেঅ কহন্তা মজ্‌ঝু জই দুজ্জন ৰইৰি ণ হোএ।।*

**অসমীয়া ভাঙনি ঃ**

সৎলোকে সকলোকে মনেৰে মিত্ৰ বুলি ভাবে; ভেদভাব অনাসকলৰ মাজত দুৰ্জন থাকিলেও শত্ৰু জ্ঞান নকৰে।

**শব্দগত টোকা ঃ**

সজ্জন < সজ্জন, সৎ + জন = সৎলোক। চিন্তই < চিন্ততি। মিত্ত < মিত্ৰ = মিত্ৰ, বন্ধু; ত্ৰ > ত্ত (সমীভৱন)। কৰিঅ < কৃত্বা = কৰি, ক্তাচ্ প্ৰত্যয় প্ৰাকৃতৰ দৰে 'ইঅ' ৰূপে প্ৰয়োগ হৈছে। সৰ < সৰ্ৱ = সকলো; ৰ্ৱ > ৱৱ > ৰ। ভেঅ < ভেদ = ভেদ/পাৰ্থক্য, 'দ'ৰ লোপ। মজ্‌ঝু < মধ্যঃ = মাজ; ধ্য > জ্‌ঝ, ১মাৰ উ বিভক্তি; জই < যদি = যদি; য > জ, 'দ'ৰ লোপ। দুজ্জন < দুৰ্জন = অসৎ লোক। ৰইৰি < বৈৰী = শত্ৰু, ঐ > অই, ঈ > ই। হোএ < ভৱতি = হয়; মহাপ্ৰাণ ভ > হ, অৱ > ও, 'ত'ৰ লোপ, ই > এ।

**৫ নং পদ ঃ** *বালচন্দ বিজ্জাৱই-ভাসা*
*দুহু নহি লগ্গই দুজ্জন হাসা।*
*ও পৰমেসৰ হৰ-সিৰ সোহই*
*ঈ নিচ্চই নাঅৰ-মন মোহই।।*

**অসমীয়া ভাঙনি ঃ**

কাঁচিজোন আৰু বিদ্যাপতিৰ ভাষা— এই দুইক দুৰ্জনৰ উপহাসে স্পৰ্শ নকৰে; সিটোৱে পৰমেশ্বৰ হৰৰ শিৰ শোভিত কৰে, ইটোৱে সদায় বিদ্বানজনৰ মন মোহিত কৰে।

**শব্দগত টোকা ঃ**

বালচন্দ < বালচন্দ্ৰ = বালকচন্দ্ৰ বা কাঁচিজোন; সংযুক্ত 'ৰ'কাৰৰ লোপ। ৱিজ্জাৱই < বিদ্যাপতি = বিদ্যাপতি (কবিৰ নাম); দ্য > জ্জ (সমীভৱন), প > ৱ, 'ত'ৰ লোপ। ভাসা < ভাষা = ভাষা। দুহু < দ্বি = দুই, ষষ্ঠীৰ একবচনত হু। নহি < নাস্তি (ন + অস্তি) = নাই; স্ত > থ্থ > থ > হ। লগ্গই < লগ্নতি = লগ পায়, স্পৰ্শ কৰে; গ্ন > গ্‌গ, 'ত'-ৰ লোপ। পৰমেসৰ < পৰমেশ্বৰ = পৰমেশ্বৰ বা ভগৱান, শ্ব > স্‌স > স। সিৰ < শিৰ। সোহই < শোভতি = শোভা কৰে; শ > স, ভ > হ, 'ত'ৰ লোপ। নিচ্চ < নিত্য = সদায়, ত্য > চ্চ (অন্যোন্য সমীভৱন)। নাঅৰ < নাগৰ = বিজ্ঞলোক, বিদ্বান; 'গ'-ৰ লোপ; মোহই < মোহতি = মোহিত কৰে, 'ত'ৰ লোপ।

**৬ নং পদ ঃ** *কা পৰবোধবএ্রা কমণ জনাবএ্রা*
*কিমি নীৰস মনে ৰস লএ লাবএ্রা।*
*জই সুৰসা হোসই মঝু ভাসা*
*জো বজ্‌ঝিহ সো কৰিহ পসংসা।।*

**অসমীয়া ভাঙনি ঃ**

কেনেকৈ বুজাম, কেনেকৈ জনাম? নিৰস মনলৈ কিদৰে ৰস আনিম? মোৰ ভাষা যদি ৰসযুক্ত হয় তেন্তে যিয়ে বুজে তেওঁ প্ৰশংসা কৰিব।

**শব্দগত টোকা ঃ**

পৰবোধ < প্ৰবোধ = বুজোৱা; প্ৰ > পৰ (স্বৰভক্তি)। কমণ < কমন = কেনেকৈ। জনাবএ্রা < জ্ঞাত্বা = জনাওঁ। জই < যদি = যদি। সুৰসা < সুৰস = ৰসপূৰ্ণ। হোসই < ভৱতি

= হৈছে। মজু (অস্মদ্ শব্দৰ ষষ্ঠীৰ একবচন) = মোৰ। ভাসা < ভাষা। জো < যঃ = যিয়ে। সো < সঃ = তেওঁ বা সিয়ে। কৰিহ < কৃ ধাতুৰ ভৱিষ্যত কালৰ অৱহট্‌ঠ ৰূপ = কৰিব। প্ৰসংসা < প্ৰশংসা = প্ৰশংসা।

**৭ নং পদ ঃ** *মহুঅৰ বুজঝই কুসুম-ৰস কৱ্‌-কলাউ ছইল্ল।*
*সজ্জন পৰওঅআৰ মন দুজ্জন নাম মইল্ল।।*

**অসমীয়া ভাঙনি ঃ**

মৌমাখিয়ে ফুলৰ সোৱাদ বুজে, বিদগ্ধজনে কাব্য-কলাৰ মোল বুজে, সজ্জনৰ মন পৰোপকাৰী, কিন্তু দুৰ্জনৰ মন কলুষতাপূৰ্ণ।

**শব্দগত টোকা ঃ**

মহুঅৰ < মধুকৰ = মৌমাখি; ধ > হ, 'ক'ৰ লোপ। কৱ্‌ < কাব্য = কাব্য বা কবিতা। ছইল্ল = বিদগ্ধ (দেশী শব্দ) ) = বিদগ্ধজন। সজ্জন < সৎ + জন = সৎলোক। পৰংঅআৰ < পৰোপকাৰ = আনৰ হিত চিন্তা। দুজ্জন > দুৰ্জন। মইল্ল < মলিন = মলিন বা কলুষতাপূৰ্ণ।

**৮ নং পদ ঃ** *সক্কঅ-বাণী বুহঅন ভাৱই*
*পাউঅ-ৰস কো মম্ম ন পাৱই।*
*দেসিল-ৱঅনা সৱজন মিট্‌ঠা*
*তেং তইসন জংপিঅ অৱহট্‌ঠা।।*

**অসমীয়া ভাঙনি ঃ**

সংস্কৃত বচন বিদ্বান (বুধজন) লোকেহে বুজে, প্ৰাকৃত-ৰসৰ মৰ্ম কোনেও নাপায়; দেশী-বচন সকলোজনৰ বাবে মিঠা, সেয়ে অৱহট্‌ঠত ৰচনা কৰিছোঁ।

**শব্দগত টোকা ঃ**

সক্কঅ < সংস্কৃত = সংস্কৃত; ঋ > অ, স্ক > ক্ক, 'ত'ৰ লোপ। বুহঅন < বুধজন = বিদ্বান লোক; মহাপ্ৰাণ ধ > হ, 'জ'ৰ লোপ। মম্ম < মৰ্ম = মৰ্ম, ৰ্ম > ম্ম (সমীভৱন)। পাৱই < প্ৰাপ্নোতি = পায়; সংযুক্ত প্ৰ > প, প্ন > প্প > প > ৱ, 'ত'ৰ লোপ। দেসিল-ৱঅনা < দেশী বচন = দেশীয় ভাষা। সৱজন < সৰ্বজন = সকলোৰে। মিট্‌ঠা < মিষ্ট = মিঠা, ষ্ট > ট্‌ঠ (সমীভৱন)। অৱহট্‌ঠা < অপভ্ৰষ্ট = অপভ্ৰষ্ট; প > ৱ, ভ্ৰ > হ, ষ্ট > ট্‌ঠ।

**আত্মমূল্যায়ন প্ৰশ্ন**

আপোনাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত 'কীৰ্তিলতা'ৰ আঠোটা পদৰ প্ৰতিটোৰে সৰল অসমীয়ালৈ ভাঙনি কৰি উলিয়াওক।

..............................................................................
..............................................................................
..............................................................................

## ৩.৮ সাৰাংশ (Summing Up)

এই বিভাগটোত আপুনি পূৰ্ব ভাৰতৰ 'কবি সাৰ্বভৌম' ৰিজ্জাৰই বা বিদ্যাপতি বিৰচিত আখ্যানমূলক ঐতিহাসিক কাব্য *'কীৰ্তিলতা'*ৰ বিষয়ে অধ্যয়ন কৰাৰ উপৰি পাঠ্যক্ৰম-প্ৰদত্ত আঠোটা পদৰ অসমীয়া ভাঙনি আৰু শব্দগত টোকা সহ মূল পাঠৰ বিষয়ে অধ্যয়ন কৰিলে। কাব্যখনিত কবিৰ পৃষ্ঠপোষক মিথিলা তথা ত্ৰিহুতৰ ৰজা কীৰ্তিসিংহৰ বীৰ-কীৰ্তিৰ ঘটনা বিবৃত

হৈছে। এই ফালৰ পৰা কাব্যখনি খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ প্ৰথম দশকত ৰচিত বুলি পণ্ডিতসকলে অনুমান কৰিছে।

মিথিলাৰ অইনৱৰ বংশৰ ৰজা গুণেশ্বৰক অছলাম নামৰ মুছলমান শাসক এজনে বিশ্বাসঘাটকতা কৰি হত্যা কৰা আৰু ৰাজ্য দখল কৰা, গুণেশ্বৰৰ পুত্ৰ কাব্যৰ নায়ক কীৰ্তিসিংহই জৌনপুৰৰ নবাব শ্বেখ ইব্ৰাহীম শ্বাৰ্কীৰ সহায়ত অছলামক পৰাভূত কৰি ৰাজ্য পুনৰুদ্ধাৰ কৰা আৰু পৰিশেষত আনন্দ উৎসৱৰ মাজেদি কীৰ্তিসিংহ ৰাজপাটত বহা ইত্যাদি ঘটনাৰ যথাযথ আৰু মৰ্মস্পৰ্শী বিৱৰণ কাব্যখনিত পোৱা যায়। কীৰ্তিসিংহৰ বীৰত্বব্যঞ্জনক কাহিনীৰ উপস্থাপন কাব্যখনিৰ মূল উদ্দেশ্য হ'লেও, ইতিহাস-সচেতন কবিৰ কাপেৰে সমসাময়িক সমাজ আৰু ৰাজনৈতিক জীৱৰ প্ৰেক্ষাপটো সুন্দৰকৈ ফুটি ওলাইছে। কাব্যখনি মূলতঃ বীৰৰসাত্মক হ'লেও, মাজে মাজে শৃংগাৰ আৰু বীভৎস ৰসৰ সমাৱেশো লক্ষ্য কৰিব পাৰি।

মুঠতে, পূৰ্বী অৱহট্‌ঠ ভাষাত ৰচিত এই কাব্যখনিক মধ্যভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰৰ উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। বিদ্যাপতিৰ জীৱন-পৰিক্ৰমা আৰু সাহিত্য-কৃতি সম্বন্ধে এটি আলচ যুগুত কৰক।

২। 'কীৰ্তিলতা' কাব্যৰ আধাৰত বিদ্যাপতিৰ সাহিত্য-প্ৰতিভাৰ মূল্যায়ন কৰক।

৩। 'কীৰ্তিলতা' কাব্যত কি ভাষা প্ৰয়োগ কৰা হৈছে? ইয়াৰ বিষয়বস্তু সম্বন্ধে এটি আলোচনা প্ৰস্তুত কৰক।

৪। 'কীৰ্তিলতা'ক ঐতিহাসিক কাব্য বুলিব পাৰিনে? আপোনাৰ নিজৰ যুক্তিৰে বিচাৰ কৰক।

৫। 'কীতিলতা'ৰ ৰচনা-ৰীতি আৰু সাহিত্যিক সৌন্দৰ্যৰ বিষয়ে বহলাই আলোচনা কৰক।

৬। 'চম্পু' কি? 'কীতিলতা'ত এইবিধ ৰচনাৰ প্ৰতিফলন কেনেদৰে ঘটিছে ফঁহিয়াই দেখুৱাওক।

৭। আপোনাৰ পাঠ্যসূচীৰ অন্তৰ্গত 'কীতিলতা'ৰ পদকেইফাকি সৰল অসমীয়ালৈ ভাঙনি কৰক আৰু কঠিন শব্দবোৰৰ একোটা ভাষাগত টোকা লিখক।

## ৩.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দেবিদাস ভট্টাচাৰ্য ঃ *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

(——) ঃ *প্ৰাকৃত সাহিত্য চয়ন*

সুৰেশচন্দ্ৰ বন্দ্যোপাধ্যায় ঃ *প্ৰাকৃত-অপভ্ৰংশ সাহিত্য-বীথিকা*

বাবুৰাম চাক্সেনা ঃ *কীৰ্তিলতা* (হিন্দী ঃ পাঠ আৰু অনুবাদ)

হৰপ্ৰসাদ শাস্ত্ৰী ঃ *কীৰ্তিলতা* (বাংলা আৰু ইংৰাজী ঃ পাঠ আৰু অনুবাদ)

শঙ্কৰী প্ৰসাদ বসু ঃ *বিদ্যাপতি ও চণ্ডীদাস*

Encyclopaedia of Indian Literatare vol-3 (হৰমোহন মিশ্ৰৰ প্ৰবন্ধ)


* * *